# সত্ৰ-দৰ্পণ





তিলকচন্দ্ৰ মজুমদাৰ

# অভিমত

শ্ৰীযুত তিলকচন্দ্ৰ মজুমদাৰে অসমৰ জাতীয় ধৰ্ম-সমাজ-সাহিত্য-সাংস্কৃতিক জীৱনৰ অতিকৈ গুৰুত্বপূৰ্ণ কাম এটা হাতত লৈ যোৱা ৫ (পাঁচ) বছৰে একনিষ্ঠভাৱে নিজক নিয়োজিত কৰি অবিভক্ত নগাওঁ জিলাৰ সত্ৰসমূহৰ অনুসন্ধান কৰি বুৰঞ্জী আৰু তাৰ লগত জড়িত কলা-সংস্কৃতিৰ আপুৰুগীয়া সম্পদ অনুসন্ধান কৰি সেইসমূহ সন্নিৱিষ্ট কৰি 'অবিভক্ত নগাওঁ জিলাৰ সত্ৰ দৰ্পণ' নামৰ মহৎ গ্ৰন্থ সম্পূৰ্ণ কৰি তুলিছে। এনে কামৰ সুদূৰপ্ৰসাৰী প্ৰভাৱৰ কথা ঠাওকতে কৈ দিব নোৱাৰি। তেখেতৰ এনে অতুলনীয় আদৰ্শ লৈ অসমৰ বিভিন্ন জিলাৰ জাতীয় সংস্কৃতি-অনুৰাগীসকলে নিজ নিজ অঞ্চল বা জিলাৰ পূৰ্ণাঙ্গ বুৰঞ্জী প্ৰণয়ন কৰিবলৈ আগবাঢ়ি আহিলে এনে গ্ৰন্থ অসমৰ ধৰ্ম-সমাজ-সাহিত্য-সংস্কৃতিৰ এখন বিৰাট বিশ্বকোষ হ'ব—অসম ৰাজ্যত অসম-কোষ হৈ পৰিব। অসমৰ জাতীয় ধৰ্ম-সংস্কৃতিৰ ক্ষেত্ৰত শ্ৰীমজুমদাৰৰ ই এক অভিনৱ প্ৰচেষ্টা। তেখেতৰ কাৰ্যাৱলী আমাৰ উত্তৰ পুৰুষসকলৰ কাৰণে প্ৰেৰণাৰ উহ হৈ পৰক! তেখেতৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ুৰ কাৰণে ভগৱানক প্ৰাৰ্থনা জনালোঁ।

৬।১১।২০০৫ (শ্ৰীমহিম বৰা)
প্ৰাক্তন সভাপতি, অসম সাহিত্য সভা।।

আনুষ্ঠানিক গৱেষণাৰ প্ৰতি বিশেষ আগ্ৰহ বোধ নকৰা অথচ সত্ৰীয়া কলা-সংস্কৃতিৰ বিষয়ে সততে অনুসন্ধান আৰু তথ্য সংগ্ৰহত ৰত হৈ থকা শ্ৰীযুত তিলক চন্দ্ৰ মজুমদাৰক তেখেতৰ অধ্যাপনা জীৱনৰ শেষৰ ফালে বিশ্ববিদ্যালয় অনুদান আয়োগৰ লঘু গৱেষণা প্ৰকল্প এটাৰ কাম হাতত ল'বলৈ মই সন্মত কৰাইছিলোঁ। তেখেতৰ পৰিচিত আৰু আন্তৰিকভাৱে জড়িত অবিভক্ত নগাওঁ জিলাৰ সত্ৰ-সমাজৰ বিষয়েই তেখেতে গৱেষণা আৰম্ভ কৰে আৰু অতিশয় ধৈৰ্য্য, একাণপতীয়া প্ৰচেষ্টা আৰু প্ৰচুৰ পৰিশ্ৰমেৰে বিষয়টোৰ ওপৰত বিপুল পৰিমাণৰ তথ্য আৰু ইতিহাস সংগ্ৰহ কৰে। লঘু গৱেষণাৰ সীমিত পৰিসৰ পাৰ হৈ তেখেতৰ পৰিশ্ৰম-সাধ্য অধ্যয়নৰ ফল 'অবিভক্ত নগাঁও জিলাৰ সত্ৰ-দৰ্পণ'ত পৰিণত হৈছে। অসমৰ সত্ৰ অধ্যয়নৰ ক্ষেত্ৰত শ্ৰীযুত মজুমদাৰৰ গ্ৰন্থখনিয়ে নিশ্চয় গুৰুত্বপূৰ্ণ স্থান পাব।

১৭ নৱেম্বৰ, ২০০৫ অপূৰ্ব শৰ্মা
সাহিত্য অকাদেমী বঁটা প্ৰাপক।।

অবিভক্ত নগাঁও জিলাৰ

# সত্ৰ-দৰ্পণ

Chandra Dev Goswami Library
Acc ৩১.৮৫৮/৫৬
Date..........
Girls College

শ্ৰীতিলকচন্দ্ৰ মজুমদাৰ

**ABIBHAKTA NAGAON ZILAR SATTRA DARPAN :** A Mirror of the Sattras of Undivided Nagaon Dist, Written by Tilak Chandra Majumdar, Retired Professor, Nagaon Girls' College, Nagaon: Assam, and Published by Smti. Upama Majumdar, Majumdar Puthi Prakashan, Nagaon - 782001, Price Rs. 150.00

মজুমদাৰ পুথি প্ৰকাশন
উপমা মজুমদাৰ
বীৰেণ মহন্ত পথ
নগাঁও - ৭৮২০০১

প্ৰথম প্ৰকাশ
১৬ আঘোণ, ৫৫৭ শঙ্কৰাব্দ
২ ডিচেম্বৰ, ২০০৫

স্বত্ব ঃ ঋত্বিক

পৰিবেশক ঃ
শুৱনি গ্ৰন্থালয়
বি, বি, ৰোড, আমোলাপট্টী
নগাঁও- ৭৮২০০১

891.04508/MAJ

বেটুপাত ঃ
পৰিকল্পনা ঃ নিপঙ্কৰ মহন্ত

ডি. টি. পি.
ইলিগেণ্ট কম্পু
গোবিন্দ হাজৰিকা
শঙ্কৰ মন্দিৰ পথ, নগাওঁ ঃ ৭৮২০০১
অৰিহণা ঃ ১৫০.০০ টকা

মুদ্ৰণ ঃ
শৰাইঘাট অফছেট প্ৰেছ
বামুণীমৈদাম, গুৱাহাটী - ২১

Acc. No.........
Date.........
Girls' College

## পাতনি

খৃষ্টীয় পঞ্চদশ শতিকাৰ দ্বিতীয়াৰ্ধত অসমত নৱবৈষ্ণৱ ধৰ্মৰ প্ৰতিষ্ঠাতা শ্ৰীমন্ত শঙ্কৰদেৱে নগাঁৱৰ বৰদোৱা-আলিপুখুৰীত ১৪৪৯ খৃষ্টাব্দত আৱিৰ্ভাৱ হৈ সুযোগ্য আচাৰ্য মহেন্দ্ৰ কন্দলিৰ অধীনত শিক্ষা লাভ কৰি নিজা ঘৰলৈ ঘূৰি আহে আৰু শিৰোমণি ভূঞাৰ বিষয়-বাব লয়। প্ৰায় ২১-২২ বছৰ বয়সত শ্ৰীমন্ত শঙ্কৰে বিবাহ-পাশত আবদ্ধ হয়। পিছে ভূঞালি বিষয়-বাবৰ মোহ বা গৃহী জীৱনৰ মমতা সোনকালেই কমি আহি বৈষ্ণৱ ধৰ্মৰ চৰ্চা আৰু দাৰ্শনিক তত্ত্ব জিজ্ঞাসাৰ প্ৰতি তেওঁৰ মন নিবিষ্ট হৈ পৰে। সেয়েহে ডেকাগিৰীয়ে টেমনি বৰদোৱাৰ 'বাহ্‌ ভূঞাৰ ভিঠা'ত ঘৰ-দুৱাৰ কৰি এটি কীৰ্ত্তন-ঘৰ সাজে আৰু ইয়াৰ ভেটি তোলোঁতে কোৰৰ চাবত শিলত কটা চতুৰ্ভুজ বিষ্ণুমূৰ্তি এটি পাই সাত ঠাকৰ সিংহাসনৰ ওপৰত প্ৰতিষ্ঠা কৰে। এইয়ে পুৰণি আৰু আধুনিক অসমৰ বৈষ্ণৱ ধৰ্মৰ সমাজৰ সত্ৰসমূহৰ বীজ-বিন্দু। ইয়াৰ পৰাই উদ্ভৱ হোৱা সত্ৰ-পুলিটি নৱ বৈষ্ণৱ ধৰ্মৰ সাৰ-পানীৰে পৰিপুষ্ট হৈ সময়ৰ অগ্ৰগতিৰ লগে লগে ষোড়শ-সপ্তদশ শতিকাত বিৰাট বটবৃক্ষ স্বৰূপ সত্ৰ-সমাজখন উত্তৰ-পূৰ ভাৰতত ডাল-পাতেৰে পল্লৱিত হৈ উঠে। অষ্টাদশ-ঊনবিংশ শতিকাত ইয়াৰ ঠাল-ঠেঙুলি আকৌ বাঢ়িবলৈ ধৰে। এনেদৰে সত্ৰসমূহে অসমৰ জনসাধাৰণক বিশেষকৈ হিন্দু সমাজখনক ঐক্য-সংহতিৰ এনাজৰীৰে বান্ধ খুৱাই ৰাখি আহিছে।

মহাপুৰুষ শঙ্কৰদেৱৰ আৱিৰ্ভাৱ, নৱবৈষ্ণৱ ধৰ্মৰ প্ৰতিষ্ঠা আৰু সত্ৰ অনুষ্ঠানৰ উদ্ভৱ গুৰুজনাৰ সমসাময়িক সমাজখনৰ প্ৰতি প্ৰত্যাহ্বান হৈ পৰিছিল। কাৰণ আগৰে পৰা চলি অহা কামৰূপ-অসম ভূখণ্ডত বাস কৰা নানা জাতি-উপজাতি, গোষ্ঠী-ফৈদৰ মাজত সৰু-বৰ বৈষম্যই উক দিছিল, শাসক-শাসিতৰ মাজৰ সংযোগ সম্পৰ্কৰ ব্যৱধান বাঢ়ি গৈছিল, সমাজত অবিচাৰ-ব্যভিচাৰ, ঈৰ্ষা-অসূয়া, দুষ্কৃতি-দুৰ্নীতি আদি শিপাই পৰিছিল। তদুপৰি, সমাজৰ অধিক সংখ্যক মানুহৰ মনত ধৰ্মৰ নামত অন্ধবিশ্বাস-কুপ্ৰথাই বাহ লৈছিল। ত্ৰয়োদশ-ষোড়শ শতিকাৰ ভিতৰত বৌদ্ধ তান্ত্ৰিক ধৰ্ম, শৈৱ তান্ত্ৰিক ধৰ্মই সমাজৰ একাংশ লোকক বিপথে আকৰ্ষণ কৰিছিল। শঙ্কৰদেৱে ভূঞা ৰাজ্যৰ শাসনভাৰ লৈ এইবোৰ সামাজিক বিশৃঙ্খলা আৰু অনৈতিক জীৱন-যাত্ৰা লক্ষ্য কৰি বিভ্ৰান্ত সমাজ-ব্যৱস্থাক সংস্কাৰ কৰাৰ

উদ্দেশ্যে নৱবৈষ্ণৱ ধৰ্মৰ ৰূপ দিছিল আৰু সত্ৰ-সমাজক আহিলা স্বৰূপে লৈছিল। তেওঁ বহুধা বিভক্ত হৈ থকা কামৰূপ-অসমৰ বিশাল সমাজখনৰ ৰজা-প্ৰজা, ধনী-দুখীয়া, সাক্ষৰ-নিৰক্ষৰ, স্পৃশ্য-অস্পৃশ্য, বামণ-শূদ্ৰিৰ, জাতি-উপজাতি, আৰ্য্য-আৰ্য্যভিন্ন সকলোকে সম্প্ৰীতিৰ ডোলেৰে বান্ধি এখন ঐক্যবদ্ধ বিশাল গণতান্ত্ৰিক সমাজ গঠনৰ আশা পোষণ কৰিছিল আৰু সেইমতে কাৰ্য্যক্ষেত্ৰত ফলৱতীও হৈছিল। তাৰেই ফল বৰ্তমানৰ অসমৰ সমাজখনে ভোগ কৰি আছে।

শ্ৰীমন্ত শঙ্কৰদেৱ বহুগুণেৰে বিভূষিত এগৰাকী মহাপুৰুষ আছিল। তেওঁ মানৱীয় প্ৰতিভাৰ প্ৰতিভূ স্বৰূপ আৰু বিশেষ মানবীয় গুণৰ প্ৰকৃষ্ট অধিকাৰী। আনহাতে তেওঁ যুগধৰ্মৰ প্ৰৱৰ্ত্তক আৰু সৰ্বশিল্পৰ ৰূপকাৰ। এনে মহান পুৰুষ মানৱ ইতিহাসত বিচাৰি পাবলৈ টান। তেওঁ একেধাৰে কবি, নাট্যকাৰ, গীতিকাৰ, সুৰকাৰ, দাৰ্শনিক তত্ত্বজ্ঞ ঋষি, অভিনেতা, সঙ্গীতজ্ঞ, বাদ্য-বিশাৰদ, কুশল কাৰিকৰ, চাৰু চিত্ৰকৰ, নিপুণ স্থাপত্যবিদ, সচেতন ভাষাবিদ, অপূৰ্ব সমাজ-সংস্কাৰক, নৱবৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্ত্তক আৰু পৰম ঈশ্বৰ-ভকত। স্থূলবিদ্যাৰ পৰা সূক্ষ্মবিদ্যালৈ নিজকে বিলীন কৰি দিব পৰাটো শঙ্কৰদেৱৰ এক অভূতপূৰ্ব বিশেষত্ব। মুঠতে সৰ্বলোকে সকলো দিশৰ পৰা বিচাৰি চাব আৰু পাবলগীয়া গুণ শঙ্কৰদেৱত বিদ্যমান। তেৱেঁই জগতগুৰু শ্ৰীমন্ত শঙ্কৰদেৱ।

মহাপুৰুষজনাই অদ্বৈতবাদী বৈষ্ণৱ ধৰ্ম প্ৰতিষ্ঠা আৰু প্ৰচাৰ কৰি বহু দেৱ-দেৱীৰ প্ৰশস্ত ক্ষেত্ৰ কামৰূপ-অসমৰ ধৰ্মপ্ৰাণ ৰাইজৰ অজস্ৰ লোকক একেশ্বৰবাদী ধৰ্মৰ জৰিয়তে একত্ৰিত কৰিলে; মাধৱদেৱ, হৰিদেৱ, দামোদৰদেৱ, গোপালদেৱকে মুখ্য কৰি এক শ্ৰেণী গুৰুক প্ৰাধান্য দি সন্মানিত কৰিলে, বৈষ্ণৱ ভকতবৃন্দক আধ্যাত্মিক জগতলৈ আগবঢ়াই দিলে, বিশৃঙ্খলিত বিশাল সমাজ এখনৰ সংস্কাৰ সাধন কৰিলে, মধ্যযুগীয় কামৰূপ-অসমৰ জনগণক সৰ্বপ্ৰকাৰৰ সুফল চেতনাবোধ আনি দিলে আৰু সাংস্কৃতিক উপদানেৰে বৃহত্তৰ অসমীয়া জাতিটোক জ্যোতিৰ্ময় কৰি তুলিলে, বিশেষকৈ সত্ৰ-সংস্কৃতিৰে বিশ্বৰ দৰবাৰত মৰ্য্যাদা পোৱাৰ যোগ্য কৰি থৈ গ'ল। এনে মহৎ অৱদান অপূৰ্ব আৰু অনন্য।

পঞ্চদশ শতিকাৰ পৰা বৰ্তমানলৈকে সত্ৰসমূহে প্ৰত্যক্ষ বা পৰোক্ষভাৱে অসমৰ সমাজ-জীৱনক নানান প্ৰকাৰে প্ৰভাৱান্বিত কৰি আহিছে। এইবোৰে মধ্যযুগ আৰু আধুনিক যুগৰ অসমৰ পূৰ্ণাঙ্গ বুৰঞ্জী ৰচনাৰ ক্ষেত্ৰত অনেক সমল যোগাব পাৰে; তদুপৰি বৃহত্তৰ অসমীয়া জাতিৰ উত্থান-পতন, জীৱন প্ৰৱাহৰ বৈশিষ্ট্য, চিন্তাধাৰাৰ লক্ষণ, ধৰ্ম-চৰ্চাৰ প্ৰকৃতি, আধ্যাত্মিক উৎকৰ্ষতা সাধনৰ প্ৰতি স্পৃহা, মনস্তাত্ত্বিক বৈশিষ্ট্য, সাংস্কৃতিক বৈচিত্ৰ আৰু জাতিগত আদৰ্শ আৰু লক্ষ্য সম্পৰ্কে ভালেমান তথ্য সত্ৰৰ বুৰঞ্জীয়ে বহন কৰে। গতিকে আমাৰ চৰিত-পুথিবোৰৰ দৰে পুৰণি অসমৰ সত্ৰসমূহৰ বুৰঞ্জীও অতি মূল্যবান সম্পদ। এই সত্ৰসমূহৰ বুৰঞ্জী প্ৰণয়ন কৰাটো আমাৰ জাতীয় দায়িত্ব আৰু বৌদ্ধিক চিন্তাৰ পৰিচায়ক। অৱশ্যে, ইতিমধ্যে অসমৰ কেইগৰাকীমান স্বনামধন্য লেখক আৰু গৱেষকে কেইখনমান সত্ৰৰ বুৰঞ্জী প্ৰণয়ন কৰিছে।

আমাৰ পক্ষে অতি আনন্দৰ কথা যে নগাঁও ছোৱালী কলেজৰ অসমীয়া বিভাগৰ প্ৰাক্তন অধ্যাপক শ্ৰীতিলকচন্দ্ৰ মজুমদাৰে গৱেষণাৰ দৃষ্টিভঙ্গীৰে অবিভক্ত নগাঁও জিলাৰ সত্ৰসমূহ ঃ সমাজ সাংস্কৃতিক অধ্যয়নেৰে 'অবিভক্ত নগাঁও জিলাৰ সত্ৰ-দৰ্পণ' শিৰোনামাৰে বৃহৎ কলেবৰৰ গ্ৰন্থ এখন প্ৰস্তুত কৰি উলিয়াইছে। গ্ৰন্থৰ বিষয়-বস্তুখিনি ছয়টা প্ৰধান অধ্যায়ত ভাগ কৰি প্ৰতিটো অধ্যায়তে ভালেমান উপ-অধ্যায়ত কথাবোৰ পুঙ্খানুপঙ্খৰূপে গুৰুত্বসহকাৰে বিশ্লেষণ কৰি দেখুৱাইছে। গৱেষণাৰ পদ্ধতিৰে লিখা এইয়া এখন তথ্যভিত্তিক উপাদেয় মূল্যবান গ্ৰন্থ। তেখেতৰ ক্ষেত্ৰ-অধ্যয়নে গ্ৰন্থখন নিৰ্ভৰযোগ্য কৰি তুলিছে। অধ্যাপক শ্ৰীমজুমদাৰৰ বৈষ্ণৱ ধৰ্মৰ ওপৰত গভীৰ আস্থা, মহাপুৰুষ শঙ্কৰদেৱৰ প্ৰতি অগাধ ভক্তি, সত্ৰীয়া সংস্কৃতিৰ প্ৰতি ঐকান্তিক স্পৃহা আৰু কষ্টকৰ গৱেষণা-কাৰ্য্যৰ প্ৰতি থকা নিষ্ঠা নিসন্দেহে প্ৰশংসনীয়। এই প্ৰসঙ্গত আমি তেখেতক অভিনন্দন জনালোঁ আৰু গ্ৰন্থখন সোনকালে প্ৰকাশ কৰাটো বাঞ্ছা কৰিলোঁ।

ড° পৰীক্ষিত হাজৰিকা
প্ৰাক্তন মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ,
গুৱাহাটী বিশ্ববিদ্যালয়

১৪/১১/২০০৫

# লেখকৰ নিবেদন

সত্ৰ ধৰ্ম-সমাজ-সংস্কৃতি তথা জাতীয় জীৱনৰ দাপোণ-স্বৰূপ। বৈষ্ণৱ সত্ৰৰ উদ্ভাৱক মহাপুৰুষ শঙ্কৰদেৱৰ মহাজীৱনৰ ব্যক্তিত্ব, প্ৰতিভা আৰু শ্ৰেষ্ঠত্বৰ বিষয়ে নানা আলোচনা হৈছে যদিও তেওঁৰ সৃষ্ট আৰু আন আন বৈষ্ণৱ ধৰ্মাচাৰ্য-সকলৰ দ্বাৰা প্ৰতিষ্ঠিত আৰু সম্প্ৰসাৰিত, আজি পৰ্য্যন্ত জনসমাজত অতুল প্ৰভাৱ বিস্তাৰ কৰি থকা সত্ৰসমূহৰ ঐতিহ্য আৰু সাহিত্য, ধৰ্ম, সমাজ-সাংস্কৃতিক অৱদানৰ যথোচিত মূল্যাংকন হৈছে বুলি ক'ব পৰা নাযায়। জনগণৰ নৈতিক, আধ্যাত্মিক, শৈক্ষিক, সামাজিক আৰু জাতীয় জীৱনক প্ৰভাৱান্বিত কৰি মানৱ জীৱন সুন্দৰ আৰু সফল কৰাৰ লগতে সমাজ জীৱন সুশৃঙ্খল আৰু শান্তিপূৰ্ণ কৰি জাতীয় ঐক্য স্থাপন কৰা সত্ৰৰ প্ৰাসঙ্গিকতা কোনোদিনাই নুই কৰিব পৰা নাযাব। সেই দিশলৈ লক্ষ্য ৰাখি অবিভক্ত নগাঁও জিলাৰ মহৎ ধৰ্মানুষ্ঠান সত্ৰসমূহৰ ঐতিহ্য, উত্থান-পতন আৰু সমাজ-সংস্কৃতিক অৱদানৰ অধ্যয়ন অনুসন্ধান কৰি এখনি গ্ৰন্থ যুগুতোৱাৰ প্ৰয়াস কৰা হ'ল।

আমাৰ গৱেষণাৰ তত্বাৱধায়ক গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত প্ৰধান অধ্যাপক ডঃ পৰীক্ষিত হাজৰিকাই উপদেশ আৰু পৰামৰ্শৰে গৱেষণাৰ কাম সফল কৰি তোলাৰ লগতে পাতনি লেখি দিয়াৰ বাবে তেখেতলৈ আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰা হ'ল। গ্ৰন্থখন প্ৰণয়ন কৰাৰ কাৰণে আমাক সততে উৎসাহিত কৰা আৰু দুষাৰ বহুমূলীয়া অভিমত দিয়া বাবে নগাওঁ ছোৱালী কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীঅপূৰ্ব শৰ্মা আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা এসময়ৰ আমাৰ প্ৰিয় ছাত্ৰী ডঃ লীলাৱতী শইকীয়া বৰালৈ ধন্যবাদ জনাইছোঁ।

সত্ৰ-বিষয়ক গৱেষণাৰ কাম হাতত ল'বলৈ হেঁচা প্ৰয়োগ কৰি নানা বিষয়ক আলোচনাৰে আমাক উপকৃত আৰু উৎসাহিত কৰা বাবে নগাঁও কলেজৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ডঃ গিৰিকান্ত গোস্বামী আৰু নগাঁও ছোৱালী কলেজৰ ইংৰাজী বিভাগৰ অধ্যাপক নিবন্ধকাৰ শ্ৰীজ্যোতিৰ্ময় জানাৰ শলাগ ললোঁ। ডঃ গোস্বামীয়ে দুষাৰ মন্তব্য আগবঢ়োৱা বাবে আনন্দিত হৈছোঁ। সংস্কৃত বিভাগৰ প্ৰাক্তন অধ্যাপক শ্ৰীমহেন্দ্ৰ নাথ শইকীয়াই গ্ৰন্থখন চকু ফুৰাই দিয়া বাবে তেখেতলৈ ধন্যবাদ জনাইছোঁ।

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, চিন্তাশীল লেখক শ্ৰদ্ধেয় শ্ৰীমহিম বৰাদেৱে দুষাৰ আশিস-বাণীৰে আমাক ধন্য কৰা বাবে তেখেতলৈ শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ।

'সত্ৰ-দৰ্পণ' যুগুত কৰাৰ ক্ষেত্ৰত আমাক ক্ষেত্ৰ-কৰ্মত সহায় আৰু দিহা-পৰামৰ্শৰে উপকৃত কৰা বাবে কৃতজ্ঞতা জনাইছোঁ— ৰূপনাৰায়ণ খামুচীয়া সত্ৰৰ অধিকাৰ শ্ৰদ্ধেয় শ্ৰীদেৱকান্ত মহন্ত, গোনামৰা সত্ৰৰ শ্ৰীকুশদেৱ মহন্ত, নৰোৱা বালিসত্ৰৰ শ্ৰীসাৰদানন্দ দেৱগোস্বামী, জাজৰি মদাৰগুৰি সত্ৰৰ শ্ৰীৰাধিকামোহন মহন্ত, ব্ৰহ্মচাৰী সত্ৰৰ শ্ৰীমোহন শৰ্মা আৰু সত্ৰাধিকাৰ শ্ৰীধৰ্মেশ্বৰ গোস্বামী, লাইআটী সত্ৰৰ শ্ৰীযুগলচন্দ্ৰ দেৱগোস্বামী, চৰিপোতা উলুবাৰী সত্ৰৰ শ্ৰীঅতুলচন্দ্ৰ মহন্ত, ডিফলু সত্ৰৰ শ্ৰীহৰিমোহন গোস্বামী, ধিঙৰ শ্ৰীজিতেন নায়ক প্ৰভৃতিলৈ।

শলাগ লৈছোঁ—যোৰহাটৰ শ্ৰীজয়ন্ত মাধৱ মহন্ত (কাংসপাৰ), এফলিয়াবৰিৰ শ্ৰীবীৰেণ মহন্ত, শিৱসাগৰৰ শ্ৰীহৰেণ চেতিয়া, কলিয়াবৰৰ শ্ৰীতোবেশ্বৰ খাটনিয়াৰ, গুৱাহাটীৰ শ্ৰীপ্ৰমোদ কাকতি, শ্ৰীমতী সৰস্বতী মহন্ত আৰু শ্ৰীমতী ৰেণু মহন্ত ; ৰামদিয়াৰ শ্ৰীকন্দৰ্প তালুকদাৰ, ছাত্ৰী নিজৰা মহন্ত আৰু লিজা বৰুৱা, যুৱ-লেখক শ্ৰীপ্ৰাঞ্জল কুমাৰ মহন্ত, শ্ৰীজ্যোতিৰ্ময় বৰদলৈ, শ্ৰীপ্ৰফুল্ল দাস, শ্ৰীলক্ষ্যজিৎ বৰা, ধিঙৰ শ্ৰীচন্দন কাকতি, শ্ৰীবিদ্যুৎ বিকাশ কলিতা, কোবাইকটাৰ শ্ৰীজ্যোতিৰ্ময় শইকীয়ালৈ।

আমাৰ গৱেষণা বিষয়টো ক্ষেত্ৰ-কৰ্মভিত্তিক। অবিভক্ত নগাঁও জিলাৰ বিভিন্ন অঞ্চলত থকা সত্ৰসমূহলৈ ফটো-কেমেৰা, টেপ-ৰেকৰ্ডাৰ, টোকা আদি লিখা আৰু আৰ্হি কাকত যুগুতোৱা কামৰ লগত পৰিবাৰ শ্ৰীমতী উপমা মজুমদাৰ আৰু পুত্ৰ ঋত্বিকৰ সহায়-শ্ৰম গৱেষণা গ্ৰন্থখনৰ লগত জড়িত থাকিব। গ্ৰন্থখন গুৱাহাটীত ছপোৱাৰ ব্যৱস্থা কৰি দিয়াৰ বাবে জোঁৱাই নিপঙ্কৰ মহন্ত আৰু প্ৰাঞ্জল বৰদলৈ, বোৱাৰী বীতা, জীয়ৰী স্মিতা-স্নিগ্ধা-স্নেহা-শ্ৰুতিৰ আগ্ৰহে গ্ৰন্থখন পোহৰলৈ অহাৰ পথ প্ৰশস্ত কৰিলে।

অসম সত্ৰ মহাসভাৰ পঞ্চচত্বাৰিংশ দ্বিবাৰ্ষিক নগাওঁ অধিবেশনত গ্ৰন্থখন উন্মোচন কৰাৰ সুবিধা দিয়াৰ বাবে অসম সত্ৰ মহাসভাৰ সাধাৰণ সম্পাদক শ্ৰীভৱ গোস্বামী, অভ্যৰ্থনা সমিতিৰ সম্পাদক নগাঁৱৰ শ্ৰীজীৱেশ্বৰ দেৱগোস্বামী, জিলা সমিতিৰ সম্পাদক শ্ৰীকুশল মহন্ত প্ৰমুখ্যে উদ্যোক্তাসকললৈ ধন্যবাদ জনালোঁ।

**গ্ৰন্থৰ তথ্য সম্পৰ্কে ঃ**

সত্ৰৰ ঐতিহ্য, বিকাশ, সম্প্ৰসাৰণ, অৱদান সম্পৰ্কীয় তথ্যসমৃদ্ধ গ্ৰন্থ প্ৰণয়ন

কৰাটো অতি দুৰূহ আৰু জটীল কাম—বিশেষকৈ তথ্য-পাতি সংগ্ৰহ আৰু যুগুতোৱাৰ ক্ষেত্ৰত। এই সংক্ৰান্তত বিভিন্ন সত্ৰলৈ যোৱাৰ উপৰিও সত্ৰসমূহক তথ্য সংগ্ৰহৰ প্ৰপত্ৰ দিয়া হৈছিল। তাৰ উপৰি, কোনো সত্ৰই প্ৰপত্ৰ নাপাব বুলি ভাবি অসমৰ জনপ্ৰিয় বাতৰি কাকত কেইখনৰ জৰিয়তে একাধিকবাৰ তথ্য বিচৰাৰ বাৰ্তা প্ৰকাশ কৰা হৈছিল। এই ক্ষেত্ৰত কিছুমান সত্ৰৰ সঁহাৰি উৎসাহজনক। আমাক আলোচনাৰ মাধ্যমেৰে (বাণীবদ্ধ), লিখিত টোকা আৰু গ্ৰন্থাদিৰে সমল যোগোৱা সচেতন বিজ্ঞ সাধু-সজ্জনৰ নাম তথ্য-সূত্ৰত উল্লেখ কৰা হৈছে। তেখেতসকললৈ আমাৰ অন্তৰভৰা কৃতজ্ঞতা জ্ঞাপন কৰা হ'ল।

আনহাতে, সমাজত নাম থকা সত্ৰীয়া আৰু কিছুমান উচ্চ শিক্ষিতে এই ক্ষেত্ৰত নীৰৱতা আৰু গা-এৰা দিয়া মনোভাৱ অৱলম্বন কৰা দেখা গ'ল। ভৱিষ্যতে তেখেতসকল সৰৱ হ'ব বুলি আশা কৰা হ'ল।

**মহন্তৰ ক্ষমাসে ভূষণ ঃ**

নগাঁও জিলাৰ ঐতিহ্যপূৰ্ণ আৰু গৰিমামণ্ডিত সত্ৰৰ তথ্যসমৃদ্ধ গ্ৰন্থ এখন যুগুত কৰাৰ সম্পৰ্কত আমাৰ জ্ঞানৰ সীমাবদ্ধতা আৰু অধ্যয়ন-অভিজ্ঞতাৰ স্বল্পতা আমি স্বীকাৰ কৰিছোঁ। তথাপি এই বিষয়ক পূৰ্ণাঙ্গ গ্ৰন্থৰ অভাৱলৈ লক্ষ্য ৰাখি “যেন পক্ষী উৰয় পাখি অনুৰূপে” তদ্ৰূপ আমিও আমাৰ সামৰ্থ অনুসৰি “অবিভক্ত নগাঁও জিলাৰ সত্ৰ-দৰ্পণ” গ্ৰন্থখনি প্ৰণয়ণ কৰি পঢ়ুৱৈ সমাজলৈ আগবঢ়ালোঁ।

আঁসোৰাহ আৰু ভুল-ক্ৰুটিৰ পৰা হাত সৰাটো সম্ভৱ নহয়। সহৃদয় পাঠক-পাঠিকাই গঠনমূলক সমালোচনাৰে আমাক উপকৃত কৰিব বুলি আশা কৰা হ'ল।

নগাঁওঁ ঃ ১৬ আঘোণ ৫৫৭ শঙ্কাৰাব্দ
২ ডিচেম্বৰ, ২০০৫

[signature]

# সূচী


- পাতনি
- সংক্ষিপ্তিকৃত শব্দ
- ভূমিকা ১৩-২১
- **প্ৰথম অধ্যায়**

**সত্ৰ ঃ উদ্ভৱ আৰু বিকাশ** (২২-৪৭)

১.০০ সত্ৰ ২২
১.০১ বৈদিক সাহিত্যত সত্ৰ ২৩
১.০২ প্ৰাক্-বৈষ্ণৱ যুগৰ অসমত সত্ৰ ২৪
১.০৩ অসমীয়া বৈষ্ণৱ সাহিত্যত সত্ৰ ২৪
১.০৪ সত্ৰ ঃ সমাজ-সংস্কৃতি ২৬
১.০৫ অসমৰ বৈষ্ণৱ সত্ৰৰ প্ৰৱৰ্তক শঙ্কৰদেৱ ২৮
১.০৬ সত্ৰ-সম্প্ৰসাৰণ ৩১
১.০৭ সত্ৰৰ বিভাজন ঃ পন্থ আৰু সংহতি ৩৬
১.০৮ অসমৰ সত্ৰৰ লেখ ৪০
১.০৯ অবিভক্ত নগাঁও জিলাৰ সত্ৰৰ লেখ ৪২
১.১০ সত্ৰ পৰিচিতি ৪৩

- **দ্বিতীয় অধ্যায়**

**অবিভক্ত নগাঁও জিলাৰ সত্ৰ** (৪৮-১৬৬)

২.০০ নগাঁও জিলাৰ নগাঁও মহকুমাৰ সত্ৰ
ক) পুৰুষ সংহতি ৫৬
খ) ব্ৰহ্মা সংহতি ৮৩
গ) কাল সংহতি ৯৮
ঘ) নিকা সংহতি ১১৫

২.০১ নগাঁও জিলাৰ কলিয়াবৰ মহকুমাৰ সত্ৰ
ক) পুৰুষ সংহতি ১২০
খ) ব্ৰহ্মা সংহতি ১৩৫
গ) কাল সংহতি ১৩৮

২.০২ মৰিগাঁও জিলা/ মহকুমাৰ সত্ৰ
ক) পুৰুষ সংহতি ১৪৪
খ) ব্ৰহ্মা সংহতি ১৫৬
গ) কাল সংহতি ১৫৮
ঘ) গৌৰাঙ্গ / চৈতন্যীয় ১৫৯

- তৃতীয় অধ্যায়
  সত্ৰৰ ধৰ্মীয় সংস্কৃতি (১৬৭-১৯১)
  ৩.০০ সত্ৰৰ নিত্য প্ৰসঙ্গ ঃ চৈধ্য প্ৰসঙ্গ ১৬৭
  ৩.০১ ভাদ মাহৰ পৰম্পৰাগত অনুষ্ঠান-উৎসৱ ১৭০
  ৩.০২ আন সময়ত উদ্‌যাপিত উৎসৱ ১৭৭
  ৩.০৩ সত্ৰাধিকাৰ অভিষেক উৎসৱ ১৮৪
  ৩.০৪ সত্ৰানুষ্ঠানৰ বিষয়ববীয়া ১৮৭
- চতুৰ্থ অধ্যায়
  নাট-ভাওনা (১৯৩-২০৮)
  ৪.০০ নাট-ভাওনাৰ স্ৰষ্টা শঙ্কৰদেৱ ঃ চিহ্নযাত্ৰা ১৯৩
  ৪.০১ চিহ্নযাত্ৰা ভাওনা ঃ কলা-কৌশল ১৯৪
  ৪.০২ ভাওনাৰ আধ্যাত্মিক তাৎপৰ্য ১৯৭
  ৪.০৩ সত্ৰৰ ভাওনা ১৯৮
  ৪.০৪ সমাজত ভাওনাৰ প্ৰভাৱ ২০১
  ৪.০৫ সত্ৰৰ নাট্য-সম্ভাৰ ২০৩
- পঞ্চম অধ্যায়
  সত্ৰৰ কলা-সংস্কৃতি (২১০-২২৪)
  ৫.০০ সত্ৰৰ সঙ্গীত-কলা ২১০
  ৫.০১ সত্ৰৰ পুথি-চিত্ৰকলা ২১৬
  ৫.০২ সত্ৰৰ কাৰুকলা আৰু আপুৰুগীয়া সম্পদ ২২০
- ষষ্ঠ অধ্যায়
  ৬.০০ উপসংহাৰ ২২৪
  ৬.০১ গ্ৰন্থপঞ্জী ২২৮
  ৬.০২ সত্ৰপঞ্জী ২৩৪
- সত্ৰৰ আপুৰুগীয়া সম্পদৰ আলোক চিত্ৰ ২৩৭
- মানচিত্ৰ ঃ অবিভক্ত নগাঁও জিলাৰ সত্ৰ থকা মৌজা ২৫২


০০০

# সংক্ষিপ্তিকৃত শব্দ

| | | |
|---|---|---|
| অঙ্কাৱলী | ঃ | কালিৰাম মেধি সম্পাদিত আৰু সংগৃহীত |
| অনন্ত চৰিত | ঃ | ভদ্ৰচাক বিৰচিত শ্ৰীশ্ৰীঅনন্ত চৰিত |
| আউনীআটী | ঃ | তীৰ্থনাথ শৰ্মা ঃ আউনীআটী সত্ৰৰ বুৰঞ্জী |
| ঐতিহ্যমণ্ডিত | ঃ | লীলাধৰ বৰা ঃ ঐতিহ্যমণ্ডিত কলিয়াবৰ |
| কথা-গুৰু চৰিত | ঃ | উপেন্দ্ৰ চন্দ্ৰ লেখাৰু সম্পাদিত |
| কীৰ্ত্তন | ঃ | মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱ ঃ কীৰ্ত্তন ঘোষা আৰু নামঘোষা। |
| দুজনা গুৰু | ঃ | লীলা ভূঞা ঃ দুজনা গুৰু আৰু আতাসকলৰ চমু পৰিচয় |
| দেৱদামোদৰ | ঃ | নবনাৰায়ণ গোস্বামী সম্পাদিত ঃ দেৱদামোদৰ গুৰু |
| দৈত্যাৰি | ঃ | দৈত্যাৰি ঠাকুৰ ঃ মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ চৰিত |
| পবিত্ৰ অসম | ঃ | মহেশ্বৰ নেওগ সম্পাদিত পবিত্ৰ অসম |
| বৰদোৱা | ঃ | মহেশ্বৰ নেওগ সম্পাদিত বৰদোৱা-গুৰু চৰিত |
| বেজবৰুৱা | ঃ | লক্ষ্মীনাথ বেজবৰুৱা শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ |
| বুৰঞ্জী বিবেক | ঃ | মণিৰাম দেৱান ঃ বুৰঞ্জী বিবেক ৰত্ন |
| মঞ্চলেখা | ঃ | অতুল চন্দ্ৰ হাজৰিকা ঃ মঞ্চলেখা |
| ৰামচৰণ | ঃ | ৰামচৰণ ঠাকুৰ ঃ গুৰুচৰিত |
| ৰামানন্দ | ঃ | ৰামানন্দ দ্বিজ ঃ শ্ৰীগুৰুচৰিত |
| সত্ৰ-সংস্কৃতি | ঃ | কেশৱানন্দ দেৱগোস্বামী ঃ সত্ৰ-সংস্কৃতিৰ ৰূপৰেখা |
| শঙ্কৰদেৱ | ঃ | মহেশ্বৰ নেওগ ঃ শ্ৰীশ্ৰীশঙ্কৰদেৱ |
| M.S.G.K. | : | Manuscripts Preserved at Srimanta Sankardeva Gaveshana Kendra, Bordowa |
| M.A.S. | : | Sarbeswar Rajguru, Medieval Assamese Society |
| N.M.S.A. | : | Satyendra Nath Sarma, The Neo-Vaisnavite Movement and The Sattra Institution of Assam |
| P.S.V. | : | Kesavananda Dev Goswami : Post Sankardeva Vaisnava Faith and Culture of Assam |
| S.H.T. | : | Maheswar Neog; Sankardeva and His Times |

# ভূমিকা

## গৱেষণাৰ পটভূমি ঃ প্ৰয়োজনীয়তা ঃ

বৈষ্ণৱ যুগৰ পূৰ্বে অসমত বসবাস কৰা নানা জাতি-উপজাতি, গোষ্ঠী-ফৈদ, ধৰ্ম-সম্প্ৰদায়ৰ মাজত থকা ভেদাভেদ, অসমতা, সামাজিক বৈষম্য-অনৈক্য-বিশৃংখলতাই মানবীয়তা আৰু সামাজিক ঐক্য গঢ়ি তোলাৰ পথ কন্টকাকীৰ্ণ কৰি ৰাখিছিল।

সেইকালত ভকতিবিহীন আৰু বিবেকৰহিত হৈ ধৰ্মৰ নামত লোকে নানা কুকৰ্ম কৰি সংসাৰত নানা নিকাৰ ভুঞ্জিছিল।[১] অসমৰ সভ্যতা-সংস্কৃতিৰ ইতিহাস হেজাৰ বছৰীয়া পুৰণি যদিও সৰ্বসাধাৰণৰ মানবীয় প্ৰমূল্য, সামাজিক ঐক্য, সাংস্কৃতিক জীৱন, মানসিক-নৈতিক-আধ্যাত্মিক উৎকৰ্ষ সাধনৰ কোনো ব্যৱস্থা নাছিল বা কোনেও তেনে প্ৰচেষ্টা হাতত লোৱাৰ উদাহৰণ পোৱা নাযায়। তেনে এক বাতাবৰণৰ বহুধা-বিভক্ত সমাজ-ব্যৱস্থাক সংস্কাৰ, সংশোধন আৰু স্বচ্ছ কৰি তুলি মানৱক প্ৰাপ্য অধিকাৰ সাব্যস্ত কৰাটো অতীব প্ৰয়োজন হৈ পৰিছিল। "সেই সময়ৰ অসমৰ বিশৃংখল, অসমান বিকাশৰ জটিল সমাজখনত প্ৰয়োজনীয় নেতাজন পোৱা গ'ল শঙ্কৰদেৱত। আৰ্য-সংস্কৃতিৰ সমলসমূহৰ ব্যৱহাৰেৰে শঙ্কৰদেৱে থলুৱা বা স্থানীয় সংস্কৃতিৰ সুসংৰক্ষণ, সংমিশ্ৰণ, সংহতি আৰু সমন্বয়ৰ মাজেদি এখন বাছকবনীয়া সমাজ আৰু এটা আদৰ্শ সংস্কৃতি গঢ়ি তুলিলে— যাৰ নাম অসমীয়া সংস্কৃতি।[২] এনে এক সমন্বয়ৰ নব্য-সংস্কৃতি গঢ়ি তুলিবলৈ শঙ্কৰদেৱে সেইকালৰ জনসাধাৰণৰ অনুভূতিত আঘাত নকৰাকৈ সমাজৰ উত্তম-অধম, উচ্চ-অন্ত্যজ, ৰজা-প্ৰজা, স্পৃশ্য-অস্পৃশ্য আৰু পৰ্বত-ভৈয়ামত বাস কৰা বিভিন্ন জাতি-উপজাতি, গোষ্ঠী-সম্প্ৰদায়ৰ লোকৰ সমন্বয়ত সৰ্বলোকৰ উন্নতি আৰু সামাজিক ঐক্য প্ৰতিষ্ঠাৰ কাৰণে এক সামূহিক বা উমৈহতীয়া ক্ষেত্ৰ উদ্ভাৱন কৰিলে যাক অসমৰ ধৰ্ম-সংস্কৃতিৰ ইতিহাসত কীৰ্ত্তন-ঘৰ, হৰিগৃহ বা সত্ৰ নামে

অভিহিত কৰা হৈছে। "বৈষ্ণৱ ধৰ্মৰ সামাজিক পদ্ধতিয়ে অসমৰ সামাজিক জীৱনৰ এটি স্পষ্ট আৰু নিটোল ৰূপ দি তোলে, সত্ৰ আৰু নামঘৰ সামাজিক শৃঙ্খলাৰ নিদৰ্শনৰূপে থিয় দিয়ে।"[৩] শঙ্কৰদেৱে বৰদোৱাত প্ৰৱৰ্তন কৰা বৈষ্ণৱ সত্ৰ তেওঁৰ সান্নিধ্যলৈ যোৱা মাধৱদেৱ, দামোদৰদেৱ, হৰিদেৱ, নাৰায়ণ ঠাকুৰ আতা আৰু পৰৱৰ্তী ধৰ্মাচাৰ্যসকলৰ শ্ৰম-সাধনাৰ ফলত অসমৰ গাঁৱে-ভূঁৱে সহস্ৰাধিক হৈ পৰে।

ভক্তিধৰ্ম প্ৰচাৰ কৰা সত্ৰসমূহে অসমৰ অজ্ঞ জনসাধাৰণক অমূল্য মানৱ জীৱন সফল কৰাই অমৃত-সুধা পান কৰালে আৰু সেইকাৰণে শ-শ বছৰে অসমৰ ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক, ধাৰ্মিক, সাংস্কৃতিক বিপৰ্যয় আৰু পৰিৱৰ্তনকো নেওচা দি অসমৰ সত্ৰই ধৰ্ম, সমাজ, সাহিত্য-সংস্কৃতিৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰি আছে। সত্ৰসমূহ জনগণৰ মানসিক বিকাশ, আধ্যাত্মিক উৎকৰ্ষ, সামাজিক চেতনা আৰু ঐক্য সাধনৰ পৱিত্ৰ অনুষ্ঠান। "শ্ৰীমন্ত শঙ্কৰদেৱে অসমৰ প্ৰকৃতি, সমাজ ব্যৱস্থা আৰু অৰ্থনৈতিক (কৃষি) ব্যৱস্থাৰ লগত মিলাই স্বাস্থ্য-বিজ্ঞান আৰু সমাজ মনোবিজ্ঞানৰ আধাৰত বৈষ্ণৱ ধৰ্মৰ পালনীয় নীতি আৰু কৰ্ম নিৰূপণ কৰি গণতান্ত্ৰিক সমাজবাদী মনোভাৱেৰে সত্ৰাদি প্ৰতিষ্ঠা কৰিছিল আৰু অনাড়ম্বৰভাৱে উপাসনাৰ ব্যৱস্থা কৰি কল্যাণকামী সমাজ গঢ়াত দৃঢ়পদক্ষেপ আগবঢ়াইছিল।"[৪]

জাতি-বৰ্ণ-ধৰ্ম-সম্প্ৰদায় নিৰ্বিশেষে সকলো শ্ৰেণীৰ লোকক এক চালিৰ তলত বা চৌহদত সমবেত কৰাই জনজীৱন সুন্দৰ আৰু মঙ্গলময় কৰিবলৈ অসমত প্ৰৱৰ্তিত আৰু প্ৰচাৰিত সত্ৰ-ধৰ্মই অসমৰ বৌদ্ধিক, সামাজিক, শৈক্ষিক, মানবিক, নৈতিক, আধ্যাত্মিক, সাংস্কৃতিক ক্ষেত্ৰলৈ আগবঢ়োৱা অৱদান অপূৰ্ব, অনন্য। সত্ৰ আৰু অসমীয়া সমাজ এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। অসমৰ জাতীয় ঐতিহ্য, সমাজ-সংস্কৃতিৰ পটভূমিত সত্ৰৰ ঐতিহ্য আৰু অনবদ্য অৱদানৰ অধ্যয়ন, গৱেষণাৰ প্ৰয়োজন আছে। বিশেষকৈ বৰ্তমান হিংসা, বিদ্বেষ, সামাজিক ভণ্ডামি, গোষ্ঠী-দ্বন্দ, দুৰ্নীতি, দুষ্কৃতি, ব্যভিচাৰ, অমানুষিকতাই সমাজ জীৱন পঙ্গু আৰু জাতীয় জীৱন বিকৃত কৰি শান্তি-সম্প্ৰীতি-সদ্ভাৱ আৰু অতীতৰ ঐতিহ্য বিঘ্নিত কৰিছে। এনে সন্ধিক্ষণত নৈতিক-আধ্যাত্মিক-মানৱতাৰ শিক্ষা আৰু আদৰ্শৰ অতীৱ প্ৰয়োজন হৈছে। সেয়ে মানৱ জীৱনক সৎ-সুন্দৰ পথ প্ৰদৰ্শনৰ বাবে মহাপুৰুষ শঙ্কৰদেৱ প্ৰভৃতি আন আন ধৰ্মগুৰুসকল স্থাপিত সত্ৰৰ ধৰ্ম-সমাজ-সংস্কৃতিৰ আদৰ্শই বৰ্তমানৰ অৰাজক-বিশৃঙ্খল সমাজৰ ঐক্য আৰু অশান্তি জৰ্জৰিত মানৱ জীৱন সুন্দৰ কৰি তুলিব পাৰিব। এই প্ৰসঙ্গত শ্ৰীমদ্ভাগৱতৰ টীকাকাৰ শ্ৰীধৰ স্বামীয়ে 'সত্ৰেষু সমাজেষু' বুলি কোৱা অৰ্থাৎ সত্ৰ মানে এখন পৰিশীলিত সমাজ', — এই বাক্যাংশৰ পৰিবাহকৰূপে, মননশীলতাৰে অধিক তৎপৰ হোৱাৰ প্ৰয়োজন আছে আৰু সময়ৰ আহবান আহিছে।[৫]



## বিষয় প্ৰবেশ ঃ

অসমৰ জনজীৱনৰ ওপৰত প্ৰভূত প্ৰভাৱ পেলাই মানবীয় মৰ্যাদা আৰু অধিকাৰ সাব্যস্ত কৰি সামাজিক জীৱন সুশৃঙ্খল আৰু সুন্দৰ কৰি তোলা সত্ৰানুষ্ঠান অসমৰ জাতীয় বুৰঞ্জীৰ মহান অঙ্গ। সেয়ে সত্ৰৰ ঐতিহ্য-সংস্কৃতি অধ্যয়ন আৰু গৱেষণা অতি গুৰুত্বপূৰ্ণ বিষয়। শঙ্কৰদেৱ আৰু ধৰ্মগুৰুসকলে সেইকালৰ ভূঞাৰাজ্য, বৰ্তমান নগাঁৱৰ বৰদোৱাত প্ৰৱৰ্তন কৰা কীৰ্ত্তন-ঘৰ বা সত্ৰই অসমৰ উজনি-নামনি তথা কোচবিহাৰলৈ বিস্তাৰিত হৈ যি নৱজাগৰণৰ সৃষ্টি কৰিলে তাৰ তুলনা পাবলৈ নাই। শঙ্কৰদেৱে ৬৭ বছৰ বয়সত বৰদোৱা ত্যাগ কৰাৰ পিছত তেওঁৰ মহাজীৱনৰ বাকী ৮৮ বছৰ কালত নিজ জন্মক্ষেত্ৰলৈ প্ৰত্যাবৰ্তন নকৰিলে। তেওঁৰ বৰদোৱা-প্ৰস্থানৰ সাতকুৰি (১৪০) বছৰ পিছত অৰ্থাৎ ১৬৫৬ খ্ৰীঃত নাতিবোৱাৰী আই কনকলতা আৰু চতুৰ্ভুজ-ভাগিন দামোদৰ আতাৰ সচেতনতা আৰু চেষ্টা-শ্ৰমৰ ফলত বৰদোৱা সত্ৰ পুনৰুদ্ধাৰ হৈ জিলিকি উঠে। ইতিমধ্যে মাজুলীৰ বান, গৰা-খহনীয়া আদি প্ৰাকৃতিক দুৰ্যোগ, তাৰ পিছত মানৰ আক্ৰমণত কেইবাজনো ধৰ্মাচাৰ্য ভটীয়াই আহি নগাঁৱৰ সুচল ঠাইত সত্ৰ স্থাপন কৰিলে। নামনি-উজনিৰ আন ঠাইৰ পৰাও ধৰ্ম-গুৰু আহি সত্ৰ পাতিলে। অসমৰ সত্ৰৰ মূল নথকা সত্ৰও কেইখনমান গঢ়ি উঠিল। অৱশ্যে কিছুমান সত্ৰ গঢ় লোৱাত সত্ৰ প্ৰতিষ্ঠাৰ ঐতিহ্য সম্পৰ্কত সন্দেহ আছে, সত্ৰ প্ৰতিষ্ঠাৰ ধৰা-বন্ধা ঐতিহ্য দেখা নাযায়।

আমাৰ অনুসন্ধানৰ ফলত দেখা গৈছে অতীতৰ সত্ৰ কিছুমান বিলুপ্ত আৰু কিছুমান লুপ্তপ্ৰায়। জানিব পৰা মতে অবিভক্ত নগাঁও জিলাৰ বুটিছ যুগৰ কালত প্ৰায় অসমীয়া লোকৰে সত্ৰৰ লগত সম্পৰ্ক আছিল। সেয়ে নগাঁও জিলাৰ সত্ৰৰ অধ্যয়ন-গৱেষণা বিশেষ গুৰুত্বপূৰ্ণ বিষয়। আমাৰ গৱেষণাৰ বিষয় হৈছে 'নগাঁও জিলাৰ সত্ৰ-দৰ্পণ' তথা 'অবিভক্ত নগাঁও জিলাৰ সত্ৰসমূহ ঃ সমাজ-সাংস্কৃতিক অধ্যয়ন।

আমাৰ গৱেষণাত নগাঁৱৰ সত্ৰৰ লগতে সত্ৰ, সত্ৰৰ উদ্ভৱ, অসমত সত্ৰৰ প্ৰৱৰ্তন আৰু সম্প্ৰসাৰণৰ আভাস দাঙি ধৰিবলৈও প্ৰয়াস কৰা হৈছে।

## লক্ষ্য আৰু উদ্দেশ্য ঃ

অসমৰ বৈষ্ণৱ সত্ৰৰ প্ৰৱৰ্তক শঙ্কৰদেৱ আৰু ধৰ্মাচাৰ্যসকলৰ মহান অৱদানৰ মূল্যাংকন কৰি সত্ৰৰ জৰিয়তে তেওঁলোকে কেনেকৈ সামাজিক ঐক্য আৰু সাংস্কৃতিক সমন্বয় গঢ়ি তুলি জনকল্যাণকামী সৰ্বাঙ্গ-সুন্দৰ সমাজ গঠন কৰিলে তাৰ বিষয়ে চিন্তা-চৰ্চা আৰু অনুসন্ধান কৰাটো আৱশ্যক হৈ পৰিছে। শঙ্কৰদেৱ আৰু বৈষ্ণৱাচাৰ্যসকলৰ শিক্ষা, চিন্তা-চৰ্চা, সাধনাই কেনেকৈ সমাজত

ৰেকৰ্ডিং কৰি, টোকা কৰি আৰু সত্ৰৰ আপুৰুগীয়া সম্পদ কেমেৰাৰে ফটো তুলি বুটলি লোৱা হৈছে। যথাস্থানত প্ৰসঙ্গ-টীকা দিয়া হৈছে।

## গৱেষণাৰ সমল ঃ

ধৰ্ম-ভাষা-সাহিত্য-ঐতিহ্য-পৰম্পৰা তথা অসমৰ ধৰ্ম-সমাজ-সংস্কৃতিৰ প্ৰাণকেন্দ্ৰস্বৰূপ সত্ৰসমূহৰ বিভিন্ন দিশ অধ্যয়ন বা গৱেষণা কৰিবলৈ যিবোৰ সমলৰ প্ৰয়োজন সেইবোৰৰ ভিতৰত ধৰ্মাচাৰ্যসকলে প্ৰতিষ্ঠা কৰি থৈ যোৱা থান-সত্ৰৰ পৰা পোৱা উপাদান আৰু সত্ৰ প্ৰতিষ্ঠাপকসকলৰ বিষয়ে তেওঁলোকৰ অনুগামী ভকতসকলে ৰচনা কৰা চৰিত-পুথি, প্ৰাচীন ধৰ্মগ্ৰন্থ, ঐতিহাসিক গ্ৰন্থ, কিংবদন্তি আৰু বিভিন্ন পণ্ডিত-সমালোচকৰ গৱেষণা আৰু আলোচনামূলক গ্ৰন্থ, প্ৰবন্ধ-সংকলন আৰু বিভিন্ন স্মৃতিগ্ৰন্থ, আলোচনী, বাতৰি কাকত আদি উল্লেখযোগ্য।

বৈষ্ণৱ সত্ৰৰ উদ্ভাৱক শঙ্কৰদেৱ আৰু ধৰ্মাচাৰ্য মাধৱদেৱ, দামোদৰদেৱ, হৰিদেৱ, গোপাল আতা, বংশীগোপালদেৱ প্ৰভৃতিৰ জীৱন-বৃত্তৰ আধাৰত ৰচনা কৰা চৰিত-পুথিসমূহত ঘটনা-বহুল কৰ্ম-জীৱন, ব্যক্তিত্ব, সাংগঠনিক দিশ আদিৰ বিৱৰণৰ লগতে তেওঁলোকে স্থাপন কৰা সত্ৰ, সত্ৰৰ বিস্তৃতি, ধৰ্মৰ বিকাশ, সেই সময়ৰ সামাজিক আৰু সাংস্কৃতিক জীৱনৰ আভাস পোৱা যায়।[৬] চৰিত-পুথিসমূহ অনেক ক্ষেত্ৰত চৰিতকাৰে নিজ নিজ পন্থ বা সংহতিৰ গুৰুসকলৰ অলৌকিক, অসাধাৰণ বৰ্ণনাৰে ভাৱাক্ৰান্ত কৰা দেখা যায়। এনে বৰ্ণনা অনুগামীসকলৰ ধৰ্মগুৰুজনাক ঈশ্বৰত্ব আৰোপ কৰাৰ প্ৰয়াস। তেনে উচ্ছাসাত্মক বৰ্ণনাৰ বাহিৰে বাকী বৰ্ণনাত ধৰ্মাচাৰ্যসকলৰ জীৱন-বৃত্তৰ লগত সমসাময়িক, ঐতিহাসিক, ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক তথা সত্ৰ-সমাজৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, ভাওনা, উৎসৱ-অনুষ্ঠান, জীৱন-পদ্ধতি আৰু পৰম্পৰা বিষয়ক সমল পোৱা যায়।

চৰিত-পুথি পদ-ছন্দ আৰু গদ্য বা কথাবন্ধত ৰচিত। শঙ্কৰদেৱক 'সৰ্বাগুণাকৰ' 'ত্ৰিভুবন বন্দন দৈৱকীনন্দনৰ অংশ' বুলি মাধৱদেৱে নাম-প্ৰসঙ্গৰ অন্তত ভকতসমাজক গুৰু-চৰিত্ৰ কীৰ্ত্তন কৰাৰ যি পথ দেখুৱালে, সেয়াই কিছুকাল মুখে মুখে চলি আহি লিখিত ৰূপ পাই প্ৰথমে 'পদ-চৰিত' আৰু পিছত কথাৰূপত 'গদ্য-চৰিত' তথা জীৱনী-সাহিত্যৰ ৰূপ পৰিগ্ৰহ কৰে। পৰৱৰ্তী কালত নৱবৈষ্ণৱ ধৰ্ম কেইবাটাও সংহতিত বিভাজিত হৈ পৰাত ভকতসকলে স্ব-স্ব ধৰ্মাচাৰ্যক গুৰুত্ব আৰোপ কৰি চৰিত-পুথি ৰচনা কৰিবলৈ লোৱাত অনেক চৰিত-পুথি পোৱা গ'ল।

আমাৰ গৱেষণা-কৰ্মৰ কাৰণে অধ্যয়ন কৰা চৰিত-পুথিসমূহত ধৰ্মাচাৰ্যসকলৰ জীৱনীৰ উপৰিও ব্যক্তিত্ব আৰু কৰ্ম-প্ৰতিভাৰে স্থাপন কৰা সত্ৰ-



সভা আৰু সেই সত্ৰক কেন্দ্ৰ কৰি হোৱা নাম-প্ৰসঙ্গ, গীত-পদ, নাট-ভাওনা, উৎসৱাদি সামাজিক আৰু সাংস্কৃতিক অৱদানৰ সন্ধেদ পোৱা হৈছে। সমসাময়িক সমাজ-জীৱন, আচাৰ-ব্যৱহাৰ, বৈষ্ণৱ আন্দোলন আৰু সত্ৰানুষ্ঠানৰ ঐতিহ্য আৰু বিস্তৃতিৰ তথ্য চিত্ৰিত কৰাৰ ক্ষেত্ৰত চৰিত-পুথিসমূহ অতি মূল্যবান সম্পদ।

আমাৰ গৱেষণাৰ কাৰণে চৰিত-পুথিসমূহক প্ৰধান সমল হিচাবে লোৱা হৈছে। মাধৱদেৱৰ ভাগিনীয়েক ৰামচৰণ ঠাকুৰ কৃত 'গুৰু চৰিত'[৭], উক্ত চৰিতকাৰৰ পুত্ৰ দৈত্যাৰি ঠাকুৰ বিৰচিত 'মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ চৰিত'[৮], ৰামচৰণ ঠাকুৰৰ আদৰ্শত ৰচিত ভূষণ দ্বিজৰ 'মহাপুৰুষ শঙ্কৰদেৱ'[৯], ৰামানন্দ দ্বিজ বিৰচিত 'শ্ৰীগুৰু-চৰিত'[১০], ৰামৰায় কৃত 'গুৰু-লীলা'[১১], নীলকণ্ঠৰ 'দামোদৰ চৰিত'[১২], ৰামানন্দৰ 'শ্ৰীশ্ৰীবংশীগোপাল চৰিত'[১৩], দ্বিজ ৰামানন্দ–দ্বিজ–পূৰ্ণানন্দ প্ৰভৃতিৰ 'শ্ৰীশ্ৰীগোপালদেৱ চৰিত'[১৪], ভদ্ৰচাৰুৰ 'শ্ৰীশ্ৰীঅনন্ত চৰিত'[১৫], দীননাথ বেজবৰুৱাৰ 'বৰচৰিত'[১৬] প্ৰভৃতি উল্লেখযোগ্য পদচৰিত।

তথ্য-পাতি প্ৰসঙ্গত তিনিখন নিৰ্ভৰযোগ্য গদ্য-চৰিত হ'ল 'কথা-গুৰু-চৰিত'[১৭], 'বৰদোৱা গুৰু চৰিত'[১৮], 'গুৰু চৰিত-কথা'[১৯] লগতে 'বুৰঞ্জী বিবেক ৰত্ন'[২০] বহু সমলযুক্ত এখনি গ্ৰন্থ।

আধুনিক যুগত সত্ৰৰ ইতিহাস, উৎপত্তি আৰু ধৰ্ম, সমাজ-সংস্কৃতি সম্বলিত বিভিন্ন তথ্য-পাতি সমৃদ্ধ কেইবাখনো আলোচনামূলক আৰু গৱেষণামূলক গ্ৰন্থ প্ৰকাশ পাইছে। আমাৰ অধ্যয়নত সমল বিচাৰি পোৱা গ্ৰন্থসমূহৰ ভিতৰত 'মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ'[২১], 'শ্ৰীশঙ্কৰদেৱ'[২২], 'পবিত্ৰ অসম' (সম্পাদিত)[২৩] 'Sankardeva and His Times'[২৪], "The Neo-Vaisnavite Movement and the Sattra Institution of Assam"[২৫], 'সত্ৰ সংস্কৃতিৰ ৰূপৰেখা'[২৬], Post Sankardeva Vaisnavite Faith and Culture of Assam[২৭], ঐতিহ্যমণ্ডিত কলিয়াবৰ'[২৮], 'শ্ৰীৰাম আতাৰ চৰিত্ৰ'[২৯], 'আউনীআটী সত্ৰৰ বুৰঞ্জী'[৩০], 'দক্ষিণপাট সত্ৰ'[৩১], 'সত্ৰীয়া-সংস্কৃতিৰ স্বৰ্ণৰেখা'[৩২], 'মঞ্জুলেখা'[৩৩], 'Medieval Assamese Society'[৩৪] 'দুজনা গুৰু আৰু আতাসকল'[৩৫] আদি লেখত লবলগীয়া।

ইয়াৰ উপৰি, বিজ্ঞ সমালোচক-পণ্ডিতৰ বিভিন্ন গ্ৰন্থ, স্মৃতিগ্ৰন্থ, আলোচনী, বাতৰি-কাকত আদিৰ পৰাও আৱশ্যকীয় সমল বুটলি লোৱা হৈছে। যথাস্থানত সেইবোৰৰ প্ৰসঙ্গ উল্লেখ কৰা হৈছে।

আমি পূৰ্বে উনুকিয়াইছোঁ, আমাৰ গৱেষণাৰ সমল বা তথ্য-পাতি সংগ্ৰহ কৰাৰ ক্ষেত্ৰত ক্ষেত্ৰ-কৰ্ম বা অধ্যয়নৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। অসমৰ ধৰ্ম-সমাজ-সংস্কৃতিৰ লগত যোৱা পাঁচশ বছৰৰ ওপৰ কাল প্ৰভাৱ বিস্তাৰ কৰি অহা পবিত্ৰ সত্ৰসমূহৰ ঐতিহ্য, উন্নতি-অধোগতিৰ বিষয়ে পুৰণি চৰিত-

পুথি, ধৰ্ম-সমাজ-সংস্কৃতি বিষয়ক বিভিন্ন গ্ৰন্থ, প্ৰবন্ধ-পাতি অধ্যয়নৰ লগতে আমাৰ গৱেষণাৰ পৰিসীমা আৰু আৱশ্যকমতে পৰিসীমাৰ বাহিৰলৈও গৈ সমল সংগ্ৰহ কৰাটো বিশেষ প্ৰয়োজন বুলি গণ্য কৰা হৈছে। সত্ৰসমূহৰ ঐতিহ্য, বৰ্ত্তমানৰ অৱস্থা, উন্নতি-অৱনতি, বিলুপ্তি আৰু ন-কৈ স্থাপন হোৱা সত্ৰৰ তথ্য-পাতি আৰু সমাজ-সংস্কৃতিত সত্ৰৰ প্ৰভাৱৰ হীনদেৰি সম্পৰ্কীয় সবিশেষ সমল ক্ষেত্ৰ-কৰ্মৰ দ্বাৰাহে যুগুত কৰিব পৰা গৈছে।

ক্ষেত্ৰ-অধ্যয়নত সত্ৰ আৰু অঞ্চলৰ বিজ্ঞ, সাধু-সজ্জনৰ পৰা টেপ্-ৰেকৰ্ডিং, টোকা কৰি সমল গ্ৰহণ কৰি লগতে সত্ৰৰ ভাস্কৰ্য, আপুৰুগীয়া সম্পদ আৰু সাংস্কৃতিক কৰ্মৰ কেমেৰাৰে ফটো লোৱা হৈছে। তাৰ উপৰি, সত্ৰৰ তথ্য-সংগ্ৰহ প্ৰ-পত্ৰ ছপা কৰি প্ৰতিখন সত্ৰক বিতৰণ কৰি সত্ৰৰ তথ্য-পাতি লিখিতভাৱেও বিচৰা হৈছিল। ক্ষেত্ৰ অধ্যয়নলৈ গৈ বুজি পোৱা হৈছে যে অতীতৰ সত্ৰৰ প্ৰভাৱ জনসমাজত নিষ্প্ৰভ হৈ গৈ আছে। সত্ৰ-সভাৰ আচাৰ্যসকলৰ কিছুমানৰ অনীহা ভাব পৰিলক্ষিত হৈছে– বিশেষকৈ অজ্ঞতা, বিকৃত সংস্কৃতি, আৰ্থিক অনাটন আৰু লাভালাভৰ কাৰণে। তথাপি ধৰ্ম-সমাজ-সংস্কৃতিত আস্থাশীল, পৰম্পৰাত বিশ্বাসী কিছু সংখ্যকে সত্ৰৰ অমূল্য অৱদানৰ প্ৰতি সজাগ হৈ আছে আৰু তেখেতসকলৰ সঁহাৰিয়ে আমাৰ গৱেষণাত বিশেষ সহায়কৰ ভূমিকা গ্ৰহণ কৰিছে।

---

তথ্যসূত্ৰ ঃ


১. দৈত্যাৰি ঠাকুৰ ঃ পদ- ৮-১০
২. সৌৰীশংকৰ ভট্টাচাৰ্য ঃ 'সমাজ সংস্কাৰক শ্ৰীমন্ত শঙ্কৰদেৱ', সৌমাৰ তীৰ্থ, স্মৃতিগ্ৰন্থ, পৃ-১১।
৩. মহেশ্বৰ নেওগ ঃ শ্ৰীশঙ্কৰদেৱ; ৩য় অঙ্কৰণ, ১৯৫৮, পৃ-১৫৮।
৪. নগেন শইকীয়া ঃ 'ধৰ্মৰ আদৰ্শ আৰু যুগ চেতনা' ঃ শ্ৰীমন্ত, সম্পা- প্ৰফুল্ল চন্দ্ৰ-বৰা, ১ম বছৰ, ১ম সংখ্যা ঃ ৫১৭ শঙ্কৰাব্দ, পৃ-৮৯।
৫. ভ্ৰকৃষ্ণ গোস্বামী ঃ 'সত্ৰেষু সমাজেষু', কল্পতৰু, সম্পা-প্ৰদীপজ্যোতি মহন্ত আৰু জয়জ্যোতি গোস্বামী, গুৱাহাটী-২০০১, পৃ-৬২।
৬. কথা-গুৰুচৰিত ঃ আগকথাঃ সম্পা- উপেন্দ্ৰ চন্দ্ৰ লেখাৰু, ১৯৫২।
৭. ৰামচৰণ ঃ গুৰু চৰিত, সম্পা- হৰিনাৰায়ণ দত্তবৰুৱা, নলবাৰী, ৫০৬ শঙ্কৰাব্দ।
৮. দৈত্যাৰি ঃ মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱৰ চৰিত, সম্পা- হৰিনাৰায়ণ দত্তবৰুৱা, নলবাৰী, ৫০৯ শঙ্কৰাব্দ।
৯. মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱ, সম্পা- দুৰ্গাধৰ বৰকটকী, যোৰহাট, ১৯২৫।
১০. ৰামানন্দ ঃ শ্ৰীগুৰুচৰিত, সম্পা- মহেশ্বৰ নেওগ, দত্তবৰুৱা এণ্ড কোং, নলবাৰী, ১৯৫৭।
১১. গুৰু লীলা ঃ ১৮৮৬ শক।
১২. শ্ৰীশ্ৰীদামোদৰ চৰিত ঃ সম্পা- শৰৎ চন্দ্ৰ গোস্বামী, যোৰহাট, ১৯২৭।
১৩. শ্ৰীশ্ৰীবংশী গোপালদেৱৰ চৰিত ঃ সম্পা- মহেশ্বৰ নেওগ, গুৱাহাটী ১৮৭২ শক।
১৪. মহাপুৰুষ শ্ৰীশ্ৰীগোপালদেৱ চৰিত ঃ যোৰহাট, ১ম প্ৰকাশ ১৯৭৮।
১৫. শ্ৰীশ্ৰীঅনন্ত চৰিত ঃ প্ৰকাশিকা- হৰিমাই দত্ত, ডিব্ৰুগড়, ১৯৮৭।
১৬. দীননাথ বেজবৰুৱা ঃ বৰচৰিত, যোৰহাট, ১ম প্ৰকাশ- ১৯৮৭।
১৭. কথা গুৰুচৰিত ঃ সম্পা- উপেন্দ্ৰ নাথ লেখাৰু, ১৯৫২ চন।
১৮. বৰদোৱা গুৰুচৰিত ঃ সম্পা- মহেশ্বৰ নেওগ, গুৱাহাটী বুক ষ্টল, ১৯৭৭।
১৯. গুৰুচৰিত-কথা ঃ সম্পা- মহেশ্বৰ নেওগ, ২য় তাঙৰণ, ১৯৯১।





২০ বুৰঞ্জী বিবেক ঃ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, অসম (সংৰক্ষিত) ২য় খণ্ড, ১৮৩৮ চন।
২১ লক্ষ্মীনাথ বেজবৰুৱা ঃ সাহিত্য প্ৰকাশ, গুৱাহাটী, ২য় সংস্কৰণ, ১৯৬৩ চন।
২২ মহেশ্বৰ নেওগ ঃ শ্ৰীশঙ্কৰদেৱ, গুৱাহাটী, ৩য় তাঙৰণ, ১৯৫৮ চন।
২৩ তদীয় ঃ পবিত্ৰ অসম (সম্পাদিত) ঃ গুৱাহাটী, ২য় তাঙৰণ, ১৯৬৯ চন।
২৪ Maheswar Neog : Lawyers Book Stall, Gauhati, 3rd Edition 1998
২৫. Satyendra Nath Sharma : Gauhati University, 1st Edition, 1986.
২৬. কেশৱানন্দ দেৱগোস্বামী ঃ বাণী প্ৰকাশ, গুৱাহাটী- ১ম প্ৰকাশ, ১৮৯৫ শক।
২৭. Kesavananda Dev Goswami: Sri Satguru Publication, New Delhi, 1st Edition-1988.
২৮. লীলাধৰ বৰা ঃ লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী-২য় প্ৰকাশ, ১৯৯৩ চন।
২৯. খগেশ্বৰ গোস্বামী ঃ সম্পা- হৰেশ্বৰ গোস্বামী, পুথি বিতৰণ, নগাঁও-১৯৯৪ চন।
৩০. তীৰ্থনাথ শৰ্মা ঃ আউনীআটী সত্ৰৰ বুৰঞ্জী, অসম, ১ম তাঙৰণ- ১৯৭৫ চন।
৩১. বেণুধৰ শৰ্মা ঃ ১ম প্ৰকাশ, গুৱাহাটী-১৯৬৭ চন।
৩২ নাৰায়ণ চন্দ্ৰ গোস্বামী ঃ নতুন কমলাবাৰী সত্ৰ, মাজুলী, ১ম প্ৰকাশ, ১৯৮৪ চন।
৩৩. অতুল চন্দ্ৰ হাজৰিকা ঃ জোনাকী প্ৰকাশ, গুৱাহাটী, ১ম প্ৰকাশ, ১৯৬৭ চন।
৩৪. Sarbeswar Rajguru : Asami, Milanpur, Nagaon, 1988.
৩৫. লীলা ভূঞা ঃ দুজনা গুৰু আৰু আতাসকলৰ চমু পৰিচয় ঃ নাৰায়ণপুৰ, ১৯৮৩।


০০০

# প্ৰথম অধ্যায়

## সত্ৰ ঃ উদ্ভৱ, বিকাশ আৰু সম্প্ৰসাৰণ

### ১.০০ সত্ৰ ঃ

'সত্ৰ' ভাৰতৰ অতি প্ৰাচীন সাধনাৰ অনুষ্ঠান। বেদ, ব্ৰাহ্মণ গ্ৰন্থ, উপনিষদ, মহাভাৰত, ভাগৱত-পুৰাণ আদি পুৰণি গ্ৰন্থত 'সত্ৰ'ৰ উল্লেখ পোৱা যায়। বৈদিক যুগৰ পৰা পুৰাণৰ সময়লৈ আৰ্য তাপস ঋষি-মুনিসকলে স্বৰ্গপ্ৰাপ্তি বা পৰমতত্ব লাভ কৰিবলৈ অনুষ্ঠিত কৰা যজ্ঞাদিকে 'সত্ৰ' বোলা হৈছিল। সেই কালত যজ্ঞ, বলি-বিধান, হোম-নৈবেদ্য, সদাদান, সদাব্ৰত, আশ্ৰয়-থলী, ঐশ্বৰ্য-সম্পদ, ধৰ্মস্থান, অৰণ্য, কৈৱত আদি অৰ্থত 'সত্ৰ' শব্দৰ প্ৰচলন আছিল।[১] বৈদিক সাহিত্যত এদিনতে সমাপন হোৱা যজ্ঞক একাহ যজ্ঞ, যি যজ্ঞ এদিনতকৈ বেছি বা বাৰদিনত সমাপ্ত হয় তাক অহীন যজ্ঞ আৰু বাৰদিনকৈ অধিক কালব্যাপী চলা যজ্ঞক সত্ৰযজ্ঞ বোলা হৈছিল।[২] সত্ৰযজ্ঞ তেৰ দিনৰ পৰা হাজাৰ দিন ব্যাপী চলিছিল।[৩]

হাজাৰ বছৰ জুৰি নৈমিষাৰণ্যত পতা সত্ৰ বা যজ্ঞত ভাগৱত শাস্ত্ৰৰ পঠন-শ্ৰৱণ চলিছিল। ভাগৱত য'ত প্ৰতিদিনে পঠিত আৰু ব্যাখ্যাত হয়, সেই থলক 'সত্ৰ' নাম দিয়া একো বিচিত্ৰ কথা নহয়।[৪]

'হেমকোষ'ত 'সত্ৰ' শব্দৰ অৰ্থ সৎ, ধাৰ্মিক লোক+ত্ৰৈ, উদ্ধাৰ কৰ, সন্তসকলক ত্ৰাণ কৰে, এতেকে গোসাঁই-ভকতৰ নিবাসৰ ঠাই মহন্তসকলৰ ঘৰ বুলি উল্লেখ কৰা হৈছে।[৫] মন কৰিবলগীয়া যে অসমৰ জনগণৰ পৰিচিত বৈষ্ণৱ সত্ৰই অকল সৎ, ধাৰ্মিক লোকক ত্ৰাণ কৰা অৰ্থতে সীমাৱদ্ধ নাথাকি অজ্ঞ-অন্ত্যজ, পাপী-তাপী সকলো শ্ৰেণীৰ লোকক সৎ পথত ধাবিত কৰি সংসাৰৰ পৰা ত্ৰাণ বা উদ্ধাৰ কৰে।

বৈদিক আৰ্য ঋষি-সাধকসকলে অনুষ্ঠিত কৰা যজ্ঞাদিক বুজোৱা 'সত্ৰ'ৰ অৰ্থ অসমৰ বৈষ্ণৱ সত্ৰই বহন কৰা নাই। পঞ্চদশ শতাব্দীত ভক্তিধৰ্ম প্ৰচাৰৰ কাৰণে অসমত প্ৰৱৰ্তিত বৈষ্ণৱ সত্ৰৰ দৰে জনজীৱনক প্ৰভাৱান্বিত কৰা ধৰ্মানুষ্ঠানৰ



তুলনা পাবলৈ নাই। "অসমৰ সত্ৰবিলাক ভাৰতৰ বৈষ্ণৱ ধৰ্মৰ এটা নোহোৱা নোপোজা বস্তু। ভাৰতৰ ধৰ্ম আৰু সমাজৰ ৰঙ-বচঙা বিস্তীৰ্ণ ক্ষেত্ৰত এটা তুলনাবিহীন ব্যৱস্থা। অসমৰ ধৰ্মপ্ৰচাৰকসকলৰ মৌলিক উদ্ভাৱনা।"[৬] অসমৰ বৈষ্ণৱ সত্ৰ জনগণৰ ধৰ্মশাস্ত্ৰ পঠন-শ্ৰৱণ-কীৰ্ত্তন-লেখন-চৰ্চনৰ কেন্দ্ৰ থল; জনগণৰ মানসিক-নৈতিক-আধ্যাত্মিক উৎকৰ্ষ সাধনৰ ক্ষেত্ৰ; ধৰ্ম-সাহিত্য, নৃত্য-গীত-বাদ্য, নাট-ভাওনা-চৰ্চা প্ৰদৰ্শনৰ কেন্দ্ৰ আৰু চাৰুকাৰু কলাৰ শিল্পকেন্দ্ৰ আছিল।

### ১.০১ বৈদিক সাহিত্যত সত্ৰ ঃ

ভাৰতৰ সবাতোকৈ প্ৰাচীন সাহিত্য 'ঋক্ বেদ'ৰ ৭ম মণ্ডলৰ ৩৩ নং সূক্তৰ ত্ৰয়োদশ ঋকত 'সত্ৰ' শব্দৰ উল্লেখ আছে।[৭] সম্ভৱতঃ ইয়াতেই প্ৰথম 'সত্ৰ' শব্দ প্ৰয়োগ কৰা হৈছে। 'যজুৰ্বেদ সংহিতা'ত উল্লেখ কৰা সকলো শুভকাৰ্যত বিৰাজ কৰি থকা ভগবানক বুজোৱা 'সত্ৰবাট' শব্দটোৰ পৰা 'সত্ৰ' শব্দৰ অৰ্থ বিস্তাৰ হ'ব পাৰে।[৮]

আন এখন প্ৰাচীন ব্ৰাহ্মণ গ্ৰন্থ 'ঐতৰেয় ব্ৰাহ্মণ'ৰ ঋক সূক্তৰ ব্যাখ্যাত থকা কাহিনীত 'সত্ৰ' শব্দটি প্ৰয়োগ কৰা হৈছে। এই গ্ৰন্থত 'সত্ৰ' শব্দই ঋষিসকলে বহু দিনব্যাপী পতা যজ্ঞানুষ্ঠানক বুজাইছে। 'কৱষ ঐলুষ' আখ্যানত সৰস্বতী নদীৰ পাৰত ঋষিসকল 'সত্ৰ'ত বহা বুলি উল্লেখ আছে। অব্ৰাহ্মণ, জুৱাৰী, দাসীপুত্ৰক সেই সত্ৰ-থলীৰ পৰা খেদি নদীৰ পানী খাই অপবিত্ৰ কৰে বুলি হত্যা কৰিবলৈ উদ্যত হোৱাত পানীক প্ৰশংসা কৰা সূক্ত ঐলুষে উদ্ধৃত কৰাত সৰস্বতী নদীয়ে ঐলুষক বেৰি ধৰা দেখি কৱষ ঐলুষক পাণ্ডিত্য, শ্ৰেষ্ঠত্বৰ স্বীকৃতি আৰু দেৱানুগৃহীতৰ মৰ্যাদা দি 'সত্ৰ'ত স্থান দিয়া হয়।[৯] ব্ৰাহ্মণ গ্ৰন্থৰ মনুৰ পুত্ৰ 'নাভানেদিষ্ঠ মানৱ' আখ্যানতো অঙ্গিৰস আদিয়ে স্বৰ্গলোক প্ৰাপ্তিৰ কাৰণে সত্ৰত বহা আৰু সহস্ৰ সত্ৰ-নৈবেদ্য দিয়াৰ কথা উল্লেখ আছে।[১০] ইয়াত 'সত্ৰ' শব্দই যজ্ঞক বুজাইছে। স্বৰ্গলোকলৈ যাবলৈ বা যজ্ঞত বহি দেৱতাৰ উদ্দেশ্যে খাদ্য আৰু পেয় নৈবেদ্য (হবি) সমৰ্পণ কৰাকে সহস্ৰ সত্ৰ-নৈবেদ্য বোলা হৈছে।

'শতপথ-ব্ৰাহ্মণ'ত পুৰুষ নাৰায়ণে সকলো জীৱতকৈ শ্ৰেষ্ঠ হোৱাৰ মানসেৰে পঞ্চদিন-ব্যাপী 'পঞ্চৰাত্ৰ সত্ৰ' অনুকল্পনা কৰা কথাৰ উল্লেখ আছে। 'পঞ্চৰাত্ৰ সত্ৰ'ৰ দাৰ্শনিক ব্যাখ্যাত হৰিৰ পঞ্চৰূপৰ কথা পোৱা যায় — পৰ, ব্যূহ, বিভৱ, অন্তৰ্যামী আৰু অৰ্চা।[১১] এই গ্ৰন্থমতে পুৰুষনাৰায়ণে 'পঞ্চৰাত্ৰ সত্ৰ' কৰি সকলো প্ৰাণীৰ অন্তৰাত্মা হৈ উপনিষদত 'পৰমব্ৰহ্ম', 'পৰমতত্ত্ব' বুলি স্বীকৃত হৈছিল।[১২] 'উৰেষা-বৰ্ণন'ত ইন্দ্ৰদ্যুম্ন ৰজাই পঞ্চৰাত্ৰ বিধিৰে বিষ্ণু-অৰ্চনা কৰা কথা শঙ্কৰদেৱৰ 'কীৰ্ত্তন'ত বৰ্ণিত হৈছে।[১৩] "যথাবৎ ঋষিস্তুষ্ট্যা সত্ৰে দ্বৈপায়নাজ্ঞয়া" — মহাভৰততো সত্ৰ শব্দৰ উল্লেখ আছে।[১৪]

ভক্তিধৰ্মৰ মহান গ্ৰন্থ 'শ্ৰীমদ্ভাগৱত পুৰাণ'ৰ কেইবাঠাইতো 'সত্ৰ' শব্দৰ উল্লেখ পোৱা যায়। ভাগৱতৰ প্ৰথম, তৃতীয়, দশম আদি স্কন্ধত সত্ৰৰ অৰ্থ উৎপাদিত হৈছে।[১৫] নৃপতি পৰীক্ষিত সৰ্প দংশনত মৃত্যু হোৱাত পুত্ৰ জন্মেজয়ে সৰ্প নিধন কৰাৰ অৰ্থে 'সৰ্পসত্ৰ' পতাৰ কথা পোৱা যায়।[১৬]

## ১.০২ প্ৰাক্-বৈষ্ণৱ যুগৰ অসমত সত্ৰ ঃ

বৈদিক সংস্কৃত সাহিত্যত যাগ-যজ্ঞ, স্থান, বলি-দান আদি অৰ্থ বুজোৱা 'সত্ৰ' শব্দটিৰ প্ৰয়োগ অসমৰ তাম্ৰলিপি-শিলালিপিত লিপিৱদ্ধ হৈ আছে। ৬ষ্ঠ শতিকাৰ নৃপতি ভূতিবৰ্মাৰ কালৰ তাম্ৰশাসনাৱলীত সত্ৰই আশ্ৰমৰ দৰে ঠাইত পূজাৰী আৰু ভক্তসকল বাস কৰা আৰু বৈদিক ক্ৰিয়া সম্পাদন কৰা অৰ্থ বহন কৰিছে।[১৭] ভাস্কৰ বৰ্মাৰ নিধানপুৰ তাম্ৰশাসনত অন্নাদি দান অৰ্থত সত্ৰ (বালিচক্ৰ সত্ৰোপযোগায়)ৰ উল্লেখ আছে।[১৮]

১৯৬৯ খ্ৰীঃত গুৱাহাটীৰ আমবাৰীত খনন কাৰ্যত এটি মন্দিৰৰ ভগ্নাৱশেষৰ লগতে উদ্ধাৰ হোৱা শিলালিপিত 'সত্ৰ' শব্দৰ উল্লেখ পোৱা গৈছে। দশম-একাদশ শতিকাৰ সেই শিলালিপিত "আদিত্যসম সমুদ্ৰপাল ৰাজ্যে প্ৰবল স্বাষিক সত্ৰ সগুণ ক্ৰিয়া। সন্নসীন বোলে দান পুইঞমজা"। অৰ্থাৎ "সূৰ্যসম প্ৰতাপী সমুদ্ৰপাল ৰজাই তেওঁৰ ৰাজ্যত সেই প্ৰভাৱশালী আবাসিক তান্ত্ৰিক সত্ৰখন প্ৰতিষ্ঠা কৰে।[১৯]

১২৩২ চনৰ আমবাৰী শিলালিপিত সত্ৰ, হাটীৰ উল্লেখ আছে যদিও তাত অৱস্থিত তান্ত্ৰিক বৌদ্ধ-মন্দিৰত সগুণ ক্ৰিয়াৰ প্ৰচলন আছিল আৰু ১৩৫২ চনৰ লংকাৰ শিলালিপিত বিষ্ণুৰ নাম-কীৰ্ত্তনেৰে সৈতে সত্ৰ, হাটীৰ উল্লেখ আছে যদিও ইবোৰত শাস্ত্ৰ অধ্যয়ন, চৰ্চাৰ উল্লেখ নাই– বুলি ড° প্ৰতাপ চন্দ্ৰ চৌধুৰীয়ে উল্লেখ কৰিছে।[২০] ডঃ সত্যেন্দ্ৰ নাথ শৰ্মাই আমবাৰীৰ শিলালিপি জৰাজীৰ্ণ কাৰণে ডঃ চৌধুৰীৰ পাঠৰ শুদ্ধতা আৰু প্ৰামাণিকতাৰ ওপৰত সন্দেহ প্ৰকাশ কৰিছে।[২১]

## ১.০৩ অসমীয়া বৈষ্ণৱ সাহিত্যত সত্ৰ ঃ

সংস্কৃত শ্ৰীমদ্ভাগৱত শাস্ত্ৰৰ পৰা সাৰ গ্ৰহণ কৰি শংকৰদেৱে কাব্য-গীত-পদ-নাট আদি ৰচনা কৰি ভক্তিধৰ্মৰ অমৃত নিজৰা বোৱাইছিল। তেওঁ মূল গ্ৰহণ কৰা সংস্কৃত 'শ্ৰীমদ্ভাগৱত'ত 'সত্ৰ'ৰ উল্লেখ মন কৰিবলগীয়া।

নৈমিষে নিমিষে ক্ষেত্ৰে ঋষমঃ শৌনকাদায়ঃ।
সত্ৰাং স্বৰ্গীয় লোকয়ে সহস্ৰ সমমাগত॥[২২]

শঙ্কৰদেৱে অসমীয়া ভাগৱতৰ আদি দশমত 'সত্ৰ' শব্দ কেইবাবাৰো উল্লেখ কৰিছে।



আঠাইশ সহস্ৰ ঋষি বেদত প্ৰধান।
বিষ্ণুৰ নৈমিষক্ষেত্ৰ মহাপুণ্যস্থান॥
মান্য কৰি সূতক পাতিলা সত্ৰ তথা।
শৌনক প্ৰমুখ্যে শুনে ভাগৱত কথা॥[২৩]

সেই একে স্কন্ধৰ 'পৰীক্ষিতৰ কলি-নিগ্ৰহ' অধ্যায়তো "সূত ঋষি-শৌনক সম্বাদ সত্ৰত যেন ভৈলা॥"[২৪]— বুলি আছে।

গতিকে সংস্কৃত ভাগৱতৰ দৰে তেনে এখন গ্ৰন্থত যিহেতু 'সত্ৰ' শব্দটি আছে আৰু শঙ্কৰদেৱে নিজেও ভাগৱতৰ অসমীয়া অনুবাদত শব্দটি প্ৰয়োগ কৰিছে আৰু ভাগৱতৰ কাহিনী-তত্ত্বেৰে ভক্তিধৰ্ম প্ৰৱৰ্তন আৰু প্ৰচাৰ কৰিছে, সত্ৰ শব্দটি মূল ভাগৱতৰ পৰা বৈষ্ণৱসকলে গ্ৰহণ নকৰাৰ কাৰণ নাই।

এই প্ৰসঙ্গত বিষ্ণুৰ নৈমিষাৰণ্যত আঠাইশ সহস্ৰ ঋষিয়ে সহস্ৰ বৎসৰব্যাপী স্বৰ্গপ্ৰাপ্তিৰ হকে কৰা যজ্ঞ তথা সত্ৰৰ কথা উল্লেখ কৰিব পাৰি। 'সূতক মান্য কৰি' শৌনক আদি সহস্ৰ ঋষিয়ে কৰ্ম-সত্ৰান্তে মহাভাগৱত শাস্ত্ৰ পঠন-শ্ৰৱণ কৰি ব্ৰহ্মসত্ৰ সম্পাদন কৰিছিল। নৈমিষাৰণ্যত শৌনক আদি ঋষিসকলে যজ্ঞাদি সম্পন্ন কৰি কৰ্মসত্ৰ আৰু ভাগৱতৰ কথা আলোচনাৰে ব্ৰহ্মসত্ৰৰ নিদৰ্শন দাঙি ধৰিছে।[২৫]

শংকৰদেৱৰ একান্ত অনুগত ভাগৱত আচাৰ্য অনন্ত কন্দলীৰ কৃষ্ণ-ভকত পিতৃ ৰত্ন পাঠকে হাজোৰ মাধৱ দেৱালয়ৰ মণিকূট গিৰিৰ ওপৰত থকা মহাভাগৱত শাস্ত্ৰৰ সত্ৰত ভাগৱত পাঠ কৰিছিল আৰু সাধুজনে শ্ৰৱণ কৰি ধৰ্ম-অৰ্থ-কাম-মোক্ষ ফল লভিছিল। অনন্ত কন্দলীয়ে বৈষ্ণৱ সত্ৰ সম্পৰ্কে সম্যক ধাৰণা দিয়াৰ লগতে শংকৰদেৱে জাতি-অজাতি সবাকে ভাগৱত-ভক্তিৰে অন্তৰ পবিত্ৰ কৰি বৈকুণ্ঠৰ পথ দেখুৱাৰ দৰে "স্ত্ৰী শূদ্ৰ আদি যত জানোক পৰমতত্ত্ব শ্ৰৱণত মিলয় আনন্দ" বুলি সকলোকে ভাগৱত-ধৰ্ম গ্ৰহণ কৰিবলৈ কাকুতি কৰিছে।[২২]

দামোদৰদেৱৰ প্ৰধান শিষ্য বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্যই আগবঢ়োৱা সত্ৰৰ সংজ্ঞা অসমৰ বৈষ্ণৱ সত্ৰৰ ক্ষেত্ৰত বিশেষ প্ৰণিধানযোগ্য। "যি ক্ষেত্ৰত বা থানত একান্ত ভক্তবৃন্দই ভগৱন্তৰ তুষ্টিৰ কাৰণে প্ৰিয় কৰ্ম সাধন কৰে, যি স্থানত নৱবিধ ভক্তি বিৰাজ কৰে, য'ত বৈষ্ণৱসকল হৰি-কীৰ্ত্তনত ৰত থাকে আৰু যি ঠাই বৈষ্ণৱ আৰু দেৱতাৰ দ্বাৰা বন্দিত —— সেই স্থানেই সত্ৰ। তাত থকা বৈষ্ণৱসকল হৰি-ভক্তিপৰায়ণ।"

যত্ৰাচৰন্তি সদ্ধৰ্মান কেৱলা ভগৱদ্‌প্ৰিয়াঃ।
নৱধা ভগৱদ্ভক্তিঃ প্ৰত্যহং যত্ৰ বৰ্ত্ততে॥
তৎ সত্ৰমুত্তমং ক্ষেত্ৰং বৈষ্ণৱাঃ সুৰবন্দিতম্।
তত্ৰস্থা বৈষ্ণৱাঃ সৰ্বে হৰিনামপৰায়ণাঃ॥[২৩]

ইয়াৰ উপৰিও, উত্তৰ-বৈষ্ণৱ যুগৰ চৰিত-সাহিত্য-গুৰু-চৰিত[২৮],

শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ চৰিত[২৯], শ্ৰীগুৰু-চৰিত[৩০], শ্ৰীশ্ৰীঅনন্ত চৰিত[৩১], কথা-গুৰুচৰিত[৩২], বৰদোৱা গুৰুচৰিত[৩৩] আদিত 'সত্ৰ' শব্দৰ উল্লেখ আছে।

## ১.০৪ সত্ৰ ঃ সমাজ-সংস্কৃতি

শ্ৰীমদ্ভাগৱত শাস্ত্ৰত উল্লেখ থকা মতে শৌনক আদি ঋষি-মুনিসকলে জন-অৰণ্যৰ পৰা দূৰৰ নিৰ্জন গভীৰ অৰণ্যত সমবেত হৈ সূত মুনিৰ পৰা ভাগৱত ব্যাখ্যা শুনি স্বৰ্গ বা পৰম ফল লাভ কৰা বিষ্ণুৰ নৈমিষ-ক্ষেত্ৰই বৈষ্ণৱ ঋষি-মুনিৰ পুণ্যস্থান 'সত্ৰ'। আনহাতে অসমৰ নৈ-বিল-পথাৰ-হাবি-বননিত গাঁও পাতি বসবাস কৰা সাধাৰণ ৰাইজক একত্ৰিত কৰি মুক্তিপথৰ সন্ধান দিবলৈ শঙ্কৰদেৱ আৰু বৈষ্ণৱ আচাৰ্যসকলে প্ৰতিষ্ঠা কৰা মণিকূট-নামঘৰ সমন্বিতে বৈষ্ণৱসকল সমবেত হৈ ভগৱন্তৰ গুণানুকীৰ্তন কৰা পুণ্যক্ষেত্ৰই অসমৰ 'সত্ৰ'। স্বৰ্গ কামনা কৰা ঋষি-মুনি বৈষ্ণৱবৃন্দই নৈমিষাৰণ্যত শ্ৰুতিমধুৰ সুৱত ভাগৱত শ্ৰৱণ-কীৰ্তন কৰি ভগৱদ্ভক্তিত আপ্লুত হৈ থাকিল। কিন্তু মহাপুৰুষ শঙ্কৰদেৱৰ সমাজখন সুদীৰ্ঘ বছৰ যজ্ঞ বা তপস্যাৰে স্বৰ্গ কামনা কৰা সমাজ নাছিল; ধৰ্ম-কৰ্ম-চিন্তা তথা মানবীয় সুবিধাৰ পৰা বঞ্চিত অজ্ঞলোকৰ সমাজহে আছিল। সেইকাৰণে সেইসকলৰ ধৰ্ম-চেতনা আৰু সমাজ-চেতনা জগাবলৈ অকল ভাগৱতৰ শ্ৰৱণ-কীৰ্তনেই যথেষ্ট নহ'ব বুলি শঙ্কৰদেৱে বাস্তৱ অভিজ্ঞতাৰে উপলব্ধি কৰিছিল আৰু সমসাময়িক সমাজ-সংস্কৃতিৰ পৰিবেশৰ প্ৰতি লক্ষ্য ৰাখি নাম-কীৰ্তনৰ উপৰিও নাট-ভাওনা, নৃত্য-বাদ্য, গীত-বৰগীত আদি সাংস্কৃতিক উপাদানেৰে অজ্ঞ জনসাধাৰণৰ অন্তৰ জয় কৰি মানসিক আৰু আধ্যাত্মিক উৎকৰ্ষ সাধন কৰিবলৈ ঋষিসকলৰ নৈমিষ-ক্ষেত্ৰতকৈ বহল অৰ্থাৎ বিস্তৃত কাৰ্যসূচী ৰূপায়ণৰ বাবে মহামিলনৰ স্থানৰূপে সত্ৰানুষ্ঠানৰ ৰূপ দিছিল। শঙ্কৰদেৱে উদ্ভাৱিত আৰু অসমৰ বৈষ্ণৱ গুৰুসকলে প্ৰতিষ্ঠা কৰা এনে সত্ৰৰ তুলনা পাবলৈ নাই।

সমাজৰ সংকট-দুৰ্যোগৰ মুহূৰ্তত ভূঞা ৰাজ্যৰ বটদ্ৰৱা বা বৰদোৱা-আলিপুখুৰীত সামন্ত পৰিয়ালত শঙ্কৰদেৱৰ আৱিৰ্ভাৱ হয় আৰু তাত তেওঁ ডাঙৰ-দীঘল হৈ খেলা-ধূলাৰ মাজেৰে শৈশৱ-কৈশোৰ অতিবাহিত কৰি বাল্যকালত শিঙৰীৰ বিদগ্ধ ব্ৰাহ্মণ পণ্ডিত মহেন্দ্ৰ কন্দলীৰ টোল (গৃহ-শিক্ষালয়)ত শিক্ষা গ্ৰহণ কৰি নানা শাস্ত্ৰত নৈপুণ্যৰ পৰিচয় দি গৃহলৈ ঘূৰি আহি পুথি-পাঁজি অধ্যয়ন-চৰ্চা কৰি আধ্যাত্মিক-নৈতিক-মানবীয়-সামাজিক জ্ঞান-আহৰণ কৰি চকুৰ আগত দেখা বৈষম্যময় সমাজখনলৈ মন কৰিলে। জন-সমাজ ভিন ভিন মতবাদ, জাত-কুল-ধৰ্মৰ এনে কিছুমান ৰীতি-নীতিৰ বান্ধোনত আৱদ্ধ আছিল, ক্ৰমোন্নতিৰ পথত আগুৱাৰ কোনো পথৰ সন্ধান পোৱা নাছিল। শঙ্কৰদেৱৰ আৱিৰ্ভাৱৰ পূৰ্বে অসমত সামাজিক মৃত্যুৰ অৱস্থা আছিল, শঙ্কৰদেৱে মৃত-সঞ্জীৱনী মন্ত্ৰেৰে অসমত আকৌ



প্ৰাণ দিলে।[৩৪]

শঙ্কৰদেৱে সকলো শ্ৰেণীৰ লোকক ঐক্যবদ্ধ কৰিবলৈ এক উমৈহতীয়া ক্ষেত্ৰ বা থান উদ্ভাৱন কৰিলে। নানা জাতি-উপজাতি, ধৰ্ম-বৰ্ণ-সম্প্ৰদায়ৰ লোকক এক ক্ষেত্ৰত সমবেত কৰাই এক সত্যধৰ্মৰ সন্ধান দিবলৈ শঙ্কৰদেৱ আৰু ধৰ্মগুৰুসকলে যি থান বা হৰিগৃহ স্থাপন কৰিলে সেয়াই জনসমাজৰ মনৰ, হৃদয়ৰ অতি পবিত্ৰ অনুষ্ঠান সত্ৰ। "যি সময়ত পূবে আহোমসকলে, পশ্চিমে কোচ শাসকসকলে আৰু মাজে মাজে বিক্ৰমী মোগল সেনাবাহিনী সোমাই কামৰূপ ৰাজ্য বহুধা-বিভক্ত কৰি সমাজ উৎপাটন কৰাৰ সূত্ৰপাত কৰে, তেনে সঙ্কট কালতো শঙ্কৰদেৱৰ নৱবৈষ্ণৱ আন্দোলনে ঐক্যবদ্ধ কৰা সমাজ তথা জাতীয় জীৱন নৱ-প্ৰতিষ্ঠিত সত্ৰবোৰক কেন্দ্ৰ কৰি 'নিৱাত-নিষ্কম্প ইৱ প্ৰদীপঃ" — বতাহ নলগা, নকঁপা চাকিটিৰ দৰে জ্বলি থাকিল।[৩৫]

শঙ্কৰদেৱে জাতি-উপজাতি-গোষ্ঠী-বৰ্ণ-সম্প্ৰদায়ৰ বিভিন্নতা বৈষ্ণৱ ধৰ্মৰ মহান-বাণীৰে মথিমুৰ কৰি সমন্বয় স্থাপনত গুৰুত্ব আৰোপ কৰি সকলোৰে বিষ্ণু-ভকতৰ সঙ্গত পবিত্ৰ হৈ 'ভকতি লভিয়া সংসাৰ তৰিয়া সুখে বৈকুণ্ঠ চলয়।'[৩৬]— বুলি কৈছে। সমাজে অস্পৃশ্য বুলি বিদূৰ কৰা জনো যে গুণ-কৰ্মত সমাজত উচ্চ আসনত অধিষ্ঠিত জনতকৈ ওপৰত থাকে তাক শঙ্কৰদেৱে বৰদোৱাত টেম্বুৱানী জান বন্ধা কৈৱৰ্ত ভাৰ্যা তৱাৰতী বা ৰাধিকাৰ অলৌকিক কাৰ্যৰ উদাহৰণেৰে সমজুৱাক জনাইছিল।[৩৭] শঙ্কৰদেৱে মন কৰিছিল পৰ্বত-ভৈয়ামৰ স্পৃশ্য-অস্পৃশ্য, জাতি-অজাতিৰ জনতাৰ ঐক্য-সমন্বয়ৰ দ্বাৰাই গঠন হোৱা সমাজৰ দ্বাৰাহে জাতীয় ঐক্য সম্ভৱপৰ হ'ব পাৰে।

উল্লেখযোগ্য যে শঙ্কৰদেৱে সৰ্বসাধাৰণৰ আশা-আকাঙ্ক্ষা, চিন্তা-ধাৰণা, প্ৰতিভাৰ বিকাশ আৰু সামাজিক ঐক্য সাধনত মনোনিবেশ কৰি তাক কাৰ্যকৰী কৰিবলৈ সংস্কৃতিৰ বৰঘৰ সজাই-পৰাই তুলিলে– বিভিন্ন জনজাতীয় থলুৱা উপাদানৰ লগত আৰ্য-সংস্কৃতিৰ সংমিশ্ৰণ ঘটায়। বিভিন্ন 'চৰিত-পুথি'ৰ পৰা পোৱা তথ্যমতে গাৰোৰ গোৱিন্দ, নগাৰ নৰোত্তম, মিকিৰ (কাৰ্বি)ৰ বলাই, কছাৰীৰ ৰমাই, মিৰিৰ পৰমানন্দ, ভোটৰ জয়ৰাম-দামোদৰ, জয়ন্তীয়াৰ কুমাৰ মাধৱ, মিচিঙৰ পৰমানন্দ, কৈৱৰ্তৰ পূৰ্ণানন্দ (শ্ৰীৰাম), আহোমৰ নৰহৰি, কোচৰ মুৰাৰি, বনিয়াৰ হৰিদাস, মুছলমানৰ চান্দসাই[৩৮] প্ৰভৃতিক শৰণ দি বৈষ্ণৱ সমাজৰ অন্তৰ্ভুক্ত কৰি বৃহত্তৰ অসম তথা অসমীয়া সমাজ গঢ়ি তুলিছিল।

মাধৱদেৱৰ অন্যতম ধৰ্মাচাৰ্য গোপাল আতাৰ আজ্ঞাপৰ মায়ামৰা সত্ৰৰ প্ৰতিষ্ঠাপক অনিৰুদ্ধদেৱে মুছলমান লোককো ভক্তিধৰ্মত শৰণ দিয়াৰ কথা জনা যায়। এই প্ৰসঙ্গত লক্ষীমপুৰৰ বিষ্ণুবালিকুছিৰ ধেলী দৰ্জিৰ নাম উল্লেখযোগ্য।[৩৯] "যবন বংশৰ ধেলী দৰ্জিয়েও আহি অনিৰুদ্ধদেৱৰ ওচৰত শৰণ লৈ ধ্যানপতি

নাম লৈ হিন্দু হৈ আহোম বংশৰ অন্তৰ্ভুক্ত হয়।[৪০] নৱবৈষ্ণৱ সনাতন ধৰ্মৰ বাণী আৰু বৈষ্ণৱ সত্ৰসমূহৰ প্ৰভাৱত আহোম, কছাৰী, বড়ো, ডিমাচা, ৰাভা, কোচ, চুতীয়া, নগা, মিৰি প্ৰভৃতিৰ অনেকে জড়োপাসনা, কুসংস্কাৰ, ঐন্দ্ৰজালিকতা আদি পৰিহাৰ কৰি বৈষ্ণৱ ধৰ্ম-সংস্কৃতিৰ প্ৰভাৱত অসমীয়া সমাজ তথা জাতীয়তাৰ ভেটি কটকটীয়া কৰাত সহায় কৰে।[৪১] বৈষ্ণৱ ভক্ত আচাৰ্যৰ আহবানত 'স্ত্ৰী-শূদ্ৰ বৈশ্য আদি'[৪২] 'ব্ৰাহ্মণ-ক্ষত্ৰিয় ৰাজঋষি'[৪৩] 'মিৰি-অসম-কছাৰী'[৪৪] সকলোৱে সমভাৱে ভগবানৰ প্ৰতি ভক্তি নিবেদন কৰি পৰমানন্দ লাভ কৰে।

চৌষষ্ঠী কলা-বিশাৰদ শঙ্কৰদেৱ আৰু ধৰ্মাচাৰ্যসকলে বিভিন্ন জনসমষ্টিক পূৰ্বৰ পৰাই আকৰ্ষণ কৰি অহা লোক-কলা আৰু জনকৃষ্টিৰ উপাদানৰ লগত শাস্ত্ৰীয় উপাদানৰ যোগ-বিয়োগ তথা সংমিশ্ৰণেৰে নব্য-সংস্কৃতিৰ ৰূপদান কৰিলে। তেনে সমন্বয়-সংস্কৃতিৰে সকলো শ্ৰেণীৰ লোকৰ মন আকৰ্ষণ কৰি অন্তৰৰ পৰিশুদ্ধতাৰে পৰমজনাক লাভ কৰাৰ পথ দেখুৱালে। সেই সাংস্কৃতিক উপাদানসমূহৰ ভিতৰত সত্ৰ-নামঘৰ, নাম-কীৰ্ত্তন, ভাগৱত পাঠ, বৰগীত, গায়ন-বায়ন, ভাওনাৰ সাজ-পাৰ, মুখা, নৃত্য-গীত, বিভিন্ন উৎসৱ, অনুষ্ঠান আৰু বাঁহ-বেত-কাঠৰ চাৰু কাৰু-শিল্প আদি উল্লেখযোগ্য। প্ৰাচীন যুগত হিন্দুৰ মঠ-মন্দিৰ, দেৱালয়াদি শিল-ইটাৰে সজোৱা হৈছিল আৰু সেইবোৰত ৰাজকীয় পৃষ্ঠপোষকতাও থকাৰ কথা জনা যায়। কিন্তু সৰ্বসাধাৰণৰ কলা-সংস্কৃতিৰ লগত সম্পৰ্ক ৰক্ষা কৰিবলৈ শঙ্কৰদেৱ আৰু ধৰ্মাচাৰ্যসকলে সাধাৰণ লোকৰ ঘৰ-দুৱাৰ, বেৰ সজোৱা উপকৰণেৰে হৰিগৃহ বা নামঘৰ, বৰঘৰ, নাটঘৰ, ভাওনা, নৃত্যৰ আচবাব আদি কাঠ, বাঁহ, বেত, খেৰ আদিৰে সজাইছিল।[৪৫] যাৰ ফলত, কৃষিজীৱী সাধাৰণ দৰিদ্ৰ ৰাইজে সেই সমলবোৰ সংগ্ৰহ কৰি ৰাজহুৱা সত্ৰ-নামঘৰ, নৃত্য, ভাওনা, বহা আসন আদি ব্যৱহাৰ্য সামগ্ৰীৰে সামাজিক আৰু সাংস্কৃতিক কাৰ্য সহজে কৰাৰ ব্যৱস্থা হ'ল। আজিকালিৰ দৰে সেই কালত ইটা, চিমেন্ট, বালি, শিলগুটিৰে পকাকৈ সত্ৰ-নামঘৰ, বাটচ'ৰা বন্ধোৱা নাছিল। নাম-প্ৰসঙ্গ, নৃত্য-গীত-ভাওনাদিত উপযুক্ততাৰ ভিত্তিত অংশ গ্ৰহণ কৰাৰ সুবিধা দিয়া হৈছে। জাত-পাতৰ ওপৰত গুৰুত্ব নিদি গুণাগুণৰ বিচাৰ কৰি সত্ৰ–সমাজত গণতান্ত্ৰিক প্ৰক্ৰিয়া আৰম্ভ হোৱাত বিভিন্ন জনগোষ্ঠীৰ মাজত থকা বৈষম্য দূৰ হ'ল। সত্ৰ -নামঘৰৰ নাম-কীৰ্ত্তন, সভা-ভাওনা-থলী আদিত বহা আসনৰ ওখ-চাপৰৰ ব্যৱস্থা নাই। সকলোৱে মাটিত পাৰি দিয়া কঠ, ঢাৰি বা পাতিত বহে। অসমীয়াৰ কৃষি-কাৰ্যত সততে পোৱা মগুমাহ, চাউল, আদা, কল, নাৰিকল, তিয়ঁহ কেইবিধমান ফল ভগৱন্তৰ প্ৰসাদ বুলি আগবঢ়োৱা হয়, যাক অৰ্থনৈতিকভাৱে দুৰ্বলজনেও দিবলৈ সক্ষম হয়। ইয়াৰ কাৰণে কোনো ধৰা-বন্ধা পৰিমাণ নাই।

বাৰেবৰণীয়া উমৈহতীয়া সংস্কৃতিৰ সংমিশ্ৰণত অসমত বসবাস কৰা



জনগোষ্ঠী, বিভিন্ন ধৰ্ম-বৰ্ণ-সম্প্ৰদায়, ভাষা-উপভাষাৰ লোকক মনৰ বিদ্বেষ-হিংসা, দন্দ্ব-খৰিয়াল, কুসংস্কাৰ আৰু জাতিভেদৰ ঠেকগণ্ডীৰ পৰা উত্তৰণ কৰি মানবীয় অধিকাৰ আৰু সামাজিক ঐক্য প্ৰতিষ্ঠা কৰি সত্ৰই এখন বহল তথা সংস্কৃতিপূৰ্ণ সমাজ গঠন কৰি সুস্থ-সবল জাতীয় সংস্কৃতি গঢ়ি তোলে।

## ১.০৫ অসমৰ বৈষ্ণৱ সত্ৰৰ প্ৰৱৰ্তক শঙ্কৰদেৱ ঃ

বিষ্ণুৰ নৈমিষক্ষেত্ৰ মহাপুণ্যস্থানত সূত শৌনকাদি আঠাইশ সহস্ৰ ঋষিৰ শ্ৰীমদ্ভাগৱত শাস্ত্ৰৰ কৃষ্ণ-চৰিত্ৰৰ শ্ৰৱণ-কীৰ্ত্তনক গুৰুত্ব দি শঙ্কৰদেৱে ভাগৱত কথা বা কাহিনীৰ সাৰ-কথাৰে ভক্তিধৰ্ম প্ৰচাৰ কৰে। সেই মহাপুণ্যস্থান বিষ্ণুক্ষেত্ৰই শংকৰদেৱৰ হৰিগৃহ বা সত্ৰ স্থাপনৰ ধাৰণা বা আদৰ্শ বুলিব পাৰি।

অৱশ্যে শঙ্কৰদেৱে তেওঁৰ উদ্ভাৱিত ধৰ্মানুষ্ঠানক তেওঁৰ ৰচিত গ্ৰন্থত 'সত্ৰ' বুলি উল্লেখ কৰা নাই– যেনেকৈ 'বৰগীত', 'অঙ্কীয়া নাট', 'চিহ্নযাত্ৰা' আদিৰ নাম উল্লেখ কৰা নাই। স্ৰষ্টাই সৃষ্টিহে কৰে। সৃষ্টি বা অৱদানৰ মূল্যাঙ্কন বা নামকৰণ নকৰে। শঙ্কৰদেৱৰ অৱদানবোৰৰ মূল্যায়ন বা নামকৰণ তেওঁৰ অনুগামী ধৰ্মাচাৰ্যৰ ৰচনা আৰু চৰিতকাৰৰ চৰিত-সাহিত্যতহে পোৱা যায়। গতিকে শঙ্কৰদেৱে ক'ৰবাত নিজে বৰগীত, অঙ্কীয়া নাট, ৰচনা কৰা বা সত্ৰ পতা বুলি লিখা কথা বিচাৰি ফুৰাটো পৰ্বতত কাছকণী বিচাৰি ফুৰাৰ লেখীয়া।

অসমৰ ধৰ্ম-সংস্কৃতিৰ ইতিহাসত শঙ্কৰদেৱ উদ্ভাৱিত বৰদোৱা বা বটদ্ৰৱা অসমৰ আদি আৰু পূৰ্ণাঙ্গ বৈষ্ণৱ সত্ৰ। মধ্য অসমৰ বৰদোৱাত প্ৰথম বৈষ্ণৱ সত্ৰ স্থাপন কৰি শঙ্কৰদেৱে উজনি-নামনিলৈ ধৰ্ম প্ৰচাৰ কৰিবলৈ যোৱাৰ ফলত তেওঁৰ পৰা ধৰ্ম গ্ৰহণ কৰা ধৰ্মাচাৰ্যসকলে লুইতৰ ইপাৰ-সিপাৰত গাৱঁে-ভুঁয়ে অনেক সত্ৰ পাতে– যাৰ ফলত সত্ৰ আৰু বৈষ্ণৱ ধৰ্ম জন-সমাদৃত হৈ পৰে।

পোনতে শঙ্কৰদেৱৰ পুণ্যক্ষেত্ৰক জনমুখে 'থান' বোলা হৈছিল। জনসমাগম হোৱা অসমৰ যিকোনো ধৰ্মস্থল বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ পূৰ্বৰে পৰা থান বা স্থান নামে অভিহিত কৰা হৈছিল। যেনে বুঢ়া-বুঢ়ীৰ থান, শিৱস্থান, আইথান, বাসুদেৱ থান, ভাগৱতী থান, কেঁচাখাইতী থান, গোসাঁনীৰ থান, গণেশ থান, গৰখীয়া বাবাৰ থান, লাংটা থান ইত্যাদি। সেই পৰম্পৰাতে অসমৰ ধৰ্মস্থানসমূহৰ জনপ্ৰিয় নাম 'থান' হৈ আছে। সেইকাৰণে থানতকৈ বিস্তৃত অৰ্থৰ শঙ্কৰদেৱ উদ্ভাৱিত আৰু বৈষ্ণৱ গুৰুসকলৰ পুণ্যক্ষেত্ৰকো জনমুখে থান বোলা হ'ল। যেনে বৰদোৱা থান (সত্ৰ), গাংমৌ থান (সত্ৰ), নৰোৱা থান (সত্ৰ), খোৱামোচৰ থান (সত্ৰ), শলগুৰি থান (সত্ৰ) ইত্যাদি। উক্ত সত্ৰসমূহক থান বুলি কোৱা হৈছে। কিন্তু অসমৰ হাটী-বাটী, বহাঘৰ আদিৰে নিত্য-প্ৰসঙ্গ, নাট-ভাওনা আদি ধৰ্ম-সংস্কৃতি নিয়মিতভাৱে চলা বৈষ্ণৱ ধৰ্মথানক বা ক্ষেত্ৰক বিশেষভাৱে সত্ৰ বুলিহে জনা যায়। সেয়ে

শঙ্কৰদেৱ, দামোদৰদেৱ, মাধৱদেৱ আৰু আন আন ধমাচাৰ্য প্ৰতিষ্ঠিত পুণ্যক্ষেত্ৰসমূহ অসমৰ ধৰ্ম-সংস্কৃতিত সত্ৰ নামে জনাজাত। অৱশ্যে একে অৰ্থত 'ধাম' শব্দৰো ব্যৱহাৰ আছে। যেনে- মধুপুৰ ধাম, বৈকুণ্ঠপুৰ ধাম।

অসমৰ আদি বৈষ্ণৱ সত্ৰ বৰদোৱা শঙ্কৰদেৱে এৰি যোৱাৰ সাতকুৰি বছৰ পিছত পুনৰুদ্ধাৰ হৈ শঙ্কৰদেৱৰ আদৰ্শৰ স্মৃতিৰে তাত পুনৰ সত্ৰ স্থাপন কৰা হয়। হাটী, ভকতৰ বহা আদিৰে পৰিবেষ্টিত কৰি কীৰ্তন-ঘৰ সাজি নাম-প্ৰসঙ্গ, নাট-ভাওনা আদিৰে সত্ৰ সজীৱ কৰি তোলা হয়। সত্ৰ-পৰম্পৰা আৰু চৰিত-পুথিৰ পৰা শঙ্কৰদেৱে বৰদোৱাত এখনি পূৰ্ণাঙ্গ সত্ৰ কেনেদৰে স্থাপন কৰিছিল তাৰ আভাস পোৱা যায়। গুৰুজনাৰ সত্ৰ প্ৰতিষ্ঠাত বস্তুগত আৰু ভাবগত পৰিবেশৰ উপাদান মন কৰিব পাৰি।

১) **ভূমি ঃ** ধৰ্ম-চৰ্চাৰ কাৰণে সমাজৰ সকলো স্তৰৰ লোকক সমবেত কৰাবলৈ শঙ্কৰদেৱক এখন উপযুক্ত ঠাইৰ আৱশ্যক হ'ল। তাৰ কাৰণে নিজঞ্জাল নিৰ্জন আহল-বহল ঠাইৰ অনুসন্ধান কৰি ভূঞা দলপতি ৰামৰায় প্ৰভৃতিৰ লগত পৰামৰ্শ কৰি গ্ৰামৰ পৰা দূৰৈৰ পিতৃদেৱ কুসুম্বৰৰ সৰিয়হ তলী তেওঁৰ ভক্তিধৰ্ম প্ৰৱৰ্তনৰ গধুৰ সুচল ঠাই হ'ব বুলি সেই ভূমিখণ্ড নিৰ্বাচন কৰে।[৪৭]

২) **গৃহ ঃ** শঙ্কৰদেৱ প্ৰতিষ্ঠিত সত্ৰ বৈদিক যুগৰ ঋষি-মুনিৰ তপ-যজ্ঞৰ নৈমিষাৰণ্য নহয়— বৈষ্ণৱ সত্ৰ জ্ঞানী-বিজ্ঞ-সজ্জনৰ পৰা অজ্ঞ-মূৰ্খ, শ্ৰমজীৱী-কৃষিজীৱী জাতি-বৰ্ণ-সম্প্ৰদায় নিৰ্বিশেষে সকলোৰে বাবে মুক্ত ধৰ্মক্ষেত্ৰ। সত্ৰত হাজাৰ হাজাৰ বছৰ ব্যাপী তপস্যা নচলে, সাংসাৰিক জীৱন-যাপনৰ লগতে নিৰ্দিষ্ট সময়ত নিত্য-নৈমিত্তিক ধৰ্ম পালন অৰ্থাৎ নাম-প্ৰসঙ্গ আদিৰে ভগৱন্তৰ যশ-গুণ কীৰ্ত্তন কৰা হয়। সেই কাৰণে নিৰ্বিঘ্নে সুকলমে ভক্তিধৰ্ম পালন কৰিবলৈ মুকলি সৰিয়হ তলিৰ পথাৰত ঘৰ-দুৱাৰৰ প্ৰয়োজনবোধ কৰি নামঘৰ-মণিকূট, কীৰ্ত্তন-ঘৰ বা সত্ৰগৃহ সজা হয়।[৪৮]

৩) **ভকতৰ বহা-হাটী ঃ** সৰিয়হ তলিত বন্ধা নাম-প্ৰসঙ্গৰ স্থান দূৰত হোৱাত ভূঞা ভক্ত সজ্জনসকল থকাৰ বাবে সত্ৰৰ চাৰিও কাষে চাৰি হাটী আৰু ভকতৰ বাসঘৰ নিৰ্মাণ কৰি তাত থকা-মেলাৰ ব্যৱস্থা কৰা হয়।[৪৯] এইসকলে ধৰ্মকাৰ্যত আগভাগ লয়।

৪) **নাম-প্ৰসঙ্গ ঃ** কীৰ্ত্তন-ঘৰৰ ওচৰতে ইষ্ট-কুটুম্ব-ভক্তবৃন্দ থাকিবলৈ লৈ সকলোৱে তিনি-প্ৰসঙ্গ কথা শ্ৰৱণ কৰি সুখে থাকিল।[৫০] অৰ্থাৎ বৰদোৱাত শঙ্কৰদেৱে তিনি প্ৰসঙ্গ (পুৱা-দুপৰীয়া আৰু সন্ধ্যা)ৰ ব্যৱস্থা কৰিছিল।

৫) **সংস্কৃতি ঃ** শঙ্কৰদেৱে জন-আকৰ্ষণীয়কৈ ভাওনাদি কাৰ্যসূচীও ৰূপায়ণ কৰিছিল। এই প্ৰসঙ্গত 'চিহ্নযাত্ৰা' ভাওনা উল্লেখযোগ্য। সূত্ৰধাৰ, গায়ন-বায়ন, ধেমালি, নৃত্য, শ্লোক গীত, বাদ্য, অভিনয় আদিৰে শঙ্কৰদেৱে আধ্যাত্মিক সংস্কৃতিৰ সৃষ্টি কৰে।



৬) **সাহিত্য ঃ** সত্ৰত সাহিত্য ৰচনা এক পৰম্পৰা। শঙ্কৰদেৱে কীৰ্ত্তন-ঘোষাৰ কেইবাটাও খণ্ডকে ধৰি কেইবাখনো কাব্য, গীত-বৰগীত, নাট আদি বৰদোৱাত ৰচনা কৰাৰ কাৰণে সত্ৰৰ বৈষ্ণৱ সাহিত্যই অসমীয়া সাহিত্যৰ ভৰাঁল গৌৰৱময় কৰি ৰাখিছে।

৭) **সমস্থান ঃ** শঙ্কৰদেৱে জাতি-উপজাতি, উচ্চ-নীচ ভেদাভেদ নাৰাখি সকলোকে ভক্তিধৰ্ম দিয়াৰ ব্যৱস্থা কৰে। যোগ্যতা অনুসৰি নাম-প্ৰসঙ্গ, নৃত্য-গীত-ভাওনাত বিভিন্নজনে অংশ গ্ৰহণ কৰাৰ বাট মুকলি ৰখা হয়।

৮) **উৎসৱ ঃ** শঙ্কৰদেৱে চিহ্নযাত্ৰা ভাওনাৰ উপৰিও ফল্গু-উৎসৱ অতি সমাৰোহেৰে পালন কৰিছিল। সেইসূত্ৰে পৰৱৰ্তীকালত সত্ৰত বিভিন্ন উৎসৱ পতা হ'ল।

শঙ্কৰদেৱৰ সত্ৰৰ উক্ত আদৰ্শত অসমৰ বিভিন্ন সত্ৰই গঢ় লয়। পৰৱৰ্তী কালৰ সেই মূল আদৰ্শ ৰক্ষা কৰি শিল্পীসুলভ দক্ষতাৰে সত্ৰৰ কলা-ভাস্কৰ্য, চিত্ৰশিল্প, নাট-ভাওনা, নৃত্য-গীত আদিৰ উৎকৰ্ষ সাধন কৰা পৰিলক্ষিত হৈছে। সংৰক্ষণৰ লগত সংযোজন, সংবৰ্ধন থকাটো স্বাভাৱিক।

## ১.০৬ সত্ৰ সম্প্ৰসাৰণ ঃ

নাম-প্ৰসঙ্গ, নাট-ভাওনা, নৃত্য-গীত, বাদ্য, শাস্ত্ৰ অধ্যয়ন-চৰ্চা, প্ৰণয়ন আৰু আকৰ্ষণীয় কলা-কৃষ্টিৰে বৰদোৱা-আলিপুখুৰীত ৰোপণ কৰা সত্ৰ-বৃক্ষৰূপী ফলে-ফুলে, ডালে-পাতে জাতিষ্কাৰ হৈ সমগ্ৰ অসমতে বিস্তাৰিত হৈ পৰে। সেই সময়ত অসম ভূ-খণ্ডক বুজাবলৈ এখন ৰাজ্য নাছিল। কোচ, কছাৰী, চুটিয়া, ভূঞা, আহোম, নগাঁৰৰ দাঁতিৱলীয়া কেইবাখনো ৰাজ্য বেলেগ বেলেগ জনগোষ্ঠীৰ বাসভূমি আছিল। প্ৰত্যেক জনগোষ্ঠীয়ে সুকীয়া সুকীয়া উপভাষা, দোৱান ব্যৱহাৰ কৰিছিল যদিও মধ্য অসমৰ ভূঞাৰাজ্যৰ পৰা উজনি-নামনিলৈ সত্ৰ-সভা পাতি ধৰ্ম প্ৰচাৰ কৰা শঙ্কৰদেৱৰ ব্যৱহৃত অসমীয়া ভাষা সকলো লোকৰে বোধগম্য আছিল। সেয়ে তেওঁ ৰচনা কৰা কাব্য-গীত-পদ-নাট আদিৰ ভাষা সৰ্বত্ৰ জনসাধাৰণে গ্ৰহণ কৰিছিল। পঞ্চদশ শতাব্দীত বৰ্ত্তমান নগাঁও জিলাৰ বৰদোৱাত জন্ম গ্ৰহণ কৰি ধৰ্ম আৰু সাহিত্য চৰ্চা কৰা শঙ্কৰদেৱৰ সাহিত্যৰ ভাষা উজনি-নামনি সমগ্ৰ অসমৰ লগত সামঞ্জস্য থকা।[৫১]

কছাৰী উপদ্ৰৱত বৰদোৱাৰ পৰা গাংমৌ, ধুৱাহাট-বেলগুৰি, বৰপেটা-চুণপোৰা, পাটবাউসী, ভেলা-মধুপুৰলৈ শঙ্কৰদেৱে স্থাপন কৰা সত্ৰৰ আদৰ্শত তেওঁৰ সমসাময়িক আৰু পৰৱৰ্তী ধৰ্মাচাৰ্যই নানা ঠাইত অনেক সত্ৰ পাতিলে। বৈষ্ণৱ সত্ৰৰ প্ৰৱৰ্তক শঙ্কৰদেৱে প্ৰকাশ কৰা নাম, দেৱ, ভকত আৰু ধুৱাহাট-বেলগুৰিত শৰণ দিয়া শিষ্য মাধৱদেৱে সংযোগ কৰা গুৰু[৫২] এই চাৰিবস্তুক

সাৰোগত কৰি পৰৱৰ্তী ধৰ্মাচাৰ্যসকলে অসম-কামৰূপ-বেহাৰৰ উজনি-মাজালি-নামনিত অনেক সত্ৰ স্থাপন কৰি ভক্তি-ধৰ্মৰ অমিয়-বাণীৰে সৰ্বলোকক পৰিতৃপ্ত কৰে।

কামৰূপ-কোচ ৰাজ্যৰ বৰপেটা-পাটবাউসীত ধৰ্ম-সত্ৰ পাতি ধৰ্ম প্ৰচাৰ কৰি থকা কালত ভবানন্দ সাউদ (সদাগৰ) ওৰফে নাৰায়ণ দাস ঠাকুৰ[৫৩], পাটবাউসীত দামোদৰদেৱ[৫৪] আৰু হৰিদেৱ[৫৫] — দুজনা পৰম ধাৰ্মিক ব্ৰাহ্মণ ভক্তও শঙ্কৰ-মাধৱৰ সান্নিধ্যলৈ আহি ভক্তিধৰ্ম গ্ৰহণ কৰে। ব্ৰাহ্মণ পণ্ডিত অনন্ত কন্দলি, কণ্ঠভূষণ, অচ্যুত গুৰু, ভাস্কৰ গুৰু, ৰামৰাম গুৰু, সাৰ্বভৌম ভট্টাচাৰ্য প্ৰভৃতিয়ে শঙ্কৰদেৱক গুৰু ভজে।[৫৬] বৈষ্ণৱ আচাৰ্য আৰু ভক্তবৃন্দৰ ভক্তিৰ সোঁত বৰপেটা অঞ্চলৰ পৰা বেহাৰলৈ প্ৰৱাহিত হয়। অসমৰ বিভিন্ন ঠাইৰ বামাচাৰী, ম্লেচাচাৰী অগণন অভকতে বৈষ্ণৱ গুৰুসকলৰ সান্নিধ্যলৈ গৈ ভক্তি-ধৰ্মত শৰণ লৈ শিষ্যত্ব গ্ৰহণ কৰে। বৈষ্ণৱ সত্ৰৰ নৱবৈষ্ণৱ ধৰ্মৰ মহামন্ত্ৰই জাত্যাভিমান, বৌধাচাৰ, ম্লেচাচাৰ দূৰ কৰি সাম্যবাদী গণতান্ত্ৰিক, অস্পৃশ্যতাহীন সমাজৰ বুনিয়াদ সুদৃঢ় কৰি তোলে।

## শঙ্কৰদেৱে পতা চাৰি ধৰ্মাচাৰ্যৰ সত্ৰ ঃ

শঙ্কৰদেৱৰ পৰা প্ৰত্যক্ষভাৱে ধৰ্ম লাভ কৰা মাধৱদেৱে গণককুছি, সুন্দৰীদিয়া, বৰপেটা, ভেলা আদি সত্ৰ; দামোদৰদেৱে পাটবাউসী বৈকুণ্ঠপুৰ সত্ৰ; হৰিদেৱে মানেৰি, বহৰি সত্ৰ আৰু নাৰায়ণ ঠাকুৰে জনিয়া, বাৰাদি, মইনবৰি সত্ৰ স্থাপন কৰে।[৫৭] মন কৰিবলগীয়া যে প্ৰধান আচাৰ্য কেইগৰাকীয়ে ধৰ্ম প্ৰচাৰ কৰিবলৈ স্থাপন কৰা সত্ৰসমূহ নামনিৰ কামৰূপ-বেহাৰত প্ৰতিষ্ঠা হোৱাত নামনিৰ বিস্তৃত অঞ্চল ভগৱদ্ভক্তিৰ বৈকুণ্ঠক্ষেত্ৰ স্বৰূপ হৈ পৰিল।

শঙ্কৰদেৱে নানা বাধা-বিপত্তি, অশান্তি পাই সপৰিয়াল-বান্ধৱ-ভকত-সজ্জনেৰে ভূঞা ৰাজ্য তথা জন্ম আৰু আদিলীলা ভূমি আলিপুখুৰী-বৰদোৱা, আহোম ৰাজ্যৰ ধুৱাহাট-বেলগুৰি এৰি অহাৰ পিছত মধ্য আৰু উজনি অসমত বৈষ্ণৱ ধৰ্ম প্ৰৱৰ্তক শঙ্কৰদেৱৰ ভক্তি-ধৰ্ম স্তব্ধ হৈ থাকিল। উজনিৰ লোকৰ লগত থকা যোগাযোগ মতে উজনিত ধৰ্ম প্ৰচাৰৰ চিন্তা কৰি শঙ্কৰদেৱে মাধৱদেৱ-দামোদৰদেৱৰ ওপৰত দায়িত্ব ন্যস্ত কৰে। সেয়ে শঙ্কৰদেৱৰ পৰলোকৰ পিছত সেইমতে তেওঁলোকৰ আজ্ঞাপৰ আচাৰ্য কেইগৰাকীমানৰ চেষ্টাত উজনিত সত্ৰ-সভা স্থাপিত হয়। ধৰ্মাচাৰ্যসকলে নামনিৰ বেহাৰৰ পৰা উজনিৰ বিভিন্ন ঠাইত পতা সত্ৰ সম্প্ৰসাৰণৰ ফলত ব্ৰহ্মপুত্ৰ উপত্যকাৰ জিলা ৬খনত বসবাস কৰা মুঠ হিন্দু জনসংখ্যাৰ গড়ে শতকৰা ৮০ জন বৈষ্ণৱ ধৰ্মাৱলম্বী হৈ পৰিছিল বুলি প্ৰাক্-স্বাধীনতা কালৰ 'ডিষ্ট্ৰিক্ট গেজেটিয়াৰ' ১৯০৫ ত উল্লেখ আছে।[৫৮]



প্ৰধান ধৰ্মাচাৰ্য চাৰিগৰাকীৰ প্ৰত্যেক গৰাকীয়েও ধৰ্মাচাৰ্য নিয়োগ কৰি সত্ৰ-সভা পাতিবলৈ আজ্ঞা দিছে। ধৰ্মাচাৰ্যসকলৰ ভিতৰত উল্লেখযোগ্য হ'ল মাধৱদেৱ, দামোদৰদেৱ, হৰিদেৱ, ভবানীপুৰীয়া গোপাল আতা, পুৰুষোত্তম ঠাকুৰ, চতুৰ্ভুজ ঠাকুৰ প্ৰভৃতি।

## দামোদৰদেৱৰ আজ্ঞাপৰ আচাৰ্যসকলৰ সত্ৰ সম্প্ৰসাৰণ ঃ

দামোদৰদেৱে পতা ধৰ্মাচাৰ্য তথা উত্তৰাধিকাৰী বৈকুণ্ঠনাথ ভট্টাচাৰ্যৰ ব্যাসকুছি (পাটবাউসী), ভগৱানদেৱৰ গোবিন্দপুৰ (কামৰূপ), সন্তদেৱৰ গৰৈমাৰি (দক্ষিণ কামৰূপ), বলদেৱৰ কোচবিহাৰৰ বৈকুণ্ঠপুৰ উল্লেখযোগ্য সত্ৰ। ইয়াৰ উপৰি, শঙ্কৰদেৱে পূৰ্বে দিয়া ইঙ্গিত মতে দামোদৰদেৱ আৰু মাধৱদেৱৰ আজ্ঞাৰে উজনিলৈ ধৰ্মপ্ৰচাৰ কৰিবলৈ যোৱা দেবেৰাপাৰ সত্ৰৰ প্ৰতিষ্ঠাতা বংশীগোপালদেৱে স্থাপিত কুৰুৱাবাহী সত্ৰৰ উপৰিও তেওঁ পতা ধৰ্মাচাৰ্য বনমালীদেৱৰ দক্ষিণপাট, নিৰঞ্জন বাপুৰ আউনীআটী, লক্ষ্মীনাৰায়ণ (জয়হৰিদেৱ)ৰ গড়মূৰ, কৃষ্ণচন্দ্ৰৰ ডিফলু আদি সত্ৰ উল্লেখযোগ্য। পৰৱৰ্তীকালত বংশীগোপালদেৱে পতা ৪৫ জন মেধিৰ ৪৫ খন সত্ৰৰ উপৰিও অসমৰ নানা ঠাইত অনেক সত্ৰ প্ৰতিষ্ঠা হয়।[৫৯] বংশীগোপালদেৱৰ লগত উজনিলৈ ধৰ্মপ্ৰচাৰ কৰিবলৈ যোৱা দ্বিতীয় যদুমণিদেৱৰ পঞ্চ-পুত্ৰই মাহাৰা, ঘাৰমৰা, পতিয়ৰী, ডোখৰামুখ, কমলাবৰীয়া সত্ৰ স্থাপন কৰে।[৬০]

## হৰিদেৱৰ আজ্ঞাপৰ আচাৰ্যৰ সত্ৰ সম্প্ৰসাৰণ ঃ

মানেৰি আৰু বহৰিত সত্ৰ প্ৰতিষ্ঠা কৰে হৰিদেৱে। তেওঁৰ আজ্ঞাপৰ যদুমণিয়ে উজনিত মাহাৰা; হৰিচৰণে নলবাৰীত জাগাৰা; নাৰায়ণদেৱে বৰপেটাত গুভা, পৰেণা; জগন্নাথে বৈনাকুছি; কৃষ্ণদেৱে চামোৰী আদি সত্ৰ স্থাপন কৰে। হৰিদেৱে পৰলোকৰ আগমুহূৰ্তত তেওঁৰ জ্যেষ্ঠা কন্যা আই ভুবনেশ্বৰীক মানেৰি সত্ৰৰ পৰিচালনাৰ দায়িত্ব অৰ্পণ কৰি নাৰীক ধৰ্মাচাৰ্য পতাৰ ইতিহাস সৃষ্টি কৰে।[৬১] হৰিদেৱৰ অনুগামীসকলৰ সত্ৰসমূহ ব্ৰহ্ম-সংহতিৰ অন্তৰ্ভুক্ত।

## মাধৱদেৱৰ আজ্ঞাপৰ আচাৰ্যসকলৰ সত্ৰ সম্প্ৰসাৰণ ঃ

শঙ্কৰদেৱৰ উত্তৰাধিকাৰী মাধৱদেৱে পতা ধৰ্মাচাৰ্য বংশীগোপালদেৱ আৰু যদুমণিদেৱে[৬২] পতা সত্ৰৰ উপৰিও মথুৰাদাস বুঢ়া আতাৰ বৰপেটা, বৰবিষ্ণু আতাৰ চমৰীয়া, পদ্ম বা বদলা আতাৰ কমলাবাৰী, গোপাল আতাৰ কালঝাৰ, ৰামচৰণ ঠাকুৰৰ সুন্দৰীদিয়া, কেশৱচৰণৰ বৰজহা, লক্ষ্মীকান্ত আতৈৰ ধোপগুৰি, পঢ়িয়া আতৈৰ হেৰেমদৈ, শ্ৰীহৰিৰ লাইআটী আৰু লেচাকণীয়া গোবিন্দৰ খটৰা

সত্ৰৰ উপৰিও পৰৱৰ্তী কালত তেওঁলোকৰ ভক্ত-আচাৰ্যসকলে অনেক সত্ৰ প্ৰতিষ্ঠা কৰে। মাধৱদেৱে আছিল পৰম ভক্ত। তেওঁ শঙ্কৰদেৱৰ শিষ্যত্ব গ্ৰহণ কৰি জোৰণ পিন্ধোৱা কন্যাও পৰিহাৰ কৰি উদাসীন ভক্ত হৈ জীৱন অতিবাহিত কৰিছিল। সত্ৰৰ উদাসীন ভক্তৰ পৰম্পৰা তেতিয়াৰে পৰা চলে বুলি কোৱা হয়। কামৰূপৰ মুখ্য সত্ৰ বৰপেটা সত্ৰত মথুৰাদাস বুঢ়া আতাক মাধৱদেৱে 'গুৰুকৰ' দি প্ৰথম অধিকাৰ পাতিছিল আৰু তেতিয়াৰে পৰা সেই সত্ৰৰ অধিকাৰ বা বিষয়ববীয়া বংশানুক্ৰমিক নহৈ উপযুক্ততাৰ ভিত্তিত ৰাজহুৱাভাৱে গণতান্ত্ৰিক পদ্ধতিত নিৰ্বাচন কৰা হয়। বৰপেটা সত্ৰৰ অধিকাৰ পাতি মাধৱদেৱে বুঢ়াআতাক বৰনদী আৰু সোণকোষক সীমা কৰি কামৰূপৰ ত্ৰিশখন সত্ৰৰ দায়িত্ব ন্যস্ত কৰিছিল। সেই সত্ৰ কেইখন হ'ল– গণককুছি, সুন্দৰীদিয়া, বাৰাদি, জনিয়া, টকৌবাৰী, চমৰিয়া, হালধি, কৈমাৰি, বগুনা, নসত্ৰ, পুৰণিসত্ৰ, চাপৰি সত্ৰ, উপৰাপু, সূৰ্যৰাপু, বাঁহবাৰী, ৰৌমাৰি, কুঢ়িমাৰি, বৰ আৰু সৰু হাবামদ, ধূপৰগুৰি, ঢাকুৱাপাৰা, গোমুৰা, মালীবাৰী, বৰফুলগুৰি, সৰু ফুলগুৰি, চিকাৰহাটী, নবাৰী, দীঘলী, বগনা, বেলগুৰি এবমাদি আৰু যেসকল সত্ৰ আছে তবদীয় বৰপেটাৰ সমূহ সত্ৰীয়াসকলৰ আজ্ঞাতে নিযুক্ত হয়।[৬৩] সেই সত্ৰসমূহ বৰপেটা সত্ৰৰ অধীনত গণতান্ত্ৰিক পদ্ধতিত ৰাইজৰ বিষয়ববীয়াই চলায়।

## গোপাল আতাৰ আজ্ঞাপৰ আচাৰ্যসকলৰ সত্ৰ-সম্প্ৰসাৰণ ঃ

কালঝাৰ সত্ৰৰ প্ৰতিষ্ঠাতা ভবানীপুৰীয়া গোপাল আতা মাধৱদেৱে পতা অন্যতম ধৰ্মাচাৰ্য। তেওঁ উত্তৰ কামৰূপত কালঝাৰ, ভবানীপুৰ, পৰাভবাঁল আৰু জুৱাৰাদি–চাৰিসত্ৰ প্ৰতিষ্ঠা কৰি ধৰ্মৰ প্ৰসাৰ আৰু প্ৰচাৰৰ কাৰণে মাধৱদেৱৰ দৰে বাৰজন আচাৰ্য নিয়োগ কৰে। তেওঁ ধৰ্মাচাৰ্যসকলক বিশেষকৈ উজনিলৈ সত্ৰ সম্প্ৰসাৰণৰ বাবে পঠিয়ায়। তেওঁৰ শিষ্য-আচাৰ্য বাৰজনৰ ছজন ব্ৰাহ্মণ আৰু ছজন অব্ৰাহ্মণ। ভক্তিধৰ্মত ব্ৰাহ্মণ-শূদ্ৰিৰ বা জাতি- অজাতিৰ যে বিচাৰ নাই তাক গোপাল আতাই বিশেষ গুৰুত্ব দি শঙ্কৰ-মাধৱৰ ধৰ্মৰ মহান বাণী সাৰোগত কৰি চলিছিল। তেওঁৰ ছজন ব্ৰাহ্মণ শিষ্যৰ সত্ৰ– ১) শ্ৰীৰাম আতাৰ আইঁতগুৰি, আমগুৰি কৰতিপাৰ, ২) ৰামচন্দ্ৰৰ খৌৱামোচৰ ৩) পৰমানন্দৰ হাবুং, ৪) ৰামচৰণ সন্ন্যাসী বাপুৰ ইকৰাজান, ৫) পুৰুষোত্তমৰ কাঠপাৰ বা মাকোৱাৰী, ৬) বৰগুৰু কৃষ্ণানন্দ (সত্ৰ নাই); আৰু ছজন অব্ৰাহ্মণ শিষ্যৰ সত্ৰ– ৭) বৰযদুমণি (হেঙুলীয়া)ৰ বাঁহবাৰী, ৮) সৰু যদুমণি গজলা আতাৰ সৌকাধৰা বা গজলা, ৯) নাৰায়ণ আতাৰ দহঘৰীয়া, হালধিআটী, ১০) মুৰাৰিৰ চবাইবাহী, ১১) অনিৰুদ্ধৰ মায়ামৰা, দিনজয়, পুৰণিমাটি আৰু ১২) সনাতনৰ নগৰীয়া সত্ৰ।[৬৪]

গোপাল আতাৰ পুত্ৰ কমললোচন। তেওঁৰ পঞ্চ-পুত্ৰৰ পৰা ঢৌকাচাপৰি,



আমগুৰি, কলাকটা, ধোপাবৰ, নাচনীপাৰ, হেমাৰবৰি সত্ৰ; খুলশালিয়েক কেশৰামৰ চৰিপোতা আৰু যোগমায়াৰ পৰা উলুবাৰী সত্ৰ স্থাপিত হয়।[৬৫] উক্ত অনুগামী আচাৰ্য আৰু বংশৰ লোকৰ পৰা পৰৱৰ্তী কালত প্ৰায় দুই শতাধিক সত্ৰৰ সম্প্ৰসাৰণ ঘটে।

## শঙ্কৰদেৱৰ নাতি পুৰুষোত্তম প্ৰভৃতিৰ পৰা বঢ়া সত্ৰ ঃ

শঙ্কৰদেৱে পুত্ৰদ্বয় ৰামানন্দ আৰু হৰিচৰণ জীৱিত থকা সত্ত্বেও যোগ্যতাৰ ভিত্তিত পৰমভক্ত মাধৱদেৱক ধৰ্মৰাজ্যৰ উত্তৰাধিকাৰী মনোনীত কৰি থৈ যায়। তেওঁৰ বৰপুত্ৰ ৰামানন্দৰ পুত্ৰ পুৰুষোত্তম আৰু হৰিচৰণৰ পুত্ৰ চতুৰ্ভুজ দুয়ো শঙ্কৰদেৱৰ নাতি। শঙ্কৰদেৱৰ দেহাৱসানৰ পিছত পৰিয়ালৰ চোৱা-চিতা কৰা, নাতিক শিক্ষা-দীক্ষাৰে ডাঙৰ-দীঘল কৰাৰ দায়িত্ব মাধৱদেৱে লৈ পুৰুষোত্তমক সৰ্বশাস্ত্ৰবিশাৰদ কৰি তোলে। পুৰুষোত্তমে যোল বছৰ বয়সত ককাক শঙ্কৰদেৱৰ গৰিমাময় ঐতিহ্য আৰু উত্তৰাধিকাৰৰ প্ৰতি সচেতনতা আৰু দৃঢ়তা অৱলম্বন কৰে।[৬৬] সেয়ে সেইকালৰ সমাজৰ প্ৰতিপত্তিশালী ব্যক্তি অমৃতকাৰ দলৈৰ আহ্বানত মহেখোৱাবৰিত নাৰায়ণ ঠাকুৰ প্ৰমুখ্যে ধৰ্মগুৰু, ভক্তবৃন্দ আৰু সমাজৰ গণ্য-মান্য চৌধুৰী, পাটোৱাৰী, মেনা, তালুকদাৰ, ঠাকুৰীয়া প্ৰভৃতিৰ উপস্থিতিত বহা জনমেলত সমজুৱাৰ পৰামৰ্শত মাধৱদেৱে বৰনাতি পুৰুষোত্তমক শক্তি-ভক্তি-বল-পৰাক্ৰমে ধৰ্মভাৰ সোধায়।[৬৭] তেতিয়া হলে শঙ্কৰদেৱে ভাৰ্যাৰ আগত 'নাতিসে আশ'[৬৮] বোলা ভৱিষ্যত-বাণী ফলিয়ালে বুলি ধৰি লব পাৰি।

সুন্দৰীদিয়াত আইসকলৰ বিয়োগৰ পিছত পুৰুষোত্তম ঠাকুৰ পাটবাউসীত এঘাৰ বছৰ, জনিয়াত পাঁচ বছৰ থাকি শেষত কোচবিহাৰৰ ভেলালৈ গৈ ধৰ্মপ্ৰচাৰৰ কাৰ্যসূচী গ্ৰহণ কৰি বাৰজন ভক্তক ধৰ্মচাৰ্য নিয়োগ কৰি উজনিলৈ পঠিয়ায়।[৬৯] তেওঁ নিয়োগ কৰা বাৰজন ধৰ্ম প্ৰচাৰক বৰবাৰজনীয়া নামে জনাজাত। বাৰজনৰ ছজন অব্ৰাহ্মণ আৰু ছজন ব্ৰাহ্মণ ধৰ্মাচাৰ্য। অব্ৰাহ্মণ ছজন– ১) বাপুকৃষ্ণ— এলেঙি, ২) কৃষ্ণচৰণ—চুপহা (চিপহা), ৩) হৰিচৰণ—সাউদ (সাও) কুছি, ৪) কমললোচন—কাথবাপু, ৫) মুৰাৰি—বেঙেনাআটী, ৬) কমললোচন—ঠকৰিয়াল; আৰু ব্ৰাহ্মণ ছজন– ৭) কেশ আতা—কৰচোং, ৮) বাসুদেৱ—চতমিয়া, ৯) পৰশুৰাম—পুণিয়াৰ ফুলবাৰী, ১০) জয়কানাই (ৰামকৃষ্ণ)—গোমোঠা, ১১) পৰমানন্দ—ৰত্নপুৰ আৰু ১২) গোপীনাথ (গোবিন্দ)—চেকেৰাতলি। শঙ্কৰদেৱে পতা বৰভকত সদানন্দৰ পুত্ৰ চাৰিকৃষ্ণ— জয়কৃষ্ণ, মহাকৃষ্ণ, ত্ৰাহিকৃষ্ণ আৰু শ্ৰীকৃষ্ণ বা বাপুকৃষ্ণৰ পৰাও মধ্য অসমৰ নগাঁও আৰু উজনিত অনেক সত্ৰ বাঢ়ে। পুৰুষোত্তম ঠাকুৰে পতা ধৰ্মাচাৰ্য বাপুকৃষ্ণ এলেঙি সত্ৰসমূহৰ প্ৰতিষ্ঠাপক।

পুৰুষোত্তম ঠাকুৰৰ পিছত চতুৰ্ভুজ ঠাকুৰেও বাৰজন ধৰ্মাচাৰ্য পাতি

সত্ৰৰ সম্প্ৰসাৰণ ঘটায়। এইসকলক সৰুবাৰজনীয়া বোলে। সৰুবাৰজনীয়া সত্ৰ হ'ল– ১) কামদেৱৰ- বনগাঁও, ২) জয়কৃষ্ণৰ- খেৰকটীয়া, ৩) জয়কানাইৰ- গোভীৰ, ৪) গোপীনাথৰ- কাৱৈমাৰী, ৫) মুকুন্দৰ- হালধিআটী, ৬) ৰত্নাকৰৰ- শলগুৰি, ৭) গোৱিন্দৰ- বিহমপুৰ (বিহিমপুৰ), ৮) ৰামভদ্ৰৰ (ব্ৰাহ্মণ) - নাচনীপাৰ, ৯) বিষ্ণুদেৱৰ (ব্ৰাহ্মণ)– ভন্দুলাই, ১০) কানাইৰ (ব্ৰাহ্মণ)- চুঙাপাৰ, ১১) কানুৰ- - উজনিয়াল, ১২) সনাতনৰ- বেলশিৰীয়া।[৭০]

চতুৰ্ভুজৰ বিয়োগৰ পিছত ধৰ্মভাৰ গ্ৰহণ কৰা শঙ্কৰদেৱৰ নাতিবোৱাৰী আই কনকলতা আৰু চতুৰ্ভুজৰ ভাগিনীয়েক দামোদৰ আতাই বৰদোৱা পুনৰুদ্ধাৰ কৰি ধৰ্ম প্ৰচাৰত মনোনিবেশ কৰে। তেওঁলোকে পতা অনেকজন ধৰ্মাচাৰ্যই বিভিন্ন ঠাইত সত্ৰ পাতে।[৭১] দামোদৰ আতাৰ পৰা বড়া নৰোৱা আৰু চতুৰ্ভুজ-কনকলতা (কনকা)ৰ স্ত্ৰী সুভদ্ৰা আইৰ পুত্ৰ অনন্তৰায়ৰ পৰা বড়া কোৱামৰা (শলগুৰি) সত্ৰৰ উপৰিও, পুৰুষোত্তমৰ জোৱায়েকৰ পৰা বড়া দীঘলী, চামগুৰি, চৰাইখোলা, ভোগবাৰী এই চাৰিসত্ৰ উল্লেখযোগ্য।[৭২] ইয়াৰ লগতে পৰৱৰ্তী কালত বংশ বৃদ্ধি হৈ অনেক সত্ৰ স্থাপিত হয়।

বৈষ্ণৱ যুগত বঙ্গৰ পৰা চৈতন্যদেৱৰ কীৰ্ত্তনীয়া ধৰ্মপ্ৰচাৰক আহি কামৰূপ আৰু অবিভক্ত নগাঁও জিলাৰ মৰিগাঁৱত চৈতন্যীয়া সত্ৰ কেইখনমানো প্ৰতিষ্ঠা কৰে। এই সত্ৰকেইখন অসমৰ স্থানীয় সত্ৰৰ লগত জাহ নগ'লেও অনেক ক্ষেত্ৰত মিল পৰিলক্ষিত হয়।

## ১.০৭ সত্ৰৰ বিভাজন ঃ পন্থ আৰু সংহতি

শঙ্কৰদেৱে একশৰণ ভাগৱতী বৈষ্ণৱ ধৰ্ম প্ৰৱৰ্তন আৰু প্ৰচাৰ কৰাৰ পৰা দামোদৰদেৱৰ পন্থ বা সংহতি স্পষ্ট নোহোৱালৈকে দামোদৰদেৱ, হৰিদেৱ, মাধৱদেৱ প্ৰমুখ্যে সকলো ধৰ্মাচাৰ্য আৰু ভক্ত-সমাজ এক মঞ্চতে আছিল। কিন্তু শঙ্কৰদেৱৰ পৰলোকৰ পাছত মাধৱদেৱ আৰু দামোদৰদেৱৰ মতানৈক্য ঘটাৰ ফলত বৈষ্ণৱ সমাজৰ ঐক্য বিঘ্নিত হ'বলৈ উপক্ৰম হয়।

১) শঙ্কৰদেৱে মহাজীৱনৰ অন্তিম কালত ধৰ্ম-সংস্কৃতি সম্পৰ্কীয় কথাত মাধৱদেৱক বেচি প্ৰাধান্য দিয়াত দামোদৰদেৱৰ মানসিক সংঘাত ঘটে। বিশেষকৈ শঙ্কৰদেৱে মাধৱদেৱক ধৰ্মৰ উত্তৰাধিকাৰী পতা কথাটো দামোদৰদেৱে সহজভাৱে ল'ব পৰা নাছিল। দামোদৰদেৱে মনৰ ক্ষোভ মাধৱদেৱৰ আগত বেকত কৰিছিল।[৭৩]

২) শঙ্কৰদেৱ বৈকুণ্ঠী হোৱাত পাটবাউসীত অনুষ্ঠিত মাহেকীয়া তিথি-মহোৎসৱলৈ পুত্ৰ হৰিচৰণে ভকত পঠাই নিমন্ত্ৰণ কৰাত দামোদৰদেৱে আহিব নোৱাৰোঁ বুলি নিমন্ত্ৰণ প্ৰত্যাখ্যান কৰে। আনকি শঙ্কৰদেৱৰ পুত্ৰ হৰিচৰণে গৈ নিমন্ত্ৰণ জনোৱাতো হৰি-কীৰ্ত্তন-সবাহ আদিলৈ দামোদৰদেৱ নহাত মাধৱদেৱ ক্ষুণ্ণ হয় আৰু দামোদৰদেৱৰ লগত সম্পৰ্ক ছেদ কৰাৰ সিদ্ধান্ত লয়।[৭৪] ৰামচৰণৰ মতে দামোদৰদেৱে ভাগৱত ধৰ্মমতৰ লগত কৰ্ম-পূজা আদিত ৰত হৈ প্ৰথমে শঙ্কৰদেৱৰ ৰৱপুত্ৰ ৰামানন্দৰ নিমন্ত্ৰণ প্ৰত্যাখ্যান কৰাত মাধৱদেৱে নাৰায়ণ ঠাকুৰক পঠাই দামোদৰদেৱক বাৎসাৰিক শ্ৰাদ্ধলৈ মাতি আনিছিল আৰু তাতে দামোদৰদেৱে শঙ্কৰদেৱ প্ৰৱৰ্তিত বৈষ্ণৱ ধৰ্মমতৰ পৰা ফালৰি কাটি যোৱাৰ মত দাঙি ধৰে।[৭৫] 'বৰদোৱা গুৰুচৰিত'ত শঙ্কৰদেৱৰ দহা, মাহেকীয়া, আদ্যশ্ৰাদ্ধ, বছৰেকীয়া তিথি-মহোৎসৱলৈ নিমন্ত্ৰণ কৰা সত্বেও দামোদৰদেৱ নহা বাবে মাধৱদেৱ-দামোদৰদেৱৰ সম্পৰ্ক ছেদ হোৱাৰ বিৱৰণ আছে।[৭৬]

৩) মাধৱদেৱ শঙ্কৰদেৱৰ একান্ত ভক্তই নহয়, তেওঁ শঙ্কৰদেৱক "দৈৱকী নন্দন, দেৱনাৰায়ণৰ অংশ"[৭৭] বুলিও গণ্য কৰে। তেওঁ একশৰণ বৈষ্ণৱ ধৰ্মৰ নীতিত নিষ্ঠাবান আৰু অবিচলিত। অনেক ক্ষেত্ৰত শঙ্কৰদেৱৰ উদাৰতাৰ লগতো মাধৱদেৱৰ বিৰোধ ঘটিছিল। শঙ্কৰদেৱৰ গৃহত ভোজন কৰিবলগীয়া হোৱাত মাধৱদেৱে ৰান্ধনী ঘৰত সোমাই আই গোঁসানীয়ে থাপনাত ৰখা গণেশৰ মূৰ্ত্তি-ঘট উলিয়াই দি চৰু-হাৰি পেলোৱাই ঘৰ লিপা-মচা কৰি গুৰু-পত্নীক স্নান কৰোৱাই নতুন পাগ কৰাইহে ভোজন কৰিছিল।[৭৮]

৪) দামোদৰদেৱে বৈদিক ব্ৰাহ্মণ্য ধৰ্মৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰৰ প্ৰতি আস্থা আৰু বিশ্বাস পৰিহাৰ কৰিব পৰা নাছিল। বৈদিক নিত্য-নৈমিত্তিক ক্ৰিয়া-কৰ্ম, শালগ্ৰাম, মূৰ্ত্তি-পূজাৰ লগত সহ-অৱস্থান কৰি চলিব বিচাৰিছিল। শঙ্কৰদেৱৰ তিথি-মহোৎসৱলৈ পিঠি দিয়া সম্পৰ্কত দামোদৰদেৱৰ বক্তব্যত বেদবিহিত যাগ-যজ্ঞাদি আদিৰ প্ৰতি থকা আগ্ৰহৰ কথা মাধৱদেৱে বুজি পাইছিল।[৭৯]

৫) পৰৱৰ্তী আচাৰ্যসকলে ধৰ্মপ্ৰচাৰ আৰু সত্ৰ-সভা পতাৰ আজ্ঞা লাভ কৰা ধৰ্মগুৰুক একমাত্ৰ গুৰু বুলি গুৰুত্ব দিয়াৰ ফলত ভিন্নতা আহিবলৈ ধৰে। মহাপুৰুষ শঙ্কৰদেৱ প্ৰৱৰ্তিত ভাগৱতী বৈষ্ণৱ ধৰ্মৰ মূলতত্ত্ব সাধনৰ নিবন্ধত লাহে লাহে হেঁাহকা-পিছলা হ'বলৈ ধৰিলে। কোনে কোনোৱে শঙ্কৰদেৱৰ বৈষ্ণৱ ধৰ্মৰ মত আওকাণ কৰি স্বকীয় মতত ধৰ্মৰ বিভাজন কৰাত ব্যস্ত হৈ পৰিল।

**পন্থ ঃ**

শঙ্কৰদেৱৰ পৰলোকৰ পিছত ভাগৱতী বৈষ্ণৱ সমাজৰ ঐক্যত আউল লাগিছিল। এক মহাপুৰুষ অনুগামী ধৰ্মাচাৰ্যসকলৰ মাজত মিলা-প্ৰীতিৰ অভাৱ ঘটিল। উল্লেখযোগ্য যে শঙ্কৰদেৱে মাধৱদেৱক সকলো 'শক্তি-ভক্তি' দি ধৰ্মৰ উত্তৰাধিকাৰী পদত অধিষ্ঠিত কৰে। মাধৱদেৱক উত্তৰাধিকাৰ পতাত দামোদৰদেৱে ভিতৰি ক্ষুণ্ণ হৈ মাধৱদেৱৰ পৰা দূৰত অৱস্থান কৰা দেখা গৈছিল। 'নামঘোষা'ত মাধৱদেৱে গোবিন্দৰ গুণ-নাম-যশ জগতত প্ৰকাশ কৰা শঙ্কৰদেৱ গুৰু থাকোঁতে

আনজনে লোকৰ মাজত কিয় ‘গুৰু বোলোৱে’[৮০], ‘সদায় বিবোধ বচন মাত্ৰ ৰটয়’[৮১] বুলি উল্লেখ কৰাটো তাৎপৰ্যপূৰ্ণ। মাধৱদেৱে বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক আৰু নামঘৰ-সত্ৰৰ উদ্ভাৱক শঙ্কৰদেৱৰ সমান্তৰাল গুৰু বুলি কাকো মানিব নোৱাৰে। মাধৱদেৱৰ উক্ত ঘোষাৰ পদ দুটিয়ে শঙ্কৰদেৱৰ আন কোনোৱে নিজক গুৰু বোলোৱা আৰু সদায় শঙ্কৰদেৱৰ কুৎসা ৰচনা কৰাৰ স্পষ্ট চিত্ৰ দাঙি ধৰিছে। বৈষ্ণৱ সন্ত-সজ্জনৰ মাজত শঙ্কৰদেৱ ‘মহাপুৰুষ’ বুলি স্বীকৃত। দামোদৰদেৱেও প্ৰধান শিষ্য ভট্টদেৱৰ আগত শঙ্কৰদেৱ সম্পৰ্কত “পূৰ্বে মহাপুৰুষে কৰিলা দশস্কন্ধ”[৮২] বুলি ব্যক্ত কৰিছিল। সেয়ে শঙ্কৰদেৱ আৰু তেওঁৰ অনুগামীসকল ‘মহাপুৰুষীয়া’ বুলি খ্যাত হ’ল। পৰৱৰ্তী কালত সৃষ্ট পুৰুষ-নিকা-কাল সংহতি মহাপুৰুষীয়া পন্থৰ অন্তৰ্গত। আনহাতে শঙ্কৰদেৱ-মাধৱদেৱৰ পৰা বেলেগাই লৈ গৈ দামোদৰদেৱ আৰু হৰিদেৱক কেন্দ্ৰ কৰি তেওঁলোকৰ অনুগামীসকলে বৈদিক ক্ৰিয়া-কৰ্ম, পূজা-পাতল পালন কৰোৱাই দামোদৰদেৱী আৰু হৰিদেৱী পন্থৰ সৃষ্টি কৰিলে। তেনে মতানৈক্যৰ ফলতে শঙ্কৰদেৱ উদ্ভাৱিত সত্ৰ-সমাজৰ বিভাজন হৈ পন্থৰ সূত্ৰপাত হয়। হৰিদেৱী পন্থৰ দামোদৰী পন্থৰ লগত সাদৃশ্য পৰিলক্ষিত হয়। হৰিদেৱী পন্থৰ সত্ৰ কামৰূপ-বেহাৰতে সীমাৱদ্ধ। অধিভক্ত কামৰূপৰ বাহিৰে অসমৰ আন আন জিলাসমূহৰ মাথোন দৰং জিলাৰ বৈনাৰা সত্ৰহে হৰিদেৱী সত্ৰ।[৮৩] নগাঁও বা উজনিৰ আন জিলাত হৰিদেৱী সত্ৰ নাই।

বৈষ্ণৱ যুগতে বঙ্গৰ পৰা অসমলৈ আহি ইয়াৰ মাটি-পানী-বায়ুৰ লগত মিলি স্থায়ীভাৱে বসতি স্থাপন কৰিবলৈ লোৱা চৈতন্যদেৱৰ কীৰ্ত্তনীয়া লোকৰ দ্বাৰা চৈতন্য পন্থ বা সম্প্ৰদায়ৰ সৃষ্টি হ’ল। চৈতন্য ধৰ্মৰ শিষ্যৰ দক্ষিণ কৰ্ণে ষোল নাম পঞ্চবিংশতিবাৰ জপি শিষ্যক সংকল্প কৰায়। চৈতন্য পন্থৰ মালা গুটিৰ সূত্ৰ হ’ল- ষোল নামৰ আঠ নামে ৰাধাক আৰু আঠ নামে কৃষ্ণক কয়। চৈতন্যদেৱৰ সত্ৰত ৰাধা-কৃষ্ণৰ যুগল উপাসনা পদ্ধতি প্ৰচলিত। তেওঁৰ প্ৰতি প্ৰেমভক্তি বিৰাজমান।[৮৪] ৰুদ্ৰসিংহৰ ৰাজত্বত অসমলৈ অনা কৃষ্ণৰাম ভট্টাচাৰ্যই শিৱসিংহৰ ৰাজত্বকাল (১৭১৪-১৭৪৪)ত ফুলেশ্বৰী কুঁৱৰীৰ সৌহাৰ্তস্বৰূপ হৈ ৰাজকীয় সুবিধা আদায় কৰিছিল। তেওঁ পৰ্বতীয়া গোসাঁই নামে জনাজাত হয় আৰু প্ৰথম চৈতন্যপন্থী সত্ৰ স্থাপন কৰে।[৮৫]

## সংহতি ঃ

কামৰূপ বা নামনিৰ পন্থভেদৰ দৰে মধ্য আৰু উজনি অসমৰ সত্ৰসমূহৰ সংহতি বিভাজন সত্ৰৰ সমাজ-সংস্কৃতিত মন কৰিবলগীয়া। সংহতি বিভাজনত মধ্য আৰু উজনি অসমত বিশেষ গুৰুত্ব দিয়া হয়। শঙ্কৰদেৱে মাধৱদেৱক নৱবৈষ্ণৱ ধৰ্মৰ উত্তৰাধিকাৰী পদত অধিষ্ঠিত কৰাত দামোদৰদেৱ ক্ষুণ্ণ হোৱাৰ গইনা লৈয়ে



পৰৱৰ্তী কালত অনুগামীসকলৰ মাজত বিভেদ ঘটাত নামনি অসমত পন্থ আৰু মধ্য আৰু উজনিত সংহতি সৃষ্টি হয়। বৈষ্ণৱ ধৰ্মৰ মূলমতৰ পৰা পৰৱৰ্তী ধৰ্মাচাৰ্য ভক্তসকলে ফালৰি কাটি যোৱাত মহাপুৰুষীয়া ধৰ্মৰ ঐক্যত ফাট মেলে আৰু তাৰ ফলতেই পন্থ বা সংহতিৰ সূত্ৰপাত হয়। প্ৰকৃততে সত্ৰৰ সংহতিয়ে আভিধানিক অৰ্থৰ মিলন বা সংযোগ নুবুজায়; নৱবৈষ্ণৱ ধৰ্মৰ বিসঙ্গতি বা বিভাজনহে বুজায়। এই সংহতি মহাপুৰুষীয়া সমাজৰ মহামিলন তথা সত্ৰৰ সমাজ-সংস্কৃতি-সমন্বয়ৰ প্ৰতিবন্ধক স্বৰূপ হৈ পৰে। সেইকালৰ কেইবাখনো ৰাজ্যৰ বৃহৎ ভূমিখণ্ডৰ জনসাধাৰণ, শাসক, পণ্ডিত, নানা ধৰ্মাধৰ্মীৰ লোকৰ ঐক্য-সমন্বয়ৰে শঙ্কৰদেৱে সজা বৰঘৰৰ মাজত ৰেখা টানি সংকুচিত কৰি তোলা হ’ল পন্থ বা সংহতি বিভাজনেৰে।

অসমৰ বৈষ্ণৱ ধৰ্মৰ চাৰিটা সংহতি হ’ল– নিকা, ব্ৰহ্ম, কাল আৰু পুৰুষ। পন্থ বিভাজনতকৈ সংহতি বিভাজনত অলপ হেৰফেৰ দেখা গ’ল। দামোদৰী আৰু হৰিদেৱী এই দুই পন্থৰ সত্ৰসমূহ ব্ৰহ্ম সংহতিৰ অন্তৰ্গত হ’ল। ‘মহাপুৰুষীয়া’ৰ ভিতৰৰে মাধৱদেৱৰ আজ্ঞাপৰ ধৰ্মাচাৰ্যসকলৰ নিকা, মাধৱদেৱৰ একান্ত অনুগামী ভৱানীপুৰীয়া গোপাল আতাৰ অনুগামীসকলৰ কাল আৰু শঙ্কৰদেৱৰ নাতি পুৰুষোত্তম-চতুৰ্ভুজৰ আজ্ঞাপৰসকলৰ পুৰুষ নামৰ সংহতি চিহ্নিত হ’ল। মহাপুৰুষীয়া এই তিনি সংহতি আৰু দামোদৰী পন্থৰ ব্ৰহ্ম সংহতিৰে সত্ৰ-ধৰ্মৰ চাৰি সংহতিৰ উদ্ভৱ হ’ল। ভাগৱতী বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰকৰ ধৰ্ম-আচৰণত স্বকীয়ত্ব পৰিলক্ষিত হোৱাৰ ফলস্বৰূপে পুৰুষ-সংহতি, ব্ৰহ্ম-সংহতি, নিকা-সংহতি আৰু কাল-সংহতিৰ নাম পোৱা যায়।[৮৬]

মথুৰাদাস বুঢ়া আতা (বৰপেটা), পদ্ম বা বদলা আতা (কমলাবাৰী), বৰবিষ্ণু আতা (চমৰীয়া), লক্ষীকান্ত আতৈ (ধোপৰগুৰি) প্ৰভৃতি নিকা সংহতি ভুক্ত হ’ল; শঙ্কৰদেৱক ‘গুৰুৰ গুৰু পৰমগুৰু’ আৰু মাধৱদেৱক ‘গুৰু’ বুলি মনা কালঝাৰৰ ভৱানীপুৰীয়া গোপাল আতাই পতা ধৰ্মাচাৰ্যসকলৰ সংহতি কাল সংহতি নামে জনাজাত হ’ল। গোপালআতাৰ আজ্ঞাপৰ আচাৰ্য অনিৰুদ্ধদেৱৰ (মায়ামৰা, দিনজয়, পুৰণি মাটি সত্ৰ) আৰু তেওঁৰ অনুগামী আচাৰ্য ভক্তবৃন্দই অসমৰ সামাজিক-সাংস্কৃতিক ক্ষেত্ৰৰ উপৰিও ৰাজনীতিক-শক্তিকো প্ৰত্যাহ্বান জনাই বৈপ্লৱীক ইতিহাস সৃষ্টি কৰি গৈছে।[৮৭]

শঙ্কৰদেৱৰ নাতি পুৰুষোত্তম ঠাকুৰক (ৰমানন্দৰ পুত্ৰ) অমৃতকাৰ দলৈৰ আহ্বানত বহা সভাত ভকত আৰু সমাজৰ গণ্য-মান্য লোকৰ মনোভাৱক শ্ৰদ্ধা জনাই মাধৱদেৱে ঠাকুৰক ধৰ্মভাৰ সোধাবলগীয়া হৈছিল।[৮৮] পুৰুষোত্তমৰ পিছত খুৰাকৰ পুত্ৰ ভাতৃ চতুৰ্ভুজ ঠাকুৰে ধৰ্মৰ দায়িত্ব লয়। মহাপুৰুষ শঙ্কৰদেৱৰ নাতি আৰু তেওঁলোকৰ অনুগামীসকলৰ গোট পুৰুষ সংহতি নামে জনাজাত হয়।

এই প্ৰসঙ্গত ‘গুৰুচৰিত-কথা’ত পোৱা এটি কথা মন কৰিবলগীয়া। দশমৰ ৰাস কথা লিখাৰ পৰত ৰ’দত শুকাবলৈ কৰণিত থৈ মেলি দিয়াত আঠু কাটি চুচুৰি ফুৰা শঙ্কৰদেৱৰ নাতি পুৰুষোত্তমে সেই পাত হাতত লৈ ফালি তিনি চিটা (ফাল) কৰিছিল। শঙ্কৰদেৱে সেই পাত পৰমব্ৰহ্মই ফালিছে বুলি মাধৱদেৱক কৈছে– তেওঁলোকৰ পিছত ধৰ্ম তিনিটা পথত প্ৰৱৰ্তিব– সেয়া নিৰ্গুণা, কেৱলা আৰু ভাগৱতী অৰ্থাৎ ব্ৰহ্মঘটি, নিকাঘটি আৰু কালঘটি।[৮৯]

এই তিনি ঘটিয়েই সংহতি। দামোদৰ পন্থীৰ ব্ৰহ্ম, মহাপুৰুষীয়া পন্থাৰ গোপাল আতাৰ অনুগামীৰ কাল আৰু মাধৱদেৱে পতা ধৰ্মাচাৰ্য মথুৰাদাস বুঢ়া আতা, পদ্মআতা, বৰবিষ্ণু আতা প্ৰভৃতিৰ নিকা সংহতি। ইয়াত পুৰুষ সংহতিৰ উল্লেখ নাই। সম্ভৱতঃ মাধৱদেৱৰ পৰা ককাক শঙ্কৰদেৱৰ ধৰ্মৰ গুৰুভাৰ গ্ৰহণ কৰি নাতি পুৰুষোত্তমৰ অনুগামীসকলে নিকা সংহতিৰ ‘নৈষ্কৰ্ম প্ৰৱৰ্তন আৰু কেৱল সত্ব গুণময়’ ভাগৱত ধৰ্মত ‘অলপ-অলপ কৰ্ম প্ৰৱৰ্তনেৰে অলপ ৰজো আৰু দুভাগ সত্বগুণ মিশ্ৰণেৰে[৯০] ‘পুৰুষ সংহতি’ উদ্ভাৱন কৰে।

মণিৰাম দেৱানে সংহতি চাৰিটাৰ লক্ষণ সম্পৰ্কে ‘বুৰঞ্জী বিবেক ৰত্ন’ত উল্লেখ কৰিছে— বিষ্ণুৰ বৈকুণ্ঠ, শ্ৰীনাৰায়ণৰ বৈকুণ্ঠ, গোলোকধাম বৈকুণ্ঠ আৰু কালপুৰুষীয়া নাৰায়ণ বৈকুণ্ঠ– এই চাৰি বৈকুণ্ঠে আনিলে যথাক্ৰমে ব্ৰহ্ম সংহতি, পুৰুষ সংহতি, নিত্য সংহতি আৰু কাল সংহতি। ব্ৰহ্ম সম্প্ৰদায়ভুক্ত ব্ৰহ্ম ঋষি কাঠাৰ ব্ৰহ্ম সংহতিৰ কৰ্ম আৰু নামত সমান গুৰুত্ব; ৰজো গুণ দুই ভাগ, সত্ব গুণ এভাগত প্ৰৱৰ্ত্তে। বৈদিক আচাৰ মানে আৰু মূৰ্ত্তি পূজা কৰে। পুৰুষ সংহতি নাৰদী সম্প্ৰদাভুক্ত ৰাজৰ্ষি কাঠাৰ; কৰ্ম সামান্য, ৰজো গুণ অলপ মাত্ৰ, সত্বগুণ দুভাগত প্ৰৱৰ্ত্তে। এই সংহতিৰ ধৰ্মত নাম, দেৱ, গুৰু, ভকতিত গুৰুত্ব দিয়া হয়। শিৱ সম্প্ৰদায়ভুক্ত হনুমন্তি কাঠাৰ নিকা সংহতিৰ নৈষ্কৰ্মে প্ৰৱৰ্ত্তন, কেৱল সত্ব গুণযুক্ত। সকলোতে বিশুদ্ধ আচৰণত নিষ্ঠা। গুৰু-বৈষ্ণৱ, নাম-কীৰ্ত্তন আৰু শ্ৰৱণত ৰতি। কালপুৰুষীয়া নাৰায়ণ সম্প্ৰদায়ভুক্ত গুৰু-চৰণ কাঠাৰ কাল-সংহতিৰ স্বস্কন্দাচাৰ (স্বচ্ছন্দাচাৰ) সৰ্ব কৰ্মৰহিত প্ৰৱৰ্ত্তন, ৰজো গুণ-তমো গুণ সংমিশ্ৰিত।[৯১] গুৰুসে ঈশ্বৰ ভক্তি, গুৰুত অচলা ভক্তি কাল সংহতিৰ বিশেষত্ব। মূৰ্ত্তি পূজাৰ ব্যৱস্থা নাই।

## ১.০৮ অসমৰ সত্ৰৰ লেখ ঃ

গুণাভিৰাম বৰুৱাৰ মতে “দেশত মহন্তৰ সংখ্যা কড়ি টকাৰে এটকা। অৰ্থাৎ এটকা ৰূপত যিমান কড়ি পায় তিমান। সেয়ে হ’লে টকাত একাওন কড়ি ১২৮০ সত্ৰ। এয়া সত্ৰৰ হিচাবৰ সত্ৰ আৰু কিমান সত্ৰ পূৰ্বৰ পৰা আছিল তাৰ সংখ্যা পোৱা নাযায়।[৯২] ১৮২৬ খ্ৰীঃৰ পূৰ্বে অসমত বাস কৰা হিন্দু জনসংখ্যাৰ



গড়ে শতকৰা ৮০ জন বৈষ্ণৱ ধৰ্মাৱলম্বী হৈ পৰিছিল বুলি ১৯০৫ চনৰ ‘ডিষ্ট্ৰিক্ট গেজেটিয়াৰ’ত উল্লেখ থকাৰ পৰা অসমৰ জনসাধাৰণৰ ওপৰত সত্ৰৰ প্ৰভাৱৰ কথা সহজে অনুমান কৰিব পাৰি। অৰ্থাৎ উক্ত জিলাসমূহত সত্ৰৰ আধিক্যৰ কথাও বুজিব পাৰি।

অসমত সত্ৰৰ বিতং লেখ এতিয়াও হোৱা নাই। পূৰ্ণাঙ্গ সত্ৰ-পঞ্জী আজিকোপতি কোনো ব্যক্তি, সমাজ বা মহাসভাই যুগুতোৱা নাই। অৱশ্যে অসমৰ ঐতিহ্য তথা জাতীয় সংস্কৃতি প্ৰেমী ব্যক্তি-গৱেষকে পূৰ্ণাঙ্গ নহ’লেও সত্ৰৰ ইতিহাস বা তালিকা যুগুত কৰাৰ প্ৰয়াস দেখা গৈছে। কিছুমানে অঞ্চল বা জিলা-ভিত্তিক ইতিহাস বা তালিকাও প্ৰকাশ কৰিছে। বৰ্ত্তমানলৈ আমাৰ হাতত পৰা তথ্যমতে অসমৰ সত্ৰৰ সংখ্যা দাঙি ধৰিবলৈ প্ৰয়াস কৰা হ’ল।

মণিৰাম দেৱানে ‘বুৰঞ্জী বিবেক ৰত্ন’[৯৩]ত অসমৰ সত্ৰৰ ইতিহাস চিত্ৰিত কৰি চাৰি সংহতিৰ সত্ৰৰ লেখ দিছে– ব্ৰহ্ম ৫৭, নিকা ৫৬, পুৰুষ ৬৬ আৰু কাল ৭২ মুঠ ২৫১ খন আৰু তাৰ লগতে চৈতন্যপন্থৰ ৩ খনসহ সৰ্বমুঠ ২৫৪ খন সত্ৰ।

ডঃ সত্যেন্দ্ৰ নাথ শৰ্মাৰ গৱেষণা গ্ৰন্থ[৯৪]ত ব্ৰহ্ম ১৪৫, নিকা ৭৮, পুৰুষ ১০১ আৰু কাল ৮৩ মুঠ ৪০৭ খন; ডঃ কেশৱানন্দ দেৱগোস্বামীৰ ‘সত্ৰ-সংস্কৃতিৰ ৰূপৰেখা’[৯৫]ৰ ওপৰঞ্চিত ব্ৰহ্ম ১৪৩, নিকা ৮০, পুৰুষ ২৩৫ আৰু কাল ৯৭ মুঠ ৫৫৫ খন চাৰি সংহতিৰ সত্ৰৰ নাম উল্লেখ কৰিছে।

ডঃ শৰ্মাৰ তালিকাত উল্লেখ নথকা ১৮৮ খন সত্ৰৰ নাম ডঃ দেৱগোস্বামীৰ তালিকাত উল্লেখ আছে। আকৌ ডঃ দেৱগোস্বামীৰ তালিকাত উল্লেখ নথকা ৩৯ খন সত্ৰৰ নাম ডঃ শৰ্মাৰ তালিকাত অন্তৰ্ভুক্ত হৈছে।

‘আহোমৰ দিন’[৯৬] ঐতিহাসিক গ্ৰন্থত চাৰিটা পন্থ আৰু সংহতিৰ প্ৰায় ২৫০ খন সত্ৰৰ উল্লেখ আছে। ‘পৱিত্ৰ অসম’[৯৭] নামৰ গ্ৰন্থখনত প্ৰায় ৬০০ খন থান-সত্ৰৰ পৰিচয় দাঙি ধৰিছে। ‘দুজনা গুৰু আৰু আতাসকলৰ চমু পৰিচয়’[৯৮] নামৰ গ্ৰন্থত অসমৰ প্ৰায় ২৭৫ খন সত্ৰৰ নাম পোৱা গৈছে। ‘সত্ৰসমূহৰ নাম-প্ৰসঙ্গ আৰু নীতি নিৰ্বন্ধ’[৯৯] গ্ৰন্থত অসমৰ ৬২ খন বছা বছা সত্ৰৰ নাম উল্লেখ কৰা হৈছে।

ইয়াৰ বাহিৰেও, পন্থ আৰু সংহতি আৰু জিলা বা আঞ্চলিক ভিত্তিক সত্ৰ সম্পৰ্কীয় গ্ৰন্থ কিছুমানত সত্ৰৰ বিষয়ে পোৱা যায়। ‘দেৱ দামোদৰ গুৰু’[১০০] গ্ৰন্থৰ পৰিশিষ্টত ২০০তকৈ অধিক অকল দামোদৰী সত্ৰৰ নাম পোৱা যায়। ‘অবিভক্ত গোৱালপাৰা জিলাৰ সত্ৰ আৰু মঠ-মন্দিৰ’[১০১] গ্ৰন্থত প্ৰায় ৬০ খন থান-সত্ৰ আৰু ‘সত্ৰৰ সমীক্ষামূলক ইতিবৃত্ত’ত[১০২] (গোৱালপাৰা আৰু উত্তৰবঙ্গৰ সত্ৰৰ ইতিহাস সম্বলিত) প্ৰায় ছকুৰিতকৈ অধিক সত্ৰৰ সম্ভেদ পোৱা যায়।

উপৰোক্ত গ্ৰন্থসমূহত উল্লেখ কৰা সত্ৰসমূহৰ উপৰিও বিভিন্ন অঞ্চলত আৰু অনেক সত্ৰ আছে আৰু আছিল। অসমৰ শদিয়াৰ পৰা উত্তৰ-বঙ্গৰ কোচবিহাৰ মধুপুৰলৈ সকলো সত্ৰৰ সম্ভেদ ললে সত্ৰৰ সংখ্যা হাজাৰ চুবগৈ। অতীতৰ পৰা বৰ্তমানলৈ স্থাপন হোৱা বিলুপ্ত, কোনোমতে বৰ্ত্তি থকা আৰু স্বচ্ছল সকলো সত্ৰৰ লেখ উলিয়ালেহে প্ৰকৃত সত্ৰৰ বুৰঞ্জী এখন যুগুতোৱা হ'ব।

## ১.০৯ অবিভক্ত নগাঁও জিলাৰ সত্ৰৰ লেখ ঃ

অসমত প্ৰথম সত্ৰৰ প্ৰতিষ্ঠাপক মহাপুৰুষ শঙ্কৰদেৱৰ অবিভক্ত নগাঁও জিলাৰ সত্ৰৰ প্ৰকৃত লেখ নিৰ্ধাৰণ হোৱা নাই। খ্ৰীষ্টীয় পঞ্চদশ শতাব্দীৰ দ্বিতীয়াৰ্ধৰ পৰা সত্ৰ স্থাপন হৈ আছে। কালৰ গ্ৰাসত অনেক সত্ৰ নিশ্চিহ্ন হৈয়ো গৈ আছে। সত্ৰৰ সবিশেষ বা বিতং ইতিবৃত্ত জানিব পৰা নাযায় যদিও বিভিন্ন সমলৰ পৰা সত্ৰৰ বিষয়ে আভাস পোৱা যায়। বিশেষকৈ চৰিত-পুথি, ইতিহাস-সম্বলিত গ্ৰন্থ আৰু সত্ৰৰ গুৰু-ভকত আৰু সাধাৰণ ৰাইজৰ মুখৰ পৰা অনেক সত্ৰ-সম্ভেদ পোৱা যায়। আধুনিক কালত কেইবাগৰাকীও বিজ্ঞ পণ্ডিত গৱেষকে সত্ৰ সম্পৰ্কে যুগুত কৰা গ্ৰন্থৰ পৰাও অবিভক্ত নগাঁও জিলাৰ সত্ৰ সম্পৰ্কে কিছু আভাস পোৱা যায়।

ডঃ সত্যেন্দ্ৰ নাথ শৰ্মাই তেওঁৰ গৱেষণামূলক গ্ৰন্থত জিলা ভিত্তিক সত্ৰৰ যি তালিকা যুগুত কৰিছে তাত অবিভক্ত নগাঁও জিলাৰ ৪৮ খন সত্ৰৰ নামোল্লেখ কৰিছে।[১০৩] সেইমতে পুৰুষ সংহতি ১৯, ব্ৰহ্ম সংহতি ১২, কাল সংহতি ১৪ আৰু নিকা সংহতি ৩ খন, মুঠ সত্ৰ-সংখ্যা ৪৮ খন। 'পৱিত্ৰ অসম'ত এই জিলাৰ প্ৰায় ১৩৬ খন থান-সত্ৰৰ নাম আৰু চমু পৰিচয় দিয়া আছে।[১০৪] তাত সত্ৰসমূহৰ সংহতি ভাগ কৰা হোৱা নাই। মৰিগাঁৱৰ ৩ খন চৈতন্যীয়া সত্ৰৰ উল্লেখ আছে। ডঃ শৰ্মাই চৈতন্যীয়া এখন (দৈপৰা) সত্ৰক ব্ৰহ্ম সংহতিৰ অন্তৰ্ভুক্ত কৰিছে। 'সত্ৰ-সিন্ধু'ত অবিভক্ত নগাঁও জিলাৰ ১৩৬ খন সত্ৰৰ তালিকা আছে।[১৪৫] 'পৱিত্ৰ অসম'ত সন্নিৱিষ্ট সত্ৰসমূহৰ নামৰ ভিত্তিত এই তালিকা দিয়া যেন লাগে। 'জিলা গেজেটিয়াৰ'ত অবিভক্ত নগাঁও জিলাৰ ১০৭ খন সত্ৰৰ তালিকা দিয়া আছে।[১০৬]

'সত্ৰ-সংস্কৃতিৰ ৰূপৰেখা'ত জিলা ভিত্তিক সত্ৰৰ নাম নাই, সংহতি ভিত্তিক সমগ্ৰ অসমৰ সত্ৰৰ নাম দিয়া হৈছে।[১০৭] গ্ৰন্থকাৰে নামোল্লেখ কৰা সৰ্বমুঠ ৫৫২ খন সত্ৰৰ ভিতৰত প্ৰায় ৯৫ খন মান সত্ৰ অবিভক্ত নগাঁও জিলাৰ হ'ব।

আমি অবিভক্ত নগাঁও জিলাৰ ক্ষেত্ৰ-অধ্যয়ন কৰি পোৱা সত্ৰৰ সংখ্যা উক্ত গৱেষকসকলে উল্লেখ কৰাতকৈ বহুত বেছি পোৱা হৈছে। সত্ৰ প্ৰতিষ্ঠাৰ ইতিহাস আৰম্ভৰ পৰা বিভিন্ন সময়ত পতা সত্ৰ, শলাবন্তি বা শাখা বা খাট-পামৰ সত্ৰ, বঢ়া সত্ৰ আৰু বৰ্তমান লুপ্ত হোৱা সত্ৰৰ বিষয়ে তথ্য বিচাৰি আৰু বিভিন্ন



গ্ৰন্থ অধ্যয়ন কৰি যি সম্ভেদ পোৱা গৈছে, সকলোবোৰ আমাৰ গ্ৰন্থত সন্নিৱিষ্ট কৰাৰ চেষ্টা কৰা হৈছে। অবিভক্ত নগাঁও জিলাৰ সত্ৰ-সংখ্যা প্ৰায় ১৯৭ খন; ইয়াৰে বৰ্তমান নগাঁও জিলাৰ ১৬০ আৰু মৰিগাঁও জিলাৰ ৩৭ খন। শঙ্কৰদেৱৰ প্ৰতিষ্ঠিত আদি সত্ৰ বৰদোৱা কোনো সংহতিভুক্ত কৰা হোৱা নাই। পুনৰুদ্ধাৰৰ পিছত বৰদোৱা মূল সত্ৰ দুফাল হয়। নগাঁও জিলাৰ নগাঁও মহকুমাত পুৰুষ ৫৩, ব্ৰহ্ম ২৮, কাল ৩৪, নিকা ৬ মুঠ ১২১ আৰু কলিয়াবৰ মহকুমাত পুৰুষ ২৪, ব্ৰহ্ম ৫, কাল, ৯ মুঠ ৩৮। মৰিগাঁও জিলা বা মহকুমাত পুৰুষ ২২, ব্ৰহ্ম ৬, কাল ৩, চৈতন্যীয় ৫ মুঠ ৩৬। শঙ্কৰদেৱৰ আদি সত্ৰ বৰ্তমান নগাঁও জিলাৰ বৰদোৱা আৰু বৰদোৱাৰ পৰা বেলেগাই ধৰা মৰিগাঁও জিলাৰ অন্তৰ্গত আলিপুখুৰী-পাটেকীবৰিৰ সত্ৰ দুখনৰ লগত অবিভক্ত নগাঁও জিলাৰ সৰ্বমুঠ সত্ৰ-সংখ্যা ১৯৭ খন।

## ১.১০ সত্ৰ পৰিচিতি ঃ

শঙ্কৰদেৱে অবিভক্ত নগাঁও জিলাৰ বৰদোৱাত অসমৰ প্ৰথম বৈষ্ণৱ সত্ৰ প্ৰৱৰ্তন কৰে। তিনি কুৰি সাত বছৰ বয়সত তেওঁ বৰদোৱা ত্যাগ কৰি অসমৰ উজনি আৰু নামনিলৈ গৈ পুনৰ নগাঁৱলৈ ঘূৰি নাহিল। যি ঠাইলৈ গৈছে সুবিধা বুজি তাতেই শঙ্কৰদেৱে জনসাধাৰণক ভক্তিধৰ্ম দান কৰিবলৈ সত্ৰ প্ৰতিষ্ঠা কৰে আৰু কেইবাখনো থানত উপযুক্ত লোকক ধৰ্মাচাৰ্য পাতি সত্ৰৰ সম্প্ৰসাৰণ ঘটায়। পৰৱৰ্তী ধৰ্মাচাৰ্যসকলে উজনি-নামনিৰ দৰে মধ্য অসমৰ নগাঁও জিলাৰ বিভিন্ন অঞ্চলত ধৰ্ম প্ৰচাৰ কৰি সুচল ঠাইত সত্ৰ পাতি নগাঁৱৰ ধৰ্ম-সমাজ-সংস্কৃতিত গভীৰ প্ৰভাৱ পেলাই থৈ যায়।

অবিভক্ত নগাঁও জিলা অৰ্থাৎ বৰ্তমানৰ নগাঁও আৰু মৰিগাঁও দুয়োখন জিলাত ধৰ্মাচাৰ্যসকলে পুৰুষ, ব্ৰহ্ম, নিকা আৰু কাল– চাৰিওটা সংহতিৰ সত্ৰ প্ৰতিষ্ঠা কৰে।

এই জিলাত পুৰুষ সংহতিৰ সত্ৰৰ সংখ্যা আন সংহতিতকৈ বহুত বেছি। শঙ্কৰদেৱৰ কনিষ্ঠ নাতি চতুৰ্ভুজ ঠাকুৰৰ মনসা ভাগিন দামোদৰ আতাৰ পৰা বঢ়া বৰদোৱা নৰোৱা সত্ৰসমূহ, চতুৰ্ভুজ পত্নী কনকলতা আইৰ জীয়ৰী সুভদ্ৰা-তনয় অনন্তৰামৰ পৰা বঢ়া শলগুৰীয়া সত্ৰসমূহ, পুৰুষোত্তমৰ জীয়েক-জোঁৱায়েকৰ ফালৰ পৰা বঢ়া সত্ৰসমূহ, পুৰুষোত্তম-চতুৰ্ভুজ-কনকলতাৰ আজ্ঞাপৰ সত্ৰসমূহ, সতানন্দৰ পুত্ৰ চাৰিকৃষ্ণ আৰু তেওঁলোকৰ পুত্ৰ-পৌত্ৰাদিৰ পৰা বঢ়া সত্ৰ, অনন্ত আতাৰ কালশিলীয়া সত্ৰসমূহ, মাধৱদেৱৰ আজ্ঞাপৰ আচাৰ্যসকলৰ সত্ৰসমূহ ধৰি পুৰুষ সংহতিৰ সত্ৰ অবিভক্ত নগাঁও জিলাত আমাৰ অধ্যয়নত নিৰানব্বৈখন সত্ৰ পোৱা গৈছে।

দামোদৰদেৱৰ অনুগামী আচাৰ্যসকল প্ৰতিষ্ঠিত ব্ৰহ্ম-সংহতিৰ সত্ৰসমূহৰ ভিতৰত বংশীগোপালদেৱৰ পৰা বঢ়া কুকুৰাবাহী-ডিফলু সত্ৰসমূহ, মাধৱদেৱে পতা ধৰ্মাচাৰ্য যদুমণিদেৱৰ পৰা বঢ়া মাহৰা আদি সত্ৰ, নগাঁও মূলৰ ব্ৰহ্মচাৰী, জখলাবন্ধা আদি সত্ৰ, অসমৰ সত্ৰৰ মূলত নথকা গোৱিন্দ মিশ্ৰৰ হোৱোসা সত্ৰ, বংশীগোপালদেৱৰ আজ্ঞাপৰ বাৰশ্ৰৰণীয় সত্ৰ; আউনীআটী-গড়মূৰ-দক্ষিণপাটৰ খাট-পামৰ বিভিন্ন শাখা-সত্ৰ উল্লেখযোগ্য। এনে থূলৰ সত্ৰ অবিভক্ত নগাঁৱত সকলো মিলি ঊনচল্লিশখন পোৱা হৈছে। মৰিগাঁৱত স্থিত চৈতন্যীয় পাঁচখন সত্ৰ ব্ৰহ্ম সংহতিভুক্ত কৰিলে এই সংহতিৰ সংখ্যা চৌচল্লিশখন।

মাধৱদেৱে পতা ধৰ্মাচাৰ্য ভৱানীপুৰীয়া গোপাল আতাৰ পৰা বঢ়া সত্ৰসমূহ কাল-সংহতিৰ সত্ৰ নামে জনাজাত। গোপাল আতাৰ নাতি ৰামকৃষ্ণৰ পুত্ৰ আৰু বংশধৰৰ পৰা বঢ়া কলাকটা-ডৌকাচাপৰি-হেমাবৰবি-নাচনীপাৰ আৰু চৰিপোতা সত্ৰসমূহ; গোপাল আতাই পতা অসমৰ বাৰজনা আচাৰ্যৰ অবিভক্ত নগাঁও জিলাৰ বুঢ়া শ্ৰীৰামৰ পৰা বঢ়া খৌৱামোচৰ সত্ৰসমূহ; শ্ৰীৰামআতাৰ পৰা বঢ়া আমগুৰি (কৰতিপাৰ আদি)-আহতগুৰি-ভলাগুৰি আদি সত্ৰসমূহ; নাৰায়ণ আতাৰ পৰা বঢ়া দহঘৰ, হালধিআটী সত্ৰসমূহ; পুৰুষোত্তমৰ পৰা বঢ়া কাঠপাৰ; সৰু যদুমণিৰ পৰা বঢ়া গজলা সত্ৰসমূহ আৰু বৰযদুমণিৰ পৰা বঢ়া সত্ৰসমূহ কাল সংহতিৰ উল্লেখযোগ্য সত্ৰ। আমি পোৱা সমলমতে অবিভক্ত নগাঁও জিলাত এই সত্ৰৰ সংখ্যা ছয়চল্লিছখন। ইয়াৰে কেইবাখনো সত্ৰ বিলুপ্ত আৰু কেইখনমান সত্ৰ কোনোমতে বৰ্তি আছে।

মাধৱদেৱৰ আজ্ঞাপৰ আচাৰ্যৰ নিকা সংহতিৰ সত্ৰ তেনেই কম। মাধৱদেৱে পতা বাৰজন আচাৰ্যৰ ভিতৰত শ্ৰীহৰি আৰু ভাটোকুছীয়া কেশৱচৰণৰ পৰা বঢ়া সত্ৰক নিকা সংহতিভুক্ত কৰি লোৱা হৈছে। শ্ৰীহৰিৰ পৰা বঢ়া লাইআটী সত্ৰৰ তিনিফাল, কেশৱচৰণৰ পৰা বঢ়া বৰজহা সত্ৰ ওপৰ ডুমডুমীয়া আৰু নামডুমডুমীয়াৰ সত্ৰখনেই নিকা সংহতিৰ সত্ৰ বুলি কোৱা হৈছে। বৰজহা সত্ৰ বিলুপ্তিৰ পথত, লাইআটী সত্ৰ পুৰুষ-ব্ৰহ্ম সংহতিৰ সংমিশ্ৰণত চলি আছে। সেইমতে নিকা সংহতিৰ সত্ৰৰ সংখ্যা মাত্ৰ ছয়খন।

আমি অধ্যয়ন কৰা অবিভক্ত নগাঁও জিলাত নগাঁও মহকুমা তথা বৰ্ত্তমান নগাঁও জিলাৰ নগাঁও মহকুমাত মুঠ এশ বাইশখন, কলিয়াবৰ মহকুমাত মুঠ আঠত্ৰিশখন আৰু মৰিগাঁও মহকুমা তথা জিলাত মুঠ সাতত্ৰিশখন সৰ্বমুঠ এশ সাতানব্বৈখন সত্ৰ এই গ্ৰন্থত সন্নিবিষ্ট কৰা হৈছে।

পঞ্চদশ শতিকাৰ পৰা কুৰি শতিকালৈ এই কালছোৱাৰ ভিতৰত প্ৰতিষ্ঠিত সকলো সত্ৰ জীৱিত হৈ থকা নাই। প্ৰাকৃতিক, অৰ্থনৈতিক, ৰাজনৈতিক দুৰ্যোগত সময়ে সময়ে কিছুমান সত্ৰ বিলুপ্ত হৈছে। আমি পোৱা তথ্যমতে শতকৰা প্ৰায় কুৰিখন সত্ৰ বিলুপ্ত হোৱাৰ উপৰিও লুপ্তপ্ৰায় সত্ৰ আৰু নামমাত্ৰ চলি থকা সত্ৰও শতকৰা কুৰিখনমান আছে। সত্ৰসমূহৰ বিৱৰণত তাৰ আভাস দাঙি ধৰা হৈছে।



---

তথ্যসূত্ৰ ঃ


১. V.S. Apte : The Students' Sanskrit English Dictionary, Page-579-580.
২. সত্যেন্দ্ৰ নাথ শৰ্মা ঃ ''সত্ৰব উৎপত্তি, ইতিহাস আৰু অবদান, সত্ৰসূৰ্য, পৃ-১।
৩. শ্ৰীসুনীল কুমাব গোস্বামী ঃ লোকবঞ্জন আৰু লোকশিক্ষাব কেন্দ্ৰস্থল সত্ৰসমূহ', সত্ৰ সংবক্ষণ', পৃ-১০৮।
৪. তীৰ্থনাথ শৰ্মা ঃ 'আউনীআটী সত্ৰব বুবঞ্জী'- আউনীআটী, ১৯৭৬, পৃ-৩৬৭।
৫. হেমচন্দ্ৰ বৰুৱা ঃ হেমকোষ, হেমকোষ প্ৰকাশন, গুৱাহাটী, ১৯৮৫, পৃ-৯৩৪।
৬. আউনীআটী, পৃ-৩০।
৭ ''সত্ৰেহ জাতাবিষিতা নমোভি কুম্ভে বেতঃ সিষিচতু সমানম্।
ততোহ মান উদিয়ায় মধ্যাত্ততো জাতসৃষিমাহূৰ্বাসিষ্ঠাম্॥''
৮. শ্ৰীপীতাম্বৰদেৱ আউনীআটীয় গোস্বামী ঃ কল্পতৰু, 'সত্ৰ আৰু সমাজ জীৱন' ২০০১, পৃ-৩৭।
৯. সুকুমাব সেন ঃ 'ভাবতীয় সাহিত্যেব ইতিহাস', ১৯৭৩, পৃ-৩৯।
১০. উল্লিখিত ঃ পৃ-৪০-৪১।
১১. অমূল্যচবণ বিদ্যাভূষণ ঃ 'ভাবত সংস্কৃতিব উৎসধাবা, পৃ-৩৭৩।
১২. উল্লিখিত ঃ পৃ-৬২।
১৩. শঙ্কবদেৱ ঃ 'কীৰ্ত্তন আৰু নামঘোষা', উবেষা বৰ্ণন, পদ-৭৯।
১৪. মহাভাবত ঃ আদি পৰ্ব ১/২০, নাবায়ণচন্দ্ৰ গোস্বামী, সত্ৰীয়া সংস্কৃতিব ৰূপৰেখা, ১৯০৬ শক, পৃ-৪।
১৫. M. Neog : 'The Neo Vaisnava Faith and Movement in Assam' Page-311.
১৬. শ্ৰীমদ্ভাগৱত ঃ ১২ শ স্কন্ধ, ৬ষ্ঠ অধ্যায়, শ্লোক-২৭।
১৭. শ্ৰীযতীন গোস্বামী ঃ 'অসমব সত্ৰ কথা', পৃ-১।
১৮. Kanak Ch. Sarma: "On Satra Institution of Assam", Page-6.
১৯. শ্ৰীমুনীন্দ্ৰ নাথ শৰ্মা ঃ 'সত্ৰযজ্ঞ': অসমীয়া খবব, সম্পা- ক্ষীৰেণ বয়, ২১ ডিচেম্বব, ২০০৩, পৃ-৪।
২০. প্ৰতাপ চন্দ্ৰ চৌধুৰী ঃ 'বৈষ্ণৱ সত্ৰব আঁতিগুবি', সত্ৰসূৰ্য, পৃ-১৫।
২১. সত্যেন্দ্ৰ নাথ শৰ্মা ঃ অসমব সত্ৰব উৎপত্তি, সত্ৰসূৰ্য, পৃ-২।
২২. শ্ৰীমদ্ভাগৱত ঃ সম্পাঃ পঞ্চানন তৰ্কবত্ন, কলিকতাঃ ১৯০৮, ১ম স্কন্ধ, ১ম অধ্যায়, শ্লোক-৪।
২৩. শংকবদেৱ ঃ শ্ৰীমদ্ভাগৱত, প্ৰথম স্কন্ধ, পদ-৫।
২৪. উল্লিখিত।
২৫. শ্ৰীপীতাম্বৰদেৱ আউনীআটীয় গোস্বামী ঃ 'সত্ৰ আৰু সমাজ জীৱন, কল্পতৰুঃ, পৃ-৩৬।
২৬. অনন্ত কন্দলী ঃ শ্ৰীমদ্ভাগৱত দশম (মধ্য খণ্ড), পদ-১৬২০৬।
২৭. দেৱদামোদব গুৰু ঃ পৃ-২০৩।
২৮. বামচবণ ঠাকুব ঃ পদ-৪০৩০।
২৯. দৈত্যাবি ঃ পদ-১৩২৩, ১৬৯৮।
৩০. বামানন্দ ঃ পদ-৮৫৩, ১৫৩২।
৩১. অনন্ত-চবিত ঃ পদ-১১, ১১৩, ১২৩।
৩২. কথা গুৰুচবিত ঃ পৃ-২৪৮, ২৬২, ৩৪৫।
৩৩. ববদোৱা গুৰুচবিত, পৃ-১২২, ১৯৪।
৩৪. লক্ষ্মীধব শৰ্মা ঃ 'মাধৱদেৱ', পৃ-২৯২।
৩৫. বাণীকান্ত কাকতি ঃ 'পুৰণি অসমীয়া সাহিত্য', পাতনি, পৃ-৯।
৩৬. শঙ্কবদেৱ ঃ শ্ৰীমদ্ভাগৱত, ২য় স্কন্ধ, পদ-৪৭৪, ৪৭৫।
৩৭. বামচবণ ঠাকুব ঃ পদ-১৭১৫-১৭১৮।
৩৮. উল্লিখিত ঃ পদ-৩৭০০।
৩৯. সূৰ্যকুমাব ভূঞা ঃ স্বৰ্গদেউ বাজেশ্বব সিংহ, পৃ-১৩৮।
৪০. শ্ৰীবীবেন্দ্ৰ কুমাব গোহাঁই ঃ শ্ৰী অনিৰুদ্ধদেৱ, পৃ-৭।

৪১. মঙ্গল চণ্ডী ব্ৰহ্ম : 'অসমৰ জনজাতীয় সংস্কৃতিত শঙ্কৰী প্ৰভাৱ', সাপ্তাহিক নীলাচল, ১৯৯৯, পৃ-৭, ১১।
৪২. নামঘোষা : ঘোষা-৬১০।
৪৩. উল্লিখিত : ঘোষা-৬১১।
৪৪. উল্লিখিত : ঘোষা-৫১০।
৪৫. পবিত্ৰ অসম : পৃ-২৮।
৪৬. ৰামানন্দ : পদ-১৫৩২।
৪৭. কথা গুৰুচৰিত : পৃ-৩৪।
৪৮. ৰামচৰণ : পদ-১৬১৭।
৪৯. বৰদোৱা গুৰুচৰিত : পৃ-৫৮।
৫০. বৰদোৱা গুৰুচৰিত : পৃ-৫৮।
৫১. শ্ৰীলীলাৱতী শইকীয়া বৰা : 'পুৰণি অসমীয়া ভাষাত কামৰূপী উপাদান', 'মণিকূট', পৃ-১২২।
৫২. দৈত্যাৰি ঠাকুৰ : পদ-২৭১।
৫৩. মহেশ্বৰ নেওগ : পৃ-১০৫।
৫৪. উল্লিখিত : পৃ : ১১১।
৫৫. উল্লিখিত : পৃ : ১১২।
৫৬. বুৰঞ্জী বিবেক : পৃ : ১৭।
৫৭. শ্ৰীঅনিল ৰায়চৌধুৰী : অসমৰ সমাজ ইতিহাসত নৱ-বৈষ্ণৱ বাদ, পৃ-৭৭।
৫৮. সত্যেন্দ্ৰ নাথ শৰ্মা সত্ৰসূৰ্য, পৃ-৯।
৫৯. দেৱদামোদৰ : পৃ-২৪০।
৬০. বুৰঞ্জী বিবেক : পৃ-২৫।
৬১. শ্ৰীধৰণীধৰ চৌধুৰী : ভাৰতীয় ভক্তিধাৰা বিভিন্ন প্ৰান্তত, পৃ-২৪৬।
৬২. বেজবৰুৱা : ওপৰঞ্চি-২।
৬৩. বুৰঞ্জী বিবেক : পৃ-২৭, ২৮।
৬৪. বেজবৰুৱা : ওপৰঞ্চি-৪।
৬৫. পবিত্ৰ অসম : পৃ-১৪৯।
৬৬. শ্ৰীশিৱনাথ বৰ্মন : 'শ্ৰীমন্ত শঙ্কৰদেৱ আৰু তেওঁৰ যুগৰ বৈষ্ণৱাচাৰ্যসকল', পৃ-১২৪।
৬৭. গুৰুচৰিত কথা : ছেদ-৬১৩।
৬৮. বৰদোৱা : পৃ-১২৮।
৬৯. গুৰুচৰিত কথা : ছেদ-৬১৪।
৭০. বেজবৰুৱা : ওপৰঞ্চি-৫।
৭১. সত্ৰ-সংস্কৃতি : পৃ-৯।
৭২. উল্লিখিত : পৃ-৭।
৭৩. দৈত্যাৰি : পদ-১৩২৪।
৭৪. উল্লিখিত : পদ-১৩১৫-১৩২০।
৭৫. ৰামচৰণ : পদ- ৩৯৭১-৩৯৭৫।
৭৬. বৰদোৱা : পৃ-১৭২, ১৭৩, ১৯৮।
৭৭. মাধৱদেৱ : গুৰু ভটিমা, পৃ-২৯।
৭৮. বেজবৰুৱা : পৃ-৬৯।
৭৯. গুৰুচৰিত-কথা, ছেদ-৪১০।
৮০. নামঘোষা : ঘোষা-৬২৫।
৮১. উল্লিখিত : ৬২৬।
৮২. ৰামৰায় : গুৰুলীলা : পদ-৩৩৮।
৮৩. অনিল ৰায়চৌধুৰী : অসমৰ সমাজ ইতিহাসত নৱবৈষ্ণৱবাদ, পৃ-৭১।
৮৪. বুৰঞ্জী বিবেক- ১৩৪।
৮৫. শ্ৰীলক্ষ্মীনন্দন বৰা : 'সত্ৰ আৰু সত্ৰ সংস্কৃতিৰ পম খেদি', সত্ৰসূৰ্য, পৃঃ ৪৮।
৮৬. শ্ৰীপৰীক্ষিত হাজৰিকা : পাতনি; হৰকান্ত দাস, জগতগুৰু শ্ৰীশঙ্কৰদেৱ, তেজপুৰ, ১৯৯৭।
৮৭ সত্ৰ-সংস্কৃতি, পৃ-১৪।
৮৮ গুৰুচৰিত-কথা : অনুচ্ছেদ ৬১১-৬১৪।



৮৯ উল্লিখিত : অনুচ্ছেদ ১১১৯।
৯০ বুৰঞ্জী বিবেক : পৃ-৯১।
৯১ উল্লিখিত : পৃ-৯০-৯১।
৯২. আউনীআটী : পৃ-১৫১।
৯৩ বুৰঞ্জী বিবেক : ১৮৩৮ খ্ৰীঃ, পৃ-২৪-৩৩।
৯৪ NMSA, Page-298-314.
৯৫. সত্ৰ-সংস্কৃতি : পৃ-১০৯-১২৩।
৯৬. হিতেশ্বৰ বৰবৰুৱা : আহোমৰ দিন, অসম প্ৰকাশন পৰিষদ, ২য় প্ৰকাশ, ১৯৯৭, পৃ-৫১০-৫২৬।
৯৭. পবিত্ৰ অসম : পৃ-১১৭-১৬২।
৯৮. দুজনা গুৰু, আগকথা : পৃ-১৩-১৫।
৯৯. শ্ৰীতিলক দাস : সত্ৰসমূহৰ নাম-প্ৰসঙ্গ আৰু নীতি নিৰ্বন্ধ, পৃ-৭৪,৭৫।
১০০. দেৱদামোদৰ গুৰু : সম্পা- নাৰায়ণ গোস্বামী, পৃ-২৪৩-২৭৪।
১০১ শ্ৰীজগন্নাথ পাটগিৰি : অবিভক্ত গোৱালপাৰা জিলাৰ সত্ৰ আৰু মঠ-মন্দিৰ, ১৯৯১।
১০২. শ্ৰীদ্বিজেন্দ্ৰ নাথ ভকত : সত্ৰৰ সমীক্ষামূলক ইতিবৃত্ত, ১৯৯৫।
১০৩. NMSA, Page-298-314.
১০৪. পবিত্ৰ অসম : পৃ-১১৭-১৬২।
১০৫. সত্ৰ-সিন্ধু : স্মৰণিকা : পৃ-২৬-২৮।
১০৬ Assam Dist. Gazetters : Page-133,134.
১০৭. সত্ৰ-সংস্কৃতি : পৃ-১০৯-১১০।

০০০

# দ্বিতীয় অধ্যায়

## অবিভক্ত নগাঁও জিলাৰ সত্ৰ

### ২.০০ নগাঁও জিলাৰ নগাঁও মহকুমাৰ সত্ৰ

*আহোম স্বৰ্গদেউ প্ৰতাপ সিংহ (১৬০৬-১৬৪১ খ্ৰীঃ)ই মোমাই তামুলী বৰবৰুৱাৰ হতুৱাই গাঁও সংগঠিত কৰাৰ ফলস্বৰূপে মধ্য অসমৰ এক বিস্তৃত অঞ্চলৰ নখন গাঁৱেৰে গঠিত নগাঁও অঞ্চল ইষ্ট-ইণ্ডিয়া কোম্পানীৰ শাসনত জিলা বিভাগ কৰাত ১৮৩৩ খ্ৰীঃত গোৱালপাৰা, কামৰূপ, দৰং জিলাৰ দৰে নগাঁও এখন জিলাৰূপে পৰিগণিত হয়। সেইকালৰ বৃহত্তৰ নগাঁও জিলাৰ এটা খণ্ড ১৯৫১ খ্ৰীঃত কাৰ্বি আংলং জিলা আৰু ১৯৮৯ খ্ৰীঃত পশ্চিমাঞ্চলৰে মৰিগাঁও জিলা গঠন কৰাত নগাঁও জিলা সংকুচিত হ'ল। বৰ্তমান নগাঁও জিলাৰ চাৰিসীমা হ'ল— উত্তৰে ব্ৰহ্মপুত্ৰ, দক্ষিণে কাৰ্বি আংলং জিলা, পূবে কাৰ্বি আংলংৰ একাংশ আৰু গোলাঘাট জিলা, পশ্চিমে মৰিগাঁও জিলা।*

*চতুৰ্দশ-পঞ্চদশ শতাব্দীত বৰ্তমানৰ নগাঁও জিলাৰ বিস্তৃত অঞ্চলত ভূঞা ৰাজ্য আছিল। উত্তৰে শিঙৰীৰ পৰা দক্ষিণে কলঙলৈ, পূবে চামধৰাৰ পৰা পশ্চিমে কপিলীলৈকে ভূঞা ৰাজ্য বিস্তৃত আছিল। এই ভূঞাৰাজ্যৰ বৰদোৱা-আলিপুখুৰীত সামন্ত শাসক পৰিয়ালত নৱবৈষ্ণৱ ধৰ্ম আৰু সত্ৰৰ প্ৰৱৰ্তক মহাপুৰুষ শঙ্কৰদেৱৰ ১৪৪৯ খ্ৰীঃত আবিৰ্ভাৱ হয়। সেই অৱধি অবিভক্ত নগাঁও জিলাত বৰ্তমানলৈ প্ৰায় ১৯৭খন সত্ৰ স্থাপিত হয়। বৰ্তমান নগাঁও জিলাৰ নগাঁও আৰু কলিয়াবৰত প্ৰতিষ্ঠিত সত্ৰ প্ৰায় এশ যাঠিখন। মূলসত্ৰ, আজ্ঞাপৰ বা বঢ়া সত্ৰ আৰু ককাই-ভাইয়ে বেলেগাই পতা সত্ৰৰ কাৰণে নগাঁৱত সত্ৰৰ সংখ্যা বৃদ্ধি পাইছে। বৰ্তমান বহুত সত্ৰ বিলুপ্ত, বিপৰ্যস্ত বা নিষ্ক্ৰিয় হৈ পৰিছে।*



**বৰদোৱা ঃ**

নগাঁও নগৰৰ হয়বৰগাঁও আৰক্ষী চকীৰ সন্মুখত 'মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱৰ জন্মক্ষেত্ৰ শ্ৰীশ্ৰীবটদ্ৰৱা থান প্ৰৱেশ দ্বাৰ' তোৰণৰ পৰা নগাঁও-ধিং পথেৰে গৈ ১৬ কি.মি. উত্তৰ-পশ্চিমত মহাপুৰুষ শঙ্কৰদেৱ প্ৰতিষ্ঠিত বটদ্ৰৱা বা বৰদোৱা সত্ৰ। বৰ্তমান বৰদোৱা নৰোৱা আৰু শলগুৰি সত্ৰ দুভাগ যি ভূমিখণ্ডত সত্ৰীয়া ঐতিহ্যৰে ন-ৰূপত সজোৱা হৈছে, সেই পবিত্ৰ ক্ষেত্ৰতে পঞ্চদশ শতিকাত শ্ৰীমন্ত শঙ্কৰদেৱে ধৰ্ম-সংস্কৃতিৰ পুণ্য অনুষ্ঠান কীৰ্ত্তন-ঘৰ বা সত্ৰৰ জন্ম দিয়ে। শঙ্কৰদেৱ উদ্ভাৱিত বৈষ্ণৱ সত্ৰই শদিয়াৰ পৰা বেহাৰলৈ সম্প্ৰসাৰিত হৈ আজিকোপতি অগণন লোকৰ মনত, প্ৰাণত আৰু অন্তৰাত্মাত পৰমানন্দ আৰু শান্তিৰ নিজৰা বোৱাই আছে।

অসমৰ ধৰ্ম-সংস্কৃতিৰ ইতিহাসত শ্ৰীমন্ত শঙ্কৰদেৱৰ ভকতি সূৰ্য উদয়ৰ পুণ্যস্থান বৰদোৱা 'বৈকুণ্ঠ দূতয়'। নৱবৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক বৈষ্ণৱ সত্ৰ-উদ্ভাৱক শঙ্কৰদেৱৰ পূৰ্বপুৰুষ আছিল কনৌজপুৰীয়া। চতুৰ্দশ শতিকাৰ প্ৰাৰম্ভত কামেশ্বৰ দুৰ্লভনাৰায়ণ আৰু গৌড়েশ্বৰ ধৰ্মনাৰায়ণৰ মাজত হোৱা ৰণৰ জয়-পৰাজয় নঘটাৰ ফলত মিত্ৰতাপাশত আৱদ্ধ হোৱাৰ চিন স্বৰূপে গৌড়েশ্বৰে শঙ্কৰদেৱৰ পঞ্চম উৰ্ধপুৰুষ চণ্ডীৱৰক মুখ্যকৈ সাতঘৰ ব্ৰাহ্মণ আৰু সাতঘৰ কায়স্থ কামৰূপলৈ পঠাইছিল। দুৰ্লভনাৰায়ণ ৰজাই সেইসকলক বৰনদীৰ নামে (নামনিত) হাজোৰ ওপৰে (উজনিত) লেঙ্গামাগুৰিত থাপিছিল। কিছুকাল পিছত বাৰিষা জানৰ পানীৰ দুৰ্যোগ আৰু ভোটৰ উপদ্ৰৱত অতিষ্ঠ হৈ চণ্ডীৱৰ পুত্ৰ ৰাজধৰ আৰু অন্যান্য ভূঞা সমন্বিতে পৰিয়ালসহ উজাই গৈ কাজলীমুখেৰে ভলুকামাৰি, কুঠাৰডুবি ফেটাশিমলু, ৰটা (চণ্ডীৱৰ-বিয়োগ)ত দুখে-দুৰ্দশাই কিছু বছৰ কটাই ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰত "মাটি-পানী, বিল-মাছ, খৰি আদি দ্ৰব্যৰে চলবল ঠাই" দেখি তালৈ উঠি গৈ "চাৰিহদকৈ আলি বান্ধি পুখুৰী খান্দি বহিল। আলিপুখুৰী গ্ৰাম বোলে।"[1] পুখুৰী খান্দি আলি বান্ধি ভূঞাসকল বসবাস কৰিবলৈ লোৱা ঠাইখনৰ পূৰ্বৰ নাম নথকা বা নজনা বাবে চৰিতকাৰে আলিপুখুৰী বোলা যেন লাগে। সেইকালত ব্ৰহ্মপুত্ৰৰ পাৰৰ এই অঞ্চল বৰ দ— বৰডোবা বা ডোভাৰে (ডোভা– 'শৰৎ বৰ্ণন' পদ-৮২৭, শঙ্কৰদেৱ) পৰিপূৰ্ণ বিস্তৃত জলময় ঠাই আছিল আৰু সেইবাবে ভূঞাসকলে তাত আলি বান্ধি পুখুৰী খান্দি গাঁও পাতি বাস কৰিছিল। বৰ দ বা বৰডোবাৰে পৰিপূৰ্ণ কাৰণে জনমুখে অঞ্চলটো বৰডোবা বা বৰদোৱা হয় বুলি ভাবিব পাৰি। ৰামচৰণৰ চৰিতমতে চণ্ডীৱৰে লেঙ্গামাগুৰিৰ পৰা উজাই গৈ টেঙ্গুৱানী জান বটদ্ৰৱাত থকাত জানৰ পানীয়ে খেতি-পথাৰ নষ্ট কৰাত বটদ্ৰৱাৰ পৰা আলিপুখুৰীলৈ গৈ বাস কৰে।[2] 'কথা-গুৰু-চৰিত'ত "শ্ৰীশঙ্কৰৰূপে হৰি অৱতাৰ পূৰ্ণে বৰদ্ৰৱাত"[3] বুলিও উল্লেখ আছে।

বৰদোৱা বা বটদ্ৰৱা নামকৰণ কেতিয়াৰ পৰা হয় তাৰ স্পষ্ট তথ্যৰ অভাৱ। সেইকাৰণে এয়া গভীৰ গৱেষণাৰ বিষয় হৈ আছে। চৰিতপুথি আৰু জনশ্ৰুতিত বৰদোৱা সম্পৰ্কে নানা কাহিনী প্ৰচলিত হৈ আছে।

প্ৰাচীন কালত ভগৱানৰ অৱতাৰ বৰাহে লেটি লওঁতে কুণ্ডৰ সৃষ্টি হোৱা আৰু বৰাহৰ গাৰ নোম সৰি পৰা ঠাইত এজোপা বটবৃক্ষ গজি উঠা, দ্বাপৰ যুগত শ্ৰীকৃষ্ণই ৰুক্মিণীক হৰণ কৰি ঘূৰি আহোঁতে সেই বটবৃক্ষৰ তলত জিৰণি লওঁতে তামোল খোৱা অসমৰ জীয়ৰী ৰুক্মিণীয়ে চূণৰ টেমীত জানৰ পানী ভৰাওঁতে টেমী উটাই নিয়াত জানৰ নাম টেমীনিয়া বা টেম্বুৱানী হোৱা জনশ্ৰুতি আছে। এই জনশ্ৰুতিত বটবৃক্ষ আৰু টেম্বুৱানী জানৰ কথা আছে, কিন্তু বটদ্ৰৱা বা বৰদোৱাৰ উল্লেখ নাই। 'বৰদোৱা গুৰুচৰিত'ত জানটোৰ নাম উল্লেখ কৰা নাই। নদীৰ পানীয়ে ৰাইজক উপদ্ৰৱ কৰাত ভেটা দিও জানৰ পানী বন্ধ কৰিব নোৱাৰাত শঙ্কৰদেৱে শান্তিকন্যা পূৰ্ণানন্দ নদিয়াল (কৈৱৰ্ত্ত)ৰ ভাৰ্যা তৰাৱতী বা ৰাধিকাৰ হতুৱাই পলৰে পানী আনি ভেটা দি জান বন্ধ কৰিলে, জান বন্ধ হৈ সত্ৰৰ ফালে টেমনি পৰিল কাৰণে সত্ৰৰ নাম টেম্বুৱনী হ'ল আৰু জানৰ নাম শান্তিজান হ'ল।[৪] "শঙ্কৰদেৱে টেমেনীয়া বন্ধে গ্ৰাম বটদ্ৰৱা যাৰ নাম।"[৫] —বুলি উল্লেখ কৰাটো মন কৰিবলগীয়া।

ভেটা বন্ধ হোৱাত পানীৰ অভাৱত ৰাইজৰ দুখ-দুৰ্দশাৰ কথা শঙ্কৰদেৱে জানি 'নিশাযোগে বটগছৰ তললৈ গৈ ধেনুৰ অগ্ৰেদি' চাপাকৃতি আঁক দি গঙ্গাদেৱীক আহ্বান কৰাত বটবৃক্ষ দ্ৰৱিত হৈ গঙ্গা উৎপত্তি হ'ল, সেইদিনাৰ পৰা বটবৃক্ষ দ্ৰৱিত হোৱা কাৰণে বটদ্ৰৱা নাম হ'ল।[৬] মন কৰিবলগীয়া যে শঙ্কৰদেৱে মহাজীৱনৰ প্ৰথম স্তৰত বৰদোৱাত বিৰচিত 'হৰিশ্চন্দ্ৰ উপাখ্যান', 'ৰুক্মিণী হৰণ কাব্য', 'বলি-ছলন', 'অমৃত মন্থন' আদি গ্ৰন্থৰ আত্ম-পৰিচয়মূলক বিৱৰণত কোনো কোনো চৰিত-পুথিত জন্মস্থান বুলি উল্লেখ থকা আলিপুখুৰীৰ নাম নাই, তেওঁৰ সকলো গ্ৰন্থতে বটদ্ৰৱা বা 'বৰদোৱা নামে গ্ৰাম'ৰহে উল্লেখ আছে। এৰা-ধৰাকৈ তিনিকুৰি বছৰ বয়সলৈ বসবাস কৰা ঠাইখনৰ এবাৰো উল্লেখ নকৰি শঙ্কৰদেৱে পূৰ্বপুৰুষ চণ্ডীবৰ, ৰাজধৰ, সূৰ্যবৰ, কুসুম্বৰ ভূঞাৰ যশ-গুণৰ বৰ্ণনা দিয়া গ্ৰন্থৰ আত্ম-পৰিচয়ত বৰদোৱা বা বটদ্ৰৱাৰহে গৌৰৱপূৰ্ণ চিত্ৰ দাঙি ধৰিছে। শঙ্কৰদেৱৰ 'হৰিশ্চন্দ্ৰ উপাখ্যান'ত "টেম্বুৱানি বন্ধে গ্ৰাম বৰদোৱা যাৰ নাম" 'অজামিল উপাখ্যান'ত. "বটদ্ৰৱা যাৰ নাম" 'আদ্য-দশম' গ্ৰন্থত "বৰদোৱা নামে গ্ৰাম শস্যে-মৎস্যে অনুপাম লোহিত্যৰ আতি অনুকূল সেহি মহাগ্ৰামেশ্বৰ আছিলন্ত ৰাজধৰ কায়স্থ কুলৰ পদ্মফুল।"[৭]— বুলি উল্লেখ আছে। শঙ্কৰদেৱে আজোককাক ৰাজধৰক 'মহাগ্ৰামেশ্বৰ' বুলি কোৱাৰ পৰা বৰদোৱা 'মহাগ্ৰাম' বা বিস্তৃত অঞ্চল বুলি ঠাৱৰ কৰিব পাৰি। তেতিয়া হ'লে আলিপুখুৰী মহাগ্ৰাম বৰদোৱাৰ অন্তৰ্গত এটি চুবুৰী বা এখনি গাঁও



বুলি ধৰিব পাৰি– যি আলিপুখুৰীৰ নাম হয়তো শঙ্কৰদেৱৰ সময়ত উল্লেখযোগ্য বা জনাজাত নাছিল। সেই কাৰণে শঙ্কৰদেৱে আলিপুখুৰীক বৰদোৱাৰ পৰা ভিন্ন বুলি গণ্য কৰা নাই।

শঙ্কৰদেৱৰ আত্ম-পৰিচয়মূলক বৰ্ণনাৰ উপৰিও গুৰুনাতি পুৰুষোত্তম ঠাকুৰৰ ভণিতাৰে পোৱা থান বৰ্ণনৰ গীত "জয় জয় বটদ্ৰৱা বৈকুণ্ঠ দুতয়। সেই থানে নিজগুৰু ভৈলন্ত উদয় ॥", গুৰু-পত্নী কালিন্দী আয়ে নাতিবোৱাৰী কনকলতাক শুনোৱা বৰদোৱাৰ কাহিনী, দৈত্যাৰি ঠাকুৰ আৰু ৰামানন্দ দ্বিজৰ চৰিত পুথি, প্ৰচলিত দিহানাম, জনশ্ৰুতি আদিতো বটদ্ৰৱা বা বৰদোৱাৰহে উল্লেখ আছে।

শঙ্কৰদেৱ আছিল প্ৰতিপত্তিশালী বাৰভূঞাৰ বংশধৰ। তেওঁলোক সেইকালৰ ভূঞা ৰাজ্যৰ সামন্ত শাসনকৰ্তা আছিল। উত্তৰে শিঙৰীৰ পৰা দক্ষিণে কলঙলৈ, পূবে চামধৰাৰ পৰা পশ্চিমে কপিলীলৈ ভূঞাৰাজ্য বিস্তৃত আছিল। শঙ্কৰদেৱৰ খুড়াকৰ পুতেক শিৰোমণি ভূঞা বংশৰ দলপতি ৰামৰায় আৰু অন্যান্য ভূঞাসকলে শঙ্কৰদেৱক শিক্ষা সাং হোৱাৰ পিছত এশ ঘৰ বন্দী দি সকলোৰে ওপৰত গোমোস্তা পাতি ভূঞা ৰাজ্যৰ ৰাজপদ যাচিছিল। কিন্তু গুৰুগৃহৰ শিক্ষা-শাস্ত্ৰ অধ্যয়ন, ডাঙৰ-দীঘল হোৱা সমাজখনৰ অনৈক্য-অনীতি, এক ভগবান সৃষ্ট মানৱৰ মাজৰ ভেদ-ভাৱ, তীৰ্থ-ভ্ৰমণৰ অভিজ্ঞতাই বৈষয়িক ঐশ্চৰ্য-বিভূতি, সুখ-স্বাচ্ছন্দ্য-ভৰা ঐহিক তথা সামন্তীয় ভূঞা বাব আওকাণ কৰি পৰমাৰ্থিক চিন্তা-চৰ্চা আৰু ভগৱানৰ নাম-কীৰ্ত্তন কৰাৰ বাবে সুচল গধুৰ ঠাইত হৰিগৃহ বান্ধি দিবলৈহে ক'লে। ভূঞা শাসনাধীন কলিয়াবৰৰ পৰা কাজলী মুখলৈ সুবিধাজনক ঠাই বিচাৰি "পিতৃদেৱ কুসুম্বৰৰ সৰিয়হ খেতি কৰা ঠাই ফেৰা গধুৰ আৰু সজ দেখি"[১০] শঙ্কৰদেৱৰ লগত পৰামৰ্শ কৰি নামঘৰ-মণিকূট সজাই জ্ঞাতি কুটুম্বে মিলি তিনি প্ৰসঙ্গৰ কথা শ্ৰৱণ কৰি সুখে থাকে।"[১১] 'গুৰুচৰিত-কথা'[১২], 'বৰদোৱা গুৰু চৰিত'[১৩]ত শঙ্কৰদেৱে তীৰ্থ ভ্ৰমণৰ পৰা ঘূৰি আহি নামঘৰ-মণিকূট কীৰ্ত্তন-ঘৰৰ লগতে ভকতৰ বহা, চাৰি হাটী পৰিপাটীকৈ সজায়।

জ্ঞাতি-কুটুম্বৰ ইচ্ছানুসৰি শঙ্কৰদেৱে "বিংশতি বৎসৰ যেবে তান হুয়া আছে" অৰ্থাৎ বিশ বছৰত আলিপুখুৰীৰ পৰা গৈ টেম্বুৱানী বৰদোৱাত কীৰ্ত্তন-ঘৰ সাজে বুলি ৰামচৰণ ঠাকুৰৰ চৰিতত কৈছে–

"এহিমতে যেবে বাসঘৰক সাজিল।
আলিপুখুৰীৰ লোক সমস্তে আসিল ॥ (পদ-১৬১৬)
শঙ্কৰে কীৰ্ত্তন ঘৰ সাজিবাক লৈলা।
ভিঠি বান্ধিবাক লাগি সমস্তে আসিলা। (পদ-১৬১৭)

কিন্তু একেজন চৰিতকাৰে একেখন পুথিতে তীৰ্থ-ভ্ৰমণৰ পৰা ঘূৰি অহাৰ পিছত ৰামৰায়ৰ হতুৱাই দেৱগৃহ বা সত্ৰগৃহ অৰ্থাৎ কীৰ্ত্তন-ঘৰ সজাৰ কথাও কৈছে।

শঙ্কৰে বোলন্ত ভাই শুনিয়োক ৰামৰায়
দেৱগৃহ সাজিয়ো যতনে।
হেন কথা শুনিলন্ত সত্ৰ-গৃহ সজাইলন্ত।
ৰামৰায় মহাৰঙ্গ মনে।" (পদ-২১৫৩)

মুখে মুখে চলি অহা কথাৰ ওপৰত নিৰ্ভৰশীল চৰিত-পুথিৰ কথাৰ বহুক্ষেত্ৰত অমিল পৰিলক্ষিত হয়।

আহল-বহল নিজান কৃষিক্ষেত্ৰত চৌহদ কৰি কীৰ্ত্তন-ঘৰ, ভকতৰ বহা-হাটীৰে শঙ্কৰদেৱে বৰদোৱা পুণ্যক্ষেত্ৰ বা সত্ৰগ্ৰাম কৰি তুলিলে। হৰিগৃহত ভগৱান কৃষ্ণৰ নাম-গুণ কীৰ্ত্তন চলাত চাৰিওফালৰ পৰা অগণন লোক আহি ভক্তিধৰ্ম গ্ৰহণ কৰিলে। শঙ্কৰদেৱৰ গুণ-মহিমাত মুগ্ধ হৈ ব্ৰাহ্মণ-সজ্জনেও ভক্তিধৰ্ম গ্ৰহণ কৰিবলৈ অহাত শঙ্কৰদেৱে দশম স্কন্ধৰ সাৰ 'গোপী-উদ্ধৱ সম্বাদ' ৰচনা কৰি থাপনাত প্ৰতিষ্ঠা কৰি সেইসকলৰ শৰণৰ ব্যৱস্থা কৰে।[১৫]

শঙ্কৰদেৱৰ ভক্তিধৰ্ম প্ৰচলনৰ মুখ্য উদ্দেশ্য আছিল সমাজৰ উচ্চ-নীচ, ৰজা-প্ৰজা, জাতি-জনজাতিৰ ভেদাভেদ নাইকিয়া কৰি এক ভগৱান সৃজিত সকলোৰে মাজত সমাজত সমস্থান আৰু সমমৰ্যাদা দান। "নীচত সাধুত যাৰ ভৈল একজ্ঞান। তাহাকেসে পণ্ডিত বুলিয় সৰ্বজন॥"[১৬] অজ্ঞ-অনাখৰী, নিষ্পেষিত জনসাধাৰণক আধ্যাত্মিক ভক্তিতত্ত্ব বা দাৰ্শনিক তত্ত্ব থিতাতে জাপি দিলে গ্ৰহণীয় যে নহ'ব তাক শঙ্কৰদেৱে ভালদৰে উপলব্ধি কৰিছিল আৰু সেইকাৰণে ৰং-ৰহইচ, আনন্দ উপভোগৰ মাজেদি ভক্তিধৰ্ম গ্ৰহণ কৰিবৰ কাৰণে জনসাধাৰণৰ কেইটামান আদৰণীয় আৰু আকৰ্ষণীয় সাংস্কৃতিক সম্পদ কীৰ্ত্তন-ঘৰ বা সত্ৰৰ লগত সাঙোৰ খুৱাই ৰাখিলে।

এই আকৰ্ষণীয় সাংস্কৃতিক অনুষ্ঠানৰ ভিতৰত 'চিহ্নযাত্ৰা'[১৭] বিশেষ উল্লেখযোগ্য। পটত সাত বৈকুণ্ঠৰ চিত্ৰ অঙ্কন কৰি সূত্ৰ-গীত-ভটিমা, গায়ন-বায়ন, ভাৱৰীয়া, খোল-তাল, মুখা, সাজপাৰ, অলঙ্কাৰ আদিৰ প্ৰয়োগেৰে শঙ্কৰদেৱে পতা চিহ্নযাত্ৰাৰ ভাওনা সাত দিন সাত নিশা ধৰি চলিছিল আৰু হাজাৰ হাজাৰ দৰ্শকে ভাওনা উপভোগ কৰিছিল। চিহ্নযাত্ৰাৰ পিছতে ভাৱৰীয়াৰ বচন সংযোগেৰে নাট ৰচিত হ'ল আৰু পৰৱৰ্তী ধৰ্মাচাৰ্যসকলে ৰচনা কৰা নাট আৰু ভাওনা সত্ৰৰ এক বিশিষ্ট আধ্যাত্মিক সাংস্কৃতিক সম্পদ হৈ পৰিল। গুৰুজনাই সৃষ্টি কৰা ভাওনাই জনসমাজক চমৎকৃত কৰা কাৰণে সমসাময়িক আৰু পৰৱৰ্তী ধৰ্মাচাৰ্য, ভকত-সজ্জনে নাট ৰচনা আৰু অভিনয় কৰা সোঁত অব্যাহত ৰাখিলে।

আজিকোপতি সত্ৰ, ৰাজহুৱা নামঘৰ, ধৰ্মানুষ্ঠানত অসমৰ ৰাইজে আধ্যাত্মিক আনন্দৰ উৎসৱ বুলি পালন কৰি অহা দৌল বা ফাকুৱা উৎসৱ শঙ্কৰদেৱে বৰদোৱাত সূচনা কৰে।[১৮] ৰামৰাম গুৰু প্ৰভৃতি ভক্তৰ প্ৰাৰ্থনা মতে শঙ্কৰদেৱে বৰদোৱা থানৰ দক্ষিণে এটা কুড়ত মাটি দি ওখকৈ দৌল বান্ধি সত্ৰগৃহৰ পৰা কৃষ্ণ বা গোৱিন্দক বাহিৰলৈ আনি আসনত থৈ সুসজ্জিত কৰি ভক্তি সহকাৰে মূৰত ফাকু ছটিয়াই খোল- তাল দেৱবাদ্যৰে নাম-কীৰ্তন কৰি দৌললৈ নি দৌলৰ চাৰিওফালে সাতবাৰ প্ৰদক্ষিণ কৰাই ফাকু খেলি, গীত-বাদ্যৰে ৰং-আনন্দ কৰি ভক্তিপূৰ্ণভাবে ওখ দৌলত উপবিষ্ট কৰায়। ফাকুৱা ফাগুন মাহৰ পূৰ্ণিমাত তিনি দিন ধৰি পালন কৰা হয়। ফাকুৱাৰ অন্তিম দিনত কৃষ্ণ গোঁসাইক ভক্তসকলে গীত-বাদ্য-নৃত্যৰে গাঁও-নগৰ পৰিভ্ৰমণ কৰাৰ অন্তে কীৰ্ত্তন-ঘৰত সুমুৱায় আৰু ভক্তি নিবেদনৰে দৌলোৎসৱৰ সামৰণি পেলায়। ৰামচৰণে একৈশ বছৰত শঙ্কৰদেৱে দৌলোৎসৱ পাতে বুলি কৈছে।[১৯] শঙ্কৰদেৱৰ প্ৰৱৰ্তিত সেই দৌল বা ফল্গু-উৎসৱ অসমৰ সত্ৰ-সমাজ তথা ভক্ত ৰাইজৰ মাজত সৰবৰহী হৈ আছে।



শঙ্কৰদেৱ প্ৰৱৰ্তিত সত্ৰ ধৰ্ম-সংস্কৃতিৰ শিক্ষা-চৰ্চাৰ লগতে ভাষা-সাহিত্যৰ অধ্যয়ন- চৰ্চাৰো কেন্দ্ৰ। বিদগ্ধ পণ্ডিত মহেন্দ্ৰ কন্দলীৰ টোলত বিদ্যা-শিক্ষা গ্ৰহণ কৰোঁতে শঙ্কৰদেৱে চাৰিবেদ, অষ্টাদশ পুৰাণ, ৰামায়ণ, মহাভাৰত আদি চৈধ্য শাস্ত্ৰ পঢ়িছিল আৰু সেইবোৰৰ পৰা লাভ কৰা জ্ঞান জনসাধাৰণৰ মাজত বিলাবলৈ শ্ৰীমদ্ভাগৱতৰ সাৰমৰ্মেৰে নাট-কাব্য-পদ-গীত আদি ৰচনা কৰে। চৰিত-পুথি আৰু পণ্ডিতসকলে থিৰাং কৰা মতে বৰদোৱাত ৰচিত শঙ্কৰদেৱৰ সাহিত্যৰাজি হ'ল– গুৰুটোলত ৰচনা কৰা কোমল গীত 'কৰতল কমল⋯', 'ৰুক্মিণী হৰণ' কাব্য,'অজামিল উপাখ্যান', 'গজেন্দ্ৰোপাখ্যান', দশম স্কন্ধৰ 'উদ্ধৱ সম্বাদ', 'হৰিশ্চন্দ্ৰ উপাখ্যান, 'হৰমোহন', 'বলি-ছলন', 'অমৃত মন্থন', 'ভক্তি-প্ৰদীপ', কীৰ্ত্তন-ঘোষাৰ অন্তৰ্গত 'উৰেষা বৰ্ণন', 'প্ৰহ্লাদ চৰিত্ৰ', 'হৰমোহন', 'চতুৰ্বিংশতি অৱতাৰ' 'ধ্যান বৰ্ণন' আৰু প্ৰথম বৰগীত।

সত্ৰ স্থাপনৰ বাবে মাটি, নামঘৰ-মণিকূটেৰে কীৰ্ত্তন-ঘৰ, ভকতৰ বহা, হাটী, দৌল, পুখুৰী, কুঁৱা, ভাওনা-গৃহ আদি আৱয়িক দিশটোৰ লগতে তিনিপ্ৰসঙ্গ, ৰাগ-সুৰ, খোল-তাল, নৃত্য-গীত, ভাওনা, ভাৱৰীয়া আদি আৰু বিভিন্ন কাব্য-সাহিত্য-গীত ৰচনাৰে জনগণৰ শাৰীৰিক, মানসিক, নৈতিক, আধ্যাত্মিক, দাৰ্শনিক, শৈক্ষিক, সামাজিক, সাংস্কৃতিক শিক্ষা-চৰ্চাৰ যি কেন্দ্ৰস্থল তথা সত্ৰ বৰদোৱাত প্ৰতিষ্ঠিত কৰা হ'ল তাৰ ৰেঙনিৰে অহম-কামৰূপ-বেহাৰ-তিনিও ৰাজ্য জিলিকি উঠিল।

সত্ৰ চৌহদত থকা আকাশীগঙ্গা, শান্তিজান, দৌল-মন্দিৰ, সাঁচিগছ, শঙ্কৰ শিলিখাবৃক্ষ, পদশিলা আদিয়ে গুৰুজনাৰ স্মৃতি বহন কৰি আছে।

গীত-বাদ্য-নৃত্য-ভাওনা, নাম-প্ৰসঙ্গ, সাহিত্য-চৰ্চাৰে শঙ্কৰদেৱে অগণন লোকৰ মানসিক আৰু আধ্যাত্মিক উৎকৰ্ষ সাধন কৰি শ্ৰীমদ্ভাগৱতৰ ভক্তিধৰ্মৰ অমৃত নিজৰা বোৱাই বৰদোৱা নৈমিষ-ক্ষেত্ৰত পৰিণত কৰিলে। কিন্তু শঙ্কৰদেৱে

বৰদোৱাত মহাজীৱনৰ ওৰ পেলাব নোৱাৰিলে। থলুৱা কছাৰীসকল ভূঞাসকলৰ জনপ্ৰিয়তা আৰু প্ৰতিপত্তিত তেওঁলোকৰ ভৱিষ্যতৰ প্ৰতি সন্দিহান হৈ ভূঞাসকলৰ খেতি-বাতি অনিষ্ট কৰিব ধৰাত দুয়োপক্ষৰ শত্ৰুতা বাঢ়ি গ'ল। যুঁজ-বাগৰ, ক্ৰূৰ আক্ৰমণত ভূঞাসকল অতিষ্ঠ হৈ পৰিল। ধৰ্ম-সাধনাত নিমগ্ন শঙ্কৰদেৱে এনে যুঁজ-বাগৰ, ক্ৰূৰতা বা আক্ৰমণৰ ভূ-পোৱা নাছিল।

ইতিমধ্যে শঙ্কৰদেৱে বৈষয়িক চিন্তা পৰিহৰি মানৱ জগতৰ মঙ্গলৰ কাৰণে ধৰ্ম-সাধনাত নিমগ্ন হোৱাত ভূঞাসকলৰ শক্তি-সামৰ্থ হ্ৰাস পাইছিল। হঠাৎ এনে সঙ্কট-দুৰ্যোগৰ কথা জানি ধৰ্ম-বিঘ্নিত হোৱাৰ শঙ্কাত ভূঞা পৰিয়াল, সাধু-সজ্জন সমন্বিতে শঙ্কৰদেৱে ৬৭ বছৰ বয়সত পুণ্যক্ষেত্ৰ বৰদোৱা ত্যাগ কৰি উজনিৰ আহোম ৰাজ্যৰ গাংমৌ, ধুৱাহাট-বেলগুৰি আদি আৰু নামনিৰ কোচৰাজ্য কামৰূপৰ চুণপোৰা-বৰপেটা-পাটবাউসী আৰু কোচবিহাৰৰ ভেলা-মধুপুৰ পৰ্যন্ত সত্ৰ পাতি ধৰ্মপ্ৰচাৰ কৰি ১৫৬৮ খ্ৰীঃত বেহাৰৰ কাকতকূটাত নৰ-নাট সামৰে।

শঙ্কৰদেৱে নগাঁও জিলাৰ বৰদোৱাত ৰোপণ কৰা সত্ৰ-বৃক্ষজোপী ডালে-পাতে, ফুলে-ফলে সুশোভিত হৈ অহম-কামৰূপ-বেহাৰ এই তিনিৰাজ্য জাতিস্কাৰ কৰি থৈ যায়। শঙ্কৰদেৱৰ বৈষ্ণৱ আন্দোলন মাধৱদেৱ, দামোদৰদেৱ, নাৰায়ণ দাস ঠাকুৰ আতা, হৰিদেৱ আৰু তেওঁলোকে পতা ধৰ্মাচাৰ্য ভবানীপুৰীয়া গোপাল আতা, পুৰুষোত্তম ঠাকুৰ, মথুৰা দাস বুঢ়া আতা, পদ্ম আতা, বংশীগোপালদেৱ প্ৰভৃতিৰ ঐকান্তিকতা আৰু কঠোৰ শ্ৰম-সাধনাত সাফল্যমণ্ডিত হয়।

শঙ্কৰদেৱৰ বৰদোৱা প্ৰস্থানৰ পিছত তেওঁ মহাজীৱনৰ পৰৱৰ্তীকালত আদি লীলাক্ষেত্ৰ বৰদোৱালৈ প্ৰত্যাৱৰ্তন নকৰিলে। ভাৰ্যা-পুত্ৰ-নাতিসকলেও পৈতৃক স্থানলৈ নাহি কামৰূপ-কোচবিহাৰতে জীৱন অতিবাহিত কৰে। বৰদোৱাত নৱজাগৰণৰ সূচনা কৰা ধৰ্ম-সমাজ-সংস্কৃতিৰ সত্ৰানুষ্ঠান স্তব্ধ হৈ ৰ'ল. সুদীৰ্ঘ ১৪০ বছৰ কাল। বৰদোৱা এৰাবাৰী হ'ল আৰু কালক্ৰমত বানপানী, খৰাং বতৰ আদি এশ এটা প্ৰাকৃতিক দুৰ্যোগত পুণ্যথান বৰদোৱা হাবি-জঙ্গল, দলনি-পিটনি, জলাশয়পূৰ্ণ হৈ সত্ৰৰ চিনচাপ হেৰাই গ'ল। শঙ্কৰদেৱে ধৰ্মৰ উত্তৰাধিকাৰ পতা মাধৱদেৱৰ পৰা ধৰ্মভাৰ মূৰ পাতি লোৱা বৰনাতি পুৰুষোত্তম আৰু কনিষ্ঠ নাতি চতুৰ্ভুজ ঠাকুৰৰ ককাক শঙ্কৰদেৱৰ আদি লীলাভূমি বৰদোৱাৰ প্ৰতি সচেতনতা কিমান বুজা নাযায় যদিও চতুৰ্ভুজ ঠাকুৰৰ ভাৰ্যা, গুৰু-নাতিবোৱাৰী আইলক্ষ্মী কনকলতাৰ সচেতনতা আৰু কাৰ্যপন্থা উল্লেখযোগ্য। নামনিৰ বিষ্ণুপুৰ সত্ৰত থকা কালত গুৰুপত্নী কালিন্দী আইৰ মুখৰ পৰা ককাশহৰ শঙ্কৰদেৱ প্ৰতিষ্ঠিত বৰদোৱা থানৰ বৰ্ণনা শুনি আই কনকলতাই ভক্তসৱক সেই কথা ৰেকত কৰে।

"সমস্ত ভক্তক চাই আই লক্ষ্মী বুলিলন্ত।
পূৰ্বাপৰ বচন বুজাই।



পূৰ্বতে গোঁসানী আই আমাক কহিয়া আছে।
স্নানৰ মহিমা শুনা আই॥[২০]

গৌৰৱময় ঐতিহ্যৰ প্ৰতি সজাগ হৈ বৰদোৱা অনুসন্ধান কৰি উদ্ধাৰৰ কাৰণে সঙ্কল্প লৈ কনকলতাই মনসা-ভাগিন দামোদৰ আতা, কৰচুঙৰ ভগৱান আতা প্ৰমুখ্যে ভক্তসঙ্গীৰে নামনিৰ পৰা উজাই আহোম ৰাজ্যলৈ আহে। এই কাৰ্যত আইৰ পৰামৰ্শমতে দামোদৰ আতাই ৰাজধানীলৈ গৈ উদ্দেশ্য ৰেকত কৰাত স্বৰ্গদেউ  ৰাজেশ্বৰ সিংহ (১৬৪৮-১৬৬৩ খ্ৰীঃ)ই টংচু ফুকনক সৈন্য-সামন্ত দি পঠায়। স্থানীয় জনজাতীয় চেতুৱা ৰজায়ো ধনে-জনে বৰদোৱা উদ্ধাৰৰ কাৰ্যত সহায় কৰিলে। আই কনকলতা আৰু দামোদৰ আতাই সঙ্কল্প আৰু শ্ৰম কৰি কৰি শঙ্কৰদেৱে বৰদোৱা ত্যাগ কৰাৰ সাতকুৰি বছৰ পিছত অৰ্থাৎ ১৬৫৬ খ্ৰীঃত বৰদোৱা পুনৰুদ্ধাৰ কৰি অসমৰ সত্ৰৰ ইতিহাসত নতুন পোহৰ পেলায়। অন্যথা শঙ্কৰদেৱে যুগান্তৰ সৃষ্টি কৰা বৰদোৱা থান-সত্ৰ কিংবদন্তী হৈ থাকিলেহেতেঁন।

সত্ৰ উদ্ধাৰ হোৱাৰ লগে লগে কালিন্দী আয়ে দিয়া বৰ্ণনা মতে শঙ্কৰদেৱে সত্ৰ প্ৰতিষ্ঠা কৰা কালৰ কীৰ্ত্তন গৃহৰ ভেটি, শান্তিজান, আকাশী গঙ্গা, দৌলৰ-ঢাপ, শিলিখা বৃক্ষ, গুৰু পদশিলা আদি উদ্ভাসিত হ'ল। চৈধ্য প্ৰসঙ্গ, গীত-নৃত্য-ভাওনা-বাদ্যৰে সত্ৰৰ শঙ্কৰী ধৰ্ম-সংস্কৃতি পুনৰ্জীৱিত হোৱাত বৰদোৱাৰ নিৰ্বাপিত বন্তিগছি জ্বলি উঠিল। সত্ৰৰ চাৰিদিশে হাটী, ভকতৰ বহা সজা হ'ল, আই কনকলতা ৰাইদঙ্গিয়াৰ আইভেটীৰ পৰা আহি কীৰ্ত্তন-ঘৰৰ পূৰত বাসগৃহ কৰি থাকিল। দামোদৰ আতাই উত্তৰত থকা এক প্ৰকাণ্ড বালিত সত্ৰ পাতি ৰ'ল। কনকলতা আইৰ লগত পৰামৰ্শ কৰি টংচু বৰফুকনে বৰদোৱা সত্ৰৰ কাৰণে দামোদৰ আতাৰ নামত নিষ্কৰভূমি দান কৰিলে।

এনে উদ্যমেৰে চলা ঐতিহ্যমণ্ডিত সত্ৰ ১৩৩ বছৰ পিছত দামোদৰ আতাৰ-বংশধৰ আৰু কনকলতা আইৰ জীয়ৰী সুভদ্ৰাৰ বংশধৰৰ মাজত মাটি-বাৰী, সা-সম্পদক লৈ লগা বিবাদৰ ফলত স্বৰ্গদেউ কমলেশ্বৰ সিংহ (১৭৯৫-১৮১০ খ্ৰীঃ)ৰ নিৰ্দেশত 'ৰাজমন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোঁহাই, ন্যায়াধিকাৰ ভদ্ৰকান্ত বা ভদৰি বৰবৰুৱাই বিহু চাওডাং শইকীয়া আৰু হেমোদৰ চকৰবৰ ৰৰাক লগত লৈ চৰজমিনে বিচাৰ কৰি শলগুৰীয়া ৰামচৰণ আতাৰ কিছু সপক্ষে ৰায় দি তামৰ ফলি কৰি দিয়ে ১৭২১ শক (১৭৯৯ খ্ৰীঃ)ত।[২১]

'জীউধৰা ডাল' দুটাৰ গুৰু-পুত্ৰৰ ভাগিন দামোদৰ আতাৰ পিছত ৰমাকান্ত পাটবাউসীত, তেওঁৰ পুত্ৰ ৰামচন্দ্ৰ উত্তৰ লক্ষীমপুৰত আৰু তেওঁৰ পুত্ৰ ৰামদেৱ ৰামপুৰ সত্ৰত অধিকাৰ হৈ থাকে। কনকলতা আইৰ জীয়ৰী সুভদ্ৰা তনয় অনন্তৰামৰ পুত্ৰ কেশৱৰায়, তেওঁৰ পুত্ৰ লক্ষ্মীকান্তই বৰদোৱাতে সত্ৰ চলাই থাকে। এওঁলোক সত্ৰৰ গৰাকী হৈ পৰাত ৰামদেৱে ৰামপুৰৰ পৰা আহি বৰদোৱা সত্ৰৰ অধিকাৰত্ব

দাবী কৰে। লক্ষ্মীকান্তৰ পুত্ৰ ৰামচৰণেও সত্ৰৰ স্বত্ব-দাবীত দৃঢ় হৈ পৰে। মাটি-সম্পত্তিৰ কাজিয়াৰ ফলতে শঙ্কৰদেৱে ঐক্যবদ্ধ সমাজ-সংস্কৃতি গঢ়া অসমৰ প্ৰথম বৈষ্ণৱ সত্ৰ দ্বি-বিভক্ত হ'ল। অসমৰ সত্ৰীয়া ধৰ্ম-সংস্কৃতিৰ ইতিহাসত ইয়াতকৈ ডাঙৰ আঘাত কি হ'ব পাৰে!

দ্বিখণ্ডিত সত্ৰৰ বয়সত বৰ ৰামদেৱৰ ভাগ বৰহিছা বা বৰফাল (নবোৰা) আৰু বয়সত সৰু হৰিচৰণৰ ভাগ সৰুহিছা বা সৰুফাল (শলগুৰি) নামে জনাজাত হ'ল।

সত্ৰ দ্বিখণ্ডিত হৈ প্ৰায় ১৬০ বছৰ চলাত অসমৰ স্বনামধন্য লোক কিছুমানৰ সুপ্ৰচেষ্টাত বৰহিছা আৰু সৰুহিছাৰ মধ্যস্থলত উমৈহতীয়া কীৰ্ত্তন-ঘৰ সাজি ১৯৫৮ খ্ৰীঃৰ ১১ অক্টোবৰত আনুষ্ঠানিক ভাবে সত্ৰৰ দুৱাৰ মুকলি কৰা হয় আৰু বটদ্ৰৱা থান পৰিচালনা সমিতিৰ সংবিধান ৰচনা কৰা হয়।[২২] ১৯৬৪ খ্ৰীঃৰ ২ আগষ্টত গঠন কৰা বটদ্ৰৱা থান পৰিচালনা সমিতিৰ তত্বাৱধানত দুয়োভাগৰ সমন্বয়ত সত্ৰৰ উৎসৱ-পৰ্ব, তিথি, ফাকুৱা, জন্মাষ্টমী, ৰাস, ভাওনা, নাম-প্ৰসঙ্গ আদি সুচাৰুৰূপে চলি আছে।[২৩]

## ক) পুৰুষ সংহতি

***॥বৰদোৱা নৰোৱা সত্ৰসমূহ॥***

### বৰদোৱা নৰোৱা ঃ

বটদ্ৰৱা মৌজাৰ বৰদোৱা নামৰ গাঁৱত অৱস্থিত। মহাপুৰুষ শঙ্কৰদেৱে আদি বৈষ্ণৱ সত্ৰ এই বৰদোৱাতে প্ৰতিষ্ঠা কৰিছিল বুলি জনা যায়। শঙ্কৰদেৱে ৬৭ বছৰ বয়সত বৰদোৱা ত্যাগ কৰি যোৱাৰ পিছত বৰদোৱালৈ ঘূৰি নাহিল যদিও তেওঁৰ নাতি চতুৰ্ভুজ ঠাকুৰৰ ভাৰ্যা আই কনকলতাই ভাগিনীয়েক দামোদৰ আতা, কৰচোঙৰ ভগবান আতা প্ৰমুখ্যে ভকতবৃন্দৰ লগত আহোম ৰজা জয়ধ্বজ সিংহৰ সেনাপতি টংচু ফুকন আৰু অঞ্চলৰ জনজাতীয় ৰজা চেতুৱাৰ সৈন্য-সামন্তৰ সহায়ত শঙ্কৰদেৱৰ মহাপ্ৰয়াণৰ ১৪০ বছৰ পিছত বৰদোৱা থান-সত্ৰ পুনৰুদ্ধাৰ কৰে। সেই অৱধি বৰদোৱা সত্ৰ চলি আছে।

টংচু ফুকনে স্বৰ্গদেৱক কৈ আই কনকলতাৰ পৰামৰ্শমতে দামোদৰৰ নামত নিষ্কৰ ভূমি দান কৰে। বৰদোৱা থান উদ্ধাৰ হৈ শ্ৰীবৃদ্ধি পালে। কনকলতাৰ জীয়ৰী সুভদ্ৰাৰ বিয়া হয় ৰামদেৱ গাভৰুগিৰিৰ লগত। তেওঁলোকৰ পুত্ৰ অনন্তৰামে বৰদোৱাত নাম-প্ৰসঙ্গ কৰি বসবাস কৰিলে। দামোদৰ আতাই বালিসত্ৰ স্থাপন কৰি তাতে থাকে। আতাৰ ১৫৮৪ শকত বালিসত্ৰত পৰলোক ঘটে। দামোদৰৰ পুতেক ৰমাকান্ত পাটবাউসীত, তেওঁৰ পুত্ৰ ৰামচন্দ্ৰ উত্তৰ লক্ষীমপুৰত, তেওঁৰ পুত্ৰ ৰামদেৱ ৰামপুৰত সত্ৰ পাতি থকা কালত অনন্তৰামৰ পুত্ৰ কেশৱৰায়, তেওঁৰ



পুত্ৰ লক্ষ্মীকান্ত বটদ্ৰৱাতে সত্ৰ চলাই সত্ৰৰ গৰাকী হৈ পৰিল। ইতিমধ্যে ৰামপুৰৰ পৰা দামোদৰৰ পৰিনাতি ৰামদেৱ আহি বৰদোৱা সত্ৰৰ স্বত্ব দাবী কৰি ৰহিল। আনহাতে অনন্তৰামৰ নাতি লক্ষ্মীকান্তৰ পুত্ৰ ৰামচৰণে বৰদোৱা সত্ৰৰ হক দাবী কৰিলে।

দুয়োপক্ষৰ মাজত লাগি থকা বিবাদৰ মীমাংসাৰ কাৰণে স্বৰ্গদেউ কমলেশ্বৰ সিংহ (১৭৯৫-১৮১০ খ্ৰীঃ)ৰ নিৰ্দেশমতে ভদৰী বৰুৱা আৰু পূৰ্ণানন্দ বুঢ়াগোহায়ে ৰাজবিষয়া কৰ্মচাৰীসহ বিচাৰ কৰি ১৭৯৯ খ্ৰীঃত সত্ৰ দ্বিখণ্ডিত কৰে।[২৪] সত্ৰগৃহ, মাটি-বাৰী, সা-সম্পদ সকলো দুভাগ কৰি তামৰ ফলি কৰি দিয়ে।[২৫] সত্ৰৰ মাটি-বাৰী, সা-সম্পদ দুভাগ হোৱাত নবোৱা বৰফালে আকাশীগঙ্গা আৰু শিলিখা বৃক্ষ পায়।

সত্ৰ দ্বিখণ্ডিত হোৱাৰ পূৰ্বে চক্ৰধ্বজসিংহ (১৬০৩-১৬৬৭ খ্ৰীঃ)ই ঢকুৱাখানাৰ 'ন-বোৱা' সত্ৰ পাতি স্থাপন কৰা দামোদৰ আতাৰ পুত্ৰ ৰমাকান্তক সত্ৰৰ দায়িত্ব দিছিল। সত্ৰ দুফাল হোৱাত ৰমাকান্তৰ নাতি ৰামদেৱ আতাক বৰফাল বা বৰহিছাৰ অধিকাৰৰ দায়িত্ব দিয়া হয়। পূৰ্বৰ ঢকুৱাখানাত প্ৰতিষ্ঠিত ন-বোৱা সত্ৰৰ নামেৰে বৰফাল নবোৱা নামে জনাজাত হয়। ৰামদেৱৰ পৰা বৰদোৱা নবোৱা সত্ৰৰ অধিকাৰৰ লেখ বৰ্তমানলৈ সপ্তমজনা হৈছেগৈ। এই সত্ৰৰ অধিকাৰ পুত্ৰানুক্ৰমে অভিষেক কৰা হয়। সত্ৰাধিকাৰৰ ক্ৰম ঃ দামোদৰ আতাৰ পৰিনাতি ৰামদেৱ–ভদ্ৰদেৱ–লক্ষ্মীদেৱ–ৰামদেৱ–ভগীৰথ–বংশীদেৱ আৰু তেওঁৰ পিছত শ্ৰীপূৰ্ণচন্দ্ৰ দেৱগোস্বামী বৰ্তমান বৰদোৱা নৰোৱা সত্ৰৰ অধিকাৰ।

সত্ৰৰ পুৰণা মূৰ্তি বৃষভৰ ওপৰত মহাদেৱ, গৰুড়ৰ স্কন্ধত বিষ্ণু-বলোৰাম, গণেশ, ব্ৰহ্মা, বিষ্ণু, নীল, নল, হনুমান, জম্বুবন্ত, কালিদমন, ৰাম-লক্ষ্মণ, নাৰী যুগল মূৰ্ত্তি আদি বটদ্ৰৱা সংগ্ৰহালয়ত সংৰক্ষণ কৰি ৰখা হৈছে। দৌলোৎসৱত গোবিন্দ মূৰ্ত্তি, কৃষ্ণ-জন্মাষ্টমীত বাসুদেৱ চতুৰ্ভুজ, নন্দোৎসৱত গোপাল, পাচতি উৎসৱত গোপাল আৰু বাসুদেৱ মূৰ্ত্তিৰ পূজা-অৰ্চনা কৰা হয়।

নিত্য-প্ৰসঙ্গ, গুৰু-তিথি, জন্মাষ্টমী, ফল্গুৎসৱ, ৰাসোৎসৱ, গুৰু-জন্ম-জয়ন্তী, পাচতি, ভাওনা, নাম-কীৰ্ত্তন আদি পৰম্পৰাগতভাবে চলি আছে।

গোটেই বছৰে অগণন যাত্ৰী অসমৰ বিভিন্ন ঠাইৰ পৰা আহি ভক্তি নিবেদন কৰে। নৰোৱা আৰু শলগুৰি দুয়োফালক একত্ৰিত কৰি তিথি, উৎসৱ, নাম-প্ৰসঙ্গ, ভাওনা আদি অনুষ্ঠানসমূহ ১৯৫৮ খ্ৰীঃৰ পৰা উমৈহতীয়া কীৰ্ত্তন-ঘৰক কেন্দ্ৰ কৰি বটদ্ৰৱা থান পৰিচালনা সমিতিয়ে চলাই আছে। নৰোৱা ঠালৰ সত্ৰ অবিভক্ত নগাঁৱত কেইবা ঠাইতো প্ৰতিষ্ঠা কৰা হৈছে– বৰদোৱা (বৰফাল), বালিসত্ৰ, কুঁজি, ভেটিয়নী ন-সত্ৰ, তলিবিল, ইটাখুলি, ৰামপুৰ (লুপ্ত) আদি।

## নৰোৱা বালিসত্ৰ ঃ

ববদোৱা-ধিং পথেৰে আগুৱাই গৈ কবৈগুৱি (কদমনি)ৰ পৰা ফাটি যোৱা জৰাজীৰ্ণ গড়কাপ্তানী পথেৰে ৩ কিলোমিটাৰমান গৈ ঐতিহ্যমণ্ডিত বালিসত্ৰ পোৱা যায়— বৰদোৱাৰ পৰা উত্তৰে প্ৰায় ৫ কিঃমিটাৰ দূৰত।

মহাপুৰুষ শঙ্কৰদেৱৰ কনিষ্ঠ নাতি চতুৰ্ভুজ ঠাকুৰৰ পুত্ৰ নথকাৰ বাবে ভাগিনীয়েক দামোদৰক পুত্ৰ-সম জ্ঞান কৰি তুলি লৈছিল। চতুৰ্ভুজ ঠাকুৰৰ বায়েক গোবিন্দপ্ৰিয়াৰ বিয়া হয় গৌৰীকান্ত বৰুৱাৰ লগত। এওঁলোকৰে পুত্ৰ দামোদৰ চতুৰ্ভুজৰ ভাগিনীয়েক। চতুৰ্ভুজ-ভাৰ্যা কনকলতাৰ লগত দামোদৰ আতাও ককাকৰ জন্মস্থান পুণ্যভূমি বৰদোৱা অনুসন্ধান আৰু পুনৰুদ্ধাৰৰ কাৰণে আহিছিল। দামোদৰ আতাই ৰাজধানীলৈ গৈ ৰজাক পুণ্যক্ষেত্ৰ বৰদোৱা উদ্ধাৰৰ বাবে সহায়ৰ কথা বেকত কৰাত ৰাজেশ্বৰ সিংহ স্বৰ্গদেৱে টংচু ফুকনক সৈন্য-সামন্তসহ পঠাইছিল। বৰদোৱা উদ্ধাৰ কৰিবলৈ আহি দামোদৰ আতাই এক প্ৰকাণ্ড বালিখণ্ডত বাহৰ পাতি বৈছিল আৰু সেই বালিখণ্ডৰ সুন্দৰ নিৰিবিলি পৰিবেশ দেখি তাত এখনি সত্ৰ স্থাপন কৰে। বালিখণ্ডত গঢ় লৈ উঠা বাবে সত্ৰভাগক বালিসত্ৰ বোলা হয়।

দামোদৰ আতাই অধিকাৰ হৈ বৰদোৱা, বালিসত্ৰ আৰু কুঁজিসত্ৰ পৰিচালনা কৰিছিল। ভক্তবৃন্দ সমন্বিতে আতাই ৰাতিপুৱাই বালিসত্ৰৰ পৰা বৰদোৱালৈ গৈ আকাশীগঙ্গাত গা তিয়াই নাম-প্ৰসঙ্গ কৰি, কুঁজীসত্ৰলৈ গৈ নিত্য প্ৰসঙ্গ কৰি কৰ্দৈ গছৰ তলত টৌ-খুটি মাৰি চাউল সিজাই আহাৰ গ্ৰহণ কৰি সন্ধিয়া বালিসত্ৰলৈ আহি সন্ধ্যা-প্ৰসঙ্গ কৰি নিশাভাগ কটাইছিল। লক্ষ্মীকান্ত আতাৰ কনিষ্ঠ পুত্ৰ ধনেশ্বৰ আতাৰ সময়ৰ পৰা সুকীয়াভাবে বালিসত্ৰ পৰিচালিত হয়।[২৬] ধনেশ্বৰ আতাৰ পিছত কনিষ্ঠ পুত্ৰ শিৱেন্দ্ৰদেৱৰ অধিকাৰ হয়। বৰ্তমানলৈ তেওঁৰ বংশধৰে সত্ৰ পৰিচালনা কৰি আছে।

এই সত্ৰত থকা নানা সাঁচিপাতৰ পুথিৰ উপৰিও 'চিত্ৰ ভাগৱত', টংচু ফুকনৰ নাম খোদিত 'বৃহৎ কাঁহৰ ঘণ্টা' আৰু মহীৱৰ বুঢ়াগোঁহাইৰ নাম খোদিত 'বৰকাঁহ', গুৰু-পদশিলা', 'তামৰ ফলি', 'বৰতোপ', 'সাগৰ জুলিবস্ত্ৰ', ধৰ্মাসনৰ পাথৰৰ খুটা, বাসুদেৱ মূৰ্তি আদি আপুৰুগীয়া সম্পদ।[২৭] সত্ৰৰ শাস্ত্ৰজ্ঞ আৰু কলা-সংস্কৃতিৰ পটুলোকসকল পাশ্চাত্য শিক্ষাত শিক্ষিত হৈ চাকৰি কৰি নিজ স্থান এৰিব লগীয়া হোৱাত সত্ৰৰ ঐতিহ্য ৰক্ষিত হোৱা নাই। ঐতিহ্যপূৰ্ণ সত্ৰখনৰ আপুৰুগীয়া সম্পদ তথা অসমৰ সত্ৰীয়া চিত্ৰকলাৰ (ৰঙীন) নিদৰ্শন থকা অষ্টাদশ শতিকাৰ 'চিত্ৰ-ভাগৱত'ৰ মূল পুথি ভাগ ৫০১ শঙ্কৰাব্দ, ১৯৫০ খ্ৰীঃত সাহিত্য-ৰত্ন হৰিনাৰায়ণ দত্তবৰুৱাই সম্পাদনা কৰি পণ্ডিত কৃষ্ণকান্ত সন্দিকৈৰ আগকথাৰে ছপাই প্ৰকাশ কৰি এক মহান জাতীয় কাম কৰি থৈ গৈছে। এই সত্ৰৰ নাট্য-সম্ভাৰ বিশেষ উল্লেখযোগ্য। *(গ্ৰন্থৰ নাট্য-সম্ভাৰ দ্ৰষ্টব্য।)*



নৃত্য-গীত, ভাওনা, ভাস্কৰ্য, শিল্প-কৰ্ম আৰু ধৰ্মগ্ৰন্থ প্ৰণয়নত নাম থকা সত্ৰ।

## নৰোৱা ৰামপুৰ ঃ

বৰদোৱা আৰু বালিসত্ৰৰ মধ্যস্থলত নৰোৱা ৰামপুৰ অৱস্থিত আছিল। বৰদোৱা-ধিং গড়কাপ্তানি পথেৰে আগবাঢ়ি গৈ উত্তৰফালে সোমোৱা এটা জৰাজীৰ্ণ কেঁচা ৰাস্তাৰ পৰা কিছুদূৰত। দামোদৰ আতাৰ নাতি ৰামচন্দ্ৰৰ পুত্ৰ ৰামদেৱ আতা (১৭১৪-১৮০২ খ্ৰীঃ) মূল বৰদোৱা সত্ৰৰ বিবাদৰ পৰা আঁতৰি শান্তিৰে ধৰ্ম-চৰ্চা কৰি থাকিবলৈ সত্ৰভাগ বৰদোৱা আৰু বালিসত্ৰৰ মধ্যস্থানত স্থাপন কৰিছিল। ৰামদেৱৰ নামেৰে সত্ৰৰ নাম ৰামপুৰ হয়।

সত্ৰ প্ৰতিষ্ঠাতা ৰামদেৱৰ পিছত পুত্ৰানুক্ৰম লক্ষ্মীকান্ত—ৰামদেৱ—ভগীৰথে বালিসত্ৰৰ লগতে ৰামপুৰ সত্ৰৰ অধিকাৰৰ দায়িত্ব চলাইছিল। উত্তৰ-বৈষ্ণৱ যুগৰ ধৰ্ম-সংস্কৃতিৰ বিখ্যাত সত্ৰ আছিল। নাম-প্ৰসঙ্গ, নাট-ভাওনাৰে সমগ্ৰ মহাপুৰুষীয়া সত্ৰৰ ভিতৰত অন্যতম। ৰামদেৱ আতাৰ পুত্ৰ ভদ্ৰদেৱে 'সীতা হৰণ' নাট ৰচনা কৰিছিল। তেওঁৰ পুত্ৰ লক্ষ্মীকান্ত আতাই ৰচনা কৰা নাট 'কুমৰ হৰণ' স্বৰ্গদেৱ চন্দ্ৰকান্ত সিংহৰ ৰাজধানীত ভাওনা কৰি ৰাজ-প্ৰশংসা লাভ কৰিছিল।

সত্ৰখন স্বাধীনতাৰ পূৰ্বে কুৰি শতিকাৰ ৩য়-৪ৰ্থ দশকৰ পৰা অবৈধ অনুপ্ৰবেশৰ ৰম্যভূমি হৈ নিশ্চিহ্ন হৈ গৈছে। সত্ৰখনৰ ৩৯০ বিঘা নিষ্পিখেৰাজ মাটি বেদখলৰ গৰাহত পৰি ভেটিটো পৰ্যন্ত চিনচাৱ নাইকিয়া হৈছে। কেন্দ্ৰীয় চৰকাৰৰ পুৰাতত্ত্ব বিভাগে আগবঢ়োৱা এক লাখ টকা মঞ্জুৰীৰে নিৰাপত্তাৰ অভাৱৰ বাবে সত্ৰখন পুনৰ নিৰ্মাণ কৰি সংৰক্ষণ কৰিব নোৱাৰিলে।[২৮]

বৰ্তমানো (২০০১ চন) ৰাজহ বিভাগৰ নথিত বটদ্ৰৱা মৌজাৰ ৰামপুৰ সত্ৰৰ ২৯৯ বিঘা ৭ লোছা মাটি বৰদোৱা বৰফাল সত্ৰৰ অধিকাৰৰ নামৰ পট্টাত আছে।[২৯]

জাতীয় ধৰ্ম-সংস্কৃতিৰ প্ৰতি থকা সচেতন ৰাইজ তথা চৰকাৰে সত্ৰখন পুনৰ উদ্ধাৰৰ বাবে সংৰক্ষণ কৰাৰ বাস্তৱ ব্যৱস্থা গ্ৰহণ কৰাটো প্ৰয়োজন।

## নৰোৱা ভেটিয়নী ঃ

বটদ্ৰৱা মৌজাৰ ভেটিয়নীত, বৰদোৱা সত্ৰৰ পৰা ১ কিলোমিটাৰত পূবত অৱস্থিত।

ৰমাকান্ত আতাৰ বংশধৰ লক্ষ্মীকান্ত আতাৰ ছয়পুত্ৰৰ প্ৰথম পুত্ৰ দামদেৱৰ অকাল মৃত্যু হোৱাত তেওঁৰ পুত্ৰ হৰেন্দ্ৰনাৰায়ণক বৰদোৱা বৰফালৰ অধিকাৰ পতাৰ চেষ্টা কৰা হয় যদিও দামদেৱৰ ভ্ৰাতৃ ৰামদেৱ আতাই অধিকাৰৰ পদ দাবী কৰি বৰদোৱা বৰফালৰ অধিকাৰ হয়। খুৰাক-ভতিজাকৰ কন্দলত হৰেন্দ্ৰনাৰায়ণে

মনত বেজাৰ পাই বৰদোৱা ত্যাগ কৰি বৰ্তমান মৰিগাঁও জিলাৰ অন্তৰ্গত ধৰমতুলৰ তেলাহিত সত্ৰ পাতি ৰয় আৰু কিছুদিন পিছত তাৰ পৰা উঠি আহি নগাঁও জিলাৰ বৰদোৱাৰ সমীপত পূবফালে সত্ৰ এখনি পাতে।[৩০] এই ঠাইতে ভূঞাসকলৰ পূৰ্বৰ ভেটিৰ চিহ্ন আছিল। সেইকাৰণে সত্ৰৰ নাম হ'ল ভেটিয়নী সত্ৰ।

নাট-কাব্য ৰচনা আৰু ভাওনা-অভিনয়ত সমৃদ্ধ সত্ৰখনৰ ঐতিহ্য অক্ষুণ্ণ হৈ থকা নাই। সত্ৰ প্ৰতিষ্ঠাপক হৰেন্দ্ৰনাৰায়ণ আৰু যোগেন্দ্ৰদেৱে কেইবাখনো নাট ৰচনা কৰিছিল। *(গ্ৰন্থৰ নাট্য-সম্ভাৰ দ্ৰষ্টব্য)*। প্ৰয়াত পূৰ্ণেন্দ্ৰনাৰায়ণৰ পিছত অধিকাৰ পতাৰ কথা জনা নাযায়।

### নৰোৱা তলিবিল ঃ

থিং মৌজাৰ তলিবিল সোণাৰী গাঁৱত অৱস্থিত।

বৰদোৱা বৰহিছাৰ লক্ষ্মীকান্তৰ ৩য় পুত্ৰ নৰনাথ 'ভাগতী' আতা নামে জনাজাত। ককায়েক হৰেন্দ্ৰনাৰায়ণ বৰদোৱা বৰহিছাৰ পৰা গুচি যোৱাৰ পিছত নৰনাথে থিঙলৈ গৈ তলি বৰ বহল বিল এখনৰ পাৰত এখনি সত্ৰ পাতে। সেই সত্ৰখনেই তলি বৰবিল বা তলিবিল সত্ৰ। সত্ৰৰ নামঘৰ আৰু নৰোৱা সত্ৰৰ পুথিভড়াঁল এটা আছে। এই সত্ৰৰ কেইবাজনো আতাই কাব্য আৰু নাট্য সাহিত্যলৈ বৰঙণি আগবঢ়াই থৈ গৈছে। চাৰি-প্ৰসঙ্গ, ভাওনা, গীত-পদৰ ঐতিহ্য হ্ৰাস পাইছে।

পিতলৰ ডবা, সাতখলপীয়া সিংহাসন মণিকূটত আছে। ভাস্কৰ্য শিল্পত চহকী সত্ৰভাগত দহমূৰীয়া ৰাৱণ, কুঁজী আদিৰ মুখা আৰু নানা পুথি-পাজি আছে।[৩১] নৰনাথৰ নাতি তিলকচন্দ্ৰই 'দেৱজিৎ', 'খটাসুৰ বধ' আৰু 'ভীষ্মপৰ্ব' নাট ৰচনা কৰে বুলি জনা যায়। তিলকচন্দ্ৰৰ পিছত ভাৰপ্ৰাপ্ত অধিকাৰে পৰিচালনা সমিতিৰে সত্ৰভাগ চলাই আছে।

## *॥ বৰদোৱা শলগুৰি সত্ৰসমূহ ॥*

### বৰদোৱা শলগুৰি ঃ

আহোম স্বৰ্গদেউ কমলেশ্বৰ সিংহৰ নিৰ্দেশমতে ১৭৯৯ খ্ৰীঃত মূল বৰদোৱা সত্ৰ দ্বি-খণ্ডিত হোৱাৰ লগে লগে আন ভাগৰ নাম সৰুফাল বা সৰুহিছা হয়। ৰামচৰণ বয়সত কনিষ্ঠ কাৰণে তেওঁৰ ভাগটোক সৰুফাল বা সৰুহিছা বোলা হয়। এই ফালটো শলগুৰি ঠালৰ বুলি কোৱা হয়। কনকলতাৰ জীয়ৰী সুভদ্ৰাৰ পুত্ৰ অনন্তৰাম উজনিলৈ যোৱাত চক্ৰধ্বজ সিংহৰ ৰাজমাৱে কোৱামৰা (গোৱিন্দপুৰ) সত্ৰ পাতি দিয়াৰ পিছত তেওঁ দিহিং নদীৰ পাৰৰ শলগুৰি নামৰ জানৰ পাৰত মধুপুৰ নামৰ এখনি সত্ৰ পাতে। সেই সত্ৰৰ নাম পিছত শলগুৰি সত্ৰ হয়।[৩২] 'শ্ৰীশ্ৰীঅনন্ত চৰিত' মতে শলগুৰিৰ গ্ৰামী ভকতবৃন্দই শলগুৰি চাপৰিত দিয়া মাটিত



সত্ৰ-সভা পাতি মধুপুৰ সত্ৰ নাম দিছিল। শলগুৰিৰ চাপৰিত পতা কাৰণে সত্ৰৰ নাম শলগুৰি।[৩৩] কমলেশ্বৰ সিংহৰ দিনত বৰদোৱা সত্ৰ দুভাগ কৰি দিয়াত দামোদৰ আতাৰ পৰিনাতি ৰামদেৱৰ ভাগ বৰদোৱা নৰোৱা আৰু অনন্তৰামৰ পৰিনাতি ৰামচৰণৰ ভাগ বৰদোৱা শলগুৰি নামে জনাজাত হয়।

নৰোৱা ফালৰ দৰে চৈধ্য-প্ৰসঙ্গ, গুৰু-তিথি, নাট-ভাওনা, গীত-নৃত্য, জন্মাষ্টমী, ৰাস, ফাল্গু উৎসৱ আদি শলগুৰি সত্ৰত পয়োভৰেৰে চলে। বৰদোৱা শলগুৰিৰ সত্ৰাধিকাৰ জ্যেষ্ঠানুক্ৰমে পতা হয়। প্ৰথম সত্ৰাধিকাৰ ৰামচৰণৰ পৰা বৰ্ত্তমান ত্ৰয়োদশ জনাই অধিকাৰৰ দায়িত্ব চলাই আছে। সত্ৰাধিকাৰৰ ক্ৰম ঃ ৰামচৰণ—কৃষ্ণকান্ত—ভদ্ৰকান্ত—যদুকান্ত—পূৰ্ণকান্ত—নৱকান্ত—ভোগেশ্বৰ—লীলাধৰ—ধৰ্মচন্দ্ৰ—ভৱচন্দ্ৰ—অৰবিন্দ—সোমেশ্বৰদেৱ আৰু বৰ্তমান শ্ৰীপৰমানন্দ মহন্ত।

জাতি-বৰ্ণ-ধৰ্ম সম্প্ৰদায় নিৰ্বিশেষে সকলোকে ঐক্যবদ্ধ কৰা মূল বৰদোৱা সত্ৰ দ্বিখণ্ডিত হৈ চলাত অসমৰ সচেতন সজ্জন বৈষ্ণৱে ১৯৫৮ খ্ৰীঃত সত্ৰ দুভাগ পুনৰ ঐক্যবদ্ধ কৰি থান পৰিচালনা সমিতিৰ জৰিয়তে পৰিচালনা কৰিবলৈ লয়। সত্ৰীয়া উৎসৱ-পৰ্ব, নাম-প্ৰসঙ্গ আদি দুয়োভাগ সত্ৰৰ সমন্বয়ত উমৈহতীয়াভাৱে মূল কীৰ্তন-ঘৰত সুচাৰুৰূপে চলি আছে।

বৰদোৱা শলগুৰি সত্ৰৰ পূৰ্ণকান্তই 'লঙ্কা দহন', 'বালীবধ', 'হৰিশ্চন্দ্ৰ উপাখ্যান' আৰু তেওঁৰ পুত্ৰ নৱকান্তই 'ভীষ্ম পৰ্ব', 'অভিমন্যু বধ', 'পাতালী কাণ্ড' আৰু 'কালপৰ্ব' নাট ৰচিছিল।

গুৰু-নাতি সত্ৰ বুলি কোৱামৰা—শলগুৰি সত্ৰক আহোম ৰজাই মৰ্যাদা দিছিল। নগাঁৱত বৰদোৱা শলগুৰিৰ উপৰিও আইভেটি, আইভেটি ন-সত্ৰ, লেতেৰী, গুৰুদল বৰবৰি, সৰুবৰি, ইটাকুলি আদি কেইবাখনো শলগুৰি সত্ৰ আছে।

### আইভেটি শলগুৰি ঃ

নগাঁও জিলাৰ নগাঁও নগৰৰ পৰা ১০ কিলোমিটাৰ পশ্চিমে হাতীচোং মৌজাৰ ৰাইদঙ্গিয়াৰ আইভেটি গাঁৱত।

চতুৰ্ভুজ ঠাকুৰৰ ভাৰ্যা আই কনকলতাই ভাটিৰ বিষ্ণুপুৰত থাকোঁতে তাৰ পৰা গুৱাহাটীৰ টংচু ফুকনৰ যোগেদি জয়ধ্বজ সিংহৰ সাহায্য লাভ কৰি ১৬৫৬ খ্ৰীঃত ছকুৰি ভকত আৰু তিনিকুৰি ৰজাঘৰীয়া পাইকসহ দামোদৰ আতা, কৰচোঙৰ ভগবান আতা আৰু মিকিৰ ৰজা চেতুৱাক লগত লৈ শ্ৰীমন্ত শঙ্কৰদেৱৰ জন্ম পুণ্যভূমি উদ্ধাৰৰ কাৰণে উজাই আহি নগাঁৱৰ পৰা ১০ কিলোমিটাৰ পশ্চিমত ৰাইদঙ্গিয়াৰ ওখ ভেটি এটাত খুটি পুতি নাও বান্ধিলে। কিন্তু কালিন্দী আইৰ মুখে শুনা বৰ্ণনাৰ লগত ঠাইখিনিৰ বৰ্ণনা নিমিলাত তাৰ পৰা আগুৱাই যায়। আই কনকলতাই থিতাপি লোৱা ঠাইখন আইভেটি নামে জনাজাত হয়। আইৰ স্মৃতি

ৰক্ষাৰ বাবে বৰদোৱা শলগুৰিৰ অধিকাৰ ৰামচৰণৰ ভাতৃ হৰিচৰণ আতাই আইভেটিলৈ আহি আইভেটি শলগুৰি সত্ৰ স্থাপন কৰে। নাম-প্ৰসঙ্গ, তিথি, উৎসৱ, জন্মাষ্টমী আদি পালন কৰি সত্ৰখন প্ৰৱৰ্ত্তি আছে। পূৰ্বে নাট-ভাওনা, নাম-প্ৰসঙ্গৰে অঞ্চল ৰজনজনাই আছিল। ৰমাকান্ত আতাই 'বিজয়াসুৰ বধ' নাট ৰচনা কৰিছিল। সত্ৰত শ্ৰীমদ্ভাগৱত, কীৰ্ত্তন-ঘোষা, গুণমালা, গুৰু-চৰিত আদি সাঁচিপতীয়া পুৰণি পুথি আৰু কেইবাখনো নাট আছে। পাঁচখলপীয়া সিংহাসনত ভাগৱত থকা সত্ৰৰ মূৰ্ত্তি বংশীবাদন আৰু ডবা, বৰচৰিয়া, ঢৌ, শৰাই, গৰুড়ৰ মূৰ্ত্তি আপুৰুগীয়া সম্পদ।[৩৪]

জয়ধ্বজ সিংহই দিয়া ২০০০ বিঘা নিষ্পিখেৰাজ আছিল। পিছত আইভেটি ন-সত্ৰৰ ভাগলৈ যায়। জনজাতীয়, অনুসূচীত আৰু অন্যান্য পিচপৰা জাতিৰ শিষ্য আছে কেবাশও। সত্ৰ আৰ্থিকভাৱে দুৰ্বল। সত্ৰগৃহ নতুনকৈ বন্ধাৰ চেষ্টা কৰিছে।

হৰিচৰণ আতাৰ পিছত শশধৰ আতা সত্ৰাধিকাৰ হয়। তেওঁৰ পিছত মহীকান্ত ন-সত্ৰৰ অধিকাৰ অভিষিক্ত হোৱাত কনিষ্ঠ ভাতৃ উপেন্দ্ৰদেৱ অধিকাৰ হয়। উপেন্দ্ৰৰ পিছত মাণিকচন্দ্ৰ, তেওঁৰ পিছত চক্ৰদেৱ আৰু বৰ্তমান শ্ৰীনেত্ৰদেৱ মহন্ত জ্যেষ্ঠানুক্ৰমে সত্ৰৰ অধিকাৰ।

## আইভেটি শলগুৰি ন-সত্ৰ ঃ

হাতীচোং মৌজাৰ ৰাইদঙ্গিয়াৰ আইভেটি সত্ৰৰ পৰা প্ৰায় ডেৰ কিলোমিটাৰ দূৰত অৱস্থিত।

হৰিচৰণ আতা আইভেটি সত্ৰৰ অধিকাৰ হৈ থাকোঁতে তেওঁৰ পুত্ৰ শশধৰে পানীৰ অসুবিধা আৰু ৰজাই দান দিয়া খেতিৰ মাটি দূৰত হোৱা বাবে ডেৰ কিলোমিটাৰ দূৰত নতুনকৈ সত্ৰ এখন স্থাপন কৰে। সত্ৰৰ নাম হয় আইভেটি শলগুৰি ন-সত্ৰ। জয়ধ্বজ সিংহই দিয়া সত্ৰৰ নিষ্পিখেৰাজ ২০০০ বিঘা আছিল। বৃটিছ চৰকাৰৰ দিনত শশধৰ আতাই কিছু মাটি এৰি দি ১৪৭৮ বিঘা নিষ্পিখেৰাজ হিচাবে ৰাখে। উল্লেখযোগ্য যে অসম চৰকাৰে ১৯৭১ চনত সত্ৰৰ নামত ৫০ বিঘা মাটি দি বাকী ১৪৭৮ বিঘা নিষ্পিখেৰাজ অধিগ্ৰহণ কৰে।[৩৫]

শঙ্কৰদেৱৰ পদশিলা, সোণৰ চুলা দিয়া এপাত পাদুকা, সাগৰ জুলি বস্ত্ৰ চন্দ্ৰকান্ত সিংহই শশধৰ আতাক দিয়া তামৰ শৰাই, মাইহাং, ৰূপ খটোৱা পিতলৰ শৰাই আদি আপুৰুগীয়া সম্পদ সত্ৰত ভক্তিপূৰ্ণভাৱে সংৰক্ষণ কৰি ৰাখিছে। মহীকান্তৰ 'বলি-বাসৱৰ যুদ্ধ', ৰত্নেশ্বৰৰ 'ৰাজসূয় যজ্ঞ', আত্মানন্দৰ 'লৱণ দৈত্য বধ' নাট উল্লেখযোগ্য। 'সত্ৰ সংস্কৃতিৰ ৰূপৰেখা' মতে আত্মানন্দই 'দণ্ডীপৰ্ব', 'অগ্নিপুৰাণ', 'পাণ্ডৱ-স্বৰ্গাৰোহণ', 'অভিমন্যু বধ', 'শ্ৰীকংস চিন্তা' নাটো ৰচনা



কৰিছিল। সত্ৰ ধৰ্ম-সংস্কৃতিৰ বিজ্ঞলোক নবীনচন্দ্ৰ মহন্তই 'পাণ্ডৱ বিজয়' নাট কাটিছিল। *(গ্ৰন্থত থকা নাট্য-সম্ভাৰ দ্ৰষ্টব্য।)* সত্ৰত থকা অতি মূল্যবান আপুৰুগীয়া সম্পদ চিত্ৰ-সম্বলিত 'পাৰিজাত হৰণ নাট' এজনা গৱেষক পণ্ডিতে কুৰি শতিকাৰ অষ্টম দশকত নি ঘূৰাই নিদিয়াত সকলোৱে আক্ষেপ কৰি আছে।[৩৬]

সত্ৰীয়া নাম-প্ৰসঙ্গ, নাট-ভাওনা, নৃত্য-বাদ্য-গীত, শৰণ-ভজন আদিৰ পৰম্পৰা ৰক্ষা কৰি আছে। নগাঁৱৰ বিভিন্ন ঠাইৰ বাহিৰেও শিৱসাগৰ, যোৰহাট, নলবাৰী, মৰিগাঁও, গুৱাহাটী আদিত শিচ-ভকত আছে। অধিকাৰৰ বাসগৃহ, ভকতৰ বহা-হাটীৰে সত্ৰ-চৌহদ আহল-বহল।

এই সত্ৰৰ জ্যেষ্ঠানুক্ৰমে সত্ৰাধিকাৰসকল হ'লঃ শশধৰৰ পিছত মহীকান্ত—ৰত্নেশ্বৰ—আত্মানন্দ আৰু বৰ্তমান শ্ৰীথুলেশ্বৰ মহন্তই সত্ৰভাগ চলাই আছে।

## লেতেৰী শলগুৰি ঃ

নগাঁও জিলাৰ ধিং অঞ্চলত।

বৰদোৱা শলগুৰি সত্ৰৰ পৰা এটা ঠাল আহি সুঁতিৰপাৰত ঘাঁহ-বন, গছ-গছনি কাটি চাফ কৰি বসবাস কৰিবলৈ লৈ তাতে এখনি সত্ৰ পাতে। এই সত্ৰখন লেতেৰি সুঁতিৰপাৰত অৱস্থিত কাৰণে লেতেৰী সত্ৰও বোলা হয়। ঐতিহ্যমণ্ডিত সত্ৰভাগৰ সাঁচিপতীয়া দশম, ৰজাদিনীয়া বৰপেৰা, তাল ২১ যোৰ, শৰাই ১০ খন, সাঁচিপাতৰ পুথি ১০ খন, পিতলৰ সিংহদুৱাৰ, আঢ়ৈ ফুট ওখ বংশীবাদন মূৰ্ত্তি, কলচী ৫টা, আসনৰ সোণ-ৰূপ এৰৈশ পাহ, সোণৰ গামখাৰু, মুঠিখাৰু দহযোৰ আৰু চাপকন, পাগুৰি, চেলেং আদি বস্ত্ৰৰ বাকচ সত্ৰৰ আপুৰুগীয়া সম্পদ আছিল। সত্ৰৰ যদুকান্তই 'বাৰণ বধ' নাট লিখিছিল। ১৯৮৩ চনৰ সাম্প্ৰদায়িক সংঘৰ্ষত সংখ্যালঘু অধ্যুষিত অঞ্চলত অৱস্থিত সত্ৰৰ সাঁচিপতীয়া দশম আৰু ৰজাদিনীয়া বৰপেৰাটোৰ বাহিৰে সকলো সম্পদ চুৰি হয়।[৩৭] সত্ৰখনৰ পৰিচালক গৰাকী পাটেকীবৰিত থকাত ভক্ত বাইজে সত্ৰভাগ চলাই আছে। সত্ৰৰ ঐতিহ্য ম্লান।

## *॥শঙ্কৰদেৱৰ নাতি পুৰুষোত্তমৰ জী-জোঁৱাইৰ পৰা বঢ়া সত্ৰ॥*

*শ্ৰীমন্ত শঙ্কৰদেৱৰ তিনি পুত্ৰ ৰমানন্দ, কমললোচন আৰু হৰিচৰণ। দ্বিতীয় পুত্ৰ কমললোচনৰ অকাল মৃত্যু ঘটে। প্ৰথম পুত্ৰ ৰমানন্দৰ পুত্ৰ পুৰুষোত্তম ঠাকুৰ শঙ্কৰদেৱৰ বৰনাতি। তেওঁৰ তিনিগৰাকী ভাৰ্যা লক্ষ্মীপুৰীয়া (প্ৰিয়া), ৰুক্মিণী (নিঃসন্তানা) আৰু ইন্দুমতী বা ৰেৱতী। কোনো গৰাকীৰ পুত্ৰ সন্তান নাই। পুৰুষোত্তমৰ এগৰাকী ভাৰ্যা ইন্দুমতী বা ৰেৱতীৰ কন্যা অনন্তপ্ৰিয়াৰ বিয়া হয় ইন্দ্ৰজিৎ গাভৰুগিৰিৰ লগত। তেওঁলোকৰ পৰা চাৰিখন সত্ৰ বাঢ়ে— হাতীমৰা,*

*কুঢ়িমৰা, চেপেটিমৰা আৰু ঘঁৰিয়ালে খোৰা। লক্ষ্মীপুৰীয়াৰ তিনিগৰাকী কন্যা সন্তান। তাৰে কেশৰপ্ৰিয়াৰ বিয়া হয় নিৰঞ্জন গাভৰুগিৰিৰ লগত। প্ৰথমা পত্নী কেশৰপ্ৰিয়াৰ অকাল বিয়োগত নিৰঞ্জন গাভৰু গিৰিয়ে 'ভাত নাখাতী' আইক বিয়া পাতে। তেওঁলোকৰ চাৰিপুত্ৰ চক্ৰপাণি, শাৰঙ্গপাণি, গদাপাণি আৰু পদ্মপাণি। চাৰিপুত্ৰৰ চক্ৰপাণিয়ে চামগুৰি, সাৰঙ্গপাণিয়ে দীঘলী, গদাপাণিয়ে চৰাইখোৰোং (খোলা) আৰু সাৰঙ্গপাণিৰ দ্বিতীয় পুত্ৰ ব্ৰজপাণিয়ে ভোগবাৰী সত্ৰ স্থাপন কৰে। কোনো কোনোৱে প্ৰথম পুত্ৰ চক্ৰপাণিক নিৰঞ্জন গাভৰু গিৰিৰ প্ৰথমা ভাৰ্যা কেশৰপ্ৰিয়াৰ পুত্ৰ বুলি কয়।*

*সত্ৰ সম্প্ৰসাৰণৰ ফলত পৰৱৰ্তী কালত চামগুৰি, দীঘলী, চৰাইখোৰোং, ভোগবাৰী, কুঢ়িমৰা, চেপেটিমৰা সত্ৰ নগাঁৱত স্থাপিত হয়। পোনতে উক্ত সত্ৰসমূহ মাজুলীত স্থাপন কৰা হৈছিল।*

## কুঢ়িমৰা (মাৰি) ঃ

হাতীচোং মৌজাৰ জাজৰি গায়ন গাঁৱত অৱস্থিত।

শঙ্কৰদেৱৰ নাতি পুৰুষোত্তমৰ প্ৰথমা ভাৰ্যা ৰেৱতীৰ কন্যা অনন্তপ্ৰিয়া। তেওঁৰ বিয়া হয় ধাৰ্মিক লোক ইন্দ্ৰজিৎ গাভৰুগিৰিলৈ। শিৱসাগৰৰ কুঢ়িমাৰি বিলৰ পাৰত শিৱসিংহৰ ৰাজত্বত (১৭১৪-১৭৪৪ খ্ৰীঃত) এখনি সত্ৰ পতা হয়। সত্ৰৰ নাম বিলৰ নামেৰে কুঢ়িমৰা। মানৰ দিনত তাৰ পৰা উঠি আহি নগাঁৱৰ জাজৰি অঞ্চলত তেওঁলোকৰ পৰিনাতি প্ৰদ্যুম্নদেৱে সত্ৰ প্ৰতিষ্ঠা কৰে। সত্ৰ প্ৰতিষ্ঠিত গাঁওখনক গায়ন গাঁও বোলা হয়। এই সত্ৰৰ পূৰ্বৰ অধিকাৰ বিষ্ণুদেৱে আতাই বাৰবছৰ অন্ন বা ভাত খোৱা নাছিল। সেইকাৰণে সত্ৰখন 'ভাত নোখোৱা আতাৰ সত্ৰ' নামে জনাজাত হয়।[৩৮] তেওঁলোকৰ বংশ নথকা বাবে বৰদোৱা নবোৱা বংশই সত্ৰখন চলায়। সত্ৰীয়া নৃত্য-গীত-বৰগীতৰ যশস্বী শিল্পী, অসম চৰকাৰৰ শিল্পী পেঞ্চনাৰ শ্ৰীনন্দেশ্বৰ শইকীয়া জাজৰি কুঢ়িমৰা সত্ৰৰ। প্ৰয়াত সত্ৰাধিকাৰ ভবেন্দ্ৰদেৱ গোস্বামী সত্ৰীয়া নৃত্য-গীতৰ নিপুণ শিল্পী আছিল। সত্ৰৰ ঐতিহ্য নাই।

## চেপেটিমৰা ঃ

হাতীচোং মৌজাৰ জাজৰি অঞ্চলত কুঢ়িমৰাৰ পৰা অলপ আঁতৰত অৱস্থিত।

পুৰুষোত্তমৰ জোৱায়েক ইন্দ্ৰজিৎ গাভৰুগিৰি আৰু তেওঁৰ পত্নী অনন্তপ্ৰিয়াৰ পৰা বঢ়া হাতীমৰা, চেপেটিমৰা, কুঢ়িমাৰি আৰু ঘৰিয়ালে খোৱা– চাৰিসত্ৰৰ ভিতৰত কুঢ়িমাৰি আৰু চেপেটিমৰা এই দুখন সত্ৰ নগাঁৱৰ জাজৰি অঞ্চলতে। কুঢ়িমৰা সত্ৰৰ স্থাপক প্ৰদ্যুম্নৰ ভায়েক লম্বোদৰদেৱে কুঢ়িমৰাৰ পৰা



অলপ আঁতৰত চেপেটিমৰা সত্ৰ স্থাপন কৰে।[৩৯] সত্ৰখনৰ বৰ্তমান অস্তিত্ব নাই। ইয়াৰ তথ্য পোৱা নাই।

*॥ পুৰুষোত্তমৰ ২য় জোঁৱাইৰ পৰা বঢ়া ॥*

## ॥দীঘলী চৰাইখোৰোং ৰাইদঙ্গিয়া ॥

হাতীচোং মৌজাৰ ৰাইদঙ্গিয়াৰ ভাটীখণ্ডত অৱস্থিত।

উত্তৰ লক্ষীমপুৰৰ নাৰায়ণপুৰ অঞ্চলত চৰাইখোৰোং নামৰ ঠাইত প্ৰথমে এই সত্ৰ পতা হয়। পুৰুষোত্তম ঠাকুৰৰ ২য়া ভাৰ্যা লক্ষ্মীপ্ৰিয়াৰ জীয়ৰী কেশৰপ্ৰিয়াৰ বিয়া হয় নিৰঞ্জন গাভৰুগিৰিৰ লগত। তেওঁৰ ২য়া ভাৰ্যা ভাত নাখেতী আইৰ পুত্ৰ গদাপাণি। মানৰ উপদ্ৰৱ, পাহাৰীয়া লোকৰ অসূয়া, বানপানীৰ গৰাহত তেওঁ ভটীয়াই আহি নগাঁও নগৰৰ পৰা পশ্চিমে ৭ কিলোমিটাৰ দূৰত হাতীচোং মৌজাৰ ৰাইদঙ্গিয়াত আইভেটি থানৰ ওচৰত চৰাইখোৰোং সত্ৰ স্থাপন কৰে। ভাস্কৰ্য্য-শিল্পত— বিশেষকৈ সিংহাসন, মুখা আদি কাঠৰ কামত নৈপুণ্যৰ বাবে কিছুমানে এই সত্ৰক চৰাইখোলোং বুলিও কয়। সত্ৰৰ কাঠৰ ভাস্কৰ্য-কৰ্মত নিপুণ শিল্পীৰ পৰম্পৰা আজিও ৰক্ষিত। কেশকান্ত অধিকাৰৰ পিছত এই শিল্পত বৰ্তমান ধৰ্মকান্ত মহন্ত, হেমকান্ত মহন্তৰ নাম উল্লেখযোগ্য। নাম-প্ৰসঙ্গ, নাট ভাওনা, জন্মাষ্টমী, ৰাস, তিথি-পৰ্ব আদিৰে সত্ৰভাগ চলি আছে।[৪০]

## দীঘলী বৰপাথৰি পানীগাঁও ঃ

পাখীমৰীয়া মৌজাৰ বৰপাথৰিৰ পানীগাঁৱত অৱস্থিত।

নিৰঞ্জন গাভৰুগিৰিৰ পুত্ৰ শাৰঙ্গপাণিৰ বংশধৰে প্ৰতিষ্ঠা কৰা সত্ৰ। ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াত মাজুলী বনগাঁৱৰ পৰা এটা ঠাল যোৰহাট বালি-চাপৰিত আৰু এটা ঠাল নগাঁৱৰ বৰপাথৰি পানীগাঁৱত বসতি কৰে। শাৰঙ্গপাণিৰ পুত্ৰ অচ্যুতানন্দ, তেওঁৰ পুত্ৰ স্বৰূপানন্দ। তেওঁৰ পৰিনাতি ঋষভৰ পুত্ৰ পদ্মকান্তদেৱে বৰপাথৰিত সত্ৰ প্ৰতিষ্ঠা কৰে ঊনবিংশ শতিকাৰ শেষ ভাগত।

সত্ৰীয়া নাম-প্ৰসঙ্গ, নৃত্য-গীত-ভাওনাৰ চৰ্চা থকা সত্ৰ। সত্ৰখনত গুৰু-পাদুকা সিংহাসন, মুখা, গৰুড়পক্ষী, বাঁহ-বেতৰ তথা চাৰু-কাৰুকলাৰ যশস্বী শিল্পী আছিল। এই সত্ৰৰ প্ৰতিষ্ঠাতা প্ৰয়াত পদ্মকান্ত চাৰুকাৰু কলাৰ পাকৈত শিল্পী আছিল। তেওঁ সিংহাসন, গৰুড়পক্ষী, মুখা, বাঁহ-বেতৰ বিচনী আদি তৈয়াৰ কৰিছিল।[৪১] বৰ্তমান সেই ঐতিহ্য ম্লান হৈছে। সাধাৰণ জাতি আৰু অন্যান্য পিচপৰা সম্প্ৰদায়ৰ উপৰিও কছাৰী-মিচিং আদি জনজাতীয় শিষ্যও আছে। নগাঁও, মৰিগাঁও, শিৱসাগৰ, যোৰহাট আদিত শিচ-ভকত আছে। সত্ৰাধিকাৰৰ ক্ৰমঃ প্ৰতিষ্ঠাতা পদ্মেশ্বৰ আতাৰ পিছত ইন্দ্ৰেশ্বৰ—জগন্নাথ আৰু বৰ্ত্তমান সত্ৰীয়া

নৃত্য শিল্পী শ্ৰীমুনীন্দ্ৰ মহন্তই অধিকাৰৰ দায়িত্বত সত্ৰভাগ চলাই আছে।

### দীঘলী পুৰণা ভোগবাৰী ঃ

হাতীচোং মৌজাৰ বাইদঙ্গিয়াৰ সোণাই নদীৰ পাৰত।

মাজুলীৰ দীঘলী বিলৰ পাৰত ৰুদ্ৰসিংহৰ দিনত নিৰঞ্জন গাভৰুগিবিয়ে দীঘলী সত্ৰ পাতে ১৫১৯ খ্ৰীঃত। নিৰঞ্জন আতাৰ ২য় পুত্ৰ ব্ৰজপাণিয়ে তাৰ পৰা ভটীয়াই আহি সোণাই নদীৰ উত্তৰ পাৰে আইভেটিৰ পূৱত ভোগবাৰী সত্ৰ স্থাপন কৰে। সিংহাসনত শ্ৰীমদ্ভাগৱত আৰু এভাগ কৃষ্ণমূৰ্তি স্থাপন কৰা হৈছে। কীৰ্ত্তন-ঘোষা, দশম আদি সাঁচিপাতৰ পুথি আছে।

সত্ৰীয়া গায়ন-পদ্ধতিৰ বৰগীত, নাম-প্ৰসঙ্গ আৰু ভাওনা-নৃত্য-বাদ্যাদি চৰ্চাত সুনাম থকা সত্ৰ। বৰ্তমান অধিকাৰ শ্ৰীসোমচন্দ্ৰ মহন্ত ধৰ্ম-সংস্কৃতিৰ বিজ্ঞলোক। তেওঁৰ জীয়ৰী অমিয় মহন্ত এগৰাকী অসমৰ যশস্বী বৰগীত গায়িকা।

প্ৰতিষ্ঠাপক ব্ৰজপাণিৰ পিছত সতানন্দ—সুচাৰুদেৱ—গোপাল—শ্ৰীকান্ত হৰিৰাই—ৰঘুকান্ত—ইন্দ্ৰকান্ত আৰু বৰ্তমান সোমচন্দ্ৰ মহন্ত জ্যেষ্ঠানুক্ৰমে সত্ৰাধিকাৰ পদত আছে।[৪২]

### দীঘলী নতুন ভোগবাৰী ঃ

হাতীচোং মৌজাৰ জাজৰি থানাৰ অন্তৰ্গত ৰাইদঙ্গিয়াৰ আইভেটি গাঁৱত অৱস্থিত।

আইভেটিৰ পৰা প্ৰায় ২ কিলোমিটাৰ দূৰৰ এটা বিজাৰ্ভত সত্ৰখন প্ৰতিষ্ঠিত। পূৰ্বৰ স্থান শিৱসাগৰ ভোগদৈ। শিৱসাগৰৰ ভোগদৈ– নগাঁৱৰ ভোগবাৰী। 'এঠাই দৈৰ ভোগালি আৰু এঠাই বাৰী-পথাৰ সামগ্ৰীৰে ভোগালি'। সেইবাবে দুয়ো ঠায়েই ভোগৰবাৰী- ভোগবাৰী। কুৰি শতিকাৰ আদিভাগত মদন আতাই পুৰণি ভোগবাৰীৰ পৰা অলপ দূৰত সত্ৰখন স্থাপন কৰে।[৪৩]

সত্ৰৰ কীৰ্ত্তন-ঘৰ, মণিকূট-নামঘৰসহ কলেৱৰত ডাঙৰ, আহল-বহল। নাম-প্ৰসঙ্গ-ভাওনা-সবাহ, জন্মাষ্টমী, ফাকুৱা, তিথি-পৰ্ব পৰম্পৰাগতভাৱে চলি আছে। থাপনাত ভাগৱত থকা সত্ৰখনত গুণমালা, দশম, কীৰ্ত্তন-ঘোষা আৰু কেইবাখনো নাটৰ পুথি আছে। পদ্মকান্ত নিপুণ ভাস্কৰ্য শিল্পী আছিল। বৰ্তমানো কাঠৰ কামৰ শিল্পী আছে। সত্ৰৰ আৰ্থিক অৱস্থা স্বচ্ছল নহয়। শ্ৰীলীলাকান্ত মহন্তই সত্ৰভাগ তদাৰক কৰি আছে।



*॥ধৰ্মনাৰায়ণৰ বংশধৰে পতা সত্ৰ ॥*

### চামগুৰি ঃ

নগাঁও নগৰৰ পৰা ২১ কিলোমিটাৰ পূবে ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত চামগুৰি বিলৰ পাৰত অৱস্থিত আছিল।

পুৰুষোত্তমৰ জীব পো চক্ৰপাণিয়ে মাজুলীৰ চামগছৰ গুৰিত ১৫৮৫ খ্ৰীঃত স্থাপন কৰা সত্ৰই বিস্তৃতি লাভ কৰে। তেওঁৰ পুত্ৰ ধৰ্মনাৰায়ণে কলিয়াবৰত চামগুৰি সত্ৰ স্থাপন কৰে।

ঊনবিংশ শতিকাৰ আদি ভাগত কলিয়াবৰ চামগুৰি সত্ৰৰ বংশধৰে কলিয়াবৰৰ পৰা ভটীয়াই আহি প্ৰায় ১৮ কিলোমিটাৰ পশ্চিমে থকা এটা ডাঙৰ বিলৰ দাঁতিত এখনি সত্ৰ প্ৰতিষ্ঠা কৰিছিল। পূৰ্বৰ সত্ৰৰ নামেৰে সেই সত্ৰখনৰ নাম চামগুৰি সত্ৰ বোলা হৈছিল আৰু সত্ৰৰ নামেৰে বিলৰ নাম চামগুৰি বিল হয়।[৪৪] বৰ্তমান সেই চামগুৰি নগাঁও জিলাৰ মৎস্য-পক্ষী উদ্ভৈদীৰ এটা বিখ্যাত বিলৰূপে খ্যাত।

এসময়ৰ ধৰ্ম-সাহিত্য-ভাস্কৰ্যত চহকী চামগুৰি সত্ৰ বৰ্তমান বিলুপ্ত।

### মঠবৰি ঃ

ৰহাৰ পৰা চাৰি কিলোমিটাৰ পশ্চিমত বাৰপূজীয়াত মঠবৰি নামৰ সত্ৰ অৱস্থিত। 'পবিত্ৰ অসম' মতে সাৰঙ্গপাণিৰ তৃতীয় পুত্ৰ মনোৰথ আতাৰ বংশৰ কোনোবাজনে বৰদোৱাত বাস কৰি পৰবৰ্তী কালত তাৰ পৰা গৈ নামঘৰ-মণিকূট সাজি ধৰ্ম প্ৰচাৰত নিমগ্ন হয়। সেয়া কালক্ৰমত মঠবৰি সত্ৰ[৪৫] নাম পায়। সত্ৰৰ সজাগতা নিষ্প্ৰভ।

*॥ পুৰুষোত্তমৰ আজ্ঞাপৰ॥*

### চিপহা (চুপহা) নৈ ঃ

নগাঁৱৰ শিঙিয়াপোতনি মৌজাৰ সুতাৰ কিচামৰ নৈ কুমাৰ গাঁৱত অৱস্থিত।

সত্ৰৰ আদিজনা কৃষ্ণচৰণে বৰ্তমানৰ শোণিতপুৰ জিলাৰ কলংপুৰ মৌজাৰ ব্ৰহ্মজান নামৰ ঠেক নদীৰ পাৰত বসতি কৰিছিল। ব্ৰহ্মজানৰ পাৰত তেওঁৰ মাটি, ঘৰ-বাৰী আছিল। তাত প্ৰকাণ্ড শিমলুগছৰ শিপা বাঢ়ি গৈ নদীৰ সিপাৰ পাইছিল আৰু মানুহ সেই শিপাৰে ইপাৰ-সিপাৰ হৈছিল। সেই জানৰ পাৰতে ওখ ভেটি বান্ধি কৃষ্ণচৰণে কীৰ্ত্তন ঘৰ, চাৰিহাটী, ভকতৰ বহাৰে নামধৰ্ম প্ৰচাৰ কৰে। শিপা বাঢ়ি নদীৰ সিপাৰ হোৱা গছৰ তলত থকা বাবে জনমুখে সেই ঠাই শিপা অহা বা শিপাহা পিচলৈ জনমুখে চিপহা বোলা হয় আৰু কৃষ্ণচৰণে তাত

স্থাপন কৰা সত্ৰই চিপহা নাম পায়। ডফলাৰ উপদ্ৰৱ, মৰা-কটাত কৃষ্ণচৰণৰ চাৰিপুত্ৰৰ পো-নাতি সেই ঠাই ত্যাগ কৰি তেজপুৰ আৰু ব্ৰহ্মপুত্ৰ পাৰ হৈ কলিয়াবৰ, শিৱসাগৰ আদিত গৈ থিতাপি লয়। ডঃ মহেশ্বৰ নেওগ সম্পাদিত 'পবিত্ৰ অসম' মতে চাৰিপুত্ৰৰ ৰামধন পিতৃৰ লগত তেজপুৰৰ কলংপুৰ ব্ৰহ্মাজানৰ খুটাৰগুৰি সত্ৰত আছিল। ৰামধনৰে নাতিৰ নাতি অম্বৰীষে সত্ৰ স্থাপন কৰে।[৪৬]

আনহাতে সত্ৰই দিয়া তথ্যমতে মান-ভগনত উজনিৰ শালমৰাৰ পৰা ভটীয়াই আহি বৰ্ত্তমানৰ পৰা পূৰ্বৰ চতুৰ্থ পুৰুষ দেৱজন আতাই ননৈ কুমাৰগাঁও চিপহা সত্ৰভাগ পাতে। সত্ৰখনত সংৰক্ষিত অমূল্য সাঁচিপতীয়া পুথি, পাতিতাল আদি আপুৰুগীয়া সম্পদ বৰদোৱা-গৱেষণা কেন্দ্ৰত দিয়া হৈছে।[৪৭] শঙ্কৰদেৱ, মাধৱদেৱ, গোপাল আতাৰ নাটৰ উপৰিও আন আন নাট্যকাৰৰ প্ৰায় ১৫ খন চিপহা সত্ৰৰ নাট উক্ত কেন্দ্ৰত সংৰক্ষিত হৈ আছে। *(গ্ৰন্থৰ সত্ৰৰ নাট্য-সম্ভাৰ দ্ৰষ্টব্য।)* অধিকাৰ, ভক্ত-সজ্জনে সাঁচিপাত তৈয়াৰ কৰিছিল আৰু সাঁচিপাতত পুথি লিখিছিল। কাঠ-বাঁহৰ কাৰুশিল্পৰো নিপুণ শিল্পী আছিল। কাৰুকাৰ্যখচিত পিতলৰ দুৱাৰ, কাঠৰ দুৱাৰ, দোলা-খাটোলা, দশাৱতাৰ মূৰ্ত্তি সত্ৰৰ আপুৰুগীয়া সম্পদ।

নাম-প্ৰসঙ্গ, ভাওনা, গুৰুসকলৰ তিথি, জন্মাষ্টমী, শঙ্কৰদেৱৰ জন্মোৎসৱ আদি যথানিয়মে পতা হয়। এই ভাগ সত্ৰৰ প্ৰথম অধিকাৰ দেৱজন, তাৰ পিছত বলোদেৱ—পদ্মকান্ত আৰু বৰ্তমান অধিকাৰ শ্ৰীবিশ্বনাৰায়ণ গোস্বামী। সিংহাসনত শ্ৰীমদ্ভাগৱত আৰু পিতলৰ দৈৱকীনন্দনৰ মূৰ্ত্তি স্থাপিত।

জনজাতি কছাৰী, কাৰ্বি, অনুসূচীত কৈৱৰ্ত্ত, পিচপৰা সম্প্ৰদায়ৰ নাথ, কুমাৰ, চুটীয়া, আহোম, সূত আৰু উচ্চ হিন্দু মিলি সত্ৰখনত বিভিন্ন অঞ্চলৰ প্ৰায় ডেৰহাজাৰমান শিষ্য আছে।

## ফুলবাৰী ঃ

পাথীমৰীয়া মৌজাৰ ননৈ উৰিয়াগাঁৱত অৱস্থিত। নগাঁও নগৰৰ পৰা ১০ কিলোমিটাৰ দক্ষিণত ননৈ-চকৰ পৰা ১ কিলোমিটাৰ সোঁফালে সোমাই ননৈ নদীৰ পাৰত। পূৰ্বে সত্ৰখন ধৰ্ম-সংস্কৃতি, শিচ্-ভকতেৰে নাম থকা আছিল। বৰ্ত্তমানৰ সত্ৰৰ ঐতিহ্য পৰম্পৰা হ্ৰাস পাইছে। "ফুলবৰীয়াৰ জানা বাপু পৰ্শুৰাম" বুলি 'অনন্ত চৰিত'ত উল্লেখ আছে। ঠাকুৰে পতা বাৰজন আচাৰ্যৰ ভিতৰত পৰশুৰামো এজন।[৪৮] এইজনা পৰ্শুৰাম ফুলবাৰীৰ জনাৰ লগত একে হয় নে জনা নাযায়। সত্ৰৰ শিষ্য সংখ্যা জনা নাযায়।



## শালমৰা ঃ

নগাঁও নগৰৰ পৰা ৫ কিলোমিটাৰ উত্তৰ-পূৱত অৱস্থিত কবৈয়নী অঞ্চলত প্ৰতিষ্ঠিত সত্ৰ। পুৰুষোত্তম ঠাকুৰৰ পৰা ধৰ্ম গ্ৰহণ কৰি উজনিলৈ ধৰ্ম প্ৰচাৰ কৰিবলৈ যোৱা আদিজনা শ্ৰীৰাম আতাই গোলাঘাটৰ মৰঙিত স্বৰ্গদেউ ৰুদ্ৰসিংহই নিষ্পিখেৰাজ দিয়া ভূমিত শালমৰা বিলৰ পাৰত সত্ৰ এভাগ পাতিছিল। বিলৰ নামেৰে শালমৰা সত্ৰ হয়।[৪৯]

শিৱসিংহ স্বৰ্গদেৱৰ ৰাণী বৰৰজা ফুলেশ্বৰীৰ মহন্ত নিৰ্যাতনত সত্ৰৰ এটা ডাল গোলাঘাটৰ পৰা ভটীয়াই আহি মধ্য অসমৰ নগাঁৱৰ পোটনি মুখত থাকিবলৈ লয়। মানৰ আক্ৰমণত তাত থকাটো অসম্ভৱ হোৱাত ঔ-অনা নামৰ ঠাইত সত্ৰ পাতি থকা বুলি জনা যায়। কিছুদিন পিছত তাৰ পৰা শিষ্য সমন্বিতে উঠি গৈ কবৈয়নী মাজৰআটীত সত্ৰ প্ৰতিষ্ঠা কৰে।[৫০] বৰ্ত্তমান সত্ৰৰ অৱস্থা নিশকটীয়া।

এই সত্ৰৰ প্ৰয়াত হৰিকান্ত শোণিতপুৰ চতিয়ালৈ গৈ বসবাস কৰে আৰু তেওঁৰ পুত্ৰ প্ৰয়াত কুশলদেৱে চতিয়াত শালমৰা সত্ৰ পাতে।

উল্লেখ্য যে "শ্ৰীশ্ৰী অনন্ত চৰিত'ত পুৰুষোত্তম ঠাকুৰে পতা বৰবাৰজনীয়াৰ ভিতৰত "শালমৰীয়াৰ জানা নামত কৃষ্ণাই।"[৫১] উল্লেখ আছে। গোলাঘাটৰ শালমৰা সত্ৰৰ "শালমৰীয়া কৃষ্ণাই"ৰ সম্পৰ্ক কিবা আছেনে জনা নাযায়। শ্ৰীডিম্বেশ্বৰ মহন্তই নগাঁৱৰ সত্ৰ যেনেতেনে চলাই আছে।

## *॥পুৰুষোত্তমৰ আজ্ঞাপৰ চতমী বা চতমিয়াল সত্ৰ ঃ॥*

*শঙ্কৰদেৱৰ নাতি পুৰুষোত্তমে সত্ৰ পাতি ধৰ্ম প্ৰচাৰ কৰিবলৈ নিয়োগ কৰা বাৰজন আচাৰ্যৰ ভিতৰত বাসুদেৱ ভাগৱতী অন্যতম। তেওঁৰ পূৰ্বপুৰুষ কনৌজৰ পৰা অহা। তেওঁ চতমীয়া বাসুদেৱ নামে জনাজাত।*

*"চতমীয়া বাসুদেৱ চেপন গ্ৰাম"ত বুলি অনন্ত চৰিত'ত ৭০১ পদত উল্লেখ আছে। তেওঁ এটা নদীৰ চটত (নৈয়ে পোতা বালি) বসবাস কৰা কাৰণে চতমীয়া নামে জনাজাত। তেওঁ মাজুলীত সত্ৰ পাতি ধৰ্ম প্ৰচাৰ কৰি থাকোঁতে নৈৰ গৰাখহনীয়াত থকা ঠাই জাহ যোৱাত তাৰ পৰা ভটীয়াই আহি তেজপুৰৰ জামুগুৰিৰ ওচৰত নাগশঙ্কৰ গাঁৱত সত্ৰ পাতে। প্ৰাকৃতিক দুৰ্যোগ আৰু কালিদমন নাটৰ কালি জাগৃত হোৱা অলৌকিক ঘটনাত সত্ৰৰ ভকত-বৈষ্ণৱ, ভাৰ্যা-পুত্ৰ-সবান্ধৱে সেই ঠাই ত্যাগ কৰি ব্ৰহ্মপুত্ৰৰ দক্ষিণলৈ আহি নগাঁৱত সোমাই কেইবাখনো সত্ৰ স্থাপন কৰে। তেওঁৰ চাৰিপুত্ৰ গতিদেৱ, কমলাকান্ত, ৰামদেৱ আৰু নিৰঞ্জন। চাৰিপুত্ৰ আৰু নাতি-পৰিনাতিয়ে ওচৰা-ওচৰিকৈ নগাঁৱত লতাবোৱা, ৰতনপুৰ, ধৰলি, তামোলবাৰী আৰু বৰভগীয়া-বাকৰিয়ালত সত্ৰ স্থাপন কৰে। উপৰোক্ত চাৰিখন সত্ৰ বৰ্তমান নগাঁও মহকুমা আৰু শেষৰ খন কলিয়াবৰ মহকুমাত।*

## লতাবোৰা সত্ৰ ঃ

বৰ্তমান নগাঁও নগৰৰ উত্তৰ-পূবৰ ৰূপহী অঞ্চলৰ খাটোৱাল মৌজাৰ কলঙৰ উত্তৰ পাৰে বৰঙাতলি ডাকঘৰৰ অন্তৰ্গত লতাবোৰা গাঁৱত অৱস্থিত।

বাসুদেৱ মিশ্ৰ ভাগৱতীৰ জ্যেষ্ঠ পুত্ৰ গতিদেৱে শোণিতপুৰ জিলাৰ তেজপুৰৰ জামুগুৰি আৰু শিঙ্গৰী দেৱালয়ৰ বিপৰীত ফালে দক্ষিণত থাকি বৰদোৱা হৈ সোণাই নদীয়েদি আহি গছ-গছনি, নৈ-বিল, লতাবৃত ঠাই এডোখৰত থিতাপি লয় আৰু ধৰ্ম-চৰ্চাৰ সুচল দেখি সত্ৰ প্ৰতিষ্ঠা কৰে। লতাবৃত ঠাইডোখৰক লতাবোৰা বোলা হ'ল আৰু সত্ৰখন লতাবোৰা নামে জনাজাত হয়।

সত্ৰৰ পৰা পোৱা তথ্যমতে লতাবোৰা সত্ৰভাগ অতি গাম্ভীৰ্য্যপূৰ্ণ আৰু আকৰ্ষণীয়কৈ বাসুদেৱ ভাগৱতীৰ জ্যেষ্ঠপুত্ৰ গতিদেৱে প্ৰতিষ্ঠা কৰিছিল। নাম-প্ৰসঙ্গ, নাট-ভাওনা, গীত-নৃত্যৰে সত্ৰখন ৰজনজনাই আছিল। একসময়ত নগাঁৱৰ উপৰিও দৰং-মঙ্গলদৈ, শোণিতপুৰ, উত্তৰ লক্ষীমপুৰৰ সহস্ৰ শিচ আছিল। আজিও পুৰণি লোকে নাগশঙ্কৰৰ চতমীৰ সত্ৰই কৰা কালি-দমন ভাওনাত কালিসৰ্প জাগৃত হোৱা কথা স্মৰণ কৰে।[৫২]

সত্ৰৰ ভাস্কৰ্য-স্থাপত্য শিল্পকৰ্ম চমৎকাৰ আছিল। ডাঙৰ ডাঙৰ শিলৰ মাজডোখৰ কাটি তাৰ খুৱলিত কাৰুকাৰ্য্যখচিত আঠকোণীয়া প্ৰকাণ্ড প্ৰকাণ্ড কাঠৰ খুটাৰ ওপৰত কলচী আৰু নক্সা কাটি বহুৱাই কীৰ্ত্তন-ঘৰ মজবুতকৈ সাজিছিল। কাঠত কটা লতা-চিত্ৰ সম্বলিত সাতখলপীয়া সিংহাসন, গৰুণ্ড পক্ষী, শুকমুনি, জয়-বিজয়ৰ মূৰ্ত্তি, নামঘৰত ফুলকটা কাঠৰ চ'তি আদি ভাস্কৰ্য সম্পদ আছিল। কেইবাখনো সাঁচিপতীয়া পুথিত কৃষ্ণ-বলভদ্ৰৰ চিত্ৰ আৰু লতাফুল কটা আছিল। প্ৰাকৃতিক দুৰ্যোগ, উঁইপোকৰ উপদ্ৰৱ, ৰাজনৈতিক বিপৰ্যয়, পাশ্চাত্য শিক্ষাৰ প্ৰভাৱ, সামাজিক কেৰোণ আদিৰ ফলত আপুৰুগীয়া সম্পদসমূহ বিলুপ্ত হৈ শিল-কাঠৰ মূৰ্ত্তিৰ ভগ্নাৱশেষহে দেখিবলৈ পোৱা যায়। সত্ৰত থকা সাঁচিপতীয়া 'শ্ৰীমদ্ভাগৱত', 'ভক্তি-ৰত্নাৱলী', 'কীৰ্ত্তন' আৰু 'নামঘোষা', 'দশম', 'গুণমালা', 'গীতা' আদি পুথি সত্ৰৰ ঘৰ-দুৱাৰৰ লগত জহিপমি গৈছে।[৫৩] ৰূপহী লতাবোৰা অঞ্চল বৃটিছ যুগৰ পৰা সুদীৰ্ঘ বছৰ প্ৰব্ৰজনকাৰী অধ্যুষিত অঞ্চল। ছয় বছৰীয়া বিদেশী বহিষ্কাৰ আন্দোলনত ভুল বুজাবুজিৰ ফলত ১৯৮৩ খ্ৰীঃত হোৱা সাম্প্ৰদায়িক ঘটনাত ঐতিহ্যমণ্ডিত লতাবোৰা সত্ৰৰ প্ৰচুৰ ক্ষতি হয় আৰু সত্ৰ স্থানান্তৰিত কৰিব লগা অৱস্থা হয়।

থাপনাত শ্ৰীমদ্ভাগৱত আৰু সত্ৰৰ বিগ্ৰহ বাসুদেৱ।

চলাজনা সত্ৰাধিকাৰ চাৰুচন্দ্ৰ গোস্বামী ধৰ্ম-সংস্কৃতিৰ বিজ্ঞ লোক আছিল আৰু 'ধৰ্ম-দৰ্শন' নামৰ তত্ত্বগধুৰ গ্ৰন্থৰ ৰচক। বৰ্তমান অতুল চন্দ্ৰ গোস্বামীয়ে সত্ৰভাগ চলাই আছে। পূৰ্বৰ পৰা সত্ৰাধিকাৰৰ তালিকা পোৱা নগ'ল। চাৰুচন্দ্ৰৰ



পূৰ্বে বংশীধৰ— তেওঁৰ পিছত পুত্ৰ মহীধৰ সত্ৰাধিকাৰ আছিল।

## ধৰলি ঃ

চামগুৰি অঞ্চলৰ খাটোৱাল মৌজাৰ সূতাৰ গাঁৱত স্থিত সত্ৰ।

বাসুদেৱ ভাগৱতীৰ চাৰিগৰাকী পুত্ৰৰ ২য় পুত্ৰ কমলাকান্ত। লতাবোৰা সত্ৰৰ পৰা অলপ আঁতৰত কলঙৰ উত্তৰ পাৰত কমলাকান্তই এভাগ সত্ৰ প্ৰতিষ্ঠা কৰে। কলঙৰ পাৰৰ বিস্তৃত ধূলি-বালিময় ঠাইত সত্ৰভাগ পতা হৈছিল। ধূলি-বালিৰে ধৰলি হৈ থকা বাবে সত্ৰভাগে ধৰলি নাম পায়।[৫৪] সত্ৰৰ ঐতিহ্য ম্লান হৈছে। বৰ্তমান অধিকাৰ শ্ৰীবনমালী গোস্বামী।

## ৰতনপুৰ ঃ

খাটোৱাল মৌজাৰ কলঙৰ পাৰত শলিয়াভেটিত অৱস্থিত।

বাসুদেৱ ভাগৱতীৰ তৃতীয় পুত্ৰ ৰামদেৱ। দুই জ্যেষ্ঠই দুভাগ সত্ৰ পতাৰ পিছত ভাতৃ ৰামদেৱে নাতিদূৰত কলঙৰ উত্তৰ পাৰে আন এভাগ সত্ৰ স্থাপন কৰে। সম্ভৱতঃ শস্যে-মৎস্যে অনুপম খাদ্য-সামগ্ৰীৰে উভৈনদীৰ ৰাম-নাম ৰত্ন বেহোৱা ঠাইখনক ৰতনপুৰ আৰু ঠাইখনৰ নামেৰে ধৰ্ম-সত্ৰক ৰতনপুৰ সত্ৰ বোলা হৈছিল।[৫৫]

সত্ৰ পৰম্পৰাৰে চলি আছে। শ্ৰীপ্ৰফুল্ল গোস্বামী বৰ্তমান সত্ৰৰ অধিকাৰ।

## তামোলবাৰী ঃ

খাটোৱাল মৌজাৰ তেলিয়াগাঁৱত অৱস্থিত।

চতমিয়াল সত্ৰসমূহৰ ভিতৰত তামোলবাৰীও এখন। বাসুদেৱ মিশ্ৰৰ কনিষ্ঠ পুত্ৰ নিৰঞ্জনৰ ফালৰ পৰা নগাঁৱৰ পৰা ১৪ কিলোমিটাৰ পূবে ৰাষ্ট্ৰীয় পথৰ দাঁতিতে তামোলবাৰী সত্ৰ পাতে। বাকী কেইভাগ সত্ৰ কলঙৰ উত্তৰে; এইভাগ কলঙৰ দক্ষিণত।

সত্ৰ তেনেই নিশকটীয়া হৈছে। প্ৰয়াত অধিকাৰ বলদেৱ গোস্বামীৰ পিছত শ্ৰীমোক্ষেশ্বৰদেৱে সত্ৰভাগ তদাৰক কৰি আছে।

*॥ চতুৰ্ভুজ ঠাকুৰৰ আজ্ঞাপৰ সত্ৰ ॥*

## কৰচোং ঃ

হাতীচোং মৌজাৰ ৰাইদঙ্গিয়া আইভেটিত অৱস্থিত।

কৰচোং সত্ৰ পোনতে শিৱসাগৰ জিলাৰ গৌৰীসাগৰৰ কুৰৈগাঁৱ (বাটাবাৰী)ত আছিল। 'শ্ৰীশ্ৰীঅনন্ত চৰিত'ত চতুৰ্ভুজ ঠাকুৰ আৰু কনকলতা আয়ে

পতা চব্বিশ গৱাকী আচাৰ্যৰ ভিতৰত 'কুঁৱৰী চুঙীয়া বাপু কেশৱ'ৰ নাম উল্লেখ আছে।[৫৬] চতুৰ্ভুজে পতা সৰু বাৰজনীয়াৰ প্ৰধানজন কেশৱ আতা। কনকলতা আৰু দামোদৰ আতাই বৰদোৱা উদ্ধাৰ কৰিবলৈ অহা অভিযানত উজনিৰ পৰা কেশৱদেৱৰ পুত্ৰ ভগৱানদেৱো আহিছিল।[৫৭] সত্ৰাধিকাৰ ভগৱানদেৱৰ পৰৱৰ্ত্তী কালত মানৰ আক্ৰমণত হৰিনাৰায়ণে উজনিৰ পৰা নগাঁৱলৈ আহি ঔগুৰিৰ ওচৰত বৰভেটিত সত্ৰ পাতি সত্ৰৰ সা-সম্পদ পুখুৰীত পেলাই ৰাখিছিল। কিন্তু মানৰ অবৰ্ণনীয় অত্যাচাৰত তাত থাকিব নোৱাৰি তাৰ পৰা ১ কিলোমিটাৰ মান দূৰত সত্ৰ পাতে। সত্ৰৰ নাম কৰচোং।

পুৰুষোত্তমৰ ভাতৃ চতুৰ্ভুজৰ আজ্ঞাপৰ কৰচোং সত্ৰৰ অধিকাৰ ব্ৰহ্ম সংহতিৰ, কিন্তু শিচ-ভকতসকল পুৰুষ সংহতিৰ। সত্ৰৰ নিষ্পিখেৰাজ আছিল— তাৰে চৰকাৰে বিনা ক্ষতিপূৰণে ১২২৮ বিঘা অধিগ্ৰহণ কৰে। বাকী থকা ৮৩ বিঘা ৪ কঠাৰ বেছি অংশই বেদখলী হৈ সত্ৰৰ দুৰ্দশা মাতি অনা হৈছে।[৫৮] পঞ্চমুখীয়া ঘণ্টা, বৰকাঁহ, মানকাঁহকে ধৰি সত্ৰৰ আপুৰুগীয়া সম্পদ অনেক আছে। সত্ৰৰ উল্লেখযোগ্য সম্পদ সংস্কৃত শ্ৰীমদ্ভাগৱতৰ ৬ষ্ঠ আৰু ৭ম স্কন্ধৰ চিত্ৰাঙ্কিত পুথি, নাট্য-সাহিত্যত এই সত্ৰৰ অৰিহণা উল্লেখযোগ্য। সত্ৰৰ ভগৱান আতা আৰু ভগীৰথে 'পুতনা বধ', ৰামভদ্ৰই 'কুমৰ হৰণ' ৰামচন্দ্ৰই 'সীতা-হৰণ', লক্ষ্মীনাথে 'বাৱণ বধ', ধৰ্মচন্দ্ৰই 'অভিমন্যু বধ' নাট ৰচনা কৰিছিল। চৈধ্য-প্ৰসঙ্গ, তিথি-পৰ্ব, নাট-ভাওনা, জন্মাষ্টমী, পাচতি আদি উৎসৱ নিয়মীয়াকৈ পালন কৰা হয়। বৰবাৰজনীয়া আৰু সৰুবাৰজনীয়া উভয়ৰে সত্ৰ। বিভিন্ন জাতি-উপজাতিৰ শিষ্য সংখ্যা ডেৰহাজাৰৰ অধিক, সৰহ সংখ্যক শিষ্য কৈৱৰ্ত্ত অনুসূচিত জাতিৰ।

কেশ আতা প্ৰতিষ্ঠিত কৰচোং সত্ৰৰ অধিকাৰৰ ক্ৰমঃ ভগবান—ভগীৰথ—ভৰত—হৰিনাৰায়ণ—ৰামচন্দ্ৰ—জয়চন্দ্ৰ—ৰামভদ্ৰ—ৰামৰুদ্ৰ—চৈত্যনচন্দ—মোহনচন্দ্ৰ—ধৰ্মেন্দ্ৰ—প্ৰফুল্ল চন্দ্ৰ আৰু বৰ্ত্তমান শ্ৰীবিদ্যাধৰ গোস্বামী।

### কৰচোং তেলিয়া পহুকটা ঃ

নগাঁও নগৰৰ পৰা পূবে উৰিয়াগাঁৱৰ তেলিয়া পহুকটাত কৰচোং সত্ৰ এভাগ আছে। সত্ৰত নাম প্ৰসঙ্গ, তিথি-উৎসৱ আদি পালন কৰা হয় বুলি জনা যায়।

***॥সৰুবাৰজনীয়া॥***

***॥চতুৰ্ভুজ আৰু কনকলতাৰ আজ্ঞাপৰ সত্ৰ॥***

### নাচনীপাৰ ঃ

জাগীৰোল মৌজাৰ পেটবঢ়া বালিগাঁৱত অৱস্থিত। দক্ষিণপাটৰ চকৰ



পৰা সোঁফালে ডেৰ কিলোমিটাৰত সত্ৰখন। চতুৰ্ভুজ ঠাকুৰৰ আজ্ঞাপৰ সত্ৰ। ভদ্ৰচাৰু বিৰচিত 'শ্ৰীশ্ৰীঅনন্ত চৰিত'ত চতুৰ্ভুজে পতা বুলি উল্লেখ থকা 'চাৰি অধিক কুৰিজন মহাজন'ৰ সত্ৰৰ এখন।[৫৯] নাচনীপৰীয়া ৰামভদ্ৰদেৱে এই সত্ৰ স্থাপন কৰে। নামঘৰ, মণিকূট, বাটচ'ৰা, চৌহদ আদিৰে সত্ৰৰ ঐতিহ্যৰ নিদৰ্শন স্পষ্ট। বৰ্তমান পূৰ্বৰ সাংস্কৃতিক ঐতিহ্য নাই। সত্ৰাধিকাৰৰ বংশৰ কোনো লোক তাত অধিকাৰ হৈ নথকাত সত্ৰখন সত্ৰৰ বিষয়ববীয়াৰে পৰিচালনা সমিতিয়ে চলাই আছে। পুৰুষ-মহিলাৰ নাম-প্ৰসঙ্গ, তিথি-উৎসৱ আদি চলি আছে।

***॥কনকলতাৰ আজ্ঞাপৰ॥***

### নেপালি ঃ

হাতীচোং মৌজাৰ জাজৰিত অৱস্থিত।

আই কনকলতাই বাৰজনা আচাৰ্যৰ এজন কম হোৱাত ব্ৰাহ্মণ ৰতিকান্তক আৰু এজন বিচাৰি অনাৰ দায়িত্ব দিয়ে। ৰতিকান্তই তেনে এজন উপযুক্ত আচাৰ্য বিচাৰি নেপালোঁ বুলি কোৱাত 'নেপালি' নাম দি ৰতিকান্তকে আচাৰ্য পাতি বাৰজনা পূৰ্ণ কৰে আৰু সত্ৰৰ নামো নেপালি হয়। 'শ্ৰীশ্ৰঅনন্ত চৰিত'ত 'নেপালিৰ ৰতিকান্ত' বুলি উল্লেখ আছে।[৬০] মূলসত্ৰ যোৰহাটৰ টীয়কত। মানৰ দিনত বংশৰ পৰৱৰ্ত্তী ধৰ্মাচাৰ্য আহি নগাঁৱৰ জাজৰিত এখন সত্ৰ পাতে আৰু মূলসত্ৰৰ নামে 'নেপালি' সত্ৰ হয়। নাম-প্ৰসঙ্গ, গুৰুতিথি, জন্মাষ্টমী আদি পালন কৰি আছে। সত্ৰভাগ যেনেতেনে চলি আছে।

### কোবাইকটা ঃ

বটদ্ৰৱা মৌজাৰ ধুনিয়াভেটি ডাকঘৰৰ কোবাইকটা নামৰ গাঁৱত অৱস্থিত— মহাপুৰুষ শঙ্কৰদেৱৰ আদি লীলাক্ষেত্ৰ বৰদোৱাৰ পৰা ৪ কিলোমিটাৰ দক্ষিণত। সত্ৰভাগৰ প্ৰতিষ্ঠাতা কোন বা কাৰ পৰা বঢ়া জানিব পৰা নাযায়। সত্ৰৰ বুৰঞ্জীত কোবাইকটাৰ নাম সন্নিবিষ্ট হোৱা নাই।

শঙ্কৰদেৱৰ নাতিবোৱাৰী আই কনকলতাই বৰদোৱা অনুসন্ধানত ভাগিন দামোদৰ আতা প্ৰমুখ্যে ভক্ত সমন্বিতে আহি ৰাইদঙ্গীয়াত ভেটি-ঘৰ কৰি থাকি পশ্চিম মুখে যায়। হাবি-জঙ্গল অতিক্ৰমী ডাউক চৰাইৰ মাত শুনি মানুহ বসবাস কৰাৰ উমান পাই আগবাঢ়ি গৈ তাত বসতি কৰা কৈৱৰ্ত কলিৰাম (জয়ৰাম) ভকতৰ মুখে শান্তিজান বৰদোৱাৰ সন্ধান পাই বৰদোৱা থান উদ্ধাৰ কৰে। পথত অটব্য হাবি-বন, নল-খাগৰি কোবাই-কাটি গৈ পোৱা বাবে ঠাইখনৰ নাম জনমুখে কোবাইকটা হয়।

অসমৰ অন্যতম ধৰ্মাচাৰ্য দামোদৰদেৱৰ জন্মস্থান নলঞ্চা বা নলচা গাঁও

এই কোবাইকটাই আছিল বুলি অনেকে মত পোষণ কৰিছে। শঙ্কৰদেৱৰ আজ্ঞাত পল'ৰে টেম্বুৱানীৰ পৰা পানী আনি জান ভেটা দি সতীত্বৰ প্ৰমাণ দিয়া কৈৱৰ্ত পূৰ্ণানন্দৰ পত্নী ৰাধিকাৰো ঘৰ এই গাঁৱতেই আছিল বুলি জনবিশ্বাস। মহাপুৰুষ শঙ্কৰদেৱে বৰদোৱা এৰি যোৱাৰ পিছত ওচৰ-পাজৰৰ ভক্তলোকে গুৰুজনাই দি যোৱা নাম-প্ৰসঙ্গ, গীত-মাত মনৰ পৰা আঁতৰাব পৰা নাছিল আৰু সেইবাবে বৰদোৱাৰ আশ-পাশত ভক্তসকলে নাম-কীৰ্ত্তন, উপাসনাৰ কাৰণে থান পতাটো স্বাভাৱিক। হয়তো সেইকাৰণে তেতিয়াৰ পৰা কোবাইকটাত তেনে থান গঢ় লৈ উঠিছিল। কনকলতা আই প্ৰমুখ্যে ভক্তসকল তালৈ যোৱাৰ পৰা কোবাইকটা নাম পাই থানখন পুনৰুজীৱিত হয় বুলি বুজিব পাৰি। তেতিয়াৰে পৰা কৈৱৰ্ত সম্প্ৰদায়ৰ বাসভূমি কোবাইকটা থানত বৈষ্ণৱ ধৰ্মৰ বন্তিগছি নানা বিপৰ্যয় অতিক্ৰমি চলি আহিছে।

ধিং ৰাজহচক্ৰৰ বটদ্ৰৱা মৌজাৰ ২৩৯ নং দাগৰ একঠা মাটিত থানখন আৰু তাৰ সমীপতে ২২৭ নং দাগৰ ২ বিঘা ২ কঠা ৮ লোছা মাটিত ঐতিহ্যমণ্ডিত 'মাহ ধোৱা পুখুৰী' সত্ৰৰ স্থাৱৰ সম্পত্তি। উক্ত পুখুৰীটো বেদখলকাৰীৰ কবলত। জানিব পৰা মতে সত্ৰৰ অষ্টধাতু নিৰ্মিত বংশীধাৰী শ্ৰীকৃষ্ণ মূৰ্ত্তি (বাঁহীটো ভগ্নাৱস্থাত), গৰুড় মূৰ্ত্তি বৰদোৱাৰ সংগ্ৰহালয় আৰু সাঁচিপতীয়া পুথিৰ কাঠৰ বাকচ এটা ৰাজ্যিক সংগ্ৰহালয়ত আছে।

কুৰি শতিকাৰ চতুৰ্থ-পঞ্চম দহকৰ পৰা প্ৰব্ৰজনকাৰীৰ সোঁত বোৱাত খিলঞ্জীয়া লোকৰ সংখ্যা কমি যাবলৈ ধৰে। বিশেষকৈ ছবছৰীয়া অসমৰ বিদেশী বহিষ্কাৰ আন্দোলনত ১৯৮৩ খ্ৰীঃত সংঘটিত সংঘৰ্ষত তাত যুগ যুগ বছৰ বাস কৰা প্ৰায় ৩৩ টা খিলঞ্জীয়া পৰিয়াল প্ৰাণৰ ভয়ত পমুৱাক নামমাত্ৰ মূল্যত মাটি-ঘৰ বিক্ৰী কৰি কুঁজি, বৰছিলা, কটহগুৰি, বোৱালগুৰি আদি চুবুৰীয়া গাঁৱলৈ স্থানান্তৰিত হয়। সকলো ভয়-শঙ্কা, বিপদ-বিঘিনি নেওচা দি গাঁওখনৰ স্থায়ী বাসিন্দা শ্ৰীঘনশ্যাম শইকীয়া বৰমেধিয়ে ভগৱন্তৰ চৰণত জীৱন অৰ্পি থানৰ বন্তিগছি অনিৰ্বাপিতকৈ ৰাখে। উল্লেখযোগ্য যে সেই সাম্প্ৰদায়িক সংকটত স্থানীয় ৰুস্তম আলি প্ৰমুখ্যে দুজনমান ধৰ্মীয় সংখ্যালঘুৰ লোকে থানখন ৰক্ষণা-বেক্ষণ দি হিন্দু-মুছলমানৰ ঐক্য-সম্প্ৰীতিৰ নিদৰ্শন দাঙি ধৰে।[৬১]

দুৰ্দশাগ্ৰস্ত সত্ৰভাগ সংৰক্ষণ কৰি ৰখা বাবে ১৯৮৫ খ্ৰীঃত বৰমেধিক অসম ৰাজ্যিক সংগ্ৰহালয় সঞ্চালকে শৰাই, গামোছা, প্ৰশস্তি-পত্ৰেৰে সম্বৰ্দ্ধনা জনায়। সত্ৰভাগৰ ঐতিহ্য আৰু অস্তিত্ব ৰক্ষাৰ কাৰণে অসম চৰকাৰৰ সংগ্ৰহালয় সঞ্চালকে ১৯৯০ খ্ৰীঃৰ মে'ত ১,৯৯,৭০০.০০ (এক লাখ নিৰানব্বৈ হাজাৰ সাত শ) টকাৰ অৰ্থ-সাহায্য নগাঁও জিলাৰ উপায়ুক্তৰ জৰিয়তে আগবঢ়াইছে আৰু সেই টকাৰে কীৰ্ত্তন-ঘৰ নতুনকৈ নিৰ্মাণ কৰিছে।



সত্ৰ চৌহদত কোনো গোঁসাই-মহন্তৰ বাসগৃহ নাই। বৰদোৱাৰ শলগুৰি সত্ৰৰ অধিকাৰৰ তদাৰকত বৰমেধি, ডেকামেধি আৰু আন আন বিষয়ববীয়াই সত্ৰ পৰিচালনা কৰে। বিভিন্ন অঞ্চলত অনুসূচিত জাতিৰ কেইবা শ শিষ্য আছে। ১৯৭২ খ্ৰীঃৰ পৰা সত্ৰ একশৰণ ভাগৱতী সমাজৰ অন্তৰ্ভুক্ত হৈছে। গুৰু-তিথি, জন্মাষ্টমী, বাৰ্ষিক পালনাম, বোকা যাত্ৰা, ভাওনা, ভাদমহীয়া নাম-প্ৰসঙ্গ, গুৰু-জয়ন্তী আদি পৰম্পৰাগতভাৱে পালন কৰি আহিছে। উৎসৱ-পৰ্বত চুবুৰীয়া গাঁৱৰ পৰা ভকত-বৈষ্ণৱ আহে।[৬২]

*॥জয়কৃষ্ণ ঠালৰ পৰা বঢ়া সত্ৰ॥* *(কলিয়াবৰ মহকুমাৰ সত্ৰ দ্ৰষ্টব্য)*

### চেলেং বা খুন্দামৰা ভেৰভেৰী ঃ

চলচলি মৌজাৰ হালোৱাগাঁৱৰ ভেৰভেৰীত অৱস্থিত।

জয়কৃষ্ণৰ পুত্ৰ পদ্মনাৰায়ণ (পদ্মআতা) চেলেং সত্ৰৰ প্ৰতিষ্ঠাতা।

সত্ৰখন শিৱসাগৰ জিলাৰ চেলেং হাটত স্থাপন হোৱাৰ বাবে চেলেং নামে জনাজাত হৈছিল। স্বৰ্গদেউ প্ৰতাপসিংহৰ ৰাজত্বকালত (১৬১১-১৬৪৯ খ্ৰীঃ) ৰজাই আয়োজিত ম'হযুঁজত আতাই যুঁজাৰু ম'হ এটাক ওফোৰাই পেলোৱা বাবে সত্ৰখনৰ নাম খুন্দামৰা হয়। আনমতে ৰজাই খুটা এটা পুতি সত্ৰ সজাই দিয়াৰ ব্যৱস্থা কৰা বাবে সত্ৰৰ নাম খুটামৰা হয়।[৬৩] অৰ্থাৎ খুটামৰা বা পোতা সত্ৰই খুন্দামৰা নাম পায়।

খুন্দামৰা ভেৰভেৰী সত্ৰৰ সূত্ৰে জনামতে তেওঁলোকৰ পূৰ্বপুৰুষ সতানন্দৰ পৰা ৫ম পুৰুষ (অধস্তন) নৰোত্তমৰ নাতি হৰিদেৱক ৰজাই এটি শিলৰ মগৰ কাটি মাটি দান কৰি খুটা পুতি সত্ৰ পাতি দিছিল। এতিয়াও শিলত কটা মগৰ তেওঁলোকৰ সত্ৰৰ নামঘৰৰ লগত আছে। নৰোত্তমৰ পুত্ৰ ৰাতুলদেৱ, মান ভগনত ৰাতুলদেৱৰ পুত্ৰ হৰিদেৱ, কৃষ্ণদেৱ আৰু পদ্মধৰ কলিয়াবৰৰ পৰা ভটীয়াই আহি নগাঁৱৰ ভিন্ ভিন্ ঠাইত সত্ৰ পাতে।[৬৪]

থাপনাত ভাগৱত থকাসত্ৰৰ নাম-প্ৰসঙ্গ, তিথি-উৎসৱ, ভাওনাদি পৰম্পৰাগত ভাবে চলি আছে। সত্ৰৰ বিগ্ৰহ চতুৰ্ভুজ। সত্ৰাধিকাৰৰ ক্ৰম ঃ হৰিদেৱ—বেচিদেৱ—বেথাৰাম—গঙ্গাৰাম—লক্ষ্মীকান্ত। বৰ্তমান শ্ৰীধৰণীকান্ত মহন্তই সত্ৰখন তদাৰক কৰি আছে। *(কলিয়াবৰ খুন্দামৰা দ্ৰষ্টব্য)*

### খুন্দামৰা ননৈ ঃ

পাখীমৰীয়া মৌজাৰ ননৈ পোতনীত অৱস্থিত।

পদ্মনাৰায়ণৰ পুত্ৰ নন্দদেৱ, তেওঁৰ পুত্ৰ নৰোত্তম, নৰোত্তমৰ পুত্ৰ ৰাতুলদেৱৰ তিনিপুত্ৰৰ হৰিদেৱে চলচলি মৌজাৰ ভেৰভেৰীত সত্ৰ পতাৰ দৰে

দ্বিতীয় পুত্ৰ কৃষ্ণদেৱে নৰ্নে পোতনীত থিতাপি লৈ সত্ৰ এখনি প্ৰতিষ্ঠা কৰে।[৬৫]

নাম-প্ৰসঙ্গ, উৎসৱ-পৰ্ব আদি সত্ৰীয়া পদ্ধতিত চলি আছে। কৃষ্ণদেৱৰ পিছত ক্ৰমে ৰামপদ আৰু হৰিপদ সত্ৰাধিকাৰ আছিল। বৰ্তমান সত্ৰাধিকাৰ শ্ৰীকামদেৱ মহন্ত নাম-প্ৰসঙ্গ, গীত-নৃত্যৰ নিপুণ শিল্পী।

### খুন্দামৰা তুলসীমুখ ঃ

পাখীমৰীয়া মৌজাৰ নৰ্নে তুলসীমুখত অৱস্থিত।

হৰিদেৱৰ কনিষ্ঠ ভাতৃ পদ্মধৰে নৰ্নে পোতনীৰ ওচৰত আন এখনি খুন্দামৰা সত্ৰ পাতে। সত্ৰখন খুন্দামৰা তুলসীমুখ নামে জনা যায়।[৬৬] সত্ৰত নাম-প্ৰসঙ্গ, তিথি-পৰ্ব, জন্মোৎসৱ, জন্মাষ্টমী আদি যথাযথ পালন কৰা হয়। বৰ্তমান শ্ৰীকেশৱ মহন্তই সত্ৰভাগ তদাৰক কৰি আছে।

### ৰূপনাৰায়ণ এলেঙি বেবেজিয়া ঃ

কাছমাৰী মৌজাৰ বেবেজিয়া থানাৰ অন্তৰ্গত বিৰহ বেবেজিয়া গাঁৱত অৱস্থিত।

সতানন্দ বৰভকতৰ পৰিনাতি ৰূপনাৰায়ণৰ এজন পুত্ৰৰ নাম ব্ৰহ্মানন্দ। মূলসত্ৰ কলিয়াবৰ পোৱাভেটি। সত্ৰৰ পৰা দিয়া তথ্যমতে ব্ৰহ্মানন্দই কলিয়াবৰৰ পৰা ভটীয়াই আহি বৰ্ত্তমান নগাঁও নগৰৰ পৰা ৫ কি.মি. পশ্চিমত বিৰহ বেবেজিয়াৰ মোৱামাৰী কুঢ়ত সত্ৰ স্থাপন কৰে। আনমতে, ব্ৰহ্মানন্দৰ দুই পুত্ৰৰ জ্যেষ্ঠজনে কলিয়াবৰৰ মূলসত্ৰত থাকে, কনিষ্ঠ জগমোহনে বিৰহ বেবেজিয়াত সত্ৰ প্ৰতিষ্ঠা কৰে। সেই সত্ৰই ৰূপনাৰায়ণ এলেঙি সত্ৰ। প্ৰতিষ্ঠাৰ পৰা ধৰ্ম-চৰ্চা, নাম-কীৰ্ত্তন, ভাওনা, নৃত্য-গীত আদিৰে সমগ্ৰ অঞ্চল ৰজনজনাই আছিল। বৰ্তমান চাকৰি ব্যৱসায়ত প্ৰায় লোক আঁতৰত থাকিব লগা হোৱাত আৰু আৰ্থিক সঙ্কটৰ বাবে সত্ৰৰ পূৰ্বৰ ঐতিহ্য-পৰম্পৰা ম্লান পৰিছে। দৌলযাত্ৰা, জন্মাষ্টমী, ৰাস, গুৰু-কীৰ্ত্তন, আতাপুৰুষৰ শ্ৰাদ্ধ আদি যথাযথ পালন কৰা হয়। লীলাকান্ত অধিকাৰে 'ভীষ্মপৰ্ব', 'শকুনিৰ প্ৰতিশোধ', 'কুৰুক্ষেত্ৰ', 'অন্ধমুনিৰ অভিশাপ', 'বিষ্ণুভক্তি-মহিমা', 'ৰক্ষকুমাৰ' আদি নাট যুগুতাই সত্ৰত নাট-ভাওনা কৰাইছিল।

চতুৰ্থ গৰাকী সত্ৰাধিকাৰ জগন্নাথদেৱে স্বপ্ন দেখি কলঙৰ পাৰত কোৰেৰে খান্দি সুন্দৰ বংশীবাদন কৃষ্ণ মূৰ্ত্তি এটি উদ্ধাৰ কৰে। কোৰৰ চাবত এখনি ভৰি ভাঙি যায়। সেই মূৰ্ত্তিভাগ ধৰমতুলৰ তেলাহিত থকা দহঘৰীয়া সত্ৰত প্ৰতিষ্ঠা কৰা হৈছে। ইয়াৰ পূৰ্বে স্বপ্ন দেখি সৰুদেৱ অধিকাৰে কলংপাৰত খান্দোতে শিলকটা শিৱ-পাৰ্বতীৰ মূৰ্ত্তি এটি পায়। ব্ৰহ্মানন্দই সত্ৰৰ কাৰণে পাঁচশ বিঘা নিষ্পিখেৰাজ পাইছিল, বুলি জনা যায়। কিন্তু পৰৱৰ্তী কালত সেয়া নাইকিয়া হৈ যায়।[৬৭]



ব্ৰহ্মানন্দদেউৰ পিছত সত্ৰাধিকাৰৰ ক্ৰমঃ জগমোহন—সৰুদেউ—জগন্নাথ—লীলাম্বৰ আৰু ধৰণীকান্ত। বৰ্তমান ডেকা অধিকাৰ টিকেন চন্দ্ৰ মহন্তই সত্ৰভাগ চলাই আছে।

সত্ৰাধিকাৰ ধৰণীকান্তই ১৯৬৭ খ্ৰীঃত সত্ৰভাগ কলংপাৰত প্ৰতিষ্ঠা কৰে। সত্ৰ-পৰিয়ালৰ প্ৰয়াত বীৰেন্দ্ৰ মহন্ত সত্ৰ-সংস্কৃতিৰ খ্যাতি থকা লোক আছিল।

### ৰূপনাৰায়ণ জাজৰি / ভেৰভেৰী ঃ

জগমোহনৰ নাতি শিৱনাথে বিৰহবেবেজিয়াৰ পৰা উঠি গৈ হাতীচোং মৌজাৰ জাজৰিত ৰূপনাৰায়ণ জাজৰি নামৰ এভাগ সত্ৰ পাতে। বঢ়মপুৰ ভেৰভেৰীতো ৰূপনাৰায়ণ ভেৰভেৰী নামৰ সত্ৰ এখন স্থাপিত হৈছিল। বৰ্তমান সত্ৰৰ ঐতিহ্য পৰম্পৰা হ্ৰাস পাইছে।

### গোনামৰা ভেলেউগুৰি ঃ

চামগুৰিৰ ভেলেউগুৰিত অৱস্থিত আছিল।

বিকাৰামৰ দ্বিতীয় পুত্ৰ হৰিদেৱ। তেওঁ ঊনৈশ শতিকাৰ দ্বিতীয়াৰ্ধত কলিয়াবৰৰ মূলসত্ৰৰ পৰা ভটীয়াই আহি ভেলেউগুৰিত গোনামৰা সত্ৰ এভাগ প্ৰতিষ্ঠা কৰিছিল। ৰূপনাৰায়ণৰ পৰিনাতি লক্ষ্মীকান্ত অপুত্ৰক আছিল। লক্ষ্মীকান্তৰ পৰলোকৰ পিছত হৰিদেৱ কলিয়াবৰৰ মূলসত্ৰৰ অধিকাৰ হ'বলৈ যোৱাত গোনামৰা ভেলেউগুৰি সত্ৰ লুপ্ত হৈ যায়।[৬৮]

*॥ মহাকৃষ্ণৰ ঠালৰ পৰা বঢ়া ॥*

### শ্যামকানু কঠিয়াতলী ঃ

মহাকৃষ্ণৰ নাতি শ্যামকানুৱে কলিয়াবৰত মহাকৃষ্ণ থকা ঠাইত সত্ৰ পাতে। শ্যামকানুৰ নামেৰে সত্ৰৰ নাম শ্যামকানু হয়। কঠীয়াতলী-ডবকা পথৰ পৰা ৩ কিলোমিটাৰ দক্ষিণলৈ সোমাই গৈ শ্যামকানু নামৰ সত্ৰ এখন আছে। নানা ভাষা-ভাষী, বৰ্ণ-সম্প্ৰদায়ৰ বসতিস্থল সেই অঞ্চলৰ একমাত্ৰ সত্ৰ। সত্ৰখনৰ ঐতিহ্যৰ প্ৰতি সজাগতাৰ প্ৰয়োজন।

### শ্যামকানু পাথৰি ঃ

কলিয়াবৰ শ্যামকানু সত্ৰৰ শিষ্যসকলে সত্ৰৰ লগত সম্পৰ্ক এৰি দিয়াত মূলসত্ৰৰ ভকতৰামদেউ কলিয়াবৰৰ পৰা আহি পাথৰি চাৰিআলি টাঙোন ধৰাত এভাগ সত্ৰ প্ৰতিষ্ঠা কৰে। পূৰ্বৰ নামেৰে সত্ৰৰ নাম শ্যামকানু ৰাখে আৰু নতুনকৈ সত্ৰ পতা ঠাইখনৰ নামেৰে শ্যামকানু পাথৰি সত্ৰ হয়। এই সত্ৰৰ ভকতৰামৰ

নাতি জয়কান্ত জাগীৰোড বেলগুৰিলৈ উঠি যোৱাত বৰ্ত্তমান পাথৰি শ্যামকানু সত্ৰৰ অস্তিত্ব নাই।[৬৯]

## ॥বাপুকৃষ্ণৰ পৰা বঢ়া এলেঙি সত্ৰসমূহ॥

### মদাৰগুৰি জাজৰি ঃ

হাতীচোং মৌজাৰ জাজৰি ঢলপুৰীয়া গাঁৱত অৱস্থিত।

পুৰুষোত্তমৰ আজ্ঞাপৰ বাপুকৃষ্ণৰ পৰা বঢ়া সত্ৰ। তেওঁৰ পুত্ৰ বাপুৰামদেৱে কেইবাঠাইতো সত্ৰ পাতে। 'পৱিত্ৰ অসম'ৰ মতে বাপুৰামদেউৰ দ্বিতীয়া পত্নীৰ পুত্ৰ মহানন্দ আৰু ৰমানন্দই মাজুলীত মদাৰগুৰি সত্ৰ পাতে। মান-ভগনৰ সময়ত সহজানন্দৰ পৰিনাতি চন্দ্ৰনাৰায়ণৰ পুত্ৰ শশীকান্ত আৰু শিৱকান্ত ভাগি আহি নগাঁও পায় আৰু সত্ৰ-ধৰ্মত আত্মনিয়োগ কৰি জাজৰিত সত্ৰ প্ৰতিষ্ঠা কৰে।[৭০] মাজুলীৰ সত্ৰৰ নামেৰে জাজৰিত স্থাপিত সত্ৰক মদাৰগুৰি জাজৰি সত্ৰ বোলা হয়। 'এলেঙি বাপুকৃষ্ণৰ চৰিত' মতে বাপুৰামদেউৰ তৃতীয়া ভাৰ্যাৰ পঞ্চপুত্ৰৰ জ্যেষ্ঠ স্বৰূপানন্দৰ আজ্ঞামতে "কনিষ্ঠ সহদেৱে বংশীবাদন মূৰ্ত্তি লৈ গৈ ভাটি মাজুলীত মদাৰগুৰি সত্ৰ পাতিলন্ত।"[৭১] কোচ, কলিতা, কৈৱৰ্ত্ত, নাথ আদি পিচপৰা সম্প্ৰদায়ৰ শিষ্য বিভিন্ন ঠাইত আছে। নাম-প্ৰসঙ্গ, তিথি- পৰ্ব, উৎসৱ আদি সত্ৰ-পৰম্পৰাত চলি আছে। পিতলৰ বংশীবাদন সত্ৰৰ বিগ্ৰহ। থাপনাত ভাগৱত, গুণমালা পুথি। জ্যেষ্ঠানুসৰি পতা জাজৰি সত্ৰভাগৰ সত্ৰাধিকাৰৰ ক্ৰমঃ শশীকান্ত—কৃষ্ণকান্ত—ধৰ্মকান্ত আৰু দেৱকান্ত। বৰ্তমান শ্ৰীনৰেন মহন্তই পৰিচালনা সমিতিৰে সত্ৰ চলাই আছে।

### মদাৰগুৰি নৰৈ ঃ

পাখীমৰীয়া মৌজাৰ নৰৈত অৱস্থিত। নগাঁও-মৰিকলং-ডবকা গড়কাপ্তানী পথৰ মাজত নৰৈ।

জাজৰি মদাৰগুৰি সত্ৰৰ প্ৰতিষ্ঠাতা শশীকান্তৰ পুত্ৰ সূৰ্য্যকান্ত। তেওঁ জাজৰিৰ মদাৰগুৰিৰ পৰা গৈ বৰ্তমান পাখীমৰীয়া মৌজাৰ নৰৈত বসতি কৰে। তাতে নামঘৰ-মণিকূট সাজি সত্ৰ স্থাপন কৰি মদাৰগুৰি নাম দিয়ে।[৭২] সেয়াই নৰৈ মদাৰগুৰি সত্ৰ।

### নিকামূল উৰিয়াগাঁও ঃ

নগাঁও নগৰৰ পূৱে উৰিয়াগাঁৱত ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত সত্ৰখন অৱস্থিত। মানৰ আক্ৰমণত সন্ত্ৰাসিত হৈ বাপুৰামৰ ৩য়া ভাৰ্যাৰ ২য় পুত্ৰ মাধৱানন্দৰ পৌষ্যপুত্ৰ (ভাতৃ স্বৰূপানন্দৰ পুত্ৰ) লক্ষ্মণদেৱ মাজুলীৰ মূলসত্ৰৰ পৰা আহি কলিয়াবৰত এখনি সত্ৰ স্থাপন কৰে। নিকামূলৰ আন এটি শাখা নগাঁও উৰিয়াগাঁৱত স্থাপিত। সত্ৰৰ কীৰ্ত্তন-ঘৰ, নামঘৰ-মণিকূট, ভকতৰ হাটী, উদ্যান, বাটচ'ৰা আদিসহ অনেক শিচ-ভকতেৰে পূৰ্ণাঙ্গ সত্ৰ আছিল। সম্প্ৰতি সত্ৰৰ অধিকাৰ তেজপুৰ নিকামূলত থাকে। অসমৰ বিভিন্ন ঠাইৰ জাতি-উপজাতিৰ সমন্বয়ৰ এখনি নাম থকা সত্ৰ। উৰিয়াগাঁৱৰ সত্ৰভাগৰ সত্ৰীয়া ঐতিহ্য-পৰম্পৰা হ্ৰাস পাইছে। সত্ৰাধিকাৰ শ্ৰীসত্যব্ৰত গোস্বামী তেজপুৰ নিকামূলৰ পৰা মাজে সময়ে আহে। বৈষ্ণৱ ধৰ্ম-সাহিত্য-সংস্কৃতিৰ সাধক প্ৰয়াত গহন চন্দ্ৰ গোস্বামী নিকামূলৰ সত্ৰাধিকাৰ আছিল। উৰিয়াগাঁও নিকামূলত এখনি পুৰণা আৰু এখনি নতুন সিংহাসন আছে। বৰ্ত্তমান স্থানীয় ভক্তসকলে নাম-কীৰ্ত্তন, ভাওনাদিৰে সত্ৰ চলাই আছে। সাঁচিপতীয়া পুথিসমূহ আৰু ভাওনাৰ মুখাদি তেজপুৰ-নিকামূল সত্ৰত সংৰক্ষিত।

### লেটুগ্ৰাম পুৰণিগুদাম ঃ

নগাঁও নগৰৰ পৰা ১০ কিলোমিটাৰ পূৱে পুৰণিগুদাম পানীগাঁৱত অৱস্থিত— কলঙৰ উত্তৰ পাৰত।

'পৱিত্ৰ অসম' মতে লক্ষণদেৱৰ ছয় পুত্ৰৰ জ্যেষ্ঠপুত্ৰ সৰ্বানন্দই কলিয়াবৰৰ পৰা ভটীয়াই আহি পুৰণিগুদামৰ পানীগাঁও নামে ঠাইত কলঙৰ পাৰত সত্ৰ প্ৰতিষ্ঠা কৰে। তেওঁৰ চতুৰ্থ বংশধৰ ললিচন্দ্ৰ আৰু হৰিশ্চন্দ্ৰৰ দিনত সত্ৰ দুভাগ হয়, এহেজাৰ মান শিষ্যৰে বৰভাগ আৰু দুহেজাৰমান শিষ্যৰে সৰুভাগ।[৭৩]

ধৰ্ম-সংস্কৃতিৰ ঐতিহ্যপূৰ্ণ গুৰু-গম্ভীৰ সত্ৰ আছিল। সিদিনালৈ সত্ৰীয়া ধৰ্ম-সংস্কৃতিৰে ৰজনজনাই আছিল। প্ৰয়াত সত্ৰাধিকাৰ দেৱকান্ত মহন্ত ধৰ্ম, সাহিত্য, গীত, নৃত্য-ভাওনাৰ যশস্বী শিল্পী আছিল। বৰ্তমান সত্ৰখনৰ ধৰ্ম-সংস্কৃতি, ভাওনাৰ ঐতিহ্য ম্লান পৰিছে। শিচ-ভকত হ্ৰাস পাইছে। গুৰু-কীৰ্ত্তন, জন্মাষ্টমী, ফাকুৱা যথাযথ পালন কৰা হয়।

### বালিসত্ৰ গধৰীয়া ঃ

নগাঁও নগৰৰ পৰা ৫ কিলোমিটাৰ পূৱত কলঙৰ উত্তৰ পাৰত গধৰীয়া গাঁৱত অৱস্থিত। বাপুকৃষ্ণৰ পুত্ৰ কলিয়াবৰৰ বালিসত্ৰৰ অধিকাৰ মাধৱানন্দ অপুত্ৰক আছিল। মাধৱানন্দৰ পিছত পোষ্য পুত্ৰ লক্ষ্মণদেৱে নিকামূলৰ লগতে বালিসত্ৰৰো অধিকাৰৰ পদ চলায়। লক্ষ্মণদেৱৰ ছজন পুতেকৰ দ্বিতীয় জন ৰামচৰণ। ৰামচৰণে গধৰীয়া গাঁৱত বালিসত্ৰ স্থাপন কৰে।[৭৪] সেইকাৰণে সত্ৰক বালিসত্ৰ গধৰীয়া বুলি কোৱা হয়। কমলচন্দ্ৰ গোস্বামী সম্পাদিত 'এলেঙি বাপুকৃষ্ণৰ চৰিত' মতে লক্ষ্মণদেৱে প্ৰথম ভাৰ্যাৰ লগত নিকামূলত আৰু দ্বিতীয় ভাৰ্যাক বালিসত্ৰত থাকিবলৈ দিয়ে।[৭৫] সত্ৰত নাম-প্ৰসঙ্গ, গুৰুতিথি, জন্মাষ্টমী, দৌল,

নৃত্য-গীত আদি চলি আছে।

### বালিসত্ৰ নগাঁও ঃ

নগাঁও নগৰৰ পৰা ৪ কিলোমিটাৰ পূৰত ভোটাইগাঁৱৰ ৰাষ্ট্ৰীয় পথৰ দাঁতিত অৱস্থিত।

লক্ষ্মণদেৱৰ পঞ্চমপুত্ৰ বৈষ্ণৱচৰণ। তেওঁ বালিসত্ৰ গধবীয়াৰ অলপ আঁতৰত সত্ৰ এখনি পাতে। সত্ৰৰ নাম বালিসত্ৰ নগাঁও। ঐতিহ্যপূৰ্ণ পৰিবেশত সত্ৰখন গহীন-গম্ভীৰ। বৰ্তমান সত্ৰৰ ধৰ্ম-সংস্কৃতি উৎকৰ্ষৰ তেনে প্ৰচেষ্টা নাই। কিছু বছৰ পূৰ্বে এই সত্ৰৰ ধৰ্ম-সংস্কৃতি তথা নাট-ভাওনাই সমগ্ৰ অঞ্চলৰ ভক্ত ৰাইজক আকৰ্ষণ কৰি ৰাখিছিল। বিভিন্ন ঠাইত শিচ-ভকত আছে। নগঞা এলেঙি বালিসত্ৰৰ সত্ৰাধিকাৰ প্ৰয়াত নীলকান্ত মহন্ত এগৰাকী ধৰ্ম-সাহিত্য-সঙ্গীতৰ সাধক আছিল।

### বালিসত্ৰ যমুনামুখ ঃ

যমুনামুখ অঞ্চলৰ গৰুবাট মৌজাৰ গোঁসাইগাঁৱত।

লক্ষ্মণদেৱৰ ছজন পুত্ৰৰ ভিতৰত চতুৰ্থজনৰ নাম উত্তমচৰণ। তেওঁৰ বংশৰে এজনাই কপিলীৰ দক্ষিণ পাৰে গৰুবাট মৌজাৰ যমুনামুখত সত্ৰ পাতে। সত্ৰৰ আৰ্থিক অৱস্থা অনুন্নত আৰু শিচ-ভকতৰ সংখ্যা কম। ইংৰাজ শাসনৰ আগে আগে প্ৰতিষ্ঠা কৰা সত্ৰ। নগাঁৱৰ ভোটাইগাঁৱৰ এলেঙি বালিসত্ৰৰ পৰা চাৰিপুৰুষ পূৰ্বে নতুনকৈ মাটি-ঘৰ কৰি সত্ৰ স্থাপন কৰে।[৭৬] সত্ৰীয়া ঐতিহ্য তথা সাংস্কৃতিক পৰম্পৰা দুৰ্বল। সেই অঞ্চলৰ একমাত্ৰ সত্ৰ।

### বৰএলেঙি দগাঁও ঃ

আলিটাঙনি মৌজাৰ জুৰিয়াৰ কোটোহা দগাঁৱত।

আহোম ৰাজত্বৰ শেষ সময়ত ১৭৯৫ খ্ৰীঃত গৌৰীনাথ সিংহই দহঘৰ ভকত দি পৰশুৰামৰ ২য় পুত্ৰ মাধৰামক কলিয়াবৰত বৰ এলেঙি বালিভূঁই সত্ৰ পাতি দিয়ে। তেওঁৰ পুত্ৰ পূৰ্ণকান্তই কলিয়াবৰৰ পৰা দগাঁও অঞ্চললৈ গৈ গোঁসাই পুখুৰীৰ পাৰত সত্ৰ পাতে। পূৰ্ণকান্তৰ পুত্ৰ সাধিৰামে সত্ৰখন উঠাই নি কোটোহাত স্থাপন কৰে। ১৮৯৭ চনৰ বৰ ভূইকঁপত এই অঞ্চল তললৈ বহি গৈ বহুত দ হোৱা বাবে দ-গাঁও নাম পায়। সাধিৰামৰ ভায়েক আঁজলি গোঁসাইক সত্ৰত জা-জলপান খাই সন্তুষ্ট হৈ মানে অত্যাচাৰৰ পৰিবৰ্তে কেকোঁৰা দোলা এখন দি যায়। সত্ৰত বৰ্ত্তমানে এই দোলাখন আছে বুলি জনা যায়।[৭৭] সত্ৰৰ ধৰ্ম-সংস্কৃতিৰ পৰম্পৰা চলি আছে।



### বৰএলেঙি ৰান্ধনি ঃ

নগাঁও-মৰিগাঁও গড়কাপ্তানি পথত হাতীচোং মৌজাৰ গোঁসাইবৰিত অৱস্থিত।

পুৰুষোত্তম ঠাকুৰৰ আজ্ঞাপৰ। সদানন্দ বৰভকতৰ চতুৰ্থ পুত্ৰ শ্ৰীকৃষ্ণ (বাপুকৃষ্ণ) বৰ এলেঙি সত্ৰৰ আদি স্থাপক। তেওঁৰ বংশৰ ৰামকৃষ্ণদেৱে মাজুলীৰ পৰা ভটীয়াই আহি কামৰূপৰ সোণাপুৰ অঞ্চলত জনজাতীয় ৰজাই দান দিয়া মাটিত কীৰ্ত্তন-ঘৰ সাজি ধৰ্ম প্ৰচাৰ কৰে।[৭৮] সেই অঞ্চলত মহামাৰীৰ প্ৰকোপত থকাটো বিপজ্জনক দেখি পিতৃৰ পৰলোকৰ পিছত পুত্ৰ কৃষ্ণানন্দদেৱে উজাই আহি এখণ্ড ওখ ৰবিত ১৮৫৭ খ্ৰীঃত সত্ৰ প্ৰতিষ্ঠা কৰি থাকিবলৈ ললে। গোঁসাইজনা বহা কাৰণে সেই ৰবিক গোঁসাইবৰি বোলা হ'ল। গোঁসাইজনাৰ ৰন্ধা আহাৰ শিষ্যই খাই পৰিতৃপ্ত হোৱা বাবে সত্ৰখন ৰান্ধনি বৰএলেঙি সত্ৰ নামে জনাজাত।[৭৯] এই সত্ৰৰ প্ৰয়াত মহীকান্ত গোস্বামী ধৰ্ম-সাহিত্য-সংস্কৃতিৰ নাম থকা সত্ৰাধিকাৰ আছিল।

পিছপৰা সম্প্ৰদায়, জনজাতি আৰু আন সকলো সম্প্ৰদায়ৰ শিষ্য আছে। সত্ৰভাগে নাম-প্ৰসঙ্গ, নৃত্য-ভাওনা, পুথি-পাঁজি আদিৰ পৰম্পৰা ৰক্ষা কৰি আছে।

### বৰএলেঙি বৰসত্ৰ মাজপোতনি ঃ

কৃষ্ণানন্দই ভাগিন পদ্মপাণিক পো কৰি লৈ সত্ৰৰ অধিকাৰ পদত বহুৱায়। পদ্মপাণিৰ প্ৰথমা ভাৰ্যাৰ চতুৰ্থ পুত্ৰ পৰশুৰামে[৮০] ৰুদ্ৰসিংহ স্বৰ্গদেৱ (১৬৯৫-১৭১৪ খ্ৰীঃ)ৰ শুভেচ্ছাত কলিয়াবৰৰ লাঙ্গিচুকত বৰসত্ৰ পাতে। তেওঁৰ ২য় পুত্ৰ লক্ষ্মীকান্তৰ পুত্ৰ বাঞ্চিৰাম অপুত্ৰক। সেয়ে বালিভূঁইৰ পৰা ৰুদ্ৰকান্তক নি সত্ৰৰ অধিকাৰ পাতে। ৰুদ্ৰকান্ত কলিয়াবৰৰ বৰসত্ৰৰ পৰা ভটীয়াই আহি নগাঁৱৰ মাজ-পোতনিত বৰএলেঙি সত্ৰ স্থাপন কৰে।[৮১] সেই কালৰ পৰা মাজপোতনিত সত্ৰ চলি আছে।

*॥মাধৱদেৱে পতা আচাৰ্য॥*

### খোৱা গোপালৰ দিচিয়াল সত্ৰসমূহ ঃ

*খোৱাগোপাল নামৰ এজন ভক্তক উপযুক্ত দেখি মাধৱদেৱে সুন্দৰীদিয়াত ধৰ্মাচাৰ্য পাতি উজনিলৈ ধৰ্মপ্ৰচাৰৰ কাৰণে পঠিয়ায়। আহোম ৰাজ্যত অনাচাৰী লোকক শৰণ-ভজন দি সদাচাৰী কৰাত বৈষ্ণৱ-বিদ্বেষী ব্ৰাহ্মণসকলে বুদ্ধিস্বৰ্গনাৰায়ণ ৰজাক তেওঁৰ বিৰুদ্ধে গোচৰ দিয়ে আৰু ৰজাই খোৱাগোপালক চাওডাং পঠিয়াই বধ কৰে। তাৰ পিছতে ৰাজধানীত হাইজা, বসন্ত-মাৰি-মৰক দেখা দিয়াত খোৱাগোপালৰ পুত্ৰ জয়কৃষ্ণদেৱক আনি দিচৈ নদীৰ পাৰত মাটি-বৃত্তি দি সত্ৰ*

*স্থাপন কৰাই দিয়ে।[৮২] দিচৈৰ পাৰৰ সত্ৰ কাৰণে দিচিয়াল সত্ৰ নাম হয়।*

*গৌৰীনাথ সিংহৰ দিনত মায়ামৰীয়া বিদ্ৰোহৰ সময়ত খোৰাগোপালৰ পৰা চতুৰ্থ পুৰুষ প্ৰাণহৰি দিচৈৰ পাৰৰ পৰা ভটীয়াই আহি কলিয়াবৰত থিতাপি লৈ সত্ৰ স্থাপন কৰে। মানৰ আক্ৰমণত জীৱন ৰক্ষাৰ্থে প্ৰাণহৰিৰ পুতেক চাৰিজনে কলিয়াবৰ এৰি ভটীয়াই সুচল ঠাই বিচাৰি যায়। কলিয়াবৰত পূৰ্বৰ সত্ৰৰ স্থানত আজিও দিচিয়াল কুঢ় জনাজাত।[৮৩] বৰ্ত্তমান কলিয়াবৰত সত্ৰৰ চিনচাব নাই। তেওঁৰ চাৰিপুত্ৰ মহানন্দ (আত্মানন্দ), পৰ্শুৰাম, কৃষ্ণচৰণ, বিষ্ণুচৰণ আৰু বংশধৰসকলৰ পৰা নগাঁৱত কেইবাখনো সত্ৰ স্থাপিত হয়।*

### দিচিয়াল পকামূৰা ঃ

হাতীচোং মৌজাৰ জাজৰি থানাৰ অন্তৰ্গত ভোগবাৰী গাঁৱৰ সোণাই নদী আৰু ঢেকিয়াল জানৰ সঙ্গমত দিচিয়াল পকামূৰা সত্ৰ।

মান-ভগনৰ সময়ত আত্মাৰাম বা মহানন্দৰ পৰা আঁতৰি আহি খোৰাগোপালৰ পৰিনাতিৰ পৰ্শুৰামে দিচিয়াল পকামূৰা সত্ৰ প্ৰতিষ্ঠা কৰে। পৰ্শুৰাম আতাৰ মূৰৰ চুলি পকা আছিল আৰু সেই কাৰণে লোকে তেওঁ পতা সত্ৰখনিক পকামূৰা দিচিয়াল বুলি কয়। এসময়ত সত্ৰখন বৰ গুৰু-গম্ভীৰ আছিল। সত্ৰৰ থাপনাত 'ভাগৱত', 'গুণমালা পুথি' আৰু সত্ৰৰ বিগ্ৰহ বিষ্ণু। সত্ৰৰ লোক জীৱিকা নিৰ্বাহৰ কাৰণে আন ঠাইলৈ গৈ বসবাস কৰাত বৰ্ত্তমান ঐতিহ্য ম্লান পৰিছে। নাম-প্ৰসঙ্গ, তিথি, উৎসৱ আদি যথানিয়মে চলি আছে। বৰ্তমান শ্ৰীথানেশ্বৰ মহন্তই অধিকাৰ আৰু শ্ৰীপ্ৰফুল্ল চন্দ্ৰ মহন্তই ডেকা অধিকাৰৰ দায়িত্বত সত্ৰ চলাই আছে।

### দিচিয়াল বিৰহ বেবেজীয়া ঃ

নগাঁৱৰ পৰা ৫ কিমি পশ্চিমে ৰাষ্ট্ৰীয় পথৰ পৰা বাওঁফালে সোমাই কাছমাৰীৰ বিৰহ বেবেজীয়াত সত্ৰখন অৱস্থিত। ৰাইদঙ্গিয়াৰ মূলসত্ৰৰ পৰা উজাই খোৰাগোপালৰ পৰিনাতিৰ মহানন্দৰ কনিষ্ঠ পুত্ৰ চন্দ্ৰকান্তদেৱে বিৰহবেবেজীয়াৰ চেউনীত সত্ৰখন পাতিছিল। সত্ৰীয়া দিশ নিশকতীয়া।

### দিচিয়াল বেবেজীয়া ঃ

খোৰাগোপালৰ বংশধৰে প্ৰতিষ্ঠা কৰা সত্ৰ। নগাঁও চহৰৰ পৰা ৯ কিমি পশ্চিমত। পকামূৰা সত্ৰৰ প্ৰতিষ্ঠাতা পৰ্শুৰামৰ নাতি সৰ্বানন্দৰ পাঁচ পুত্ৰৰ হৰিদেৱৰ পুত্ৰ কয়মন আৰু ভতিজা ভৱকান্তই ধিং পাণবাৰীৰ পৰা আহি বেবেজীয়াত বসতি কৰি সত্ৰ এভাগ স্থাপন কৰিছিল। বৰ্তমান সত্ৰৰ ঐতিহ্য নাই। সত্ৰ



পৰিয়াল ১৯৪২ৰ বিপ্লৱৰ সময়ত মৰিগাঁও বৰঙাবাৰীলৈ উঠি যায়।

### দিচিয়াল ৰাইদঙ্গিয়া ঃ

হাতীচোং মৌজাৰ নগাঁও-ধিং বাস্তাৰ বাওঁফালে ৰাইদঙ্গিয়াত এই সত্ৰ স্থাপন কৰা হৈছিল। মানৰ আক্ৰমণত প্ৰাণহৰিদেৱৰ চাৰিপুত্ৰ ভটীয়াই আহি ৰাইদঙ্গিয়া অঞ্চলত বসতি কৰে। পূৰ্বৰ ঐতিহ্য ৰক্ষা কৰি তেওঁৰ পুত্ৰ বিষ্ণুচৰণে সত্ৰ প্ৰতিষ্ঠা কৰি ধৰ্ম প্ৰচাৰ কৰে। বৰ্ত্তমান সত্ৰৰ ঐতিহ্য বিপন্ন।

### দিচিয়াল নৰৈ ঃ

পাখীমৰীয়া মৌজাৰ নৰৈ ভেলাইগাঁৱত অৱস্থিত। সোণাইপাৰৰ মূল পকামূৰা দিচিয়াল সত্ৰৰ পৰা চাকৰিসূত্ৰে দেৱকান্তদেৱে ১৯৩৭ খ্ৰীঃত নৰৈলৈ গৈ নিগাজীকৈ থাকিবলৈ লয়। তেওঁ নৰৈ নদীৰ পাৰত এভাগ সত্ৰ প্ৰতিষ্ঠা কৰে। সত্ৰৰ থাপনাত ভাগৱত আৰু গুণমালা পুথি। বিভিন্ন সম্প্ৰদায়ৰ লোকক এই সত্ৰৰ শিচ্ পাতে। বৰ্ত্তমান সত্ৰাধিকাৰে নাম-প্ৰসঙ্গ, ফাকুৱা, জন্মাষ্টমী গুৰুসকলৰ তিথিৰে সত্ৰ চলাই আছে।[৮৪] নৰৈৰ সত্ৰভাগত দেৱকান্ত অধিকাৰৰ পিছত বৰ্তমান শ্ৰীদেৱেন্দ্ৰ নাথ মহন্ত অধিকাৰ হৈ আছে।

### দিচিয়াল ফৌজদাৰীপট্টি/খুটিকটীয়া

নগাঁও ফৌজদাৰীপট্টী কলংপাৰত জীৱিকাৰ্থে স্থায়ীভাৱে বসবাস কৰি মোহন চন্দ্ৰ মহন্তই নামঘৰ থাপনা পাতি সত্ৰীয়া ৰীতি-নীতিত নাম-প্ৰসঙ্গ, তিথি-পাৰ্বণ চলায়। ১৯৬৭ খ্ৰীঃত প্ৰতিষ্ঠা কৰা সত্ৰভাগত 'ঊষা-হৰণ' নামৰ সচিত্ৰ পুথি এভাগ আছে। বোধেন্দ্ৰ নাথ মহন্তই সত্ৰভাগ চোৰা-চিতা কৰিছিল।

নগাঁৱৰ খুটিকটীয়াত ৰাইদঙ্গিয়াৰ পৰা আহি শ্ৰীহেমকান্ত মহন্তই স্থায়ী বাসিন্দা হৈ একৈশ শতিকাৰ আৰম্ভণিতে দিচিয়াল সত্ৰ এভাগ পতাৰ প্ৰয়াস কৰিছে।

## খ) ব্ৰহ্ম-সংহতি

***দামোদৰদেৱ-অনুগামীৰ সংহতিৰ সত্ৰ॥***

### দামোদৰদেৱঃ

*মহাপুৰুষ শঙ্কৰদেৱে প্ৰৱৰ্তন কৰা নৱবৈষ্ণৱ ধৰ্মৰ অন্যতম প্ৰধান আচাৰ্য দামোদৰদেৱ। ১৪১০ শকৰ ফাগুন মাহৰ শুক্লা একাদশীত শঙ্কৰদেৱৰ জন্মক্ষেত্ৰ নগাঁও জিলাৰ বৰদোৱাৰ দক্ষিণে নলৰ্থা (নলচা) নামৰ গাঁৱত দামোদৰদেৱৰ জন্ম হয়। সেই নলচা গাওঁকেই কোবাইকটা সত্ৰ বুলি মত পোষণ কৰা হৈছে। কামৰূপৰ*

পাটবাউসীত সত্ৰ পাতি শঙ্কৰদেৱ-মাধৱদেৱৰ লগত ভক্তিধৰ্ম প্ৰসাৰণত দামোদৰদেৱৰ অৱদান উল্লেখযোগ্য। দুৰ্গাপূজাত বলি-বিধানৰ বিৰোধিতা কৰা কাৰণে ভক্তিধৰ্মৰ বিৰুদ্ধাচাৰণ কৰা পৰীক্ষিত নাৰায়ণ ৰজাৰ দ্বাৰা নিগ্ৰহিত আৰু পাটবাউসীৰ পৰা বহিষ্কৃত হৈ বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্যক পাটবাউসী সত্ৰৰ দায়িত্ব দি পশ্চিম কোচ ৰাজ্যলৈ গৈ ৰজা লক্ষ্মীনাৰায়ণৰ আশ্ৰয়ত থাকি সত্ৰসভা কৰি ১৫২০ শকৰ বহাগ মাহৰ শুক্লা প্ৰতিপদত দেহত্যাগ কৰে। বেহাৰত তেওঁ তকুৱাঢাপ নামৰ ঠাইত বৈকুণ্ঠপুৰ সত্ৰ স্থাপন কৰি বলদেৱক উত্তৰাধিকাৰী নিৰ্বাচন কৰি থৈ যায়।

শঙ্কৰদেৱে মাধৱদেৱক উত্তৰাধিকাৰ পতা আৰু একশৰণ ভাগৱতী ধৰ্মৰ আচাৰ-ৰীতিক লৈ মাধৱদেৱ-দামোদৰদেৱৰ মত-পাৰ্থক্য ঘটাৰ গইনা লৈ মূল মহাপুৰুষীয়া ধৰ্মত ফাট মেলি দামোদৰীয়া পন্থ গা কৰি উঠিল। তেওঁৰ অনুগামীসকলৰ এই পন্থটো ব্ৰহ্ম-সংহতি নামে পৰিচিত হ'ল।

জন্মস্থান এৰি যোৱাৰ পিছত দামোদৰদেৱৰ জন্ম জিলা নগাঁওলৈ পুনৰ নাহিল বা ইয়াত তেওঁ নিজে ধৰ্ম সম্পৰ্কীয় একো কৰাৰ ইতিহাস নাই যদিও বৰ্ত্তমান তেওঁৰ আজ্ঞাপৰ, খাট-পাম, শাখা সত্ৰ আৰু নগাঁও মূলৰ নগাঁও-মৰিগাঁও জিলাৰ প্ৰায় ৩৮ খন সত্ৰ ব্ৰহ্মসংহতিভুক্ত।

## বংশীগোপালদেৱ ঃ

ল'ৰালি কালৰ পৰা বাঁহী বজাই আনন্দত আপ্লুত হৈ সুসঙ্গ বিচাৰি ফুৰা বংশীগোপালৰ জন্ম হয় ১৪৪৩ শকৰ ফাগুন মাহৰ পূৰ্ণিমাত বৃহস্পতিবাৰে বৰ্তমান দৰং জিলাৰ ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰৰ কলাবাৰী মালীগাঁও (পুৰ)ত। তেওঁক পোহপাল দিয়া ভিনীহিয়েকৰ দিহা-পৰামৰ্শত মুদৈৰ লগত বেপাৰ কৰাৰ ফলত বৰপেটা-সুন্দৰীদিয়া-পাটবাউসীত শঙ্কৰদেৱ-মাধৱদেৱ-দামোদৰদেৱৰ সংস্পৰ্শলৈ যায়। অতে ভক্তিধৰ্ম গ্ৰহণ কৰি দামোদৰদেৱৰ লগত আলোচনা কৰি মাধৱদেৱে দিয়া আজ্ঞামতে বংশীগোপাল আৰু আধলিয়া যদুমণি অসম (উজনিলৈ) লৈ ধৰ্ম প্ৰচাৰ কৰিবলৈ যায়। (শ্ৰীশ্ৰীবংশীগোপালদেৱ চৰিত্ৰঃ ৰামানন্দ দ্বিজ (পদ ২৪২/২৪৫)। বংশীগোপালে উজনিত লক্ষ্মীমপুৰৰ কাঁহিকুছি আৰু কলাবাৰী সত্ৰ স্থাপন কৰে। কিছুদিন পিছত দফলাৰ উপদ্ৰৱত সেই স্থান এৰি গৈ নাৰায়ণপুৰৰ ডেবেৰাপাৰত সত্ৰ পাতি ধৰ্ম প্ৰচাৰ কৰে। কিন্তু তাত ৰাজ-নিৰ্যাতনত অশান্তি পাই ইঠাই-সিঠাই ঘূৰি ফুৰি ব্ৰহ্মপুত্ৰ পাৰ হৈ ধনশিৰি নদীৰ চাপৰিত কুকুৰাৰ বাহ থকা প্ৰকাণ্ড শিমলুগছৰ তলত কুকুৰাবাহী সত্ৰ প্ৰতিষ্ঠা কৰিলে। বংশীগোপালে তেওঁৰ ভতিজাক মিশ্ৰদেৱক সত্ৰৰ উত্তৰাধিকাৰী পাতি ১৫৪৪ শকৰ মাঘ মাহৰ কৃষ্ণা চতুৰ্থী তিথিত পৰলোকগমন কৰে। বংশীগোপালৰ পৰা বঢ়া আন সত্ৰ আউনীআটী (নিৰঞ্জন বাপু), দক্ষিণপাট (বনমালীদেৱ), গড়মূৰ (জয়হৰিদেৱ)



লক্ষীনাৰায়ণ, ডিফলু (কৃষ্ণচন্দ্ৰ) আৰু তেওঁ পতা ৪৫ জন মেধি বা ধৰ্মপ্ৰচাৰকে বিভিন্ন অঞ্চলত সত্ৰ পাতে।

অবিভক্ত নগাঁও জিলাত কুকুৰাবাহী, ডিফলু, শ্ৰৱণী শাখাসত্ৰৰ উপৰিও আউনীআটী, দক্ষিণপাট, গড়মূৰৰ খাট-পাম, শাখা সত্ৰ কেইবাখনো আছে।

## কুকুৰাবাহী নগাঁও ঃ

হাতীচোং মৌজাৰ কুৰৱাবাহীত অৱস্থিত। ডাক-জামুগুৰি।

নগাঁও নগৰৰ পৰা ৰাষ্ট্ৰীয় পথেৰে পশ্চিমে ৯ কিলোমিটাৰ দূৰৰ বেবেজীয়া চাৰিআলিৰ পৰা সোঁফালে ঘূৰি পোনে পোনে গৈ মৰিগাঁও পথত উঠি অলপ গৈয়েই সুন্দৰ বাটচ'ৰাৰে কুকুৰাবাহী সত্ৰ।

মাধৱদেৱ আৰু দামোদৰদেৱৰ আজ্ঞাত উজনিলৈ ধৰ্ম প্ৰচাৰ কৰিবলৈ গৈ বংশীগোপালে নানা দুৰ্যোগ-বিপৰ্যয়ৰ সন্মুখীন হৈ দেবেৰাপাৰ সত্ৰ পতাৰ পাছত ব্ৰহ্মপুত্ৰৰ চাপৰিত ধনশিৰিৰ পাৰত কুকুৰাৰ বাহ থকা প্ৰকাণ্ড বৃক্ষৰ তল চিকুণাই নামঘৰ-মণিকূট, বহা-হাটীৰে সত্ৰ স্থাপন কৰে। সেই সত্ৰই উজনিৰ ৰজাঘৰীয়া চাৰিসত্ৰৰ আদি বা প্ৰধান সত্ৰ হৈ পৰে। ইয়াৰ উপৰিও, বংশীগোপালে কাঁহিকুছি, কলাবাৰী, কামদিয়াল আদি সত্ৰও স্থাপন কৰিছিল। ৰজা প্ৰতাপসিংহই ১৫৫৬ শকত প্ৰতিষ্ঠা কৰি দিয়া সত্ৰখনৰ ৰজাঘৰীয়া স্থান প্ৰথম শাৰীত। সেই একেশাৰীতে ৰজাঘৰীয়া স্থান নিৰঞ্জন বাপুৰ আউনীআটী, বনমালীদেৱৰ দক্ষিণপাট আৰু জয়হৰিদেৱৰ পুত্ৰ লক্ষীনাৰায়ণৰ গড়মূৰ সত্ৰৰ।[৮]

সত্ৰৰ আদিজনা বংশীগোপাল উদাসীন আছিল। ৰামকন্দলি নামৰ ভক্ত এগৰাকীয়ে বলদেৱক অৰ্পণ কৰা পুত্ৰ মিশ্ৰদেৱক তেওঁ পোষ্যপুত্ৰ কৰি লয় আৰু মিশ্ৰই সত্ৰাধিকাৰ হৈ গৃহস্থী জীৱন যাপন কৰে। বংশীগোপালে জীৱনৰ অন্তিম মুহূৰ্তত কুকুৰাবাহী সত্ৰৰ দায়িত্ব ভাগৱত মিশ্ৰ বা মিশ্ৰদেৱৰ হাতত অৰ্পণ কৰে। মিশ্ৰদেৱৰ দুই পুত্ৰ ৰামকৃষ্ণ আৰু কৃষ্ণচন্দ্ৰ। ৰামকৃষ্ণদেৱ কুকুৰাবাহী সত্ৰৰ দায়িত্ব লোৱাত সময়ত নাবালক থকা বাবে বংশীগোপালৰ খুড়াক কুৰমাইৰ নাতি জয়হৰিদেৱ তত্বাৱধানত থাকে। সম্পৰ্কত জয়হৰিদেৱ বংশীগোপালৰ ভতিজা। তেওঁৰ আন নাম লৰিমিশ্ৰ। জয়হৰিৰ বিয়োগত পুত্ৰ লক্ষ্মীনাৰায়ণে কুকুৰাবাহীৰ পৰা গৈ গড়মূৰ সত্ৰ পাতি থাকে। মিশ্ৰৰ বৰপুত্ৰ ৰামকৃষ্ণক স্বৰ্গদেউ জয়ধ্বজসিংহই আড়ম্বৰপূৰ্ণকৈ কুকুৰাবাহীত সত্ৰ পাতি দিয়ে।

মানৰ আক্ৰমণৰ কালত বোকাখাটৰ কুকুৰাবাহীৰ পৰা ৰামচন্দ্ৰ আৰু কৃষ্ণচন্দ্ৰৰ বংশধৰ আহি হাতীচোং অঞ্চলত বাস কৰে। ৰামচন্দ্ৰৰ বংশধৰ জগন্নাথদেৱে আহল-বহল ক্ষেত্ৰ চাই বৰ্ত্তমানৰ নগাঁৱৰ কুকুৰাবাহী সত্ৰৰ স্থানত পূৰ্ণাঙ্গ সত্ৰ স্থাপন কৰি আদিসত্ৰৰ নামেৰে 'কুকুৰাবাহী সত্ৰ' নাম ৰাখে। নগাঁৱৰ

কুৰুৱাবাহী সত্ৰই এদিনত এটা হাতী ঘূৰা পৰিমাণৰ মাটি ৰজাৰ পৰা লাভ কৰিছিল। সত্ৰৰ চাৰিওফালে হাটীত থকা ভক্ত-শিষ্যসকল বৰ্ত্তমান মাটিৰ গৰাকী। সত্ৰৰ নিষ্কৰ ভূমি বৰ্তমান ১৫০ পুৰা। মূলসত্ৰৰ নিষ্কৰ ভূমি বাৰশ পুৰা।[৮৬]

বাটচ'ৰাৰে সত্ৰৰ চৌহদৰ নামঘৰ, মণিকূট, সিংহাসন, মদনগোপাল মূৰ্ত্তি, হাটী, সত্ৰাধিকাৰৰ বাসগৃহ, গছ-গছনিৰে গহীন-গম্ভীৰ পৰিবেশ। সত্ৰ প্ৰতিষ্ঠাতা বংশীগোপাল, শঙ্কৰ-মাধৱৰ তিথি, জন্মাষ্টমী, দৌলোৎসৱ, ৰাস আৰু শিৱপূজা কৰা হয়। সত্ৰৰ বিগ্ৰহ মদন গোপাল।

নগাঁও আৰু দৰং জিলাত শিষ্য আছে আৰু সকলো জাতি-উপজাতিৰ লোকক শৰণ দিয়া হয়। নগাঁও আৰু বোকাখাট সত্ৰৰ মাজৰ পৰা জ্যেষ্ঠজনাক সত্ৰাধিকাৰ পদত অধিষ্ঠিত কৰা পৰম্পৰা চলি আছে। নগাঁৱৰ কুৰুৱাবাহী সত্ৰৰ প্ৰথম অধিকাৰ জগন্নাথদেৱ আৰু বৰ্তমান অধিকাৰ শ্ৰীশিৱপ্ৰসাদ গোস্বামী, ডেকা সত্ৰাধিকাৰ শ্ৰীকেশৱচন্দ্ৰ গোস্বামী।

## ডিফলু ঃ

নিজ চহৰ মৌজাৰ নগাঁৱৰ পৰা ৩ কিলোমিটাৰ পূৱত কলঙৰ উত্তৰ পাৰত অৱস্থিত।

লৰিমিশ্ৰ (জয়হৰি)ৰ দুই পুত্ৰ ৰামকৃষ্ণ আৰু কৃষ্ণচন্দ্ৰ। ৰজা জয়ধ্বজসিংহ (১৬৪৮-১৬৬৩ খ্ৰীঃ)ই ৰামকৃষ্ণক জাকজমকীয়াকৈ কুৰুৱাবাহী সত্ৰ পাতি দিয়াৰ পিছত কৃষ্ণচন্দ্ৰই আঁতৰি গৈ বোকাখাটৰ ডিফলু নদীৰ পাৰত নিজাকৈ সত্ৰ প্ৰতিষ্ঠা কৰে। ডিফলু নদীৰ পাৰত অৱস্থিত কাৰণে ডিফলু সত্ৰ নাম হয় আৰু স্থাপন কৰা সত্ৰখনৰ নামো পূৰ্বৰ সত্ৰৰ নামেৰে ডিফলু সত্ৰ ৰখা হয়।

চাৰুচন্দ্ৰদেৱ ডিফলু সত্ৰত অধিকাৰ হৈ থকা অৱস্থাত চলাজনা অধিকাৰৰ জ্যেষ্ঠভাতৃ হৰিচন্দ্ৰদেৱৰ পুত্ৰ চন্দ্ৰদেৱৰ চাতুৰ্য্যৰ বাবে সত্ৰৰ বিভাজন হোৱা কুৰুৱাবাহীত চাৰুচন্দ্ৰদেৱ আৰু ডিফলুত চাৰুচন্দ্ৰ ভাতৃ উত্তমচন্দ্ৰ সত্ৰৰ অধিকাৰ হয়।[৮৭] মান-ভগনৰ সময়ত কৃষ্ণচন্দ্ৰৰ বংশধৰ উজনিৰ পৰা আহি নগাঁৱত সত্ৰভাগ পাতে। ডিফলু সত্ৰ স্থাপিত গাঁওখন ডিফলু নামে জনাজাত। কুৰুৱাবাহী আৰু ডিফলু সত্ৰৰ শিচ্-ভকতৰ অৰিহণা দুয়োভাগ সত্ৰৰে উমৈহতীয়া। অৰ্থাৎ শতকৰা ৬০ ভাগ কুৰুৱাবাহীৰ আৰু শতকৰা ৪০ ভাগ ডিফলুৰ।[৮৮]

বাটচ'ৰা, নামঘৰ, মণিকূট, সত্ৰাধিকাৰৰ বাসগৃহৰে সত্ৰ ঐতিহ্যপূৰ্ণ। নাম-প্ৰসঙ্গ, ভাওনা, গীত-বাদ্যৰ চৰ্চা অব্যাহত। সত্ৰত বংশীগোপাল, দামোদৰদেৱ, শঙ্কৰদেৱৰ তিথি, জন্মাষ্টমী, ৰাস, ফল্গুৎসৱ, শিৱৰাত্ৰি আদি পালন কৰা হয়। সত্ৰত 'আজ্ঞাপৰ সত্ৰসমূহৰ বিৱৰণ', 'আচাৰ নিৰ্ণয়' আৰু 'হোম পদ্ধতি', 'বংশাৱলী চৰিত', 'শ্ৰীশ্ৰীগোপালদেৱ চৰিত', 'সীতাৰ বনবাস', 'কীৰ্ত্তন-পুথি', 'দীক্ষা প্ৰয়োগ',



'তান্ত্ৰিক পূজা পদ্ধতি', 'ভক্তি-প্ৰদীপ', 'নাম মালিকা', 'জৰাসন্ধ উপাখ্যান' আদি বৈষ্ণৱ আৰু তান্ত্ৰিক ধৰ্মৰ পুৰণি পুথি আছে।

সত্ৰৰ সিংহাসনত ভাগৱত গ্ৰন্থ আৰু সত্ৰৰ বিগ্ৰহ শ্ৰীশ্ৰীব্ৰজনাথ মহাপ্ৰভু। হিন্দু জাতিৰ সকলো সম্প্ৰদায়ৰ লোকক শৰণ-দীক্ষা দিয়ে। অসমৰ কেইবাখনো জিলাত শিষ্য আছে।

যোৰহাটৰ পৰা ৬ কি.মি. পূবে হাতীগড় ডিফলুত থকা সত্ৰৰ অধিকাৰ দুৰ্গেশ্বৰ গোস্বামী নগাঁও ডিফলুৰো অধিকাৰ আছিল। বৰ্তমান নগাঁও সত্ৰ পৰিচালনা কৰা শ্ৰীহৰিমোহন গোস্বামী সত্ৰীয়া সঙ্গীতৰ শিল্পী।

## ॥আধলিয়া যদুমণি বা দেৱযদুমণি মাহৰা সত্ৰ॥

*অসমৰ বৈষ্ণৱ ধৰ্মৰ সত্ৰ-ইতিহাসত বিশেষ স্থানত অভিষিক্ত তিনিজনা যদুমণিৰ অন্যতম আধলিয়া যদুমণি। আন দুজনা ভৱানীপুৰীয়া গোপাল আতাৰ আজ্ঞাপৰ বৰযদুমণি আৰু সৰুযদুমণি। লক্ষীমপুৰৰ নাৰায়ণপুৰ অঞ্চলত জন্ম গ্ৰহণ কৰা আধলিয়া বা দেৱযদুমণিয়ে ভটীয়াই গৈ বৰপেটা অঞ্চলত মাধৱদেৱ আৰু দামোদৰদেৱৰ লগত ধৰ্ম-চৰ্চা কৰে। মাধৱদেৱৰ সুন্দৰীদিয়া সত্ৰত প্ৰত্যহ প্ৰসঙ্গৰ পাঠক আছিল দেৱযদুমণি। দামোদৰদেৱৰ লগত পৰামৰ্শ কৰি মাধৱদেৱে যদুমণিদেৱক উজনিলৈ গৈ ধৰ্ম প্ৰচাৰ কৰিবলৈ আজ্ঞা দিহে। (শ্ৰীশ্ৰীবংশীগোপালদেৱৰ চৰিত্ৰ, পদ ২৪২/২৪৫) সেই দুই সত্ৰ-ভক্ত দেৱযদুমণি আৰু বংশীগোপালৰ উজনিলৈ যায় আৰু যদুমণিয়ে দিচাংমুখৰ মাহজহাআটীত (মাহৰা) সত্ৰ স্থাপন কৰে।*

*দেৱযমুদণিৰ চাৰিপুত্ৰ— অচ্যুতানন্দই ঘাৰমৰা, পূৰ্ণানন্দই পটিয়ৰী, জগতানন্দই ডোখৰামুখ আৰু কমলাকান্তই আধাৰ সত্ৰ স্থাপন কৰে। দেৱযদুমণি কনিষ্ঠ পুত্ৰ কমলানাথৰ লগত আধাৰ সত্ৰতে থাকি জীৱন অতিবাহিত কৰে। যদুমণি আধলিয়া বা আধাৰ যদুমণি নামে জনাজাত।*

*অবিভক্ত নগাঁও জিলাত তেওঁৰ বংশৰ পৰা বঢ়া আধাৰ মাহাৰা আৰু ডোখৰামুখ সত্ৰ আছে।*

*॥দেৱযদুমণিৰ পৰা বঢ়া॥*

### মাহৰা ডিমৌ ঃ

নগাঁও নগৰৰ পৰা পশ্চিমে ৰাষ্ট্ৰীয় পথৰ ১১ কিলোমিটাৰত কাছমাৰী মৌজাৰ ডিমৌ শালমৰাত সত্ৰভাগ অৱস্থিত। দেৱযদুমণি আধাৰ যদুমণি নামেও জনাজাত। মাধৱদেৱ আৰু দামোদৰদেৱৰ আজ্ঞামতে বংশীগোপালৰ লগত দেৱযদুমণিও উজনিলৈ ধৰ্ম প্ৰচাৰাৰ্থে যায়। মাধৱদেৱৰ পৰা পূৰ্বে যদুমণিয়ে

'প্ৰথম-স্কন্ধ ভাগৱত', শ্যামৰায় মূৰ্ত্তি, আঁচুপৰা বস্ত্ৰ লাভ কৰি ঘৰুৱা জীৱন যাপন কৰি ধৰ্ম প্ৰচাৰ কৰে আৰু বংশীগোপালে ৰাজসূয় কাব্য, মদনগোপাল লাভ কৰি দেবেৰাপাৰত সত্ৰ পাতি উদাসীন জীৱন যাপন কৰে। যদুমণি উজাই গৈ দিচাংমুখৰ মাথিয়াছিগাৰ মাহজহাআটীত এভাগ সত্ৰ পাতে। কোনো কোনোৱে মাহমৰাআটী বুলিও কয়। এই সত্ৰই মাহৰা সত্ৰ নামে প্ৰখ্যাত হয়।[১৯] ডিমৌ মাহৰাআটী সত্ৰৰ বৰ্তমান অধিকাৰৰ মতে যদুমণিদেৱে সত্ৰভাগ স্থাপন কৰে আৰু সত্ৰভাগ মাজুলীত স্থাপন কৰা সত্ৰ শিৱসাগৰৰ মাহমৰাআটীলৈ নি প্ৰতিষ্ঠা কৰাৰ কাৰণে সত্ৰৰ নাম মাহৰা (মাহমৰা) আটী হয়।

যদুমণিদেৱৰ কনিষ্ঠপুত্ৰ কমলাকান্তৰ চতুৰ্থ পুৰুষ চন্দ্ৰদেৱৰ পুত্ৰ ভোলানাথে গোলাঘাটৰ ধনশ্ৰী নদীৰ পাৰৰ আধাৰ মাহৰা সত্ৰৰ পৰা ভটীয়াই আহি ধিং-আঠগাঁৱৰ লেতেৰীপাৰত সত্ৰ পাতি থাকে। কিন্তু তাত বানপানীৰ উপদ্ৰৱ, বেমাৰ-আজাৰৰ প্ৰকোপত শান্তিৰে সত্ৰ-সভা কৰি থাকিব নোৱাৰি ভোলানাথ-পদ্মনাভ-জনাৰ্দন তিনি পুৰুষৰ পিছত সোমেশ্বৰদেৱে তাৰ পৰা উঠি আহি ঊনবিংশ শতাব্দীৰ মাজকালত ডিমৌত চকুৰোৱাকৈ সত্ৰভাগ পাতে। সত্ৰত নাম-প্ৰসঙ্গ, বৰগীত, ভাওনাদিৰ চৰ্চা অব্যাহত আছে আৰু সত্ৰ সম্পৰ্কে সত্ৰৰ প্ৰতি গৰাকী লোক সজাগ। সত্ৰখন মাধৱদেৱৰ আজ্ঞাপৰ যদিও ব্ৰহ্ম আৰু পুৰুষ সংহতিৰ সংমিশ্ৰণতহে চলে।[২০]

যদুমণিদেৱৰ তিথি, শঙ্কৰদেৱ-মাধৱদেৱৰ তিথি, পালনাম, বহাগৰ কৃষ্ণা একাদশীৰ পৰা ২/৩ দিনীয়াকৈ ভাওনা, জন্মাষ্টমী, দৌলোৎসৱ, ফল্গুৎসৱ, ৰাস পূৰ্ণিমা, সংক্ৰান্তিৰ নাম-কীৰ্ত্তন আদি পৰম্পৰাগতভাৱে পালন কৰি আছে। অৱশ্যে পূৰ্বতকৈ বৰ্তমান ইবোৰ কিছু স্তিমিত হৈ পৰিছে।

জনজাতি, অনুসূচিত আৰু নিম্ন-উচ্চ সকলো বৰ্ণৰ লোকক শৰণ-ভজন দিয়া হয়। কঠাল কাঠৰ হেঙুল-হাইতাল লগোৱা সাতখলপীয়া সিংহাসন, যদুমণিদেৱৰ পাদুকা, গুৰুবস্ত্ৰৰ অংশ বিশেষ, কেইবাখনো সাঁচিপতীয়া পুথি আদি সত্ৰৰ সেৱাৰ বস্তু আৰু অমূল্য সম্পদ।

সত্ৰাধিকাৰৰ ক্ৰমঃ দিচাংমুখৰ মাহমৰাআটীত বৰযদুমণিৰ পিছত কমলাকান্ত—কামদেৱ—নৰসিংহ—চন্দ্ৰদেৱ, ধিং লেতেৰী পাৰত ভোলানাথ—পদ্মনাভ—জনাৰ্দন আৰু ডিমৌত সোমেশ্বৰ—দীনেশ্বৰ—পূজাদেৱ—কমৰচন্দ্ৰ—ৰামদেৱ আৰু বৰ্তমান সত্ৰাধিকাৰ শ্ৰীবিশ্বেশ্বৰ দেৱগোস্বামী আৰু ডেকা সত্ৰাধিকাৰ শ্ৰীনৰদেৱ গোস্বামী।

**ডোখৰামুখ ঃ**

নগাঁও নগৰৰ পৰা ৫ কিলোমিটাৰ পূৱে কৰৈয়নীত অৱস্থিত।



মাহৰা সত্ৰৰ প্ৰতিষ্ঠাপক বৰযদুমণিৰ ৩য় পুত্ৰ জগতানন্দই আই কনকলতাৰ আজ্ঞাৰে শিৱসাগৰৰ দিখৌ নদীৰ মুখত পতা সত্ৰই ডোখৰামুখ। মানৱ উপদ্ৰৱত উত্তৰ লক্ষীমপুৰলৈ সত্ৰ স্থানান্তৰিত কৰে। পৰৱৰ্ত্তী কালত সত্ৰৰ অধিকাৰ ৰামদেৱৰ তোলনীয়া পো জলাসয়দেৱ পিতৃ সোমেশ্বৰদেৱৰ লেতেৰীপাৰলৈ আহে। তেওঁৰ পুত্ৰ তুৰাৰামদেৱে জাজৰি ফুকনৰ খাটত ডোখৰামুখ সত্ৰ পাতে। দুই পুৰুষৰ পিছত সত্ৰ অগ্নিসাৎ হৈ নিশ্চিহ্ন হয়।[২১]

তাৰ পাছত তেওঁলোকৰ পৰা কৰৈয়নী সত্ৰ ভাগ প্ৰতিষ্ঠা হৈছে বুলি জনা যায়। সত্ৰত নাম-প্ৰসঙ্গ, তিথি-পৰ্ব যথাযথ চলি আছে।

*॥ বংশীগোপালদেৱৰ আজ্ঞাপৰ সত্ৰ ॥*

**চেংলাই শালমৰা ঃ**

নগাঁও নগৰৰ পৰা ১৪ কিলোমিটাৰ পশ্চিমে ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত জাগীয়াল মৌজাৰ ফুলগুৰিৰ পূব শালমৰাত অৱস্থিত। সত্ৰৰ পূৰ্বৰ ঠাই মাজুলী। ৰাজেশ্বৰ সিংহ(১৭৪১-১৭৬৯ খ্ৰীঃ)ৰ ৰাজত্ব কালত মাজুলীত কৃষ্ণদেৱে সত্ৰ প্ৰতিষ্ঠা কৰিছিল। কলেৰা মহামাৰীত পিতৃ-মাতৃ আৰু আত্মীয়সকলক হেৰুৱাই কৃষ্ণদেৱে মানসিক অশান্তি পাই নানা তীৰ্থ ভ্ৰমণ কৰি কেইবছৰমান পিছত মাজুলীৰ স্বগৃহলৈ ঘূৰি আহে। তেওঁৰ ভতিজাক হোমেশ্বৰে চলাই থকা সত্ৰখন আউনীআটীয় সত্ৰীয়াৰ বিচাৰমতে কৃষ্ণদেৱে পাই সত্ৰাধিকাৰ পদত অধিষ্ঠিত হয়। কিছুদিন মাজুলীত সত্ৰ চলোৱাৰ পিছত প্ৰাকৃতিক দুৰ্যোগৰ সন্মুখীন হৈ মাজুলীৰ পৰা ভটীয়াই আহি নগাঁৱৰ জখলাবন্ধাত (১৭৯৫-১৮২৮ খ্ৰীঃলৈ) সত্ৰ চলায় আৰু তাৰ পিছত মানৰ দিনত পশ্চিমলৈ আহি বৰ্তমানৰ ঠাইত ১৮২৮ খ্ৰীঃত সত্ৰখন স্থাপন কৰে। সত্ৰৰ পূৰ্বৰ নাম শিলপুখুৰী আছিল। ফুলগুৰি শালমৰাত 'চেং' নামৰ আঢ্যৱন্ত পুৰুষ এজনে মাটি-বাৰীৰে সত্ৰ পাতিবলৈ সুবিধা কৰি দিয়ে আৰু সেই বাবে তেওঁৰ নামেৰে চেংলাই সত্ৰ জনাজাত হয়।[২২] বৰ্ত্তমান সত্ৰৰ নাম চেংলাই শালমৰা।

সাঁচিপতীয়া পুথি আৰু সত্ৰীয়া সম্পদাদিৰে শিষ্য ভকতসহ নামঘৰ-মণিকূট-হাটী-বহাৰে এখন চকুত লগা সজাগ সত্ৰ। জনজাতীয়, জয়ন্তীয়া, কাৰ্বি, কৈৱৰ্ত্ত, হীৰা, অন্যান্য পিছপৰা শ্ৰেণী আৰু উচ্চ শ্ৰেণীৰ লোকক শৰণ-ভজন দিয়া সত্ৰ।

ছয়খলপীয়া হেঙুল-হাইতাল অলংকৃত সিংহাসন, ৰজাদিনীয়া দোলা-খাটোলা, বৰজাপি, গুৰু-পাদুকা, ডাঙৰ কাঁহৰ বঁটা আৰু কেইবাখনো সাঁচিপতীয়া পুথি সুন্দৰভাৱে ৰখা হৈছে। ৰাজেশ্বৰ সিংহ প্ৰদত্ত প্ৰকাণ্ড পিতলৰ ডবা আৰু বৰকাঁহ ১৯৬৪ খ্ৰীঃত দুবৃত্তই চুৰি কৰে। থাপনাত শ্যামৰাই বিগ্ৰহ আৰু ভাগৱত

শাস্ত্ৰ আছে। সত্ৰত শালগ্ৰাম, বংশীবাদন আৰু গোপালৰ বিগ্ৰহো আছে।

বিভিন্ন তিথি-উৎসৱ, নাম-কীৰ্ত্তন, জন্মাষ্টমী, ফাকুৱা আদি উদ্‌যাপন কৰে।

সত্ৰাধিকাৰৰ ক্ৰমঃ কৃষ্ণদেৱ—শিৱদেৱ—ভৱদেৱ—জগন্নাথ—সিদ্ধেশ্বৰ—চিত্ৰদেৱ—কমলেশ্বৰ—যোগেশ্বৰ—কেশৱ—কমলদেৱ—ৰত্নকান্ত—মহেন্দ্ৰদেৱ আৰু বৰ্ত্তমান শ্ৰীধৰ্মানন্দ গোস্বামী আৰু ডেকা অধিকাৰ শ্ৰীজীৱিত গোস্বামী। জ্যেষ্ঠানুক্ৰমে অধিকাৰ পতা হয়।

*॥বাৰশ্ৰৱণীয় সত্ৰ॥* *(কলিয়াবৰ-বাৰশ্ৰৱণী দ্ৰষ্টব্য)*

## শ্ৰৱণী দগাঁও ঃ

আলিটাঙনি মৌজাৰ কোটোহা দগাঁও (জুবিয়া)ত অৱস্থিত।

বংশীগোপালৰ আজ্ঞাপৰ শ্ৰীপতি শ্ৰৱণী (কৃষ্ণচৰণ)ক ৰুদ্ৰসিংহ (১৬৯৬-১৭১৪ খ্ৰীঃ)ই কলিয়াবৰত বহুৱায়। কৃষ্ণচৰণ শ্ৰীপতিৰ নাতি জগন্নাথৰ চৈধ্য পুত্ৰৰ দ্বিতীয় পুত্ৰ ভবানন্দৰ নাতি দেউবৰৰ দ্বিতীয় পুত্ৰ ধীৰামে কোটোহা দগাঁৱত সত্ৰ এভাগ পাতি শ্ৰৱণী নাম ৰাখে।[১৩] আনমতে মানৰ আক্ৰমণৰ সময়ত হাটবৰৰ পৰা আহি কোটোহা দগাঁৱত সত্ৰ প্ৰতিষ্ঠা কৰে।[১৪] সত্ৰ যদিও ব্ৰহ্ম সংহতিৰ পুৰুষ সংহতিৰ লগত নাম-প্ৰসঙ্গ, ভাওনা, ৰীতি-নীতি, তিথি-উৎসৱ সকলো একে।

মূলসত্ৰ শ্ৰৱণী-হাটবৰৰ ধৰ্ম-সংস্কৃতিৰ পৰম্পৰা ৰক্ষা কৰি আছে। শিষ্যৰ সংখ্যা হাজাৰতকৈ বেছি। সত্ৰত গুৰু-কীৰ্ত্তন, ভাদমহীয়া নাম, জন্মাষ্টমী, পাচতি, ফাকুৱা, পালনাম আদি যথাযথ পালন কৰা হয়।থাপনাত সাঁচিপতীয়া ভাগৱত। সত্ৰৰ বিগ্ৰহ বংশীবাদন।

দগাঁও শ্ৰৱণী সত্ৰাধিকাৰৰ ক্ৰমঃ ধীৰাম—ঘনকান্ত—গোপীকান্ত। বৰ্তমান শ্ৰীমহীকান্ত মহন্তই সত্ৰ পৰিচালনা কৰে।

## শ্ৰৱণী টকৌবাৰী ঃ

গৰুবাট মৌজাৰ কামপুৰৰ পৰা ৫ কিলোমিটাৰ পূবে পটিয়াপাম ডাকঘৰৰ দেউৰীগাঁৱত অৱস্থিত।

কৃষ্ণচৰণৰ নাতি জগন্নাথৰ চৈধ্য পুত্ৰৰ প্ৰথম পুত্ৰ বিষ্ণুৰামৰ বংশৰ পৰা বঢ়া সত্ৰ। হাটবৰ শ্ৰৱণী সত্ৰৰ অধিকাৰ বিষ্ণুৰামৰ পৰিনাতি বুদাইৰ পুত্ৰ কেশৱচন্দ্ৰই গুৱাহাটীৰ টকৌবাৰী সত্ৰৰ পৰা উজাই আহি ১৮৯৩ খ্ৰীঃত নগাঁৱত টকৌবাৰী শ্ৰৱণী সত্ৰ স্থাপন কৰে।[১৫] সত্ৰৰ থাপনাত 'গুণমালা' পুথি আৰু মূৰ্ত্তি বংশীবাদন আৰু ৰাধাকৃষ্ণৰ। 'দ্বাদশস্কন্ধ ভাগৱত', 'ভক্তি-প্ৰদীপ', 'জন্ম ৰহস্য', 'বাৰ অঙ্ক' আদি পুথি সত্ৰত সংৰক্ষিত। শ্ৰীদুৰ্লভ মহন্তই 'খোল তালৰ বাজানা', 'ভক্তি তত্বায়ন', 'চমু ভাগৱত', 'ৰাসতত্ব' আৰু নাট 'কুৰুক্ষেত্ৰ', 'স্যমন্ত হৰণ', 'ব্ৰহ্মামোহন' আৰু 'কৃষ্ণ জন্মলীলা' ৰচনা কৰিছে। সত্ৰৰ অধিকাৰ শ্ৰীদুৰ্লভ চন্দ্ৰ মহন্ত আৰু ডেকা অধিকাৰ শ্ৰীঘনকান্ত মহন্ত।



সত্ৰৰ নাম-প্ৰসঙ্গ, সংস্কৃতি পুৰুষ সংহতিৰ লগত মিলে। পূৰ্ব্বৰ পৰা সত্ৰীয়া নাম-প্ৰসঙ্গ, নৃত্য-ভাওনা, সঙ্গীত আদিৰ চৰ্চা অব্যাহত আছে। সত্ৰৰ শ্ৰীগোলাপ মহন্ত সত্ৰীয়া গীত-বাদ্য, নাট-ভাওনাৰ ওজা।

জনজাতি, অনুসূচিত আৰু সাধাৰণ জাতিৰ চাৰিহাজাৰ মান শিষ্য আছে।

## শ্ৰৱণী কুঠৰী ঃ

জখলাবন্ধাৰ পৰা উজনিৰ কুঠৰীত কৃষ্ণচৰণৰ পৰিনাতি ভবানন্দৰ ৩য় পুত্ৰ ঈশেশ্বৰৰ নাতি ভোলাই নামৰ এজনে এভাগ শ্ৰৱণী সত্ৰ পাতিছিল। সেই সত্ৰখন শ্ৰৱণী কুঠৰী বুলি কোৱা হৈছিল। বৰ্ত্তমান ভোলাইৰ পৰিনাতি কুঠৰীত আছে। সত্ৰৰ ঐতিহ্য নাই।

*॥আউনীআটীৰ নিৰঞ্জন বাপুৰ আজ্ঞাপৰ সত্ৰ॥*

## মুৰাৰি নৰে ঃ

শিঙিয়া পোতনি মৌজাৰ নৰে কুমাৰগাঁৱত অৱস্থিত। বাৰ-শ্ৰৱণীৰ অন্যতম মুৰাৰিদেৱৰ নামত কলিয়াবৰৰ পূৰথৰীয়াৰ দুলাল মাধৱত মুৰাৰি সত্ৰ এখনি আছে। সেইখনৰ লগত ইয়াৰ সম্পৰ্ক জনা নাযায়। কোনোবা সময়ত মুৰাৰিৰ বংশধৰ কোনোবাজন আহি নৰে-কুমাৰগাঁৱত নিগাজীকৈ থাকিবলৈ লয় আৰু মুৰাৰি সত্ৰ প্ৰতিষ্ঠা কৰে। সত্ৰখন নগাঁও নগৰৰ পৰা ১০ কিঃমিঃ দূৰত পূৱ-দক্ষিণৰ নৰে কুমাৰ গাঁৱত আছে। নৰেৰ মুৰাৰি সত্ৰৰ প্ৰতিষ্ঠাপকৰ নাম জনা নাযায়। সত্ৰখন আউনীআটীৰ নিৰঞ্জন বাপুৰ আজ্ঞাপৰ বুলি কয়।[১৬]

*॥আউনীআটীৰ খাট-পাম শাখা সত্ৰ॥*

## আউনীআটী নগাঁও ঃ

নগাঁও নগৰৰ পৰা ৭ কিলোমিটাৰ পূবত ৰাষ্ট্ৰীয় পথৰ সোঁফালে সোমায়েই মাজুলীৰ আউনীআটী সত্ৰৰ খাট-পাম। ইয়াতে নামঘৰ, মণিকূট, শিচ-ভকতৰ বহাসহ এখনি শাখা সত্ৰ আছে। ইয়াত অধিকাৰ নাথাকে। মূলসত্ৰ মাজুলীৰ পৰা মাজে-সময়ে সত্ৰাধিকাৰ আহি খা-খবৰ লৈ শিচ শৰণ-দীক্ষা দিয়ে। মেধি, মুক্তিয়াৰ, ভৰালী আৰু শিচ-ভকতৰে পৰিচালনা সমিতিয়ে সত্ৰ চলায়। নাম-প্ৰসঙ্গ, তিথি, উৎসৱ আদি পালন কৰে।

### আউনীআটী বৰবাৰী ঃ

চলচলি মৌজাৰ বৰবাৰীতো মূল আউনীআটী সত্ৰৰ খাট-পাম আছে। এই খাট-পামতেই আউনীআটীৰ শাখা সত্ৰ। ইয়াতো নামঘৰ, মণিকূটৰে নাম-প্ৰসঙ্গ, উৎসৱাদিৰ কাৰণে কীৰ্ত্তন-ঘৰ আছে। মূল সত্ৰৰ পৰা কেতিয়াবা অধিকাৰ আহি শিচ্-ভকতৰ খবৰ লয় আৰু শৰণ-ভজন দিয়ে। সত্ৰাধিকাৰৰ আজ্ঞাৰে বিষয়বৰীয়াই গুৰু তিথি, নাম-কীৰ্ত্তন আদিৰে সত্ৰভাগ চলায়।

### আউনীআটী কৃষ্ণাইখাট ঃ

নগাঁও মহকুমাৰ পাখীমৰীয়া মৌজাৰ ডাকৰঘাটত অৱস্থিত। মাজুলীৰ মূলসত্ৰৰ অধিকাৰে কোনো কোনো সময়ত আহি বাহৰ পাতি থাকি শিষ্যক শৰণ-ভজন দিয়ে। মুক্তিয়াৰ, মেধি আৰু ভৰাঁলী আদিয়ে সত্ৰ পৰিচালনা কৰে। নাম-প্ৰসঙ্গ, গীত-নৃত্য, ভাওনা আদি সত্ৰীয়া পদ্ধতিত চলি আছে। মণিকূট-নামঘৰ আহল-বহল।

### আউনীআটী খিং ঃ

মাজুলীৰ আউনীআটীৰ খাট-পামৰ শাখা সত্ৰ। খিং নগৰৰ খিং আউনীআটী সত্ৰ নামৰ গাঁৱতে অৱস্থিত। সত্ৰৰ নামেৰে গাঁওখনৰ নাম। মূল আউনীআটী সত্ৰৰ লগত সম্পৰ্ক ৰাখি পৰিচালনা সমিতিয়ে বিষয়-বাবেৰে সত্ৰভাগ পৰিচালনা কৰে। সাঁচিপতীয়া পুথি, পিতলৰ ডবা, সাতখলপীয়া সিংহাসন, কাঠৰ শৰাই, বংশীবাদনৰ সোণ-পিতলৰ মূৰ্ত্তি, পিতলৰ বৰচৰিয়া, টৌ, শৰাই আছে। আউনীআটীয় সত্ৰীয়া শ্ৰীশ্ৰীবিষ্ণুদেৱ গোস্বামীৰ নামত গ্ৰন্থালয় আৰু মধ্য বিদ্যালয় পতা হৈছে। সত্ৰীয়া নাট-ভাওনা, নৃত্য-বৰগীত আদি, তিথি-পৰ্ব পতা হয়। ৰাজহ বিভাগৰ তথ্যমতে মূল আউনীআটী সত্ৰৰ সত্ৰাধিকাৰৰ নামত নিষ্পিখেৰাজ আছে। কুম্ভকৰ্ণ, গৰুড়, ৰাক্ষস আদিৰ মুখা আছে।ঁজয়নাথ শৰ্মা বিখ্যাত ভাস্কৰ-শিল্পী আছিল।[৯৭]

### আউনীআটী চামগুৰি (কুকুৰাবাহী) ঃ

ভেলেউগুৰি মৌজাৰ চামগুৰি খুটাৰখাট কুকুৰাবাহীত অৱস্থিত। মূলসত্ৰ মাজুলীৰ আউনীআটী। তাৰ পৰা সত্ৰাধিকাৰে সত্ৰ চলায়। মাজে সময়ে আহি শৰণ-ভজন দি শিষ্য ভজায়। স্থানীয় পৰিচালনা সমিতিৰ পৰিচালনাত মেধি, মুক্তিয়াৰ, পূজাৰী, ভৰাঁলী আদিয়ে সত্ৰৰ যাবতীয় কাম চলায়। মণিকূটসহ নামঘৰ আহল-বহল। ভক্ত ৰাইজে পৰম্পৰাগতভাৱে নাম-প্ৰসঙ্গ, নৃত্য-গীত, নাট-ভাওনাৰ তিথি-পাৰ্বণ, দৌল, ৰাস, ফাকুৱা, শঙ্কৰ-জন্মোৎসৱ আদি পালন কৰে।[৯৮]



### লাংটা সত্ৰ ঃ

আউনীআটীৰ শাখা সত্ৰ বুলি জনা যায়।

বহা হাবিয়ামুখৰ কুমাৰ গাঁৱত অৱস্থিত।

শুনামতে অতীজত ইয়াত কোনো এজন লেংটা বাবা সন্ন্যাসীৰ থান আছিল। সেই থানতে দত্তদেৱ গোঁসাই নামৰ এজনে স্বপ্নাদেশ পাই ভকতসকলৰ লগত থানখন বিচাৰি উলিয়ায় আৰু তাতে নাম-কীৰ্ত্তন কৰি সত্ৰ স্থাপন কৰে। লাংটা বাবাৰ থানত প্ৰতিষ্ঠিত কাৰণে লাংটা সত্ৰ নাম হয়। সত্ৰত গোঁসাই নাথাকে, ভকতসকলে চলায়।

সত্ৰৰ শিষ্য-ভকত অনেক আছে। ১৬ বিঘা মাটি বৃটিছ চৰকাৰে তামৰ ফলি কৰি দিয়ে বুলি জনা যায়।[৯৯]

### জগৰাল ঃ

পুৰণিগুদাম চলচলি মৌজাৰ ব্ৰাহ্মণগাঁৱত অৱস্থিত। থাপনাত বিগ্ৰহ আছে। নাম-গুণ চলি থাকে। বিশেষ স্বচ্ছল নহয়।[১০০] সত্ৰৰ ঐতিহ্যৰ তথ্য সম্পৰ্কে বিশেষ জনা নাযায়। আউনীআটীৰ আজ্ঞাপৰ সত্ৰ বুলি কয়।

*॥গড়মূৰ সত্ৰৰ শাখা সত্ৰ॥*

### ফুলগুৰি গড়মূৰ ঃ

ফুলগুৰি বজাৰৰ পৰা অলপ উজাই জাগীয়াল মৌজাত গড়মূৰ শাখা সত্ৰ। মাজুলীৰ মূল গড়মূৰ সত্ৰৰ শাখা। সত্ৰাধিকাৰ ইয়াত নাথাকে। মাজে-সময়ে সত্ৰাধিকাৰ আহি শৰণ-ভজন দি শিষ্য ভজে।[১০১] ভকত-শিচসকলে নাম-প্ৰসঙ্গ আদি চলাই থাকে। পীতাম্বৰ দেৱগোস্বামী বিদ্যালয় এখন আছে।

### গড়মূৰ পুৰণিগুদাম ঃ

নগাঁও নগৰৰ পৰা ১০ কিলোমিটাৰ দূৰত পুৰণিগুদাম ৰাষ্ট্ৰীয় পথৰ কাষতে, সোঁফালে গড়মূৰ সত্ৰৰ শাখা এটি আছে। স্থায়ী সত্ৰাধিকাৰ নাই। মাজে মাজে মূলসত্ৰৰ পৰা অধিকাৰ গৰাকী আহি সত্ৰ-পৰম্পৰা ৰক্ষা কৰি আছে।[১০২] সত্ৰৰ চৌহদ, মণিকূটসহ নামঘৰ আহল-বহল। মেধি, ভৰাঁলী, নাম লগোৱা পাঠক, দেউৰী, পূজাৰী আদিৰে সত্ৰ পৰিচালনা সমিতিয়ে সত্ৰভাগ চলায়।

*॥দক্ষিণপাটৰ শাখা সত্ৰ॥*

### কছাৰীসত্ৰ দক্ষিণপাট ঃ

পাখীমৰীয়া মৌজাৰ দক্ষিণপাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ওচৰতে অৱস্থিত।

মাজুলীৰ দক্ষিণপাট সত্ৰৰ বিষ্ণুদেৱ গোঁসাইৰ লগত আহোম স্বৰ্গদেৱ গৌৰীনাথ সিংহৰ নানকাৰ (নিষ্কৰ) মাটি সংক্ৰান্তত হোৱা মনোমালিন্যত গোঁসাইদেৱে মনত অশান্তি পাই মাজুলীৰ পৰা বৈকুণ্ঠপুৰ অভিমুখে যাত্ৰা কৰি ভটীয়াই যাওঁতে কলিয়াবৰৰ দেৱৰ সত্ৰত কেইদিনমান থাকিবলৈ লয়। কছাৰী ৰজা কৃষ্ণচন্দ্ৰই এই খবৰ পাই গোসাঁইক সাক্ষাৎ কৰি গুৰু মানি সদালাপ কৰি থাকোঁতে গৌৰীনাথ সিংহৰ আজ্ঞামতে চাওডাঙে বিষ্ণুদেৱ গোঁসাইৰ চকু কাঢ়িবলৈ অহাৰ খবৰ পায়। কছাৰী ৰজাই কিছুমান ভকতক গোসাঁইৰ ৰক্ষণা-বেক্ষণৰ ভাৰ দি নিজেও সতৰ্ক হৈ থাকিল। আহোম স্বৰ্গদেৱৰ চাওডাঙে গোঁসাইৰ ওচৰ চাপিব নোৱাৰি অহা বাটে গতি কৰিলে।

বিষ্ণুদেৱ গোসাঁই বৈকুণ্ঠপুৰলৈ নগৈ কছাৰী ৰজা কৃষ্ণচন্দ্ৰৰ ৰাজ্যৰ ভিতৰতে সত্ৰ এখনি পাতিবলৈ মনস্থ কৰিলে। ৰজাই মাটি-বাৰী আৰু মানুহ দি সত্ৰ স্থাপনৰ ব্যৱস্থা কৰি দিলে আৰু গোঁসাই সেই সত্ৰতে থাকিবলৈ ললে। কিছুবছৰ পাছত ১৭২০ শকত গোঁসাই মাজুলীলৈ ঘূৰি যায়। মাজুলীৰ দক্ষিণপাট সত্ৰৰ দৰে নগাঁৱৰ কছাৰী ৰাজ্যৰ সত্ৰখন অতি পৰিপাটীকৈ নিয়ম-কানুন মতে চলিবলৈ ধৰে। নগাঁৱৰ দক্ষিণপাটৰ এই সত্ৰখন কছাৰী সত্ৰ নামে জনাজাত। নামঘৰ-মণিকূট, বাটচ'ৰা, কৰাপাট, দৌলপুখুৰীৰ ঐতিহ্য বহনেৰে সত্ৰখন বৰ্তি আছে।[১০৩] সত্ৰখনত মূলসত্ৰৰ অধিকাৰ নাথাকে। সুবিধামতে মাজে-সময়ে আহি শিষ্য শৰণ-ভজনৰ কাম কৰি যায়। স্থানীয় লোকে সত্ৰভাগৰ তিথি-পৰ্ব, উৎসৱ চলাই থাকে।

*॥ দক্ষিণপাটৰ আজ্ঞাপৰ সত্ৰ॥*

### কাছাৰী যোৰা সত্ৰ ঃ

নগাঁৱৰ হাতীচোং মৌজাৰ চকলাঘাট-খাটোৱাল গাঁৱত অৱস্থিত। সত্ৰৰ আদিজনা হৰিদেৱে স্বৰ্গদেউ শিৱসিংহৰ আমোলত সত্ৰভাগ প্ৰতিষ্ঠা কৰে। দক্ষিণপাটৰ আজ্ঞাপৰ সত্ৰ। সত্ৰাধিকাৰ সঘনে ৰজাৰ কাছাৰী বা বিচাৰালয়লৈ গৈ থাকে কাৰণে সত্ৰভাগক কাছাৰী যোৰা সত্ৰ বোলা হয়।

মানৰ আক্ৰমণ-সন্ত্ৰাসত হৰিদেৱৰ ৬ষ্ঠ অধস্তন নীলাম্বৰ সপৰিয়ালে আহি নগাঁৱৰ চকলাঘাট অঞ্চলত থাকিবলৈ লৈ সত্ৰ এভাগ পাতে। যোৰহাটৰ কাছাৰী যোৰা সত্ৰৰ নামেৰে নগাঁৱৰ সত্ৰভাগ চকলাঘাট কাছাৰী যোৰা সত্ৰ নাম পায়।[১০৪] সত্ৰৰ অধিকাৰৰ ক্ৰমঃ নীলাম্বৰ—মহীকান্ত—সৰ্বেশ্বৰ—কমলচন্দ্ৰ আৰু বৰ্তমান শ্ৰীমনমোহন গোস্বামীয়ে সত্ৰ তদাৰক কৰি আছে।



*॥দক্ষিণপাটৰ আজ্ঞা লৈ পতা সত্ৰ॥*

### কামপুৰ সত্ৰ ঃ

ধনীৰাম শৰ্মা নামৰ মৌজাদাৰ এজনে দক্ষিণপাট সত্ৰৰ সত্ৰাধিকাৰৰ পৰা আজ্ঞা লৈ "কামপুৰীয়া মহন্ত" হৈ স্থাপন কৰা সত্ৰ। সত্ৰ পুৰণিগুদামত আছিল বুলি জনা যায়।[১০৫] 'পবিত্ৰ অসম'ত কামপুৰত থকা কামপুৰ সত্ৰ গড়মূৰ সত্ৰৰ আজ্ঞাপৰ আৰু সু-সাহিত্যিক বত্ৰেশ্বৰ মহন্ত সত্ৰৰ মূল বুলি উল্লেখ আছে।[১০৬]

*॥কুৰুৱাবাহীয়ে পতা সত্ৰ॥*

### ন-ভাগতী সত্ৰ ঃ

নগাঁৱৰ বৰদোৱা পথৰ ৮ কি.মি. দূৰত বাইদঙ্গিয়াত অৱস্থিত। কুৰুৱাবাহী সত্ৰৰ অধিকাৰে গোপীনাথ শৰ্মা নামৰ এজনক মহন্ত উপাধি দি গোঁসাই পাতে।[১০৭] বৰ্তমান সত্ৰৰ ঐতিহ্য নিষ্প্ৰভ।

এই সত্ৰৰ এজনাই নগাঁও নগৰৰ নাতিদূৰৰ হুজগাঁৱত একে নামৰ সত্ৰ এভাগ পাতে। গুৰু-কীৰ্ত্তন, জন্মাষ্টমী, দৌলোৎসৱ আদি পালন কৰে।

## ॥নগাঁও মূলৰ সত্ৰ॥

### ব্ৰহ্মচাৰী ঃ

নগাঁৱৰ ভেলেউগুৰি মৌজাৰ খাটোৱাল আৰক্ষী থানাৰ অন্তৰ্গত ব্ৰহ্মচাৰী গাঁৱত অৱস্থিত।

নগাঁও নগৰৰ পূবে পুৰণিগুদামৰ পৰা ৪ কিঃমিঃ গৈ ৰাষ্ট্ৰীয় ঘাইপথৰ বাওঁফালে ব্ৰহ্মচাৰী সত্ৰৰ তোৰণৰ পৰা অলপ সোমাই ব্ৰহ্মচাৰী সত্ৰ পোৱা যায়। সত্ৰৰ আদিজনা আৰু প্ৰতিষ্ঠাপক বিশ্বম্ভৰদেৱ। বিশ্বম্ভৰদেৱ অবিবাহিত আছিল আৰু সেইবাবে তেওঁক ব্ৰহ্মচাৰী বোলা হৈছিল। ভগৱদ্ভক্ত বিশ্বম্ভৰে সংসাৰৰ মায়া-মমতা, বিষয়-বাসনাত অনাসক্ত হৈ কাশী-বৃন্দাবন আদি পবিত্ৰ তীৰ্থ ভ্ৰমণ কৰি গোপীনাথ আৰু বাসুদেৱ মূৰ্ত্তি আনি থানত প্ৰতিষ্ঠা কৰিছিল। অলপ দিন পিছত বিশ্বম্ভৰে আহোম ৰজাৰ পৰা অবিচাৰ আৰু নিৰ্য্যাতন পাই আমনিত থকা বাসুদেৱে থানভাগ কলঙে সোঁত সলাই উলিয়াই দিয়া বিস্তৃত ধেনু-ভঁজুৱা ভূমিখণ্ডলৈ থান স্থানান্তৰিত কৰি ছকুৰি শিচ-ভকতেৰে নাম-কীৰ্ত্তন, ভাগৱত-চৰ্চা কৰি থাকিল আৰু কালক্ৰমত সেই থানভাগ এখনি সৰ্বাঙ্গ-সুন্দৰ সত্ৰৰ ৰূপ পায়। বিশ্বম্ভৰ ব্ৰহ্মচাৰী নামেৰে সত্ৰৰ নাম ব্ৰহ্মচাৰী হয় আৰু গাঁওখনেও ব্ৰহ্মাচাৰী নাম পায়।

সত্ৰত সংৰক্ষিত তামৰ ফলিমতে (শ্ৰীমোহন শৰ্মাৰ ঘৰত বৰ্তমান) লক্ষ্মীসিংহৰ (১৭৬৯-১৭৮০) দিনৰ পৰা চমুৱা, কাড়ি, পাইক দি মাটি দান কৰে। কমলেশ্বৰ সিংহই পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ হতুৱাই বিশ্বম্ভৰ ব্ৰহ্মচাৰী বাপুক ধৰ্মাৰ্থে

মাটি-মানুহ তাম্ৰপত্ৰ কৰি দিছে (১২৪+১৬)=১৪০ পুৰা। ইয়াৰ উপৰিও, আহোম ৰজাই আহল-বহল কীৰ্ত্তনঘৰ, মণিকূট সজাই দিয়াৰ লগতে সিংহাসন, ৰামমূৰ্ত্তি খোদিত ৪টা শিলৰ শলা আদি দান দিছিল। সত্ৰৰ নিষ্পিখেৰাজ আছে। ১ নং নিষ্পিখেৰাজ কলং নদীৰ পৰা পোৱা ভূমিখণ্ড আৰু ২ নং আমনিগাঁও বাসুদেৱ থানক কেন্দ্ৰ কৰি আহোম ৰজাই দিয়া নিষ্পিখেৰাজ।[১০৮]

উল্লেখযোগ্য যে মানৰ দুবাৰ আক্ৰমণত সত্ৰৰ সাতখলপীয়া সিংহাসন, আন আন ভাস্কৰ্য সম্পদ, সাঁচিপতীয়া পুথি, কাঠৰ বাকচ আদি ভাঙি-চিঙি নষ্ট হৈ যায়। এয়া অসমীয়া জাতীয় ঐতিহ্য আৰু সম্পদৰ এক অপূৰণীয় ক্ষতি। অত্যাচাৰী মানে ভঙা সাতখলপীয়া সিংহাসনৰ উপৰিও গৰুড় পক্ষী, বিষ্ণুমূৰ্ত্তি, অগ্নিমূৰ্ত্তি, প্ৰকাণ্ড পিতলৰ ডবা, কাঠৰ বাকচৰ ওপৰত কটা চিত্ৰ, সাঁচিপতীয়া পুথি আদি অমূল্য সম্পদ সত্ৰত আছে। এই সত্ৰত পিচপৰা সম্প্ৰদায় আৰু অনুসূচিত সম্প্ৰদায়ৰ শিষ্য আছে। ওচৰৰ মুছলমান সম্প্ৰদায়ৰ লোকেও সত্ৰলৈ ভক্তিত মূৰ দোৱাই বৰঙণি আগবঢ়ায়।[১০৯]

নগাঁৱৰ উপৰি তেজপুৰ, যোৰহাটতো কেইবাশ শিচ্‌-ভকত আছে। সকলো জাতি উপজাতিৰ শিষ্য তিনি হাজাৰৰ অধিক। সত্ৰগৃহ আহল-বহল আৰু সত্ৰৰ বাৰশ বিঘা নিষ্পিখেৰাজ বৰ্ত্তমান ব্ৰহ্মচাৰী সত্ৰৰ গাঁৱৰ শিষ্যসকলে পাইছে। বিভিন্ন সত্ৰীয়া তিথি-উৎসৱ, ভাওনা, জন্মাষ্টমী, শিৱৰাত্ৰি, দৌলযাত্ৰা, ৰাস, পাচতি বা বোকাযাত্ৰা জাকজমকতাৰে পাতে। এই সত্ৰৰ হীৰানাম বিশেষ উল্লেখযোগ্য।

সত্ৰৰ পৰা পোৱা তথ্যমতে বিশ্বম্ভৰ ব্ৰহ্মচাৰীৰ পিছৰ পৰা সত্ৰাধিকাৰৰ ক্ৰমঃ দত্তদেৱ—হৰিদেৱ—হৰকান্ত—বিভুদেৱ—কামদেৱ—কৃষ্ণদেৱ—শিৱৰাম—জয়চন্দ্ৰ—গোবিন্দ্ৰ চন্দ্ৰ—যাদৱচন্দ্ৰ আৰু বৰ্তমান অধিকাৰ শ্ৰীধৰ্মকান্ত গোস্বামী। জ্যেষ্ঠানুক্ৰমে যোগ্যতাৰ ভিত্তিত সত্ৰাধিকাৰ নিৰ্বাচন কৰা হয়। সভাপতি, সম্পাদক বিভিন্ন বিষয়ববীয়া আৰু সদস্যৰে সত্ৰ পৰিচালিত হয়। উল্লেখযোগ্য যে তেজপুৰ দ-পৰ্বতীয়া বেজৰ চুবুৰীত এভাগ ব্ৰহ্মচাৰী সত্ৰ স্থাপন কৰা হৈছিল আৰু বৰ্তমান নগাঁও ব্ৰহ্মচাৰীৰ অধিকাৰ শ্ৰীধৰ্মকান্ত গোস্বামীয়ে পৰিচালনা সমিতিৰে সত্ৰভাগ চলাই আছে।

### তেলিয়া পহুকটা ব্ৰহ্মচাৰী ঃ

নগাঁও নগৰৰ পৰা চাৰিকিলোমিটাৰ দূৰত কলঙৰ উত্তৰ পাৰে তেলিয়া পহুকটাত এভাগ ব্ৰহ্মচাৰী সত্ৰ পতা হৈছে। শ্ৰীপ্ৰসন্ন কুমাৰ গোস্বামী এই সত্ৰৰ অধিকাৰ।



*॥কলিয়াবৰ জখলাবন্ধা সত্ৰৰ পৰা বঢ়া॥*

### জখলাবন্ধা নগাঁও ঃ

নগাঁও চহৰৰ আমোলাপট্টিত অৱস্থিত।

পৰমানন্দৰ নাতি কৃষ্ণানন্দই প্ৰতিষ্ঠা কৰা জখলাবন্ধা সত্ৰ। মানৰ উপদ্ৰৱত পৰৱৰ্তী বংশধৰে কলিয়াবৰৰ পৰা ভটীয়াই আহি 'খাগৰীজান কলঙ্গ তটে' জখলাবন্ধা সত্ৰ এভাগ পাতে। জানিব পৰা মতে সেই সময়ত বাসুদেৱ গোস্বামীয়ে ভায়েক চন্দ্ৰকান্তক অধিকাৰ পাতি তীৰ্থলৈ যায়। কলিয়াবৰ সত্ৰত দৌলগোবিন্দ ৰাখি তাৰ পৰা জয়গোবিন্দ মূৰ্ত্তি আনি আমোলাপট্টি জখলাবন্ধা সত্ৰভাগ স্থাপন কৰা হয়।[১১০] এই সত্ৰৰ থাপনালৈ কল এঠোক আগবঢ়াই অৰ্পণ কৰিলে আচিনা ৰোগ নিৰাময় হয় বুলি কিছুমান ভক্তই আজিও বিশ্বাস কৰে। এনে বিশ্বাসৰ কাৰণে যাত্ৰীৰ সমাগম হৈ আছে। কুৰি শতিকাৰ প্ৰথমছোৱালৈ সত্ৰ জকমকীয়া আৰু আকৰ্ষণীয় আছিল। সত্ৰত অনেক সাঁচিপতীয়া পুথি আছিল বুলি জনা যায়। সত্ৰৰ ধৰ্ম-সাংস্কৃতিক কাৰ্য নিষ্প্ৰভ হৈ গৈছে। তিথি-সংক্ৰান্তি আদিত নাম-কীৰ্ত্তন চলি আছে।

## ॥অসমৰ বৈষ্ণৱ সত্ৰৰ মূল নথকা সত্ৰ॥

*॥হোৰোসা সত্ৰৰ পৰা বঢ়া॥*

### ফৰিংমিশ্ৰ সত্ৰ ঃ

চলচলি মৌজাৰ ভেৰভেৰীত অৱস্থিত।

মিছা আৰু কলঙৰ সঙ্গমস্থলত বসবাস কৰা গৌৰাঙ্গ মিশ্ৰৰ বৰপুত্ৰ গোৱিন্দ মিশ্ৰ। গোৱিন্দ মিশ্ৰৰ চাৰিপুত্ৰ ৰামজীৱন, গোপাল, ভৱদেৱ আৰু দামোদৰ। ৰামজীৱনে শিৱসিংহৰ ৰাজত্বকালত মূলসত্ৰৰ পৰা ভটীয়াই গৈ চলচলি মৌজাৰ ভেৰভেৰীত সত্ৰ স্থাপন কৰে। তেওঁৰ আন নাম ফৰিং মিশ্ৰ। মাটিত ভৰি নপৰাৰ দৰে খুব বেগত ফৰিঙৰ দৰে জপিয়াই খোজ কাঢ়ি যোৱা বাবে ফৰিংমিশ্ৰ নাম। সত্ৰখনকো ফৰিং মিশ্ৰ বোলা হয়। ফৰিংমিশ্ৰৰ ১৫০ বিঘা মাটি কলিয়াবৰ হোৰোসা সত্ৰৰ পৰা কাটি অৰ্পণ কৰা মাটি।[১১১]

দক্ষিণপটীয়া গোঁসায়ে পতা মহন্ত বা গোঁসাইসকলৰ দিনৰ পৰা গ্ৰহপূজা, যজ্ঞ, দান আদি ব্ৰাহ্মণসকলে নিজৰ হাতলৈ নিয়ে।[১১২] বৈষ্ণৱ সত্ৰৰ ঐতিহ্য ম্লান পৰিছে।

*॥আউনীআটীৰ আজ্ঞাপৰ॥*

### হৰিমিশ্ৰ ভেৰভেৰী ঃ

এই সত্ৰখনি পুৰণিগুদামৰ চলচলি মৌজাৰ ভেৰভেৰী অঞ্চলত।

পণ্ডিত তীৰ্থনাথ শৰ্মাই 'সন্ত সম্প্ৰদায়' নামৰ গ্ৰন্থত বংশীগোপালে পতা ৪৫ জন মেধিৰ ভাগৱত পাঠক হৰিমিশ্ৰক নগাঁৱৰ হৰিমিশ্ৰ সত্ৰৰ প্ৰতিষ্ঠাতা বুলি উল্লেখ কৰিছে।[১১৩]

সত্ৰৰ বিজ্ঞলোকৰ পৰা পোৱা তথ্য মতে শিৱসিংহৰ ৰাজত্বকালত (১৭১৪-১৭৪৪) মাধৱাচাৰ্য নামৰ ভাগৱত শাস্ত্ৰজ্ঞ পণ্ডিত এগৰাকীয়ে এই সত্ৰ পাতিছিল। তেওঁৰ পূৰ্বপুৰুষ বিশ্বনাথ শাস্ত্ৰজ্ঞ পণ্ডিত আছিল। তেওঁ কনৌজৰ পৰা আহিছিল। আহোম ৰজাই বিশ্বনাথৰ বংশধৰ মাধৱক মাটি-বাৰী দান দি শিচ্-ভকতেৰে সত্ৰ পতাৰ ব্যৱস্থা কৰি দিয়ে। সেই সময়ৰ আউনীআটীয় সত্ৰাধিকাৰ হৰিদেৱে তেওঁক আচাৰ্যৰ নিৰ্মালি দিয়া বাবে ধৰ্মগুৰু হৰিদেৱৰ নামেৰে সত্ৰৰ নাম হৰিমিশ্ৰ হয় বুলি কয়।

সত্ৰৰ নিষ্পিখেৰাজ আছিল। চলচলি মৌজাৰ ভেৰভেৰী কিচামতৰ ২৭০ বিঘা ৩ কঠা ৬ লোছা, পাখীমৰীয়া মৌজাৰ ভেলাই কিচামতৰ ১৭ বিঘা ২ কঠা ১০ লোছা, শিঙীয়া পোতনি মৌজাৰ কমাৰ কিচামতৰ ৩৮ বিঘা ২ কঠা ১৯ লোছা = মুঠ ৩২৬ বিঘা ৩ কঠা ১৫ লোছা মাটি ১৮৪১ খ্ৰীঃত ২৯ মে' (ভাঃ ১২৪৮ চন, ১৭ জেঠ) তাৰিখ ৫১৬ নং আপীল) হৰিমিশ্ৰ সত্ৰক নিষ্পিখেৰাজ ব্ৰহ্মোত্তৰ বুলি Local Commissioner Office, Assam এ দিয়ে।

মাধৱাচাৰ্যৰ পিছত ৰঘুনন্দন, ব্ৰজনাথ, জীৱনাথ, লীলাধৰ, হলধৰ, গোবিন্দ গোস্বামীয়ে অধিকাৰ পদ চলাইছিল। তেওঁৰ পুত্ৰ অচ্যুত গোস্বামীৰ দিনৰ পৰা সত্ৰ চলাওঁতা লোক নোহোৱা হোৱাত সত্ৰৰ ঐতিহ্য-পৰম্পৰা হ্ৰাস পায়। মুখ্যমন্ত্ৰী শৰৎ সিংহৰ শাসন কালত ১৯৬৯ খ্ৰীঃত সত্ৰৰ মাটিৰ পট্টা শিচ্-ভকতৰ নামত দিয়াত সত্ৰৰ দুৰ্যোগ নামে। সত্ৰৰ কীৰ্ত্তন-ঘৰ পৰ্যন্ত নোহোৱা হ'ল।[১১৪]

### হৰিমিশ্ৰ নৈনে পানীগাঁও ঃ

হৰিমিশ্ৰৰ পৰৱৰ্তী বংশধৰে নৈনে পানীগাঁৱত থাকিবলৈ লৈ একে নামৰে আন এখনি সত্ৰ পাতে।[১১৫] সত্ৰখনৰ সম্পৰ্কে বিশেষ জনা নগ'ল।

## গ) কাল-সংহতি

*॥ভবানীপুৰীয়া গোপাল আতাৰ পৰা বঢ়া সত্ৰঃ॥*

### ভবানীপুৰীয়া গোপাল আতা ঃ

*"শঙ্কৰ-মাধৱ অভেদ ঈশ্বৰ, দুজনাত পৰে আন গুৰু নাই।"– বুলি শঙ্কৰ-মাধৱ দুজনা গুৰুৰ গুণানুকীৰ্ত্তনেৰে কৃতকৃত্য হোৱা গোপাল আতা অসমৰ মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্ম-সংস্কৃতি প্ৰচাৰ কৰা ধৰ্মাচাৰ্যসকলৰ অন্যতম। শঙ্কৰ-মাধৱ দুজনা গুৰুৰ পদাঙ্ক অনুকৰণ কৰি ধৰ্ম প্ৰসাৰৰ কাৰণে সত্ৰ প্ৰতিষ্ঠা, আজ্ঞাপৰ নিয়োগ, গীত-পদ-নাট ৰচনা আদি সকলো দিশতে গোপাল আতাই অৱদান আগবঢ়াই থৈ গৈছে। আতাৰ জন্ম ১৪৬৩ শক বহাগৰ শুক্লা সপ্তমীত আৰু তিৰোধান ১৫৩৩ শক, বহাগৰ শুক্লা ষষ্ঠী তিথিত।*

*জন্মস্থান নাজিৰাৰ খোখোৱাগ্ৰামৰ নাচনীঘাটৰ পৰা আহোম ৰাজকুমাৰৰ লগত সুঠাম দেহৰ বালক গোপালে কৰা খেল-ধেমালিৰ ফলস্বৰূপে ৰাজ-নিগ্ৰহৰ সংশয় ওপোজাত মাতৃ ব্ৰজাঙ্গীয়ে নামনিৰ কামৰূপ ৰাজ্যালৈ গৈ ভবানীপুৰত বাস কৰে। বৰপেটাত থকা মাতামহ শঙ্কৰৰ দিহা-পৰামৰ্শত গোপাল আতাই শঙ্কৰদেৱৰ দৰ্শন লাভ কৰে। তাৰ পিছত মাধৱদেৱৰ শিষ্যত্ব গ্ৰহণ কৰি বৈষ্ণৱ ধৰ্ম প্ৰচাৰত আত্ম-নিয়োগ কৰে। তেওঁৰ নাম-যশ চাৰিওপিনে বিয়পি পৰাত নানা ঠাইৰ পৰা অসংখ্য লোক আহি তেওঁত শৰণ লয়।*

*ভবানীপুৰীয়া গোপাল আতাই কামৰূপতে ভবানীপুৰ, কালঝাৰ, পৰাভৰাঁল আৰু জুৰাবদি– এই চাৰিখন সত্ৰ প্ৰতিষ্ঠা কৰে আৰু গুৰু-ধৰ্ম সম্প্ৰসাৰণৰ বাবে বাৰজন ধৰ্মাচাৰ্য নিয়োগ কৰে। সেইসকল হ'ল ব্ৰাহ্মণৰ শ্ৰীৰাম আতা, বুঢ়াগুৰু ৰামচন্দ্ৰ, পৰমানন্দ, পুৰুষোত্তম, সন্ন্যাসী ৰামচৰণ, মুৰাৰি আৰু অব্ৰাহ্মণৰ বৰযদুমণি, সৰুযদুমণি, নাৰায়ণ, অনিৰুদ্ধ, সনাতন আৰু বৰগুৰু কৃষ্ণানন্দ।*

*গোপাল আতাৰ বংশধৰ, বাৰ আচাৰ্য আৰু অনুগামীসকলে প্ৰতিষ্ঠা কৰা সত্ৰৰ সংখ্যা অসমত দুশৰো অধিক হ'ব। এই থূলৰ সত্ৰসমূহ কাল-সংহতিৰ সত্ৰ নামে জনাজাত। অবিভক্ত নগাঁও জিলাত তেওঁ নিজে সত্ৰ পতা নাই। তেওঁৰ বংশধৰ, তেওঁ পতা বাৰ আচাৰ্যৰ ছয়জন আচাৰ্য আৰু পুত্ৰ-পৌত্ৰাদি তথা অনুগামীসকলে পতা সত্ৰৰ সংখ্যা অবিভক্ত নগাঁও জিলাত প্ৰায় ৪৮ খনৰ অনুসন্ধান পোৱা হৈছে। সেই সত্ৰবোৰৰ আভাস দাঙি ধৰাৰ প্ৰয়াস কৰা হ'ল।*

*॥গোপাল আতাৰ বংশধৰৰ সত্ৰ॥*

### কলাকটা-শেনছোৱা

নগাঁৱৰ হয়বৰগাঁৱৰ পৰা ৩ কিলোমিটাৰ পশ্চিমত খুটিকটীয়া শেনছোৱাৰ কলং পাৰত অৱস্থিত। গোপাল আতাৰ ২য় ভাৰ্যা প্ৰহৰীজী আইৰ পুত্ৰ কমলদেৱৰ নাতি দৈৱকীনন্দনে মাজুলীৰ কলাকটা নৈৰ পাৰত এই সত্ৰ প্ৰতিষ্ঠা কৰে। প্ৰাকৃতিক দুৰ্যোগত পৰৱৰ্তী পুৰুষ নগাঁৱলৈ আহি হয়বৰগাঁৱৰ পৰা পশ্চিমত সত্ৰ স্থাপন কৰে। মাজুলীৰ সত্ৰখনৰ নামেৰে নগাঁৱৰ সত্ৰখনক কলাকটা বোলা হয়।[১১৬]

গোপাল আতাৰ বংশধৰে পতা সত্ৰখনৰ সত্ৰীয়া ঐতিহ্য পৰম্পৰা ম্লান হৈছে।

### টুপৰ কলাকটা ঃ

কাছমাৰী মৌজাৰ শেনছোৱাত অৱস্থিত।

দৈৱকীনন্দনৰ নাতি এজনে মূল কলাকটা সত্ৰৰ নাতিদূৰত আন এখন সত্ৰ স্থাপন কৰে। সত্ৰৰ নাম টুপৰ কলাকটা। গোপালদেৱৰ নিজ বংশৰ পৰা স্থাপিত এই সত্ৰভাগৰ ধৰ্ম-সংস্কৃতিৰ ঐতিহ্যৰ সজাগতা গম পোৱা নাযায়।

### ডৌকাচাপৰি শেনছোৱা ঃ

নগাঁৱৰ কলাকটা সত্ৰৰ ওচৰতে কলংপাৰত সত্ৰখন অৱস্থিত। নগাঁও নগৰৰ পৰা ৩ কিলোমিটাৰ পশ্চিমত। গোপাল আতাৰ পৰিনাতি যাদৱানন্দই মাজুলীৰ ব্ৰহ্মপুত্ৰৰ পাৰৰ এটা চাপৰিত এভাগ সত্ৰ স্থাপন কৰে। সত্ৰভাগ অগণন ডাউক চৰাই উৰি ফুৰা চাপৰিত পতা বাবে ডৌকাচাপৰি সত্ৰ বোলা হয়। মানৰ দিনত প্ৰাকৃতিক দুৰ্যোগত যাদৱানন্দৰ নাতি দয়াময়ে ভটীয়াই আহি নগাঁৱৰ শেনছোৱাত পূৰ্বৰ সত্ৰৰ নামেৰে ডৌকাচাপৰি সত্ৰ প্ৰতিষ্ঠা কৰে।[১১৭] সত্ৰীয়া ধৰ্ম-সংস্কৃতিৰ ঐতিহ্যমণ্ডিত সত্ৰ। এই সত্ৰৰ প্ৰয়াত ৰত্নেশ্বৰ গোঁসায়ে 'শ্ৰীশ্ৰীগোপালদেৱ কথা-চৰিত' গ্ৰন্থ ৰচনা কৰিছে। বৰ্তমান পূৰ্বৰ ঐতিহ্য ম্লান পৰিছে।

### ডৌকাচাপৰি হুজ-কহুৱাতলী ঃ

হয়বৰগাঁও বেলষ্টেচনৰ পৰা নগাঁও-জুৰিয়া পথৰ ওচৰতে সত্ৰখন অৱস্থিত। যাদৱানন্দৰ পুত্ৰ ঘনশ্যাম। ঘনশ্যামৰ ৩য় পুত্ৰ চক্ৰপাণিয়ে মূল ডৌকাচাপৰিৰ পৰা গৈ হুজ কহুৱাতলী ডৌকাচাপৰি সত্ৰ প্ৰতিষ্ঠা কৰে। সত্ৰখন ধৰ্ম-সংস্কৃতিৰ পৰম্পৰা ৰক্ষা কৰি কোনোমতে চলি আছে। শ্ৰীভবেন চন্দ্ৰ মহন্ত সত্ৰৰ পৰিচালক।

### ডৌকাচাপৰি পাথৰি-ঘূৰিয়াগাঁও ঃ

পাখীমৰীয়াৰ ওপৰ ওজৰা ডাকঘৰৰ অন্তৰ্গত ঘূৰিয়াগাঁৱত অৱস্থিত।

যাদৱানন্দৰ পুত্ৰ ঘনশ্যামৰ ২য় পুত্ৰ কঞ্জয়নে তেজপুৰ-জামুগুৰিত ডৌকাচাপৰি সত্ৰ স্থাপন কৰে। কঞ্জয়নৰ ভায়েক চক্ৰপাণিৰ নাতি ৰুদ্ৰকান্তৰ বংশধৰ ত্ৰিবিক্ৰম নগাঁৱলৈ আহি কুৰি শতিকাৰ মাজভাগত পাথৰি-ঘূৰিয়াগাঁৱত ডৌকাচাপৰি সত্ৰ পাতে।[১১৮] সত্ৰ প্ৰতিষ্ঠাপক ত্ৰিবিক্ৰম হৰকান্তদেৱৰ পুত্ৰ। নাম-প্ৰসঙ্গৰে সত্ৰখন চলি আছে।

### নাচনীপাৰ ঃ

খাটোৱাল মৌজাৰ পুৰণিগুদাম হালোৱা গাঁৱত।

ৰাষ্ট্ৰীয় পথৰ পৰা কলং নদীৰ উত্তৰ পাৰত গহীন পৰিৱেশ বিৰাজিত



নগাঁৱৰ নাচনীপাৰ সত্ৰ। সত্ৰখন পূৰ্বে দিখৌ নদীৰ নাচনী ঘাটৰ পাৰত স্থাপন কৰা হৈছিল বাবে নাচনীপাৰ সত্ৰ। গোপাল আতাৰ নাতি ৰামকৃষ্ণদেৱৰ কনিষ্ঠপুত্ৰ ৰামানন্দৰ পুত্ৰ পদ্মনাভে (পদ্মপাণি) দলগাঁও পুৰণিগুদামৰ হালোৱাগাঁৱত কলংপাৰ নাচনীপাৰ সত্ৰ স্থাপন কৰে।[১১৯] বাটচ'ৰা, সত্ৰৰ আহল-বহল চৌহদ, মণিকূট-নামঘৰ, সত্ৰাধিকাৰৰ গৃহ, ভাওনা-সবাহৰ মুকলি ঠাইৰে গহীন আৰু সুশোভিত পৰিৱেশ। সত্ৰীয়া নাট-ভাওনা, গীত-বাদ্য, নাম-প্ৰসঙ্গ আৰু শিচ্-ভকতৰ শৰণ-ভজন পৰম্পৰাগতভাৱে চলি আছে।

সত্ৰত 'কীৰ্ত্তন আৰু নামঘোষা', 'বৰগীত', 'শ্ৰীমদ্ভাগৱত', 'ৰত্নাৱলী' আদি সাঁচিপতীয়া পুথি আছে। প্ৰয়াত অধিকাৰ মহেশ্চন্দ্ৰ আৰু পূৰ্ণকান্তই 'ৰাসলীলা' আৰু 'কালিদমন' নাট কাটিছিল। সত্ৰাধিকাৰসকল সিংহাসন, কাঠৰ কাৰুকাৰ্য্যখচিত কামৰ নিপুণ শিল্পী আছিল। সত্ৰৰ থাপনাত শ্ৰীমদ্ভাগৱত পুথি আৰু সত্ৰৰ বিগ্ৰহ চতুৰ্ভুজ।

সত্ৰাধিকাৰ চতুৰ্থজনাৰ পৰা ক্ৰমঃ শ্ৰীকান্ত—ভূধৰ—ভদ্ৰকান্ত—মহেশ্চন্দ্ৰ—পূৰ্ণকান্ত আৰু বৰ্তমান শ্ৰীঘনকান্ত মহন্ত আৰু ডেকা অধিকাৰ শ্ৰীহৰেন মহন্ত।

### হেমাৰবৰি বগৰিগুৰি (জাজৰি) ঃ

হাতীচোং মৌজাৰ জাজৰিত অৱস্থিত, নগাঁও নগৰৰ পৰা চৈধ্য কিলোমিটাৰ পশ্চিমত। ৰামকৃষ্ণই মাজুলীত ধৰ্ম প্ৰচাৰ কৰোঁতে হেমৰাম বৰুৱা নামৰ প্ৰতিপত্তিশালী লোকে বৰি (ওখ ভূমিখণ্ড) এটাত ৰামকৃষ্ণক সত্ৰ পাতি থাকিবলৈ সুবিধা কৰি দিয়ে। হেমৰামৰ বৰিত পতা বাবে সত্ৰৰ নাম হেমাৰবৰি হয়। গোপাল আতাৰ নাতি ৰামকৃষ্ণৰ পঞ্চম পুত্ৰ ৰামানন্দ। ৰামানন্দৰ চাৰিপুত্ৰৰ তৃতীয়জনা চতুৰ্ভুজে মানৰ আক্ৰমণত উজনিৰ পৰা ভটীয়াই আহি নগাঁৱৰ হাতীচোং-জাজৰিত সোমাই বগৰিগুৰিত সত্ৰ এভাগ পাতে। সেই সত্ৰভাগ পূৰ্বৰ নামেৰে হেমাৰবৰি বগৰিগুৰি সত্ৰ নাম হয়। সত্ৰত নাম-প্ৰসঙ্গ, জন্মাষ্টমী, গুৰুতিথি, ফাকুৱা আদি পালন কৰা হয়। সত্ৰৰ থাপনাত 'গুণমালা', 'নামঘোষা' পুথি আৰু সত্ৰত বংশীবাদন মূৰ্ত্তি আছে। শ্ৰীৰোহিত চন্দ্ৰ মহন্তই অধিকাৰৰ দায়িত্ব চলাই আছে। প্ৰয়াত সত্ৰাধিকাৰ থুলেশ্বৰ মহন্তই 'মহাপুৰুষীয়া নাম-প্ৰসঙ্গ' গ্ৰন্থ ৰচনা কৰে।

### হেমাৰবৰি ভেলেউগুৰি-হাঁহচৰা ঃ

নগাঁও নগৰৰ পৰা ২০ কিলোমিটাৰ পূবে চামগুৰিত অৱস্থিত। ৰামকৃষ্ণৰ পুত্ৰ ৰামানন্দ। তেওঁৰ সৰু পুত্ৰ ভগবান। মানৰ উপদ্ৰৱৰ সময়ত ভগবানৰ

পৰিনাতি বাসুদেৱে নগাঁৱৰ চামগুৰি অঞ্চললৈ আহি হাঁহচৰাত ৰাষ্ট্ৰীয় ঘাইপথৰ নিকটে হেমাৰবৰি হাঁহচৰা সত্ৰ প্ৰতিষ্ঠা কৰে। চৌহদ, বাটচ'ৰা, নামঘৰ-মণিকূট, সত্ৰাধিকাৰৰ গৃহ আদিৰে ঐতিহ্যপূৰ্ণ সত্ৰ। বিভিন্ন তিথি-উৎসৱ, নাম-প্ৰসঙ্গ, যথাযথ চলি আছে। সত্ৰৰ ঐতিহ্য ম্লান হৈছে।

## হেমাৰবৰি বৰভেটি ঃ

চামগুৰি ৰাষ্ট্ৰীয়পথৰ পৰা কলঙৰ উত্তৰ পাৰত খাটোৱাল মৌজাত বৰভেটি সত্ৰ প্ৰতিষ্ঠিত। হেমাৰবৰি হাঁহচৰা সত্ৰৰ অধিকাৰ বাসুদেৱৰ দুই পুত্ৰৰ জ্যেষ্ঠ বাপুৰামে মূল হাঁহচৰা সত্ৰৰ দায়িত্ব লয় আৰু কনিষ্ঠ পুত্ৰ ভৱদেৱ আঁতৰি গৈ খাটোৱাল মৌজাত হেমাৰবৰি বৰভেটি সত্ৰ স্থাপন কৰে।[১২০] নাম-প্ৰসঙ্গ, নৃত্য-গীত-বাদ্যত ঐতিহ্যপূৰ্ণ সত্ৰখন বৰ্তমান যেনে তেনে চলি আছে।

*॥যোগমায়া আৰু কেশ আতাৰ পৰা বঢ়া॥*

## চৰিপোতা-উলুবাৰী ঃ

হাতীচোং মৌজাৰ কুঁজীডাহত অৱস্থিত।

গোপাল আতাৰ নুমলীয়া জীয়ৰী আই যোগমায়াই গোপাল আতাৰ আজ্ঞাৰে লক্ষীমপুৰৰ চৰৰিপোতা বিলৰ পাৰত সত্ৰ পাতে। ডফলাৰ উপদ্ৰৱত সেই ঠাই ত্যাগ কৰি ভটীয়াই আহি নগাঁও নগৰত কলংপাৰত বৰ্তমানৰ অসামৰিক চিকিৎসালয় থকা ঠাইত সত্ৰ পাতে। পৰৱৰ্ত্তীকালত মানৰ আক্ৰমণত তাৰ পৰা উঠি গৈ সুচল ঠাই বিচাৰি কুঁজীডাহৰ এখনি বিৰাট উলুৱনি ভাঙি চাফ কৰি সত্ৰ স্থাপন কৰে।[১২১] সেই সত্ৰ চৰৰিপোতা বা চৰিপোতা উলুবাৰী বুলি জনাজাত। সত্ৰত বৈষ্ণৱ ধৰ্ম-বিষয়ক সাঁচিপতীয়া পুথি অনেক আছিল আৰু বৰ্ত্তমানেও কিছু আছে। মুখা, সিংহাসন তৈয়াৰ কৰা পটু শিল্পী আগৰ দৰে এতিয়া নাই। নগাঁৱৰ চৰিপোতা সত্ৰকেইখনৰ ভিতৰত চৰিপোতা উলুবাৰী ধৰ্ম-সংস্কৃতিত সম্পদশালী সত্ৰ। ঁকালিৰাম মেধি সম্পাদিত 'অঙ্কাৱলী'ত সন্নিৱিষ্ট কেইবাখনো অঙ্কীয়া নাট এই সত্ৰৰ সত্ৰাধিকাৰ প্ৰয়াত মহীকান্ত মহন্তৰ পৰা সংগৃহীত।[১২২] মহীকান্ত মহন্ত নাট-ভাওনা, নৃত্য-সঙ্গীত, ভাস্কৰ্য শিল্পৰ যশস্বী শিল্পী আছিল। শ্ৰীঅতুল চন্দ্ৰ মহন্তই সত্ৰভাগ চলাই আছে।

## চৰিপোতা এফলিয়াবৰি ঃ

হাতীচোং মৌজাৰ গোঁসাইবৰি ডাকঘৰৰ অন্তৰ্গত এফলিয়াবৰিত অৱস্থিত।

কোটোহা চৰিপোতা সত্ৰৰ সন্মুখত পুৰণা খুটা-বেৰেৰে ওপৰত টিনপাত লগোৱা কীৰ্ত্তন-ঘৰটোৰে এফলিয়াবৰি চৰিপোতা সত্ৰ। প্ৰাচীন পুথি-পাঁজি, সিংহাসন, পিতলৰ ডবা, বিগ্ৰহ আদি সত্ৰত আছে। নাম-প্ৰসঙ্গ, তিথি -পৰ্ব, জন্মাষ্টমী আদি



সত্ৰীয়া পৰম্পৰাত পালন কৰে। বৰ্ত্তমান সত্ৰাধিকাৰ শ্ৰীবিশ্বদেৱ মহন্ত।

## চৰিপোতা কোটোহা ঃ

হাতীচোং মৌজাৰ গোঁসাইবৰি ডাকঘৰৰ এফলিয়াবৰিত অৱস্থিত।

সত্ৰখন পূৰ্বে লেতেৰীপাৰৰ জুৰিয়া কোটোহা দ-গাঁৱত আছিল। কেহো বা কেশৱ আতাৰ পুত্ৰ হৰিচৰণৰ পৰা অষ্টমজনা অধিকাৰ মহেশ্বৰদেৱৰ সময়ত ১৯২২ খ্ৰীঃত সত্ৰখন স্থানান্তৰিত হয় এফলিয়াবৰিলৈ। কোটোহাৰ পৰা স্থানান্তৰ কৰি অনা বাবে সত্ৰখনক কোটোহা চৰিপোতা বোলা হয়।[১২৩] নতুন কীৰ্ত্তন-ঘৰ নিৰ্মাণ কৰি সত্ৰ চলাই আছে। সকলো সম্প্ৰদায়ৰ লোকক সত্ৰত শৰণ-ভজন দিয়ে। এসময়ত চহৰ ফুৰাৰ নিয়ম আছিল। থাপনাত ভাগৱত পুথি। ঘৰ ভস্মীভূত হোৱাত অমূল্য সাঁচিপতীয়া পুথি আৰু সম্পদ জুয়ে গ্ৰাস কৰে। প্ৰতিষ্ঠাপক মহেশ্বৰৰ পৰা অধিকাৰৰ ক্ৰমঃ শুভচন্দ্ৰ—লৱচন্দ্ৰ—কুশচন্দ্ৰ—হৰিকান্ত—দীনবন্ধু—বাসুদেৱ মহন্ত আৰু বৰ্তমান গৰ্গদেৱ মহন্ত সত্ৰৰ অধিকাৰ।

*॥চৰিপোতা উলুবাৰী সত্ৰৰ পৰা বঢ়া॥*

## চৰিপোতা জাজৰি ঃ

হাতীচোং মৌজাৰ জাজৰিত সত্ৰখন প্ৰতিষ্ঠিত। উলুবাৰী সত্ৰৰ পৰা দুই কিলোমিটাৰ আতঁৰত সত্ৰখন কেহো আতাই স্থাপন কৰিছিল বুলি জনা যায়।

## চৰিপোতা বেবেজীয়া ঃ

কেহো আতাৰ বংশধৰৰ পৰা বঢ়া।

নগাঁৱৰ পৰা ৫ কিলোমিটাৰ পশ্চিমত ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা অলপ সোমাই চৰিপোতা বেবেজীয়া সত্ৰ এখন থকাৰ কথা জনা যায়। বৰ্ত্তমান সত্ৰখনৰ ঐতিহ্য বুলিবৰ একো নাই।

*॥গোপাল আতাৰ আজ্ঞাপৰ আচাৰ্যৰ পৰা বঢ়া॥*

## নাৰায়ণ আতা ঃ দহঘৰ আৰু হালধিআটী

*লক্ষীমপুৰ জিলাৰ সাউ (সাউদ) কুছি গাঁৱৰ ৰঙ্গনাথৰ নাতি নাৰায়ণ। তেওঁৰ পিতৃ বসুদেৱ আৰু মাতৃ দৈৱকী। নাৰায়ণ সৰুৰে পৰা গুৰুগম্ভীৰ আছিল। ইতিমধ্যে নামনিত থকা গোপাল আতাৰ নাম চাৰিওফালে বিয়পি পৰিছিল। গজলা সৰু যদুমণিও সাউকুছীয়া। যদুমণিৰ লগত নাৰায়ণে ভবানীপুৰ পালেগৈ। গজলা আতাৰ ভবানীপুৰৰ বহাতে গোপাল আতাই নাৰায়ণক ভক্তিধৰ্মত শৰণ দিয়ে। নাৰায়ণ আতাৰ যোগ্যতা বুজি পাই গোপাল আতাই তেওঁক ধৰ্ম প্ৰচাৰৰ আজ্ঞা দিহে।*

*গুৰুৰ আজ্ঞা পাই নাৰায়ণ আতাই উজনিলৈ ঘূৰি গৈ লক্ষীমপুৰৰ সাউদকুছিত ভকত ভজায় আৰু সাউদকুছি এৰি গৈ দিকৰাই (ৰঙানদী) নদীৰ দহোটা ভাঁজত দহঘৰ ভকতক বহুৱাই সত্ৰ পাতি দিয়ে। এই দহটা ভাঁজৰ দহঘৰ ভকতৰ সত্ৰই দহঘৰ বা দহঘৰীয়া সত্ৰ।*

*নাৰায়ণ আতাৰ পুত্ৰ গোপীনাথ। গোপীনাথৰ চাৰিগৰাকী ভাৰ্যাৰ দহপুত্ৰ। চতুৰ্থ গৰাকী বাঁহবৰীয়াৰ জীৰ বিয়াৰ সময়ত তেওঁৰ পুত্ৰ সন্তান হ'লে সত্ৰৰ গৰাকী হ'ব বুলি গোপীনাথে বাক্য কৰিছিল। সেই কাৰণে পুত্ৰসকলৰ ভৱিষ্যত যাতে আউল নালাগে তাৰ কাৰণে গোপীনাথে দিকৰাই নদীৰ হালধিৰ আটী এটাত নতুন সত্ৰ স্থাপন কৰিলে আৰু সেই সত্ৰই হালধিআটী সত্ৰ। বাকী দহপুত্ৰ দহঘৰতে ৰ'ল।*[১২৪]

*আনমতে, আটীটোৰ নাম হালধিআটী কাৰণে হালধিআটি সত্ৰ বুলি কোৱা হয়। নগাঁৱত নাৰায়ণ আতাৰ বংশধৰে পতা দহঘৰ আৰু হালধিআটী সত্ৰ কেইবাখনো আছে। বৰ্তমান কোনো কোনো সত্ৰ বিলুপ্তিৰ পথত।*

### হালধিআটী এফলিয়াবৰি ঃ

হাতীচোং মৌজাৰ এফলিয়াবৰি-গোঁসাইগাঁৱত অৱস্থিত।

মান-ভগনত (১৮১৬-২০ খ্ৰীঃ) উজনিৰ সত্ৰসমূহ চেদেলি-ভেদেলি হৈ পৰাত মূল হালধিআটী সত্ৰৰ পৰা দশৰথৰ পুত্ৰ চাৰুচন্দ্ৰৰ দৰে ভাতৃ ৰঙ্গীনাথো ভটীয়াই আহি কলিয়াবৰত হালধিআটী মাজুভাগ সত্ৰ স্থাপন কৰে। তেওঁৰ পুত্ৰ ভোলানাথ, ভোলানাথৰ পুত্ৰ দেউনাথে মাজুভাগ কলিয়াবৰৰ পৰা আহি হাতীচোঙৰ এটা বৰিত সত্ৰ স্থাপন কৰে। তাকেই হালধিআটী (মাজুভাগ) এফলীয়াবৰি সত্ৰ বোলা হয়। [১২৫]

সত্ৰৰ নাম-প্ৰসঙ্গ, নাট-ভাওনা, তিথি-উৎসৱ, জন্মাষ্টমী আদি পৰম্পৰাগতভাবে চলি আছে। পূৰ্বে ভাস্কৰ্য্য-শিল্পত নিপুণ খনিকৰ আছিল। সত্ৰৰ অধিকাৰৰ ক্ৰমঃ দেউনাথ—সুদেউ—শুকদেউ—বাস্থিদেউ—দীনবন্ধু—তিলক চন্দ্ৰ—ৰামচৰণ—যোগেন্দ্ৰ নাথ। প্ৰয়াত দীনবন্ধু অধিকাৰ (গজালি গোঁসাই) নাট-ভাওনা, গীত-নৃত্যাদিত নিপুণ শিল্পী আছিল।

হালধিআটী সত্ৰৰ লগত জাজৰিৰ মুছলমান লোকৰ মিলা-প্ৰীতি উল্লেখযোগ্য। মুছলমান লোকে সত্ৰৰ আচাৰ্য-ভক্তসকলৰ লগত ধৰ্ম-কথা পতা, ভাওনা-সবাহ আদিত যোগদান কৰাটো সাম্প্ৰদায়িক সম্প্ৰীতিৰ সাক্ষী।[১২৬]

### হালধীআটী মৰিকলং (শিয়ালেখোৱা চুক)

নগাঁও নিজ চহৰ মৌজাৰ মৰিকলং বৰঘাট শিয়ালেখোৱা কিচামত এই



সত্ৰ অৱস্থিত।

নাৰায়ণ আতাৰ পুত্ৰ গোপীনাথৰ চতুৰ্থা ভাৰ্যা বাঁহবৰীয়াৰ জীৰ বৰপুত্ৰ সহদেৱৰ দ্বিতীয়া ভাৰ্যাৰ পুত্ৰ ভগীৰথ। তৎ চতুৰ্থপুত্ৰ দশৰথে হালধীআটী সৰুভাগ সত্ৰ স্থাপন কৰে। দশৰথৰ পুত্ৰ কৃষ্ণদেৱে কলিয়াবৰৰ মিছামুখ পানীগাঁৱলৈ সত্ৰ তুলি আনে। তেওঁৰ পুত্ৰ কেশৱ। কেশৱৰ পুত্ৰ লক্ষ্মীনাথ অধিকাৰ হৈ কিবা অসুবিধাত তাৰ পৰা আহি সত্ৰখন নগাঁও নিজ চহৰ মৌজাৰ মৰিকলং শিয়ালেখোৱা চুকত স্থাপন কৰে। নিত্য প্ৰসঙ্গ, তিথি-পৰ্ব, নৃত্য-ভাওনা বৰ্তমানলৈ যথাবিধি চলি আছে। মৰিকলঙৰ এইভাগ সত্ৰ স্থাপন হোৱাৰ পৰা সত্ৰাধিকাৰৰ ক্ৰমঃ লক্ষীনাথ—ৰবিচন্দ্ৰ—দীনচন্দ্ৰ আৰু বৰ্তমান শ্ৰীপূৰ্ণচন্দ্ৰ মহন্ত॥[১২৭]

### হালধিআটী-মৰিকলং ঃ

নগাঁও-নৰ্নে পথৰ নিজ চহৰ মৰিকলঙত অৱস্থিত।

মৰিকলং শিয়ালেখোৱা চুক সত্ৰৰ অধিকাৰ লক্ষ্মীনাথদেৱৰ দুই পুত্ৰ ৰবিচন্দ্ৰ আৰু কবিচন্দ্ৰ। জ্যেষ্ঠ ৰবিচন্দ্ৰ শিয়ালেখোৱা কিচামত সত্ৰভাগৰ অধিকাৰ পদত অভিষিক্ত হোৱাৰ পিছত ভাতৃ কবিচন্দ্ৰই মূলসত্ৰৰ পৰা ১ কি.মি. উজনিত হালধিআটী মৰিকলং সত্ৰ পাতে।[১২৮] সত্ৰ যেনেতেনে চলি আছে।

### হালধিআটী শেনছোৱা ঃ

নগাঁৱৰ পৰা ৫ কিলোমিটাৰ পশ্চিমে শেনছোৱাত নাৰায়ণ আতাৰ পুত্ৰ গোপীনাথৰ চতুৰ্থা ভাৰ্যা বাঁহবৰীয়াৰ জীৰ পুত্ৰ সহদেৱ উত্তৰাধিকাৰসূত্ৰে হালধিআটী সত্ৰত বহে। তেওঁৰ ২য় গৰাকী ভাৰ্যাৰ পুত্ৰ ভগীৰথ, তৎ প্ৰথম পুত্ৰ চাৰুচন্দ্ৰ। মান-ভগনত চাৰুচন্দ্ৰৰ নাতি কমলচন্দ্ৰ ভটীয়াই আহি শেনছোৱাত সত্ৰভাগ পাতে।[১২৯] কমলচন্দ্ৰৰ পুত্ৰ বাপুচন্দ্ৰৰ সময়লৈ সত্ৰভাগ নিয়াৰিকৈ চলে।

### হালধিআটী চকলাঘাট ঃ

নাৰায়ণ আতাৰ পুত্ৰ গোপীনাথৰ চতুৰ্থা ভাৰ্যা বাঁহবৰীয়াৰ জীৰ ২য় পুত্ৰ মহাদেৱে চকলাঘাটত হালধীআটী সত্ৰ এভাগ পাতে। তেওঁৰ জ্যেষ্ঠজন সহদেৱে পিছত সত্ৰখন মাজুলীৰ ধৰলমুখলৈ স্থানান্তৰ কৰে।[১৩০]

### দহঘৰ কঠালকুছি ঃ

হাতীচোং মৌজাৰ কঠালকুছিত অৱস্থিত।

নাৰায়ণ আতাৰ পুত্ৰ গোপীনাথৰ চতুৰ্থ গৰাকী ভাৰ্যা বাঁহবৰীয়াৰ জীৰ পুত্ৰ সহদেৱ আৰু মহাদেৱ। সহদেৱ আদি হালধিআটীত থাকিল। মহাদেৱে

নগাঁৱলৈ আহি চকলাঘাট আৰু কঠালকুছি সত্ৰ স্থাপন কৰে। মহাদেৱৰ প্ৰথমা ভাৰ্যাৰ পুত্ৰ জয়দেৱ, শুকদেৱ আৰু দ্বিতীয়া ভাৰ্যাৰ পুত্ৰ কুসুম্বৰ দহঘৰ কঠালকুছিত থাকিল।[১৩১]

বৰ্ত্তমান কঠালকুছিৰ পৰা উঠি গৈ সত্ৰৰ লোক ভালুকমাৰীত বসতি কৰিবলৈ লৈছে। সত্ৰৰ ঐতিহ্য নিষ্প্ৰভ।

### দহঘৰ উলুবাৰী ঃ

মহাদেৱৰ বংশৰ পৰা বঢ়া।

হাতীচোং মৌজাৰ কুঁজীডাঁহ নমাটিত অৱস্থিত।

গোপীনাথৰ ভাৰ্যা বাঁহবৰীয়াৰ জীৱ পুত্ৰ সহদেৱ আৰু মহাদেৱ। মহাদেৱে নগাঁৱৰ চকলাঘাটত বসবাস কৰি সত্ৰ স্থাপন কৰে। এই সত্ৰ চকলাঘাটৰ খৌৱামোচৰ সত্ৰৰ দক্ষিণ-পশ্চিমত। প্ৰাকৃতিক দুৰ্যোগত মহাদেৱৰ উত্তৰ-পুৰুষে কুৰি শতিকাৰ দ্বিতীয় দশকত তাৰ পৰা উঠি আহি কুঁজীডাঁহ উলুবাৰীত সত্ৰভাগ পাতে।[১৩২] সত্ৰৰ ঐতিহ্য ম্লান হৈছে।

### দহঘৰ ভালুকমাৰী ঃ

হাতীচোং মৌজাৰ ভালুকমাৰীত অৱস্থিত।

দহঘৰ কঠালকুছি সত্ৰ পতাৰ সময়তে গোপীনাথৰ চতুৰ্থা ভাৰ্যাৰ ২য় পুত্ৰ মহাদেৱে ভালুকমাৰীত সত্ৰ স্থাপন কৰে। সত্ৰখনক দহঘৰ ভালুকমাৰী বোলা হয়। বৰ্ত্তমান উলুবাৰীৰ দহঘৰৰ ওচৰৰ কঠালকুছিৰ লোকসকল গোঁসাইবৰি-ভালুকমাৰীলৈ উঠি গৈছে। সত্ৰ যথাযথ চলি আছে। সত্ৰৰ অধিকাৰৰ দায়িত্ব শ্ৰীৰবিদেৱ মহন্তই বহন কৰি আছে।[১৩৩]

### দহঘৰ জাজৰি ঃ

হাতীচোং মৌজাৰ জাজৰি হেমাৰবৰিত অৱস্থিত।

মানৰ আক্ৰমণত মূল সত্ৰ দিকৰাইৰ পাৰৰ পৰা সহদেৱৰ লগত ভাতৃ মহাদেৱো ভটীয়াই আহে। মহাদেৱৰ বংশৰ কোনোজনে নগাঁৱৰ জাজৰিত সত্ৰ প্ৰতিষ্ঠা কৰে। পূৰ্বৰ নামৰ ঐতিহ্যৰে সত্ৰখনক দহঘৰ জাজৰি বোলা হয়। তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটাতো এভাগ সত্ৰ আছে। জনজাতি, অনুসূচিত জাতি, পিচপৰা আৰু উচ্চ বৰ্ণৰ উজনি অসমৰ বিভিন্ন জিলা আনকি কাছাৰ জিলাৰ কেবাখনো ঠাইত দুহাজাৰ মান শিষ্য আছিল। বৰ্তমান শিচ্-ভকত কমি গৈছে। মাৰ্ঘেৰিটাৰ সত্ৰত থকা প্ৰয়াত কৃষ্ণানন্দ অধিকাৰ সত্ৰীয়া ধৰ্ম-সংস্কৃতি আৰু সামাজিক কামত অগ্ৰণী আছিল। নগাঁৱৰ জাজৰিত প্ৰায় ৫০ বিঘা মাটি-বাৰী আছে। সত্ৰভাগ ডাঃ



কেশৱানন্দ গোস্বামীয়ে চলাই আছে।

*॥শ্ৰীৰাম আতাৰ পৰা বঢ়া সত্ৰ॥*

### শ্ৰীৰাম আতা

*ভৱানীপুৰীয়া গোপাল আতাৰ আজ্ঞাপৰ শ্ৰীৰাম আতা শাস্ত্ৰজ্ঞ পণ্ডিত গীতা-পদ ৰচয়িতা গোবিন্দ মিশ্ৰৰ সন্তান।শ্ৰীৰাম আতাৰ পূৰ্বপুৰুষ ভট্টনাৰায়ণ মহাপুৰুষ শঙ্কৰদেৱৰ পূৰ্বপুৰুষ চণ্ডীৱৰৰ লগত আহি বৰদোৱাত বাস কৰিছিল। পণ্ডিতৰ বংশৰ শ্ৰীৰামে কাশীত বাৰ বছৰ বেদ-বেদান্তৰ শিক্ষা গ্ৰহণ কৰি আহি উজনিৰ দেবেৰাপাৰত সত্ৰ পাতি বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰি থকা বংশীগোপালদেৱৰ লগত কেইবছৰমান থাকি যদুমণিদেৱৰ লগত কামৰূপৰ বৰপেটালৈ যায় আৰু তাতে নাৰায়ণ ঠাকুৰ আতাক লগ পায়। ঠাকুৰ আতাৰ পৰা "সুগন্ধসুস্বাদ আম্ৰ জানিবা গোপাল।"– বুলি গোপাল আতাৰ কথা জানিব পাৰি শ্ৰীৰাম আতাই গোপাল আতাক সাক্ষাৎ কৰি তেওঁৰ পৰা ধৰ্মবস্তু গ্ৰহণ কৰে।[১৩৪]*

*গোপাল আতাৰ বাৰজন আজ্ঞাপৰৰ মাজৰ পৰা শ্ৰীৰাম আতাক গোপাল আতাই ধৰ্ম-চৰ্চাৰ প্ৰধান কেন্দ্ৰ কালঝাৰ সত্ৰৰ গুৰু-দায়িত্ব প্ৰদান কৰিছিল আৰু সেই সত্ৰ এৰি উজনিলৈ নাযাবলৈ আজ্ঞা দিছিল। শ্ৰীৰাম আতাৰ পিছত আতাৰ প্ৰথমা ভাৰ্যাৰ পুত্ৰ ৰামানন্দই কালঝাৰ সত্ৰৰ দায়িত্ব পায়। শ্ৰীৰাম আতাৰ পুত্ৰ-পৌত্ৰ আৰু বংশৰ লোকৰ পৰা পৰৱৰ্তী কালত অসমৰ নানা ঠাইত সত্ৰ বাঢ়ে আৰু নগাঁও জিলাত কলিয়াবৰক কেন্দ্ৰ কৰি কেইবাখনো সত্ৰ স্থাপিত হয়।*

### আঁহতগুৰি (নুমলী) জাজৰি ঃ

সত্ৰখন হাতীচোং মৌজাৰ জাজৰিত।

শ্ৰীৰাম আতাৰ পুত্ৰ ৰামানন্দই উজনিলৈ ধৰ্ম প্ৰচাৰ কৰিবলৈ গৈ মাজুলীত এজোপা আঁহত গছৰ গুৰিত পতা সত্ৰই আহঁতগুৰি সত্ৰ নাম পায়। ৰামানন্দৰ পিছত পুত্ৰ ৰামগোপালে সত্ৰৰ দায়িত্ব পায়। ৰামগোপালৰ ৭ম বা নুমলীয়া পুত্ৰ জগতপতি। ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰৰ শিষ্যসকলৰ অনুৰোধ ৰক্ষা কৰি ৰামগোপালে জগতপতিক তালৈ পঠিয়াই দিয়ে আৰু তেওঁ কাকদোঙ্গাৰ পাৰৰ নাহৰণিত সত্ৰ পাতে। নুমলীয়া পো কাৰণে জগতপতিৰ সত্ৰ নুমলী আহঁতগুৰি নামে জনাজাত। মানৰ আক্ৰমণৰ সময়ত শিৱসাগৰৰ কাকদোঙ্গাৰ পৰা তেওঁৰ পুত্ৰ ব্ৰজমোহন, শ্ৰীমোহন আৰু মনমোহন ভটীয়াই আহি নগাঁৱৰ জাজৰিত সত্ৰ স্থাপন কৰে। মূল আঁহতগুৰিৰ নামেৰে সত্ৰখনৰ নাম আঁহতগুৰি জাজৰি হয়। তেওঁলোকৰ বংশধৰে সুকীয়া সুকীয়াকৈ সত্ৰ পাতি চলাই আছে।[১৩৫] গুৰুসকলৰ তিথি আৰু অন্যান্য সত্ৰ-উৎসৱ পালন কৰি আছে।

### আঁহতগুৰি হুজগাঁও ঃ

আঁহতগুৰি জাজৰি সত্ৰৰ শাখা সত্ৰ।

নগাঁও নগৰৰ পৰা ২ কি.মি. উত্তৰে নগাঁও-জুৰিয়া পথত অৱস্থিত। ইংৰাজৰ শাসন কালত ঊনৈশ শতিকাৰ শেষৰ পিনে মাণিকচন্দ্ৰ নামৰ এজনে কানানগু চাকৰি ইস্তফা দি নগাঁও নগৰৰ ওচৰৰ হুজগাঁৱত বসবাস কৰি অঞ্চলৰ ৰাইজৰ মাজত ধৰ্ম প্ৰচাৰ কৰিবলৈ সত্ৰ এভাগ স্থাপন কৰে। মাণিকচন্দ্ৰ গোস্বামী জাজৰি মাজগাঁৱৰ আঁহতগুৰি সত্ৰৰ বংশধৰ। বৰ্তমান সত্ৰ পৰিচালনা কৰা লোকৰ অভাৱত সত্ৰ বিপৰ্যস্ত।

### ম'হধৰা ঃ

এই সত্ৰ নগাঁও নগৰৰ পৰা ৭ কি.মি. পূবে হালোৱা গাঁৱত অৱস্থিত।

শ্ৰীৰামৰ দ্বিতীয় ভাৰ্যাৰ পুত্ৰ পৰমানন্দ। তেওঁৰ এজন পুত্ৰ যদুদেৱ আমগুৰি সত্ৰৰ অধিকাৰ পদত অভিষিক্ত হোৱাত আনজন পুত্ৰ (জ্যেষ্ঠ) মুকুন্দই লক্ষীমপুৰৰ মাজুলীলৈ গৈ সত্ৰ এভাগ পাতে। মুকুন্দদেৱে বনৰীয়া ম'হ ধৰি বশ মনাইছিল আৰু সেইকাৰণে তেওঁক ম'হধৰা আতা আৰু তেওঁ প্ৰতিষ্ঠা কৰা সত্ৰক ম'হধৰা সত্ৰ বোলা হয়।

মানৰ উপদ্ৰৱত পুত্ৰানুক্ৰম পঞ্চমজনা সত্ৰাধিকাৰ ব্ৰজনাথ ভটীয়াই আহি নগাঁৱৰ পুৰণিগুদাম অঞ্চলত কলঙৰ উত্তৰ পাৰত এভাগ সত্ৰ পাতে। হালোৱাগাঁৱত পতা সত্ৰভাগৰ নামো ম'হধৰা হয়। এই সত্ৰৰ পিচপৰা, অনুসূচীত আৰু জনজাতিৰ শিষ্য নগাঁও জিলাৰ বিভিন্ন ঠাইত আছে। নগাঁও কলংপাৰত থকা থানত গুৰু-তিথি, জন্মাষ্টমী, দৌলোৎসৱ, ৰাসোৎসৱ, নাম-প্ৰসঙ্গ, ভাওনা আদি পালন কৰা হয়।

*॥সৰুযদুমণি (গজলা আতা)ৰ পৰা বঢ়া সত্ৰ॥*

### সৰুযদুমণি ঃ

*"ৰত্ন এটি আনিছোঁ, আপুনি মোৰ বুলি গ্ৰহণ কৰক।"— বুলি নাৰায়ণ ঠাকুৰ আতাই গোপাল আতাক অৰ্পণ কৰা আৰু গোপাল আতাই গ্ৰহণ কৰা সেই ৰত্নটি হ'ল— উত্তৰ লক্ষীমপুৰ নাৰায়ণপুৰৰ সাঁওকুছি (সাউদকুছি) গাঁৱৰ মাধৱ ভূঞাৰ পুত্ৰ যদুমণি ভূঞা। তেওঁ সৰুযদুমণি নামে বৈষ্ণৱ সমাজত খ্যাত। ভৱানীপুৰীয়া গোপাল আতাৰ আজ্ঞামতে উজনিত ধৰ্ম প্ৰচাৰ কৰি মাজুলীৰ গজলা সুঁতিৰ পাৰত সত্ৰ স্থাপন কৰে। গজলাসুঁতিৰ নামেৰে সত্ৰৰ নাম গজলা সত্ৰ হয় আৰু যদুমণিও গজলা আতা নামে জনাজাত হয়।[১৩৬] ১৪৬০ শকত আৱিৰ্ভাৱ হোৱা সৰু যদুমণিৰ তিৰোভাৱ হয় ১৫৭০ শকৰ মাঘ মাহৰ কৃষ্ণা একাদশীত।*



*যদুমণি গজলা আতাৰ তিনিপুত্ৰ— কৃষ্ণচৰণ, হৰিচৰণ আৰু ভক্তচৰণ। জ্যেষ্ঠপুত্ৰ কৃষ্ণচৰণক সৌকাজান গজলা সত্ৰৰ প্ৰতিষ্ঠাতা বুলি কয়। সৌকাজান গজলা আতাই ভগৱন্তৰ নাম লৈ সৌকা (বেত)ৰ লাখুটি পুতি দিয়া ঠাইত মাটিৰ তলৰ পৰা পানী নিৰ্গত হৈ জানৰ সৃষ্টি কৰে বাবে তেওঁক সৌকাজান গজলা আতা বোলা হয়।*

### আমতলা গজলা ঃ

*কৃষ্ণচৰণৰ ছয়পুত্ৰৰ জ্যেষ্ঠজন কেশৱচৰণৰ পুত্ৰ বৈষ্ণৱচৰণ। তেওঁৰ কনিষ্ঠ পুত্ৰ নৰসিংহই সৌকাজানৰ পৰা আহি গহপুৰৰ আমতলা বিলৰ পাৰত থিতাপি লৈ সত্ৰ পাতে আৰু সেই সত্ৰৰ নাম আমতলা গজলা হয়।*

### আমতলা গজলা-জাজৰি (দ ফাল)

হাতীচোং মৌজাৰ জাজৰি-বগৰিগুৰিত অৱস্থিত।

নৰসিংহদেউৰ পুত্ৰ মাধৱানন্দৰ চাৰিপুত্ৰৰ মাজুপুত্ৰদ্বয় সংৰাম আৰু মধুৰামৰ অকাল মৃত্যু ঘটাত জীৱিত পুত্ৰ জ্যেষ্ঠ ঋষিৰাম আৰু কনিষ্ঠ শিশুৰামক লগত লৈ মাধৱানন্দই সপৰিয়ালে আহি ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰে শিলঘাটত ৰয়। কিন্তু তাত থকাৰ সুবিধা নোহোৱাত ভটীয়াই আহি নগাঁও জিলাৰ হাতীচোং মৌজাৰ জাজৰিৰ পূব-প্ৰান্তত বসবাস কৰি ধৰ্ম প্ৰচাৰত মনোনিবেশ কৰি সত্ৰ স্থাপন কৰে। সেই ঠাই দ-অঞ্চল কাৰণে সত্ৰৰ নাম আমতলা দ-গজলা নামে খ্যাত হয় আৰু জ্যেষ্ঠপুত্ৰ ঋষিৰাম এইভাগ সত্ৰৰ অধিকাৰ হয়। ধৰ্ম-সংস্কৃতিৰ ঐতিহ্যপূৰ্ণ সত্ৰ। সত্ৰৰ এক আপুৰুগীয়া সম্পদ আছিল চিত্ৰ-সম্বলিত 'কীৰ্ত্তন ঘোষা' পুথি। অতি সুন্দৰ আৰু হৃদয়স্পৰ্শী ১০৪ পাতৰ চিত্ৰপুথিখনিৰ ৬২ পাতত তলে-ওপৰে লতা, ২৪ পাতত দেৱ-দেৱীৰ চিত্ৰ, দুইমূৰ আৰু নাভিত বিভিন্ন চিত্ৰ-অঙ্কিত।[১৩৭] আমি অনুসন্ধান কৰি সচিত্ৰ 'কীৰ্ত্তন-ঘোষা' পুথিখনি ক'ত আছে সন্তেদ পোৱা নহ'ল। সত্ৰৰ মূল শাস্ত্ৰ ভাগৱত আৰু দশম সাঁচিপতীয়া পুথি। সত্ৰত গুৰুসকলৰ তিথি, পাৰমাৰ্থিক লোকৰ ৰাতিসেৱা, জন্মাষ্টমী, ভাদমাহৰ নাম বিভিন্ন সত্ৰীয়া উৎসৱ, ভাওনা আদি পতা হয়। বৰ্তমান পূৰ্বৰ ঐতিহ্য নিষ্প্ৰভ।[১৩৮]

মাধৱানন্দৰ পিছত দুফাল হোৱা দ-গজলা সত্ৰৰ অধিকাৰৰ **ক্ৰমঃ** ঋষিৰাম—প্ৰাণেশ্বৰ—কমলদেৱ—ভগীৰথ—জীৱন আৰু পানীন্দ্ৰ। বৰ্তমান অধিকাৰ পতা হোৱা নাই।

### আমতলা গজলা (বৰি ফাল)

জাজৰি দ-গজলাৰ পৰা অলপ পশ্চিমত অৱস্থিত।

মাধৱানন্দৰ দুই পুত্ৰ ঋষিৰাম আৰু শিশুৰাম কিছুদিন একেলগে সত্ৰ-সভা চলাই থকাৰ পিছত কনিষ্ঠ শিশুৰামে জাজৰি গাঁৱৰ মাজভাগৰ বৰি এটাত সুবিধাজনক দেখি এভাগ সত্ৰ পাতে। বৰিঠাইত পতা কাৰণে এইভাগ সত্ৰক আমতলা বৰি গজলা বোলা হয়। দ-ঘাট গজলাৰ দৰে সত্ৰৰ ৰীতি-নীতি, নাম-প্ৰসঙ্গ, নৃত্য-গীত-ভাওনা একে। সত্ৰৰ থাপনাত 'শ্ৰীমদ্ভাগৱত', 'কীৰ্ত্তন', 'নামঘোষা' আৰু 'গুণমালা' পুথি আছে। সিংহাসনৰ আমহি ঘৰত বাসুদেৱ মূৰ্ত্তি, জপৰ বস্তু হৃদয়মালা। সত্ৰত সাঁচিপাতৰ গুণমালা পুথি আৰু সাঁচিপাতৰ জোখত কাগজ কাটি এঠা লগাই তদ্ৰূপ ডাঠ কৰি সেই পাতত লিখা 'কীৰ্ত্তন-ঘোষা', 'নামঘোষা', 'দশম আৰু গুণমালা' সাঁচিপাতৰ ঠাঁচত প্ৰয়াত অধিকাৰ বাসুদেৱ আৰু ভোলানাথদেৱে লিখিছিল। তেওঁলোক ভাস্কৰ্য শিল্পী আছিল। নাম-প্ৰসঙ্গ, ভাওনা, নৃত্য-গীতেৰে ঐতিহ্যমণ্ডিত সত্ৰ। এই সত্ৰৰ জীয়ৰী শ্ৰীমতী নিকুঞ্জলতা মহন্ত, শ্ৰীখগেন মহন্ত খ্যাতনামা সঙ্গীত-শিল্পী আৰু বোৱাৰী শ্ৰীমতী অৰ্চনা মহন্ত সুগায়িকা।

সত্ৰ প্ৰতিষ্ঠাপক শিশুৰামৰ পিছত এইফাল সত্ৰৰ অধিকাৰ ক্ৰমঃ দেহিৰাম-বাসুদেৱ—সহদেৱ—ভোলানাথ—হৰেন্দ্ৰ—যোগেন্দ্ৰ—হেমেন্দ্ৰ—ব্ৰজেন্দ্ৰ—ভুজেন্দ্ৰ আৰু বৰ্তমান শ্ৰীউপেন্দ্ৰ নাথ মহন্তই অধিকাৰ আৰু শ্ৰীডিম্বেশ্বৰ মহন্তই ডেকাঅধিকাৰৰ কাৰ্যনিবাহ কৰে। পৰিচালনা সমিতিৰে সত্ৰভাগ চলাই আছে।[১৩৯]

### গজলা ভোটাইগাঁও ঃ

নিজচহৰ নগাঁও মৌজাৰ পূবে ভোটাইগাঁৱত ৰাষ্ট্ৰীয় পথৰ দাঁতিত বাটচ'ৰাৰে গাম্ভীৰ্যপূৰ্ণ পৰিবেশৰ চৌহদত নামঘৰ-মণিকূট সমন্বিতে এই সত্ৰ অৱস্থিত। সত্ৰৰ মাটিকালি তিনি বিঘা। আমতলা গজলা সত্ৰৰ প্ৰতিষ্ঠাপক মাধৱানন্দৰ চাৰিপুত্ৰৰ জ্যেষ্ঠ ঋষিৰামৰ দুই পুত্ৰ সাধুৰাম আৰু প্ৰাণেশ্বৰ বা প্ৰাণনাথ। প্ৰাণেশ্বৰৰ চাৰিপুত্ৰৰ জ্যেষ্ঠ যোগেশ্বৰৰ দুই পুত্ৰ– সন্তেশ্বৰ আৰু থুলেশ্বৰ। সন্তেশ্বৰৰ দুই পুত্ৰ তিলকচন্দ্ৰ আৰু গুণাভিৰাম। গুণাভিৰামে কৰ্মক্ষেত্ৰ হিচাবে ভোটাইগাঁৱত মাটি-গৃহ কৰি স্থায়ীভাবে বহি ১৯২০ খ্ৰীঃত সত্ৰভাগ প্ৰতিষ্ঠা কৰে। এই সত্ৰ জাজৰিৰ আমতলা গজলা সত্ৰৰ শাখা।[১৪০]

আসনত শ্ৰীমদ্ভাগৱত আৰু গুণমালা পুথি। সত্ৰৰ বিগ্ৰহ বাসুদেৱ লাডুৱা গোপালৰ। মাইহাং, বৰকাঁহ, বৃহৎ পিতলৰ টৌ, বৃহৎ তাম আৰু কাঁহৰ থাল, ডবা আৰু পুথি-পাঁজি আদি প্ৰাচীন সম্পদ আছে। সত্ৰৰ প্ৰয়াত অচিন্ত্যনাৰায়ণ ভাস্কৰ্য্য শিল্পী আৰু নাট্যকাৰ আছিল। তেওঁৰ নিৰ্মিত তিনিখলপীয়া সিংহাসন মাজপোতনি উৰিয়াগাঁও নামঘৰত প্ৰতিষ্ঠা কৰা হৈছে। অচিন্ত্যনাৰায়ণ ৰচিত নাট



'বিচিত্ৰাৰ সয়ম্বৰ', 'শনিৰ দৰ্পচূৰ্ণ', 'বৃত্ৰাসুৰ বধ', 'শ্বেতাৰ্জুনৰ বৈকুণ্ঠ প্ৰয়াণ', 'শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ', 'দেৱদমন' উল্লেখযোগ্য।[১৪১] দ্বিজেন্দ্ৰ নাৰায়ণ, দ্বিকান্ত প্ৰকাশ সত্ৰীয়া ভাস্কৰ্য শিল্পকৰ্মৰ লগত জড়িত।

সত্ৰঘৰ ধৰ্ম-সংস্কৃতিৰ ঐতিহ্য-পৰম্পৰাৰ প্ৰতি সচেতন। নাম-প্ৰসঙ্গ, জন্মাষ্টমী, ফাকুৱা, গুৰুতিথি আদি সত্ৰীয়া পৰম্পৰাৰে পালন কৰা হয়।

ভোটাইগাঁৱৰ গজলা সত্ৰভাগ শ্ৰীদ্বিজেন্দ্ৰ নাৰায়ণ গোস্বামীয়ে তদাৰক কৰি আছে।

### গজলা মদাৰগুৰি ঃ

খাটোৱাল মৌজাৰ চামগুৰিৰ বাজিয়াগাঁৱত কলঙৰ উত্তৰ পাৰত অৱস্থিত। এই সত্ৰৰ পূৰ্বপুৰুষ উত্তৰ লক্ষীমপুৰৰ গোপামুখত আছিল। মানৰ অত্যাচাৰ-উৎপীড়নত নিৰাপত্তাৰ কাৰণে তৰ পৰা ভটীয়াই আহি সুবিধাজনক ঠাই বুজি বৰ্তমানৰ ঠাইত বসবাস কৰি সত্ৰ এভাগ প্ৰতিষ্ঠা কৰে। সত্ৰৰ ঐতিহ্য সম্বন্ধে তথ্যৰ অভাৱ যদিও লৱকান্ত অধিকাৰৰ সময়ৰ পৰা সত্ৰৰ আভাস পোৱা যায়। লৱকান্তৰ পিছত ভায়েকসকল অধিকাৰৰ আসনত নবহিল। আটাইকেইজনা ককাই-ভাইৰ বিয়োগ হোৱাত দ্বিতীয়া ভাতৃৰ পৰিয়ালৰ জ্যেষ্ঠ সোমেশ্বৰ, তেওঁৰ পিছত আদিনাথ, আদিনাথৰ পিছত পুত্ৰ কমলাকান্ত আৰু তেওঁৰ পিছত লক্ষ্মীকান্ত অধিকাৰ হয়। লক্ষ্মীকান্তৰ পিছত শ্ৰীকেশৱচন্দ্ৰ মহন্ত আৰু শ্ৰীলীলাকান্ত মহন্তই ভাৰপ্ৰাপ্ত অধিকাৰ আৰু ডেকা অধিকাৰ হৈ সত্ৰ চলাই আছে।[১৪২] বৰ্তমান সত্ৰৰ ঐতিহ্য ম্লান হৈছে।

*॥বুঢ়া শ্ৰীৰামচন্দ্ৰৰ পৰা বঢ়া সত্ৰ॥*

### বুঢ়া শ্ৰীৰামচন্দ্ৰ ঃ খৌৰামোচৰ সত্ৰ

*শ্ৰীৰামচন্দ্ৰ কনৌজৰ পৰা অহা বিকা ভট্টাচাৰ্যৰ বংশধৰ। বিকা ভট্টাচাৰ্যৰ পুত্ৰ দেৱ আৰু ভকতীয়া। ভকতীয়া গুৰুৰ ঔৰষত সতীৰ গৰ্ভত ১৫১০ শকৰ আঘোণৰ শুক্লা ৭মীত উত্তৰ লক্ষীমপুৰৰ বিহপুৰীয়াত জন্ম গ্ৰহণ কৰা শ্ৰীৰাম বৰ জ্ঞানী-গুণী আছিল।[১৪৩] ভাগৱত ধৰ্মৰ প্ৰতি থকা আস্থা পূৰণৰ বাবে বৰপেটালৈ ভটীয়াই গৈ মহাপুৰুষৰ নাতি পুৰুষোত্তম ঠাকুৰৰ সান্নিধ্য লভে। তাৰ পিছত ভবানন্দ ওৰফে নাৰায়ণ ঠাকুৰ আতাৰ লগত পৰামৰ্শ কৰি ভবানীপুৰত থকা গোপাল আতাৰ ওচৰলৈ যায়। গোপাল আতাৰ অপাৰ ভক্তি-জ্ঞান আৰু অগাধ পাণ্ডিত্যত মুগ্ধ হৈ শ্ৰীৰামে গোপাল আতাত শৰণ লৈ একেলগে থাকিবলৈ লয়। কম দিনতে অসীম শাস্ত্ৰজ্ঞানৰ বুজ পাই গোপাল আতাই শ্ৰীৰামচন্দ্ৰক জ্ঞানত শ্ৰেষ্ঠতৰ কাৰণে 'বুঢ়া' শ্ৰীৰাম বুলি মাতিছিল আৰু তেওঁ গোপাল আতাৰ বাৰ*

*আচাৰ্যৰ মাজত 'বুঢ়া' শ্ৰীৰামচন্দ্ৰ নামে জনাজাত হয়। ১৬১০ শকৰ চ'ত মাহৰ কৃষ্ণা একাদশী তিথিত নৰদেহ এৰে।*

*গুৰু-গৃহৰ পৰা ঘূৰি আহি প্ৰগাঢ় শাস্ত্ৰজ্ঞ বুঢ়া শ্ৰীৰামে লক্ষীমপুৰ জিলাৰ লালুকমৌজাৰ খ'ৰাত[১৪৪] মতান্তৰে দিক্ৰং নদীৰ খ'ৰা নামৰ বিল বা সুঁতিৰ মোচৰ বা ভাঁজৰ পথাৰত সত্ৰ স্থাপন কৰে আৰু সেই সত্ৰৰ নাম খ'ৰা বা খৌৰামোচৰ সত্ৰ হয়। আনমতে ডফলাৰ আক্ৰমণ ৰোধ কৰিবলৈ আহোম ৰজাই নিৰ্মাণ কৰিবলৈ লোৱা গড়ৰ কাম বাৰিষা অহাত আধৰুৱা বা খ'ৰা হৈ ৰয় আৰু সেই খ'ৰা গড়ৰ অংশৰ মোচৰত শ্ৰীৰামে পতা সত্ৰৰ নাম খ'ৰা/খৌৰামোচৰ হয়।[১৪৫]*

*শ্ৰীৰামচন্দ্ৰৰ চাৰিপুত্ৰ দশৰথ, মহন, বিষ্ণু আৰু নাৰায়ণ। ৰৰপুত্ৰ দশৰথ বৈৰাগ্য জন্মি সত্ৰত নাথাকিল। বাকী তিনিপুত্ৰৰ দ্বিতীয় পুত্ৰ মহনে মূল খৌৰামোচৰ সত্ৰ, তৃতীয় পুত্ৰ বিষ্ণুৱে উত্তৰ লক্ষীমপুৰৰ ঢলপুৰৰ বাঢ়ৈপুখুৰীত আৰু চতুৰ্থ পুত্ৰ নাৰায়ণে নগাঁৱৰ বজালবাৰী (মাজজাজৰি)ত সত্ৰ পাতে। বুঢ়া গুৰু শ্ৰীৰামৰ পুত্ৰ-পৌত্ৰ আৰু তেওঁ পতা আচাৰ্যসকলৰ পৰা অসমত কেইবাখনো সত্ৰ স্থাপিত হয়। নগাঁও জিলাত তেওঁৰ পৰা বঢ়া সত্ৰ দুখন আছে।*

### খৌৰামোচৰ মাজজাজৰি ঃ

হাতীচোং মৌজাৰ মাজজাজৰিৰ মাজগাঁৱত অৱস্থিত।

শ্ৰীৰামৰ কনিষ্ঠ পুত্ৰ নাৰায়ণে মূল খৌৰামোচৰ সত্ৰৰ পৰা ভটীয়াই আহি বজালবাৰীত (বাঘমাৰিত) বসবাস কৰি মূলসত্ৰৰ নামেৰে সত্ৰ প্ৰতিষ্ঠা কৰে। এই সত্ৰই মাজজাজৰিৰ মাজগাঁৱৰ খৌৰামোচৰ সত্ৰ। 'পবিত্ৰ অসম'ৰ মতে নাৰায়ণদেৱৰ অধস্তন মান-ভগনত ভাগি আহি নগাঁৱৰ মাজজাজৰিত বাস কৰে। বৈষ্ণৱ ধৰ্ম-সংস্কৃতিলৈ এই সত্ৰৰ অৱদান উল্লেখযোগ্য। পূৰ্বে নাম-প্ৰসঙ্গ, ভাওনা, নৃত্য-গীতেৰে ৰজনজনাই আছিল। সম্প্ৰতি সত্ৰ-সংস্কৃতিৰ ঐতিহ্য নিষ্প্ৰভ হৈ গৈ আছে। সত্ৰৰ সিংহাসনত ভাগৱত শাস্ত্ৰ। সত্ৰৰ বিগ্ৰহ বংশীবাদন।

সত্ৰৰ অধিকাৰৰ ক্ৰমঃ- নাৰায়ণদেৱ–জয়কৃষ্ণ–বাসুদেৱ–কামদেৱ–দেউনাথ–শিৱদেৱ–কনকচন্দ্ৰ–মোহনচন্দ্ৰ। বৰ্তমান শ্ৰীবদনচন্দ্ৰ গোস্বামী আৰু শ্ৰীযোগেন্দ্ৰ নাথ গোস্বামীয়ে সত্ৰাধিকাৰ আৰু ডেকা অধিকাৰ বাবেৰে সত্ৰ চলাই আছে।[১৪৬] শ্ৰীবদন চন্দ্ৰ গোস্বামী সত্ৰৰ ধৰ্ম-সংস্কৃতিৰ এজনা সুবিজ্ঞ লোক।

### খৌৰামোচৰ চকলাঘাট ঃ

হাতীচোং মৌজাৰ চকলাঘাটত।

বুঢ়াগুৰু শ্ৰীৰামৰ প্ৰথম পুত্ৰ দশৰথ বৈৰাগ্য হৈ সত্ৰৰ দায়িত্ব নোলোৱাত দ্বিতীয় পুত্ৰ মহনদেৱ মূল খৌৰামোচৰ সত্ৰৰ অধিকাৰ হয়। মান-ভগনত তেওঁৰ



পৰৱৰ্তী বংশধৰ যশোধৰদেৱ নগাঁৱৰ ধিঙৰ লেতেৰীত থিতাপী লৈ খৌৰামোচৰ সত্ৰ পাতে। বানপানী আদি প্ৰাকৃতিক দুৰ্যোগৰ কাৰণে যশোধৰৰ পুত্ৰ বাপুৰামে চকলাঘাটলৈ সত্ৰ তুলি আনে।

বাপুৰামৰ পুত্ৰ কৃষ্ণদেৱৰ পুত্ৰ সন্তান নাছিল। কৃষ্ণদেৱৰ ভাৰ্যা এগৰাকীয়ে বজালবাৰী মাজজাজৰি সত্ৰৰ অধিকাৰ শিৱদেৱৰ পুত্ৰ কমলদেৱক সৰুতে পোষ্যপুত্ৰ কৰি মূলসত্ৰলৈ আনি অধিকাৰ পাতে। তেওঁৰে পুত্ৰ-পৌত্ৰাদিয়ে এইভাগ সত্ৰ চলাই আছে। যশোধৰৰ পিছত চকলাঘাট সত্ৰৰ অধিকাৰৰ ক্ৰমঃ বাপুৰাম–কৃষ্ণদেৱ–কমলদেৱ–হেমচন্দ্ৰ আৰু বৰ্তমান অধিকাৰ শ্ৰীদুখুদেৱ গোস্বামী।[১৪৭]

### *॥ বৰযদুমণিদেৱৰ আজ্ঞাপৰ আচাৰ্যৰ পৰা বঢ়া সত্ৰ ॥*

### বৰযদুমণিদেৱ ঃ

*বৰযদুমণিৰ জন্ম লক্ষীমপুৰত। শঙ্কৰদেৱ গাংমৌ থানত সত্ৰ পাতি থকা কালত যদুমণিয়ে বাল্যকালতে মহাপুৰুষ গুৰুজনাৰ সান্নিধ্য পাইছিল। শঙ্কৰ-মাধৱৰ ধৰ্মই প্লাৱিত কৰা বৈষ্ণৱ ধৰ্মৰ প্ৰতি অনুৰাগ বঢ়াত যদুমণিয়ে বৰপেটালৈ গৈ মাধৱদেৱক লগ পায়। তাৰ অলপ দিন পিছতে ভৱানীপুৰ কালঝাৰত গোপাল আতাৰ সান্নিধ্যলৈ গৈ গোপাল আতাৰ পৰা ভক্তিধৰ্ম গ্ৰহণ কৰে।*

*গোপাল আতাৰ আজ্ঞাৰে নৱ-বৈষ্ণৱ ধৰ্ম সম্প্ৰসাৰণৰ বাবে বৰযদুমণিয়ে লৌহিত্যৰে উজাই গৈ শঙ্কৰদেৱে মহীয়ান কৰি থৈ যোৱা গাংমৌৰ বাঁহবাৰী এখনত ১৫৮৪ খ্ৰীঃত বাংশবাৰী সত্ৰ প্ৰতিষ্ঠা কৰে। তেওঁ হেঙুলীয়া যদুমণি নামেৰেও জনাজাত। সত্ৰৰ সন্নিকটৰ বাঁহজোপাই হেঙুলীয়া বৰণ ধৰা বাবে, মতান্তৰে তেওঁ ব্যৱহাৰ কৰা নাওঁ, বঠা, চ'ৰি, চৈ-গৃহৰ কৰা-কামী সকলো হেঙুলীয়া বৰণৰ হোৱা বাবে তেওঁ হেঙুলীয়া যদুমণি নামেও জনাজাত। হেঙুলীয়া যদুমণি গীতিকাৰ আৰু নাট্যকাৰো আছিল।*

*গোপাল আতাৰ যদুমণি নামৰ দুজন শিষ্য আছিল। জ্যেষ্ঠজনক বৰযদুমণি আৰু কনিষ্ঠজনক সৰুযদুমণি বুলি মাতিছিল। বৰযদুমণিৰ তিনিপুত্ৰ সনাতন, ৰতিকান্ত আৰু শ্ৰীকান্ত। তেওঁ পতা চাৰিজন ধৰ্মাচাৰ্য কানাই, গুৰুবাপ, অনিৰুদ্ধ, ৰামানন্দ (ৰমাই)ৰ উপৰিও তেওঁলোকৰ পুত্ৰ-পৌত্ৰাদি আৰু তেওঁলোকে পতা ধৰ্মাচাৰ্যসকলে অসমৰ বিভিন্ন অনেক ঠাইত সত্ৰ স্থাপন কৰে।*

### চেঁচা সত্ৰ ঃ

নিজ চহৰ মৌজাৰ নগাঁও নগৰৰ পূবে ডিমৰুগুৰিৰ বিপৰীতে ৰাষ্ট্ৰীয় পথৰ পৰা বাওঁফালে অলপ সোমাই কলঙৰ উত্তৰপাৰে চেঁচাসত্ৰ অৱস্থিত। বৰযদুমণিদেৱৰ আজ্ঞাপৰ চাৰিজন ধৰ্মাচাৰ্যৰ ৰামানন্দ (ৰমাই) গুৰুৰ একান্ত

ভক্ত আৰু শাস্ত্ৰত পণ্ডিত আছিল। তেওঁ গুৰুৰ আজ্ঞাৰে উজনিত ধৰ্ম প্ৰচাৰ কৰি চাচনিত এভাগ সত্ৰ স্থাপন কৰে। চেঁচা নদীৰ পাৰত স্থাপিত সত্ৰভাগ চেঁচা নামে জনাজাত হয়। ৰামানন্দই বৰকৃষ্ণদেৱক সত্ৰাধিকাৰ পদত অভিষিক্ত কৰে। বৰকৃষ্ণৰ পিছত পুত্ৰ জগমোহন চেঁচা সত্ৰৰ অধিকাৰ হয়। জগমোহনৰ ছয় পুত্ৰৰ তৃতীয়জন পদ্মনাভে সত্ৰ-ধৰ্ম প্ৰচাৰৰ কাৰণে ভটীয়াই আহি নগাঁৱত চেঁচা সত্ৰ স্থাপন কৰে। পদ্মনাভৰ পিছত পুত্ৰ যদুনাথ অধিকাৰ হয়। তৎপুত্ৰ শ্ৰীনাথৰ সময়ৰ পৰা সত্ৰত উচ্চ-নীচ ভেদাভেদ নাইকিয়া হৈ সকলো সম্প্ৰদায়ৰ লোক আহি সত্ৰত শৰণ লৈছিল। তেওঁ অন্ন নোখোৱা আতা নামে জনাজাত। সৰুৰে পৰা অন্নৰ পৰিৱৰ্তে সামান্য পৰিমাণৰ গাখীৰ আৰু কলাদি ফলাহাৰহে কৰি জীয়াই আছিল। শ্ৰীনাথ বাক্‌সিদ্ধ আধ্যাত্মিক শক্তিসম্পন্ন লোক থকা বাবে শিচ্-ভকত মুগ্ধ হৈছিল। প্ৰবাদমতে তেওঁৰ মৃতদেহ কাঠ সংস্কাৰ কৰাৰ আগমুহূৰ্তত অদৃশ্য হৈছিল। অগণন শিচ্-ভকত ৰাইজে অদ্ভুত-আশ্চৰ্য্য হৈ শ দাহ কৰিব নাপাই সেই ঠাইতে এখনি থান পাতে। সেই থান 'অন্ন নোখোৱা আতাৰ থান' নামে পৰিচিত। উক্ত থানত মণিকূট সদৃশ গৃহ এটি আছে। ভক্তসকলে আজিও সেই থানত শৰাই, ভোগ, বন্তি দিলে ভক্তৰ মনোবাঞ্ছা পূৰণ হয় বুলি বিশ্বাস কৰে। বছৰেকীয়া বাসোৎসৱ দুই-তিনি দিনীয়াকৈ সেই থানতে পতা হয়।

জগমোহন স্থাপিত উজনিৰ চেঁচা-নৈৰ পাৰত থকা সত্ৰৰ তিনিভাগৰ মাজালি চেঁচাই নগাঁৱৰ চেঁচাসত্ৰ। আন দুভাগ 'বৰঠাই চেঁচা' আৰু 'মাজঠাই চেঁচা' ক্ৰমে শিৱসাগৰ আৰু যোৰহাটৰ কৰঙাত।[১৪৮] মূল চেঁচাসত্ৰ ডিব্ৰুগড়ৰ চেঁচা নদীৰ পাৰত আছিল। সকলো জাতি-জনজাতি লোকক শৰণ-ভজন দি সামাজিক ঐক্য সাধন কৰা সত্ৰ। পূবে শদিয়াৰ পৰা পশ্চিমে উত্তৰ গুৱাহাটীলৈ নানা জাতি-বৰ্ণৰ হাজাৰ হাজাৰ শিষ্য সমন্বিতে চেঁচাসত্ৰই হেন্দোলদোপ লগাই আছিল।[১৪৯] গোপাল আতাৰ ধৰ্ম আদৰ্শৰ চেঁচা সত্ৰত বিগ্ৰহ বা মূৰ্ত্তি নাই। থাপনাত শ্ৰীমদ্ভাগৱত শাস্ত্ৰ আছে। নাম-প্ৰসঙ্গ, নৃত্য-গীত, ভাওনা, ভাস্কৰ্য শিল্পৰে চেঁচা ঐতিহ্যমণ্ডিত সত্ৰ।

### দিহিং সত্ৰঃ

নগাঁৱৰ পৰা ২৫ কি.মি. পশ্চিমত ৰহাৰ হাৰিয়ামুখত দিহিং সত্ৰ। বৰযদুমণিৰ তিনিপুত্ৰৰ জ্যেষ্ঠজন সনাতন। সনাতনে বাঁহবাৰীৰ পৰা গৈ উজনিৰ লাকুৱা মৌজাৰ দিহিং নদীৰ পাৰত শিলিখা বৃক্ষৰ তলত সত্ৰ এভাগ পাতে। সেইকাৰণে শিলিখাতলি সত্ৰ বোলে। পিছলৈ দিহিং নদীৰ পাৰত স্থিত কাৰণে দিহিং সত্ৰ নাম পায়। ৰুদ্ৰসিংহৰ দিনত নিষ্কৰভূমি, সা-সম্পত্তি লাভ কৰা দিহিং সত্ৰই ৰাজেশ্বৰ সিংহৰ দিনত ৰাজস্বীকৃতি পায়।

সনাতনদেৱৰ পৰৱৰ্তী বংশধৰ বল্লভচন্দ্ৰৰ পুত্ৰ নিৰ্মলচন্দ্ৰই মায়ামৰীয়া



বিদ্ৰোহ আৰু মানৱ আক্ৰমণত নাৱেৰে ভটীয়াই আহি বিভিন্ন ঠাইত ঘূৰি ৰহা অঞ্চলত থিতাপি লৈ হাৰিয়ামুখত ১৮৭০ খ্ৰীঃত পূৰ্বৰ নামেৰে দিহিং সত্ৰ প্ৰতিষ্ঠা কৰে।[১৫০] শিচ-ভকতেৰে পৰিপূৰ্ণ সত্ৰ। পিচপৰা অনুসূচিত জাতিৰ শিষ্যৰ সংখ্যা অধিক। ১৯৮৬ খ্ৰীঃত প্ৰৱল বানপানীয়ে সত্ৰ বিধ্বস্ত কৰে। শিচ-ভকতে সত্ৰ পুনৰুজ্জীৱিত কৰিবলৈ ১৯৯১ খ্ৰীঃত পৰিচালনা সমিতি গঠন কৰিছে।[১৫১] নাম-প্ৰসঙ্গ, উৎসৱ, তিথি-পৰ্ব পালন কৰি আছে। নিৰ্মলচন্দ্ৰৰ পিছত ভগৱানচন্দ্ৰ, তাৰ পিছত তেওঁৰ পুত্ৰ বিষ্ণুশোভন সত্ৰাধিকাৰ হয়।

## ঘ) নিকা সংহতি

*॥মাধৱদৱেৰ আজ্ঞাপৰ আচাৰ্যৰ পৰা বঢ়া সত্ৰ॥*

### মাধৱদেৱ ঃ

*গোবিন্দগিৰী-মনোৰমাৰ পুত্ৰ মাধৱদেৱৰ জন্ম হয় উত্তৰ লক্ষীমপুৰৰ নাৰায়ণপুৰৰ লেটেকুপুখুৰীৰ পাৰত ১৪১১ শকৰ জেঠমাহৰ কৃষ্ণ প্ৰতিপদ তিথিত ৰবিবাৰে হৰিশিঙা বৰাৰ ঘৰত। মাধৱদেৱৰ পৰিয়াল শাক্ত, দেৱীৰ উপাসক আছিল। দেৱী-পূজাত পঠা ছাগলী বলি দিবলৈ ওলোৱা মাধৱক মাজুলীৰ হোকোৰাকুছিৰ ভনী জোঁৱায়েক গয়াপাণি (ৰামদাস)য়ে ধুৱাহাট-বেলগুৰিত থকা শঙ্কৰদেৱৰ ওচৰলৈ লৈ যোৱাত দুয়োজনাৰ তুমুল তৰ্ক-বিতৰ্ক হয় আৰু দেৱী-উপাসক মাধৱ তৰ্কত পৰাস্ত হৈ একশৰণ ভাগৱত-ভক্তিধৰ্ম প্ৰৱৰ্তক মহাপুৰুষ শঙ্কৰদেৱত শৰণ লয়। শঙ্কৰদেৱৰ একান্ত শিষ্য মাধৱদেৱে জোৰণ পিন্ধোৱা কন্যাকো বিয়া নকৰাই উদাসীন জীৱন কটাই শঙ্কৰদেৱৰ ভক্তিধৰ্মত আত্ম-উছৰ্গা কৰি সত্ৰ-সভা পাতি ধৰ্মপ্ৰচাৰ, সাহিত্য-সঙ্গীত-নৃত্য, নাট-ভাওনাৰে সত্ৰৰ ধৰ্ম-সংস্কৃতিৰ এক নৱমাত্ৰা দান কৰিলে। শঙ্কৰ-মাধৱৰ ধৰ্ম-সমাজ-সাংস্কৃতিক অৱদানৰ কাৰণে অসমৰ জাতীয়ত্ব চিৰজ্যোতিষ্মান হৈ আছে। শঙ্কৰদেৱৰ দৰে সত্য ধৰ্ম প্ৰচাৰৰ ক্ষেত্ৰত স্বাৰ্থান্বেষী বিৰুদ্ধবাদী আৰু ৰাজশক্তিৰ পৰা নানা দুৰ্যোগ-নিৰ্য্যাতন ভোগ কৰি ভেলামধুপুৰত ১৫১৮ শকৰ ভাদ্ৰমাহৰ ২৭ তাৰিখে কৃষ্ণাপঞ্চমী তিথিত মঙ্গলবাৰে মাধৱদেৱে নৰনাট সামৰে।*

*মাধৱদেৱে গণককুছি, সুন্দৰীদিয়া, বৰপেটা, কোচবিহাৰত ভেলাসত্ৰ প্ৰতিষ্ঠা কৰে আৰু তেওঁ মথুৰাদাস বুঢ়াআতাক বৰপেটা সত্ৰৰ উত্তৰাধিকাৰ পতাৰ লগতে বৰনদীৰ পৰা সোণকোষলৈ পৰ্যন্ত ধৰ্মৰাজ্যৰ ৩০ খন সত্ৰৰ দায়িত্বও বুঢ়াআতাক দিয়া কথা মণিৰাম দেৱানৰ বুৰঞ্জীবিবেক-ৰত্ন গ্ৰন্থত উল্লেখ আছে।[১৫২]*

*মাধৱদেৱে কোচবিহাৰৰ পৰা উজনিলৈ সত্ৰ-সভা পাতি ধৰ্ম প্ৰচাৰ কৰিবলৈ বাৰজন আচাৰ্য নিয়োগ কৰে। সেইসকল আছিল মথুৰাদাস বুঢ়া-আতা (বৰপেটা), ৰামচৰণ ঠাকুৰ (সুন্দৰীদিয়া), বৰবিষ্ণু আতা (চমৰিয়া), কেশৱচৰণ (বৰজহা),*

*ভবানীপুৰীয়া গোপাল আতা (কালঝাৰ), পড়িয়া আতৈ (হেৰামদৈ), লক্ষ্মীকান্ত আতৈ (ঘোপগুৰি), পদ্ম আতা (কমলাবাৰী), শ্ৰীহৰি (লাইআটী), যদুমণি আধলিয়া (মাহৰা) আৰু বংশীগোপাল (দেবেৰাপাৰ)।[১৫৩] বংশীগোপাল আৰু দেৱ যদুমণিক উজনিলৈ ধৰ্মপ্ৰচাৰ কৰিবলৈ পঠোৱাত দামোদৰদেৱৰ পৰামৰ্শৰ কথা উল্লেখযোগ্য।*

*নগাঁৱত মাধৱদেৱৰ আজ্ঞাপৰ ভাটৌকুছীয়া কেশৱচৰণৰ পৰা বৰজহা, শ্ৰীহৰিৰ পৰা বড়া লাইআটী আৰু দেৱযদুমণিৰ পৰা বড়া মাহাৰা আৰু ডোখৰামুখ সত্ৰ উল্লেখযোগ্য।*

**বৰজহা ঃ**

পাখীমৰীয়া মৌজাৰ দক্ষিণপাটৰ বৰজহাত অৱস্থিত। নগাঁও নগৰৰ পৰা ৯ কিলোমিটাৰ পশ্চিমৰ বেবেজীয়া চাৰিআলিৰ পৰা তিনি কিলোমিটাৰ দূৰত কলঙৰ দক্ষিণ পাৰত বৰজহা সত্ৰ।

মাধৱদেৱৰ বাৰজন ধৰ্মাচাৰ্যৰ ভিতৰত কেশৱচৰণ আতা অন্যতম। লক্ষীমপুৰ জিলাৰ কাঠনিৰ ভাটৌকুছিত আতাৰ পিতৃ-মাতৃৰ বাসভূমি কাৰণে তেওঁ ভাটৌকুছীয়া নামেও জনাজাত। বিষ্ণু আতাৰ লগত কেশৱচৰণে বৰপেটাত মাধৱদেৱক লগ ধৰি ধৰ্মবস্তু গ্ৰহণ কৰি গুৰুজনাৰ লগত থাকে। মাধৱদেৱ বৈকুণ্ঠী হোৱাৰ পাছত কেশৱচৰণে উজাই গৈ নগাঁৱৰ বৰজহাত সত্ৰ-সভা পাতি অগণন লোকক শৰণ-ভজন দি ধৰ্ম প্ৰচাৰ কৰে।

ভাটৌকুছীয়া কেশৱআতাই ১৪ জন শূদিৰ ভকতক মহন্ত পাতে আৰু সেইসকলৰ প্ৰত্যেকে বেলেগ বেলেগ ঠাইত একোখনকৈ সত্ৰ পাতে। সত্ৰসমূহ হ'ল— শ্ৰীহাটী (জয়ৰাম), দীঘল্যাবাৰী (মনু), হাতীপাৰা (পৰীক্ষিত), বগুলাবাৰী (দয়াৰাম), ৰামভেটি (সতানন্দ), লাগখানা (ভূঞানন্দ), মালৈকুছি (জগজীউ), ৰহপৰা (গকুল চন্দ্ৰ), জঙ্গলপুৰ (মনাই), নকাৰী (দয়াশীল), মালচী (জগতানন্দ), ভামালকুছি (ভবানন্দ), ভোগপুৰ (দামোদৰ), দীঘলীকুছি (হৰিবল্লভ)।[১৫৪] গুৰু মাধৱদেৱৰ দৰে কেশৱচৰণো উদাসীন আছিল। সেইবাবে বৰজহা সত্ৰ উদাসীন অধিকাৰে চলাইছিল। বৰ্তমান গৃহস্থী সত্ৰাধিকাৰে এক পুৰুষ চলোৱাৰ পিছত সত্ৰখন প্ৰায় ধ্বংসস্তূপত পৰিণত হৈছে। বৰ্তমান সত্ৰৰ ঐতিহ্য-পৰম্পৰা নাই। মাধৱদেৱৰ স্বহস্তাক্ষৰৰ 'নামঘোষা' অতি ভক্তিৰে ৰাখি বছৰৰ প্ৰথম অৰ্থাৎ বহাগৰ ১ তাৰিখে ভক্ত ৰাইজৰ আগত উলিয়াই পাঠ কৰা পৰম্পৰা আছিল।[১৫৫] বৰ্ত্তমান সেই অমূল্য নামঘোষা শাস্ত্ৰ পাবলৈ নাই। সাঁচিপাত ৰখা দুই-চাৰিটা কাঠৰ বাকচ, এখন ঐতিহ্যপূৰ্ণ ভঙা সিংহাসন, বাসুদেৱ মূৰ্ত্তি, কিছুমান সৰু-ডাঙৰ কাঠৰ ভাস্কৰ্যখচিত সম্পদ উৱেঁ খোৱা অৱস্থাত জৰাজীৰ্ণ হৈ কেইবা পূৰা মাটিৰ প্ৰকাণ্ড গছ-গছনিৰ বাৰীৰ লগত সত্ৰ অধিকাৰৰ পৰিয়ালৰ বাস-ভৱনৰ



সোঁকাষে এখন চাৰিখুটাৰ টিনৰ চালিৰ তলত পৰি আছে।[১৫৬] ই এক ডাঙৰ জাতীয়, বিপৰ্যায়। ধ্বংসস্তূপত পৰিণত হৈ যোৱা সম্পদ তদাৰক কৰোঁতাৰ অভাৱ।

এক সময়ত বৰজহা অসমৰ এখনি সুপ্ৰসিদ্ধ সত্ৰ আছিল। নাম-প্ৰসঙ্গ, গীত-বাদ্য, নাট-ভাওনা, ভাস্কৰ্য্য-শিল্প, চিত্ৰ-বিচিত্ৰ সিংহাসন, সাঁচিপতীয়া পুথি, সুন্দৰ বাটচ'ৰাৰে প্ৰকাণ্ড নামঘৰ, আলহি-ঘৰ, ডবা, বৰকাঁহ আদিয়ে ভক্ত ৰাইজক আকৰ্ষণ কৰিছিল। বৈষ্ণৱ সত্ৰৰ প্ৰৱৰ্তক মহাপুৰুষ শঙ্কৰদেৱৰ পুণ্যক্ষেত্ৰ বৰদোৱালৈ অহা যাত্ৰীয়ে মাধৱদেৱ পুৰুষে ধৰ্মাচাৰ্য পতা কেশৱচৰণ প্ৰতিষ্ঠিত বৰজহা সত্ৰ দৰ্শন কৰি সেৱা-ভক্তি নিবেদন কৰি ধন্য হৈছিল বুলি প্ৰবাদ আছে। বৰ্তমানৰ ৯০/৯৫ বছৰীয়া বয়োবৃদ্ধ লোকে তেওঁলোকৰ যুৱকালত দেখা সত্ৰখনৰ ধৰ্ম-সংস্কৃতিৰ কথা আজিও স্মৰণ কৰি দুখ প্ৰকাশ কৰে।

***শ্ৰীহৰি আৰু লাইআটী সত্ৰ ঃ***

*খাটোৱাল মৌজাৰ চামগুৰি থানান্তৰ্গত পানীগাঁৱত অৱস্থিত। দুৰ্লভনাৰায়ণ ৰজাই কনৌজৰ পৰা অনা সাতঘৰ কায়স্থ আৰু সাতঘৰ ব্ৰাহ্মণৰ ভিতৰত ৰঘুপতিদেৱ অন্যতম। তেওঁৰে পঞ্চম পুৰুষত জন্মা শ্ৰীহৰি মাধৱদেৱে পতা বাৰজন ধমাচাৰ্যৰ এজন। শ্ৰীহৰিৰ জন্ম হয় উত্তৰ লক্ষীমপুৰৰ নাৰায়ণপুৰৰ লেতেকুপুখুৰীৰ পাৰত। হিতেশ্বৰ বৰবৰুৱাই তেওঁৰ জন্মস্থান উঃ লক্ষীমপুৰৰ বৰদলনী গ্ৰাম বুলিছে আৰু ইঁৰাই বা (মাধৱদেৱে দিয়া নাম হৰিদেৱ) হৰিদেৱ শৰ্মাই মাতৃহীন হৈ মুদৈৰ লগত ভটীয়াই গৈ বৰপেটাত মাধৱদেৱক গুৰু মানি শৰণ লৈ উজনিলৈ আহি লায়ত পথাৰৰ কাষত সত্ৰ পাতে আৰু সেই সত্ৰক লায়তীয়া সত্ৰ বোলে। লায়তীয়া সত্ৰৰ ধৰ্ম কৰ্ম নিখুঁত মহাপুৰুষীয়া।[১৫৭] সেই লায়তীয়া সত্ৰই নগাঁৱৰ লাইআটী সত্ৰ। তেওঁ বুদ্ধিনাৰায়ণ স্বৰ্গদেৱ প্ৰদত্ত নাৰায়ণপুৰৰ নিষ্কৰ ভূমিত লাইআটী সত্ৰ পাতি পিছত মাধৱদেৱৰ আজ্ঞা অনুসৰি মাজুলীলৈ গৈ সত্ৰ-সভা পাতি ধৰ্ম প্ৰচাৰ কৰে।[১৫৮] শ্ৰীহৰি আছিল মাধৱদেৱ গুৰুজনাৰ দৰে উদাসীন আৰু সেই কাৰণে তেওঁৰ ভাতৃ নৰহৰিৰ পুত্ৰ ৰামদেৱক পোষ্যপুত্ৰ গ্ৰহণ কৰি সত্ৰৰ অধিকাৰৰ ভাৰ অৰ্পণ কৰি বৈকুণ্ঠী হয়। ৰামদেৱ অধিকাৰ হৈ পিতৃ আজ্ঞামতে গৃহস্থী হয় আৰু পুত্ৰ পৰীক্ষিতক সত্ৰাচাৰ্যৰ নিৰ্মালি দি পৰলোকপ্ৰাপ্ত হয়।*

*সত্ৰাধিকাৰ পৰীক্ষিতে তিনি গৰাকী বিয়া কৰাইছিল আৰু তিনিও গৰাকীৰ তিনি পুত্ৰ গৰ্ভজাত হয়। তিনি পুত্ৰৰ মনোমালিন্য নঘটিবলৈ মূল লাইআটী সত্ৰ তিনি পুত্ৰক তিনিভাগ কৰি দিব লগীয়া হয়। ইতিমধ্যে মানৰ বৰ্বৰ আক্ৰমণ-অত্যাচাৰত অসমৰ লোকৰ থানথিত নোহোৱা হোৱাত যথাসৰ্বস্ব ত্যাগ কৰি নিষ্কৰভূমিৰ পৰা বঞ্চিত হৈ মাজুলীৰ পৰা ভটীয়াই গৈ নগাঁৱৰ পুৰণিগুদামৰ*

*ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা সোমাই কলং পাৰ হৈ উত্তৰপাৰৰ পানীগাঁৱত বসবাস কৰিবলৈ লয়। পৰীক্ষিতেও তিনি পুত্ৰক তিনিভাগত সত্ৰৰ অধিকাৰৰ নিৰ্মালি দিয়ে। সত্ৰখন বৰ্ত্তমান পুৰুষ আৰু ব্ৰহ্ম সংহতি মতে চলে।*[১৫৯]

*পৰীক্ষিতৰ তিনি ভাৰ্যাৰ বৰ আইৰ পুত্ৰ ৰঘুনন্দন। কিন্তু তেওঁ বয়সত আন দুগৰাকী আইৰ পুত্ৰতকৈ সৰু। সেইকালৰ আহোমৰ ৰীতিমতে বৰগৰাকী আইৰ পুত্ৰ কনিষ্ঠ হ'লেও অধিকাৰৰ দায়িত্ব পায়। আনহাতে হিন্দু ধৰ্মৰ নীতিমতে সৰু গৰাকী আইৰ পুত্ৰ বলোৰাম বয়সত বৰ আইৰ পুত্ৰ ৰঘুনন্দনতকৈ জ্যেষ্ঠ কাৰণে অধিকাৰ পদৰ উত্তৰাধিকাৰী। সেইকাৰণে পৰীক্ষিতে সুচাৰুৰূপে ভৱিষ্যতে সত্ৰ চলি থাকিবলৈ তিনিপুত্ৰক তিনিভাগত ভাগ কৰি সত্ৰৰ দায়িত্ব দিয়ে।*[১৬০]

### লাইআটী বৰফাল ঃ

খাটোৱাল মৌজাৰ তেলিয়াগাঁৱত অৱস্থিত।

পৰীক্ষিতৰ তিনি গৰাকী ভাৰ্যাৰ বয়োজ্যেষ্ঠ বলোৰাম। তেওঁ বৰআই আৰু মাজু আইৰ পুত্ৰদ্বয়তকৈ জ্যেষ্ঠ। সত্ৰাধিকাৰ জ্যেষ্ঠানুক্ৰমে পতাৰ নিয়ম। সেইকাৰণে পিতৃ পৰীক্ষিতে লাইআটী বৰফালৰ অধিকাৰ পদত জ্যেষ্ঠজনক থাপিলে। স্বৰ্গীয় কুশকান্তৰ পিছত সত্ৰ চলাওঁতাৰ অভাৱ ঘটিছে। সত্ৰৰ ঐতিহ্য নিষ্প্ৰভ।

### লাইআটী মাজুফাল ঃ

পুৰণিগুদামৰ পৰা কলংপাৰ হৈ পানীগাঁৱত অৱস্থিত।

পৰীক্ষিতৰ মাজুগৰাকী আইৰ ভাৰ্যাৰ পুত্ৰ বৰআইৰ পুত্ৰ ৰঘুনন্দতকৈ জ্যেষ্ঠ। সেইসূত্ৰে মাজু আইৰ পুত্ৰ মাজু বা মধ্যম পুত্ৰ। পৰীক্ষিতে মাজুগৰাকী ভাৰ্যাৰ পুত্ৰক লাইআটী মাজুভাগৰ দায়িত্বত বহুৱালে। অসমৰ সাহিত্য-সমাজ-সংস্কৃতিৰ সেৱাৰ স্বনামধন্য ৰুদ্ৰকান্ত গোস্বামী এই সত্ৰৰ অধিকাৰ আছিল। তেওঁৰ পিছত কৃষ্ণকান্তদেৱ অধিকাৰ হৈ পৰলোক হোৱাৰ পিছত সত্ৰৰ অধিকাৰ কোনো নাই।[১৬১] তেওঁৰ বংশৰ লোকে পুৰণিগুদামৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত ঘৰ-দুৱাৰ কৰি চাকৰি আৰু ব্যৱসায় কৰি আছে।

### লাইআটী সৰুফাল ঃ

পুৰণিগুদামৰ লাইআটী মাজুফালৰ পৰা এক ফাৰ্লঙৰ ভিতৰত অৱস্থিত।

পৰীক্ষিতৰ তিনি ভাৰ্যাৰ বয়োকনিষ্ঠ পুত্ৰ ৰঘুনন্দনে সৰু ফালৰ দায়িত্ব পায়। পৰৱৰ্তী কালত তেওঁলোকৰ বংশৰ ৰাইদঙ্গিয়াত থকা লীলাকান্ত গোস্বামীক আনি ৰুদ্ৰকান্ত গোস্বামীয়ে লাইআটী সৰুফাল সত্ৰৰ অধিকাৰ পাতে।[১৬২]



### ওপৰ ডুমডুমীয়া ঃ

ধিং নগৰৰ পূবে পবিত্ৰ বৰদোৱাৰ সত্ৰৰ পৰা ৫ কিলোমিটাৰ উত্তৰত ওপৰ ডুমডুমীয়া সত্ৰ। ধিঙৰ উজনি বা পূবত থকা বাবে ওপৰ ডুমডুমীয়া বুলি খ্যাত।

স্বৰ্গদেউ শিৱসিংহৰ দিনত কেইজনমান ভকত-বৈষ্ণৱে বৰপেটা সত্ৰৰ পৰা এগছি বন্তি নাম-কীৰ্ত্তনৰ ধ্বনিৰে লুইতেৰে উজাই আনিছিল আৰু স্থানীয় বাসিন্দাসকলে ভক্ত-বৈষ্ণৱক আদৰি তাল-খোল-ডবা-কাঁহ-শঙ্খ বজাই ডুডুম-ডুডুম-ডাম-ডাম শব্দেৰে আকাশ-বতাহ নিনাদিত কৰে। আৰু তাতে ডুমডুম শব্দেৰে গোৱা-বজোৱা নামৰ ধ্বনি অৰ্থাৎ নামধৰ্মৰ স্থায়ীৰূপ দিবলৈ নামঘৰ-মণিকূট সাজি সত্ৰ এভাগ প্ৰতিষ্ঠা কৰিলে আৰু সেয়াই নাম পালে ডুমডুমীয়া সত্ৰ। শিৱসিংহ ৰজাই সত্ৰ আৰু ভক্তক নিষ্কৰ ভূমি দান কৰা তাম্ৰপত্ৰ হেৰাই যোৱাত শ্ৰীশ্ৰীবংশীবাদন আৰু শ্ৰীশ্ৰীবংশীগোপাল মূৰ্ত্তিৰ পূজা আৰু নাম-কীৰ্ত্তন কৰাৰ কাৰণে স্বৰ্গদেউ গৌৰীনাথ সিংহই ২৫ জনমান ভকতৰ নামত ১৭০৬ শকৰ ৭ বহাগত নিষ্কৰ ভূমি বৃত্তিৰ আজ্ঞা দিয়ে বুলি জনা যায়। সেই কালৰ বিষয়া হৰনাথ ফুকনে পূৰ্বৰ ফলিৰ পাঠ উদ্ধাৰৰ বিসঙ্গতি দেখি ভূমিখণ্ড ধৰ্মোত্তৰ কৰি দিয়ে।[১৬৩] বৰ্ত্তমান ধৰ্মোত্তৰ ভূমি বেদখলকাৰীৰ কবলত হেৰাই যোৱাৰ অৱস্থা।

সত্ৰত তিথি-পৰ্ব, জন্মাষ্টমী, নাম-প্ৰসঙ্গ যথাযথ চলি আছে।

### নামডুমডুমীয়া ঃ

বৰ্ত্তমান ধিং নগৰৰ অন্তৰ্গত নামডুমডুমীয়া ভকতগাঁৱত নামডুমডুমীয়া সত্ৰ অৱস্থিত। এই সত্ৰ ধিঙৰ দক্ষিণফালে।

নামডুমডুমীয়া এখন বৃহৎ গাঁও, পৰিয়ালৰ সংখ্যা সহস্ৰাধিক। প্ৰায় লোকেই নাথ সম্প্ৰদায়ৰ, অলপ লোকহে আন সম্প্ৰদায়ৰ আছে। অতীতৰ সত্ৰাধিকাৰ গুৰুসকলে নাৱেৰে ব্ৰহ্মপুত্ৰেৰে মাজুলী-বৰপেটা আদি ঠাই ঘূৰি ফুৰোঁতে ব্ৰহ্মপুত্ৰৰ বালিত বাহৰ পাতি শঙ্কৰ-মাধৱৰ নামধৰ্ম প্ৰচাৰ কৰিছিল আৰু শিষ্যক শৰণ-ভজন দিছিল। ভক্তসকল মাজুলীৰ কমলাবাৰী, বেলগুৰি সত্ৰৰ শিষ্য; গড়মূৰৰ শিষ্যও আছে। গাঁওখনত নামৰ প্ৰাধান্য অৰ্থাৎ নামে-ডবাই ডুমডুমাই থাকে কাৰণে নামডুমডুমীয়া হোৱা বুলি কোৱা হয়। বুঢ়া লুইতৰ বালিত বাহৰ পাতি থকা গুৰুসকলক কাকূতি কৰি গাঁওখনৰ লগত সত্ৰ শব্দ যোগ দি নামডুমডুমীয়া সত্ৰ কৰা হয়।[১৬৪]

উল্লেখ্য যে নামডুমডুমীয়া সত্ৰৰ নামঘৰত মথুৰাদাস বুঢ়া আতাৰ তিথিত নাম-কীৰ্ত্তন আৰু ভাওনা অনুষ্ঠিত কৰে। অবিভক্ত নগাঁও জিলাৰ মাত্ৰ এইখন গাঁৱৰ নামঘৰতহে মথুৰাদাস বুঢ়া আতাৰ তিথিভাগ পালন কৰাৰ কথা জনা

যায়। সম্ভৱতঃ বৰপেটা, কমলাবাৰী, বেলগুৰিৰ গুৰু-ভকতৰ লগত থকা ওতঃপ্ৰোত সম্বন্ধৰ কাৰণে বুঢ়া আতাৰ তিথি-উৎসৱ পতাৰ ব্যৱস্থা হৈ আছে। বৰ্ত্তমান মহন্ত, মেধি, মজুমদাৰ, ভৰাঁলী, দেউৰী, পালধৰীয়া আদি বিষয়-বাবেৰে সত্ৰ পৰিচালনা সমিতিয়ে সত্ৰ চলাই আছে। এই সত্ৰৰ উল্লেখযোগ্য আপুৰুগীয়া সম্পদসমূহৰ ভিতৰত হাজাৰী বন্তি, শ্ৰীকৃষ্ণৰ বংশীবাদন সোণৰ মূৰ্ত্তি, বৰশৰাই আদি উল্লেখযোগ্য। জয়দেৱ মহন্তৰ তৎপৰতাৰে সত্ৰৰ আৰম্ভণ হয় বুলি জনা যায়।[১৬৫]

## ২.০১ নগাঁও জিলাৰ কলিয়াবৰ মহকুমাৰ সত্ৰ ঃ

১৯৮৯ খ্ৰীষ্টাব্দৰ অক্টোবৰ মাহত নগাঁও জিলাৰ পূব অঞ্চলত কলিয়াবৰ মহকুমা গঠন কৰা হয়। ইয়াৰ পূৰ্বে কলিয়াবৰ নগাঁও জিলাৰ নগাঁও মহকুমাৰ অন্তৰ্ভুক্ত আছিল। কলিয়াবৰক লৈ নগাঁও জিলাৰ মহকুমা বৰ্তমান তিনিটা— নগাঁও, কলিয়াবৰ আৰু ১৯৮৩ খ্ৰীঃৰ ১৫ আগষ্টত স্থাপিত হোজাই। ব্ৰহ্মপুত্ৰ আৰু কলং সুঁতিৰ প্ৰভাৱত সেমেকা মৃদু জলবায়ুপুষ্ট কলিয়াবৰ মহকুমাৰ ভূমিখণ্ড ৯৭.১১৮ হেক্টৰ মাটিকালিৰ ৯৩°-৯৪° পূব দ্ৰাঘিমা আৰু ২৬°-২৭° উত্তৰ অক্ষাংশৰ মাজত অৱস্থিত। মহকুমাটোৰ উত্তৰে ব্ৰহ্মপুত্ৰ, দক্ষিণে কাৰ্বি আংলং জিলা, পূবে গোলাঘাট জিলা আৰু পশ্চিমে নগাঁও মহকুমা। নানা জনগোষ্ঠীৰ বাসভূমি কলিয়াবৰ ধনে-ধান্যে, শস্যে-মৎস্যে অনুপম ধৰ্ম-সংস্কৃতিৰে ঐতিহ্যপূৰ্ণ। ইয়াত সকলো জনগোষ্ঠীৰ ধৰ্মীয় অনুষ্ঠান আছে।

কলিয়াবৰ ছত্ৰিশ এখন অৰ্থাৎ ২৫ খন সত্ৰৰ পুণ্য ঠাই বুলি কোৱা হয় যদিও উত্তৰ বৈষ্ণৱ যুগৰ পৰা কুৰি শতিকালৈ স্থাপিত সত্ৰৰ সংখ্যা প্ৰায় আঠত্ৰিশখন। একে পৰিয়ালৰ ককাই-ভায়ে বেলেগাই সত্ৰ স্থাপন কৰা বাবে সত্ৰ-সংখ্যা বৃদ্ধি পাইছে। অৱশ্যে বৰ্তমান ইয়াৰে কেইবাখনো সত্ৰ বিলুপ্ত। কলিয়াবৰ মহকুমাৰ অন্তৰ্গত পুৰুষ, ব্ৰহ্ম আৰু কালসংহতিৰ সত্ৰসমূহৰ ঐতিহ্যৰ আভাস দাঙি ধৰাৰ প্ৰয়াস কৰা হ'ল।

## ক) পুৰুষ সংহতি

॥সতানন্দ বৰভকত আৰু তেওঁৰ পুত্ৰ-পৌত্ৰাদিৰ পৰা বঢ়া সত্ৰ॥

অসমৰ সত্ৰৰ ইতিহাসত সতানন্দ বৰভকত আৰু তেওঁৰ বংশধৰসকলৰ অৱদান উল্লেখযোগ্য। পুত্ৰ-নাতি-পৰিনাতি-জীয়ৰী আদিৰ পৰা বঢ়া সত্ৰ মধ্য-অসম আৰু উজনি অসমত উত্তৰ-দক্ষিণ পাৰে তিনিকুৰিৰ কম নহয়। অহৰ্নিশে দেৱী পূজা-পাতলত ব্যস্ত থাকি আঙুলি পানীজোলা বান্ধি ঘাঁ হৈ পেনপেনীয়া হৈ পৰা জপৰা কাথ সতানন্দ তীৰ্থ কৰি ফুৰোঁতে শঙ্কৰদেৱক লগ পাই তেওঁৰ ধৰ্মৰ প্ৰতি আকৃষ্ট হৈ শৰণ লয় আৰু বৰভকত উপাধি লাভ কৰে।[১৬৬] হিতেশ্বৰ বৰবৰুৱাই



জপৰা কাথ পেনপেনীয়াক পুৰুষোত্তম ঠাকুৰে শৰণ দি সতানন্দ নাম দিয়া বুলি উল্লেখ কৰিছে।[১৬৭]

বৰদোৱা গুৰুচৰিত মতে- দেৱী-ভক্ত সতানন্দই স্বপ্নাদেশ পাই গাংমৌত শঙ্কৰদেৱক সাক্ষাৎ কৰে। শঙ্কৰদেৱে তেওঁক 'বৰভকত অহা' বুলি সম্বোধন কৰি 'গুণমালা' আৰু লাৰুৱা গোপাল অৰ্পণ কৰে। সতানন্দই পুত্ৰ চাৰিকৃষ্ণৰ কথা কোৱাত শঙ্কৰদেৱে সতানন্দক বৰভকত বুলি কৰা সম্বোধন উত্তমৰূপে শোভা পোৱা বুলি কয়।[১৬৮]

সতানন্দ বৰভকতৰ চাৰিপুত্ৰ জয়কৃষ্ণ, মহাকৃষ্ণ, ব্ৰাহিকৃষ্ণ, শ্ৰীকৃষ্ণ— চাৰিকৃষ্ণ নামে জনাজাত। তেওঁলোকৰ মূলথান শোণিতপুৰ জিলাৰ বিশ্বনাথৰ ওচৰত পতিগগুত। সতানন্দৰ পিতৃ সৰ্বানন্দ প্ৰতাপপুৰীয়া ৰজাৰ বিখ্যাত কাকতি আছিল।[১৬৯] এতিয়াও পদ্মপাণি আতাই প্ৰতিষ্ঠা কৰা থান কাকৰিকটাৰ ভকত কেইগৰাকীমানে চলাই আছে। কনিষ্ঠ তথা চতুৰ্থ শ্ৰীকৃষ্ণৰ জ্যেষ্ঠ পুত্ৰ বাপুৰামৰ পৰা 'বৰএলেঙি' আৰু ভায়েক শঙ্কৰগতিৰ পৰা বঢ়া সত্ৰ 'সৰু এলেঙি' নামে খ্যাত হয়।[১৭০] নগাঁও জিলাৰ কলিয়াবৰ আৰু নগাঁৱৰ পুৰণিগুদাম, ভেৰভেৰী, বেবেজীয়া, জাজৰি আদি বিভিন্ন ঠাইত সত্ৰৰ বিস্তৃতি ঘটে।

॥জয়কৃষ্ণৰ ঠালৰ পৰা বঢ়া সত্ৰ॥

### পুৰণিগড় (পুৰণিঘৰ)ঃ

কলিয়াবৰৰ পূবথৰীয়া মৌজাৰ পুৰণিঘৰ সত্ৰত অৱস্থিত।

সতানন্দ বৰভকতৰ চাৰিপুত্ৰ জয়কৃষ্ণ, মহাকৃষ্ণ, ব্ৰাহিকৃষ্ণ আৰু শ্ৰীকৃষ্ণ (বাপুৰাম)ই পিতৃস্থান বিশ্বনাথৰ সাকোমথাৰ পতিগগুত পতা থান এৰি বুঢ়ীগঙাৰ পূবলৈ গৈ বাংশবাৰীত সত্ৰ পাতি থাকে। কিন্তু ডফলাৰ উপদ্ৰৱত তাত শান্তিৰে থাকিব নোৱাৰি চাৰিকৃষ্ণই দক্ষিণলৈ গৈ কলিয়াবৰত ওচৰা-ওচৰিকৈ বসবাস কৰে। জ্যেষ্ঠ জয়কৃষ্ণই দলনিৰ এটা দিশত চাৰিখুটা মাৰি থাকি কালক্ৰমত সুবিধাজনক স্থানত গড় মাৰি ধৰ্ম প্ৰচাৰৰ কাৰণে সত্ৰ এখন স্থাপন কৰিলে। সেয়াই হ'ল পুৰণিগড় সত্ৰ।[১৭১] আজিকালি পুৰণিঘৰ সত্ৰ বুলি কয়। জয়কৃষ্ণৰ তিনি পুত্ৰ পূৰ্ণানন্দ, বলাই আৰু পদ্মদেৱ তিনিওজনে বেলেগ বেলেগ ঠাইত সত্ৰ প্ৰতিষ্ঠা কৰে। পুৰণিঘৰ সত্ৰৰ দীননাথ নিপুণ ভাস্কৰ্য্য শিল্পী আৰু নাট্যকাৰ আছিল। নিজ হাতে সাতখলপীয়া সিংহাসন তৈয়াৰ কৰিছিল।

সত্ৰৰ মূৰ্ত্তি কলীয়া গোঁসাই আৰু লাৰুৱা গোপালৰ। গুৰু পদশিলা সেৱাৰ বস্তু। সত্ৰৰ গুৰু পৰম্পৰা ঃ- সতানন্দ (আদি)—জয়কৃষ্ণ—পূৰ্ণানন্দ—প্ৰেমনাৰায়ণ—কমললোচন—গোপীনাথ—তুৰানাথ—বিশ্বনাথ—দেৱনাথ—গঙ্গানাথ। তাৰ পিছত নিৰ্মালি নোলোৱাকৈ দীননাথ—মুহিকান্ত—কাশীনাথ—নৰোৰাম—ভবেন

চন্দ্ৰই সত্ৰ পৰিচালনা কৰে। বৰ্তমান পৰিচালক শ্ৰীহৰেন চন্দ্ৰ মহন্ত।

### মাধতাৰি (মাধৱনাৰায়ণ) ঃ

পূৱথৰীয়া মৌজাৰ মাধতাৰিত অৱস্থিত।

জয়কৃষ্ণৰ প্ৰথম পুত্ৰ পুণাই (পূৰ্ণানন্দ) আতাৰ প্ৰথমা ভাৰ্যাৰ একমাত্ৰ পুত্ৰ মাধৱনাৰায়ণ। তেওঁৰ মাহীমাকৰ পঞ্চপুত্ৰ। মাধৱনাৰায়ণ বয়োজ্যেষ্ঠ। তেওঁ মাধআতা নামে জনাজাত। মাহীমাকৰ পুত্ৰ পঞ্চ ককাই-ভায়েকক মাধৱ আতাই মাটি-সম্পত্তি এৰি দি অলপ উজাই গৈ বসবাস কৰি এখনি সত্ৰ স্থাপন কৰিলে। মাধৱনাৰায়ণ প্ৰতিষ্ঠিত কাৰণে সত্ৰৰ নাম মাধৱনাৰায়ণ বা মাধতাৰি হ'ল। বহুতে মাধআতা সত্ৰও বোলে।

নাম-প্ৰসঙ্গ, নাট-ভাওনা, নৃত্য-গীতৰ চৰ্চাকেন্দ্ৰ সত্ৰখনৰ সাঁচিপতীয়া ছবিসহ 'ৰাঙলী-কীৰ্ত্তন' আপুৰুগীয়া জাতীয় সম্পদ। ১৯৩১ খ্ৰীঃত অগ্নি সংযোগ ঘটাৰ ফলত সত্ৰ-গৃহ আৰু অনেক মূল্যবান সম্পদ ভস্মীভূত হয়।[১৭২] এয়া অসমৰ ধৰ্ম-সংস্কৃতিৰ অপূৰণীয় ক্ষতি। সত্ৰত দুজনা গুৰু, মাধআতাৰ তিথি, ভাদ মাহৰ নাম, জন্মাষ্টমী, দোকাযাত্ৰা, ৰাস, নাট-ভাওনা, পালনাম, আইসকলৰ নাম আদি পৰম্পৰাগতভাৱে পালন কৰি আছে।

শ্ৰীসদানন্দ মহন্তৰ পৰা পোৱা তথ্য মতে এই সত্ৰৰ গুৰু-পৰম্পৰাঃ মাধৱনাৰায়ণ—সুন্দৰকান্ত—সন্তৰাম—জনাৰ্দন—জগতৰাম—কমলাকান্ত—বগাই আতা—ঠানুকান্ত—ৰামনাথ—ফণীধৰ-ভেকেন্দ্ৰ নাথ—ঘনকান্ত—তনুকান্ত—কুশচন্দ্ৰ—ৰত্নকান্ত—যোগেশ্বৰ—মহেন্দ্ৰ—তিলকচন্দ্ৰ আৰু বৰ্তমান শ্ৰীধৰ্মকান্ত মহন্ত।

### ৰূপনাৰায়ণ পোৰাভেটি ঃ

পূৱথৰীয়া মৌজাৰ মাধতাৰি কিচামত অৱস্থিত।

সতানন্দ বৰভকতৰ বৰপুত্ৰ জয়কৃষ্ণৰ পুত্ৰ পুণাই (পূৰ্ণানন্দ) আতাৰ দ্বিতীয় ভাৰ্যাৰ পঞ্চমপুত্ৰৰ প্ৰথম ৰূপনাৰায়ণ। তেওঁৰ আন ভ্ৰাতৃসকল হ'ল-ত্ৰাহিনাৰায়ণ, প্ৰেমনাৰায়ণ, জয়নাৰায়ণ আৰু গোপালনাৰায়ণ। ৰূপনাৰায়ণে মাধআতা সত্ৰৰ ওচৰতে পূবফালে সত্ৰ এখন স্থাপন কৰে। ৰূপনাৰায়ণৰ গুণত মুগ্ধ হৈ ৪৯৪ বিঘা ১০ লোছা মাটি বৈকুণ্ঠমূৰ্ত্তিৰ নামত আৰু সত্ৰৰ সেৱাৰ বাবে ২০ ঘৰ পাইক আহোম ৰজা লক্ষ্মীনাথ সিংহই (১৭৬৯-১৭৮০ খ্ৰীঃ) দান কৰে।[১৭৩] চক্ৰপাণিৰ পুত্ৰ বিকাৰামৰ সত্ৰাধিকাৰ কালত অত্যাচাৰী মানে সত্ৰগৃহ পুৰি ছাৰখাৰ কৰে আৰু সেইকাৰণে তেতিয়াৰ পৰা সত্ৰৰ নাম ৰূপনাৰায়ণ পোৰাভেটি হয়।[১৭৪] পৰৱৰ্ত্তী কালত নগাঁৱৰ কেইবাখনো ঠাইত ৰূপনাৰায়ণ সত্ৰৰ শাখা বাঢ়ে। এই ক্ষেত্ৰত মোৱামৰা বিলৰ পাৰত ৰূপনাৰায়ণৰ নাতি জগদেউ আতা প্ৰতিষ্ঠিত ৰূপনাৰায়ণ বেবেজীয়া (এলেঙী), জগদেউ আতাৰ নাতি শিৱনাথৰ ৰূপনাৰায়ণ জাজৰি আৰু ৰঢ়মপুৰৰ ভেৰভেৰীৰ ৰূপনাৰায়ণ সত্ৰ উল্লেখযোগ্য।



সত্ৰৰ থাপনাত ভাগৱত আৰু গুণমালা পুথি। সত্ৰৰ বিগ্ৰহ চতুৰ্ভুজ, বিষ্ণু, বাসুদেৱ আৰু অনন্তমূৰ্ত্তি। সত্ৰৰ সেৱাৰ বস্তু লাড়ুৱা গোপাল আৰু বংশীবাদন। দুজনা গুৰুৰ তিথি, জন্মাষ্টমী, পাঁচতি, দৌলোৎসৱ, ভাদমাহৰ নাম, আইসকলৰ নাম-প্ৰসঙ্গ, ভাওনা আদি যথানিয়মে চলি আছে। এই সত্ৰৰ শ্ৰীচন্দ্ৰকান্ত মহন্ত সত্ৰীয়া সংস্কৃতিৰ নিপুণ শিল্পী। সত্ৰীয়া নৃত্য-গীত-ভাওনাৰ যশস্বী শিল্পী শ্ৰীগোপাল মহন্ত ৰাজ্য চৰকাৰৰ শিল্পী-পেন্সনাৰ।

নগাঁও, শিৱসাগৰ, যোৰহাট, লক্ষীমপুৰ, গোৱালপাৰা জিলাত কলিতা, কোচ, নাথ, কৈৱৰ্ত্ত, কছাৰী, গাৰো আদি জাতি-জনজাতিৰ শিষ্য আছে।

সত্ৰৰ গুৰু-পৰম্পৰা বা অধিকাৰৰ ক্ৰমঃ প্ৰতিষ্ঠাতা ৰূপনাৰায়ণ—পুনাই-—পদ্মনাৰায়ণ—চক্ৰপাণি—বিকাৰাম—কৃষ্ণকান্ত—গণেশচন্দ্ৰ—তিলকচন্দ্ৰ আৰু বৰ্তমান শ্ৰীধনেশ্বৰ মহন্ত আৰু ডেকা অধিকাৰ শ্ৰীচিদানন্দ মহন্ত।

### তেতেলিগুৰি ঃ

জয়কৃষ্ণৰ পুত্ৰ পুনাই আতাৰ দ্বিতীয়া গৰাকী আইৰ আন এজন পুত্ৰ ত্ৰাহিনাৰায়ণ।

মূলসত্ৰৰ দায়িত্ব কনিষ্ঠ ভাতৃ প্ৰেমনাৰায়ণক অৰ্পণ কৰাৰ পিছত ত্ৰাহিনাৰায়ণে মূলসত্ৰৰ পৰা গৈ তেতেলিগুৰি নামৰ ঠাইত এখনি সত্ৰ পাতে। তেতেলিগুৰিৰ অৱস্থান জনা নাযায়। পিছত তেতেলিগুৰি সত্ৰ লুপ্ত হয়।

*॥পোৰাভেটি সত্ৰৰ পৰা বঢ়া॥*

### ৰূপনাৰায়ণ খামুচীয়া ঃ

বৰভগীয়া মৌজাৰ ওপৰ বৰভগীয়া ৰাজহগাঁৱৰ উলুৱনীত অৱস্থিত।

ৰূপনাৰায়ণৰ ২য় পুত্ৰ পদ্মনাৰায়ণ। তেওঁৰ চাৰিপুত্ৰ গঙ্গাধৰ, কমলাকান্ত, চক্ৰপাণি আৰু ৰামচন্দ্ৰ। কনিষ্ঠপুত্ৰ ৰামচন্দ্ৰদেৱে মূল পোৰাভেটি সত্ৰৰ পৰা ভটীয়াই গৈ ৫ কি.মি. দূৰত বৰভগীয়া মৌজাৰ উলুৱনিত খহনীয়া বিলৰ পাৰত এখনি সত্ৰ স্থাপন কৰে। সুন্দৰ লাহি চেহেৰাৰ ৰামচন্দ্ৰৰ কঁকাল খামুচীয়া কাৰণে তেওঁৰ সত্ৰক খামুচীয়া সত্ৰ বোলা হয়। মূল পোৰাভেটি সত্ৰৰ নামত পাঁচশ বিঘা আহোম ৰজাৰ নিষ্পিখেৰাজ আৰু তামৰ ফলি আছিল।[১৭৫] এসময়ত সত্ৰ নাম-প্ৰসঙ্গ, নৃত্য-গীত-বাদ্য ভাওনাত ৰজনজনাই আছিল। বৰ্ত্তমান আহল-বহল পকী নামঘৰত চৈধ্য প্ৰসঙ্গ, গুৰু-তিথি, জন্মাষ্টমী, ফাকুৱা আদি পালন কৰি আছে। সত্ৰত পূৰ্বৰ দৰে শিচ আৰু নৃত্য-ভাওনাদিৰ পয়োভৰ নাই।

কিংবদন্তি মতে লৱকান্ত অধিকাৰৰ দিনত গুৰু তিথিত কালিদমন ভাওনাত ভয়ঙ্কৰ কালিৰাজৰ মূৰ্ত্তিৰ ওপৰত বাঁহৰ কাঠিৰে সজা সৰ্পফণাৰ ওপৰত উঠি শ্ৰীকৃষ্ণই বাঁহী বজাই নৃত্য কৰি থাকোঁতে কালিসৰ্প চৈতন্য হৈ প্ৰচণ্ড ফোঁচকোঁচনিৰে থহনীয়া বিলত পৰে। লগতে গায়ন-বায়ন, ভাৱৰীয়া, বাদ্য যন্ত্ৰাদি সকলো গভীৰ পানীত ডুব যোৱাত দৰ্শক, ভকত বান্ধৱ প্ৰাণটাকি দৌৰি পলাইছিল। সেই অৱধি সেই ঠাইত বন্তি শৰাই দিয়াৰ প্ৰথা বহুত দিন চলিল। তেনে অদ্ভুত আশ্চৰ্য্য কাণ্ড ঘটাৰ পিছত সত্ৰভাগ থহনীয়া বিলৰ পাৰৰ পৰা বৰ্ত্তমানৰ ঠাইলৈ অনা হয়।

সত্ৰৰ মণিকূটত বিষ্ণুমূৰ্ত্তি প্ৰতিষ্ঠা কৰা শিলাখণ্ড সম্পৰ্কে থকা প্ৰবাদ মতে সত্ৰাধিকাৰে সপোনত দেখা পোটা কলঙৰ ডুবিত থকা পদুম ফুল কটা শিলাখণ্ড উঠাই আনি তাৰ ওপৰত বিষ্ণুমূৰ্তি-জনা প্ৰতিষ্ঠা কৰা হৈছিল। আজিৰ লোকে এই কথা বিশ্বাস নকৰিব পাৰে। কিন্তু মানুহৰ দৰ্শনত ঢুকি নোপোৱা বহু ঘটনাৰ ভিতৰত ই এটা সত্য ঘটনা বুলি সত্ৰৰ অধিকাৰ শ্ৰীদেৱকান্ত মহন্ত আৰু শিচ-ভকতে দৃঢ় বিশ্বাস কৰে।

নগাঁও জিলাৰ উপৰিও শিৱসাগৰ, গোলাঘাট, যোৰহাট, লক্ষীমপুৰ, শোণিতপুৰ, গুৱাহাটী-পাণ্ডু আদিত শিষ্য আছে। কছাৰী, কাৰ্বি, তিৱা জনজাতি, কৈৱৰ্ত অনুসূচিত, পিচপৰা আৰু সাধাৰণ শ্ৰেণীৰ প্ৰায় দুহেজাৰ শিচ-বৰ্তমান।

সত্ৰাত্ৰিকাৰ ক্ৰমঃ সত্ৰ প্ৰতিষ্ঠাপক ৰামচন্দ্ৰ—কৃষ্ণকান্ত—লয়োকান্ত—লৱকান্ত—তিলকচন্দ্ৰ—ভগীৰথ—দত্তদেৱ আৰু বৰ্তমান অধিকাৰ শ্ৰীদেৱকান্ত মহন্ত আৰু ডেকা অধিকাৰ শ্ৰীহৰেন মহন্ত।

শঙ্কৰদেৱ-মাধৱদেৱৰ তিথি, জন্মাষ্টমী, ভোজন বিহাৰ, পাচতি, দৌল, ৰাস, আইসকলৰ প্ৰসঙ্গ, পালনাম, ভাওনা আদি চলি আছে।

### ৰূপনাৰায়ণ গোনামৰা ঃ

পূবথৰীয়া মৌজাৰ জখলাবন্ধা ডাকঘৰৰ অন্তৰ্গত মাধতৰি গাঁৱত অৱস্থিত। ৰূপনাৰায়ণৰ নাতি চক্ৰপাণি। তেওঁৰ পুত্ৰ বিকাৰাম। মানৰ আক্ৰমণত অনাই-বনাই ঘূৰি চাপৰমুখ (তেলাহি) অঞ্চলৰ এটা বিলৰ পাৰত থাকি সত্ৰ স্থাপন কৰে। বিকাৰামে তেলাহি অঞ্চলত থাকোঁতে এটা গোনাম'হে আক্ৰমণ কৰাত ম'হটোৰ শিঙত ধৰি বিলৰ পানীত হেঁচা মাৰি ধৰাত ম'হটো মৰে। সেয়ে বিলৰ নাম গোনামৰা আৰু সত্ৰৰ নাম গোনা ম'হমৰা বা গোনামৰা হয়। মানৰ আক্ৰমণৰ সন্ত্ৰাস সমাপ্ত হোৱাত বিকাৰামে পুনৰ কলিয়াবৰৰ মূল সত্ৰলৈ ঘূৰি যায়। বিকাৰামৰ পৰলোকৰ পিছত চাৰিপুত্ৰৰ জ্যেষ্ঠ শ্ৰীৰামে উজাই গৈ মাজুলীৰ শালম'ৰাত ৰূপনাৰায়ণ গোনামৰা সত্ৰ স্থাপন কৰে। কিছু বছৰ পিছত কলিয়াবৰলৈ ঘূৰি আহি মূল পোৰাভেটিৰ পৰা দুজনা গুৰুৰ পদশিলা আৰু বংশীবাদন গোপাল



মূৰ্তি আনি অলপ উজাই গৈ কলংপাৰত এভাগ সত্ৰ পাতি পিতৃৰ স্মৃতিৰে গোনামৰা নাম ৰাখে। সেই সত্ৰই ৰূপনাৰায়ণ গোনামৰা।

ঐতিহ্যমণ্ডিত সাতখলপীয়া সিংহাসন, ৮ ফুট ব্যাসৰ সৰল কাঠৰ খুটাৰ আহল-বহল কৰাপাট, কীৰ্তন-ঘৰ, মণিকূট, হাটী, ভকতৰ বহাঘৰ, পুষ্পোদ্যান আদিৰে গহীন-গম্ভীৰ পৰিবেশৰ সত্ৰ। থাপনাত 'গুণমালা' পুথি থকা সত্ৰখনত 'কীৰ্তন-ঘোষা' আৰু 'নামঘোষা' একাদশ স্কন্ধ 'ভাগৱত', 'ৰত্নাৱলী' আদি অমূল্য সাঁচিপতীয়া পুথি আছে।[১৭৬] গুৰু দুজনাৰ অঙ্কীয়া ভাওনা, সত্ৰ-সংস্কৃতিৰে কলিয়াবৰৰ অন্যতম সত্ৰ। গুৰুৰ তিথি, জন্মাষ্টমী, ভাদ মাহৰ নাম-কীৰ্তন, জন্মোৎসৱ, ফাকুৱা, দৌলযাত্ৰা, পালনাম, আইসকলৰ নাম আদি উদ্‌যাপন কৰা হয়। উজনি নামনিৰ কেইবাখনো জিলাত জনজাতি, অনুসূচিত পিচপৰা আৰু অন্যান্য সম্প্ৰদায়ৰ আছে সহস্ৰাধিক শিষ্য আছে।

সত্ৰ প্ৰতিষ্ঠাতা বিকাৰামৰ পৰৱৰ্তী সত্ৰাধিকাৰ জ্যেষ্ঠানুক্ৰমেঃ শ্ৰীৰামআতা—পূৰ্ণকান্ত—শশীকান্ত—ঘনকান্ত—শশীকান্তৰ পুত্ৰ গোলোক—ঘনকান্তৰ পুত্ৰ বৃদ্ধীন্দ্ৰ—শশীকান্তৰ পুত্ৰ মথুৰাকান্ত আৰু বৰ্তমান শ্ৰীগোলাপচন্দ্ৰ মহন্ত অধিকাৰৰ দায়িত্বত আছে।

### গোনামৰা চতিয়াল ঃ

কলিয়াবৰৰ চতিয়াল মৌজাৰ চতিয়ালত অৱস্থিত। ৰূপনাৰায়ণৰ নাতি চক্ৰপাণিৰ পুত্ৰ বিকাৰাম।

তেওঁৰ চাৰিপুত্ৰ শ্ৰীৰাম আতা, হৰিকান্ত, কেশকান্ত আৰু শ্ৰীকান্ত। ৩য় জনা পুত্ৰ কেশকান্তই মূল গোনামৰা সত্ৰৰ পৰা ডেৰ কিলোমিটাৰ মান ভাটীত কলঙৰ দক্ষিণ-পূৱত এখনি সত্ৰ প্ৰতিষ্ঠা কৰে। সত্ৰখনক চতিয়াল গোনামৰা সত্ৰ বোলে। গোনামৰা সত্ৰৰ নীতি-পৰম্পৰাৰে সত্ৰখন চলে।

চতিয়াল গোনামৰা সত্ৰৰ অধিকাৰৰ ক্ৰমঃ গোনামৰা সত্ৰৰ প্ৰতিষ্ঠাপক বিকাৰামৰ পুত্ৰ কেশকান্ত—ঠগীকান্ত—খৰ্গেশ্বৰ আৰু বৰ্তমান পৰিচালক শ্ৰীনিৰঞ্জন মহন্ত।

### চেলেং বা খুন্দামৰা

পূবথৰীয়া মৌজাৰ মাধতৰিত অৱস্থিত।

জয়কৃষ্ণৰ পুত্ৰ পদ্মআতা। পদ্ম আতাই চেলেং বা খুন্দামৰা সত্ৰ প্ৰতিষ্ঠা কৰে বুলি জনা যায়। সত্ৰখন আদিতে শিৱসাগৰৰ চেলেং হাট ৰেল ষ্টেচনৰ ওচৰত স্থাপন কৰা হৈছিল বাবে চেলেং সত্ৰ বুলিও জনা যায়। প্ৰতাপ সিংহৰ দিনত ম'হযুঁজত আতাই খুন্দা মাৰি ম'হ এটা ওফৰোৱাৰ বাবে তেওঁৰ সত্ৰক ৰজাই

খুন্দামৰা নাম দিয়ে।[১৭৭] 'পবিত্ৰ অসম' গ্ৰন্থৰ মতে পদ্ম আতাৰ বৰপুত্ৰ নৰোত্তমৰ পৰাই সত্ৰখন বাঢ়ে। ৰজাই খুটা মাৰি সত্ৰ সাজি দিয়া বাবে সত্ৰখনৰ নাম খুটামৰা।[১৭৮] খুটামৰা সত্ৰই খুন্দামৰা সত্ৰ। সত্ৰৰ পৰা পোৱা তথ্যমতে পদ্মআতাৰ পুত্ৰ নন্দদেৱ। নন্দদেৱৰ পুত্ৰ নৰোত্তম। গতিকে নৰোত্তম পদ্ম আতাৰ নাতিহে।

সত্ৰখনত কেইবাখনো নাট ৰচনা কৰাৰ উপৰিও ছোঁ-মুখা, সিংহাসন, ভাওনাৰ সাজ-পোচাক আদি তৈয়াৰ কৰা হৈছিল। এই সত্ৰই জনজাতীয় অঞ্চলত ভাওনা কৰি দৰ্শকক আকৰ্ষণ কৰিছিল। 'চিহ্নযাত্ৰা' নাট এই সত্ৰৰ আপুৰুগীয়া সম্পদ আছিল বুলি ঐতিহ্যমণ্ডিত কলিয়াবৰ গ্ৰন্থত লীলাধৰ বৰাই উল্লেখ কৰিছে।[১৭৯] সত্ৰত বাসুদেৱ মূৰ্তি আছে।

সত্ৰীয়া সংস্কৃতিত সমৃদ্ধিশালী সত্ৰ। সত্ৰৰ অধিকাৰৰ ক্ৰমঃ প্ৰতিষ্ঠাপক অধিকাৰ জয়কৃষ্ণৰ পুত্ৰ পদ্ম আতা–নন্দদেৱ–নৰোত্তম–ৰাতুলদেৱ–শ্ৰীৰাম–শিশুৰাম–ঘনকান্ত–ৰূপীৰাম–পূৰ্ণকান্ত–মহেশচন্দ্ৰ–নৰদেৱ। বৰ্তমান নিৰদা গোস্বামী পৰিচালক।

**বৰভকতি ঃ**

পূবথৰীয়া মৌজাৰ বৰভকতিত প্ৰতিষ্ঠিত।

জয়কৃষ্ণৰ দ্বিতীয় পুত্ৰ বলাই। তেওঁৰ বৰপুত্ৰ ভূষণদেৱে, মতান্তৰে বলাই মূল পুৰণিগড় সত্ৰৰ পৰা আঁতৰি এখনি সত্ৰ পাতে। কৃষ্ণপ্ৰাণ সতানন্দ বৰভকতৰ স্মৃতিত ঠাইখন আৰু সত্ৰখনক বৰভকতি বোলা হয়।[১৮০] সত্ৰত নাম-প্ৰসঙ্গ, তিথি, উৎসৱ পৰম্পৰাগতভৱে পালন কৰি আছে। সকলো জাতি-উপজাতিৰ শিষ্য আছে। সত্ৰৰ গুৰু-শৈলীঃ জয়কৃষ্ণৰ নাতি ভূষণদেউ–ৰামদেউ–পৰমানন্দ–ৰঘুনাথ–জগন্নাথ–যোগেশ্বৰ–শুভচন্দ্ৰ আৰু বৰ্তমান শ্ৰীগোলোকচন্দ্ৰ মহন্তই সত্ৰভাগ পৰিচালনা কৰি আছে।

***॥মাধতাৰিৰ পৰা বঢ়া॥***

**মাধতাৰি (ৰবভাগ) ঃ**

মাধতাৰি সত্ৰৰ পৰা অধিকাৰৰ পদ লৈ মতৰ অমিল হৈ ফালি গৈ কলিয়াবৰৰ ৰাষ্ট্ৰীয় পথৰ দক্ষিণপাৰে মোহনচন্দ্ৰদেৱে মাধতাৰি গাঁৱতে ১৯২৫ খ্ৰীঃত মাধতাৰি নামৰ আন এভাগ সত্ৰ স্থাপন কৰিছে।[১৮১] সত্ৰত নাম-প্ৰসঙ্গ, গীত-নৃত্য, পালনাম, নাট-ভাওনা আৰু বিভিন্ন তিথি-উৎসৱ পালন কৰা হয়। বৰ্ণ হিন্দুৰ কলিতা, কেওটৰ উপৰিও অন্যান্য পিচপৰা সম্প্ৰদায়ৰ কোচ, চুটীয়া, নাথ; উপজাতিৰ মিৰি আৰু চাহবনুৱাকে ধৰি এহাজাৰতকৈ অধিক শিচ্-ভকত আছে।



সত্ৰৰ থাপনাত গুণমালা পুথি আৰু বিগ্ৰহ ধাতুৰ বংশীবাদন। সাঁচিপতীয়া 'দশম' অমূল্য সম্পদ। প্ৰতিষ্ঠাতা মোহনচন্দ্ৰৰ পিছত বৰ্তমান অধিকাৰ শ্ৰীভীষ্মদেৱ গোস্বামী।

***॥মহাকৃষ্ণ ঠালৰ সত্ৰ॥***

**শ্যামকানু সত্ৰ ঃ**

পূবথৰীয়া মৌজাৰ ভোমোৰাগুৰি ডাকঘৰৰ অন্তৰ্গত লাঙি গাঁৱত অৱস্থিত।

মহাকৃষ্ণৰ পুত্ৰ ৰামচৰণৰ গুণ-জ্ঞান, সাধুতা দেখি মোমাই তামুলী বৰবৰুৱাই ধৰ্ম প্ৰচাৰৰ কাৰণে তেওঁক কলিয়াবৰ চিলাবন্ধা বিলৰ পাৰত নামঘৰ, মণিকূট, ভকতৰ বহা-হাটীৰে এখনি সত্ৰ পাতি দিয়ে। ৰামচৰণৰ পুত্ৰ শ্যামকানুৱে সত্ৰৰ দায়িত্ব ভাৰ লোৱাৰ পিছৰ পৰা সত্ৰৰ নাম শ্যামকানু হয়। শ্যামকানুৱে নানা ঠাইলৈ সত্ৰৰ বিস্তৃতি ঘটোৱাৰ উপৰিও তেজপুৰ, বিহগুৰি, বেচেৰীয়া, বৰকলা, নগাঁও আদিত পিচপৰা সম্প্ৰদায়ক শৰণ-ভজন দি ঐক্যবদ্ধ সত্ৰ-সমাজ গঢ়ি তুলিছিল। কলিয়াবৰৰ পৰা শ্যামকানুৰ পৰৱৰ্ত্তী বংশধৰ ভকতৰামদেৱে পাথৰি টাঙোন ধৰাত, তেওঁৰ পুত্ৰ জয়কান্তই জাগীৰোড বেলগুৰিত সত্ৰ প্ৰতিষ্ঠা কৰে।[১৮২] সত্ৰত নাম-প্ৰসঙ্গ, বিভিন্ন তিথি-উৎসৱ, পালনাম, জন্মাষ্টমী, নাট-ভাওনা পৰম্পৰাগত ভাৱে চলি আছে।

সত্ৰাধিকাৰৰ ক্ৰমঃ ৰামচৰণ–শ্যামকানু–বিষ্ণু–কৃষ্ণচৰণ–শম্ভুনাথ–বিভুনাথ–জয়নাথ–মহেশ্বৰ–শশীকান্ত–ধৰ্মকান্ত–লক্ষ্মীকান্ত–দেৱকান্ত। বৰ্ত্তমান শ্ৰীযোগেন মহন্তই সত্ৰ পৰিচালনা কৰি আছে।[১৮৩]

***॥ব্ৰাহিকৃষ্ণ ঠালৰ সত্ৰ॥***

**গোৱিন্দ এলেঙি (মাউৰা গোৱিন্দ) সত্ৰ ঃ**

কুঁৱৰীটোলৰ পৰা দুই কি.মি. পশ্চিমত কলঙৰ উত্তৰ পাৰত অৱস্থিত।

সদানন্দ বৰভকতৰ ৩য় পুত্ৰ ব্ৰাহিকৃষ্ণ। তেওঁৰ পুত্ৰ হৰিদেৱ। তৎপুত্ৰ বৃন্দদেৱ। বৃন্দদেৱৰ পুত্ৰ গোৱিন্দদেৱ-প্ৰতিষ্ঠিত সত্ৰ। গোৱিন্দই এবছৰত পিতৃ, দুবছৰত মাকক হেৰুৱায়। সেইকাৰণে তেওঁক মাউৰা গোৱিন্দ বুলি কয়। পিতৃমাতৃহীন নিঠৰুৱা গোৱিন্দক তেজপুৰৰ খুৰাক কৃষ্ণানন্দই নি শিক্ষা-দীক্ষাৰে ডাঙৰ-দীঘল কৰে। কিছুকালৰ পিছত কৃষ্ণানন্দৰ পুত্ৰ নিত্যানন্দৰ লগত মাউৰা গোৱিন্দই মনৰ অমিল হোৱাত পুনৰ ঘূৰি আহি কুঁৱৰীটোলৰ কলং তীৰত সত্ৰ পাতিলে।[১৮৪] এই সত্ৰখনিৰ নাম গোৱিন্দ এলেঙি সত্ৰ। মাউৰা গোৱিন্দই স্থাপন কৰা বাবে লোকে মাউৰা গোৱিন্দ সত্ৰ বুলিও কয়। পৰ্বত-ভৈয়ামৰ জনজাতি, পিচপৰা সম্প্ৰদায় সকলো শ্ৰেণীৰ লোকক এই সত্ৰই শৰণ দি মহাপুৰুষৰ ধৰ্মৰ

প্ৰসাৰ ঘটাইছিল।

সত্ৰৰ অধিকাৰৰ ক্ৰমঃ গোৱিন্দদেৱ—বলদেৱ—বিপ্ৰদেৱ—হৃদয়ানন্দ—দিতিকান্ত—বত্নকান্ত আৰু বৰ্তমান পৰিচালক শ্ৰীশিৱকান্ত মহন্ত।

*॥শ্ৰীকৃষ্ণৰ পৰা বঢ়া॥*

**বালিভূঁই বৰএলেঙি সত্ৰ ঃ**

বৰভগীয়া মৌজাৰ উলুৱনি গাঁৱৰ ওপৰ বৰভগীয়াত অৱস্থিত।

বৰএলেঙি সত্ৰৰ ধৰ্মাচাৰ্য কৃষ্ণানন্দ অপুত্ৰক। সেই কাৰণে ভাগিনীয়েক পদ্মপাণিক কৃষ্ণানন্দই পোষ্যপুত্ৰ কৰি লয়। পদ্মপাণিৰ পুত্ৰ পৰশুৰামে কলিয়াবৰত বৰ এলেঙি সত্ৰ স্থাপন কৰে। তেওঁৰ পুত্ৰ মাধৰামক স্বৰ্গদেউ গৌৰীকান্ত সিংহই দহঘৰ ভকতসহ ১৭৯৫ খ্ৰীঃত বালিভূঁই সত্ৰ পাতি দিয়ে।[১৮৫] সত্ৰখন মাজুলী কাকবিকটাৰ পৰা গৌৰীসিংহৰ দিনত কলিয়াবৰৰ কলঙৰ পাৰত স্থাপন কৰা হয়।[১৮৬] সত্ৰৰ সিংহাসনৰ পুথি 'ভাগৱত', 'গুণমালা'। পিতলৰ বিষ্ণুমূৰ্তি, কলীয়া গোঁসাই, লাৰুৱা গোপাল, গৰুড় পক্ষী আদি আছে। সাঁচিপতীয়া ভাগৱত, দশম, বত্নাৱলী, গীতা আদি পুথি সত্ৰৰ আপুৰুগীয়া সম্পদ। ১৯৮৩ খ্ৰীঃৰ ধুমুহাত সত্ৰৰ ঘৰ-দুৱাৰসহ অতীতৰ বহু মূল্যবান বস্তু নষ্ট হৈ যায়। গাম্ভীৰ্যপূৰ্ণ সত্ৰখনৰ নাম-প্ৰসঙ্গ, তাল-খোল, নাট-ভাওনাই সমগ্ৰ অঞ্চলত খলকনি তুলিছিল। সাঁচিপাতৰ পুথি লিখা পৰম্পৰা আছিল। অনুসূচিত আৰু পিচপৰা জাতিৰ শিষ্য আছে। সত্ৰৰ অৱস্থা শোচনীয়।

সত্ৰৰ গুৰুশৈলীঃ কৃষ্ণানন্দ—জগন্নাথ—চতুৰ্ভুজ—আঁজলি আতা—বংশীধৰ—শিৱকান্ত—মাণিকচন্দ্ৰ। তাৰ পিছত নিৰ্মালি লোৱা অধিকাৰ নাই। দেবেন, শশী, দুৰ্বাকান্তই সত্ৰ চোৱা-চিতা কৰিছিল। বৰ্তমান শ্ৰীআনন্দ চন্দ্ৰ মহন্তই সত্ৰ পৰিচালনা কৰি আছে।

**বালিসত্ৰ ঃ**

পূৱথৰীয়া মৌজাৰ কুঁৱৰীটোলত অৱস্থিত।

সতানন্দ বৰভকতৰ নাতি বাপুৰামদেউ প্ৰতিষ্ঠিত সত্ৰ বুলি জনা যায়। বাপুৰামদেউৰ এঘাৰজন পুত্ৰৰ মাধৱানন্দই বৰাগী হৈ ঘূৰি ফুৰি আহি কলিয়াবৰৰ কলংপাৰৰ বালিত বাস কৰে। সেই ঠাইত স্বৰ্গদেউ গদাধৰ সিংহ পলাই ফুৰোঁতে মাধৱানন্দই লগ পাই স্বৰ্গদেৱক পশ্চিমফালে গ'লে উদ্দেশ্য সিদ্ধি হ'ব বুলি কোৱাত গদাধৰ সিংহ ৰজা হৈ পূৰ্বৰ কথা সুঁৱৰি তেওঁক এক ঢোল ভূমি অৰ্থাৎ বৰঢোলৰ মাত যিমান দূৰলৈ শুনা যায় সেই পৰিমাণৰ মাটি-বাৰী দান কৰিছিল। তেওঁৰ পৰলোকৰ পাছত পোষ্যপুত্ৰ লক্ষ্মণদেউ সত্ৰাধিকাৰ হৈ সত্ৰৰ পৰিসৰ



বঢ়ায়। সত্ৰৰ সিংহাসন ঐতিহ্যমণ্ডিত সাতখলপীয়া। মূৰ্তি বামন গোসাঁইৰ।

কাঠৰ ভাস্কৰ্য-শিল্পত সত্ৰখন অসমৰ ভিতৰত অন্যতম। নাম-প্ৰসঙ্গ, তিথি-উৎসৱ, ভাওনা আদি পৰম্পৰাগতভাৱে চলি আছে। বৰ্তমান চালে চকুৰোৱাকৈ সত্ৰগৃহ, চৌহদ নিৰ্মাণ কৰা হৈছে।

বাপুৰামদেউৰ পৰা সত্ৰাধিকাৰৰ ক্ৰমঃ মাধৱানন্দ—লক্ষ্মণদেউ—শ্ৰীৰামচন্দ্ৰ—চাৰুচৰণ—ৰামকৃষ্ণাই—জয়ৰাম—কানুৰাম—পৰশুৰাম—লীলাধৰ—গোপালদেউ—যজ্ঞেশ্বৰ—কমলচন্দ্ৰ আৰু বৰ্তমান পৰিচালক শ্ৰীকামিনীকান্ত মহন্ত।[১৮৭]

## বৰসত্ৰ বৰএলেঙি ঃ

লাঙ্গিচুকৰ ছয়গাঁও আলিৰ কাষত। কাঠৰ ঐতিহ্যপূৰ্ণ ভাস্কৰ্য আৰু পুৰণি পুখুৰীয়ে সত্ৰৰ ঐতিহ্যৰ কথা সোঁৱৰায়।[১৮৮] বৰসত্ৰৰ বাঞ্চিৰাম অপুত্ৰক বাবে তেওঁৰ বংশৰ বালিভূঁইৰ ৰুদ্ৰকান্তদেৱক পোষ্যপুত্ৰ কৰি অধিকাৰ পাতে। ৰুদ্ৰকান্তই কলিয়াবৰৰ পৰা গৈ মাজপোতনিত সত্ৰ পাতে।[১৮৯]

**॥পুৰুষোত্তমৰ আজ্ঞাপৰ॥**

***॥বাপুকৃষ্ণৰ জীৱ পুত্ৰৰ পৰা বঢ়া সত্ৰ॥***

**লেটুগ্ৰাম ঃ**

সত্ৰভাগ পূৱথৰীয়া মৌজাৰ কুঁৱৰীটোল চালিআলিৰ কাষত।

সতানন্দ বৰভকতৰ পুত্ৰ শ্ৰীকৃষ্ণ (বাপুকৃষ্ণ) বৰবাৰজনীয়া ধৰ্মাচাৰ্যসকলৰ গুৰি। তেওঁ পুৰুষোত্তমৰ পৰা ধৰ্ম গ্ৰহণ কৰি বুঢ়ীগঙ্গাৰ পাৰত বাংশবাৰী সত্ৰ পাতে। শ্ৰীকৃষ্ণ অপুত্ৰক আছিল। তেওঁৰ জীৱ পো বাপুৰামে ডফলাৰ উপদ্ৰৱত কলিয়াবৰলৈ আহি কলঙৰ উত্তৰ পাৰত থাকে। তাতে লেটুৰ ভূঞা নামৰ এজন প্ৰতিপত্তিশালী লোকে দান দিয়া মাটিত সত্ৰ পাতে। সেই ঠাইখন লোকে লেটুৰ ভূঞাৰ গাঁও বুলিছিল আৰু সেইকাৰণে লেটুগ্ৰাম হয়। লেটুগ্ৰাম সত্ৰ অসমৰ মহাপুৰুষীয়া ধৰ্ম-সংস্কৃতিৰ স্বচ্ছল সত্ৰ। বাপুৰামদেউৰ চতুৰ্থা ভাৰ্যাৰ প্ৰথম পুত্ৰ কৃষ্ণচৰণ বা দ্যুতিৰামদেউ। বাপুৰামে কৃষ্ণচৰণক চাৰি ভাতৃ আৰু মাক সহিতে কলিয়াবৰ লেটুগ্ৰামত এৰি আন তিনিগৰাকী ভাৰ্যা আৰু ছয়জন পুত্ৰাদিৰে উজনিলৈ গৈ এলেঙি বিলৰ পাৰত সত্ৰ পাতে। পিতাকৰ মৃত্যুৰ পিছত ককায়েক-ভায়েকহঁতে কৃষ্ণচৰণক লেটুগ্ৰাম সত্ৰৰ দায়িত্ব অৰ্পণ কৰে।[১৯০]

'এলেঙি বাপুকৃষ্ণ চৰিত'মতে বাপুৰাম দেউৰ চতুৰ্থা ভাৰ্যাৰ চাৰিপুত্ৰৰ জীৱনহৰি, কৃষ্ণচৰণ, প্ৰাণহৰি "যেবে বৈৰাগ্য ভৈলা দ্যুতিৰামদেৱ, কোঁডোবাহী হন্তে লেটুগ্ৰামত সত্ৰ থাপি বৈলা।"[১৯১] সেইমতে কৃষ্ণচৰণ আৰু দ্যুতিৰাম একেজন নহয়।

'পবিত্ৰ অসম'ত উল্লেখ কৰামতে বাপুৰামে মাজুলীত পতা কোঁড়োবাহী বা লেটুগ্ৰাম সত্ৰত দ্যুতিৰামৰ সপ্তম বংশধৰ লম্বোদৰ আৰু হৰিহৰ দুয়োজন ককাই-ভাইৰ বিয়োগৰ পিছত মানৰ অৱৰ্ণনীয় অত্যাচাৰ চলি থাকোঁতে হৰিহৰৰ ভাৰ্যা অম্বাই পুত্ৰ বিৰোচন আৰু ভতিজা দেউধৰৰে সৈতে মূৰ্তি ভাগৱত লৈ পুনৰ কলিয়াবৰলৈ আহি পূৰ্বৰ লেটুগ্ৰাম সত্ৰ নতুনকৈ ৰূপ দিয়ে। সেইকাৰণে কলিয়াবৰ লেটুগ্ৰামক নসত্ৰও বোলা হয়।[১২২]

সত্ৰাধিকাৰৰ ক্ৰমঃ বাপুকৃষ্ণৰ পুত্ৰ বাপুৰাম—কৃষ্ণানন্দ (দিতিৰাম)—হলিৰাম—ৰামচন্দ্ৰ—চিকুণচন্দ্ৰ—লম্বোদেউ—দেউধৰ—পদ্মকান্ত—দেউৰাম—গোপীকান্ত আৰু বৰ্তমান সত্ৰৰ পৰিচালক শ্ৰীযজ্ঞেশ্বৰ মহন্ত।

## নিকামূল কলিয়াবৰ ঃ

চতিয়াল মৌজাৰ ওপৰ চতিয়ালত সত্ৰ অৱস্থিত।

বাপুৰামদেউৰ ৩য় ভাৰ্যাৰ ২য় পুত্ৰ মাধৱানন্দৰ পৰা বঢ়া। মানৰ আক্ৰমণত মূল নিকামূল সত্ৰৰ ধৰ্মাচাৰ্য মাধৱানন্দৰ ভাতৃ স্বৰূপানন্দৰ পুত্ৰ লক্ষ্মণদেৱে মাজুলীৰ পৰা ভটীয়াই আহে। লক্ষ্মণদেৱে কলিয়াবৰত নিকামূল সত্ৰ প্ৰতিষ্ঠা কৰে। সত্ৰীয়া ধৰ্ম-সংস্কৃতিৰ ঐতিহ্যপূৰ্ণ সত্ৰ। ব্ৰহ্মপুত্ৰৰ ইপাৰ-সিপাৰৰ সকলো জাতি-জনজাতিৰ লোকক শৰণ দিয়া সত্ৰ। নাম-প্ৰসঙ্গ, তিথি-উৎসৱ, ভাওনা আদি যথাযথ চলি আছে। সত্ৰগৃহ-মণিকূট নতুনকৈ বান্ধি আছে। অসমৰ নানা ঠাইত সত্ৰীয়া নৃত্য-বৰগীত-ভাওনাৰ শিক্ষা-প্ৰশিক্ষণ দিয়া এই সত্ৰৰ শ্ৰীভুবন বৰা ৰাজ্যিক শিল্পী পেন্সনাৰ। *(নগাঁও মহকুমাৰ নিকামূল উৰিয়াগাঁও দ্ৰষ্টব্য।)*

*॥পুৰুষোত্তম ঠাকুৰৰ আজ্ঞাপৰ॥*

## চিপহা (চুপহা) হাটবৰ ঃ

হাটবৰৰ চতিয়াল মৌজাৰ শাকমুথি গাঁৱত কলঙৰ দক্ষিণপাৰত অৱস্থিত।

কনৌজপুৰৰ শ্ৰীহৰি ভূঞাৰ পৰা ৬ষ্ঠ পুৰুষ কৃষ্ণচৰণে শোণিতপুৰ জিলাৰ কলংপুৰ মৌজাৰ ব্ৰহ্মাজানৰ পাৰত গছৰ শিপাই নদীৰ ইপাৰ-সিপাৰ হোৱা প্ৰকাণ্ড শিমলুগছৰ তলত সত্ৰ স্থাপন কৰিছিল।[১২৩] আনমতে, সত্ৰৰ আদিজনা যদু ভূঞাই আগদিনাই সিঁচা সৰিয়হৰ পিচদিনা চুপহি মেলিছিল বাবে শঙ্কৰদেৱে যদুভূঞাক 'চুপহা' নাম দিছিল আৰু সেইবাবে সত্ৰৰ নাম চুপহা বা চিপহা বোলা হয়।[১২৪]

কালক্ৰমত ডফলাৰ উপদ্ৰৱত কৃষ্ণচৰণৰ চাৰিপুত্ৰৰ বংশধৰসকল তেজপুৰ, শিৱসাগৰ, কলিয়াবৰ আদি ঠাইলৈ বিস্তাৰিত হ'ল। চাৰিপুত্ৰ হ'ল— বলোৰাম, ৰামধন, মুকুন্দ আৰু কমলাকান্ত।



কৃষ্ণচৰণৰ নাতি ৰামচন্দ্ৰক শিৱসিংহৰ ৰাজত্বত কলিয়াবৰৰ শাসনকৰ্ত্তা সলাল (?) গোঁহায়ে কলিয়াবৰলৈ আনি সত্ৰ পতাৰ ব্যৱস্থা কৰি দি দাস-দাসীসহ শাকমুথিত ৩০০ বিঘা মাটি দান দিছিল আৰু তেওঁ তাতে সত্ৰ স্থাপন কৰে। পূৰ্বত সত্ৰখন ১৭৩০ খ্ৰীঃত প্ৰতিষ্ঠিত বুলি নগাঁও জিলা গেজেটিয়াৰত উল্লেখ আছে।[১২৫] সত্ৰৰ মূৰ্তি লাড়ুগোপালৰ।

সত্ৰৰ নাট-ভাওনা, গীত-নৃত্যাদি সেই অঞ্চলৰ ৰাইজৰ অনুপ্ৰেৰণাৰ থল। ছোঁ-মুখা, সিংহাসনাদি তৈয়াৰ কৰা পাকৈত শিল্পীৰ ভাস্কৰ্য্য শিল্পৰ নিদৰ্শন সত্ৰত বিদ্যমান। শ্ৰীহিৰণ্যকুমাৰ মহন্ত, শ্ৰীমৃদুপৱন মহন্ত ভাওনাৰ সুশিল্পী। তেওঁলোকে নানা ঠাইত ভাওনাত অংশ গ্ৰহণ কৰাৰ উপৰিও জনজাতি লোকক ভাওনাৰ শিক্ষা দিয়ে। সত্ৰৰ ধৰ্ম-সংস্কৃতিৰ অনুষ্ঠান সুচাৰুৰূপে চলি আছে। সত্ৰৰ অধিকাৰৰ ক্ৰমঃ কৃষ্ণচৰণৰ নাতি ৰামচন্দ্ৰ—লক্ষ্মীনাৰায়ণ—সহদেৱ—লম্বোদেউ—ৰামদেউ—কেশকান্ত—শিৱকান্ত। তেওঁৰ পিছত নিৰ্মালি নোলোৱাকৈ সত্ৰ পৰিচালনা কৰে ঘনকান্ত—পূৰ্ণকান্ত আৰু বৰ্তমান শ্ৰীনৰেন চন্দ্ৰ মহন্তই।[১২৬]

## চিপহা সৰুভগীয়া ঃ

কলিয়াবৰৰ চতিয়াল মৌজাৰ জখলাবন্ধাৰ সৰুভগীয়াত অৱস্থিত।

কৃষ্ণচৰণৰ পুত্ৰ ৰামধনৰ পৰা সপ্তম পুৰুষ অম্বৰীষৰ পুত্ৰ অনন্তৰাম।[১২৭] 'পবিত্ৰ অসম'ত অম্বৰীষৰ ভায়েক অনন্তৰামে কলিয়াবৰৰ সৰুভগীয়াত সত্ৰ পাতে বুলি উল্লেখ আছে।[১২৮]

সত্ৰৰ পৰা পোৱা টোকামতে অনন্তৰামৰ পুত্ৰ জয়দেৱ আৰু তৎ পুত্ৰ সহদেৱে সত্ৰভাগ কাজিৰঙাত স্থাপন কৰিছিল। মানৰ আক্ৰমণত সহদেৱ আৰু পুত্ৰ হৰিদেৱ ভটীয়াই আহি সৰুভগীয়াত থিতাপি লয় আৰু হৰিদেৱৰ পুত্ৰ কেশকান্তই সত্ৰ পৰিচালনা কৰে।

সত্ৰৰ নাম-প্ৰসঙ্গৰ উপৰিও শিল্প-কলাত অৱদান উল্লেখযোগ্য। হৰিদেৱৰ পুত্ৰ কেশকান্ত নাম-প্ৰসঙ্গ, নৃত্য-বাদ্য-ভাওনাত পাৰদৰ্শী থকাৰ উপৰিও সিংহাসন, মূৰ্ত্তি আদি কটাত পাকৈত শিল্পী আছিল। কেশকান্তই তৈয়াৰ কৰা সিংহাসন, কাঠৰ গৰুড় পক্ষী, হনুমানৰ মূৰ্তি, মাটিৰ ব্ৰহ্মা, গৰুড় আদিৰ মূৰ্তি আজিও বিদ্যমান। ইয়াৰ উপৰিও সাঁচিপাতৰ পুথি, বৰজাপি, বেতৰ ঘূৰণীয়া ডাঙৰ পাটীচৰা, দোলা-খাটোলা, মাটিৰ ডাঙৰ ডবা আৰু অন্যান্য মাটিৰ মূৰ্তি সত্ৰৰ ভাস্কৰ্য শিল্পৰ নিদৰ্শন।

সত্ৰৰ সিংহাসনত 'গুণমালা' পুথি। সত্ৰৰ বিগ্ৰহ বংশীবাদন। শ্ৰীভুবনচন্দ্ৰ মহন্ত আৰু শ্ৰীজগন্নাথ মহন্ত নাট-ভাওনাৰ সুদক্ষ শিল্পীয়ে 'ভাৰতৰ বিভিন্ন ঠাইত অঙ্কীয়া ভাওনাৰ অভিনয় কৰি মহাপুৰুষৰ নাট-সংস্কৃতিৰ প্ৰসাৰণ ঘটাইছে।

এসময়ত নগাঁও, তেজপুৰ, মাজুলী, কলংপাৰ, কাজিৰঙাত দুই হাজাৰতকৈ অধিক শিষ্য আছিল। বৰ্তমান শ্ৰীভূবন চন্দ্ৰ মহন্তই পৰিচালনা সমিতিৰে সত্ৰ চলাই আছে।

### চিপহা ওপৰ বৰভগীয়া ঃ

বৰভগীয়া মৌজাৰ উলুৰনী ওপৰ গাঁৱত অৱস্থিত। কৃষ্ণচৰণৰ কনিষ্ঠ পুত্ৰ কমলাকান্ত। কমলাকান্তৰ বংশৰ হৰিচৰণে ওপৰ বৰভগীয়াত সত্ৰভাগ প্ৰতিষ্ঠা কৰে। 'পবিত্ৰ অসম'ত ৰঙাচৰণে তেজপুৰৰ কেতেকীবাৰীৰ পৰা আহি নগাঁৱৰ কলিয়াবৰৰ বৰভগীয়াত চিপহা সত্ৰ স্থাপন কৰে।[১৯৯] সত্ৰভাগ নাম-প্ৰসঙ্গ, তিথি-উৎসৱ আদিৰে চলি আছে। সত্ৰৰ অধিকাৰৰ ক্ৰম ঃ প্ৰতিষ্ঠাপক হৰিচৰণ–কনকচন্দ্ৰ--মিনাই–মুহিকান্ত–দেৱকান্ত আৰু বৰ্তমান সত্ৰৰ পৰিচালক শ্ৰীটঙ্কেশ্বৰ মহন্ত।

*॥চতমীৰ বাসুদেৱ মিশ্ৰৰ পৰা বড়া॥*

### বাকৰিয়াল বৰভগীয়া ঃ

বৰভগীয়া মৌজাৰ উলুৰনী থানাৰ অন্তৰ্গত নামগাঁও কিচামতত অৱস্থিত।

পুৰুষোত্তম ঠাকুৰৰ আজ্ঞাপৰ মধুকল্য গোত্ৰৰ বাসুদেৱ মিশ্ৰৰ উপৰিপুৰুষ (তেওঁৰ পৰা ৬ষ্ঠ উৰ্ধপুৰুষ) কনৌজৰ পৰা অহা। বাসুদেৱে বৰপেটা অঞ্চলৰ নদীৰ চট (পানীৰ দ্বীপ বা মাজুলী অৰ্থত) এটাত বসবাস কৰি ভাগৱতী ধৰ্ম প্ৰচাৰ কৰে বাবে তেওঁক চতমিয়াল ভাগৱতী মিশ্ৰ বোলে।[২০০]

বাসুদেৱ মিশ্ৰৰ পুত্ৰ গতিদেৱ। তেওঁৰ পুত্ৰ অনন্তদেৱে শোণিতপুৰ জিলাৰ হলেশ্বৰ মৌজাৰ পুঠিখাঁতী গাঁৱৰ সা-সম্পত্তিক লৈ ভাতৃৰ লগত হোৱা মনোমালিন্যৰ বাবে ৰতিকান্তসহ কলিয়াবৰলৈ আহি বৰভগীয়াৰ নামগাঁৱৰ এটা ডাঙৰ বাকৰিত ১৮৩১ খ্ৰীঃত সত্ৰ স্থাপন কৰে।[২০১] নাম-প্ৰসঙ্গ, গুৰু-তিথি, জন্মাষ্টমী, ফাকুৱা আদি যথাযথ পালন কৰি আছে।

ৰুদ্ৰসিংহই মিছাত বাহৰ পাতি থাকোঁতে বাকৰিয়াল, হোৰোসা, নবোৱা আৰু কলাকটা নামৰ চাৰিখন সত্ৰত অনবৰত নামৰ ধ্বনি প্ৰৱাহিত হোৱা শুনিছিল। ৰজাই গাঁওখনৰ নাম দিলে নামগাঁও। অনুসূচিত, জাতি-উপজাতি সকলোৰে মিলাপ্ৰীতিত সত্ৰৰ প্ৰভাৱ উল্লেখযোগ্য। ওচৰত বসবাস কৰা নেপালি সম্প্ৰদায়ৰ লোকৰো সত্ৰৰ লগত যোগাযোগ আছে। থাপনাৰ পুথি শ্ৰীমদ্ভাগৱত। সত্ৰৰ বিগ্ৰহ চতুৰ্ভুজ বাসুদৱে। বিগ্ৰহৰ নামত ১৫ বিঘা মাটি আছে। বৰ্ত্তমান সত্ৰাধিকাৰ শ্ৰীঅমূল্য গোস্বামী।



*॥পুৰুষোত্তমৰ জোঁৱায়েকৰ পৰা বড়া॥*

### চামগুৰি ঃ

পূবথৰীয়া মৌজাৰ চামগুৰিত অৱস্থিত।

শঙ্কৰদেৱৰ বৰনাতি পুৰুষোত্তমৰ ভাৰ্যা লক্ষ্মীপুৰীয়াৰ জীয়ৰী কেশৱপ্ৰিয়াৰ বিয়া হয় নিৰঞ্জন গাভৰুগিৰিৰ লগত। কেশৱপ্ৰিয়াৰ অকাল মৃত্যুত নিৰঞ্জনে বিয়া পাতে ভাত নাখাতি আইক। তেওঁলোকৰ পুত্ৰ চাৰিজন— চক্ৰপাণি, সাৰঙ্গপাণি, গদাপাণি আৰু পদ্মপাণি।

নিৰঞ্জন গাভৰুগিৰিৰ চাৰিপুত্ৰৰ চক্ৰপাণিয়ে ৰাজ অনুগ্ৰহত মাজুলীত চামগছৰ গুৰি বা তলত সত্ৰ পাতে। সত্ৰৰ নাম চামগুৰি সত্ৰ। চক্ৰপাণিৰ ৩য় নাতি বিষ্ণুদাস বা বিষ্ণু আতাই মানৰ আক্ৰমণত মাজুলীৰ পৰা ভটীয়াই আহি কলিয়াবৰত সত্ৰ পাতি মূলসত্ৰৰ নামেৰে চামগুৰি সত্ৰ ৰাখে। সত্ৰ স্থাপনৰ কাল ১৭২৮-৩০ খ্ৰীষ্টাব্দ।[২০২]

অসমৰ সত্ৰৰ ইতিহাসত ধৰ্ম-সাহিত্য-সংস্কৃতি, ভাস্কৰ্য-শিল্পকলাত চামগুৰি সত্ৰৰ স্থান অনন্য। চামগুৰিৰ সিংহাসন, মুখাশিল্পৰ ঐতিহ্য আদৰণীয়। গুৰু-পাদুকা, চান্দসায়ে গুৰুজনাক চিলাই দিয়া চোলাৰ সাঞ্চ, শিশু স্নানৰ চৰিয়া, সাতখলপীয়া সিংহাসন, কেইবাখনো সাঁচিপতীয়া পুথি, 'নিমিনৱসিদ্ধ-সংবাদ'ত ৭ খন আৰু 'ভক্তি-প্ৰদীপ'ত থকা ৩ খন চিত্ৰই সত্ৰৰ ঐতিহ্য, ভাস্কৰ্য্য সাহিত্য, চিত্ৰশিল্পৰ নিদৰ্শন দাঙি ধৰিছে। এই সত্ৰৰ কেইবাজনো নাট্যকাৰে ভাওনাৰ নাট ৰচনা কৰি থৈ গৈছে। 'কংস-বধ', 'বালী-বধ', 'দুৰ্বাসা-ভোজন-যাত্ৰা', 'কুমৰ-হৰণ', 'সম্বৰাসুৰ বধ', 'কৰ্ণ-বধ', 'সুভদ্ৰা-হৰণ' আদি নাট উল্লেখযোগ্য। *(গ্ৰন্থত উল্লেখিত সত্ৰৰ নাট্য-সম্ভাৰ দ্ৰষ্টব্য।)*

সত্ৰৰ অধিকাৰৰ ক্ৰমঃ- চক্ৰপাণিৰ নাতি বিষ্ণুদাস–বিশ্বম্ভৰ–সন্তুদেৱ–বাসুদেৱ–হৰিচৰণ–চিৰঞ্জীৱ–হৰিকান্ত–কমলাকান্ত–ৰত্নকান্ত,–বিষ্ণুকান্ত–বংশীধৰ–ৰবিচন্দ্ৰ আৰু বৰ্তমান শ্ৰীনগেন্দ্ৰ নাথ গোস্বামী॥

*॥চতুৰ্ভুজ ঠাকুৰৰ আজ্ঞাপৰ॥*

### বিহিমপুৰ কুঁৱৰীটোল ঃ

চতুৰ্ভুজ ঠাকুৰৰ আজ্ঞাপৰ সত্ৰ। বৰভগীয়া মাধগাঁৱত অৱস্থিত।

চতুৰ্ভুজৰ আজ্ঞাপৰ বাৰজনা আচাৰ্যৰ গোবিন্দ আতা অন্যতম। গোবিন্দ (মাধ) আতাৰ মূলসত্ৰ আছিল মাজুলীত। মাজুলীৰ বিহমপুৰ সত্ৰ প্ৰতাপসিংহৰ দিনত স্থাপিত। তেওঁৰ পৰৱৰ্ত্তী বংশধৰে মাজুলীৰ পৰা আহি কলিয়াবৰৰ কুঁৱৰীটোলত কলঙৰ পাৰত থাকে আৰু গঙ্গাৰাম আতাই স্থায়ীভাৱে ঘৰ-দুৱাৰ কৰি ধৰ্ম প্ৰচাৰৰ বাবে ১৭১১ খ্ৰীঃত সত্ৰখনি প্ৰতিষ্ঠা কৰে।[২০৩] সত্ৰখন বিহমপুৰ

বা বিহিমপুৰ নামে জনাজাত। ভাওনা-গীত-বাদ্য-নৃত্য আৰু মুখা শিল্পত বিহিমপুৰ সত্ৰৰ অৱদান উল্লেখযোগ্য। বৰ্তমান সত্ৰৰ সেই ঐতিহ্য নাই। শ্ৰীশিৱকান্ত মহন্তৰ পৰা পোৱা তালিকা মতে মাজুলীৰ সত্ৰৰ গুৰুশৈলীঃ প্ৰতিষ্ঠাপক গোৱিন্দ আতা করুণাময়—মাধৱানন্দ—গোৱৰ্ধন—ৰামধন—কমললোচন আৰু ৰামহৰি। কলিয়াবৰত সত্ৰ প্ৰতিষ্ঠাতা গঙ্গাৰাম—পীঠুৰাম—দেউৰাম—ৰুদ্ৰকান্ত—ধনেশ্বৰ—জগন্নাথ—মঙ্গলচন্দ্ৰ—শুভচন্দ্ৰ—নৰেনচন্দ্ৰ (গহপুৰ)। বৰ্তমান শ্ৰীবংশীধৰ মহন্তই সত্ৰ পৰিচালনা কৰি আছে।

*॥খোৱাগোপালৰ পৰা বঢ়া॥*

**দিচিয়াল কলিয়াবৰ ঃ**

মাধৱদেৱে সুন্দৰীদিয়াত ধৰ্মাচাৰ্য পাতি খোৱাগোপালক উজনিলৈ ধৰ্ম প্ৰচাৰ কৰিবলৈ পঠিয়ায়। তেওঁৰ পুত্ৰ জয়কৃষ্ণই দিচিয়াল সত্ৰ প্ৰতিষ্ঠা কৰে।

মোৱামৰীয়া বিদ্ৰোহত খোৱাগোপালৰ নাতি-পুত্ৰ প্ৰাণহৰিদেৱে উজনিৰ দিচৈৰ মূলসত্ৰৰ পৰা ভটীয়াই গৈ কলিয়াবৰত থাকিবলৈ লয়। গৌৰীনাথ সিংহ স্বৰ্গদেৱৰ পৰা জয়সাগৰ আৰু কলং নদীৰ মাজত ছুশ পুৰা মাটি লৈ পোৱাভেটি সত্ৰৰ পৰা কিছু দূৰত দিচিয়াল সত্ৰ প্ৰতিষ্ঠা কৰে। তেওঁৰ পুত্ৰ জয়ানন্দদেৱে মানৰ আক্ৰমণত প্ৰাণ ৰক্ষাৰ বাবে চাৰিপুত্ৰসহ সেই ঠাই এৰি ভটীয়াই আহি ৰাইদঙ্গিয়া অঞ্চলত থিতাপি লয় আৰু পুত্ৰসকলে সত্ৰ প্ৰতিষ্ঠা কৰি ধৰ্ম প্ৰচাৰত লাগি যায়। কলিয়াবৰৰ দিচিয়াল সত্ৰ ধ্বংস হৈ যায়। কলিয়াবৰত মূলসত্ৰ স্থানত বৰ্তমানেও দিচিয়ালৰ কুঢ়-বিদ্যমান।[২০৪]

*॥চৈতন্যীয় মহাপুৰুষীয়া সত্ৰ॥*

**বাঘৰগঞা ঃ**

চতিয়াল মৌজাৰ সৰুভগীয়াত অৱস্থিত। ৰুদ্ৰসিংহৰ ৰাজত্বকালত গৌড়ীয় বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিবলৈ অহা চাৰিজন ভকতৰ ভিতৰত পুৰুষোত্তম অন্যতম। তেওঁ মাজুলীত ধৰ্ম-সত্ৰ পাতি থাকে আৰু এটা বাঘৰ নেজত ধৰি পাক ঘূৰাই অচেতন কৰি মাৰি পেলায়। সেইবাবে তেওঁৰ সত্ৰক বাঘৰগঞা বুলি কয়।[২০৫] মানৰ আক্ৰমণত পুৰুষোত্তমৰ ৫ম অধস্তন পুৰুষ জাতিৰামদেউ মাজুলীৰ পৰা আহি কলিয়াবৰৰ কহুৱাতলিত সত্ৰ পাতি গৌড়ীয় আৰ্হিত ধৰ্ম প্ৰচাৰ কৰে। তেওঁৰ পুত্ৰ হেমকান্তই বৰদোৱাত মহাপুৰুষীয়া ধৰ্ম গ্ৰহণ কৰি পুৰুষ সংহতিৰ পদ্ধতিৰে নাম-ধৰ্ম প্ৰকাশ কৰে। মহাপুৰুষ শঙ্কৰদেৱৰ ধৰ্মৰ প্ৰতি আসক্ত হৈ এই সত্ৰই অসমৰ জাতীয় উৎকৰ্ষত আগবঢ়োৱা বৰঙণি অতুলনীয়।

আদিজনা পুৰুষোত্তমৰ ৫ম পুৰুষৰ পিছত সত্ৰৰ গুৰুশৈলীৰ ক্ৰমঃ



জাতিৰাম—হেমকান্ত—লক্ষ্মীকান্ত—গিৰিকান্ত—ফটিকচন্দ্ৰ। বৰ্তমান শ্ৰীহিৰু মহন্তই সত্ৰভাগ চোৱা-চিতা কৰি আছে।

## খ) ব্ৰহ্ম সংহতি

**জখলাবন্ধা কলিয়াবৰ ঃ**

বৰভগীয়া মৌজাৰ জখলাবন্ধাত অৱস্থিত।

কনৌজৰ পৰা আহি কামাখ্যাত বসতি কৰা বপনস্ গোত্ৰৰ দামোদৰ-কন্যা কমলেশ্বৰীৰ পুত্ৰ বনমালী, পৰমানন্দ আৰু বলদেৱ। পৰমানন্দৰ নাতি কৃষ্ণানন্দই জখলাবন্ধা সত্ৰ প্ৰতিষ্ঠা কৰে আহোম ৰজা খোৱাৰজাৰ ৰাজত্বকালত ১৫৫৮ খ্ৰীঃত।[২০৬] ৰজাঘৰীয়া চাৰিসত্ৰৰ পিছতে জখলাবন্ধা সত্ৰ কলিয়াবৰৰ প্ৰাচীনতম সত্ৰ। পণ্ডিত তীৰ্থনাথ শৰ্মাই পৰমানন্দৰ নাতি আৰু মন্ত্ৰশিষ্য পুৰুষোত্তমে উদয়-ৰাজ্যত পতা সত্ৰক জখলাবন্ধা সত্ৰ বুলি উল্লেখ কৰিছে।[২০৭]

আহোমৰ ৰাজপাটত নিষ্কণ্টক হৈ বহিবলৈ ল'ৰাৰজাই ৰাজবংশৰ যুৱকক অঙ্গচ্ছেদ অভিযান চলোৱাত গদাপাণিয়ে ছদ্মবেশে ঘূৰোঁতে জখলাবন্ধা সত্ৰই আশ্ৰয় দিছিল। সেয়ে গদাপাণি ৰাজপাটত উঠি এই সত্ৰক পুৰস্কৃত কৰে। তেওঁৰ পাছত স্বৰ্গদেউ ৰুদ্ৰসিংহই মাটি-বৃত্তি দি সত্ৰ স্থাপনত সহায় কৰি সত্ৰৰ মৰ্যাদা বঢ়ায়। এই সত্ৰত কেইবাখনো সাঁচিপাতৰ পুথি আৰু কোনো কোনো পুথিত একক চিত্ৰ থকাৰ কথা জনা যায়।[২০৮]

আদিজনা দামোদৰে কনৌজৰ পৰা দৌলগোৱিন্দ আৰু জয়গোৱিন্দ দুই মূৰ্ত্তি আনি সত্ৰত থাপিছিল। দুই মূৰ্ত্তিলৈ কল আগবঢ়ালে আচিনা ৰোগ ভাল হয় আৰু অপুত্ৰকৰ পুত্ৰ লাভ হয় বুলি ভক্তৰ বিশ্বাস। মানৰ আক্ৰমণত সত্ৰৰ এটা ভাগ নগাঁও নগৰৰ আমোলাপট্টিত স্থাপিত হয়। দৌলগোৱিন্দক মূল সত্ৰত ৰাখি জয়গোৱিন্দৰ মূৰ্তি ভাগ সত্ৰলৈ নিয়া হয়।

এক সময়ৰ মাটি-বাৰী, ধৰ্ম-সংস্কৃতিৰ সম্পদশালী, শিচ্-ভকতেৰে হেন্দোলদোপ হৈ থকা সত্ৰখন বৰ্তমান সমাজত প্ৰভাৱহীন হৈ পৰিছে।

**দেৱৰ সত্ৰ ঃ**

কলিয়াবৰ জখলাবন্ধাত অৱস্থিত।

বনমালীদেৱে গুণমুগ্ধ জয়ধ্বজসিংহ স্বৰ্গদেৱৰ আগ্ৰহ অনুসৰি কোচবিহাৰৰ পৰা তীৰ্থক্ষেত্ৰলৈ ওলাই গৈ জগন্নাথ ক্ষেত্ৰৰ পৰা ঘূৰি আহি কোচবিহাৰলৈ নগৈ বিজয়পুৰত ৰৈ আহোম ৰাজ্যলৈ আহিবলৈ মনস্থ কৰা বুলি কটকীৰ পৰা জানিব পাৰি ১৫৭৫ শকত স্বৰ্গদেৱে বৰসেনাপতি পঠাই সাদৰ-অভ্যৰ্থনা কৰি কলিয়াবৰলৈ আগবঢ়াই আনে। কলিয়াবৰৰ জখলাবন্ধাত জয়ধ্বজসিংহই বনমালীদেৱৰ আদৰ-

অভ্যৰ্থনাৰ কাৰণে ধৰ্মসত্ৰ পাতি ৰখাৰ ব্যৱস্থা কৰিছিল আৰু দেৱে আহি সেই সত্ৰত থিতাপি লৈছিল। বনমালীদেৱক ৰখা সেই সত্ৰ 'দেৱৰ সত্ৰ' নামে জনাজাত হয়। স্বৰ্গদেৱৰ আমন্ত্ৰণক্ৰমে তাৰ পৰা মাজুলীৰ আহঁতগুৰিৰ জতকৰাত (শাকবাৰী) পতা সত্ৰত ৰখাই ১৫৮৫ শকত স্বৰ্গদেৱৰ অন্তিম সময়ত বনমালীদেৱক নিয়াই ৰাঙ্গলীবাহৰ পাট নগৰ আদি কৰি স্বৰ্গী হয় আৰু সেই পাট নগৰৰ সত্ৰই পিছত দক্ষিণপাট সত্ৰ নামে প্ৰখ্যাত হয়।[২০৯]

কলিয়াবৰৰ দেৱৰ সত্ৰত পোনতে বাসুদেৱ মূৰ্ত্তি আছিল। ৬ষ্ঠ জনা অধিকাৰ হৰিদেৱে স্বপ্নাদেশ মতে কুন্দলী পাহাৰৰ পৰা নৃসিংহ মূৰ্ত্তি (৩ ফুট ওখ) আনি স্থাপন কৰে। স্বৰ্গদেউ ৰাজেশ্বৰ সিংহই কীৰ্তিচন্দ্ৰ বৰবৰুৱাৰ দ্বাৰা দ'ল বান্ধি দিয়াত দ'লৰ ভিতৰত বাসুদেৱ আৰু নৃসিংহ মূৰ্তি স্থাপন কৰা হয়। কিন্তু বাসুদেৱৰ স্বপ্নাদেশত বেলেগ ঘৰ সজাই বাসুদেৱ মূৰ্তি ৰখাৰ ব্যৱস্থা কৰা হ'ল।[২১০] নৃসিংহ মূৰ্ত্তি স্থাপন কৰা বাবে নৃসিংহ থান নামে জনাজাত হয়।

*॥বংশীগোপালদেৱৰ আজ্ঞাপৰ সত্ৰ॥*

**শ্ৰৱণী ঃ বাৰশ্ৰৱণীৰ শ্ৰীপতি ঃ**

*বংশীগোপালদেৱৰ সত্ৰত ভাগৱত পাঠ কৰাৰ কাৰণে ভাগৱতী বা বাগীশ আৰু ভাগৱত শুনাৰ কাৰণে শ্ৰৱণী নিৰ্দিষ্ট কৰা থাকে। আউনীআটী সত্ৰত ২৪ জন শ্ৰৱণী থকাৰ কথা আউনীআটীৰ বুৰঞ্জীৰ ৩৮৯ পৃষ্ঠাত উল্লেখ আছে।[২১১] সত্ৰৰ ভাগৱতী আৰু শ্ৰৱণীৰ সম্পৰ্ক নৈমিষাৰ ভাগৱত-বক্তা আৰু শ্ৰোতা ঋষি-মুনি সকলৰ দৰে। দুয়োৰো এৰা এৰি নাই। উল্লেখযোগ্য যে স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দিনত বাগীশক ব্ৰহ্মোত্তৰ মাটি দি থপা ঠাইৰ সীমাতে শ্ৰৱণীকো ধৰ্মোত্তৰ মাটি দি থাপিছিল।*

*'পবিত্ৰ অসম' গ্ৰন্থত কলিয়াবৰ শ্ৰৱণী সত্ৰৰ প্ৰয়াত গিৰিকান্ত মহন্তৰ টোকাত বংশীগোপালদেৱৰ আজ্ঞাত উজনিলৈ ধৰ্ম প্ৰচাৰ কৰিবলৈ যোৱা ছয়জন ব্ৰাহ্মণ আৰু ছয়জন কায়স্থৰ নামোল্লেখ কৰিছে। সেইসকল হ'ল– জয়মিশ্ৰ, হৰিমিশ্ৰ, মধুমিশ্ৰ, মুকুন্দ, ভবানন্দ, গোপাল, ভাৰতী, অৰ্জুন, শ্ৰীপতি শ্ৰৱণী বা কৃষ্ণচৰণ, মুৰাৰি, কামদেৱ আৰু ৰঘুপতি-বাৰ মহন্ত।[২১২] এই বাৰ মহন্তই বাৰ শ্ৰৱণী। উক্ত তালিকাৰ ৯ জনমান বংশীগোপালে পতা 'সন্ত সম্প্ৰদায়'ত উল্লেখ থকা ৪৫ জন মেধি বা মহন্তৰ তালিকাৰ নামৰ স'তে একে। গতিকে শ্ৰৱণীসকল মেধি বা মহন্তৰ ভিতৰৰে।*

*শ্ৰৱণীসকলে ধৰ্ম প্ৰচাৰ কৰি কেইবাখনো ঠাইত শাখা সত্ৰ পাতিছিল। অসমৰ শিৱসাগৰ, যোৰহাট, নগাঁও, গুৱাহাটী, তেজপুৰ আদিত শ্ৰৱণী সত্ৰ আছে। নগাঁও জিলাৰ কলিয়াবৰ, কামপুৰ, টকৌবাৰী, জুৰিয়া দগাঁও আদিত কৃষ্ণচৰণ*



*আৰু তেওঁৰ বংশধৰে কেইবাখনো সত্ৰ পাতি থৈ গৈছে। মুৰাৰি নামৰ শ্ৰৱণীৰ পৰাও কলিয়াবৰ আৰু পানীগাঁৱত দুখনি সত্ৰ বাঢ়িছে।*

**শ্ৰৱণী হাটবৰ ঃ**

পূৱথৰীয়া মৌজাৰ মাধতাৰি কিচামত অৱস্থিত।

কনৌজৰ পৰা অহা বংশীগোপালৰ আজ্ঞাপৰ বাৰ শ্ৰৱণী বা মহন্তৰ শ্ৰীপতি বা কৃষ্ণচৰণ অন্যতম। সন্তৰ সঙ্গত বিষ্ণুৰ লীলা-মাহাত্ম্য একান্তমনে শ্ৰৱণ কৰি ভক্তিত গদ্গদ হৈ থাকে বাবে শ্ৰীপতিক শ্ৰৱণী বোলা হয় আৰু প্ৰতিষ্ঠিত সত্ৰৰ নাম শ্ৰৱণী হয়।[২১৩] কৃষ্ণচৰণদেউক দৌলগোবিন্দ মূৰ্তি, ভাগৱত, পূজাৰী, পাঠক, কন্দলি, কুমাৰ, কমাৰ আদিৰ ৫০ ঘৰ ভকতেৰে সৈতে ৰজাৰ ভোগবাৰীত সত্ৰ পাতি মাণিকপেটাৰিত ২৫ পুৰা, খণ্ডাগুৰিত ২৫ পুৰা আৰু ভেদেলি ভৰাঁল তেলিয়াত ১২ পুৰা মাটি খাত-স্বৰূপে দি ৰুদ্ৰসিংহ ৰজাই পাতে।[২১৪]

সত্ৰৰ নাম-প্ৰসঙ্গ, নাট-ভাওনা মহাপুৰুষীয়া ৰীতিত চলে। শ্ৰীধৰ স্বামী টীকা সম্বলিত ভাগৱতৰ ১০ম, ১১শ, ১২শ স্কন্ধ সুন্দৰ হস্তাক্ষৰৰ সাঁচিপতীয়া পুথিভাগ সত্ৰৰ অমূল্য সম্পদ। সত্ৰ প্ৰতিষ্ঠা কাল ১৭০৫ খ্ৰীঃ। ১৮২৫ খ্ৰীঃত অত্যাচাৰী মানে কীৰ্ত্তন-ঘৰ, মণিকূটত অগ্নি-সংযোগ কৰাত সত্ৰৰ তামৰফলি আৰু অনেক আপুৰুগীয়া সম্পদ বিনষ্ট হয়।[২১৫]

গুৰুতিথি, জন্মাষ্টমী, দৌলাৎসৱ আদি পালন কৰা হয়। সত্ৰীয়া গীত-মাত, নৃত্য-বাদ্য, ভাওনাত অসমৰ নামী সত্ৰ। স্বৰ্গীয় গিৰিকান্ত মহন্ত অসমৰ এগৰাকী যশস্বী শিল্পী আৰু নাট্যকাৰ আছিল। তেওঁৰ ৰচিত 'শ্ৰীশঙ্কৰদেৱৰ জন্মযাত্ৰা' অঙ্কীয়া ঠাচৰ নাট। মধ্য অসমৰ সত্ৰীয়া নৃত্যৰ তাল-বাদ্যৰ গৱেষণাৰ বাবে ফেল'শিপ লাভ কৰিছিল। সত্ৰখন ব্ৰহ্ম সংহতিৰ হ'লেও পুৰুষ সংহতিৰ প্ৰভাৱযুক্ত।

শ্ৰীনন্দেশ্বৰ মহন্তৰ পৰা পোৱা তালিকামতে গুৰুশৈলীঃ শ্ৰীপতি শ্ৰৱণী (কৃষ্ণচৰণ)—ৰাতুল চৰণ—ত্ৰাহিকৃষ্ণ—জগন্নাথ—ভবানন্দ—তনুৰাম—নিৰাময়—বাপাৰাম—লক্ষ্মীকান্ত—দেউৰাম—ৰতিকান্ত—ধৰণীচন্দ্ৰ আৰু বৰ্তমান শ্ৰীনন্দেশ্বৰ মহন্ত। (পূৰ্বে ২ ডিচেম্বৰ, ১৯৯৯) পঠোৱা তালিকাত অন্তৰ্ভুক্ত বিষ্ণুচৰণ—হৰদত্ত—দামোদৰ—বৃদৰাম—কোমল—বাপিৰাম— এই কেইজনাৰ নাম উক্ত তালিকাত নাই।

**মুৰাৰি কলিয়াবৰ ঃ**

জখলাবন্ধা পূৱথৰীয়াৰ দুলাল মাধৱত মুৰাৰি সত্ৰ।

বাৰ-শ্ৰৱণী এজনৰ নাম মুৰাৰি। কনৌজপুৰৰ পৰা অহা মুৰাৰি ব্ৰাহ্মণৰ নামে কলিয়াবৰৰ সত্ৰখনৰ নামকৰণ কৰা হয়। স্বৰ্গদেউ শিৱসিংহই কাশীৰ পৰা

অনা বংশীবাদনৰ মূৰ্ত্তি এই সত্ৰৰ থাপনাত প্ৰতিষ্ঠিত। ৰজাই দুলাল মাধৱ দেৱালয়ৰ ওচৰত সত্ৰ চলাবলৈ দুশ বিঘা ভূমি ব্ৰহ্মোত্তৰ দিছিল।[২১৬]

শিৱসিংহৰ দিনত ১৬৫২ শকত সত্ৰ স্থাপিত হয়। মহাপুৰুষীয়া নিবন্ধমতে সত্ৰৰ প্ৰসঙ্গ-প্ৰণালী চলে। পুৰণা সত্ৰ-গৃহ জৰাজীৰ্ণ। সৰু কীৰ্ত্তন-ঘৰ এটা ইটা-চিমেন্ট-টিনপাত-কাঠেৰে সজাই নাম-গুণ চলাই আছে। পূৰ্বৰ ধৰ্ম-সংস্কৃতি, শাস্ত্ৰ-চৰ্চা ব্যাখ্যা আদি ম্লান পৰিছে।

মুৰাৰি সত্ৰৰ গুৰুশৈলীঃ মুৰাৰি—জয়নাথ—বাণেশ্বৰ—শ্ৰীকান্ত—শশীকান্ত—যোগবিলাস—যুক্তিদেৱ আৰু বৰ্তমান শ্ৰীনাৰায়ণ চন্দ্ৰ গোস্বামী।

## ॥ অসমৰ সত্ৰৰ মূল নথকা সত্ৰ ॥

### হোৰোসা সত্ৰ ঃ

কলিয়াবৰ-বৰভগীয়া মৌজাৰ নামগাঁৱত অৱস্থিত। অসমৰ বৈষ্ণৱ সত্ৰৰ মূলৰ লগত সম্পৰ্ক নথকাকৈ সত্ৰৰ বিস্তৃতিৰ যুগত কোনো কোনো সত্ৰ স্থাপিত হয়। তেনে সত্ৰৰ ভিতৰত হোৰোসা উল্লেখযোগ্য। গৌৰাঙ্গ মিশ্ৰ কনৌজৰ পৰা অহা জ্যোতিষী লোক। মিছাৰ কলঙৰ পাৰত বসবাস কৰা গৌৰাঙ্গৰ পুত্ৰ গোৱিন্দমিশ্ৰ আৰু কৃষ্ণমিশ্ৰ। স্বৰ্গদেউ ৰুদ্ৰসিংহ মিছাত বাহৰ কৰি থাকোঁতে মিশ্ৰসকলৰ অলৌকিক কাৰ্য দেখি তবধ মানিছিল আৰু ৩০০ বিঘা ভূমি দান দি সত্ৰ কৰিবলৈ সুবিধা কৰি দিছিল। ভোৰতাল বাদ্যাদিৰ হোৰোসহোৰোস্কৈ হোৱা শব্দৰ কাৰণে সত্ৰৰ নাম হোৰোসা হয়।[২১৭] তেওঁক দক্ষিণপটীয়া গোঁসায়ে মহন্ত পাতে।[২১৮]

## গ) কাল-সংহতি

*শ্ৰীৰাম আতাৰ পৰা বঢ়া ঃ* *(নগাঁও জিলাৰ সত্ৰ দ্ৰষ্টব্য)*

### ভলাগুৰি সত্ৰ ঃ

পূবথৰীয়া মৌজাৰ ভলাগুৰিত অৱস্থিত।

গোপাল আতাৰ দুজন ব্ৰাহ্মণ শিষ্যৰ শ্ৰীৰামআতা অন্যতম ধৰ্মাচাৰ্য। শ্ৰীৰাম আতাক গোপাল আতাই তেওঁৰ প্ৰধান সত্ৰ কালঝাৰৰ দায়িত্ব অৰ্পণ কৰি উজনিলৈ ধৰ্ম প্ৰচাৰাৰ্থে যাবলৈ বাৰণ কৰি যায়। গুৰুৰ আজ্ঞামতে শ্ৰীৰাম আতাই সুচাৰুৰূপে কালঝাৰ সত্ৰ চলায়। শ্ৰীৰাম আতাৰ প্ৰথমা ভাৰ্যাৰ পুত্ৰ ৰামানন্দ। দ্বিতীয় ভাৰ্যাৰ পুত্ৰ পৰমানন্দ বয়সত জ্যেষ্ঠ হ'লেও শ্ৰীৰামআতাই ৰামানন্দকে কালঝাৰ সত্ৰৰ দায়িত্ব দিয়ে। কিন্তু দুষ্ট চক্ৰৰ পৰা অশান্তি পাই ৰামানন্দ ভক্তসঙ্গে লুইতেৰে উজাই আহি থাকৰুডুবি নামৰ ঠাইত নাও বান্ধে। সেই ক্ষণতে মোগল সেনানীক যুদ্ধত পৰাস্ত কৰি লাচিত বৰফুকনে ৰাজবিষয়াসহ আহি ৰামানন্দত শৰণ লয়। তাৰ ওচৰতে থকা আহোম ৰজাৰ ভেদেলী বৰুৱা আৰু তেওঁৰ তদাবকত থকা ভাণ্ডাৰ আন ঠাইলৈ স্থানান্তৰিত কৰি ৰামানন্দৰ ধৰ্ম-কাৰ্য চলাবলৈ সত্ৰৰ বাবে মাটি-বাৰী দান কৰে আৰু আতাই তাতে ভেদেলী ভাণ্ডাৰ সত্ৰ স্থাপন কৰিলে। কিছু দিন পিছত তাত ধৰ্ম-কাৰ্য চলাই শান্তি নাপাই ভেদেলি ভাণ্ডাৰ নামে জনাজাত থান এৰি তাৰ পৰা পূবপিনে জগন্নাথ আৰু সনাতন ভূঞা নামৰ দুই ককাই-ভায়ে দিয়া মাটিত এজোপা ভলাগছৰ তলত কীৰ্ত্তন-ঘৰ, বহা, চাৰিহাটীৰে ১৬৭১ খ্ৰীঃত সত্ৰ স্থাপন কৰে আৰু সেই সত্ৰৰ নাম ভলাগুৰি হয়। ৰামানন্দৰ পিছত সত্ৰৰ অধিকাৰৰ পদত ৰামগোৱিন্দ অধিষ্ঠিত হয়। ৰামগোৱিন্দই ভৱিষ্যত পুত্ৰসকলৰ মাজত সত্ৰাধিকাৰ লৈ কাজিয়া-পেচাল নালাগিবলৈ জ্যেষ্ঠানুসাৰে অধিকাৰ পদ লবলৈ উপদেশ দি ভলাগুৰি সত্ৰৰ পৰা ফাটি গৈ আন ঠাইত ভলাগুৰি নামৰ সত্ৰ পাতিবলৈ বাৰণ কৰি যায়।[২১৯] সত্ৰৰ বিগ্ৰহ কলীয়া গোসাঁই।

ভলাগুৰি সত্ৰৰ ধৰ্ম-সাহিত্য-সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰত বৰঙণি উল্লেখযোগ্য। নৃত্য-গীত-ভাওনা আৰু সত্ৰীয়াসকলৰ সাহিত্য-ৰচনা আৰু পাণ্ডিত্যৰ পৰিচয় পোৱা যায়। গীত-পদ, ভাওনা তথা নাট্য-সম্ভাৰত ভলাগুৰি সত্ৰৰ অৱদান অনন্য।

সত্ৰৰ আদিজনা শ্ৰীৰাম আতা আৰু তেওঁৰ পুত্ৰ সত্ৰ প্ৰতিষ্ঠাতা ৰামানন্দ-গীতিকাৰ-নাট্যকাৰ আছিল। 'শ্ৰীৰাম আতা আৰু শ্ৰীৰামানন্দৰ গীত' উচ্চাঙ্গ আধ্যাত্মিক গীতৰ পুথি। ৰামানন্দৰ 'গুৰুচৰিত' শ্ৰীমহাপুৰুষ শঙ্কৰদেৱৰ জীৱন-লীলা বিষয়ক চৰিত পুথি। ভলাগুৰি সত্ৰত যে নাট-ভাওনাৰ চৰ্চাৰ পয়োভৰ বেছি আছিল তাক সত্ৰত ৰচনা কৰা নাটৰ সংখ্যাধিকৰ পৰা বুজিব পাৰি। বিভিন্ন তথ্যমতে এই সত্ৰৰ নাটৰ সংখ্যা পঞ্চাশতকৈ অধিক আৰু নাট ৰচোঁতাও প্ৰায় কুৰিজন। *(গ্ৰন্থৰ নাট্য-সম্ভাৰ দ্ৰষ্টব্য)* প্ৰয়াত খগেশ্বৰ গোস্বামী ৰচিত স্বৰ্গীয় হৰেশ্বৰ গোস্বামী সম্পাদিত 'শ্ৰীৰাম আতাৰ চৰিত্ৰ' সত্ৰৰ ঐতিহ্য-সংস্কৃতিৰ মূল্যবান গ্ৰন্থ। শ্ৰীগকুল গোস্বামীৰ ভাৰ্যা শ্ৰীপ্ৰণতি গোস্বামীয়ে মাধৱদেৱ বিৰচিত 'নামঘোষা' পুথি উৰিয়া ভাষালৈ অনুবাদ কৰিছে।

'ভলাগুৰি সত্ৰ'ৰ গুৰুশৈলীঃ আদিজনা শ্ৰীৰামআতা—অধিকাৰঃ ৰামানন্দ–ৰামগোৱিন্দ–ব্ৰজভূষণ–পদ্মনাথ–ভৱদেৱ–মহেশ্বৰ–হৰিদেৱ–মধুদিশ–কৃষ্ণনাথ–জগন্নাথ–থিৰেশ্বৰ–নৰনাথ–তীৰ্থচন্দ্ৰ–যোগেশ্বৰ–লক্ষ্মীনাথ–লোকনাথ–দুৰ্লভ আৰু বৰ্তমান শ্ৰীজিতেন্দ্ৰ নাথ গোস্বামী।[২২০]

### আমগুৰি কৰতিপাৰ পুৰণি সত্ৰ ঃ

কলিয়াবৰ চতিয়ালত অৱস্থিত।

শ্ৰীৰাম আতাৰ ২য়া ভাৰ্যাৰ পুত্ৰ পৰমানন্দ। পৰমানন্দ কালঝাৰত প্ৰতিষ্ঠা কৰা পোৱাভাণ্ডাৰ সত্ৰত কিছুদিন থাকি তাৰ পৰা উজাই আহি কলিয়াবৰৰ

খৰঙ্গী বৰুৱাৰ গাঁৱত (বৰ্ত্তমান বৰুৱা চুক) এডাল প্ৰকাণ্ড আমগছৰ গুৰিত ১৬৫০ খ্ৰীঃত (ৰাজেশ্বৰ সিংহৰ ৰাজত্বকালত) এখন সত্ৰ স্থাপন কৰে। আমগছৰ গুৰিত পতা কাৰণে সত্ৰৰ নাম আমগুৰি হয়। বৰ্তমান এই নাম লুপ্ত। পৰমানন্দৰ পুত্ৰ যদুদেৱে আমগুৰি সত্ৰৰ দায়িত্ব পায়। তেওঁ কলিয়াবৰৰ সত্ৰ স্থাপন কৰিবলৈ স্বৰ্গদেউ জয়ধ্বজ সিংহৰ পৰা একঢোল মাটি পাইছিল।[২২১] কালক্ৰমত তেওঁ মাজুলীলৈ গৈ কৰতীয়া বিলৰ পাৰত সত্ৰ এখনি পাতে আৰু সত্ৰৰ নাম বিলৰ নামেৰে কৰতিপাৰ হয়। মতান্তৰে মাজুলীত কৰতি ভূঞা নামৰ এজনৰ পৰামৰ্শেৰে পচতীয়া সুঁতিৰ পাৰত এই সত্ৰ পাতে। কলিয়াবৰ আমগুৰি আৰু মাজুলীৰ কৰতিপাৰ দুয়োখন সত্ৰ এই বংশই কেৱাপুৰুষো চলাইছিল। নগাঁৱৰ আমগুৰি সত্ৰ কৰতিপাৰ (পুৰণি) নামে খ্যাত হৈ পৰে।[২২২] সাতপুৰা মাহ-চাউল ধৰা পিতলৰ বৰশৰাই আৰু ছকুৰিকৈ চাকি জ্বলোৱা দুখন বৰগছা (বৰ্ত্তমান ভগাছিগা অৱস্থাত) আৰু নাট্যকাৰসকলৰ নাটসমূহ সত্ৰখনিৰ গৌৰৱময় সম্পদ। যোগেশ্বৰ, অনন্তদেউ আৰু ৰত্নকান্তই প্ৰায় চব্বিশখন নাট কাটিছিল। *(গ্ৰন্থৰ নাট্য-সম্ভাৰ দ্ৰষ্টব্য)* । সত্ৰৰ মূৰ্ত্তি বাসুদেৱ আৰু কলীযা বংশীবাদন।

অমূল্য পুথিসমূহ নগাঁৱৰ অসম-তাত্ত্বিক অনুসন্ধান সমিতিয়ে নিয়া বুলি সত্ৰৰ পৰিচালকে জনাইছে।

সত্ৰাধিকাৰৰ ক্ৰমঃ পৰমানন্দ–যদুদেউ–হৰিদেউ–ৰামদেউ–প্ৰাণনাথ–বাসুদেউ–মহেশ্বৰ–যোগেশ্বৰ–অনন্তদেউ–ফণেশ্বৰ–ৰুদ্ৰকান্ত। বৰ্তমান অধিকাৰ পতা হোৱা নাই।

### আমগুৰি কৰতিপাৰ নসত্ৰ ঃ

কলিয়াবৰ চতিয়ালৰ হাটবৰত ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত অৱস্থিত।

পৰমানন্দ আতাৰ চতুৰ্থ পুৰুষ প্ৰাণনাথৰ দুই ভাৰ্যাৰ দুই পুত্ৰ বাসুদেৱ আৰু মহেশ্বৰ। প্ৰাণনাথৰ প্ৰথম ভাৰ্যাৰ পুত্ৰ মহেশ্বৰ কলিয়াবৰ আমগুৰিত থকা কালত তেওঁৰ দ্বিতীয়া ভাৰ্য্যাৰ পুত্ৰ বাসুদেৱ মাজুলীৰ কৰতিপাৰত সত্ৰৰ অধিকাৰ হয়। মহেশ্বৰ কলিয়াবৰৰ আমগুৰিত অধিকাৰ হোৱাত কলিয়াবৰ আৰু মাজুলীৰ কৰতিপাৰ সত্ৰত দুজনা অধিকাৰৰ পৰিচালনাত দুখন সুকীয়া সত্ৰ হ'ল। এই লৈ দুয়ো পক্ষই দিয়া গোচৰত ৰাজকীয় বিচাৰমতে মহেশ্বৰৰ পুত্ৰ যোগেশ্বৰে কৰতিপাৰৰ স্বত্ব পায়। সত্ৰ-বিষয়ক মনোমালিন্যৰ কাৰণে বাসুদেৱে মূলসত্ৰৰ পৰা ডেৰকিলোমিটাৰ মান উজাই গৈ নতুনকৈ এখনি সত্ৰ পাতিলে। আতাই মেলেকা বৰুৱাৰ বাৰী মাটি লৈ ১৮৫৪ খ্ৰীঃত সত্ৰ প্ৰতিষ্ঠা কৰে। সত্ৰখন কৰতিপাৰ ন-সত্ৰ নামে জনাজাত হয়। নামঘৰ, মণিকূট, বহাদিৰে উন্নত আৰু বহুত শিষ্যৰে সত্ৰখন সমৃদ্ধ। কেইবাজনো নাট্যকাৰে ৰচনা কৰা নাটক আৰু 'সচিত্ৰ ৰত্নাৱলী' পুথি এই



সত্ৰৰ অমূল্য সম্পদ।[২২৩] বৰ্ত্তমান সচিত্ৰ পুথিভাগ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগত সংৰক্ষিত বুলি সত্ৰাধিকাৰে জনাইছে আৰু সত্ৰৰ আপুৰুগীয়া সম্পদভাগ সত্ৰত প্ৰদৰ্শন কৰিব নোৱাৰা বাবে খেদ প্ৰকাশ কৰিছে।

ন-সত্ৰ প্ৰতিষ্ঠা হোৱাৰ পৰা সত্ৰৰ গুৰুশৈলীঃ বাসুদেউ–জয়দেউ–পূৰ্ণকান্ত–মহেন্দ্ৰ আৰু বৰ্তমান শ্ৰীপ্ৰবীণ গোস্বামী।

*॥শ্ৰীৰাম আতাৰ পুত্ৰাদিৰ পৰা বঢ়া॥*

### আহঁতগুৰি (গোন্ধামৰা) ঃ

কলিয়াবৰ-পূৱথৰীয়া মৌজাত অৱস্থিত।

শ্ৰীৰাম আতাৰ পুত্ৰ ৰামানন্দই মাজুলীত আতন বাঁহগড়ীয়া সন্দিকৈ বুঢ়াগোঁহায়ে দান দিয়া মাটিত এজোপা আঁহতগছৰ গুৰিত প্ৰথম সত্ৰ স্থাপন কৰে। তেওঁৰ জ্যেষ্ঠ পুত্ৰ ৰামগোপালক অন্তিম কালত সত্ৰৰ দায়িত্ব দি প্ৰথম অধিকাৰ বৰণ কৰে। মাজুলী আহঁতগুৰি সত্ৰ কলিয়াবৰৰ পৰা বহু দূৰত হোৱা বাবে পূৱথৰীয়াৰ শিষ্যসকলৰ অসুবিধা দূৰ কৰিবলৈ আৰু মন সন্তুষ্টিৰ কাৰণে ৰামগোপালৰ দেহাৱসানৰ সময়ত থকা পিঠাখোৱা (গোধামৰা) গোন্ধামৰা সত্ৰৰ কুসুম্বৰ বৰাগী আতাক আনি আহঁতগুৰিত সত্ৰ পাতি দিয়ে। এই সত্ৰ আহঁতগুৰি গোন্ধামৰা নামেও জনাজাত। বৰাগী আতাই সত্ৰ ৰক্ষাৰ কাৰণে জামুগুৰিৰ বগাকুকুৱাৰ পৰা চাৰুচন্দ্ৰৰ পৰিনাতি শুক্ৰেশ্বৰক পোষ্যপুত্ৰ কৰি ৰাখি কলিয়াবৰৰ আঁহতগুৰি সত্ৰৰ দায়িত্ব দিয়ে। কলিয়াবৰ আঁহতগুৰিত অপুত্ৰক শুক্ৰেশ্বৰৰ পিছত পদ্মেশ্বৰ (পোষ্যপুত্ৰ), তেওঁৰ পিছত ক্ৰমে পুত্ৰ মোহনচন্দ্ৰ–অচ্যুত চন্দ্ৰ আৰু হেমচন্দ্ৰ অধিকাৰ হয়।[২২৪]

আঁহতগুৰি সত্ৰ উজনি আৰু মধ্য অসমৰ নানা ঠাইলৈ বিস্তৃত হয়। সত্ৰৰ লোকৰ সাহিত্য-সমাজ-সংস্কৃতিলৈ আগবঢ়োৱা অৰিহণা উল্লেখযোগ্য। সত্ৰৰ অধিকাৰসকলে কেইবাখনো নাট ৰচনা কৰিছিল। *(গ্ৰন্থৰ নাট্য–সম্ভাৰ দ্ৰষ্টব্য)*

### কৰতিপাৰ বগাজন ঃ

বৰভগীয়া মৌজাৰ কুঁৱৰীটোলত অৱস্থিত।

পৰমানন্দৰ ২য়া ভাৰ্যাৰ পুত্ৰ মাধৱানন্দই পুৰণা কৰতিপাৰ (আমগুৰি) সত্ৰৰ পশ্চিমাঞ্চলত ৰজাৰ পৰা এঢোল অৰ্থাৎ বৰঢোলৰ শব্দ যিমান দূৰলৈ শুনা যায় সেই পৰিমাণৰ মাটি গ্ৰহণ কৰি এখনি সত্ৰ স্থাপন কৰে।[২২৫] এইজন আতা সুঠাম, চকুত পৰা বগা ৰঙৰ লোক আছিল আৰু সেইকাৰণে লোকে তেওঁক 'বগাজন' বুলিছিল আৰু সত্ৰৰ নামো বগাজন হয়। সত্ৰৰ সমাজ-সাংস্কৃতিক আৰু নাট-ভাওনাৰ অৱদান স্বীকৃত। শিচ্-ভকতৰ সহায়-সহযোগত কীৰ্ত্তন-ঘৰ

গাম্ভীৰ্যপূৰ্ণ আৰু দেখনিয়াৰ কৰি নাম-প্ৰসঙ্গ, উৎসৱ-পৰ্ব, ভাওনা আদি পৰম্পৰাগতভাৱে চলাই আছে। বগাজন সত্ৰৰ থিবচন্দ্ৰদেৱে কুৰিখনতকৈ অধিক নাট-সম্ভাৰ অসমীয়া নাট-সাহিত্যলৈ আগবঢ়াই গৈছে। *(গ্ৰন্থৰ নাট্য-সম্ভাৰ দ্ৰষ্টব্য)*

সত্ৰৰ গুৰু শৈলী ঃ শ্ৰীৰাম আতাৰ নাতি মাধৱানন্দ–মহদানন্দ–লক্ষ্মীনাৰায়ণ–বিশ্বম্ভৰ–নিৰঞ্জন–জীৱনাৰায়ণ–থীৰচন্দ্ৰ–মাণিকচন্দ্ৰ–যোগেন্দ্ৰ–জীৱেশ্বৰ–হেমচন্দ্ৰ।[২২৬]

*॥পুৰুষোত্তম আতাৰ পৰা বৰ়া সত্ৰ॥*

### পুৰুষোত্তম ঃ

*ভবানীপুৰীয়া গোপাল আতাই পতা ধৰ্মাচাৰ্য।*

*লক্ষীমপুৰ জিলাৰ নাৰায়ণপুৰত জন্ম লাভ কৰা পুৰুষোত্তম নামনিলৈ ভটীয়াই গৈ ভবানীপুৰত গোপাল আতাক সাক্ষাৎ কৰি তেওঁৰ পৰা ধৰ্মবস্তু গ্ৰহণ কৰে। পুৰুষোত্তমে উজনিৰ নাৰায়ণপুৰলৈ গৈ ধৰ্ম প্ৰচাৰৰ কাৰণে এখন কাঠনিবাৰী পৰিষ্কাৰ কৰি লৈ এখনি সত্ৰ স্থাপন কৰে। সেই সত্ৰক কাঠপাৰ সত্ৰ বোলা হয়। সত্ৰ ৰাজ-তালিকাভুক্ত নোহোৱাত কাকতীয়ে ৰজাক বিচাৰ দিয়ে। সেইমৰ্মে ৰজা জয়ধ্বজ সিংহই সত্ৰৰ ভকতসকলক ৰাজচ'ৰাত হাজিৰ হ'বলৈ আদেশ দিয়াত ভকতসকলক লগত লৈ পুৰুষোত্তম ৰাজসভাত হাজিৰ হ'ল। ৰজাই ইমান মকমকীয়া দেখনিয়াৰ মানুহবোৰ ক'ৰ পৰা আহিছে জানিব বিচৰাত মন্ত্ৰীয়ে কাঠনিবাৰীত সত্ৰ পতা ভকতসকল বুলি ক'লে। লগে লগে ৰজাই সুস্বাস্থ্যৰ মকমকীয়া গোসাঁই-ভকতসকল থকা সত্ৰক মাকোৱাৰী সত্ৰ বুলিলে আৰু আনন্দমনেৰে সত্ৰৰ নামত মাটি-বাৰী দান কৰি তামৰ ফলি কৰি দিলে।[২২৭] সেই সত্ৰই পৰৱৰ্তী কালত নগাঁৱৰ কলিয়াবৰ অঞ্চললৈ সম্প্ৰসাৰিত হয়।*

### কাঠপাৰ বৰভাগ ঃ

পূবথৰীয়া মৌজাৰ বৰভকতি গাঁৱত।

মানৰ আক্ৰমণত কাঠপাৰ সত্ৰৰ পৰৱৰ্তী পুৰুষ প্ৰেমভূষণ ঘৰ-সম্পত্তি এৰি অত্ৰপত্ৰ আমগছৰ তলত পুতি থৈ ব্ৰহ্মপুত্ৰৰ পাৰত থকাত কলেৰাত আক্ৰান্ত হৈ অনেক ভকতৰ প্ৰাণ হানি হয়। বাছি থকা সকল বৰুৱাবামুণ গাঁৱৰ ওচৰৰ তেলিয়া সোণাৰীত সত্ৰ-গৃহ কৰি থাকে। তাত দুই পুৰুষ থকাৰ পিছত ভটীয়াই আহি নগাঁৱৰ কলিয়াবৰত থিতাপি লয়। প্ৰেমভূষণৰ নাতি ধৰ্মনাথে ১৮৫৩ খ্ৰীঃত কলিয়াবৰ বৰভকতিত সত্ৰ পাতে। সত্ৰৰ আদিজনা পুৰুষোত্তমৰ বৰনাতি সদানন্দৰ পৰা বৰ়া ভাগক কাঠপাৰ বৰভাগ সত্ৰ বোলা হয়।[২২৮]

কলিয়াবৰ কাঠপাৰ সত্ৰৰ প্ৰতিষ্ঠাতা ধৰ্মনাথ আৰু ব্ৰজনাথ-যোগেন্দ্ৰদেৱে



কেইবাখনো নাট লিখিছিল। *(গ্ৰন্থৰ নাট্য-সম্ভাৰ দ্ৰষ্টব্য)*

কলিয়াবৰলৈ অহাৰ পূৰ্বে সত্ৰ-প্ৰতিষ্ঠাপক পুৰুষোত্তমৰ পৰা সত্ৰাধিকাৰৰ ক্ৰমঃ পুৰুষোত্তম–গকুলচন্দ্ৰ–সদানন্দ–ব্ৰহ্মানন্দ–সন্তভূষণ–প্ৰেমভূষণ–জগমোহন আৰু কলিয়াবৰত কাঠপাৰ সত্ৰ প্ৰতিষ্ঠাতা ধৰ্মনাথ–ব্ৰজনাথ–যোগেন্দ্ৰ। বৰ্তমান শ্ৰীজগন্নাথ গোস্বামীয়ে সত্ৰভাগ চোৱা-চিতা কৰি আছে।[২২৯]

### কাঠপাৰ সৰুভাগ ঃ

কাঠপাৰ বৰভাগ সত্ৰৰ নাতিদূৰত পূবথৰীয়াতে অৱস্থিত। পুৰুষোত্তমৰ সৰুনাতি চিদানন্দৰ ঠালৰ বিশ্বনাথদেৱ। তেওঁ ধৰ্মনাথৰ সময়তে ভটীয়াই আহি কলিয়াবৰ পূবথৰীয়াত  আন এখন সত্ৰ পাতে।[২৩০] সেইভাগ সত্ৰই কাঠপাৰ সৰুভাগ নাম পায়। পুত্ৰানুক্ৰমে সত্ৰৰ অধিকাৰ পতা হয়। বিশ্বনাথৰ জ্যেষ্ঠপুত্ৰ নিত্যানন্দই সত্ৰভাগ উঠাই নি গহপুৰ মৌজাৰ বালিজানত স্থাপন কৰে।

*॥নাৰায়ণ আতাৰ পৰা বৰ়া সত্ৰ॥* *(নগাঁও মহকুমাৰ সত্ৰ দ্ৰষ্টব্য)*

### দহঘৰ কলিয়াবৰ ঃ

কলিয়াবৰ পূবথৰীয়া মৌজাৰ ওপৰ-পূবথৰীয়াত। লুইতৰ গৰাখহনীয়াত সত্ৰখন স্থানান্তৰ কৰি উত্তৰ লক্ষীমপুৰৰ সাউকুছিৰ পৰা গোপীনাথৰ তৃতীয় গৰাকী ভাৰ্যা ভটীয়াৰ জীৱ পুত্ৰ কৃষ্ণানন্দৰ নাতি-পৰিনাতি কলিয়াবৰলৈ আহি সত্ৰ স্থাপন কৰে। চাৰি-প্ৰসঙ্গ, তিথি-উৎসৱেৰে সত্ৰখন চলি আছে। নতুন সত্ৰ-গৃহৰে মধ্যমীয়া অৱস্থা। শিষ্য-প্ৰশিষ্য কম।

*॥সৰু যদুমণিৰ পৰা বৰ়া॥* *(নগাঁও মহকুমাৰ সত্ৰ দ্ৰষ্টব্য)*

### সৌকাজান গজলা ঃ

কলিয়াবৰৰ শিলঘাট ৰাস্তাৰ দাঁতিত চামধৰাত অৱস্থিত আছিল। ভবানীপুৰীয়া গোপাল আতাই পতা ধৰ্মাচাৰ্য সৰু যদুমণি। মাজুলীৰ গজলা নৈৰ পাৰত সত্ৰ স্থাপন কৰা বাবে তেওঁ গজলা আতা নামে খ্যাত। আতাই উজনিৰ পৰা ভটীয়াই আহি নগাঁৱত থিতাপি লৈ কলিয়াবৰৰ চামধৰাত এখন সত্ৰ পাতে।[২৩১] সত্ৰখনৰ নাম সৌকাজান গজলা। ঊনবিংশ শতিকাত সত্ৰৰ লোক ভটীয়াই গৈ নগাঁৱৰ পৰা ১৫ কি.মি. পশ্চিমৰ জাজৰিত থিতাপী লৈ সত্ৰভাগ প্ৰতিষ্ঠা কৰে। বৰ্ত্তমান কলিয়াবৰৰ সত্ৰভাগ বিলুপ্ত।

## ২০২ মৰিগাঁও জিলা/মহকুমাৰ সত্ৰ ঃ

*মৰিগাঁও অবিভক্ত নগাঁও জিলাৰ অন্তৰ্গত মহকুমা আছিল।*

*১৯৭২ খ্ৰীঃৰ ২৬ জানুৱাৰীত মহকুমাৰূপে স্বীকৃত মৰিগাঁও মহকুমাটি ১৯৮৯ খ্ৰীঃৰ ১৪ অক্টোবৰত মৰিগাঁও জিলা বুলি ঘোষিত হয়। মৰিগাঁও মহকুমা বা জিলা নগাঁও মহকুমাৰ মহাবাহু ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰত কামৰূপ জিলাৰ পূবত অৱস্থিত। অবিভক্ত নগাঁও জিলাৰ মৰিগাঁও মহকুমা বৰ্ত্তমান মৰিগাঁও জিলাৰ একমাত্ৰ মহকুমা। নগাঁও জিলা দ্বিখণ্ডিত হোৱাত কেইখনমান চৰিত পুথিত শঙ্কৰদেৱৰ জন্মস্থান বুলি উল্লেখ থকা আলিপুখুৰী মৰিগাঁও জিলাৰ অন্তৰ্ভুক্ত হৈছে। বিভিন্ন জাতি-জনজাতিৰ বাসস্থান মৰিগাঁও মহকুমা বা জিলাত ঐতিহ্যমণ্ডিত কালশিলীয়া, শলগুৰীয়া, পুৰুষ-কাল-ব্ৰহ্ম সংহতিৰ কেইবাখনো সত্ৰৰ উপৰিও চৈতন্যীয়া সত্ৰ কেইখনমানো অসমীয়া সত্ৰৰ আৰ্হিত চলে। সত্ৰৰ সংখ্যা প্ৰায় সাতত্ৰিশখন, কোনো কোনো সত্ৰ বিলুপ্ত আৰু লুপ্তপ্ৰায়।*

### আলিপুখুৰী/পাটেকীবৰী ঃ

ধিং-মৈৰাবাৰী পথত। মৈৰাবাৰী বাছ আস্থানৰ পৰা আঢ়ৈ কি.মি. দক্ষিণ-পশ্চিমত অৱস্থিত।

বৰদোৱা মহাপুৰুষ শঙ্কৰদেৱৰ ভক্তিধৰ্ম প্ৰৱৰ্তনৰ থান-সত্ৰ বুলি সৰ্বজন-বিদিত। শঙ্কৰদেৱে ৰচনা কৰা গ্ৰন্থৰ আত্ম-পৰিচয়ত 'বটদ্ৰৱা বা বৰদোৱা নামে গ্ৰাম'ৰ উল্লেখ, গুৰুনাতি পুৰুষোত্তমৰ 'থান-বৰ্ণন-গীত'ত "জয় জয় বটদ্ৰৱা বৈকুণ্ঠ দৃতয়। সেই থানে নিজগুৰু ভৈলন্ত উদয়॥", কালিন্দী আয়ে নাতিবোৱাৰী আই কনকলতাক শঙ্কৰদেৱৰ থান বৰদোৱাৰ উল্লেখ আৰু কোনো কোনো পদ-চৰিতত শঙ্কৰদেৱৰ জন্মস্থান বৰদোৱা বুলি লিখা বাবে শঙ্কৰদেৱৰ জন্মস্থান বৰদোৱা বুলি ঠাৱৰ কৰা হৈছে। শঙ্কৰদেৱ বিৰচিত গ্ৰন্থত আলিপুখুৰীৰ উল্লেখ নথকাৰ পৰা শঙ্কৰদেৱে আলিপুখুৰীক বৰদোৱাৰ পৰা অভিন্ন বুলি গণ্য কৰিছিল বুলি ভাবিব পাৰি। কিন্তু 'কথা-গুৰুচৰিত' বা 'গুৰুচৰিত কথা', 'বৰদোৱা গুৰুচৰিত' আনকি ৰামচৰণ ঠাকুৰ গুৰু চৰিতে শঙ্কৰদেৱৰ জন্মস্থান আলিপুখুৰী বুলি নিৰ্দেশ কৰিছে। সেইবাবে আলিপুখুৰীৰ অনুসন্ধান প্ৰয়োজন হৈ পৰিল। আলিপুখুৰীক কিছুমান আলোচকে শঙ্কৰদেৱৰ জন্মস্থান বুলি গণ্য কৰিছে। অৱশ্যে চৰিতবোৰৰ বৰ্ণনাৰ বহুক্ষেত্ৰত মিল পৰিলক্ষিত নহয়। চৰিত কেইখনৰ বৰ্ণনামতে আলিপুখুৰীৰ আভাস ঃ শঙ্কৰদেৱৰ আজোককাক ৰাজধৰে ২৫ বছৰ টেম্বুৱানী জানৰ কাষত ঘৰ-বাৰী কৰি শস্য-মৎস্যেৰে উভৈনদীৰ বটদ্ৰৱাত কটাই পানীৰ উপদ্ৰৱত ভূঞাসকলৰ আলাই-আথানি দেখি ৬২ বছৰ বয়সত তাৰ পৰা উঠি গৈ অলপ দূৰৈৰ এখন সুচল ঠাইত[২৩২] ৰটাত কিছুবছৰ থাকি ভোটৰ উপদ্ৰৱত ব্ৰহ্মপুত্ৰৰ



সিপাৰত (দক্ষিণ পাৰে) চাৰি হদকৈ আলি বান্ধি, পুখুৰী খান্দি বহিল। আলিপুখুৰী গ্ৰাম বোলে।[২৩৩]

উক্ত চৰিতমতে আলিপুখুৰী শঙ্কৰদেৱৰ জন্মক্ষেত্ৰ, শিশু-বাল্য-লীলা, বিদ্যা-শিক্ষা, শাস্ত্ৰ অধ্যয়ন-চৰ্চাৰ স্থান আৰু আধ্যাত্মিক-সাংস্কৃতিক জ্ঞান লাভ আৰু প্ৰসাৰৰ থলী। শঙ্কৰদেৱে বত্ৰিশ বছৰ বয়সত তীৰ্থলৈ গৈ বাৰ বছৰে অন্তে দুকুৰি চাৰি বছৰত ঘূৰি আহিছিল আলিপুখুৰীৰ গৃহলৈ। ইয়াত চৌৱন্ন বছৰত দ্বিতীয় বিবাহো সম্পন্ন কৰে[২৩৪] আৰু তিনিকুৰি বছৰ বয়সতহে অসুবিধা পাই ভূঞাসকল সমন্বিতে উঠি গৈ বৰদোৱাত বংশৰ পুৰণা ভেটি উলিয়াই বসবাস কৰি সাত বছৰ কাল থাকি নামঘৰ-মণিকূট, ভকতৰ বহাদিৰে পূৰ্ণাঙ্গ থান বা সত্ৰ স্থাপন কৰে।[২৩৫]

সম্ভৱতঃ আলিপুখুৰী বৰদোৱাৰ ভিতৰৰে এডোখৰ ঠাই আছিল। বৰদোৱাৰ পৰা আলিপুখুৰী ভিন্ন কৰিব নোৱাৰা বাবে হয়তো মহাপুৰুষ শঙ্কৰদেৱে তেওঁৰ বিৰচিত গ্ৰন্থসমূহত আলিপুখুৰীৰ নাম কতো উল্লেখ কৰা নাই। কেউখন গ্ৰন্থতে "বৰদোৱা নামে গ্ৰাম"ৰ কথাহে উল্লেখ কৰিছে। এই প্ৰসঙ্গত 'ৰুক্মিণী হৰণ' কাব্য (পদ ৫৩০-৫৩৫), 'হৰিশ্চন্দ্ৰ উপাখ্যান' (পদ ২৯১-২৯৪), 'দশম' (১৪৭৫-৭৬) আদি উল্লেখযোগ্য। ডঃ নেওগৰ ভাষাত 'বৰদৱা-বৰদোৱা গ্ৰাম' এক বৃহৎ জনপদ আছিল আৰু আলিপুখুৰী সেই জনপদৰ এক অংশ মাত্ৰ।[২৩৬]

শঙ্কৰদেৱে ৬৭ বছৰত বৰদোৱা ত্যাগ কৰাৰ পাছত বৰদোৱাৰ দৰে আলিপুখুৰীও ভকত-সজ্জন, ভূঞাসকলৰ পৰিত্যক্ত হোৱাত নানা বিপৰ্যয়ৰ ফলত তাৰ সাংস্কৃতিক ঐতিহ্য নিশ্চিহ্ন হৈ পৰে। চৰিত পুথিত আলিপুখুৰী শঙ্কৰদেৱৰ জন্মস্থান বুলি উল্লেখ থকা আৰু প্ৰচলিত জনশ্ৰুতিমতে ১৯২৪ খ্ৰীঃত মৌজাদাৰ ভূধৰ বৰকাকতীয়ে ঐতিহ্য ৰক্ষাৰ বাবে দ-পিটনিৰ পৰা শিৱলিঙ্গ উদ্ধাৰ কৰি সেয়াই শঙ্কৰদেৱৰ পিতৃ কুসুম্বৰৰ শিৱপূজাৰ স্থান বুলি নামঘৰ-মণিকূট সজোৱায়। সেই থান সংৰক্ষণৰ কাৰণে মাটি হাকিম কমলনাথ মজুমদাৰে ১৯৩০-৩১ত ৫০ বিঘা নিষ্কৰভূমি দিয়ে। উল্লেখযোগ্য যে নগাঁও জিলাৰ উপায়ুক্ত মোঃ মহিবুদ্দিন আহমেদে ১৯৫৯ চনত অসম চৰকাৰৰ পৰা বৰথলদলৈ গাঁৱত ৫২ বিঘা ৪ কঠা ১৫ লোচা মাটি থানৰ নামত আবন্টন দিয়ে। কিন্তু মাটিখিনি বেদখলকাৰীৰ গ্ৰাসত।[২৩৭]

ডঃ ৰবীন্দ্ৰ দেৱ চৌধুৰীৰ মতে কনকলতা আয়ে বৰদোৱা উদ্ধাৰ কৰিবলৈ অহা সময়ত আলিপুখুৰী পুনৰ্জীৱিত হৈছিল। ধিং-মৈৰাবাৰীৰ ওচৰৰ জনজাতীয় লোকসকলে সত্ৰখন চোৱা-চিতা কৰি আছিল। কিন্তু বৃটিছ যুগত পূৰ্ববঙ্গৰ পৰা অহা পমুৱাৰ সোঁতত আলিপুখুৰী সত্ৰ নিশ্চিহ্ন হৈ যায়।[২৩৮]

সংগ্ৰহালয় সঞ্চালকালয়ৰ আগ্ৰহত সেই সময়ৰ মৰিগাঁও জিলাৰ দণ্ডাধীশ

দীনেশচন্দ্ৰ চক্ৰৱৰ্তীৰ উদ্যোগ আৰু মৰিগাঁও জিলাৰ উপায়ুক্ত নীলিময় চৌধুৰীৰ নিৰ্দেশ মৰ্মে পমুৱাই বেদখল কৰা ৬৭ বিঘা মাটি মুক্ত কৰি সত্ৰ কমিটিক দিয়াৰ ব্যৱস্থা কৰাটো[২৩৯] উৎসাহজনক কথা। আমি আগষ্ট, ২০০৪ চনত থানলৈ গৈ দেখিলোঁ মাটি বেদখলমুক্ত হোৱা নাই। সত্ৰ পৰিচালক/সম্পাদকে জনোৱা মতে সত্ৰৰ মুঠ ৫২ বিঘা মাটিৰ ভিতৰত সত্ৰৰ দখলত প্ৰায় ১২ বিঘা মাটিহে আছে, অত থকা ঐতিহ্যমণ্ডিত 'চাউল ধোৱা' পুখুৰীটোৰ অৱস্থা দুখলগা। পুখুৰীটোত ওচৰৰ বাসিন্দাই গৰু আদি ধুৱাই অপবিষ্কাৰ কৰে। পুখুৰীটোত চাৰিওফালে পকা ওৱাল, কাটা টাঁৰৰ বেৰ দি সুৰক্ষিত কৰাটো ৰাইজ তথা চৰকাৰৰ জাতীয় কৰ্তব্য।

কুৰি শতিকাৰ ৩য় দশকৰ পৰা পবিত্ৰ থানখন পুনৰুদ্ধাৰৰ প্ৰয়াস চলিছে আৰু বৰ্ত্তমান নতুনকৈ কীৰ্তন-ঘৰ-মণিকূট আহল-বহলকৈ সজোৱা হৈছে। সত্ৰ-সংৰক্ষণৰ বাবে অসম চৰকাৰৰ সংগ্ৰহালয় সঞ্চালকে ১৯৮৮-৮৯ চনত নগাঁও জিলাৰ উপায়ুক্তৰ জৰিয়তে একলাখ টকাৰ অনুদান দিয়ে। তাৰ পিছতে বিধায়ক সাংসদ পুঁজি আদিৰে সত্ৰগৃহ নৱৰূপত সজোৱা হয়। থানত থকা অসুৰক্ষিত পুখুৰীটোৰ পাৰত প্ৰাচীন পাটনাদ বা পাটকুৰা আৰু পাটৰ চিন, আজিও বৰ্তমান। বৰি বা ওখত থকা বাবে পাটকুৰাৰ নামেৰে পাটেকীবৰি নাম হোৱা বুলি বহুতে মত দাঙি ধৰিছে। "কুসুম্বৰদেৱৰ আছে নাদ তিনি গোটা। তাতে পুতি থৈলা কিছু অম কাস লোটা।"[২৪০] বহু বছৰ পূৰ্বে সেই অঞ্চলত কপিলীপৰীয়া কুমাৰ বৃত্তিৰ লোক কিছুমানে তাত পাটনাদ বনাই জীৱিকা নিৰ্বাহ কৰিছিল বুলি জনা যায়। এই মৃত শিল্পীসকল পাটনাদ তৈয়াৰ কৰি বসবাস কৰা বৰিটোৰ নাম পাটেকীবৰি হয় বুলিও স্থানীয় লোকে কয়।[২৪১]

## ক) পুৰুষ সংহতি ঃ

বৰ্ত্তমান মৰিগাঁও জিলা বা অবিভক্ত নগাঁও জিলাৰ মৰিগাঁও অঞ্চলৰ সত্ৰসমূহৰ অনুসন্ধান কৰি মহাপুৰুষীয়া, দামোদৰী, চৈতন্যীয়া সত্ৰ পোৱা গৈছে। মহাপুৰুষীয়া পন্থৰ সত্ৰ পুৰুষ আৰু কালসংহতিৰ অন্তৰ্গত; দামোদৰী পন্থৰ সত্ৰ ব্ৰহ্ম সংহতিৰ অন্তৰ্গত। চৈতন্যীয়া সত্ৰসমূহো ব্ৰহ্ম সংহতিৰ বুলি কোৱা হয়। মৰিগাঁৱত হৰিদেৱী পন্থ আৰু নিকা সংহতিৰ সত্ৰ নাই।

*॥চতুৰ্ভুজ ঠাকুৰৰ আজ্ঞাপৰ অনন্ত আতাৰ সত্ৰ॥*

### কালশিলা সত্ৰ ঃ

মৰিগাঁও জিলাৰ মায়ঙৰ কালশিলা বিলৰ পাৰত অৱস্থিত। শ্ৰীমন্ত শঙ্কৰদেৱৰ খুৰাকৰ পুতেক ৰতিকান্ত ওৰফে হাথিয়া দলৈৰ পুত্ৰ ৰামচন্দ্ৰ। তেওঁৰ



কন্যাক ৰতিকান্তই সুকাইগিৰিৰ পুত্ৰ যদুদেৱক বিয়া দি যদুদেৱক পোষ্যপুত্ৰ কৰি ৰাখে। তেওঁবেই পুত্ৰ হৃদয়ানন্দ বা অনন্ত ঠাকুৰ। অনন্ত ঠাকুৰে বাবাদিৰ পৰা উজাই আহি মায়ং কালশিলা বিলৰ পাৰত থাকোঁতে বৰদোৱা পুনৰুদ্ধাৰৰ বাবে অহা আই কনকলতাক লগ পায় আৰু আইৰ আজ্ঞামতে মায়ঙৰ কালশিলা বিলৰ পাৰত সত্ৰ স্থাপন কৰে। সত্ৰ প্ৰতিষ্ঠাৰ সময় ১৬৪২ খ্ৰীঃ।[২৪২] আহোম ৰজা ৰুদ্ৰসিংহ আৰু দন্দুৱা ৰজাৰ এই সত্ৰখনৰ লগত সম্পৰ্ক আছিল। কালশিলা গোঁসাই সমগ্ৰ অঞ্চলতে জনাজাত আছিল। প্ৰাকৃতিক দুৰ্যোগ আৰু দন্দুৱা ৰজাৰ আগ্ৰহত সত্ৰখন তেওঁৰ পিছত স্থানান্তৰিত হয়। অনন্ত ঠাকুৰ আতাৰ অসমীয়া ধৰ্ম-সমাজ-সাহিত্য-সংস্কৃতিলৈ আগবঢ়োৱা অৱদান উল্লেখযোগ্য। তেওঁ 'শ্ৰীৰাম-কীৰ্ত্তন' আৰু 'প্ৰেমলতা' পুথিৰ প্ৰণেতা। অনন্ত আতাৰ নামত 'দুৰ্বাসা-ভোজন' আৰু 'সীতা-হৰণ' নামৰ দুখন নাটো পোৱা গৈছে।

*॥কালশিলাৰ পৰা বঢ়া সত্ৰসমূহ॥*

### দলৈচুবা সত্ৰ ঃ

মৰিগাঁৱৰ দন্দুৱা মৌজাৰ দলৈচুবাত অৱস্থিত। মৰিগাঁও নগৰৰ পৰা ৩ কিলোমিটাৰ পূৱত। কালশিলাৰ প্ৰাকৃতিক দুৰ্যোগৰ উপৰিও দন্দুৱা ৰজাৰ ইচ্ছানুযায়ী ৰাজবিষয়া বা দলৈসকল থকা ঠাইত মায়ঙৰ পৰা চল্লিশ কিলোমিটাৰ মান পূবে ৰাজেশ্বৰ সিংহৰ পৰা ৭০০ পূৰা ধৰ্মোত্তৰ ভূমি গ্ৰহণ কৰি ভুবনেশ্বৰে এখনি সত্ৰ স্থাপন কৰে। সত্ৰ প্ৰতিষ্ঠাৰ সময় ১৭১৪-১৭২৬ খ্ৰীঃৰ ভিতৰত। দলৈসকল বাস কৰা ঠাইৰ নামেৰে সত্ৰৰ নাম দলৈচুবা। নাম-প্ৰসঙ্গ, নাট-ভাওনা, সাঁচিপতীয়া পুথি, নৃত্য-গীত, ভাস্কৰ্য-শিল্প সকলো দিশতে নাম থকা স্বচ্ছল সত্ৰ। মৰিগাঁও জিলাৰ ঐতিহ্যপূৰ্ণ ডাঙৰ সত্ৰ। জনজাতি, পিচপৰা সম্প্ৰদায়ৰ অনেক শিচ-ভকতে এই সত্ৰত শৰণ লৈছিল। এতিয়াও সত্ৰই তিথি, উৎসৱ, নৃত্য-ভাওনা, নাম-কীৰ্ত্তন আদিৰে পৰম্পৰা ৰক্ষা কৰি আছে।

ৰাজেশ্বৰ সিংহ স্বৰ্গদেৱে সাতশ পূৰা মাটি ৪ ঘৰ প্ৰজা সহ ১৭৫৫ খ্ৰীঃত সত্ৰত তাম্ৰপত্ৰ কৰি দি ৰাজকীয় সন্মান দিছিল। এই সত্ৰত ৪২খন সাঁচিপতীয়া পুথি থকা বুলি জনা যায়।[২৪৩] সত্ৰৰ বৰ্তমান অধিকাৰ শ্ৰীসহদেউ মহন্ত আৰু ডেকা অধিকাৰ শ্ৰীযোচন্দ্ৰ মহন্ত।

### নাওকটা সত্ৰ ঃ

ভুবনেশ্বৰ আতাৰ ২য় পুত্ৰ দৈৱকীনন্দন প্ৰতিষ্ঠিত। দন্দুৱা মৌজাৰ দলৈচুবা কালশিলা সত্ৰৰ ওচৰতে অৱস্থিত।

ভুবনেশ্বৰৰ প্ৰথম পুত্ৰ ৰামদেৱে জ্যেষ্ঠানুসৰি দলৈচুবা সত্ৰৰ ধৰ্মাচাৰ্য

হোৱাত ২য় পুত্ৰ দৈৱকীনন্দনে কালশিলাৰ একে নিম্পিখেৰাজ ভূমিৰ এটা মৃৰত সুকীয়া কীৰ্ত্তন-ঘৰ সাজে। এই কীৰ্ত্তন-ঘৰক কেন্দ্ৰ কৰি যিভাগ সত্ৰ স্থাপন কৰা হ'ল সেইভাগক নাওকটা কালশিলা সত্ৰ বোলা হয়। পূৰ্বে দলৈচুবাৰ সত্ৰাধিকাৰ দুয়োখন সত্ৰৰ অধিকাৰ আছিল। পিচলৈ সুকীয়া হয়।[২৪৪] অনন্ত আতাৰ 'দুৰ্বাসা-ভোজন' নাট নাওকটা সত্ৰত পোৱা গৈছে। শিচ্-ভকত কম। সত্ৰভাগ যেনেতেনে চলি আছে। মহীকান্ত মহন্তৰ পৰলোকৰ পিছত বৰ্ত্তমান শ্ৰীএধান মহন্তই সত্ৰভাগ চলাই আছে।

### তৰাবৰি সত্ৰ ঃ

মিকিৰভেটো মৌজাৰ বৰঙাবাৰীৰ তৰাবৰিত অৱস্থিত। অনন্ত আতাৰ পুত্ৰ ভুবনেশ্বৰ। তেওঁৰ পুত্ৰ দৈৱকীনন্দনে নাওকটা সত্ৰ স্থাপন কৰাৰ কিছু বছৰ পিছত তেওঁৰ পৰিনাতি কৃষ্ণনাথে তৰাবৰিত থাকি এখনি সত্ৰ পাতে আৰু এই সত্ৰ ন-তৰাবৰি কালশিলা নামে খ্যাত। কিছুমানে দৈৱকীনন্দনে তৰাবৰি সত্ৰ পাতে বুলি কয়।[২৪৫] সত্ৰৰ নাম-প্ৰসঙ্গ, পালনাম, ভাওনা-গীত-পদৰ চৰ্চা উল্লেখযোগ্য। সেই অঞ্চলৰ পিচপৰা আৰু জনজাতীয় শিষ্যৰ সংখ্যা অধিক। জীৱিকা বা চাকৰিসূত্ৰে বংশৰ প্ৰায় লোক আন ঠাইত মাটি-বাৰী কিনি বসবাস কৰাত সত্ৰৰ ঐতিহ্য ম্লান পৰিছে। সত্ৰাধিকাৰ গুণকান্ত মহন্ত আৰু ডেকা সত্ৰাধিকাৰ মহেন্দ্ৰ নাৰায়ণৰ পৰলোকৰ পিছত অধিকাৰ পতা হোৱা নাই।

### তামুলীবৰি সত্ৰ ঃ

বৰঙাবাৰী অঞ্চলৰ তামুলীবৰিত অৱস্থিত। ভুবনেশ্বৰৰ নাতি ৰমাকান্তৰ পৰলোকৰ পিছত বৰপুত্ৰ দেবানন্দ অধিকাৰ হোৱাত তেওঁৰ ভাতৃ ব্ৰহ্মানন্দই ন-তৰাবৰি সত্ৰৰ পৰা ৩ কি.মি. দূৰত এখনি সত্ৰ স্থাপন কৰে।[২৪৬] তামোল থকা বৰিত পতা সত্ৰৰ নাম হয় তামুলীবৰি। আহোম ৰজাৰ কোনো তামুলী বিষয়া থকা ওখ বা বৰি কাৰণেও ঠাইখন তামুলীবৰি নামে জনাজাত হ'ব পাৰে আৰু সেইকাৰণে তামুলীবৰিত স্থাপিত সত্ৰভাগক তামুলীবৰি সত্ৰ বোলা হয়। নাম-প্ৰসঙ্গ, তিথি-পৰ্ব আদি ঐতিহ্যপূৰ্ণ আছিল। বৰ্ত্তমান পূৰ্বৰ ঐতিহ্য ম্লান হৈছে। তামুলীবৰিত স্তোককৃষ্ণৰ 'যদুবংশ ধ্বংস' নাট পোৱা গৈছে। শ্ৰীবটকৃষ্ণ মহন্ত বৰ্ত্তমান সত্ৰৰ অধিকাৰ।



### হাবিবৰঙাবাৰী সত্ৰ ঃ

বৰঙাবাৰীৰ তৰাবৰিত কৃষ্ণনাথ আৰু গোপীনাথ দুই ককাই-ভাইৰ মনোমালিন্য হোৱাত কনিষ্ঠ গোপীনাথে ন-তৰাবৰিৰ পৰা অলপ দূৰত হাবিবৰঙাবাৰীত থাকিবলৈ লয়।[২৪৭] তাতে তেওঁ এখন সত্ৰ পাতে। নামঘৰ-মণিকূটৰে সত্ৰখন যেনেতেনে চলে।

*॥নৰোৱা সত্ৰ॥*

### কুঁজি (কুঁজী) সত্ৰ ঃ

শিলপুখুৰী মৌজাৰ মিকিৰভেটো ৰাজহচক্ৰৰ অন্তৰ্গত কুঁজিত অৱস্থিত। নগাঁও নগৰৰ পৰা পশ্চিমে ৩৭ নং ৰাষ্ট্ৰীয় পথৰ বাওঁফালে বেবেজীয়া-কুঁজীডাহ-জাজৰি-দলংঘাটেৰে ২৫ কি.মি. দূৰত।

চতুৰ্ভুজ পত্নী আই কনকলতাৰ লগত আহি বৰদোৱা পুনৰুদ্ধাৰ কৰা দামোদৰ আতাই বৈষ্ণৱ ধৰ্মৰ বিস্তাৰৰ কাৰণে বৰদোৱাৰ পৰা অলপ দূৰত কুঁজি নামৰ বিলৰ পাৰত এখনি সত্ৰ প্ৰতিষ্ঠা কৰে। এই সত্ৰক কুঁজিবিলৰ নামেৰে কুঁজি সত্ৰ বোলে। দামোদৰ আতাৰ পৰিনাতি ৰামদেৱ; তেওঁৰ প্ৰথম পুত্ৰ ভদ্ৰদেৱে বৰদোৱাৰ আৰু ২য় পুত্ৰ বিষ্ণুদেৱে কুঁজি সত্ৰৰ অধিকাৰ হয়। বিষ্ণুদেৱৰ দিনৰ পৰা বিষ্ণুপুৰ (বৈষ্ণৱপুৰ) সত্ৰ নামকৰণ হোৱা বুলি কয়। মণিকূট, কীৰ্ত্তন-ঘৰ, সাতখলপীয়া ঐতিহ্যমণ্ডিত সিংহাসন, হাটী, বাটচ'ৰাৰে সুশোভিত সত্ৰ। কীৰ্ত্তন-ঘৰৰ সন্মুখত মাটিৰ ওপৰতে শিপাৰ গা-গছ থকা কৰ্দ্দৈ গছ বিশেষ উল্লেখযোগ্য। পূৰ্বে 'চিত্ৰ ভাগৱত' পুথি কুঁজি সত্ৰত আছিল বুলি কয়। সত্ৰত থকা প্ৰায় ডেৰকুৰি সাঁচিপতীয়া পুথি গৱেষক দুই এজনে নি ঘূৰাই নিদিয়া বুলি সত্ৰৰ লোকে আক্ষেপ প্ৰকাশ কৰে। আনকি, পুথি নিয়া তালিকাৰ ৰচিদো দিয়া নাই বুলি কয়।[২৪৮]

সত্ৰৰ পকা খুটাৰ টিনপাতৰ চালিৰ বাটচ'ৰাৰে সৈতে ঐতিহ্যপূৰ্ণ ২৩৬৪ বৰ্গফুট (পাৰিখুটা, কাঁঠি, নামঘৰৰ টোপসহ) আহল-বহল কীৰ্তন-ঘৰ, মণিকূটত চালে চকুৰোৱা বিৰাটাকাৰৰ সিংহাসন, চৌহদত গছ-গছনি, ফুলনি আৰু সত্ৰাধিকাৰৰ বাসস্থান সমন্বিতে সত্ৰৰ পৰিবেশ গুৰু-গম্ভীৰ। ১৪ ফুট ওখ লাইখুটা আৰু পাৰিখুটা পকা আৰু খুটাত পদুমফুল আৰু মালা কটা। মণিকূটত ভাস্কৰ্যখচিত বৃহৎ সিংহাসনৰ উপৰি ২ ফুট ৩ ইঞ্চি ডাঙৰ পিতলৰ বংশীবাদন বিগ্ৰহ, কাঠৰ দুজনা আঢ়ৈ ফুট ওখ চতুৰ্ভুজ বিগ্ৰহ, ডবা, বৰকাঁহ আদি আছে। আদিজনাই ব্যৱহাৰ কৰা এযোৰ চুলা দিয়া পাদুকা সত্ৰত ৰক্ষিত। 'দশম স্কন্ধ ভাগৱত', 'কীৰ্ত্তন আৰু নামঘোষা', 'আদি-চৰিত', 'অৰ্জুন-ভঞ্জন', 'ভোজন-ব্যৱহাৰ', 'পত্নী-প্ৰসাদ', 'কংস বধ' আদিৰ একোখনকৈ সাঁচিপাতৰ পুথি; শৰণ-ভজন-মালামন্ত্ৰৰ

ক্ষুদ্ৰ ৬ খন নিত্য পূজা-বিধি, দৌলযাত্ৰা-বিধি, জ্যোতিষ শাস্ত্ৰ চৰ্চন-বিধি, নিদান পুথি, কৰতি পুথি আৰু কেইবাখনো মন্ত্ৰ পুথি সাঁচিপতীয়া গ্ৰন্থ। ইয়াৰ উপৰি, তুলাপাতত লিখা মালাৰ নিৰ্ণয়, ভক্তি-ৰত্নাকৰ, জন্মাষ্টমী পূজা-বিধি, কীৰ্ত্তন আৰু নামঘোষা, জন্মযাত্ৰা, স্যমন্ত-হৰণ, ৰুক্মিণী-হৰণ নাট একোখন আৰু ৩ খন মন্ত্ৰ পুথি এই সত্ৰৰ পুথি সম্পদ।

কুঁজিসত্ৰৰ আপুৰুগীয়া সম্পদ 'সচিত্ৰ অনাদিপাতন' অসম ৰাজ্যিক সংগ্ৰহালয়ত সংৰক্ষিত। *(সত্ৰৰ কলা-সংস্কৃতি অধ্যায় দ্ৰষ্টব্য)*। গুৱাহাটী বিশ্ববিদ্যালয়ত সংৰক্ষণ কৰা বৈষ্ণৱপুৰ বুলি উল্লেখ থকা 'গুৰু-বন্দনা' নামৰ পুথিখন কুঁজীসত্ৰৰ বুলি সত্ৰই দাবী কৰে। ডিব্ৰুগড় বিশ্ববিদ্যালয়লৈ ১৯৭০ খ্ৰীঃত কেইবাখনো সাঁচিপাত আৰু তুলাপাতৰ পুথি নিয়ে। 'ৰত্নমালা সংস্কৃত ব্যাকৰণ', 'দীপিকা চন্দ্ৰ' আদি কেইবাখনো পুথি বৰদোৱা গৱেষণা কেন্দ্ৰই নি ৰাখিছে বুলি সত্ৰৰ তথ্যজ্ঞাপকৰ পৰা জনা যায়।[২৪৯] ৰামদেৱৰ ৰবপুত্ৰ ভদ্ৰদেৱ বৰদোৱা নৰোৱাৰ অধিকাৰ অভিষিক্ত হোৱাৰ পিছতে দ্বিতীয় পুত্ৰ বিষ্ণুদেৱে কুঁজি সত্ৰত সুকীয়াকৈ অধিকাৰৰ দায়িত্ব পায়। সত্ৰাধিকাৰ ক্ৰমঃ বিষ্ণুদেৱ–বিশ্বদেৱ–কাশীকান্ত–ৰবিচন্দ্ৰ-মহেন্দ্ৰদেৱ–ভূবনচন্দ্ৰ। বৰ্তমান শ্ৰীঅতুল চন্দ্ৰ গোস্বামী আৰু শ্ৰীশিৱ প্ৰসাদ গোস্বামীয়ে সত্ৰৰ অধিকাৰ আৰু ডেকা অধিকাৰৰ দায়িত্বত আছে।

কুঁজিসত্ৰৰ পৰা নিয়া দোলাৰ আহিঁত বটদ্ৰৱাৰ সৰুহিচাৰ প্ৰৱেশ-দ্বাৰ নিৰ্মাণ কৰা বুলি কুঁজিসত্ৰৰ বিজ্ঞজনে কয়। সত্ৰৰ প্ৰয়াত সত্ৰাধিকাৰ ভুবনচন্দ্ৰ গোস্বামী নিপুণ ভাস্কৰ্য-শিল্পী আছিল। নাম-প্ৰসঙ্গ, বিভিন্ন ধৰ্মীয় উৎসৱ-ভাওনা, পালনাম, নৃত্য-গীত-বৰগীত আদিৰ চৰ্চা সত্ৰখনত অব্যাহত আছে। ভোগ-চৰোৱা আৰু বাটনাম (নগৰ-কীৰ্তন) এই সত্ৰৰ বিশেষত্ব। উচ্চ-অন্ত্যজ, জনজাতীয় শিষ্যসকলে গুৰু-কৰ, দান-বৰঙণি দিয়ে আৰু ভাওনা আদি উৎসৱত অংশ গ্ৰহণ কৰে। পূৰ্বতে কহুৱাআটী কিচাম আৰু বৰচিলা কিচামত আঠ হাজাৰ বিঘাতোধিক নিষ্পিখেৰাজ আছিল; কিন্তু ১৯৬৯ খ্ৰীঃত সত্ৰৰ নামত মাত্ৰ বাৰ বিঘা নিষ্পিখেৰাজ ৰাখি বাকী সমুদায় মাটি চৰকাৰে অধিগ্ৰহণ কৰে।[২৫০]

### নৰোৱা তেলাহী সত্ৰ ঃ

উত্তৰখোলা মৌজাৰ তেলাহিত অৱস্থিত।

বৰদোৱা বৰফাল নৰোৱা সত্ৰৰ অধিকাৰৰ পৰা বঞ্চিত হৈ হৰেন্দ্ৰ নাৰায়ণ ভটীয়াই যায় আৰু ধৰমতুলৰ তেলাহিত থিতাপি লৈ ন-ৰোৱা সত্ৰ প্ৰতিষ্ঠা কৰে। তাত তেওঁ সত্ৰ-ধৰ্ম প্ৰচাৰ কৰি শৰণ-ভজন দি কিছুদিন পিছত উজাই গৈ বৰদোৱাৰ নিকটে ভেটিয়নীত ন-ৰোৱা সত্ৰ প্ৰতিষ্ঠা কৰে। তেতিয়াৰে পৰা মহাপুৰুষীয়া ধৰ্মৰ প্ৰভাৱ ধৰমতুল, আহঁতগুৰি, সিধাবাৰী অঞ্চলত প্ৰকট হৈছে। হৰেন্দ্ৰনাৰায়ণ



যোৱাৰ পিছত তেলাহিত ন-ৰোৱা সত্ৰৰ খাট-পামহে থাকে আৰু মাজে-সময়ে মূল ন-বোৱা সত্ৰৰ গোঁসাই গৈ শৰণ-ভজন দি আহে।[২৫১]

*॥বৰদোৱা ন-বোৱাৰ পৰা বঢ়া॥*

### নৰোৱা ইটাখুলি সত্ৰ ঃ

মৰিগাঁৱৰ বৰঙাবাৰী অঞ্চলত।

বৰদোৱা বৰফালৰ লক্ষ্মীদেৱৰ ছজন পুত্ৰ। তেওঁৰ পঞ্চম পুত্ৰ যোগেন্দ্ৰ।[২৫২] সত্ৰক লৈ অৰিয়া-অৰিৰ বাবে তেওঁ ভটীয়াই বৰঙাবাৰীলৈ যায়। তাৰে ইটাখুলি নামৰ ঠাইত সত্ৰ এখন স্থাপন কৰে। ঠাইখনৰ নামেৰে সত্ৰখন বৰঙাবাৰী ইটাখুলি নৰোৱা সত্ৰ নামে জনাজাত হয়। সত্ৰ বিলুপ্ত।

### নৰোৱা ৰামপুৰ সত্ৰ (জাজৰি) ঃ

শিলপুখুৰী মৌজাৰ উত্তৰ হাজাৰি গাঁৱত অৱস্থিত।

প্ৰাকৃতিক দুৰ্যোগত নগাঁৱৰ ৰামপুৰৰ (বৰ্ত্তমান চৰুৱা অধ্যুষিত) পৰা জাজৰিলৈ আহি বৰ্ত্তমানৰ ঠাইত সত্ৰ পাতি থাকে। লম্বোদৰে সত্ৰ প্ৰতিষ্ঠা কৰাৰ আনুমানিক কাল ১৭৫০ শক।[২৫২] চাৰে তিনি বিঘা ম্যাদী মাটি, বাটচ'ৰা, নামঘৰ-মণিকূট, ভকতৰ বহা আদিৰে সত্ৰাধিকাৰে পৰিচালনা সমিতিৰ দ্বাৰা সত্ৰ চলাই আছে। কোচ, কলিতা, চুটীয়া, কৈৱৰ্ত্ত সম্প্ৰদায়ৰ শিষ্য আছে। সত্ৰীয়া নাম-প্ৰসঙ্গ, নৃত্য-ভাওনা-গীতৰ ঐতিহ্য বহন কৰি আছে।

*॥শলগুৰীয়া সত্ৰসমূহ॥*

### শুকদল বৰবৰি সত্ৰ ঃ

মৰিগাঁও সদৰৰ পৰা ভূৰবন্ধা-ভালুকমাৰী গড়কাপ্তানী পথেদি ১৩.৫ কি.মি. উত্তৰ পূবত নাইবা বৰদোৱাৰ পৰা ১৭ কি.মি.ৰ পশ্চিমে শুকৰাজ বিলৰ পাৰত সোণাই নদীৰ উত্তৰে শুকদল সত্ৰ অৱস্থিত। সুভদ্ৰা-পুত্ৰ অনন্তৰামৰ ২য়া ভাৰ্যাৰ দ্বিতীয় পুত্ৰ হৰিৰায়। তেওঁৰ পাণ্ডিত্য আৰু ভাগৱত পাঠত স্বৰ্গদেউ ৰাজেশ্বৰ সিংহ মুগ্ধ হৈ বৰদোৱাৰ পৰা ১৮ কি.মি. পশ্চিমত ৭৮৪ পূৰা ধৰ্মোত্তৰ ভূমি দিয়ে।[২৫৩] ৰজাৰ পৰা ভূমি দান পাই সত্ৰ-সভা পতা মানসেৰে তিনিকুৰি জ্ঞাতি-ভকত লগত লৈ নাৱেৰে ভটীয়াই আহি শুকদলনিত বৈ হাবি-বন, দলনি কাটি সেই ওখ বা বৰি ভূমিখণ্ডত হৰিৰায়ে ১৭৬৪ খ্ৰীঃত শুকদল সত্ৰ স্থাপন কৰে।

হৰিৰায়ৰ তিনিপুত্ৰ প্ৰদ্যুম্ন, সুদ্যুম্ন আৰু ইন্দ্ৰদ্যুম্ন। পিতৃৰ পৰলোকত প্ৰথম পুত্ৰ প্ৰদ্যুম্নই জ্যেষ্ঠতাৰে সত্ৰৰ দায়িত্ব লয় আৰু সত্ৰৰ নাম শলগুৰি শুকদল

ববৰবি হয়। সত্ৰৰ পৰা পোৱা তথ্যমতে বৃটিছ চৰকাৰৰ দিনত খাজানা পৰিশোধ কৰিব নোৱাৰাত ৭৮৪ পূৰা মাটিৰ ১০৫ বিঘা ২ কঠা ৫ লোছা মাটি সত্ৰই নিষ্পিখেৰাজ ৰাখি বাকী মাটি চৰকাৰক এৰি দিবলগীয়া হয়। সেই মাটিৰ প্ৰায় ৬০ বিঘাৰ খেতি মাটিৰ উৎপাদনৰ আয়ৰ এক অংশ আৰু শিচ-ভকতৰ পৰা সংগৃহীত নিৰ্ধাৰিত নিৰিখৰ খাজানা চৰকাৰক দি অৱশিষ্ট অংশৰে সত্ৰৰ যাৱতীয় খৰচ-পাতি কৰি সত্ৰ চলোৱা হৈছিল। কিন্তু স্বাধীন ভাৰত চৰকাৰৰ শাসনত ১৯৬৯ খ্ৰীঃত অসম চৰকাৰে ভূমি অধিগ্ৰহণ আইন অনুযায়ী নিষ্পিখেৰাজ ৰায়তী পট্টা দিয়াত সত্ৰৰ নামত কীৰ্ত্তন-ঘৰৰ মাত্ৰ ১ (এক) কঠা ৫ (পাঁচ) লোছাহে মাটি ৰয়গৈ। লগে লগে মহাপুৰুষৰ ধৰ্ম-সাহিত্য-সংস্কৃতিৰ ঐতিহ্য বহন কৰা সত্ৰখনৰ স্বচ্ছলতা আৰ্থিকভাৱে বিপৰ্যস্ত হৈ পৰে।

উল্লেখ্য যে, ১৯৫১ খ্ৰীঃত হোৱা প্ৰচণ্ড অগ্নিকাণ্ডত সত্ৰগৃহ মণিকূটসহ ভস্মীভূত হয়। সেই অগ্নিকাণ্ডত আপুৰুগীয়া সাতখলপীয়া সিংহাসন, সাঁচিপাতৰ কেইবাখনো পুথি আৰু অন্যান্য অমূল্য সম্পদসমূহ ভস্মীভূত হৈ সত্ৰৰ অপূৰণীয় ক্ষতি সাধন হয়।

ভাস্কৰ্য-শিল্পৰ লগতে ববৰবি সত্ৰৰ নাট-ভাওনাৰ সুনাম চাৰিদিশে বিয়পিছিল। সত্ৰৰ আদিজনা অনন্তৰামৰ 'অজামিল উপাখ্যান', হৰিৰায়ৰ 'সীতাৰ বনবাস', 'কুমৰ হৰণ', নৰদেৱৰ 'মহীৰাৱণ বধ'; যোগআতাৰ 'পাতালিকাণ্ড', 'বব্ৰুবাহন'; ৰবিআতাৰ 'ৰাজসূয়, 'কুৰুক্ষেত্ৰ যাত্ৰা', 'শিশুপাল বধ' আদি উল্লেখযোগ্য নাট। 'আইলক্ষ্মীৰ চৰিত্ৰ' এই সত্ৰত সংৰক্ষিত।

চৈধ্য প্ৰসঙ্গ, নৃত্য-গীত-বৰগীত, ভাওনা, আইসকলৰ নাম, গুৰু-কীৰ্ত্তন, জন্মাষ্টমী, পালনাম, ৰাসোৎসৱ আদি সত্ৰত পালন কৰা হয়। জনজাতীয় আৰু অন্যান্য পিচপৰা লোকৰ শিষ্যৰে একসময়ত আকৰ্ষণীয় সত্ৰ আছিল। সত্ৰ প্ৰতিষ্ঠাতা হৰিৰায়ৰ পিছত সত্ৰাধিকাৰসকল হ'ল (জ্যেষ্ঠানুক্ৰম) প্ৰদ্যুম্ন—ভূদ্যম্ন—ভৱদেৱ—দায়াদেৱ—যদুৰাম—কেশৱকান্ত—নৰদেৱ—যোগেশ্বৰ—দীনকান্ত—চন্দ্ৰকান্ত—ৰবিকান্ত—পূৰ্ণকান্ত—ডম্বৰুধৰ—টঙ্কেশ্বৰ। বৰ্তমান সত্ৰাধিকাৰ শ্ৰীৰঘুদেৱ মহন্ত।

## শুকদল সৰুববি সত্ৰ ঃ

মৰিগাঁৱৰ শুকদল ববৰবি সত্ৰৰ উত্তৰ-পূবফালে অৱস্থিত।

হৰিৰায়ৰ পুত্ৰ প্ৰদ্যুম্ন ববৰবি সত্ৰত ধৰ্মাচাৰ্য পদত অধিষ্ঠিত হোৱাত ২য় পুত্ৰ সুদ্যুম্নই মূলসত্ৰৰ উজনি খণ্ডত আন এভাগ সত্ৰ প্ৰতিষ্ঠা কৰে। এই সত্ৰৰ নাম শলগুৰি শুকদল সৰুববি হয়। ১৯৬৯ চনৰ ভূমি অধিগ্ৰহণ আইন মতে চৰকাৰে ৰায়তী পট্টা দিয়াত ববৰবি সত্ৰৰ লগত এই সত্ৰও ভূমি বঞ্চিত হৈ কীৰ্ত্তন-ঘৰৰ ভেটিক কেন্দ্ৰ কৰি সামান্য মাটি-বাৰীত সত্ৰভাগ চলি আছে।[২৫৫]



ববৰবি শুকদলৰ দৰে চাৰি-প্ৰসঙ্গ, ভাওনা, মুখা, সাজ-পোছাক, নৃত্য-গীতত সমৃদ্ধ সত্ৰ। মদন নামৰ এজনৰ 'কুমৰ হৰণ' নাট এই সত্ৰত আছিল। ৰুচিদেৱৰ 'বালিবধ' সত্ৰৰ জনপ্ৰিয় ভাওনা আছিল।

কীৰ্ত্তন-ঘৰ মণিকূট-নামঘৰেৰে আহল-বহল, পূৰ্বৰ সাতখলপীয়া সিংহাসন, পিতলৰ ডবা, কাঁহ, শৰাই, সাচিপতীয়া পুথিৰে ঐতিহ্যপূৰ্ণ সত্ৰ। সত্ৰৰ বিগ্ৰহ বংশীবাদন। বৰ্তমান ঐতিহ্য ম্লান হৈছে।

শ্ৰীমুহিত চন্দ্ৰ মহন্ত সত্ৰৰ অধিকাৰ।

## ইটাকুলি শলগুৰি ঃ

বহাৰ পৰা ৮ কি.মি. পশ্চিমত কপাহেৰা অঞ্চলত অৱস্থিত।

হৰিৰায়ৰ তিনিপুত্ৰৰ প্ৰথমজনা প্ৰদ্যুম্নই শুকদল ববৰবি, দ্বিতীয়জনা সুদ্যুম্নই শুকদল সৰুববি সত্ৰ স্থাপন কৰি সুকীয়াকৈ চলোৱাত কনিষ্ঠ পুত্ৰ ইন্দ্ৰদ্যুম্নই কপাহেৰাৰ ইটাকুলিত আন এখনি সত্ৰ পাতে।[২৫৬] তেওঁৰ সত্ৰখনৰ নাম ইটাকুলি শলগুৰি। সত্ৰখনৰ ঐতিহ্য ম্লান হৈছে। সেই সত্ৰৰ এগৰাকী উত্তৰাধিকাৰী প্ৰয়াত চক্ৰধ্বজ গোস্বামী কুৰি শতিকাৰ আদি ভাগত হোজাইৰ লংকালৈ গৈ স্থায়ীভাৱে বসবাস কৰিবলৈ লয়।[২৫৭] মঠৰবৰি সত্ৰৰ গোঁসাই-ভকতে ইটাকুলি সত্ৰ পৰিচালনা কৰি থাকে।

## শলগুৰি জৰাবাৰী ঃ

মৰিগাঁও জিলাৰ বাৰপূজীয়াৰ নামনিৰ জৰাবাৰীত কুৰি শতিকাৰ সপ্তম দশকত এখনি সত্ৰ পতাৰ প্ৰয়াস কৰা দেখা গৈছে। সত্ৰখন কনকলতা আইৰ ৰাইদঙ্গিয়াৰ আইভেটি সত্ৰৰ শাখা বুলিব পাৰি। শশধৰ আতাৰ পৰিনাতি চক্ৰধৰ মহন্তই ১৯৬৪ চনত নামঘৰ-মণিকূটেৰে সত্ৰভাগ সাজে।

*॥সতানন্দ বৰভকতৰ মহাকৃষ্ণ ঠালৰ সত্ৰ॥*

## শ্যামকানু বেলগুৰি ঃ

গোভা মৌজাৰ অন্তৰ্গত তেঘেৰীয়াৰ সমীপত বেলগুৰি গাঁৱত, জাগীৰোড ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা ডেৰ কি.মি. উত্তৰত অৱস্থিত।

সতানন্দ বংশৰ চাৰিকৃষ্ণ-ভাতৃৰ মহাকৃষ্ণৰ ঠালৰ সত্ৰ। ভকতৰামৰ নাতি জয়কান্তই পাথৰিৰ টাঙোন ধৰা সত্ৰৰ পৰা উঠি গৈ ১৯৬৫ খ্ৰীঃত জাগীৰোডৰ বেলগুৰিত সত্ৰ-সভা পাতে।[২৫৮] সাধাৰণ জাতি, জনজাতিৰ শিচ্-ভকতৰ সত্ৰ। সত্ৰত সাঁচিপতীয়া পুথি, পিতলৰ ডবা, বৰকাঁহ আদি অমূল্য সম্পদ আছে। নাম-প্ৰসঙ্গ, গীত-বৰগীত-নৃত্য-বাদ্য চৰ্চা চলি আছে।

*॥জয়কৃষ্ণৰ ঠালৰ সত্ৰ॥*

**গোনামৰা তেলাহি ঃ**

মৰিগাঁৱৰ উত্তৰখোলা মৌজাৰ ধৰমতুল-তেলাহিত অৱস্থিত।

নগাঁও নগৰৰ পৰা প্ৰায় ৩৮ কি.মি. পশ্চিমে ৰাষ্ট্ৰীয় পথৰ সোঁফালে অলপ দূৰ সোমাই এখনি সত্ৰ আছিল। মানৰ আক্ৰমণৰ সময়ত জয়কৃষ্ণৰ নাতি ৰূপনাৰায়ণৰ ৩য় পৰিনাতি বিকাৰামে ভটীয়াই গৈ মৰিগাঁৱৰ তেলাহিত গোনামৰা নামৰ সত্ৰ পাতিছিল। কিছুদিন পিছত তাৰ পৰা উঠি মূলসত্ৰলৈ যোৱাত সত্ৰভাগ লুপ্ত হয়।[২৫৯]

*॥চতুৰ্ভুজ ঠাকুৰৰ আজ্ঞাপৰ॥*

**ঔগুৰি কৰচোং ঃ**

চতুৰ্ভুজ ঠাকুৰৰ আজ্ঞাপৰ কেহো আতৰ (কেশৱদেৱ) পৰা বঢ়া। মৰিগাঁও জিলাৰ ভূৰবন্ধা ঔ-গুৰিত অৱস্থিত। মূল কৰচোঙৰ শাখা সত্ৰ। সত্ৰীয়া পৰম্পৰাৰ এখন উল্লেখযোগ্য সত্ৰ আছিল। শিষ্য-সেৱকো যথেষ্ট আছিল। বৰ্ত্তমান পৰম্পৰাগতভাৱে কোনোমতে চলি আছে। সাংস্কৃতিক বিকাশ সাধনত সত্ৰৰ ভূমিকা উল্লেখযোগ্য নহয়।[২৬০]

*॥পুৰুষোত্তম ঠাকুৰৰ আজ্ঞাপৰ॥*

**চিপহা বা চুপহা মৰিগাঁও ঃ**

মৰিগাঁও নগৰৰ ৰজাগাঁৱত অৱস্থিত।

কৃষ্ণচৰণৰ চাৰিপুত্ৰৰ কমলাকান্ত কনিষ্ঠ। শোণিতপুৰ জিলাৰ তেজপুৰ কলাবাৰীৰ ব্ৰহ্মজান নৈৰ পাৰৰ খুটাৰগুৰি চিপহা আদি সত্ৰ। সত্ৰৰ কীৰ্ত্তন-ঘৰৰ মূল খুটাৰ গুৰিৰ পৰা শিপা ওলাই অহা বাবে শিপা অহা শিপহা, জনমুখে চিপহা বা চুপহা হয় বুলি কোৱা হৈছে। *(কলিয়াবৰৰ চিপহা হাটবৰ দ্ৰষ্টব্য।)* সেই মূলসত্ৰৰ পৰা কমলাকান্তৰ বংশধৰ নগাঁৱলৈ আহি মৰিগাঁৱৰ ৰজাগাঁৱত মূলসত্ৰৰ নামেৰে চিপহা সত্ৰ স্থাপন কৰে। সত্ৰৰ নামঘৰ সত্ৰাধিকাৰৰ বাসগৃহৰ চোতালৰ সন্মুখত। তিথি-সবাহ, নাট-ভাওনা চলি আছে, সত্ৰৰ সংস্কৃতিৰ পৰম্পৰা যেনেতেনে চলাই আছে।

সত্ৰৰ মাটি-গৃহ অনেক আৰু শিষ্য সংখ্যা হাজাৰতোধিক। সত্ৰৰ চলাজনা অধিকাৰ ধৰ্মেশ্বৰ মহন্ত জ্ঞানী-ধাৰ্মিক আৰু সংস্কৃতিবান লোক আছিল।



*॥খোৰাগোপালৰ পৰা বঢ়া॥*

**দিচিয়াল চকাবহা ঃ**

মৰিগাঁও জিলাৰ চকাবহাত অৱস্থিত।

মাধৱদেৱে পতা আচাৰ্য খোৰাগোপালে দিচৈ নদীৰ তীৰত পতা সত্ৰ দিচিয়াল। পৰৱৰ্ত্তী কালত গোপালৰ পৰিনাতি পকাচুলিৰ পৰ্গুৱে নগাঁৱৰ সোণাই নদীৰ পাৰত পকামূৰা নামৰ সত্ৰ পাতি থাকে। তেওঁৰ তৃতীয় পুত্ৰ দেৱেশ্বৰ, দেৱেশ্বৰৰ প্ৰথম পুত্ৰ নৱনাথে মৰিগাঁৱৰ চকাবহাত সত্ৰ স্থাপন কৰে।[২৬১] সত্ৰৰ অৱস্থা শোচনীয়।

**দিচিয়াল বাৰপূজীয়া ঃ**

বহাৰ পৰা ৫ কি.মি. পশ্চিমে বাৰপূজীয়াত মাধৱদেৱে পতা ধৰ্মাচাৰ্য খোৰাগোপালৰ পৰিনাতি মহানন্দদেৱে সত্ৰখন স্থাপন কৰে আৰু পূৰ্বৰ সত্ৰৰ নামেৰে দিচিয়াল সত্ৰ নামকৰণ হয়।[২৬২]

মহানন্দদেৱৰ পৰিনাতি জয়কান্ত মহন্ত এজন বিখ্যাত খনিকৰ আছিল আৰু তেওঁ 'খনিকৰ গোঁসাই' নামে জনাজাত হৈছিল।

**দিচিয়াল বৰঙাবাৰী ঃ**

পৰ্গুৰামৰ নাতি সৰ্বানন্দৰ কনিষ্ঠ পুত্ৰৰ হৰিদেৱে (সৰুদেৱ) বাইদঙ্গিয়াৰ পৰা ভটীয়াই গৈ বৰঙাবাৰীত থাকিবলৈ লয় আৰু তাতে তেওঁ নামঘৰ-মণিকূট সাজি সত্ৰ পাতিছিল।[২৬৩] বৰ্ত্তমান সত্ৰ সম্পৰ্কে একো জনা নাযায়।

*॥মহাপুৰুষৰ ধৰ্মাদৰ্শত স্থাপিত সত্ৰ॥*

**গীতা সত্ৰ ঃ**

মৰিগাঁও নগৰৰ মাজমজিয়াত অৱস্থিত।

এই সত্ৰখন সাম্প্ৰতিক কালৰ ধৰ্ম-সমন্বয় আৰু জনজাতীয় লোকসকলৰ মাজত শংকৰী ধৰ্ম-সংস্কৃতি প্ৰচাৰৰ কাৰণে আচাৰ্য কৃষ্ণানন্দদেৱে প্ৰতিষ্ঠা কৰিছিল। চকুত লগা তোৰণেৰে সত্ৰীয়া আহিঁৰ মণিকূট-নামঘৰত নাম-প্ৰসঙ্গ, ভাওনা আদি চলে। সামূহিক আধ্যাত্মিক বিকাশ সাধনত গীতা সত্ৰৰ বৰঙণি উল্লেখযোগ্য। সত্ৰখন ১৯২১ খ্ৰীঃত প্ৰতিষ্ঠা কৰা হয়। সকলো জাতি-উপজাতি-অন্ত্যজাতিৰ লোকক শৰণ-ভজন দিয়া হয়। মহাপুৰুষৰ ধৰ্ম-সংস্কৃতিৰ আদৰ্শত প্ৰতিষ্ঠিত উল্লেখযোগ্য সত্ৰ।

# খ) ব্ৰহ্ম সংহতি

*॥বংশীগোপালৰ আজ্ঞাপৰ॥*

### ডিফলু সিধাবাৰী ঃ

মৰিগাঁও মহকুমাৰ উত্তৰখোলা মৌজাৰ আঁহতগুৰিৰ সিধাবাৰীত অৱস্থিত।

বংশীগোপালৰ পোষ্যপুত্ৰ লৰিমিশ্ৰৰ পৰা সপ্তম অধস্তন পুৰুষ লৱচন্দ্ৰদেৱে ভাই-ককাই বেলেগ হোৱাৰ পিছত উজনিৰ পৰা ভটীয়াই আহে। নগাঁৱৰ সিধাবাৰী গাঁৱত ভক্ত ৰাইজৰ আমন্ত্ৰণক্ৰমে তাতে বসবাস কৰি এভাগ সত্ৰ স্থাপন কৰে। আঁহতগুৰিলৈ অহাৰ সময় ১৮৮৫ খ্ৰীঃ। আমচৈ, মৰিগাঁও, আজাৰবাৰী, তেলাহি, আঁহতগুৰি আদি বিভিন্ন অঞ্চলৰ কোচ, কলিতা, কৈৱৰ্ত্ত, তিৱা আদি জনজাতিৰ কেইবাহাজাৰো শিষ্য আছে।[২৬৪] সত্ৰত দামোদৰদেৱৰ তিথি, জন্মাষ্টমী আদি পালন কৰা হয়। সামাজিক স্থান থকা সত্ৰখনত শঙ্কৰী বা সত্ৰীয়া সংস্কৃতিৰ গুৰুত্ব অত্যন্ত প্ৰয়োজন।

*॥দামোদৰদেৱৰ আজ্ঞাপৰ॥*

### শিলডুবি (চতাবৰি) ঃ

মায়ঙৰ মনহা মৌজাৰ জাগীৰ পশ্চিমত শিলডুবি গাঁৱত অৱস্থিত।

সত্ৰখনি দামোদৰদেৱৰ জীয়ৰীৰ নাতি শিৰোমণিদেৱে স্থাপন কৰে ১৭৪১ খ্ৰীঃত। মানৰ আক্ৰমণত সত্ৰৰ কীৰ্ত্তন-ঘৰ ভাঙি-ছিঙি যায় আৰু বজাই দিয়া বৰকাঁহ, ঘণ্টা আদি সম্পদ চুৰি হয়। পূৰ্বে মায়ঙৰ ৰজা শৰচ্চন্দ্ৰ সিংহই নৱদ্বীপৰ পৰা শালগ্ৰাম বাসুদেৱ মূৰ্ত্তি আনি সত্ৰত প্ৰতিষ্ঠা কৰায়। বংশীগোপালে ভূএগ্ৰাসকলৰ লগত আহি মায়ং অঞ্চলত থাকোঁতে হাতীমৰীয়া শাসকৰ আমোলত সত্ৰখন পতা বুলিও কয়। কেইবাহাজাৰ শিষ্যৰে গাম্ভীৰ্যপূৰ্ণ সত্ৰখন ১৯১৭ খ্ৰীঃত চতাবৰিলৈ স্থানান্তৰিত হয়। জ্যেষ্ঠানুসাৰে সত্ৰাধিকাৰ পতা হয়। সত্ৰত প্ৰাচীন চিহ্ন হিচাবে কথা-ভাগৱত আৰু কথা-গীতা আছে।[২৬৫] মহাপুৰুষসকলৰ তিথি, জন্মোৎসৱ, ৰাসোৎসৱ, জন্মাষ্টমী পালন কৰা হয়। সত্ৰৰ কীৰ্ত্তন-ঘৰ আহল-বহল আছিল। মানৰ আক্ৰমণত সেই ঐতিহ্যপূৰ্ণ কীৰ্ত্তন-ঘৰ লণ্ড-ভণ্ড হয়।[২৬৬]

*॥আউনীআটীৰ শাখা সত্ৰ॥*

### বৰ্হমপুৰ ঃ

মৰিগাঁৱৰ মনহাৰ পৰা তিনি কি.মি. পশ্চিমে বৰ্হমপুৰ সত্ৰ অৱস্থিত। প্ৰতিষ্ঠাপকৰ নাম পোৱা নাযায় যদিও মাধৱ গোস্বামী সত্ৰাধিকাৰৰ বংশধৰসকলে সত্ৰখন পৰিচালনা কৰি আছে।

### ঔগুৰি ভাগৱতী ঃ

মৰিগাঁৱৰ ঔগুৰিৰ ভুবাবন্ধা অঞ্চলত অৱস্থিত আছিল। বংশীগোপালদেৱৰ আজ্ঞাপৰ কোনো মেধিয়ে সত্ৰখন প্ৰতিষ্ঠা কৰিছিল বুলি কোৱা হয়। প্ৰতিষ্ঠাপকৰ বিষয়ে জানিব নোৱাৰা সত্ৰখন ধৰ্ম প্ৰচাৰৰ অনুষ্ঠানীয় দিশেৰে আউনীআটীয় বা দক্ষিণপটীয়াৰ আজ্ঞাপৰ বুলি ধৰিব পাৰি।[২৬৭]

### বঘৰা ঃ

মৰিগাঁৱৰ বঘৰাত অৱস্থিত।

কামৰূপৰ খুটিয়ামাৰিৰ পৰা দামোদৰী আচাৰ্য এগৰাকী উজাই আহি মৰিগাঁৱৰ পৰা ৮ কি.মি. পশ্চিমত এখনি সত্ৰ স্থাপন কৰে।[২৬৮] ঠাইখনৰ নামেৰে সত্ৰখনৰ নাম বঘৰা সত্ৰ। শিষ্যাদিৰে সত্ৰখনে তিথি-উৎসৱ আদি পালন কৰি আছে।

*॥কামৰূপৰ দিহিনা সত্ৰৰ পৰা বঢ়া॥*

### বৰ্ণ সত্ৰ ঃ

মৰিগাঁও নগৰৰ পশ্চিমত অৱস্থিত।

অসমৰ সত্ৰৰ ইতিহাসত কামৰূপৰ দিহিনা আৰু অবিভক্ত নগাঁও তথা বৰ্ত্তমানৰ মৰিগাঁও জিলাৰ বৰ্ণ সত্ৰ বৈশিষ্ট্যপূৰ্ণ। নগাঁৱৰ (মৰিগাঁও) বৰ্ণ সত্ৰৰ মূলসত্ৰ ক'ৰ পৰা বা কাৰ পৰা বঢ়া সেই বিষয়ে সিদ্ধান্ত হোৱা নাই। এই প্ৰসঙ্গত উল্লেখ্য যে যদিও অসমৰ সত্ৰ-আন্দোলনে সকলো শ্ৰেণীৰ লোকক সামৰি লৈছিল, অনেক ঠাইত অতি অনুন্নত বৰ্ণৰ লোক সত্ৰৰ আওতালৈ আহিব পৰা নাছিল। কামৰূপৰ হাজো মৌজাৰ দিহিনা অঞ্চলৰ অনুন্নত লোকসকল ভক্তিধৰ্মৰ বাহিৰত থাকিব লগা হোৱাত তেওঁলোকৰ মুখিয়াল বলি আৰু তাম্ৰধ্বজে ডোম, চাণ্ডাল, টোকৰ আদি হীনবৰ্ণৰ লোকক শৰণ-ভজন দিয়াৰ ব্যৱস্থা কৰাবলৈ নৰনাৰায়ণ ৰজাক অনুৰোধ কৰাত ৰজাৰ নিৰ্দেশমতে শঙ্কৰদেৱে দামোদৰদেৱৰ বাৰজন বৈষ্ণৱৰ হতুৱাই সেইসকলক শৰণ দিয়াৰ কথা ব্যক্ত কৰিলে। দামোদৰদেৱক বাৰবৈষ্ণৱে অস্পৃশ্য হীনবৰ্ণৰ লোকক শৰণ-ভজন দিয়া সম্পৰ্কত কোনো সমিধান নিদিয়াত "মোৰ বাক্যে তুমি যাই নামিয়ো বৰ্ণত"– বুলি দামোদৰদেৱে তেওঁৰ ভতিজা কৃষ্ণদেৱক সেই দায়িত্ব ন্যস্ত কৰে। সেই আজ্ঞামতে কৃষ্ণদেৱে হীনবৰ্ণৰ লোকক শৰণ-ভজন দি উদ্ধাৰ কৰে।[২৬৯] তেওঁৰ পুত্ৰ সদাশিৱ দিহিনা সত্ৰৰ সত্ৰাধিকাৰ হয়।

কামৰূপত হীনবৰ্ণক শৰণ-ভজন দিয়া দিহিনা সত্ৰৰ পৰা মৰিগাঁৱৰ বৰ্ণ সত্ৰ বঢ়া বুলিব পাৰি। এই সত্ৰখন অষ্টাদশ শতিকাত স্থাপন কৰা হয়। বিশেষকৈ

বৰ্ণ সত্ৰ তথাকথিত হীনবৰ্ণৰ হীৰা সম্প্ৰদায়ৰ মৰিগাঁও, চৰাইবাহী, জাজৰি আদি বিভিন্ন অঞ্চলৰ সেৱকসকলৰ সত্ৰ। কামৰূপত দিহিনা সত্ৰৰ পৰা কেইপুৰুষমান পূৰ্বে ধৰ্মাচাৰ্য আনি সেৱকসকলে মৰিগাঁৱত বৰ্ণ সত্ৰ স্থাপন কৰে। দিহিনাৰ সত্ৰখনকো লোকে বৰ্ণ সত্ৰ বুলি কয়।[270] উল্লেখযোগ্য যে সদানন্দ মহন্তই উল্লেখ কৰা মৰিগাঁও বৰ্ণ সত্ৰৰ সত্ৰাধিকাৰ শিৱৰাজদেৱ[271] দিহিনা সত্ৰৰ বৰ্তমান অধিকাৰৰ পৰা উৰ্দ্ধতম ৫ম পুৰুষ[272] হোৱা বুলি অনুমান কৰিব পাৰি। জাজৰি আৰু চৰাইবাহীত দুখন শাখা বৰ্ণ সত্ৰ আছে।

## গ) কাল-সংহতি

*॥বৰযদুমণিৰ আজ্ঞাপৰ॥*

**কাংসপাৰ ঃ**

ৰহাৰ পশ্চিমে কলং নদীৰ উত্তৰ পাৰে বাৰপূজীয়া মৌজাৰ মোলানকটাত অৱস্থিত।

বৰযদুমণিৰ আজ্ঞাপৰ অনিৰুদ্ধদেৱে উজনিৰ ডিব্ৰুগড় জিলাৰ শলগুৰিত ১৬২৩ খ্ৰীঃত কাংসপাৰ সত্ৰ স্থাপন কৰে। এইজনা অনিৰুদ্ধদেৱ মোৱামৰীয়া সত্ৰৰ আদিজনা নহয়। তেওঁৰ পূৰ্বপুৰুষ চতুৰ্দশ শতাব্দীত কনৌজৰ পৰা অসম-কামৰূপলৈ আহিছিল।[273] অনিৰুদ্ধদেৱৰ পৰিনাতি দেৱধনৰ পুত্ৰ নাৰদধন উজনি ঠাই কাংসপাৰ সত্ৰৰ অধিকাৰ হয়। মোৱামৰীয়া বিদ্ৰোহত বৰঠাই, মাজুঠাইৰ সত্ৰাধিকাৰ মূলঠাইৰ পৰা উঠি যোৱাৰ পিছত মানৰ উপদ্ৰৱত থানথিত হেৰুৱাই নাৰদধনৰ নাতি ৰামকানুদেৱ গোলাঘাটৰ ধনশিৰী নৈৰ কাষৰ মঙ্গলচাপৰিৰ পৰা ভটীয়াই আহি নগাঁৱৰ ৰহাৰ পৰা পশ্চিমে মোলানকটাৰ কলংপাৰত ১৮২৩ খ্ৰীঃত সত্ৰ স্থাপন কৰে।[274] নগাঁৱৰ মহামাৰীত সত্ৰৰ লোকসকল দৰং আৰু আন ঠাইলৈ যায়। সত্ৰৰ পূৰ্বৰ স্বচ্ছল অৱস্থা বৰ্তমান নাই।

*॥নাৰায়ণ আতাৰ পৰা বঢ়া॥*

**দহঘৰ তেলাহি ঃ**

মৰিগাঁও জিলাৰ উত্তৰখোলা মৌজাৰ ধৰমতুলৰ তেলাহিত অৱস্থিত।

ভবানীপুৰীয়া গোপাল আতাৰ আজ্ঞাপৰ ধৰ্মাচাৰ্য নাৰায়ণ আতাই উজনিৰ দিকৰাই নদীৰ দহটি ভাঁজত দহঘৰ ভকত বহুৱাই হালধিআটীত দহখন সত্ৰ স্থাপন কৰিছিল। সেই দহঘৰ ভকতৰ সত্ৰই দহঘৰীয়া সত্ৰ নাম পায়। মান-ভগনৰ সময়ত জীৱনৰ নিৰাপত্তা নোহোৱা হোৱাত আতাৰ বংশধৰ ভটীয়াই নগাঁও অভিমুখে আহি কলিয়াবৰ, নগাঁও, মৰিকলং, হাতীচোং আদিত দহঘৰ সত্ৰ স্থাপন কৰে। নাৰায়ণ আতাৰ বংশৰ গোপীনাথৰ পুত্ৰ সদানন্দই নগাঁৱৰ পৰা ৪০ কি.মি. পশ্চিমৰ তেলাহিত এখনি সত্ৰ প্ৰতিষ্ঠা কৰে। কাঠৰ কাৰুকাৰ্যখচিত সত্ৰৰ নামঘৰ সুন্দৰ। এই সত্ৰৰ পূৰ্বৰ অধিকাৰ প্ৰয়াত যোচন্দ্ৰ মহন্ত লেখক, সুদক্ষ শিল্পী, খনিকৰ আছিল।[275] বৰ্তমান শ্ৰীগোপীকান্ত মহন্তই সত্ৰভাগ চলাই আছে।



*॥শ্ৰীৰাম আতাৰ পৰা বঢ়া॥*

**আঁহতগুৰি কপাহেৰা ঃ**

বাৰপূজীয়াৰ কপাহেৰাত অৱস্থিত।

ভবানীপুৰীয়া গোপাল আতাই অভিষেক কৰা ব্ৰাহ্মণ ধৰ্মাচাৰ্য শ্ৰীৰাম আতাৰ পুত্ৰ ৰামানন্দ। ৰামানন্দৰ পুত্ৰ ৰামগোপাল। ৰামগোপালৰ ৪ৰ্থ পুত্ৰ ব্ৰহ্মানন্দ ভটীয়াই নগাঁৱৰ পশ্চিমাঞ্চলৰ জোঙালবলহুত নামঘৰ-মণিকূট সাজি ধৰ্মপ্ৰচাৰ কৰে। বানপানী আদি প্ৰাকৃতিক দুৰ্যোগত সত্ৰ-ধৰ্ম নিয়াৰিকৈ চলোৱাত অসুবিধা পাই বাৰপূজীয়াৰ কপাহেৰাত সত্ৰ পাতি মূল সত্ৰৰ নামেৰে আঁহতগুৰি সত্ৰ ৰাখে। ব্ৰহ্মানন্দৰ পৰিনাতি মহীচন্দ্ৰ নিঃসন্তান হোৱাত ৰামগোপালৰ কনিষ্ঠ পুত্ৰ জগতপতিৰ অধস্তন চতুৰ্থ পুৰুষ প্ৰিয়দেৱৰ পুত্ৰ জয়চন্দ্ৰক মাজজাজৰি সত্ৰৰ পৰা আনি সত্ৰৰ উত্তৰাধিকাৰী পাতে।[276] 'পবিত্ৰ অসম' মতে ৰামগোপালৰ পঞ্চম পুত্ৰ জগতপতিৰ বা নুমলীয়া আতাৰ দ্বিতীয় ভাৰ্যাৰ বৰপুত্ৰ কমলনাৰায়ণে কপাহেৰাত সত্ৰ স্থাপন কৰে। তেওঁৰ বংশৰ অবৰ্তমানে জাজৰি মাজগাঁৱৰ পিয়াল গোস্বামীৰ পুত্ৰ জয়দেৱক পোষ্যপুত্ৰ কৰি ৰাখি সত্ৰৰ গৰাকী পাতে।[277] জয়চন্দ্ৰৰ পিছত বৰপুত্ৰ দীননাথ সত্ৰাধিকাৰ হয়। বৰ্তমান সত্ৰৰ অধিকাৰ শ্ৰীচিত্তৰঞ্জন গোস্বামী। নাম-প্ৰসঙ্গ, গুৰুতিথি, জন্মাষ্টমী, নৃত্য-গীত বাদ্যৰে সত্ৰভাগ চলি আছে।

## ॥ঘ) গৌৰাঙ্গ বৈষ্ণৱ সত্ৰ॥

**মিছামাৰি ঃ**

নৱদ্বীপৰ কৃষ্ণচন্দ্ৰ বৈৰাগীয়ে তামৰ ফলি আৰু থৰম এযোৰ লৈ চৈতন্যৰ ধৰ্ম প্ৰচাৰ কৰি বিভিন্ন ঠাইত ভ্ৰমি মৰিগাঁৱৰ পাণবাৰীত থিতাপি লয়। তাতে ব্ৰহ্মপুত্ৰৰ পৰা জপিয়াই পৰা মিছামাছ মাৰি ভক্তসকলে ভোজ-ভাত খোৱা বাবে ঠাইখিনিৰ নাম মিছামাৰি হয়। সেই ঠাইতে বৰভেটি বান্ধি ধৰ্মগৃহ সাজে। মণিকূটত গৰুড়াসন, আসনৰ সোঁমাজত গোৱিন্দ মূৰ্ত্তি, সোঁফালে ৰাধাকৃষ্ণৰ যুগল মূৰ্ত্তি, বাঁওফালে এজন পাৰ্ষদ আছে। সত্ৰত ডবা-প্ৰসঙ্গ আৰু চাৰি-প্ৰসঙ্গ কৰে, উলহ-মালহেৰে ফাকুৱা উৎসৱ পালন কৰে। সত্ৰত চৈতন্যদেৱৰ অষ্টপ্ৰহৰ সংকীৰ্ত্তন-নাম চলে। এই সত্ৰ চৈতন্যপন্থীৰ হ'লেও মহাপুৰুষীয়া ৰীতিমতে নাম-প্ৰসঙ্গ, কীৰ্ত্তন আদি চলে। ইয়াৰ কীৰ্ত্তন-ঘৰ, মণিকূট সত্ৰীয়া আৰ্হিৰ। সহস্ৰাধিক শিষ্যৰে সত্ৰ ভৰপূৰ। গৌৰাঙ্গ মহাপ্ৰভুৱে ব্যৱহাৰ কৰা তামৰ থৰম আৰু সাঁচিপাতৰ পুথি

আপুৰুগীয়া সম্পদ।[২৭৮] মানৱ অত্যাচাৰত কুমৈ ৰজাৰ পৰা মায়ং ৰাজ্যৰ মহিমা শুনি খোলাগাঁৱলৈ গৈ তাত মিছামাৰি সত্ৰ এভাগ প্ৰতিষ্ঠা কৰে।[২৭৯]

## ॥মিছামাৰিৰ পৰা বঢ়া সত্ৰ॥

### খোলাগাঁও ঃ

ঘগুৱা মৌজাৰ দিবিকা নদীৰ পাৰত খোলাগাঁও সত্ৰ অৱস্থিত। মানৱ আক্ৰমণৰ সময়ত মূলসত্ৰ মিছামাৰিৰ পৰা আন এখনি সত্ৰ প্ৰতিষ্ঠা কৰা হয়। মৰিগাঁৱৰ পৰা ১৩ কি.মি. (৯ মাইল) পশ্চিমৰ খোলাগাঁৱত প্ৰতিষ্ঠিত সত্ৰখনৰ নাম খোলাগাঁও সত্ৰ। মিছামাৰি সত্ৰৰ শুভানন্দ গোস্বামীয়ে সত্ৰভাগ চলায়।[২৮০]

### দৈপৰা ঃ

মিছামাৰিৰ পৰা বঢ়া আন এখন সত্ৰ। দৈপৰা বিলৰ পাৰত মনহাৰ পৰা দুমাইল পশ্চিমত সত্ৰখন অৱস্থিত। মিছামাৰি সত্ৰৰ ব্ৰজানন্দ গোস্বামীৰ পুত্ৰ বিষ্ণু গোস্বামীৰ বংশই এই সত্ৰ পৰিচালনা কৰি আছে। স্বাধীনতা সংগ্ৰামী বিপ্লৱী সৈনিক মহদানন্দ গোস্বামী এই সত্ৰৰ অধিকাৰ আছিল। সত্ৰীয়া ধৰ্ম-সংস্কৃতিৰ ঐতিহ্য ম্লান পৰিছে।

### কোমোৰাগুৰি ঃ

মিছামাৰিৰ খোলাগাঁৱৰ পৰা বঢ়া সত্ৰ।

প্ৰেমানন্দ আচাৰ্যই খোলাগাঁৱৰ ওচৰৰ কোমোৰাগুৰিত গাঁওখনৰ নামেৰে কোমোৰাগুৰি সত্ৰ স্থাপন কৰিছিল। বৰ্ত্তমান সত্ৰ লুপ্তপ্ৰায়।

## ॥মহাপুৰুষীয়া আৰ্হিৰ চৈতন্যীয়া সত্ৰ॥

### ৰামানন্দী (ৰামআতা) সত্ৰ ঃ

মৰিগাঁও জিলাৰ তেতেলীয়া বৰঙাবাৰীত অৱস্থিত।

ৰামানন্দ আচাৰ্য নৱদ্বীপৰ পৰা আহি তেজপুৰ অঞ্চলত ধৰ্ম প্ৰচাৰ কৰি মৰিগাঁৱৰ বৰঙাবাৰী তেতেলীয়াত ১৭১৫ খ্ৰীঃত এখনি ধৰ্ম-সত্ৰ স্থাপন কৰে।[২৮১] চতুৰ্ভুজ ঠাকুৰৰ আজ্ঞাপৰ বুলি খ্যাত হৈ শিষ্য শৰণ-ভজন দিলেও বঙ্গীয় মতত বাৰভকতৰ পূজা-সেৱা গোপনে কৰে।[২৮২] বিভিন্ন সম্প্ৰদায়ৰ শিষ্যৰ সমন্বয়।

তথ্যসূত্ৰ ঃ

১. গুৰু চৰিত কথা ঃ ছেদ ১১-১৩
২. ৰামচৰণ ঃ পদ-২২৪-২২৮
৩ কথা-গুৰুচৰিত ঃ পৃ-৪১
৪ বৰদোৱা গুৰুচৰিত ঃ পৃ-৫৯-৬০



৫. বলি-ছলন ঃ পদ-১০৯১
৬. বৰদোৱা গুৰুচৰিত ঃ পৃ-৬০
৭. শঙ্কৰদেৱ ঃ হৰিশ্চন্দ্ৰ উপাখ্যান, পদ-২৯১
৮. শঙ্কৰদেৱ ঃ অজামিল উপাখ্যান, পদ-৩৫৫
৯. শঙ্কৰদেৱ ঃ ভাগৱতৰ আদ্যদশম, পদ-১৪৭৫
১০. বৰদোৱা গুৰুচৰিত ঃ পৃ-৫৮
১১. কথা-গুৰুচৰিত ঃ পৃ-৩৪
১২. গুৰুচৰিত কথা ঃ বেদ-৭১
১৩. বৰদোৱা গুৰুচৰিত ঃ পৃ-৫৮
১৪. ৰামচৰণ, পদ-১৫০৭
১৫. ৰামচৰণ ঃ পদ-১৫৬১
১৬. শঙ্কৰদেৱ ঃ কীৰ্ত্তন-ঘোষা, শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ, পদ-১৮২২
১৭. কথা গুৰুচৰিত ঃ পৃ-৩৬, ৰামচৰণঃ পদ-১৪৫৩
১৮. ৰামচৰণ ঃ পদ-১৬৩৫-১৬৩৬
১৯. উল্লিখিত ঃ পদ-১৬৩৩
২০. আইলক্ষ্মী চৰিত ঃ পদ-১৪৪, গুৰুদল বৰবৰি সত্ৰ।
২১. মহেশ্বৰ নেওগ ঃ প্ৰাচ্য শাসনাৱলী, ভূমিকা, পৃ-৭৭
২২. বৰদোৱা ঃ স্মৃতিগ্ৰন্থ প্ৰকাশ-৫২৭ শঙ্কৰাব্দ, পৃ-৩৭
২৩. শ্ৰীগজেন ৰাজখোৱা ঃ বৰদোৱা আলিপুখুৰীৰ সংক্ষিপ্ত পৰিচয়ঃ, পৃ-৪৯-৫০।
২৪. পবিত্ৰ অসম ঃ পৃ-১১৯।
২৫. মোহন চন্দ্ৰ মহন্ত ঃ জগতগুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ আদিলীলা আৰু বটদ্ৰৱা থানৰ ইতিবৃত্ত, 'বৰদোৱা' পৃ-৩৩।
২৬. পবিত্ৰ অসম ঃ পৃ-১২০।
২৭. শ্ৰীশ্ৰীনবোৱা বালিসত্ৰৰ চমু ইতিবৃত্ত ঃ পৃ-১৯।
২৮. শ্ৰীৰবীন দেৱচৌধুৰীঃ অসমৰ দুৰ্দশাগ্ৰস্ত সত্ৰ ঃ, পৃ-৩।
২৯. নগাঁও জিলাৰ ৰাজহ বিভাগৰ তথ্য।
৩০. পবিত্ৰ অসম ঃ পৃ-১২০।
৩১. শ্ৰীচন্দন কাকতিৰ লিখিত তথ্য।
৩২. পবিত্ৰ অসম ঃ পৃ-১১৯।
৩৩. ভদ্ৰচাৰু ঃ শ্ৰীশ্ৰীঅনন্ত চৰিত, পদ-৬৩৫, ৬৩৬, ৬৫৯।
৩৪. সত্ৰাধিকাৰ শ্ৰীনেত্ৰদেৱ মহন্তৰ পৰা পোৱা লিখিত তথ্য।
৩৫. সত্ৰাধিকাৰ শ্ৰীধূলেশ্বৰ দেৱমহন্তৰ লিখিত তথ্য।
৩৬. সত্ৰৰ বয়োজ্যেষ্ঠ শ্ৰীনবীনচন্দ্ৰ দেৱ মহন্তৰ লিখিত তথ্য।
৩৭. শ্ৰীচন্দন কাকতিৰ লিখিত তথ্য।
৩৮. পবিত্ৰ অসম ঃ পৃ-১২৪-১২৫।
৩৯. উল্লিখিত ঃ পৃ-১২৪।
৪০. শ্ৰীগোপালদেৱ মহন্তৰ লিখিত টোকা।
৪১. সত্ৰৰ ডিম্বেশ্বৰ মহন্ত, শ্ৰীমুনীন্দ্ৰ মহন্তৰ লিখিত টোকা।
৪২. সত্ৰাধিকাৰ শ্ৰীসোমচন্দ্ৰ মহন্তৰ টোকা।
৪৩. শ্ৰীলীলাকান্ত মহন্তৰ লিখিত তথ্য।
৪৪. শ্ৰীদুলাল বৰা ঃ পক্ষীতীৰ্থ চামগুৰি বিল (দৈনিক অসম) আগষ্ট, ১৯৯৯)
৪৫. যুৱত চন্দ্ৰ মহন্ত ঃ 'ৰহা অঞ্চলৰ সত্ৰ-সভা', বহাৰ বহদৈ, পৃ-৬৬।
৪৬. পবিত্ৰ অসম ঃ পৃ-১৪৩।
৪৭. সত্ৰাধিকাৰ শ্ৰীবিশ্বনাৰায়ণ গোস্বামীৰ লিখিত তথ্য।
৪৮. অনন্ত চৰিত ঃ পদ-৭০০।
৪৯. স্বৰ্ণলতা মহন্ত ঃ 'শ্ৰীশ্ৰীশালমৰা সত্ৰ', স্মৃতিগ্ৰন্থ, সত্ৰীয়া সংস্কৃতি দিৱস, চতিয়া, ২০০৩, পৃ-১৯।
৫০. ডিম্বেশ্বৰ মহন্তৰ টোকা।
৫১. অনন্ত চৰিত ঃ পদ-৭০১
৫২. সত্ৰাধিকাৰ প্ৰয়াত চাৰু গোস্বামীৰ বাণীবদ্ধ তথ্য।
৫৩. লতাৰোৱা সত্ৰৰ শ্ৰীঅতুল চন্দ্ৰ গোস্বামীৰ টোকা।
৫৪. লতাৰোৱাৰ প্ৰয়াত চাৰু গোস্বামীৰ বাণীবদ্ধ তথ্য।
৫৫. উল্লিখিত।
৫৬. অনন্ত চৰিত ঃ পদ-৯৬।
৫৭. শ্ৰীহেমচন্দ্ৰ শইকীয়া ঃ দ্বিতীয় বৈকুণ্ঠ বৰদোৱাৰ বুৰঞ্জী ঃ পৃ-৫৫।

১৫৯. শ্ৰীযুগলচন্দ্ৰ দেৱগোস্বামীৰ লিখিত তথ্য।
১৬০. পবিত্ৰ অসম : (সত্ৰাধিকাৰ প্ৰয়াত লীলাকান্ত দেৱগোস্বামীৰ টোকা) পৃ-১২৬।
১৬১. শ্ৰীবুধীন্দ্ৰনাথ গোস্বামীৰ পৰা পোৱা তথ্য।
১৬২. শ্ৰীযুগল চন্দ্ৰ দেৱগোস্বামীৰ তথ্য।
১৬৩. শ্ৰীদেৱেন্দ্ৰ নাথ হাজৰিকাৰ পৰা পোৱা টোকা।
১৬৪. শ্ৰীজিতেন্দ্ৰ নাথ নায়কৰ লিখিত টোকা।
১৬৫. শ্ৰীচন্দন কাকতিৰ পৰা পোৱা লিখিত টোকা।
১৬৬. পবিত্ৰ অসম : পৃ-১৩০।
১৬৭. হিতেশ্বৰ বৰবৰুৱা : আহোমৰ দিন, পৃ-৫১৫।
১৬৮. বৰদোৱা গুৰুচৰিত : পৃ-৬৮।
১৬৯. ঐতিহ্যমণ্ডিত কলিয়াবৰ : পৃ-৮০।
১৭০. এলেঙি বাপুকৃষ্ণ চৰিত, পৰিশিষ্ট-৩।
১৭১. শ্ৰীকৃষ্ণদেৱ মহন্ত সংগৃহীত।
১৭২. পবিত্ৰ অসম: পৃ-১৩৫।
১৭৩. ঐতিহ্যমণ্ডিত কলিয়াবৰ : পৃ-৮৩।
১৭৪. সত্ৰাধিকাৰ শ্ৰীধনেশ্বৰ মহন্তৰ লিখিত টোকা।
১৭৫. সত্ৰাধিকাৰ শ্ৰীদেৱকান্ত মহন্তৰ লিখিত টোকা।
১৭৬. সত্ৰাধিকাৰ প্ৰয়াত মথুৰাকান্ত গোস্বামীৰ লিখিত টোকা।
১৭৭. ঐতিহ্যমণ্ডিত কলিয়াবৰ : পৃ-৮৫।
১৭৮. পবিত্ৰ অসম: পৃ-১৩৬।
১৭৯. ঐতিহ্যমণ্ডিত কলিয়াবৰ : পৃ-৮৬।
১৮০. পবিত্ৰ অসম : পৃ-১৩৪।
১৮১. সত্ৰাধিকাৰ শ্ৰীভীমদেৱ গোস্বামীৰ লিখিত টোকা।
১৮২. শ্ৰীগিৰিকান্ত গোস্বামীৰ তথ্য।
১৮৩. শ্ৰীঅতুল গোস্বামীৰ তথ্য।
১৮৪. ঐতিহ্যমণ্ডিত কলিয়াবৰ : পৃ-৮৭।
১৮৫. উল্লিখিত: পৃ-৮৯।
১৮৬. সত্ৰ পৰিচালক শ্ৰীআনন্দ মহন্তৰ লিখিত টোকা।
১৮৭. শ্ৰীকেশৱ মহন্তৰ তথ্য।
১৮৮. ঐতিহ্যমণ্ডিত কলিয়াবৰ : পৃ-১১৮।
১৮৯. পবিত্ৰ অসম : পৃ-১৪১-১৪২।
১৯০. ঐতিহ্যমণ্ডিত কলিয়াবৰ: পৃ-৮৮।
১৯১. 'এলেঙি বাপুকৃষ্ণ চৰিত', পৃ-২৬।
১৯২. পবিত্ৰ অসম : পৃ-১৩৯।
১৯৩. নগাঁৱে চিপহা সত্ৰৰ অধিকাৰ শ্ৰীবিশ্বনাৰায়ণ গোস্বামীৰ তথ্য।
১৯৪. ঐতিহ্যমণ্ডিত কলিয়াবৰ : পৃ-১০৭।
১৯৫. উল্লিখিত : পৃ-১০৯।
১৯৬. শ্ৰীদেৱেন মহন্তৰ তথ্য।
১৯৭. শ্ৰীভুবনচন্দ্ৰ মহন্তৰ টোকা।
১৯৮. পবিত্ৰ অসম : পৃ-১৪৩।
১৯৯. পবিত্ৰ অসম : পৃ-১৪৩।
২০০. সত্ৰাধিকাৰ শ্ৰীঅমূল্য চন্দ্ৰ গোস্বামীৰ লিখিত টোকা।
২০১. ঐতিহ্যমণ্ডিত কলিয়াবৰ : পৃ-১৬৬।
২০২. উল্লিখিত : পৃ-১১৩।
২০৩. উল্লিখিত : পৃ-১১৬।
২০৪. দিচিয়াল নগাঁৱে সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীদেৱেন্দ্ৰ নাথ মহন্তৰ লিখিত টোকা।
২০৫. ঐতিহ্যমণ্ডিত কলিয়াবৰ : পৃ-১১৮।
২০৬. উল্লিখিত : পৃ-৭৫।
২০৭. আউনীআটী, পৃ-৩৮।
২০৮. ঐতিহ্যমণ্ডিত কলিয়াবৰ : পৃ-৭৯।
২০৯. দেৱদামোদৰ গুৰু : পৃ-৭৪।
২১০. ঐতিহ্যমণ্ডিত কলিয়াবৰ : পৃ-১২০।
২১১. আউনীআটীৰ বুৰঞ্জী, পৃ-৩৮৯।



২১২. পবিত্ৰ অসম, পৃ-১৩২।
২১৩ শ্ৰীনীৰদা মহন্তৰ পৰা পোৱা তথ্য।
২১৪. কলিয়াবৰ শ্ৰৱণী সত্ৰৰ প্ৰয়াত গিৰিকান্ত মহন্তই লিখা টোকা।
২১৫. পবিত্ৰ অসম : পৃ-১৩২।
২১৬. ঐতিহ্যমণ্ডিত কলিয়াবৰ : পৃ-১১৩।
২১৭. উল্লিখিত : পৃ-১১৭।
২১৮. আহোমৰ দিন : পৃ-৫২৫।
২১৯. শ্ৰীশ্ৰীৰামআতাৰ চৰিত্ৰ : পৃ-৫৫, ৬৪।
২২০. শ্ৰীৰামেশ্বৰ গোস্বামীৰ তথ্য।
২২১. ঐতিহ্যমণ্ডিত কলিয়াবৰ : পৃ-১০০-১০১।
২২২. শ্ৰীভৰত গোস্বামীৰ পৰা পোৱা তথ্য।
২২৩. শ্ৰীলক্ষ্মী নাৰায়ণ গোস্বামীৰ তথ্য।
২২৪. শ্ৰীশ্ৰীৰাম আতাৰ চৰিত্ৰ, পৃ-৭৮-৭৯।
২২৫. উল্লিখিত, পৃ-৭৩।
২২৬. উল্লিখিত, পৃ-৭৩।
২২৭. দ্বিজনা গুৰু, পৃ-৭৬।
২২৮. ঐতিহ্যমণ্ডিত কলিয়াবৰ, পৃ-১০৫।
২২৯. দ্বিজনা গুৰু আত্মসকল, পৃ-৭৬।
২৩০. ঐতিহ্যমণ্ডিত কলিয়াবৰ, পৃ-১০৭।
২৩১. উল্লিখিত।
২৩২. ৰামচৰণ : পদ-২২৭-২২৯।
২৩৩. কথা-গুৰুচৰিত : পৃ-১৩।
২৩৪. উল্লিখিত।
২৩৫. বৰদোৱা গুৰুচৰিত: পৃ-৫৮।
২৩৬. পবিত্ৰ অসম : পৃ-১৬৭।
২৩৭. শ্ৰীহেমচন্দ্ৰ শইকীয়া : শঙ্কৰদেৱৰ জন্মস্থান আলিপুখুৰী: পৃ-৭।
২৩৮. শ্ৰীৰবীন্দ্ৰদেৱ চৌধুৰী : অসমৰ দুৰ্দশাগ্ৰস্ত সত্ৰসমূহ, পৃ-৪১।
২৩৯. উল্লিখিত, পৃ-৫৭।
২৪০. ৰামচৰণ, পদ-১০২৬।
২৪১. শ্ৰীদেৱকান্ত বৰুৱা, 'পাটেকীবড়ি থানত এভুমুকি', কলংপাৰ, ২২ অক্টোবৰ, ২০০৩।
২৪২. হৰিনাৰায়ণ দত্তবৰুৱা : কায়স্থ সমাজৰ ইতিবৃত্ত, পৃ-২৪৮-২৪৯।
২৪৩. সনত মহন্ত : 'মৰিগাঁৱৰ সত্ৰ সংস্কৃতি', পৃ-৯৪।
২৪৪. শ্ৰীশ্ৰীকালশিলা চৰিত- ১১ শ অধ্যায়, পদ-২৩।
২৪৫. পবিত্ৰ অসম : পৃ-১২৫।
২৪৬. শ্ৰীশ্ৰীকালশিলা চৰিত : ১১শ অধ্যায়, পদ-২৩।
২৪৭. উল্লিখিত।
২৪৮. শ্ৰীঅতুল চন্দ্ৰ গোস্বামীৰ পৰা সংগৃহীত তথ্য।
২৪৯. উল্লিখিত।
২৫০. উল্লিখিত।
২৫১. 'মৰিগাঁৱৰ সত্ৰ সংস্কৃতি': পৰিতৰা, পৃ-৯৭।
২৫২. সত্ৰাধিকাৰ শ্ৰীপুষ্পকান্ত মহন্তৰ লিখিত টোকা।
২৫৩. শ্ৰীসদানন্দ মহন্ত : 'মৰিগাঁও জিলাৰ সত্ৰসমূহৰ আলেখ্য', কল্পতৰু, পৃ-৪৮।
২৫৪. গুৰুদল বৰবৰি সত্ৰৰ শ্ৰীৰঘুনাথ মহন্তৰ পৰা পোৱা তথ্য।
২৫৫. 'মৰিগাঁৱৰ সত্ৰ-সংস্কৃতি', পৰিতৰা, পৃঃ৯৪।
২৫৬. পবিত্ৰ অসম : পৃ-১২২।
২৫৭. সুব্ৰত চন্দ্ৰ মহন্ত : 'ৰহা অঞ্চলৰ সত্ৰসভা', ৰহাৰ ৰহঁদে, পৃ-৬৬।
২৫৮. শ্ৰীগিৰিকান্ত গোস্বামীৰ পৰা পোৱা লিখিত তথ্য।
২৫৯. ঐতিহ্যমণ্ডিত কলিয়াবৰ : পৃ-৮৬।
২৬০. 'মৰিগাঁৱৰ সত্ৰ-সংস্কৃতি' : পৰিতৰা, পৃ-৯৭।
২৬১. সনত মহন্ত : ৰহাৰ ৰহঁদে, পৃ-৬৫।
২৬২. নগাঁৱে দিচিয়াল সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীদেৱেন্দ্ৰ নাথ মহন্তৰ তথ্য।
২৬৩. উল্লিখিত।
২৬৪. সত্ৰাধিকাৰ শ্ৰীনাৰায়ণ চন্দ্ৰ গোস্বামীৰ লিখিত টোকা।

২৬৫. গুণেশ্বৰ ডেকা : 'মন্ত্ৰ প্ৰসিদ্ধ মায়াং আৰু পবিতৰাৰ ইতিহাস', পৃঃ ১৭৬।
২৬৬. 'মৰিগাঁৱৰ সত্ৰ-সংস্কৃতি' : পবিতৰা, পৃ-৯৭।
২৬৭. উল্লিখিত, পৃ-৯৭।
২৬৮. পবিত্ৰ অসম : পৃ-১৫৯।
২৬৯. শ্ৰীললিত চন্দ্ৰ গোস্বামী : 'শ্ৰীশ্ৰীযুক্তদামোদৰ গুৰু বংশাৱলী'।
২৭০. দিহিনা সত্ৰৰ বুঢ়া সত্ৰাধিকাৰ শ্ৰীগোপালদেৱ গোস্বামী/সেৱক প্ৰমোদচন্দ্ৰ কাকতিৰ পৰা পোৱা তথ্য।
২৭১. সদানন্দ মহন্ত : 'মৰিগাঁও জিলাসমূহৰ আলেখ্য', কল্পতৰু, পৃ-৪৯।
২৭২. দিহিনা সত্ৰৰ বংশাৱলীৰ পুৰুষনামা : শ্ৰীশ্ৰীদামোদৰ গুৰু বংশাৱলী।
২৭৩. যোৰহাটৰ কাংসপাৰ সত্ৰৰ শ্ৰীজয়ন্ত মাধৱ মহন্তৰ পৰা পোৱা তথ্য।
২৭৪. মোলানকটাৰ শ্ৰীকালীকান্ত হাজৰিকাৰ লিখিত টোকা।
২৭৫. সনত মহন্ত : 'মৰিগাঁৱৰ সত্ৰ-সংস্কৃতি' পবিতৰা, ১৯৯৪, পৃ-৯৮।
২৭৬. খগেশ্বৰ গোস্বামী : শ্ৰীৰামআতাৰ চৰিত্ৰ, পৃ-৭৭।
২৭৭. সনত মহন্ত : 'মৰিগাঁৱৰ সত্ৰ-সংস্কৃতি' পবিতৰা, পৃ-৯৮।
২৭৮. উল্লিখিত, পবিতৰা, পৃ-৯৮।
২৭৯. গুণেশ্বৰ ডেকা, 'মন্ত্ৰ প্ৰসিদ্ধ মায়াং আৰু পবিতৰাৰ ইতিহাস', পৃ-১৫৫।
২৮০. উল্লিখিত : পৃ-১৫৭।
২৮১. সদানন্দ মহন্ত, 'মৰিগাঁৱৰ সত্ৰসমূহৰ আলেখ্য', কল্পতৰু, পৃ-৪৯।
২৮২. পবিত্ৰ অসম : পৃ-১৬০।


০০০

# তৃতীয় অধ্যায়

## সত্ৰৰ ধৰ্মীয় সংস্কৃতি

### ৩.০০ সত্ৰৰ নিত্য-প্ৰসঙ্গ : চৈধ্য-প্ৰসঙ্গ

সত্ৰত নিত্য-নৈমিত্তিক কৃত্য কিছুমান থাকে। যিবোৰ নিতৌ সত্ৰৰ লোকে কৰিব লাগে সেয়া নিত্য আৰু যিবোৰ কোনো উপলক্ষ্য বা নিমিত্ত লৈ বছৰত কোনো নিৰ্দিষ্ট তিথি দিৱসত কৰা হয় সিবোৰ নৈমিত্তিক। নিত্যকৃত্যৰ ভিতৰত নাম-প্ৰসঙ্গ অপৰিহাৰ্য। সত্ৰৰ অধিকাৰ আৰু ভকতবৃন্দই দিনটোৰ প্ৰাতৰ পৰা নিশালৈ আধ্যাত্মিক চিন্তা-চৰ্চাৰ কাৰণে প্ৰসঙ্গ কৰি কীৰ্তন আৰু শ্ৰৱণেৰে পৰমানন্দ লাভ কৰে। শৰীৰ আৰু মনৰ উৎকৰ্ষ আৰু সংযমেৰে আত্মাৰ বিকাশ সাধন কৰা সত্ৰৰ ধৰ্ম-সংস্কৃতিৰ উপাদানসমূহ ভিতৰত নিত্য-প্ৰসঙ্গ অন্যতম। সত্ৰ-শৰীৰৰ প্ৰাণ নাম-প্ৰসঙ্গ।

শঙ্কৰদেৱে প্ৰথম বৰদোৱা-আলিপুখুৰী সত্ৰ স্থাপন কৰি তিনি প্ৰসঙ্গ[১] কৈ ধৰ্ম-চৰ্চা কৰিছিল। এই তিনি প্ৰসঙ্গ হ'ল– পুৱা, আবেলি আৰু সন্ধ্যা বা নিশাৰ প্ৰসঙ্গ। তাৰ পিছত চাৰি প্ৰসঙ্গৰ প্ৰত্যেকটো ভাগকে সজাই চৈধ্য-প্ৰসঙ্গলৈ বিস্তৃত কৰা হ'ল। গোকুল পাঠকৰ মতে বৰপেটাত মাধৱদেৱে পতা আচাৰ্য মথুৰাদাস বুঢ়া আতাই প্ৰথম চৈধ্য-প্ৰসঙ্গৰ শাখা বিভাগ কৰে।[২] কেশৱানন্দ দেৱগোস্বামীয়ে পুৰুষোত্তম ঠাকুৰে চৈধ্য-প্ৰসঙ্গ নীতি-নিয়মেৰে সজাই পৰাই তোলে বুলি উল্লেখ কৰিছে।[৩] শঙ্কৰ-মাধৱৰ তিনি প্ৰসঙ্গতে চৈধ্য প্ৰসঙ্গৰ আভাস আছিল। তাকে পৰৱৰ্তী ধৰ্মাচাৰ্যই ভাগ ভাগ কৰি চৈধ্য-প্ৰসঙ্গৰ পূৰ্ণ ৰূপ দিছিল বুলি বুজিব পাৰি।

সত্ৰৰ প্ৰসঙ্গ বুলিলে চৈধ্য-প্ৰসঙ্গৰ কথাকে বুজা যায়। কিছুদিনৰ আগলৈ দামোদৰী-মহাপুৰুষীয়া বা ব্ৰহ্ম-পুৰুষ-কাল-নিকা চাৰিওটি সংহতিয়ে চৈধ্য-প্ৰসঙ্গক হেৰফেৰ হ'ব নিদিয়াকৈ চলাইছিল। কিন্তু কিছু বছৰৰ পৰা জীৱনৰ ব্যস্ততা, যুগৰ পৰিবৰ্তন, অৰ্থনৈতিক দুৰৱস্থা, সাংস্কৃতিক সজাগতাৰ অভাৱ, অজ্ঞতা আদি কোনো

কাৰণত কিছুমান সত্ৰত চৈধ্য-প্ৰসঙ্গ নচলা হৈ পৰিছে।

অবিভক্ত নগাঁও জিলাৰ চাৰিও সংহতিৰ সত্ৰসমূহৰ প্ৰায় ক্ষেত্ৰতে মিল পৰিলক্ষিত হয়। চৈধ্য-প্ৰসঙ্গ ভাদ মাহত প্ৰধান প্ৰধান সত্ৰ কেইখনমানত কৰি আছে। এই প্ৰসঙ্গত পুৰুষ, কাল, নিকা, ব্ৰহ্ম চাৰি সংহতিৰ ভিতৰত নগাঁৱত নিকা সংহতি প্ৰায় বিলোপ হৈছে। নিকা সংহতিৰ মাধৱদেৱে পতা আচাৰ্য ভাটৌকুছীয়া কেশৱচৰণ আতাৰ বৰজহা সত্ৰ নিতাল মৰাত বৰ্ত্তমান পুৰণিগুদামৰ মাধৱদেৱে পতা আন এজন আচাৰ্য শ্ৰীহৰিৰ পৰা বঢ়া লাইআটী সত্ৰৰ নাম লব পাৰি। সত্ৰখন ত্ৰিধা বিভক্ত হৈ বৰ্ত্তমান পূৰ্বৰ পৰম্পৰা হেৰুৱাইছে। সেই ভাগে পুৰুষ আৰু ব্ৰহ্মৰ লগত সমন্বয় সাধন কৰি চলিছে।[৪]

পুৰুষ, ব্ৰহ্ম আৰু কাল সংহতিৰ ঘাই ঘাই সত্ৰকেইখনে আন নহ'লেও পৱিত্ৰ ভাদ মাহত চৈধ্য-প্ৰসঙ্গৰ পৰম্পৰা ৰক্ষা কৰাৰ প্ৰয়াস মন কৰিব পাৰি। আনকালত চাৰি-প্ৰসঙ্গ কৰে। আইসকলৰ দুই প্ৰসঙ্গ চলে। কিছুমান সত্ৰই কোনোমতে দুই প্ৰসঙ্গ চলাই আছে। আমাৰ ক্ষেত্ৰ-অধ্যয়নত শঙ্কৰদেৱ আৰু মাধৱদেৱৰ তিথিত কেইবাখনো সত্ৰলৈ গৈ যেনেতেনে প্ৰসঙ্গ কৰি সত্ৰ চলাই থকা দেখিছোঁ।

শ্ৰৱণ-কীৰ্ত্তন-স্মৰণ তিনিওৰে সমন্বয়েই প্ৰসঙ্গ। শ্ৰৱণ আৰু কীৰ্ত্তনৰ অঙ্গাঙ্গী সম্পৰ্ক। মানুহৰ সহজাত প্ৰবৃত্তি আৰু ইন্দ্ৰিয় সংযম কৰি কায়-বাক্য-মন-চিত্ত স্থিৰপূৰ্বক ভগৱন্তক ভজনা কৰিবলৈ প্ৰসঙ্গৰ প্ৰয়োজন। পঞ্চ-কৰ্মেন্দ্ৰিয়, পঞ্চ-জ্ঞানেন্দ্ৰিয়, মন-বুদ্ধি-চিত্ত-অহঙ্কাৰ— এই চৈধ্য ইন্দ্ৰিয়ৰ সংযমাৰ্থে চৈধ্য-প্ৰসঙ্গ।[৫] ডঃ কেশৱানন্দ দেৱগোস্বামীৰ মতে চৈধ্য-প্ৰসঙ্গৰ ভাগবোৰৰ আভাস দাঙি ধৰা হ'ল ঃ-[৬]

## ক) পুৱাৰ প্ৰসঙ্গ ঃ

**১। তাল কোবোৱা ঃ** দোকমোকালিতে সত্ৰৰ বুঢ়া ভকতে হাতত ভোৰতাল লৈ কীৰ্ত্তন ঘৰত বহি "ভকত বান্ধৱ হৰিবোল, হৰিবোল—" বুলি এটি পুৱাৰ গীত গাই উঠি চাৰিজনা ঘোষা গাই হাটীয়ে হাটীয়ে ঘূৰি ফুৰি পুনৰ নিজৰ স্থানলৈ ঘূৰি আহি প্ৰসঙ্গ ভাগ সামৰে।

**২। মঞ্জিৰা নাম ঃ** নাম লগোৱাই তাল বজাই ৰাগৰ গীত দিয়ে আৰু পালিসকলে চাপৰি বজাই ধৰি গায়। নাম শেষ হ'লে একে তালত নামছন্দৰ ঘোষা আৰু চাৰিজনা আন ঘোষা গাই কীৰ্ত্তন নানা সুৰত গাই হৰিধ্বনিৰে নাম সামৰি উপদেশ গায়। শেষত হৰিধ্বনিৰে প্ৰসঙ্গ সামৰে।

**৩। আইসকলৰ প্ৰসঙ্গ ঃ** আইসকলে পুৱাৰ প্ৰসঙ্গত বন্তি জ্বলাই শিৰ আৰু দোহাৰত বহি মূল নামতী গৰাকীয়ে নাম লগায় আৰু বাকীবোৰে দোহাৰি গাই যায়। আইসকলৰ নামৰ চাপৰিতে তাল ৰক্ষা কৰা হয়। নামছন্দেৰে আৰম্ভ



কৰি ঘোষা কেইফাঁকিমান গাই কীৰ্ত্তনৰ নাম গায়। আইসকলৰ নামত দিহা বিশেষ আকৰ্ষণীয়। নামৰ শেষত 'ৰাম-ৰাম-ৰাম' তিনিবাৰ বুলি নাম সামৰি হৰিধ্বনি কৰে।

## খ) দেৰপৰীয়া প্ৰসঙ্গ ঃ

**৪। ঘোষা-প্ৰসঙ্গ ঃ** ডবা-কাঁহ ধ্বনিৰে গায়নে-বায়নে খোল-তালেৰে ঘোষা গায়। প্ৰথমে গুৰু-ঘেটা বজাই পাতনি ঠেলা, ৰাগ তালনি আদি বজাই উঠি নিৰ্দিষ্ট তালৰ ঘোষা গাই শেষ কৰি হৰিধ্বনি দি সামৰে।

**৫। ঘাই-প্ৰসঙ্গ ঃ** নাম লগোৱাই পাতি তাল বা ভোৰতাল আৰু পালিসকলে হাত চাপৰিৰে প্ৰসঙ্গ লয়। প্ৰথমে ৰাগ দি উঠি নামছন্দৰ ঘোষা গাই কেইজন মান ঘোষা গায়। তাৰ পিছত এটি কীৰ্ত্তন গায় আৰু দুটি দুলড়ি ঘোষা গাই নাম সামৰি হৰিধ্বনি কৰে আৰু তাৰ পিছত মাহ-প্ৰসাদ, ফলাহাৰ বিতৰণ কৰে।

**৬। উপদেশ/পাঠ ঃ** দেৰপৰীয়াৰ নাম-প্ৰসঙ্গৰ পিছত ভাগৱত, ৰত্নাৱলী বা কীৰ্ত্তনৰ অধ্যায়ৰ শেষৰ ফালে থকা 'উপদেশ' পুথি পঢ়া সুৰত বা ৰাগত গোৱা হয়। কিছুমানত নামান্তে কোনো এখন পুথিৰ পৰা একোটা অধ্যায়ো পাঠ কৰে।

**গ) বিয়লিৰ প্ৰসঙ্গ ঃ** দেৰপৰীয়াৰ পিছত বিয়লি প্ৰসঙ্গ কৰা হয়। বিয়লি-প্ৰসঙ্গৰ যোৰা বা খোল-প্ৰসঙ্গ গায়নে-বায়নে কৰে। খোল-তালেৰে এটি গীত ৰাগত গায়।

**৮। ঘোষা-কীৰ্ত্তন ঃ** ঘাইত বহা আৰু দোহাৰৰ সকলোৱে ৰাগ দি গীত টানে আৰু তাৰ পিছতে নামছন্দৰ ঘোষা গাই আন চাৰিজনা ঘোষা শেষ কৰি কীৰ্ত্তন গায়। শেষত দুলড়ি ঘোষাৰে নামৰ সামৰণি মাৰে।

**৯। আইসকলৰ বিয়লিৰ নাম ঃ** কিছুমান সত্ৰত আইসকলৰ প্ৰসঙ্গ এভাগ যদিও অনেক সত্ৰত পুৱা আৰু আবেলিৰ দুপ্ৰসঙ্গ চলে, তাল-চাপৰিৰে গীত গাই নামছন্দ, ঘোষা গাই কীৰ্ত্তনৰ নাম গায়। মাজে মাজে কীৰ্ত্তনৰ বিষয়ৰ লগত সম্পৰ্ক থকাকৈ দিহা নাম দিয়ে। শেষত অ' হৰি অ' ৰাম— হৰিধ্বনিৰে প্ৰসঙ্গ-কাৰ্য সামৰে।

## ঘ) সন্ধিয়াৰ প্ৰসঙ্গ ঃ

**১০। তাল কোবোৱা ঃ** পুৱাৰ তাল কোবোৱাৰ দৰে একে। বেলি মাৰ যোৱাৰ পিছতেই বন্তি জ্বলাই ডবা-কাঁহ বজাই এই প্ৰসঙ্গ কৰা হয়।

**১১। সন্ধিয়াৰ প্ৰসঙ্গ ঃ** নাম লগোৱাজনে বহি ৰাগ দি এটি গীত গাই গুণমালাৰ অধ্যায় গাই উঠি লীলামালা, উপদেশ, চপয়, দেৱভটিমা, টোটয়, গুৰু-ভটিমাৰে গুণ গোৱা কাৰ্য কৰে। তাৰ পিছত সন্ধিয়াৰ ৰাগ দি গীত গাই নামছন্দ, ঘোষা পাঁচজনাৰে কীৰ্ত্তন এটি গাই উপদেশ বা পাঠ পঢ়ি জয়ধ্বনিৰে প্ৰসঙ্গৰ অন্ত পেলায়।

**১২। যোবা/খোল-প্ৰসঙ্গ ঃ** সত্ৰত দেবপৰীয়া, আবেলি আৰু সন্ধিয়া এই তিনি সময়ত তিনিবাৰ খোল-প্ৰসঙ্গ কৰা হয়। যুটীয়া তাল বজাই গায়নে-বায়নে এই প্ৰসঙ্গ কৰে।

**১৩। ঘোষা/কীৰ্ত্তন-প্ৰসঙ্গ ঃ** খোলৰ যোবা প্ৰসঙ্গৰ পিছতে ঘোষা-কীৰ্ত্তন গাই ঘোষা-কীৰ্ত্তন প্ৰসঙ্গ কৰা হয়।

**১৪। শেষ পাল যোবা ঃ** এই প্ৰসঙ্গৰে দিনটোৰ প্ৰসঙ্গৰ সামৰণি পৰে। প্ৰসঙ্গীয়া নামৰ শেষত বিয়লিৰ প্ৰসঙ্গৰ দৰে কীৰ্ত্তন-দিহা গাই উঠি গায়ন-বায়নে খোল-তালেৰে গীত এটি গাই প্ৰসঙ্গৰ সামৰণি মাৰি জয়ধ্বনি কৰে।

অবিভক্ত নগাঁৱৰ কিছুমান সত্ৰত পুৱা, দেবপৰীয়া বা দুপৰীয়া, বিয়লি আৰু সন্ধ্যা বা নিশা– এই চাৰি প্ৰসঙ্গৰ সময়তে চৈধ্য-প্ৰসঙ্গ ভাগে ভাগে চলে। আন সময়ত তিনি বা দুই প্ৰসঙ্গ চলে। কাল-সংহতিৰ সত্ৰত শঙ্কৰদেৱ, মাধৱদেৱ বা গোপাল আতাৰ ৰচিত যিকোনো এটি গীত মেলান সুৰত গাই 'নাম-জয়-জপ' ঘোষাৰে নাম আৰম্ভ কৰি নামছন্দ, শৰণ, ভজন, প্ৰাৰ্থনা, উপদেশ যিকোনো এভাগী ঘোষা গাই দিহাৰ ঘোষা, কীৰ্ত্তন সামৰণি উপদেশ, পাঠ, সেৱা-প্ৰাৰ্থনা বা অপৰাধ ভঞ্জন গায়। সন্ধ্যা বা ৰাতিৰ নিত্য-প্ৰসঙ্গত গীতৰ আগত ভটিমা আৰু গুণমালা গোৱা হয়। পুৱা আৰু দুপৰীয়াৰ প্ৰসঙ্গৰ লগত ভটিমা, টোটয়, চপয়, চতিহা, লীলামালা গাই সন্ধ্যা চৈধ্য-প্ৰসঙ্গ তোলা হয়।[৭] কাল সংহতিৰ সত্ৰসমূহে দিনৰ ভাগত বন্তি প্ৰজ্বলন নকৰে আৰু প্ৰসঙ্গত তাল আৰু চাপৰি একেলগে পেলায়। তেওঁলোকৰ নিৰ্মালিৰ ব্যৱস্থা নাই।[৮]

উক্ত চৈধ্য-প্ৰসঙ্গ সংহতি ভেদে বা সত্ৰ বিশেষ অলপ ইফাল-সিফাল হয় যদিও বিশেষকৈ ভাদ মাহ আৰু কোনো কোনো তিথি-উৎসৱত ক্ৰম ৰক্ষা কৰি চৈধ্য-প্ৰসঙ্গ কিছুমান সত্ৰত পৰম্পৰা ৰক্ষা কৰি চলাই আছে। প্ৰসঙ্গত খোল, তাল, ভোৰতাল, কৰতাল আৰু আৱশ্যকমতে ডবা, বৰকাঁহ, নেগেৰা আদি বাদ্য প্ৰয়োগ কৰা দেখা যায়।

## ৩.০১ ভাদ মাহৰ পৰম্পৰাগত অনুষ্ঠান-উৎসৱ ঃ

### নৈমিত্তিক অনুষ্ঠান ঃ উৎসৱ ঃ

অসমৰ সত্ৰ পৰম্পৰাত নিত্যকৃত্যৰ দৰে কিছুমান নৈমিত্তিক-কৃত্যও বিশেষ উল্লেখযোগ্য। জনজীৱন বা সমাজ-সংস্কৃতিৰ লগত সম্পৰ্ক থকাকৈ কিছুমান অনুষ্ঠান সত্ৰসমূহত প্ৰৱৰ্ত্তন কৰা হ'ল। এই অনুষ্ঠানসমূহ ভক্তিমূলক আৰু জনচিত্ত-বিনোদক। প্ৰতি বছৰে বিশেষ নিমিত্ত বা কাৰণত নিৰ্দিষ্ট তিথি-নক্ষত্ৰত এই অনুষ্ঠানসমূহ পালন কৰা হয় কাৰণে নৈমিত্তিক কৃত্য বোলা হয়। গুৰু-ভকত-শিচ তথা সমূহে গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত প্ৰসঙ্গ, গীত-মাত, নৃত্য-বাদ্য, ভাওনাদিত



পালন কৰা এই অনুষ্ঠানসমূহ সত্ৰ-পৰম্পৰাত পৰিণত হৈছে। সত্ৰৰ এই অনুষ্ঠানসমূহে জন-জীৱনৰ নৈতিক, আধ্যাত্মিক, সামাজিক ঐক্য আৰু শৃঙ্খলা, চিন্তা-চৰ্চা, শিক্ষা-দীক্ষা, সাংস্কৃতিক চেতনা জগাই ৰাখিছে। আজিও ধৰ্মীয়-সামাজিক-সাংস্কৃতিক ক্ষেত্ৰত এই নিত্য-নৈমিত্তিক অনুষ্ঠানসমূহৰ কাৰণে সত্ৰৰ প্ৰভাৱ জন-সমাজত ম্লান হৈ যোৱা নাই।

নৈমিত্তিক অনুষ্ঠানকেইটা বিশেষকৈ ভাদ মাহতে অনুষ্ঠিত কৰা হয়। সত্ৰ পৰম্পৰাত ভাদ মাহ অতি গুৰুত্বপূৰ্ণ আৰু পুণ্য মাহ। কিয়নো অসমৰ ভক্তি-ধৰ্মৰ প্ৰৱৰ্ত্তক তথা সত্ৰৰ উদ্ভাৱক গুৰু শঙ্কৰদেৱৰ উপাস্য একদেৱ শ্ৰীকৃষ্ণৰ জন্ম-দিৱস অৰ্থাৎ জন্মাষ্টমী, গুৰু শঙ্কৰদেৱ আৰু তেওঁৰ ধৰ্মৰাজ্যৰ অধিকাৰী মাধৱদেৱৰ তিৰোভাৱ বা মৃত্যু তিথিও ভাদ মাহতে। সেই কাৰণে বৈষ্ণৱ সন্ত-মহন্ত আৰু অসমীয়া ৰাইজে এই মাহক পবিত্ৰ মাহৰূপে গণ্য কৰি জন্মাষ্টমী, গুৰু-কীৰ্ত্তন নানা ভক্তিমূলক আৰু সাংস্কৃতিক অনুষ্ঠানৰ জৰিয়তে পালন কৰি আহিছে। সেইবোৰৰ ভিতৰত জন্মাষ্টমী উপলক্ষ্যে পতা নাম-কীৰ্ত্তন, দিহানাম, জন্মযাত্ৰা, নন্দোৎসৱ, পাঁচতি বা বোকাযাত্ৰা ভাওনা; দুজনা গুৰু-কীৰ্ত্তন উপলক্ষ্যে পতা নাম-প্ৰসঙ্গ, গীত-মাত, গুৰু-অঙ্কীয়া বিশেষ উল্লেখযোগ্য। ইয়াৰ উপৰিও, সকলো সত্ৰতে পতা নাম-সামৰণি, কোনো কোনো সত্ৰৰ হীৰা নাম, থিয় নাম প্ৰভৃতি অনুষ্ঠানৰ কথা উল্লেখ কৰিব পাৰি।

**ক) শ্ৰীকৃষ্ণ-জন্মাষ্টমী ঃ**

শঙ্কৰদেৱ-মাধৱদেৱৰ তিৰোভাৱ তিথিৰ লগতে ভাদ মাহৰ কৃষ্ণপক্ষৰ অষ্টমী তিথিৰ ৰোহিণী নক্ষত্ৰত আবিৰ্ভাৱ হোৱা বৈষ্ণৱ-ভকতৰ এক ভগৱান শ্ৰীকৃষ্ণৰ জন্মাষ্টমী বিশেষ তাৎপৰ্যপূৰ্ণ আৰু গুৰুত্বপূৰ্ণ উৎসৱ। মাধৱদেৱৰ তিথিৰ দুদিন পিছতে জন্মাষ্টমী। তাৰ পিছত শুক্লা দ্বিতীয়াত শঙ্কৰদেৱৰ তিথি। এই মাহতে প্ৰায় পোন্ধৰ দিনৰ ভিতৰতে তিনিওটা অনুষ্ঠান পালন কৰিব লাগে। শঙ্কৰ-মাধৱৰ সত্ৰৰ থাপনাত প্ৰতিষ্ঠা কৰা 'শ্ৰীমদ্ভাগৱত', 'দশম', 'কীৰ্ত্তন', 'নামঘোষা', 'ভক্তি-ৰত্নাৱলী'ৰ মুখ্য চৰিত্ৰ তথা উপাস্যদেৱতা পৰমপুৰুষ শ্ৰীকৃষ্ণৰ জন্মাই সত্ৰ গৃহক বৈকুণ্ঠৰূপ দিয়ে আৰু ভকতই পৰমানন্দত উলহ-মালহেৰে জন্মাষ্টমী পালন কৰি জীৱন সাৰ্থক কৰি তোলে।

জন্মাষ্টমী উপলক্ষ্যে সত্ৰত পুৱাৰ পৰা নাম-কীৰ্ত্তন ধ্বনিত হয়। দুপৰীয়া ভকত-বৈষ্ণৱ সমবেত হৈ প্ৰসঙ্গীয়া নামেৰে এক গহীন পৰিৱেশৰ সৃষ্টি কৰে।

পুৱাৰ, দুপৰীয়াৰ, আবেলিৰ আৰু সন্ধ্যাৰ চৈধ্য-প্ৰসঙ্গৰ বৰগীত, ভটিমা, নাম-প্ৰসঙ্গ, ভাগৱত পাঠ, খোল-প্ৰসঙ্গ, গুণমালা, লীলামালাৰে প্ৰসঙ্গৰ সামৰণি পেলায়। আইসকলেও দুবেলা নাম-কীৰ্ত্তন কৰে। সন্তান জন্মৰ উলহ-মালহ আইসকলৰ বেছি। তাৰেই প্ৰতিফলন আইসকলৰ নাম-কীৰ্ত্তন আৰু দিহানামত

ঘটিছে।[১] বসুদেৱৰ দৈৱকীৰ বিয়া, কৃষ্ণৰ জন্ম, কংস ৰজাৰ উৎপীড়ন আদিৰ দিহানাম অতি শ্ৰুতিমধুৰ আৰু শ্ৰুতিমধুৰকৈ আইসকলে গায়ঃ

১। বসুদেৱে বোলে দেৱী মন্দিৰলৈ যোৱা।
পূৰ্ণকৃষ্ণ ভগৱন্তক আৰাধনা কৰা॥
২। পুত্ৰ লাভে দৈৱকীয়ে ব্ৰত পালন কৰে।
সপোনে আসিয়া দেখা দিলা নাৰায়ণে॥
৩। ভাদ্ৰ মাসতে ৰোহিণী নক্ষত্ৰ
অষ্টমী তিথিৰে ৰাতি।
পদুমৰ পাততে গোঁসাই উপজিলে।
সুগন্ধিৰ লগালে বাতি॥
৪। আজি মধ্য ৰাতি শিলা বৰষিলে
নুশুনি প্ৰজাৰ মাত।
পালি পহৰীয়া সবে নিদ্ৰা গৈলে
উপজিল জগন্নাথ॥

**খ) নন্দোৎসৱ ঃ বোকাযাত্ৰা ঃ**

নন্দ-যশোদাৰ পুত্ৰ জন্মাত নন্দ ৰজাৰ আনন্দৰ সীমা নোহোৱা হ'ল। সেইকাৰণে "নন্দ-যশোদা পঞ্চ শৰদ সম্বাদ বজাই পৰম হৰিষে মহোৎসৱ কয়ল। বৃদ্ধ কালত পুত্ৰ ওপজা শুনি সকলোৱে "নন্দগৃহে আসি মহা মহোৎসৱ কয়ল"।[১০] কৃষ্ণ জন্মদিনত জন্মযাত্ৰাৰ ভাওনা পতা হয়। সত্ৰবোৰত এদিন, তিনিদিন বা পাঁচদিনত নন্দোৎসৱ-বোকাযাত্ৰা ভাওনা কৰা হয়। শঙ্কৰদেৱৰ দশমৰ পদৰ পৰা চিত্ত-বিনোদনৰ কাৰণে গোপাল আতাই ৰচনা কৰা 'জন্মযাত্ৰা' আৰু 'নন্দোৎসৱ' অভিনীত হয়।[১১]

এই নাট দুভাগ অসমৰ সত্ৰ-সংস্কৃতিৰ অমূল্য সম্পদ। সেইকাৰণে জন-আকৰ্ষণীয় এই নাটৰ ভাওনা জন্মাষ্টমীৰ লগত সামঞ্জস্য ৰাখি সত্ৰসমূহত কৰা হয়। ভাওনাত বিভিন্ন চৰিত্ৰ দেখুৱা গ্ৰাম্য বা সামাজিক জীৱনৰ প্ৰতিফলনে সমজুৱা বা দৰ্শকক পৰিতৃপ্ত কৰে। এই উৎসৱৰ ভাওনাকে বোকাযাত্ৰা বা পাঁচতিও বোলা হয়। বোকা-ভাওনাত লোক-নাট্যৰ প্ৰভাৱ লক্ষ্য কৰিব পাৰি।[১২] গোপাল আতাই নাটৰ শেষত "ওহি জন্মযাত্ৰা-বোকাযাত্ৰা সম্পূৰ্ণ ভেল' বুলি কৈছে। ভকত-বৈষ্ণৱৰ প্ৰসঙ্গৰ অন্তত গায়ন-বায়নৰ যোৱা উঠে আৰু পৰিচালক বা সূত্ৰধাৰৰ নিৰ্দেশত 'বোকাযাত্ৰা' ভাওনা আৰম্ভ হয়। 'বোকাযাত্ৰা' বা পাঁচতিত সত্ৰৰ নামঘৰ বা সন্মুখৰ চোতালত বোকা-পানী ঢালি নানা বাদ্য-ধ্বনি আৰু গীতৰ সুৰত নাচি-নাচি বগৰা-বাগৰি কৰে আৰু দধি, দুগ্ধ, ঘি, লৱণু, পিঠাগুৰি, লাৰু ছটিওৱা হয়। পুত্ৰ জন্মত আইসকলৰ উলহ-মালহ অপাৰ। তেওঁলোকে মুখে মুখে গীত-পদেৰে চৰিত্ৰসমূহৰ ভাওনা কৰে। নন্দ, গৰ্গ, গোপ-গোপী, বৃদ্ধ-বৃদ্ধাৰ ভাও লৈ মহিলাসকলে কৰা উৎসৱে অসমীয়া সামাজিক চিত্ৰ সুন্দৰভাৱে দাঙি ধৰে। মহিলাসকলৰ দিহা নামে[১৩] নন্দোৎসৱৰ কাহিনীৰ চিত্ৰ সুন্দৰভাৱে ফুটাই তোলে ঃ



১। আহাঁ সখি আহাঁ বাই নন্দেৰ গৃহে যাওঁ।
যশোদাৰ পুত্ৰ হৈছে নয়ন ভৰি চাওঁ॥
২। সখিসৱ এ গোকুলত কিনো অদ্ভুত।
কাঠবাজি যশোদাই দেখে পুত্ৰমুখ॥
৩। আজি ডবা বাজে বাজে মৃদং খোল।
নন্দ ৰজাৰ পুত্ৰ হৈছে জয় হৰি বোল॥
৪। দধি দুগ্ধ ঘৃত মধু লৱণুৰ বাটি।
নন্দেৰ ঘৰে যায় গোপী শাৰী শাৰী॥
৫। অ' হৰি এ গৰ্গে গণিলা।
ৰাম-কৃষ্ণ নাম বুলি কোষ্ঠীত লিখিলা॥

**গ। গুৰু-কীৰ্ত্তন ঃ শঙ্কৰদেৱৰ তিথি ঃ**

সত্ৰৰ প্ৰৱৰ্ত্তক শঙ্কৰদেৱৰ প্ৰথম বাৰ্ষিক তিৰোভাৱ তিথি মাধৱদেৱে পাটবাউসীত প্ৰথম পালন কৰে। সকলো ধৰ্মাচাৰ্য-ভকত-শিষ্যক মাধৱদেৱে বছৰেকীয়া তিথিৰ জান দিয়াত নানা সামগ্ৰীৰে সকলো লোক আহি পাটবাউসীত উপস্থিত হয়। ৰামচৰণৰ চৰিতত আছেঃ

চৌৰাশী লক্ষৰ যত লোক নিৰন্তৰ।
হেন মহোৎসৱ শুনিলন্ত শঙ্কৰৰ।
বাল্য-বৃদ্ধ দুখী-সুখী লোক যত যত।
নাথাকিল ঘৰে কেহো সবে আসিলন্ত॥[১৪]

শঙ্কৰদেৱৰ তিৰোধান তিথি ভাদ মাহত শুক্লা দ্বিতীয়াত পালন কৰা হয়। তিথি উপলক্ষ্যে সত্ৰৰ আগদিনা ৰাতি যোৱা-প্ৰসঙ্গত 'গন্ধ' আৰু তাল-খোলেৰে ঘোষা গোৱাৰ পিছত অধিকাৰে গুৰু-আসনত প্ৰাৰ্থনা জনাই বাপু-ভকতক সুকলমে গুৰু-কীৰ্ত্তন ভাগ কৰাৰ নিৰ্দেশ দিয়ে। অনেক সত্ৰত ভাদৰ তিথিত গুৰু-কৰ শোধোৱা আৰু ভকতৰ লেখ লোৱাৰো নিয়ম আছে।

সত্ৰৰ চৈধ্য-প্ৰসঙ্গই গোটেই অঞ্চলত ভক্তিৰ সোঁত বোৱায়। আগদিনাৰ পৰা আয়োজন কৰা মতে দোকমোকালিৰ পৰা সন্ধিয়ালৈ বিভিন্ন প্ৰসঙ্গত নিৰ্ধাৰিত গীত-ভটিমা, কীৰ্ত্তন, ঘোষা, পাঠ, গুণমালা আদি একাদিক্ৰমে চলে। কিছুমান সত্ৰত চৈধ্য-প্ৰসঙ্গৰ উপৰিও গীত-মাত, ঘোষা, কীৰ্ত্তন আদিও গায়।

আইসকলে পুৱা আৰু আবেলিৰ প্ৰসঙ্গত কীৰ্ত্তনৰ নাম গায়। কিছুমান

বজাই বাৰটা ঘোষা নাচি নাচি গোৱা হয়। বাৰটা ঘোষাৰ লগত নচা নৃত্য কেইভাগৰ নাম– 'চিৰল চিটিকা, সৰুযুতি, এপকীয়া চিটিকা, বৰযুতি, দুপকীয়া চিটিকা, খুৰলি পিছলা, সৰুচলা, আদযুতি, বহি চিৰল, কালি খুটিওৱা আদি বাৰটি নৃত্য বাৰটি ঘোষাৰ লগত বাদ্য-সঙ্গত কৰি নচা হয়।[১৫] শঙ্কৰদেৱৰ 'গুণমালা'ৰ প্ৰথম অধ্যায় খোল-তাল-বাদ্য বজাই সুৰ লগাই গাই নৃত্য কৰি ঘোষা-দুলড়িৰে অনুষ্ঠানৰ অন্ত পেলায়। এই প্ৰসঙ্গত নগাঁৱৰ নবোৱা থূলৰ সত্ৰকেইখন উল্লেখযোগ্য। পূৰ্বে কিছুমান সত্ৰত নিশা ভাওনাও অনুষ্ঠিত হৈছিল বুলি সত্ৰৰ সুধীসকলৰ পৰা জনা যায়।

খ) **হীৰা নাম ঃ**

অসমত সত্ৰৰ নাম-কীৰ্ত্তনৰ ইতিহাসত হীৰা নামো অন্যতম।

হীৰা নাম ভক্তি-প্ৰকাশৰ উত্তম নাম। বহুমূলীয়া হীৰাৰ দৰে হীৰা নামে ভক্তৰ হৃদয় আলোকিত কৰে। সেইকাৰণে হীৰা নাম বোলা হয়। আন কিছুমানে হীৰা নামক হিয়া নাম বুলিও কৰ বিচাৰে।

নগাঁৱৰ ব্ৰহ্মচাৰী আদি সত্ৰত এইবিধ নামৰ প্ৰচলন আছে। হীৰা নাম মাথোন পবিত্ৰ ভাদ মাহতে ৰাতিৰ প্ৰসঙ্গৰ প্ৰাক্‌মুহূৰ্তত গোৱা হয়। নাম-প্ৰসঙ্গৰ অন্তত ৯ যোৰৰ পৰা ১১ যোৰ বৰতাল বজাই হীৰা নাম গায়। তাল লৈ নাম গোৱা ভকতসকলে ধূতি, চেলেং, গামোচা এই ত্ৰিবস্ত্ৰ পৰিধান কৰি লয়। তাল বজোৱা আৰু হীৰা নামত অংশ গ্ৰহণ কৰা ভকতসকল শৰণ-ভজন লোৱা হ'ব লাগে। নামৰ মূলত অধিকাৰ। সত্ৰৰ অধিকাৰে হীৰা নাম ডাকিব লাগে। প্ৰথম ভাগ নামত তাল আগত ৰাখি গোপীনাথলৈ সেৱা-ভক্তি নিবেদন কৰি নাম আৰম্ভ কৰে। থিয় হৈ সকলোৱে 'জয় জয় ৰাম ৰাম' গাই ৫ খোজ আগলৈ, ৫ খোজ পাছলৈ যায়। এইদৰে গাই গাই ৭ বাৰ অগা-পিছা কৰে– যাক ৭ বৈকুণ্ঠ পৰিভ্ৰমণ কৰা বুলি ক'ব পাৰি। প্ৰতিবাৰৰে প্ৰতিখোজৰ লয়লাস গতি মন কৰিবলগীয়া। সত্ৰাধিকাৰে নাম লগায় আৰু ভক্তসকলে পদচালন আৰু সুন্দৰ ভঙ্গিমাৰে ঘোষাৰ লেচাৰীৰ সুৰত নাম গায়। এই সুৰে চাৰিওদিশে পৰিবেশ গাম্ভীৰ্যপূৰ্ণ কৰি তোলে আৰু ভক্ত-বৈষ্ণৱে অনিৰ্বচনীয় আনন্দত আপ্লুত হয়।

দ্বিতীয় ভাগত আকৌ নাম গাব–

মহাপ্ৰভু গোপীনাথ এ দেৱৰ মধ্যে সাৰ।
সিংহাসনত বহি আছে ৰূপে চমৎকাৰ॥

এই অংশক ধ্ৰুপদ কৰি ঘূৰি ঘূৰি সুৰ সঞ্চাৰেৰে ভাগৱতৰ পদ গাই সামৰণি পেলাই সকলোৱে আসনত বহে। তাৰ পিছৰ স্তৱত লগে লগে অধিকাৰ প্ৰভুৱে ঘাইত বহি কীৰ্ত্তন লগায় আৰু সমূহ ভকতে লগত গায়। সত্ৰত শৰাই থাকিলে দুভাগ আৰু শৰাই নাথাকিলে এভাগ কীৰ্ত্তন গোৱা হয়। কীৰ্ত্তনৰ পাছত শেষ স্তৱত জগন্নাথক স্মৰণ কৰি হীৰা নাম কাৰ্য সমাপন কৰা হয়।[১৬]



তীৰ্থনাথ শৰ্মাই আউনীআটী সত্ৰত জন্মাষ্টমীত নিত্য-প্ৰসঙ্গৰ কামখিনি হৈ যোৱাৰ পাছত হীৰা নাম ওজা আদিৰে দিনৰ কাম সমাধা হৈ যায় আৰু হীৰা নামৰ অন্তত কৃষ্ণ জন্মখণ্ডৰ ভাগৱতৰ পদ পাঠ কৰা হয় বুলি উল্লেখ কৰিছে।[১৭]

## ৩.০২ আন সময়ত সত্ৰত উদ্‌যাপিত উৎসৱ ঃ

ক) **ৰাসোৎসৱ ঃ**

অসমৰ সত্ৰ-সমাজৰ ৰাস অতি পবিত্ৰ উৎসৱ। এই উৎসৱ শৰত কালত কাতি বা আঘোণৰ পূৰ্ণিমা তিথিত উদ্‌যাপন কৰা হয়। সেইদিনা পুৱা গীত-প্ৰসঙ্গ, ঘোষা গাই কীৰ্ত্তনৰ ৰাস-ক্ৰীড়াৰ তিনিটা অধ্যায় গায়। ভাগৱত পাঠ ব্যাখ্যা আৰু চৰিত-তোলাও হয়। আইসকলৰ নাম-কীৰ্ত্তনৰ প্ৰসঙ্গ কৰা হয়।

শঙ্কৰদেৱে ৰাস-লীলাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছিল। সেইকাৰণে বৈষ্ণৱ ভক্তি-সাহিত্যত অনেকক চমক লগোৱা ৰাস কাহিনীক লৈ প্ৰথমতে পঠন আৰু শ্ৰৱণৰ কাৰণে শ্ৰীমদ্ভাগৱতৰ 'দশম'ৰ উপৰিও একে বিষয়কে লৈ 'কীৰ্ত্তন-ঘোষা' পুথিত ৰাসক্ৰীড়া খণ্ড আৰু 'কেলি-গোপাল' নামৰ নাট এখনিও ৰচনা কৰিছিল। শঙ্কৰদেৱে নাম-প্ৰসঙ্গত 'কীৰ্ত্তন-ঘোষা'ৰ প্ৰসঙ্গ-পাঠতো ভাগৱতৰ 'ৰাসলীলা'ৰ পাঠ আৰু ভাওনাত ৰাস-ভাওনা অৰ্থাৎ 'কেলি-গোপাল' নাটৰ ভাওনা কৰাৰ দিহা কৰি থৈছে। নাটখন শঙ্কৰদেৱৰ সম্বন্ধীয় ভায়েক ৰামৰায়ৰ অনুৰোধক্ৰমে পাটবাউসীত ৰচনা কৰি অভিনয় কৰা হৈছিল। সেইকাৰণে শঙ্কৰদেৱৰ দিনৰে পৰা ৰাস-ভাওনা চলি আহিছে বুলি কোৱা হৈছে।

শঙ্কৰদেৱে 'ৰাস'ত শ্ৰীকৃষ্ণক ভগবান আৰু গোপীক একান্ত ভক্তৰূপে চিত্ৰিত কৰি অদ্বৈতবাদী দৰ্শন প্ৰতিফলিত কৰিছে। জীৱ অৰ্থাৎ গোপী জীৱাত্মা আৰু শ্ৰীকৃষ্ণ ভগৱান পৰমাত্মা। জীৱাত্মাৰ এক মাত্ৰ গতি পৰমাত্মা। যিসকলে মনে প্ৰাণে ভগৱান শ্ৰীকৃষ্ণক পাবলৈ সাংসাৰিক মায়া-মোহাদি ইন্দ্ৰিয়গ্ৰাহ্য সৰ্বস্ব ত্যাগ কৰি মহাপ্ৰেম ভাবেৰে হৃদয়-থাপনাত কৃষ্ণক প্ৰতিষ্ঠা কৰিব পাৰে, সেইসকলৰ প্ৰেম-ভকতি অতুলনীয়, অনিৰ্বচনীয়। এনে ভকতিৰ ফলত গোপীসকলে ভগবানৰ সান্নিধ্যৰে মনোবাঞ্ছা পূৰ্ণ কৰিছে আৰু পৰমফল লাভ কৰিছে।

সত্য-শিৱ-সুন্দৰৰ উপাসক কলাকাৰ শ্ৰীমন্ত শঙ্কৰে লৌকিক ৰসক কাব্য-ৰসলৈ উন্নীত কৰাই ভক্তি-ৰসৰ আস্বাদেৰে পাঠক-শ্ৰোতা-দৰ্শকক পৰিতৃপ্ত কৰিছে। "কামজয় নামে ইটো কেশৱৰ কেলি"— গাই, শুনি, অভিনয় কৰি, চাই কৃষ্ণ-ভকতিৰে পৰমানন্দ লাভ কৰিবলৈ 'ৰাস-লীলা'ত সৰ্বজনলৈ আৱাহনী জনোৱা হৈছে।

ৰাস-ক্ৰীড়াক জীৱাত্মা-পৰমাত্মাৰ মিলন বুলি মানি ভক্তসকলে ৰাসক

খুব গুৰুত্ব দান কৰিছে। কৃষ্ণ আৰু আন আন গোপীসকলৰ ভাও ল'ৰাই লোৱাটো পৰম্পৰা। ৰাসৰ পূৰ্ণিমাত নগাঁৱৰ সত্ৰসমূহত যেনেকৈ ভাওনা কৰা হৈছিল আজিকালি তেনেকৈ নহয়– বিশেষকৈ গাঁৱৰ বৰনামঘৰবোৰত ৰাইজে সামূহিকভাৱে ৰাস-ভাওনা পাতিবলৈ লোৱাৰ পৰা। অতে ছোৱালী ৰাস ৰাজহুৱাভাৱে পতা হয়, কিন্তু সত্ৰৰ ৰাসত ল'ৰাই গোপীৰ ভাও লব লাগে। হাতীচোঙৰ উলুবাৰী সত্ৰ, দহঘৰ সত্ৰৰ উদ্যোগত এতিয়াও প্ৰতিবছৰে ল'ৰাৰ ৰাস-ভাওনা হৈ আছে।[১৯] অবিভক্ত নগাঁৱৰ ৰাহজুৱা নামঘৰ বা মুকলি স্থানত পতা ৰাসত সত্ৰই উদ্যোগ লোৱা দেখা যায়।

খ) ফাগু বা ফাকুৱা ঃ

ফল্গু উৎসৱেই অসমৰ ফাগু বা ফাকুৱা। এই উৎসৱ বসন্ত-কালৰ ৰঙৰ উৎসৱ বুলি জনাজাত। ফাগুন মাহৰ পূৰ্ণিমা তিথিত ৰাস উৎসৱ পতা হয়। বসন্ত কালৰ প্ৰকৃতিৰ শোভাই মন-প্ৰাণ উখল-মাখল লগাই ৰঙীণ কৰাৰ লগতে শৰীৰতো ৰং লগাই সুন্দৰ কৰি তোলাৰ প্ৰয়াসতে ফল্গু উৎসৱৰ সূচনা।

শঙ্কৰদেৱে ফাকু ৰঙেৰে শৰীৰ উদ্ভাসিত আৰু মন পুলকিত কৰা লোক-অনুষ্ঠান ফাকুৱাত আত্মাক পৰমানন্দত নিমগ্ন কৰি তোলাৰ খোৰাক যোগালে। সেয়ে এই উৎসৱৰ লগত অসমৰ পবিত্ৰ আধ্যাত্মিক ক্ষেত্ৰ সত্ৰৰ নেৰানেপেৰা সম্পৰ্ক হৈ পৰিল। নাৰায়ণ চন্দ্ৰ গোস্বামীয়ে শঙ্কৰদেৱক ফাকুৱাৰ প্ৰৱৰ্ত্তক আৰু শ্ৰীমদ্ভাগৱতৰ পৰা এই উৎসৱ পতাৰ আভাস লোৱা বুলি কৈছে।[২০] বৰদোৱা, বৰপেটা, কমলাবাৰী, সুন্দৰীদিয়া, মধুপুৰ আদি মুখ্য মুখ্য সত্ৰসমূহলৈ ফাকুৱাত অজস্ৰ যাত্ৰী গৈ ধন্য মানে। অবিভক্ত নগাঁও জিলাৰ প্ৰায় সকলো সত্ৰতে ফাকুৱা উৎসৱ অনুষ্ঠিত হয়।

চৰিতকাৰ ৰামচৰণৰ মতে শঙ্কৰদেৱে ২১ বছৰ বয়সত বৰদোৱা-টেম্বুৱানীত ফাকুৱা বা দৌল-উৎসৱৰ পাতনি মেলে।[২১] আনহাতে বৰদোৱা গুৰু-চৰিতে তীৰ্থ ভ্ৰমণৰ পৰা ঘূৰি আহিয়ে ৰামৰায়ৰ অনুৰোধ মতে শঙ্কৰদেৱে ফাকুৱা উৎসৱ পাতি ৰাইজক দেখুৱাই চমৎকৃত কৰে।[২২] ফাকু উৎসৱ পাতিবলৈ শঙ্কৰদেৱে ভুঞা আৰু ভক্তবৃন্দৰ দ্বাৰা, কোৰ-চাঙিৰে মাটি দি দৌল-ভেটি সম্পূৰ্ণ কৰি তুলি বলৰাম নামৰ সজ্জনক পঠাই মকুৱাপুৰ নামৰ ঠাইৰ পৰা কড়ি টকা দিয়াই কলহ ভৰাই ফাকু অনায় টেম্বুৱানীলৈ আৰু দক্ষিণে দৌল নিৰ্মাণ কৰি গীত-মাত খোল-তাল বাজনাৰে দৌলত মূৰ্ত্তি প্ৰতিষ্ঠা কৰি 'মেঘদাহ' সমাপণ কৰি গন্ধ গাই পিছদিনা উলহ-মালহেৰে ফাকু উদ্‌যাপন কৰে।[২৩] সেই উপলক্ষ্যে শঙ্কৰদেৱে ৰচনা কৰা গীত গোৱা হৈছিল। গীতকেইটা কি কি আছিল জনা নাযায়।

শঙ্কৰদেৱে বৰদোৱাত ফাকুৰ পাতনি মেলাৰ পৰা সত্ৰানুষ্ঠানত



পৰম্পৰাগতভাৱে ফাকুৱা বা দৌলযাত্ৰা চলি আহিছে।

সত্ৰত দৌল পূৰ্ণিমাৰ আগদিনা গন্ধ গোৱা হয়। মণিকূটৰ পৰা গোঁসাই উলিয়াই আনি দৌলত প্ৰতিষ্ঠা কৰি ফাকু সম্পৰ্কীয় গীত-মাত গাই খোল, তাল, ডবা, কাঁহ, শঙ্খ বজাই হৰিধ্বনি কৰে। মূল উৎসৱৰ দিনা ৰাতি পুৱাৰ পৰা খোল-প্ৰসঙ্গ, নাম-কীৰ্ত্তন কৰে। কীৰ্ত্তনত "ৰঙ্গে ফাগু খেলে চৈতন্য বনমালী। দুই হাতে ফাগুৰ গুৰা সিঞ্চন্ত বনমালী॥"[২৪] আৰু দুভাগমান কীৰ্ত্তন গোৱা হয়। ফাকু সম্পৰ্কত মাধৱদেৱৰ ৰচিত বৰগীত গায়ন-বায়নে গায়। এই বিষয়ৰ তেওঁৰ তিনিটা বৰগীত আছে–

১। ভাই দেখো কমলাপতি দৌলৰ ওপৰে।
বৈকুণ্ঠৰ নাথ দৌল বসে কেলি কৰে॥ ¯

২। ফাগু খেলায় কৰুণাময় এ নন্দকুমাৰ।
দেৱৰ দুৰ্লভ কেলি ফাগুৰ বিহাৰ॥ ¯

৩। দোলায় গোবিন্দ পৰম আনন্দে
ৰত্ন সিংহাসনে বহি।
কনক বিৰচিত দৌলৰ মণ্ডপ
জ্বলে যেন ৰবি শশী॥ ¯

সেইদিনা সত্ৰত ভাগৱত ব্যাখ্যা-পাঠৰ লগতে শঙ্কৰদেৱে ফাগু পতাৰ বৰ্ণনা চৰিত পুথিৰ পৰা গোৱা হয়। গোঁসাইৰ মূৰত সভক্তিৰে ফাকু দিয়াৰ পিছতে ভক্তসমূহে ভক্তিৰে ফাকু গ্ৰহণ কৰে। ফাকুৱাৰ পিছদিনা গোঁসাইৰ বিগ্ৰহ অজস্ৰ ভক্তই গীত-মাত, খোল-তাল, হলি-গীতেৰে গাঁও-চহৰ পৰিভ্ৰমণ কৰায় আৰু প্ৰত্যেক গৃহস্থই পদূলিত বন্তি জ্বলাই ধূপ-ধূনা দি শৰাইত টকা-সিকি দি সেৱা জনাই আশীৰ্বাদ লয়।

ফাকুৱাৰ আনন্দ-উৎসৱত ভক্ত আৰু দৰ্শকে মানসিক আৰু আধ্যাত্মিক প্ৰশান্তি তথা পৰমানন্দ লাভ কৰে।

গ) পালনাম ঃ

অসমৰ বৈষ্ণৱ ধৰ্মৰ 'পালনাম' একশৰণ নামধৰ্মৰ এবিধ উৎকৃষ্ট উপাসনা-প্ৰণালী। সত্ৰৰ চাৰি-প্ৰসঙ্গ, চৈধ্য-প্ৰসঙ্গ, গুৰু-সেৱা, শ্ৰৱণ-কীৰ্ত্তন, দিহানাম, উঠানাম, হীৰানাম, খোল-তাল-ডবা-কাঁহ-নেগাৰা আদি বাদ্যৰে কৰা উপাঙ্গ-নামৰ জৰিয়তে কৰা উপাসনাতকৈ পালনামৰ পদ্ধতি আৰু বৈশিষ্ট্য মন কৰিবলগীয়া। পালনামত সকলোৱে অংশ গ্ৰহণ কৰাৰ নিয়ম নাই; মাথোন শৰণ-ভজন লোৱা ভক্তসকলেহে অংশ গ্ৰহণ কৰিব পাৰে। অৱশ্যে সন্ধ্যা আৰু মধ্যাহ্ন প্ৰসঙ্গত সকলোৱে যোগদান কৰাত বাধা নাই। পালনাম নিবিড় আৰু সাত্বিক, ইয়াৰ পৰমাৰ্থিক তত্ত্ব অতি

গূঢ়। নৱবিধ ভক্তিৰ আচৰণ যোগে বৈকুণ্ঠৰ নিবক্ষৰী চাবিঘোষা উচ্চাৰণ কৰি ভগৱন্তক স্তুতি কৰা নামেই পালনাম। প্ৰপন্ন ভক্তসকলৰ ভিতৰত পাল পাতি গোৱাৰ কাৰণে এই নামক পালনাম বোলা হয়। এই নামত তাল-খোল আদি কোনো বাদ্য বজোৱা নহয়, আনকি চাপৰি বজায়ো তাল ৰক্ষা কৰা নহয়। কেৱল নিবিড়ভাৱে ভগৱন্তক কাকুতি জনোৱা হয়। পালনামৰ সাধন-প্ৰণালী বাহ্যিকতাবৰ্জিত, আড়ম্বৰশূন্য আৰু নিতান্ত সাত্বিকতাপূৰ্ণ। মায়াৰ প্ৰপঞ্চই অস্থায়ী সুখৰ প্ৰলোভনেৰে আত্মাক বিপথে টানে। অশুভ শক্তিৰ গৰাহত পৰি জীৱাত্মাই যাতনা ভোগে আৰু পৰমাত্মাই বিকাৰ গুচাই মোহমুগ্ধ কৰি নিজৰ মাজলৈ জীৱাত্মাক টানি নিয়ে অৰ্থাৎ জীৱাত্মা-পৰমাত্মাৰ মিলন ঘটায়। এই উদ্দেশ্যাই পালনামৰ জন্ম আৰু ইয়েই পালনামৰ পৰমাৰ্থিক তত্ত্ব।[২৫]

পালনাম ধুৱাহাট-বেলগুৰিত শঙ্কৰদেৱে ১৪৫০ শকত কাতি মাহত বেকত কৰে।[২৬] শঙ্কৰদেৱক নেতৃত্ব দি ভূঞাসকলক আহোম ৰজাই হাতীধৰা কামত নিয়োজিত কৰাত গড় ভাঙি হাতী পলোৱাত মাধৱদেৱ আৰু হৰি জোঁৱাইক ধৰি নিয়ে আৰু ৰাজ বিচাৰত হৰি জোঁৱাইক কাটে আৰু মাধৱদেৱ বন্দী হৈ থাকি বেলগুৰিলৈ ঘূৰি নোযোৱাত শঙ্কৰদেৱে জীৱৰ মঙ্গল প্ৰাৰ্থনা কৰি কীৰ্ত্তন-ঘৰত এবিধ নাম গোৱাৰ ব্যৱস্থা কৰে। নাম গোৱাৰ সপ্তম দিনত মাধৱদেৱে বেলগুৰিত উপস্থিত হৈ গুৰুক সেৱা জনায়। সেইদিনা নামৰ সামৰণি পৰে। সাতদিন সাতনিশা পাল পাতি একেৰাহে নাম গোৱা হৈছিল।[২৭] পিছলৈ সেই নাম সত্ৰত প্ৰচলিত হৈ থাকে আৰু 'পালনাম' বুলি ভক্ত-সমাজত জনাজাত হয়। নগাঁও-মৰিগাঁও জিলাৰ পুৰুষ, ব্ৰহ্ম, কাল সংহতিৰ প্ৰায় সত্ৰই পালনাম পাতে। পালনাম ভাগ অতি আকৰ্ষণীয় আৰু গুৰু-গম্ভীৰ। আজিকালি পালনাম সাতদিন-সাতনিশা গোৱাৰ প্ৰথা নাইকিয়া হ'ল। সচৰাচৰ দিনৰ ভাগত নিত্য-প্ৰসঙ্গৰে নাম গোৱাৰ পিছতে বৰণ লোৱা বৈষ্ণৱ সাধুৱে পালি পাতি নাম গাই নিশাটো কটাই পিচদিনা দিনৰ ভাগত পালনাম গাই শেষ কৰে। কলিয়াবৰৰ সত্ৰত ৰাতিপুৱা আৰম্ভ কৰি সন্ধিয়ালৈ পালনাম গোৱাৰ ব্যৱস্থা আছে।

পালনামত সাধাৰণতে চাৰিখন শৰাই সজোৱা হয়। উদ্দেশ্য– গুৰু, দেৱ, নাম আৰু ভকত।[২৮] পালনাম কোনো উদ্দেশ্য বা সকামত পতা বুলি সকামীসকলে কয় যদিও শঙ্কৰদেৱে নিজ জোঁৱায়েক হৰি নিৰাপদে থাকক বা আন কোনো পাৰিবাৰিক উদ্দেশ্য সাধনাৰ কাৰণে পালনামৰ অনুষ্ঠান পতা নাছিল। সকামীৰ দৃষ্টিত মাধৱদেৱতকৈ হৰি জোঁৱায়েকৰ কথা বেছি প্ৰয়োজন। ৰাজ্যত চলা কুশাসন, অমানবীয় কাৰ্য, অবিবেচনা আদিৰ ফলত মানৱ সমাজত দেখা দিয়া সন্ত্ৰাস, বীভৎসতাৰ উপশম ঘটাই জনসাধাৰণ আৰু ৰাজ্যৰ মঙ্গল সাধন কৰিবলৈ সকলোৱে মানসিক আৰু আত্মাৰ প্ৰশান্তিৰ কাৰণে ভগৱানৰ ওচৰত ভক্তি নিবেদন জনাবলৈ



এই ভাগ নাম-প্ৰসঙ্গ কৰা হৈছিল। মানৱ তথা জীৱৰ মঙ্গল আৰু আত্মা-পৰমাত্মাৰ মহামিলনৰ পথ-নিৰ্দেশনাৰ কাৰণে শঙ্কৰ-মাধৱৰ ভক্তি-ধৰ্মৰ নাম-প্ৰসঙ্গ, গীত-মাত, ভাওনা আদিৰ দৰে পালনামো অমূল্য অৱদান।

মূলতঃ শঙ্কৰদেৱে সাত দিন সাত ৰাতি পালনাম চলাইছিল যদিও সুবিধানুসৰি পাচ, তিনি বা এদিন (ৰাতিসহ)ৰ ভিতৰতে পালনাম গোৱাৰ ব্যৱস্থা হ'ল। আৰ্থিক অনাটন যাতে পালনামৰ অন্তৰায় নহয়, তাৰ কাৰণে সময়ৰ হ্ৰাসৰ লগতে শক্তি-সামৰ্থ অনুযায়ী খৰচ-পাতিৰে পালনাম চলোৱাৰ ব্যৱস্থা আছে।

পালনামৰ পূৰ্বে নিত্য-প্ৰসঙ্গ সত্ৰ-সমাজৰ প্ৰচলিত নিয়ম অনুসৰি সমাপ্ত কৰে। মূলত বহা আচাৰ্যই অৰ্ধবৃত্তাকাৰে ভক্তসকলক লৈ নিৰক্ষৰী চাৰিঘোষা একে লেঠাৰীয়ে চাৰিবাৰ উচ্চাৰণ কৰি পাঠকক দিয়া নিৰ্দেশ মতে প্ৰথম চাৰিজন ঘোষাক দুবাৰলৈ পাঠ কৰি তাৰ পৰমাৰ্থিক তত্ত্ব 'নাৰায়ণ'ৰ গুৰু (না-বিজ্ঞান), দেৱ (ৰা-জ্ঞান), নাম (য়-ৰহস্য) আৰু ভকত (ণ-তদঙ্গ)— এই চাৰিবস্তুৰ প্ৰকাশ ভক্তৰ অন্তৰত সাঁচ বহুৱাকৈ আৰু ভক্তি-ভাৱ সঞ্চাৰ হোৱাকৈ শুনায়।[২৯] লগে লগে আচাৰ্যই নাম ডাকি অৰ্ধবৃত্তাকাৰে বহা ভক্তসকলৰ প্ৰত্যেকৰ মুখে একোবাৰকৈ নাম উচ্চাৰণ কৰায়। তাৰ পাছত পাঠকে গোৱা চাৰিজনা ঘোষাৰ অন্তৰে অন্তৰে একোবাৰলৈ নাম উচ্চাৰণ কৰি যাব। নামাচাৰ্য, পাঠক আৰু সমজুৱা ভক্তসকলৰ যিকোনো এজনে নাম ডাকিব পাৰে। ঘোষাৰ তত্ত্ব ব্যাখ্যাদি কৰি গোটেই নিশা কটায়। প্ৰতিদিনা পালনাম যেই দিন চলে সদায় ৰাতিপুৱাৰ প্ৰসঙ্গৰে আৰম্ভ হয়। নিৰ্দিষ্ট সময়ত ভক্তসকলে সেৱা জনাই আশীৰ্বাদ লয় আৰু মাহ-প্ৰসাদ বিতৰণ কৰি পালনামৰ সামৰণি মাৰে। পালনামত গুৰু ভকত-শিষ্যই সকলো জীৱৰে অপায়-অমঙ্গল-বিঘ্নি নাশ কৰি জগতৰ মঙ্গল আৰু শান্তিৰ হকে পৰমপুৰুষ ভগৱন্তৰ ওচৰত কাতৰ প্ৰাৰ্থনা জনায়।

### ঘ) জন্মোৎসৱ ঃ

কুৰি শতিকাৰ তৃতীয়-চতুৰ্থ দশকৰ পৰা শঙ্কৰদেৱৰ জন্মোৎসৱ বা জন্ম-জয়ন্তী পালন কৰা নিয়ম প্ৰৱৰ্তন কৰা হয়। ৰামচৰণ ঠকুৰৰ গুৰু-চৰিতত থকা বৰ্ষ, মাহ, তিথি-নক্ষত্ৰমতে অসমৰ সকলো সত্ৰ, বৈষ্ণৱ শিচ-ভকত তথা সমাজে শঙ্কৰদেৱৰ জন্মোৎসৱ পালন কৰিবলৈ লয়। বৰদোৱা গুৰুচৰিত মতে ১৩৭১ শক (১৪৪৯ খ্ৰীঃ)ৰ কাৰ্তিক সংক্ৰান্তিৰ অমাৱস্যা তিথিত বৃহস্পতিবাৰ মাজনিশা শঙ্কৰদেৱে জন্মলাভ কৰে।[৩০] আৰু কেইবাখনো চৰিতৰ জন্ম চন, তিথি, বাৰ বেলেগ বেলেগ। তথাপি মাধৱপুৰুষৰ ভাগিনীয়েক ৰামচৰণ ঠাকুৰৰ লেখা মতে অসমত জন্মোৎসৱ পতা হৈছে। নগাঁৱৰ মহাপুৰুষীয়া সত্ৰসমূহে পুৱাৰ প্ৰসঙ্গৰ পৰা সন্ধিয়ালৈ নাম-কীৰ্ত্তন আদিৰে উৎসৱ পালন কৰে। কিছুমানে অনুষ্টুপীয়াকৈ

পাতে। বিশেষকৈ এই জন্মোৎসৱ আড়ম্বৰপূৰ্ণকৈ ৰাজহুৱাভাৱে পতা হয়। উৎসৱৰ কাৰ্য্যসূচী ৩/৪ দিনীয়াকৈ চলে। অঞ্চলৰ সত্ৰসমূহে সহযোগ আৰু অংশ গ্ৰহণ কৰে। সেই উপলক্ষ্যে উষা-কীৰ্ত্তন, নাম-প্ৰসঙ্গ, সাংস্কৃতিক-প্ৰতিযোগিতা, ধৰ্মালোচনী সভা, আলোচনা-চক্ৰ আৰু ভাওনা অনুষ্ঠিত কৰা হয়। আজিকালি ৰাজহুৱাভাৱে অসমৰ চাৰিওদিশে শঙ্কৰদেৱৰ জন্মোৎসৱ ৩/৪ দিনীয়াকৈ বিভিন্ন কাৰ্যসূচীৰে পালন কৰে। অসম শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই জন্মোৎসৱ পতাত কুৰি শতিকাৰ চতুৰ্থ দশকৰ প্ৰথমৰ পৰা বিশেষ গুৰুত্ব দিছে। উল্লেখযোগ্য যে নগাঁও জিলাৰ পলাশনীত পোন প্ৰথম ১৯২৯-৩০ চনত জন্মোৎসৱ পতাৰ সূচনা কৰে।

শঙ্কৰদেৱৰ জন্মক্ষেত্ৰ আৰু প্ৰথম সত্ৰ স্থাপন কৰা বৰদোৱা সত্ৰত কিছু বছৰৰ পৰা জন্মোৎসৱ পালন কৰি আহিছে। ১৯৬৮ চনত বিশেষ আড়ম্বৰপূৰ্ণভাৱে উৎসৱ পালন কৰিছিল। বিশিষ্ট ব্যক্তিয়ে অংশ গ্ৰহণ কৰি উৎসৱ কৃতকাৰ্য কৰি তুলিছিল। উৎসৱ উপলক্ষ্যে কেইবা নিশাও অঙ্কীয়া নাট ভাওনা অভিনীত হৈছিল আৰু ধৰ্মালোচনী সভাও বিশেষ আকৰ্ষণীয়কৈ অনুষ্ঠিত হৈছিল।[৩১]

আজি কেইবছৰমান (১৯৯৭ চন)ৰ পৰা অবিভক্ত নগাঁও জিলাৰ সত্ৰ আৰু ভক্তসকলে মিলি গোপালদেৱ আতাৰ জন্মোৎসৱো পতাৰ ব্যৱস্থা কৰিছে।[৩২] গোপাল আতাৰ জন্ম ১৪৭৩ শক (১৫৫১ খ্ৰীঃ) বহাগ মাহৰ শুক্লা সপ্তমী তিথিত। সেই তিথিতে ২/৩ দিনীয়াকৈ বছৰি বেলেগ বেলেগ স্থানত জন্মোৎসৱ পালন কৰে। উৎসৱত উষা-কীৰ্ত্তন, নাম-প্ৰসঙ্গ, ধৰ্মালোচনী সভা, নাট-ভাওনা আদি অনুষ্ঠিত কৰা হয়।

## ঙ) বিহু উৎসৱ ঃ

বিহু অসমৰ লোক উৎসৱ। অসমৰ সকলো জাতি-উপজাতিৰ লোকৰ বিহু অতি আনন্দ, উলহ-মালহৰ উৎসৱ। বছৰটোত তিনিটা বিহু পালন কৰা হয়– তিনিমাহৰ তিনিটা সংক্ৰান্তি বা দোমাহীত। চ'তৰ সংক্ৰান্তিত বহাগ বিহু, আহিনৰ সংক্ৰান্তিত কাতি বিহু আৰু পুহৰ সংক্ৰান্তিত মাঘ বিহু পালন কৰা হয়। বহাগৰ ১ তাৰিখৰ পৰা নৱবৰ্ষৰ আৰম্ভ। সেইকাৰণে সংক্ৰান্তিৰ দিনা গৰু বিহু, ১ বহাগৰ দিনা মানুহৰ বিহু উদ্‌যাপন কৰা হয়। এই বিহু কিছুমানে ৭ দিনলৈ পালন কৰে। কাতি বিহু আহিন-সংক্ৰান্তিৰ দিনা এদিনীয়াকৈ পাতে। পুহৰ সংক্ৰান্তিত ভেলাপুজি বা মেজিঘৰ জ্বলাই পুহৰ ঠৰঙা লগা ঠাণ্ডা খেদি উত্তৰায়ণলৈ গতি কৰায় আৰু মাঘৰ পহিলা তাৰিখলৈ বিহুৰ বতাহ লাগি থাকে।

উল্লেখযোগ্য যে শঙ্কৰদেৱৰ নৱবৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ অসমৰ লোক-অনুষ্ঠান বিহুৰ ওপৰত বিশেষভাৱে পৰিছে। যাৰফলত, বিহু সত্ৰ-সভাতো পালন কৰি সত্ৰৰ ধৰ্মৰ লগত জনসাধাৰণৰ সম্পৰ্ক গাঢ় কৰি তুলিছে। বিহুক অতি পবিত্ৰ



জ্ঞান কৰা হৈছে। কীৰ্ত্তনৰ 'উৰেষা-বৰ্ণন'ত বিষুদিনাৰ শুভ্ৰতা-পবিত্ৰতাৰ কথাৰ উল্লেখ আছে।[৩৩]

আধ্যাত্মিক ক্ষেত্ৰ-সত্ৰত বিহুৰ পৱিত্ৰ দিনত নাম-প্ৰসঙ্গ কৰা হয়। সেইদিনা সিংহাসন বা গুৰু আসনত নৱবস্ত্ৰ প্ৰদান কৰি গছা, চাকি-বাতি আৰু আন আন সামগ্ৰী ঘঁহি-পিহি সুন্দৰভাৱে সজায়। সত্ৰৰ মণিকূটত থকা সাঁচিপাতৰ পুথি আৰু কাঠৰ বাকচ তেল দি চাফচিকুণ কৰা হয়। সত্ৰৰ থাপনা আৰু প্ৰসঙ্গ-পাঠ-পঢ়াত ব্যৱহাৰ কৰি থকা কীৰ্ত্তন, ভাগৱত, ৰত্নাৱলী, নামঘোষা পুথি চাই-চিতি নৱবস্ত্ৰ দিয়া হয়।

বহাগৰ বিহুত গুৰু-ভকতক নৱবস্ত্ৰ (আজিকালিৰ বিহুৱান) দিয়াৰ নিয়ম। বেহাৰত ৰজাৰ আইধায়ে মাধৱদেৱ আৰু ভকতসকলৰ কাৰণে গামোচা, পছৰা আৰু দোপাটী– তিনি প্ৰকাৰৰ কাপোৰ উপহাৰ দিয়াৰ কথা আছে।[৩৪] সিদিনা অনেকে গুৰু-গোঁসাইলৈ বস্ত্ৰ দান কৰে।

বিহু কেইটাত নগাঁৱৰ সকলো সংহতিৰ সত্ৰই নাম-প্ৰসঙ্গ কৰে। পুৱাৰ গীত, ভটিমা, ঘোষা, খোল-প্ৰসঙ্গ, দুপৰীয়া প্ৰসঙ্গ, পাঠ-পঢ়া আদিৰে বিহু-দিন উদ্‌যাপন কৰা হয়। বিশেষ উল্লেখযোগ্য বহাগ বা মাঘ বিহুৰ পবিত্ৰতাৰ কাৰণে পহিলা তাৰিখত সত্ৰত থকা সেৱাৰ বস্তু নাম-প্ৰসঙ্গ কৰি ভক্ত ৰাইজৰ আগত প্ৰদৰ্শন কৰে আৰু ৰাইজে পৰম-ভক্তিৰে দৰ্শন কৰি পৰমানন্দ লাভ কৰে। এই প্ৰসঙ্গত শলগুৰি আইভেটি ন-সত্ৰৰ গুৰুজনাৰ এপাত পাদুকা, জুলি বস্ত্ৰ, পদশিলা প্ৰদৰ্শন কৰোৱা কথা উল্লেখযোগ্য। মাধৱদেৱে পতা আচাৰ্য কেশৱচৰণ আতাই প্ৰতিষ্ঠা কৰা বৰজহা সত্ৰত থকা মাধৱদেৱৰ হস্তাক্ষৰৰ 'নামঘোষা' পুথি ভাগ পহিলা বহাগত ৰাইজক দেখুওৱা আৰু পাঠ কৰা পৰম্পৰা আছিল।[৩৫] পূৰ্বতে কিছুমান সত্ৰত ভকত আৰু আইসকলে বেলেগে বেলেগে মাহ-হালধি প্ৰায় গৃহস্থত দি সকলোকে নিমন্ত্ৰণী দি আনন্দ-ধেমালি কৰে। ল'ৰা-ছোৱালীবোৰে ধোপ, গুদু কড়ি আদি খেল খেলিছিল। মাঘবিহুত বটা কাটি আনি মেজি সাজে, কাঠৰ মেজিও সাজে। উৰুকাৰ নিশা নাম-কীৰ্ত্তন কৰি উলহ-মালহেৰে বাপু-ভকতে একেলগে খোৱা-বোৱা কৰে। বিহুৰ দিনা দোকমোকালিতে তামোল-পাণ আগবঢ়াই ভক্তিভাৱেৰে মেজি জ্বলাই উত্তাপ লয় আৰু তাৰ পিছত সত্ৰৰ নামঘৰত নাম-প্ৰসঙ্গ কৰে। কাতি বিহুতো অভাৱ-অনাটনৰ মাজতো মনৰ পবিত্ৰতাৰে নাম-কীৰ্ত্তন কৰে। কিছুমানে সন্ধিয়া তুলসী-ভেটিত চাকি-বন্তি দি নাম গায়।

## ৩.০৩ সত্ৰাধিকাৰ অভিষেক উৎসৱ ঃ

সত্ৰৰ গৰাকী প্ৰমুখ্যে শিচ্-ভকত আৰু অনুগামীসহ একোখন সত্ৰ একোটা ডাঙৰ সামাজিক পৰিয়াল। অসমৰ বিভিন্ন অঞ্চল বা জিলাত একোখন সত্ৰৰ শিচ-অনুগামী সিঁচৰতি হৈ আছে। নগাঁৱৰ চাৰিওটা সংহতি বা সম্প্ৰদায়ৰ সত্ৰ কামৰূপ, দৰং, শোণিতপুৰ, শিৱসাগৰ, যোৰহাট, গোলাঘাট আদি বিভিন্ন জিলাৰ ভিন ভিন অঞ্চলত থকাৰ কথা জনা যায়। নানা জাতি-উপজাতিৰ শিচ্-ভকত একোখন সত্ৰৰ দহ-বাৰ হাজাৰ পৰ্যন্ত বা ততোধিক থাকে। ইমান বেছি শিচ্-ভকত বিস্তৃত হৈ থকা সত্ৰ আৰু সত্ৰখনৰ অধিকাৰজনা সবাবো ভক্তি-শ্ৰদ্ধা আৰু সন্মানৰ গৰাকী হ'ব লাগিব। আহোম শাসন কালত কিছুমান সত্ৰত অধিকাৰ নিৰ্বাচনৰ ক্ষেত্ৰত ৰজাকো অৱগত কৰিব লাগিছিল আৰু ৰাজ-প্ৰতিনিধি অভিষেক উৎসৱত যোগদান কৰিছিল। সত্ৰাধিকাৰ অভিষেক উপলক্ষ্যে উৎসৱৰ আয়োজন কৰা হয়, যাক সত্ৰাধিকাৰ নিৰ্মালি লোৱা বা ঢোপ (মালা) লোৱা উৎসৱ বোলা হয়।

অসমৰ সত্ৰৰ ধৰ্মাচাৰ্য পতাৰ ইতিহাস শঙ্কৰদেৱে সূচনা কৰে। তেওঁ নৰনাৰায়ণ সামৰিৰৰ বাবে জগন্নাথলৈ যাবলৈ মানস কৰি গণককুছিৰ পৰা ভকত পঠিয়াই মাধৱদেৱক বাউসীলৈ মাতি আনি মূৰত মালা দি আচাৰ্য বৰণ কৰিছিল।

"এই বুলি মাথে মালা দিলা।
আচাৰ্য পাতিলো বুলি সবাত কাহিলা ॥[৩৭]

তাৰ পিছত মাধৱদেৱে মালা-বস্ত্ৰ-ৰূপ দি সত্ৰাধিকাৰ পতাৰ ব্যৱস্থা প্ৰবৰ্ত্তন কৰে। শঙ্কৰদেৱ, দামোদৰদেৱে ধৰ্মৰাজ্য তথা সত্ৰ-ধৰ্মৰ-দায়িত্ব অৰ্পণ কৰিছিল-- তেওঁলোকৰ প্ৰিয় ভক্ত-শিষ্যক যোগ্যতাৰ মাপকাঠীত। শঙ্কৰদেৱে পুত্ৰ ৰামানন্দ জীৱিত থাকোঁতেও মাধৱদেৱকহে উপযুক্ত দেখি সত্ৰ-ধৰ্মৰ উত্তৰাধিকাৰ পাতি থৈ গৈছিল। শঙ্কৰদেৱে মাধৱদেৱক উত্তৰাধিকৰত্ব দি দামোদৰদেৱ, হৰিদেৱ আৰু নাৰায়ণ দাস ঠাকুৰক ধৰ্মাচাৰ্য পাতি থৈ যায়।[৩৮] দামোদৰদেৱেও নিজৰ ভতিজা কৃষ্ণদেৱ পাটবাউসীত লগত থকা সত্ত্বেও বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্যক ধৰ্মৰ অধিকাৰ পাতে। পিছলৈ যোগ্যতাৰ ভিত্তিত সত্ৰ-সভাৰ দায়িত্ব অৰ্পণ নকৰি পুত্ৰানুক্ৰমে বা জ্যেষ্ঠতাৰ অনুক্ৰমে সত্ৰৰ মূৰব্বী বা অধিকাৰ পতাৰ পৰম্পৰা হ'ল। সম্ভৱতঃ সামাজিক প্ৰতিপত্তি, ৰজাঘৰীয়া সা-সুবিধাৰ লগতে সত্ৰৰ বহুল সা-সম্পত্তিয়েও এই ক্ষেত্ৰত ক্ৰিয়া কৰিলে।

মাধৱদেৱে প্ৰতিষ্ঠা কৰা বৰপেটা সত্ৰ মথুৰাদাস বুঢ়া আতাই ভকত-সজ্জনৰ লগত চলাই থকাত এদিন বনপোৰা জুইৰ ফিৰিঙতিয়ে ভস্মীভূত কৰিলে। সেইসময়ত মাধৱদেৱ বেহাৰৰ ভেলাদঙ্গা সত্ৰত আছিল। বুঢ়া আতাই তালৈ গৈ মনৰ দুখ-বেদনা বেকত কৰাত মাধৱদেৱে সান্ত্বনা দি বুঢ়াআতাক এধাৰি মালতী



ফুলৰ মালা, ঢোপ, বস্ত্ৰ আৰু ৰূপৰ দুটকা কৰ দি বৰপেটা সত্ৰৰ অধিকাৰ পাতি পঠায়।[৩৯] 'কথা-গুৰুচৰিত' মতে "তোমাক (বুঢ়া আতাক) অধিকাৰ পাতি বৰপেটা থানৰ এই টকা দিছোঁ শলা বন্তিৰ, তিনিও ৰাজ্যৰ লোকে সেৱাতে কৰ দিব।"[৪০] শঙ্কৰদেৱৰ তিথিত ঠাকুৰ আতাই অসংখ্য লোকৰ আগত মাধৱদেৱে বুঢ়া-আতাক বৰপেটা সত্ৰৰ সত্ৰাধিকাৰ পতাৰ কথা ৰাজহুৱাভাৱে ঘোষণা কৰে আৰু লগে লগে বিষ্ণু আতা, ঠাকুৰ আতা প্ৰভৃতিয়ে শবাইত গুৰুকৰ আগবঢ়াই মথুৰাদাস বুঢ়াআতাক সত্ৰাধিকাৰৰ স্বীকৃতি দিয়ে।[৪১]

ব্ৰহ্ম-সংহতিৰ প্ৰৱৰ্তক দামোদৰদেৱে উপযুক্ত, শাস্ত্ৰজ্ঞ, পণ্ডিত, সুসাহিত্যিক বৈকুণ্ঠনাথ (ভট্টদেৱ)'ক শিৰত তুলসীৰ মালাধাৰ পিন্ধাই পাটবাউসী সত্ৰৰ অধিকাৰ পাতে।[৪২] পুৰুষ সংহতিৰ প্ৰৱৰ্তক শঙ্কৰদেৱৰ নাতি পুৰুষোত্তমে ভ্ৰাতৃ চতুৰ্ভুজক সত্ৰ-সভাৰ দায়িত্ব দি অধিকাৰ পদত অধিষ্ঠিত কৰে।[৪৩] এনেদৰে বিভিন্ন আচাৰ্যক সত্ৰৰ অধিকাৰ পতাৰ প্ৰথা সত্ৰ সমাজত প্ৰৱৰ্তন আৰু প্ৰচলিত হয়।

শঙ্কৰদেৱ, মাধৱদেৱ, দামোদৰদেৱ, হৰিদেৱ, গোপাল আতা, বংশীগোপাল, পুৰুষোত্তম-চতুৰ্ভুজ ঠাকুৰ প্ৰমুখ্যে ধৰ্মাচাৰ্যসকলে প্ৰতিষ্ঠা কৰা সত্ৰসমূহ মাথোন ধৰ্মাচাৰ্য আৰু পৰিয়ালবৰ্গৰ বাপতিসাহোন নাছিল। উক্ত সত্ৰ প্ৰতিষ্ঠাপক ধৰ্মাচাৰ্যসকলে ভক্ত-সমাজৰ মনঃপূত, সৰ্বজন শ্ৰদ্ধা-ভক্তিৰ পাত্ৰ, গুণী-জ্ঞানী শাস্ত্ৰজ্ঞ আৰু সত্ৰ-ধৰ্ম বিস্তাৰৰ উপযুক্ত অভিজ্ঞ লোকক সত্ৰৰ দায়িত্ব অৰ্পণ কৰিছিল। সত্ৰৰ প্ৰতিষ্ঠাপক গুৰুসকলে বাৰজন বা আৱশ্যকমতে ততোধিক আচাৰ্য নিয়োগ কৰি বিভিন্ন ঠাইত প্ৰতিজনকে একোখন সত্ৰৰ বা সত্ৰ পতাৰ আজ্ঞা বিহিছিল। সেই পৰম্পৰা অষ্টাদশ শতিকাৰ পৰা হ্ৰাস পায় আৰু সত্ৰাধিকাৰৰ পুত্ৰ বা ভাতৃয়ে জ্যেষ্ঠানুক্ৰমে সত্ৰাধিকাৰ অভিষিক্ত হোৱাৰ ব্যৱস্থা হ'ল। সত্ৰ আৰু সত্ৰৰ সম্পদৰ অধিকাৰেই সৰ্বহ হৈ পৰিল।

অসমৰ আন সত্ৰৰ দৰে অবিভক্ত নগাঁও জিলাৰ চাৰিও সংহতিৰ সত্ৰসমূহত মালা (ঢোপ) নিৰ্মালি দি সত্ৰাধিকাৰ অভিষেক কৰাৰ পৰম্পৰা চলিল। কামৰূপৰ বৰপেটাৰ দৰে গণতান্ত্ৰিক পদ্ধতিত নগাঁৱত কতো সত্ৰাধিকাৰ নিৰ্বাচন কৰা নহয়। নগাঁও জিলাত বংশগতভাৱে পুত্ৰানুক্ৰমে আৰু জ্যেষ্ঠানুক্ৰমে সত্ৰাধিকাৰ পতা হয়। সৰহ সংখ্যক সত্ৰতে জ্যেষ্ঠানুক্ৰমে অধিকাৰ অভিষেক কৰা হয়। পুৰুষ সংহতিৰ বৰদোৱাৰ নৰোৱা ঠালৰ সত্ৰসমূহ আৰু মাধৱদেৱৰ আজ্ঞাপৰ পুৰণিগুদাম লাইআটী সত্ৰৰ অধিকাৰ পুত্ৰানুক্ৰমে আৰু বৰদোৱা শলগুৰিৰ সত্ৰসমূহ, সতানন্দী, চতমী, কালশিলীয়া আদি পুৰুষ সংহতিৰ সত্ৰসমূহ; ব্ৰহ্ম সংহতিৰ কুৰুৱাবাহী, ডিফলু, চেংলাই, ব্ৰহ্মচাৰী, মাহৰা আদি সত্ৰ; কালসংহতিৰ গজলা, নাচনীপাৰ, চেঁচা, চৰিপোতা, দহঘৰ আদি সত্ৰৰ অধিকাৰ জ্যেষ্ঠানুসৰি পতাৰ পৰম্পৰা।

পুত্ৰানুক্ৰম বা জ্যেষ্ঠানুক্ৰম সত্ৰৰ গৰাকী পতাত কিছুমান সত্ৰত শাস্ত্ৰ-জ্ঞানহীন, অশিক্ষিত, অক্ষমলোক সত্ৰৰ অধিকাৰ হোৱাৰ ফলত তেনে সত্ৰসমূহ বিপৰ্যস্ত হোৱাটো মন কৰিবলগীয়া।

যেতিয়া কাৰ্য চলাই থকা সত্ৰাধিকাৰৰ মৃত্যুকাল সন্নিহিত হয় বা মৃত্যু হয়, তেতিয়া নতুন সত্ৰাধিকাৰ পতা হয়। যদি পৰা যায় বৃদ্ধ অধিকাৰজনাৰ অন্তিম কালত তেওঁৰ জ্ঞাতে নিৰ্মালি অনাই হ'বলগীয়া জনৰ শিৰত দি ঈশ্বৰত ভক্তি ৰাখি বৈষ্ণৱ প্ৰতিপালন কৈ ধৰ্ম-বস্তু প্ৰতিপালন কৰিবলৈ আশীৰ্বাদ দিয়ে আৰু পিছত তেওঁৰ মৃত্যু-তিথি বা আন সুবিধাজনক শুভ-মাহৰ শুভ-দিৱসত নিৰ্মালি লোৱা উৎসৱৰ আয়োজন কৰা হয়। অনুষ্ঠান উপলক্ষ্যে নিম্নতম তিনিজন বা ততোধিক আন সত্ৰৰ অধিকাৰক নিমন্ত্ৰণ কৰি অনা হয়। এই উৎসৱলৈ শিষ্য-ভকতসকলক নিমন্ত্ৰণ কৰাটো অপৰিহাৰ্য আৰু বিভিন্ন অঞ্চলৰ শিষ্যৰ প্ৰতিনিধিয়ে যোগদান কৰে।

অধিকাৰ প্ৰাৰ্থী গৰাকী আগদিনাৰ পৰা ব্ৰত-উপবাসে থাকে। নিৰ্দিষ্ট দিনত নিমন্ত্ৰিত অধিকাৰ প্ৰমুখ্যে সন্ত-ভকত, শিষ্য সমৱেত হৈ কীৰ্ত্তন-ঘৰত বহি নাম-প্ৰসঙ্গ কৰে। হ'বলগীয়া সত্ৰাধিকাৰক বিশেষ সংৰক্ষিত আসনলৈ আদৰি আনে আৰু তেওঁ আসনত সেৱা জনাই উপবিষ্ট হয়। নিমন্ত্ৰিত গুৰু সত্ৰাধিকাৰজনাই সঁফুৰা, দণ্ড, পাগুৰি আগবঢ়ায় আৰু মূলত বহাজনাই ফুল, তুলসীৰ মালা, বগা চন্দনৰ ফোট দি শিৰত পুষ্প আৰু মাল্য প্ৰদান কৰে। সমৱেত ৰাইজে হৰিধ্বনি কৰে, আইসকলে উৰুলি দিয়ে। নিৰ্মালি দিয়াৰ ক্ষণত খোল-তাল, ডবা-কাঁহ-শঙ্খ ধ্বনি মুখৰিত হৈ পৰে।[৪৪] আয়োজিত অনুষ্ঠানত সত্ৰৰ অধিকাৰৰ স্বীকৃতি সদৰী হয়। সত্ৰাধিকাৰজনাৰ সত্ৰৰ আদিজনাৰ পৰা প্ৰয়াত অধিকাৰসকলৰ নাম, গুণ-গৰিমা আৰু সত্ৰৰ ঐতিহ্যৰ খতিয়ান অনুষ্ঠানত দাঙি ধৰা হয়। উপস্থিত মুখ্য মহন্তই অধিকাৰজনাক পালিব লগীয়া গুৰুদায়িত্ব আৰু কাৰ্য-বিধি তথা সত্ৰ প্ৰৱৰ্তন কৰা সম্পৰ্কত সজ পৰামৰ্শ, উপদেশ অৱগত কৰে। মণিৰাম দেৱানে[৪৫] এই বিষয়ে সুন্দৰ বৰ্ণনা দিছে ঃ- মহন্তসকলে মহাপ্ৰভুৰ সেৱাৰে সত্ৰৰ চাৰিহটীয়া, ধন-ভাণ্ডাৰ, চাউল-ভাণ্ডাৰ, দাস-দাসী, গো-মহিষ প্ৰতিপালন কৰাৰ উপৰিও অহং বুদ্ধি ত্যাগ কৰি সকলো ঈশ্বৰৰ আমি একোজন ভকতৰ লগৰ বুলি ভাবিবলৈ, সোণ এটকা দিয়া আৰু কচুশাক দিয়া শিষ্যক সমান দেখি কচুশাক দিয়াজনক আগে নিৰ্মালি দিবলৈ, সকলো ঈশ্বৰৰ আৰু ঈশ্বৰক সমৰ্পণ কৰি গ্ৰহণ কৰিবলৈ, সকলো প্ৰাণীক ঈশ্বৰময় দেখিবলৈ, ভূত-দায়া মুখ্যধৰ্ম বুলি জ্ঞান কৰিবলৈ, মুখেৰে অহৰহ হৰিনাম লবলৈ, বৈষ্ণৱ-ভকতৰ ভোজনেই নিজৰ ভোজন বুলি মানিবলৈ আৰু সত্ৰ, সভা, ধৰ্ম, ভক্তলোক ঈশ্বৰ-মূৰ্ত্তি সকলো মহাপুৰুষৰ বুলি মানি— সেৱা চলোৱা অধিকাৰী বৰলোক গোঁসাই বুলি মনত অহঙ্কাৰ নকৰি সত্ৰ-ধৰ্ম



প্ৰতিপালন কৰিবলৈ মুখ্যজনাই নানা বোধ, উপদেশ দিয়ে।[৪৫]

সমৱেত মহন্ত আৰু ভক্ত-ৰাইজে ভাগৱত ব্যাখ্যা, উঠানাম, দিহা-কীৰ্ত্তন গাই, তালে-খোলে গীত গাই, নটুৱা-নৰ্ত্তন কৰি, বিয়াহ গাই নবীন অধিকাৰক আশীৰ্বাদ দান কৰে। উৎসৱৰ সামৰণিত মাহ-প্ৰসাদ-বিতৰণ, মান্য অনুযায়ী বস্ত্ৰ, দান-দক্ষিণা দি ভোজনান্তে বিদায় দিয়া হয়। অভিষেক উপলক্ষ্যে নিশা নাট-ভাওনা কৰা হয়।

ৰজাঘৰৰ লগত সম্পৰ্কিত সত্ৰসমূহৰ ফুকন বা বৰুৱাই সেই অভিষেকলৈ গৈ ৰাজ-সমৰ্থন আৰু আজ্ঞা দান কৰি ৰাজ্যৰ হৈ আশীৰ্বাদ গ্ৰহণ কৰে।

নবীন সত্ৰাধিকাৰজনক সত্ৰ প্ৰতিপালনৰ বিভিন্ন বিষয়ৰ পৰামৰ্শ আৰু সহায় কৰিবলৈ সেইদিনাৰ অভিষেক উৎসৱতে ডেকাঅধিকাৰ এজনো নিৰ্বাচন কৰি সত্ৰৰ অধিকাৰজনাই মালা বা ঢোপৰ নিৰ্মালি প্ৰদান কৰে।

পূৰ্বে অবিভক্ত নগাঁও জিলাৰ সত্ৰসমূহত উক্ত পৰম্পৰাত সত্ৰাধিকাৰে নিৰ্মালি লৈছিল আৰু নিৰ্মালি লোৱাটো বাধ্যবাধক আছিল। বৰ্ত্তমান কেইখনমান সত্ৰতহে নিৰ্মালি লোৱা অধিকাৰ আছে। এই উৎসৱ ব্যয়বহুল আৰু সত্ৰত উপযুক্ত লোকৰ অভাৱৰ লগতে সত্ৰ-ধৰ্মৰ প্ৰতি অনাস্থাৰ কাৰণে অনেক সত্ৰ এই বিষয়ত নীৰৱ হৈছে।

## ৩.০৪ সত্ৰানুষ্ঠানৰ বিষয়ববীয়া ঃ

সত্ৰৰ মুখ্য গৰাকী কাৰ্যনিৰ্বাহক সত্ৰাধিকাৰ বা সত্ৰীয়া। সত্ৰাধিকাৰে উপযুক্ততা চাই নিৰ্বাচন কৰা ডেকা সত্ৰাধিকাৰৰ উপৰিও সত্ৰ-পৰিচালনা বা তদাৰক কৰিবলৈ আন কিছুমান সত্ৰীয়া বিষয়-ববীয়া থাকে। সেই বিষয়-ববীয়াসকল সত্ৰাধিকাৰ আৰু সমূহে বাছনি কৰি লয়। এজনাৰ পিছত আনজনা নিৰ্বাচন কৰিব লগা হ'লে উপযুক্ততালৈ লক্ষ্য কৰি তেওঁৰ পৰিয়ালৰ পৰা জ্যেষ্ঠানুক্ৰমে বা পুত্ৰানুক্ৰমে বাছনি কৰা হয়। যদি তেনে কোনো নাথাকে সমূহ বা ভকতৰ মাজৰ পৰা উপযুক্ত চাই বাছি লোৱা হয়। অবিভক্ত নগাঁৱৰ পূৰ্বৰ পৰা বৰ্ত্তমানলৈ থকা সত্ৰৰ বিষয়-ববীয়াসকলৰ বিষয়ে চমুকৈ উল্লেখ কৰা হ'ল।

**মেধি ঃ** সত্ৰাধিকাৰ, ডেকা অধিকাৰৰ পিছতে সত্ৰৰ বিষয়-ববীয়াজনক মেধি বোলে। সকলো সত্ৰতে মেধি নাথাকে। বিশেষকৈ অসমৰ নানা ঠাইত শিষ্য সিঁচৰতি হৈ থকা সত্ৰত মেধি থাকে। মেধিয়ে বিভিন্ন অঞ্চলৰ শিচ্-ভকতৰ লগত সম্পৰ্ক, গুৰু-কৰ, পঁচা, বৰঙণি আদি সংগ্ৰহ কৰে। কিছুমান সত্ৰত ৰাজমেধি, বৰমেধি, পাখিমেধি পৰ্যায়ক্ৰমে থাকে। নগাঁৱৰ সত্ৰসমূহত তিনি পৰ্যায়ৰ মেধি নাই। কম সংখ্যক সত্ৰতহে মেধি আছে। সত্ৰাধিকাৰ অবিহনে ৰাজমেধিয়ে প্ৰভুৰ আজ্ঞা লৈ শৰণ দিয়াৰ আজ্ঞা লভে।[৪৬] নগাঁৱত থকা আউনীআটী; দক্ষিণপাট,

গড়মূৰ সত্ৰৰ খাট-পামৰ শাখা সত্ৰসমূহত মেধিৰ দায়িত্ব গধুৰ।

**পাঁচনি ঃ** বাজমেধিৰ অধীনত পাঁচনি থাকে। বাজমেধিৰ অবৰ্তমানত শিষ্যৰ লগত পাঁচনিয়ে সম্পৰ্ক ৰক্ষা কৰিবলগীয়া হয়। সত্ৰৰ শিষ্যসকলৰ বা-বাতৰি পাঁচনিৰ জৰিয়তে লোৱা হয়। পাঁচনিয়ে বছৰি কৰ-পচাঁ তোলে।

**মুক্তিয়াৰ/মজুমদাৰ ঃ** সত্ৰত মুক্তিয়াৰ বা মজুমদাৰ এজন থাকে। ৰজাঘৰীয়া খাট-পাম থকা সত্ৰত মুক্তিয়াৰ আৰু বিভিন্ন ঠাইত শাখা থকা সত্ৰত মজুমদাৰ গুৰুত্বপূৰ্ণ বিষয়া। এনে বিষয়াই সত্ৰৰ হিচাপ-পত্ৰ, শিচ-ভকতৰ তালিকা, বিভিন্ন শিতানৰ আয়-ব্যয়, নিয়ম-কানুন আদি জাননী জাৰি কৰে। ইয়াৰ উপৰিও সত্ৰৰ ধন, চাউল, সামগ্ৰীৰ সকলো তদাৰক কৰিব লাগে।

**ভৰাঁলী ঃ** 'গুৰুচৰিত-কথা'ত বৰপেটা সত্ৰৰ মনপুৰ ভৰাঁলীৰ উল্লেখ আছে।[৪৭] ভৰাঁলী সত্ৰৰ এজন মান-ভগীয়া। সত্ৰ চলাবলৈ যিমান বস্তু-বাহানি অৰ্থাৎ চাউল, মগু, বুট, কল, আদা, লোণ, তেল, ঘিঁউ আদি সামগ্ৰীৰ আৱশ্যক, সেইবোৰৰ তদাৰক ভৰাঁলীয়ে কৰে। ভাওনা-সবাহ আদিৰ প্ৰয়োজনীয় সামগ্ৰীও ভৰাঁলত ভৰাঁলীৰ দায়িত্বত থাকে।

**দেউৰী ঃ** সত্ৰ-নামঘৰত দেউৰী বা বিলনীয়া পদবী অতি গুৰুত্বপূৰ্ণ। ভগৱন্তলৈ ভক্তিৰে আগবঢ়োৱা নৈবেদ্য বা শৰাইত মাহ, বুট, চাউল, ফল, কেঁচা ভোগ আদি থাকে। ইবোৰ সজাই-পৰাই দেউৰীয়ে শৰাইত সাজে। দেউৰীয়ে নীতি-নিয়ম মানি মুখত কাপোৰ বান্ধি ভগৱন্তলৈ প্ৰসাদ অৰ্পণ কৰি ৰাইজক বিলায়। দেউৰী হ'বলৈ শৰাই দি গুৰুজনাৰ আশীৰ্বাদ লৈ বঢ়া-টুটা দোষৰ বাবে ৰাইজৰ ওচৰত মূৰ দোৱাই প্ৰাৰ্থনা জনায়। 'কথা-গুৰুচৰিত'ত দেউৰীৰ উল্লেখ আছে।[৪৮] নগাঁৰৰ ডাঙৰ ডাঙৰ সত্ৰসমূহত বৰদেউৰী আৰু পালিদেউৰী আছে।

**পাঠক ঃ** সত্ৰ-নামঘৰত নামৰ সামৰণিৰ লগে লগে ভাগৱত পাঠ কৰা হয়। ভাগৱতৰ উপৰিও ভক্তি-ৰত্নাৱলী, ভক্তি-ৰত্নাকৰো পাঠ কৰা হয়। এই পাঠ অতি গহীন-গম্ভীৰভাৱে সুৰ লগাই গোৱা হয় আৰু শ্ৰোতাসকলে একান্তমনে শ্ৰৱণ কৰে। পাঠ কৰোঁতাজনক পাঠক বোলা হয়। আধলীয়া যদুমণি[৪৯] ৰামচৰণ ঠাকুৰ[৫০] আদি সত্ৰৰ পাঠক আছিল।

**নাম লগোৱা ঃ** হৰিনামৰ ৰসে অমৃত বৰষে। এই নাম শ্ৰুতিমধুৰ আৰু নামে ভক্তিভাৱৰ উদ্ৰেক কৰে। নাম-গোৱাত এজন নাম লগাই দিয়া কণ্ঠ-শিল্পী থাকে। তেওঁ ঘাইত বহি নাম লগাই দিয়ে আৰু বাকীবোৰে নাম ধৰি যায়। মূৰৰ নাম লগোৱা আৰু দোহাৰৰ নাম লগোৱা দুজন থাকে। তিথি-উৎসৱ আদিত নামৰ দায়িত্ব নাম লগোৱাই পালন কৰে।

**খাটনিয়াৰ ঃ** আহোম ৰাজত্বত সত্ৰবোৰৰ লগত ৰজাঘৰৰ সম্পৰ্ক গঢ়ি উঠে। সেয়ে ৰজাঘৰৰ লগত যাৱতীয় খা-খবৰৰ কথা-বতৰা পাতিবলৈ আৰু কোনো



আসোঁৱাহ বা জগৰৰ কথা আদি খাটনিয়াৰৰ জৰিয়তে সমাধা কৰা হৈছিল।[৫১] সেইকাৰণে খাটনিয়াৰ পদ দায়িত্বপূৰ্ণ আছিল। আজিকালি ৰজাঘৰ বা চৰকাৰৰ লগত সত্ৰৰ সম্পৰ্ক নোহোৱা হোৱাত অনেক সত্ৰত খাটনিয়াৰ বিষয়-বাব অনাৱশ্যক হৈ পৰিল।

**ভাগৱতী/বাগীশ ঃ** সত্ৰত ভাগৱত বা গীতা শাস্ত্ৰ পঢ়ুৱৈজনক ভাগৱতী বোলা হয়। এইজনা সংস্কৃত পণ্ডিত, শাস্ত্ৰজ্ঞ লোক। তেওঁ ভাগৱত, গীতা পাঠ কৰাৰ লগতে অৰ্থ-ভাঙনি আৰু ব্যাখ্যা কৰে।[৫২] আন সত্ৰত ভাগৱতী বোলাজনক মাজুলীৰ আউনীআটীত বাগীশ বুলি কোৱা হয়।

**শ্ৰৱণী ঃ** ভাগৱত পাঠৰ নিৰ্দিষ্ট শ্ৰোতা কেইজনমান থাকে। সত্ৰত বাৰ-শ্ৰৱণী বিশেষ উল্লেখযোগ্য। নগাঁৱত বাৰ-শ্ৰৱণীৰ সত্ৰ হৈছে কলিয়াবৰ-হাটবৰৰ কৃষ্ণ-শ্ৰৱণী আৰু মূৰাৰি সত্ৰ। ননৈতো মূৰাৰি সত্ৰৰ শাখা আছে। বংশীগোপালদেৱে পাঁচ শ্ৰৱণী নিয়োগ কৰিছিল।[৫৩]

**লিখক/লিপিকাৰ ঃ** গুৰুসকলে বৈষ্ণৱ ধৰ্ম-বিষয়ক পুথি-পাঁজি ৰচনা কৰি সাহিত্য-ভৰাঁল চহকী কৰিছিল। সেইসময়ত সেইসকলে সাঁচিপাতত এখন পুথি অনেক শ্ৰমকৈ লিখি উলিয়াইছিল। তাৰ পিছত আন আন সত্ৰই সেই পুথি নকল কৰি লৈ যায়। সেই কাৰণে পুথিৰ প্ৰতিলিপিৰ কাৰণে ভাল আখৰৰ লোকক লিখক বাব দিয়া হৈছিল। একোজন ৰচকৰ মূলগ্ৰন্থ এই লিখকসকলৰ কাপ-মৈলামেৰে লিখা হৈছিল আৰু বিভিন্ন সত্ৰত বিস্তাৰিত হৈছিল।

**পূজাৰী ঃ** সত্ৰত বিগ্ৰহ বা মূৰ্ত্তি পূজাৰ গুৰুত্ব নাই যদিও আহোম ৰজাৰ পৃষ্ঠপোষকতাত সত্ৰত বিগ্ৰহ প্ৰতিষ্ঠা কৰা হয়। মূল আসনৰ ওচৰত শ্ৰীকৃষ্ণৰ যিকোনো নামৰ এটা বিগ্ৰহ স্থাপন কৰা হয়। এই বিগ্ৰহত পূজা-অৰ্চনা কৰাৰ কাৰণে পূজাৰী থাকে।[৫৪]

**হাটীমতা ঃ** একোখন সত্ৰত শাৰী শাৰীকৈ ভকত থকা বাসগৃহৰ চাৰিহাটী আছিল। বৰ্তমানো তেনে হাটী থকা সত্ৰ কেইখনমান আছে। হাটীত থকা ভকতসকলক সত্ৰৰ বিশেষ অনুষ্ঠান বা আলোচনা সবাহলৈ মতা বা আহ্বান কৰা জনক হাটীমতা বোলে।

**নামঘৰীয়া ঃ** সত্ৰৰ নামঘৰ সাৰি-মচি চাফচিকুণকৈ ৰখোঁতাজনক নামঘৰীয়া বোলা হয়। নামঘৰীয়াই প্ৰত্যেক দিনা পুৱা-আবেলি-সন্ধ্যা নামঘৰ সৰা-মচা কৰি থাকে। সত্ৰৰ নামঘৰৰ বাহিৰ-ভিতৰ চাফুচকণকৈ ৰখাৰ দায়িত্ব নামঘৰীয়াৰ।

**আলধৰা ঃ** অধিকাৰ প্ৰভুৰ খোৱা-বোৱা সামগ্ৰী অৰ্থাৎ ভোজনৰ যোগাৰ পাতিৰ দিহা কৰি দিবলৈ এজন আলধৰা থাকে। আলধৰাই যোগাৰ কৰি দিয়া বস্তু-বাহানিৰে অধিকাৰে ভাত ৰন্ধা-বঢ়া কৰে।

**পালধৰীয়া ঃ** সত্ৰৰ সকলো বিষয় চোৱা-চিতা কৰিবলৈ পাল পাতি সত্ৰৰ লোকক

দায়িত্ব দিয়া হয়। সত্ৰৰ চাৰিওফাল, হাটী, নামঘৰ আদিৰ প্ৰতি তেওঁ সদায় চকু দি থাকিব লাগে। পাল পাতি দায়িত্ব ধৰিব লাগে কাৰণে তেওঁক পালধৰীয়া বোলে।

**সাতোলা ঃ** কোনো কোনো সত্ৰত সাতোলা বা সাজতোলা নামৰ বিষয়া এজনো থাকে। দেৱগৃহ বা সত্ৰৰ কাৰণে সাতোলাই শিষ্যসকলৰ ঘৰঙণি সংগ্ৰহ কৰে।[৫৫] কাল সংহতিত চাউল তোলা সকলক সাজতোলা বোলে।[৫৬]

**গায়ন-বায়ন ঃ** সত্ৰৰ সংগীতানুষ্ঠান তথা ধৰ্ম-সঙ্গীতৰ অপৰিহাৰ্য বিষয়-ববীয়া গায়ন-বায়ন। নাম-প্ৰসঙ্গ, খোল-প্ৰসঙ্গ, নৃত্য-ভাওনা সকলোতে গায়ন আৰু বায়ন থাকে। গীত-পদ, কীৰ্ত্তন, বৰগীত আদিত সুৰ-সংযোগ আৰু বাদ্য-সঙ্গত গায়ন-বায়নে কৰে। যিসকলে সুৰ-বাগত গীত-বৰগীত গায় তেওঁলোক গায়ন আৰু খোল, মৃদঙ্গ, তাল বোৱাসকলক বায়ন বোলা হয়। গায়নৰ দলৰ মুখ্যজনক বৰগায়ন বা গায়নাচাৰ্য আৰু বায়নৰ দলৰ মুখ্যজনক বৰবায়ন বা বায়নাচাৰ্য বোলা হয়। বৰগায়ন আৰু বৰবায়নে গায়ন আৰু বায়নসকলক অনুষ্ঠানত পৰিচালনা কৰে।

**সূত্ৰধাৰ ঃ** সত্ৰ-সংস্কৃতিৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সম্পদ ভাওনা। ভাওনা এখনৰ পৰিচালক সূত্ৰধাৰ। সূত্ৰধাৰে নাটৰ গায়ন-বায়ন, নটুৱা আৰু নাটৰ ভাৱৰীয়াসকলক শিকাই-বুজাই ভাওনা পৰিচালনা কৰে। সূত্ৰধাৰক একেধাৰে গায়ন, বায়ন, ভাৱৰীয়া, নৰ্ত্তক, নাট-পৰিচালক আদি বুলি আখ্যা দিয়া হয়। অসমৰ প্ৰথম ভাওনা 'চিহ্নযাত্ৰা'ত শঙ্কৰদেৱে সূত্ৰধাৰৰ ভাও লৈছিল আৰু নাট পৰিচালনা কৰিছিল।[৫৭]

**খনিকৰ ঃ** সত্ৰৰ ঘৰ-দুৱাৰ, খুটা-বেৰ, আসন, থগা আদিত চিত্ৰ-বিচিত্ৰকৈ ৰং দিয়া আৰু ভাওনাৰ মুখা, গদা, ধেনু-কাঁড় আদিত ৰং সানি সৌন্দৰ্য চৰোৱা কাম কৰাৰ উপৰিও প্ৰত্যেকজন শিল্পী-ভাৱৰীয়া, নটুৱা আদিক ৰং-বিৰঙেৰে সজাই-পৰাই সৌন্দৰ্যময় আৰু আকৰ্ষণীয় কৰি তোলে খনিকৰে। খনিকৰ এজন নিপুণ চিত্ৰশিল্পী আৰু শাস্ত্ৰজ্ঞ লোক। কাঠ-বাঁহ-মাটিৰ কাৰুকাৰ্যখচিত শিল্প-কৰ্ম খনিকৰে কৰে॥

**সত্ৰীয়া ওজাপালি ঃ** অসমৰ থলুৱা আকৰ্ষণীয় অনুষ্ঠান ওজাপালি। চৰিত-পুথিত মাধৱদেৱৰ দাইনা পালি হোৱা আৰু ৰামৰাম গুৰু, ৰামদাস ওজা হোৱাৰ কথা উল্লেখ আছে।[৫৮] সত্ৰৰ ওজাপালিয়ে ভাগৱত-পুৰাণৰ কাহিনী নাটকীয় ৰূপত গাই নাচি পৰিৱেশন কৰে। এইবিধ ওজাক পদ্মপুৰাণ গোৱা ওজাৰ পৰা পাৰ্থক্য দেখুৱাবৰ বাবে সত্ৰীয়া ওজাপালি বোলা হয়।

এইদৰে সত্ৰাধিকাৰ আৰু ভক্তবৃন্দই বিভিন্ন বিষয়ৰ দায়িত্ব পালন কৰি সত্ৰ নিয়াৰিকৈ চলোৱাটো পৰম্পৰা। প্ৰত্যেকজন বিষয়ববীয়াই ভগৱন্তৰ দাস হৈ গুৰুৰ আজ্ঞাৰে আধ্যাত্মিক-সামাজিক-সাংস্কৃতিক দায়িত্ব পালন কৰি সত্ৰৰ ভক্তিধৰ্মৰ



প্ৰতি সত্ৰ-সমাজ আৰু ৰাইজৰ আস্থা অটুট ৰাখিছিল। সম্প্ৰতি অনেক সত্ৰত উক্ত বিষয়-ববীয়াৰ কিছুমান পদত কোনো নাই। নগাঁৱৰ সত্ৰসমূহৰ কিছুমান সত্ৰাধিকাৰ নিৰ্মালি বা ঢোপ নোলোৱা। সত্ৰসমূহত গায়ন-বায়ন, সূত্ৰধাৰ, খনিকৰ, পালধৰা বা আলধৰা, মুক্তিয়াৰ, দেউৰী, ভৰাঁলী, নাম লগোৱা, পাঠক আদি বিষয়ববীয়া আছে। এই সকলৰ সত্ৰ পৰিচালনাৰে সত্ৰ যেনেতেনে জীয়াই আছে। আজিকালি কিছুমান সত্ৰত সভাপতি, সম্পাদক আদি বিষয়-ববীয়াৰে সত্ৰ পৰিচালনা কৰা হয়। তেনে সত্ৰতো সত্ৰাধিকাৰ, মেধি, ভৰাঁলী, দেউৰী আদি থাকে।

---

তথ্যসূত্ৰ ঃ


১ বৰদোৱা চৰিত ঃ পৃ-৫৮।
২ গোকুল পাঠক ঃ বৰপেটা সত্ৰৰ ইতিহাস পৃ -২২।
৩. সত্ৰ-সংস্কৃতি, পৃ -৩৫।
৪. শাইআটী সত্ৰৰ শ্ৰীযুগল চন্দ্ৰ দেৱগোস্বামীৰ পৰা পোৱা তথ্য।
৫. তৰাবড়ি কালশিলা সত্ৰৰ ডেকা অধিকাৰ প্ৰয়াত মহেন্দ্ৰ নাৰায়ণ মহন্তৰ লিখিত তথ্য।
৬. সত্ৰ-সংস্কৃতি, পৃ-৩৮-৪৪।
৭. নগাঁও জাজৰি আমতলা গজলা সত্ৰৰ শ্ৰীডিম্বেশ্বৰ মহন্ত আৰু হালধিআটী এফলীয়াবড়ি সত্ৰৰ শ্ৰীভবেন্দ্ৰ নাথ মহন্তৰ লিখিত টোকা।
৮. আদি হালধিআটী সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীপূৰ্ণচন্দ্ৰ মহন্তৰ লিখিত টোকা।
৯. চিপহা নৰে, চৰাইখোৰোং গোনামৰা, খামুটীয়া, নৰোৱা, শালগুৰি আদি সত্ৰৰ পৰা পোৱা তথ্য।
১০. অঙ্কাৱলী ঃ গোপাল আতা ঃ জন্মযাত্ৰাৰ বোকাযাত্ৰা, পৃ-৪১৩।
১১. সত্যেন্দ্ৰনাথ শৰ্মা ঃ অসমীয়া নাট্য সাহিত্য, পৃ-৮।
১২. দুলাল বৰা ঃ লোকনাট্য বোকাযাত্ৰা, কলংপাৰ, ৪ চেপ্তেম্বৰ ২০০২, পৃ-৬।
১৩. নীৰদা মহন্ত ঃ নাম প্ৰেমৰ জৰী, নতুন শ্ৰৱণী সত্ৰ ঃ ডিমৰুগুৰি, প্ৰকাশ ২০০০, পৃ-২৩-২৪।
১৪ ৰামচৰণ ঃ পদ-৩৯৫৬।
১৫ সত্ৰ-সংস্কৃতি, পৃ-৩১-৩৩।
১৬. ব্ৰহ্মচাৰী সত্ৰৰ অধিকাৰ শ্ৰীধৰ্মকান্ত গোস্বামী আৰু শ্ৰীমোহন শৰ্মাৰ পৰা পোৱা লিখিত তথ্য।
১৭. আউনীআটী ঃ পৃ-৩৮৬।
১৮. উলুবাৰী সত্ৰৰ শ্ৰীঅতুল মহন্তৰ পৰা পোৱা তথ্য।
১৯. তিলকচন্দ্ৰ মজুমদাৰ ঃ ৰাসক্ৰীড়া ঃ 'মহাপুৰুষ শঙ্কৰদেৱৰ কালজয়ী সাহিত্য, ৰাসৰেখা', ৰামদিয়া ঃ পৃ-১৪।
২০ নাৰায়ণ চন্দ্ৰ গোস্বামী ঃ সত্ৰীয়া সংস্কৃতিৰ স্বৰ্ণৰেখা ঃ পৃ-১৪১।
২১ ৰামচৰণ ঃ পদ-১৬৩৫-৩৬।
২২. ৰবদোৱা গুৰুচৰিত ঃ পৃ-৬২।
২৩. ৰামচৰণ ঃ পদ-১৬৪১-১৬৪৩।
২৪. কীৰ্ত্তন ঃ উৰেষা-বৰ্ণন, বিংশ কীৰ্ত্তন।
২৫. মৰিগাঁও কালশিলা তৰাবৰি সত্ৰৰ ডেকা অধিকাৰ প্ৰয়াত মহেন্দ্ৰনাৰায়ণ মহন্তই যুগুত কৰা পাণ্ডুলিপি 'পালনামৰ তত্ত্ব' গ্ৰন্থ।
২৬. মহীকান্ত গোস্বামী ঃ বৈষ্ণৱ ধৰ্মকৃত্য ঃ পদ ৭০ (সন্তমালাৰ পৰা সংগৃহীত), নগাঁও ১৯০৭ শক।
২৭. বেজবৰুৱা ঃ পৃ-৭৬।
২৮. মোহন মহন্ত ঃ পালনামৰ স্বৰূপ কথা ঃ 'পালনাম আৰু বাৰেগঞা ভাওনা', প্ৰকাশ, ১৯৮৯, সম্পাঃ গিৰিকান্ত গোস্বামী, পৃ-৩।
২৯. মৰিগাঁও কালশিলা তৰাবৰি সত্ৰৰ প্ৰয়াত মহেন্দ্ৰ নাৰায়ণ মহন্তৰ হাতেলিখা 'পালনাম তত্ত্ব' গ্ৰন্থ।
৩০. বৰদোৱা গুৰুচৰিত ঃ পৃ-৪৫।
৩১. কমল চন্দ্ৰ বড়া ঃ শ্ৰীশ্ৰী বটদ্ৰৱা থানৰ ইতিবৃত্ত, পৃ-১৪৩-১৪৪।
৩২. পূৰ্ণমূৰ্ত্তি ঃ স্মৃতিগ্ৰন্থ, সম্পাদকৰ শৰাই, সম্পা- সুনীল বৰা, ২০০৩।

৩৩. শঙ্কৰদেৱ ঃ কীৰ্ত্তন-উৰেষা বৰ্ণন, পদ-২০৮।
৩৪. বৰদোৱা গুৰুচৰিত ঃ পৃ -২১৭।
৩৫. আইভেটী ন-সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীথুলেশ্বৰ মহন্তৰ তথ্য (২০০১ খ্ৰীঃৰ পহিলা বহাগত আমি গৈ উৎসৱ প্ৰত্যক্ষ কৰিছোঁ।
৩৬. পৱিত্ৰ অসম ঃ পৃ-১২৮।
৩৭. ৰামচৰণ ঃ পদ-৩৭৯০।
৩৮. বেজবৰুৱা ঃ ওপৰঞ্চি ১।
৩৯. গোকুল পাঠক ঃ বৰপেটা সত্ৰৰ ইতিহাস, পৃ-১৮৩।
"মহাৰাজ নৰনাৰায়ণৰ ৰাজত্বকালত প্ৰস্তুত কৰা ৰূপৰ মুদ্ৰা। টকাৰ গাত লিখা কথাখিনি দেৱনাগেৰী হৰফত লিখা বাবেই ইয়াক নাগেৰী টকা বুলিও কোৱা হৈছিল। এই টকাৰ সন্মুখৰ ফালে "শ্ৰীশ্ৰীমন্নৰনাৰায়ণ ভূপালস্য ১৪৭৭ শকে— বুলি লিখা থকা দেখা যায়। বৰপেটা সত্ৰত এতিয়াও এই টকা দুটা 'সেৱাৰ-বস্তু' হৈ আছে।"
– গোকুল পাঠক, বৰপেটা সত্ৰৰ ইতিহাস, পৃ-১৮৩।
৪০. কথা-গুৰুচৰিত ঃ পৃ-৫১৩, গুৰুচৰিত-কথা ঃ ছেদ-৯২৬।
৪১. গোকুল পাঠক ঃ বৰপেটা সত্ৰৰ ইতিহাস, পৃ-২০-২১।
৪২. দামোদৰদেৱৰ চৰিত ঃ পদ-১৪৪।
৪৩. অনন্ত চৰিত ঃ পদ- ৮/৯, ঠাকুৰ চৰিত ঃ পদ-৪২৭।
৪৪. মৰিকলং বৰঘাটৰ আদি এলেঙি সত্ৰ (সৰুফাল)ৰ সত্ৰাধিকাৰ শ্ৰীপূৰ্ণচন্দ্ৰ মহন্ত, শালমৰা চেংলাই সত্ৰৰ অধিকাৰ শ্ৰীধৰ্মানন্দ গোস্বামী, ৰূপনাৰায়ণ খামুচীয়া সত্ৰাধিকাৰ শ্ৰীদেৱকান্ত মহন্ত গোনামৰা সত্ৰাধিকাৰ শ্ৰীমথুৰাকান্ত গোস্বামী, চিপহা নৱৈৰ সত্ৰাধিকাৰ শ্ৰীবিশ্বনাৰায়ণ গোস্বামী, প্ৰভৃতিৰ লিখিত তথ্য।
৪৫. বুৰঞ্জী বিবেক ঃ পৃ-১৪০, ১৪১, ১৪২।
৪৬. আউনীআটী ঃ পৃ-৩৯৪।
৪৭. গুৰুচৰিত কথা ঃ ছেদ-৩০৪, ৪০২।
৪৮. কথা-গুৰুচৰিত ঃ পৃ-৪২৭, ৪৭৫।
৪৯. দৈত্যাৰি ঃ পদ-৯৭০।
৫০. উল্লিখিত, পদ-৯৭১।
৫১. আউনীআটী ঃ পৃ-৩৯১।
৫২. উল্লিখিত, পৃ-৩৮৯।
৫৩. শ্ৰীশ্ৰীবংশীগোপালদেৱৰ চৰিত ঃ পদ-৮১০-৮১৩।
৫৪. নগাঁও কুৰুৱাবাহী সত্ৰাধিকাৰ শ্ৰীশিৱপ্ৰসাদ গোস্বামীৰ টোকা।
৫৫. বাৰবিয়াল সত্ৰাধিকাৰ শ্ৰীতপন চন্দ্ৰ গোস্বামীৰ লিখিত টোকা।
৫৬. বুৰঞ্জী বিবেক ঃ পৃ-১৩৭।
৫৭. ৰামচৰণ ঃ পদ-১৫০১-১৫০৪।
৫৮. বৰদোৱা গুৰুচৰিত ঃ পৃ-৮৭।

০০০

Mahesh Chandra Dev Goswami Library
Acc. No..........
Date..........
Nowgong Girls College

# চতুৰ্থ অধ্যায়

## সত্ৰৰ নাট-ভাওনা

### ৪.০০ নাট-ভাওনাৰ স্ৰষ্টা শঙ্কৰদেৱ ঃ চিহ্নযাত্ৰা ঃ

মহান শিল্পী শঙ্কৰদেৱৰ জন্মস্থান তথা আদি লীলাভূমি বটদ্ৰৱা বা বৰদোৱা ধামতেই সৃষ্টি হৈছিল সত্ৰীয়া বা শঙ্কৰী সংস্কৃতি। শঙ্কৰদেৱ এই সংস্কৃতিৰ স্ৰষ্টা। তেওঁৰ সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণৰ সহকৰ্মী আৰু সহযোগী আছিল ভূঞাসকল আৰু ভিন্ন শ্ৰেণীৰ সাধাৰণ অশিক্ষিত গঞা ৰাইজ। এক বিৰাট অঞ্চলৰ গঞা ৰাইজৰ মাজৰ পৰাই গায়ন-বায়ন, নটুৱা, ভাৱৰীয়া, খনিকৰ আদি বাছি উলিয়াই সেইখন জনসমাজৰ মনঃপুত আৰু আকৰ্ষণীয়কৈ এক অভিনৱ, অপূৰ্ব সংস্কৃতি 'ভাওনা'ৰ সৃষ্টি কৰিলে।

অসমৰ ৰঙ্গমঞ্চৰ প্ৰথম ভাৱৰীয়া বা অভিনেতা শঙ্কৰদেৱ আৰু নাট্যকাৰো শঙ্কৰদেৱ। তেওঁৰ প্ৰথম ভাওনা 'চিহ্নযাত্ৰা' বৰদোৱাত অভিনীত হয় ঊনৈশ বছৰ বয়সত।[১] কথা-গুৰুচৰিত[২] আৰু 'বৰদোৱা চৰিত'[২] মতে তীৰ্থ ভ্ৰমণৰ পিছত অৰ্থাৎ ৪৪ বছৰৰ বয়সৰ পিছত চিহ্নযাত্ৰাৰ ভাওনা হয়।[৪] 'চিহ্নযাত্ৰা' সংলাপহীন ভাওনা। শঙ্কৰদেৱে আৰাধ্য বিষ্ণু বা কৃষ্ণৰ অলৌকিক লীলা-মাহাত্ম্য ভূঞাৰাজ্যৰ জনসাধাৰণক বেকত কৰাটোৱেই 'চিহ্নযাত্ৰা' ভাওনাৰ লক্ষ্য আৰু উদ্দেশ্য আছিল। পেহাক বুঢ়াখাঁ, জয়ন্ত, মাধৱ, কৰ্ণপুৰ, চতুৰ্ভুজ আৰু সুহৃদ-সজ্জনে শঙ্কৰদেৱক এই বিষয়ে জনোৱা কথা উল্লেখযোগ্য।[৪] চিহ্নযাত্ৰা ভাওনা কৰি (১৪৬৮ চন) শংকৰদেৱে অসমৰ নাট্য-জগতত প্ৰথম 'দীপাৱলী' পাতিছিল বুলি অতুল চন্দ্ৰ হাজৰিকাই মন্তব্য কৰিছে।[৫] এই ভাওনাৰ পূৰ্বে প্ৰাচীন কামৰূপ তথা অসমত কোনো নাট-ভাওনাৰ প্ৰচলন নাছিল। অৱশ্যে নাটকীয়তাৰ আভাস থকা থলুৱা লোক-অনুষ্ঠান ওজাপালি, পুতলা-নাচ, ঢুলীয়া ভাও আদিৰ প্ৰচলন আছিল। সেইকালৰ সাধাৰণ লোকক সমবেত কৰাবলৈ সংলাপযুক্ত নাটক এখনৰ গুৰুত্বতকৈ চৰিত্ৰৰ ভাও দেখুৱাতহে বেছি গুৰুত্ব আৰোপ কৰা হৈছিল। সংলাপহীনভাৱে

চিত্ৰপটত আঁকি ৰং-বিৰঙেৰে মনোমোহা কৰি নৃত্য-গীত-বাদ্য-শ্লোক-সূত্ৰৰে ভাওনা কৰাৰ উদাহৰণ অকল কামৰূপ-অসম তথা ভাৰতত নহয়, সমগ্ৰ বিশ্বত পাবলৈ নাই। 'চিহ্নযাত্ৰা' ভাওনাৰ কলা-কৌশলৰ কাৰণে শংকৰদেৱক অভিনয় মঞ্চৰ দৃশ্যপটৰ প্ৰথম উদ্ভাৱক আৰু প্ৰৱৰ্তক বুলি কোৱা হৈছে।[৬] চিত্ৰকলাৰ লগত নাট্যকলাৰ সংযোগ ঘটাই সমজুৱা বা দৰ্শকক প্ৰভাবান্বিত কৰাৰ দৃষ্টান্ত বিৰল আৰু সম্ভৱতঃ বিশ্বত সেইকালত তেনে উদাহৰণ পোৱা নাযাব।

উল্লেখযোগ্য যে সংলাপৰ বাহিৰে সংস্কৃত নাটক আৰু পৰৱৰ্তী কালত সৃষ্টি হোৱা যিকোনো ভাষাত ৰচনা কৰা নাট আৰু অভিনয়ৰ সকলোবোৰ উপাদান 'চিহ্নযাত্ৰা'ত প্ৰয়োগ কৰা হৈছিল। বৰঞ্চ, আন ক'তো পূৰ্বে ব্যৱহাৰ নোহোৱা হেঙুল-হাইতালেৰে পটত বোল বা বিবিধ ৰং দি দৃশ্যসমূহ আন আন উপাদানেৰে প্ৰদৰ্শন কৰাত চিহ্নযাত্ৰাৰ ভাওনাই দৰ্শক বা সমজুৱাক চমক লগাইছিল। পটত বোল দি ছবি বা চিত্ৰ অঙ্কন কৰা 'চিহ্নযাত্ৰা'ক আধুনিক কালৰ কেমেৰা বা বৈদ্যুতিক পোহৰ আৱিষ্কাৰৰ পূৰ্বে সৃষ্টি কৰা বৰ্তমান যুগৰ বোলছবি বা কথাছবিৰ পূৰ্বাভাস বুলি চিন্তা কৰিব পাৰি। সাম্প্ৰতিক কালত শংকৰদেৱক বিশ্ব চলচিত্ৰৰ জনকৰূপে প্ৰতিষ্ঠা কৰাৰ যুক্তিও দাঙি ধৰা হৈছে।[৭] শংকৰদেৱক ৰচনা, পৰিচালনা আৰু পৰিৱেশনাৰে বিশ্বৰ সৰ্বপ্ৰথম গতিচিত্ৰ (Going Image) কৌশলৰ আৱিষ্কাৰক বুলি আনন্দমোহন ভাগৱতীয়ে বক্তব্য দাঙি ধৰিছে।[৮]

## ৪.০১ চিহ্নযাত্ৰা ভাওনা ঃ কলা-কৌশল

প্ৰকৃততে ভাওনা বা অভিনয়ৰ বাবেহে 'চিহ্নযাত্ৰা'ৰ উদ্ভাৱনা আৰু ই অভিনীত হৈ নাট্যৰূপ গ্ৰহণ কৰে। চিত্ৰ-সম্বলিত পটত অঙ্কন কৰি সপ্ত বৈকুণ্ঠ প্ৰদৰ্শন কৰিব লগা হোৱাত জন-আকৰ্ষণীয় কৰিবলৈ কাহিনীৰ লগত সামঞ্জস্য থকাকৈ নৃত্য-বাদ্য, ধেমালি (গায়ন-বায়ন), ঘোষা, শ্লোক, সূত্ৰ, ভটিমা, গীত-পদ, বিভিন্ন চৰিত্ৰসমূহৰ যাৰ য'ত যেনেকুৱা স্থান তাক 'চিহ্নসৱে বিভাগ' কৰি সকলো প্ৰস্তুতিৰে শংকৰদেৱে ভাওনা কৰি দৰ্শক-শ্ৰোতাক মুগ্ধ কৰিছিল।

অসমৰ সমাজ-সংস্কৃতি তথা আধ্যাত্মিক জীৱনলৈ শংকৰদেৱে আগবঢ়োৱা নাট্যসৃষ্টিৰ প্ৰথম অৱদান 'চিহ্নযাত্ৰা' ভাওনা উদ্ধাৰ হোৱা নাই। উদ্ধাৰ হোৱাটো কল্পনাও কৰিব নোৱাৰি। কিয়নো শংকৰদেৱে চিহ্নযাত্ৰাৰ কাৰণে পটত ৰং-বিৰং অঙ্কন কৰি সাত বৈকুণ্ঠ প্ৰদৰ্শন কৰিছিল। তেওঁৰ অঙ্কিত সেই পট বৰদোৱাত কছাৰী উপদ্ৰৱত লৰা-ঢপৰাকৈ যাবলগীয়া হোৱাত এৰি যোৱা বুলি ভাবিব পাৰি। কছাৰী খেদাত উপায়হীন হৈ ভূঞাসকলে খোল-তাল পানীত পেলাই ব্ৰহ্মপুত্ৰ সাঁতুৰি পাৰ হৈ গৈছিল।[৯] তাৰ উপৰি, চিত্ৰপট লগত নিয়াহেঁতেন ধুৱাহাট-বেলগুৰি, চূণপোৰা-বৰপেটা, পাটবাউসী আদি পুণ্যস্থানসমূহত তাৰ ভাওনা হ'লহেঁতেন



আৰু আৱশ্যকমতে 'চিহ্নযাত্ৰা'ৰ পট অংকনো কৰিলেহেঁতেন। দ্বিতীয়তে, শংকৰদেৱে কঠোৰ সাধনা আৰু সূক্ষ্মদৃষ্টিৰে অঙ্কন আৰু অভিনৱ কলা-কৌশলেৰে বৰদোৱাত কৰা 'চিহ্নযাত্ৰা'ৰ ভাওনা দেখা আন কোনোৱে পটত বোল দি ছবি অকাঁৰ প্ৰচেষ্টা বা সাহস নকৰিলে যেন লাগে।

দৰ্শক ঃ কলিয়াবৰৰ পৰা কাজলীমুখলৈ সুবিস্তৃত ভূঞা ৰাজ্যৰ সকলোকে নিৰ্দিষ্ট দিনত ভাওনা পতাৰ জাননী দিয়া মতে দহ হাজাৰ দৰ্শক বৰদোৱাৰ ৰভাথলীত সমবেত হয়।[১০] দৰ্শকে সাত দিন সাত নিশা চিহ্নযাত্ৰাৰ ভাওনা চাই থাকি ৰাতি-দিনৰ পাৰ্থক্য বুজি নাপালে, ভাও লোৱা শিল্পীসকলক নিজৰ স্ত্ৰী, পুত্ৰসকলেও চিনি নাপালে।[১১] চাৰিওদিশে ভাওনাৰ কথা ৰজনজনাই গ'ল। শংকৰদেৱৰ শিক্ষাগুৰু মহেন্দ্ৰ কন্দলি প্ৰমুখ্যে কবিৰত্ন-বিদ্যাৰত্ন-ৰামসৰস্বতী প্ৰভৃতি পণ্ডিতবৰ্গৰ পৰা অন্ত্যজলৈ সকলো দৰ্শক হৈ বিৰ-দি বাট নোপোৱা কৰি তুলিছিল।[১২]

চিত্ৰকলা ঃ সেই কালত বৰদোৱাত সাধাৰণ স্তৰৰ লোকৰো শিল্প সচেতনতাৰ আভাস পোৱা যায়। শংকৰদেৱ, দামোদৰদেৱ আৰু তেওঁলোকৰ উপৰি-পুৰুষ, শিক্ষাগৰু মহেন্দ্ৰ কন্দলি, ৰামৰাম গুৰুৰ দৰে মহীয়ান লোকৰ বাসভূমি বৰদোৱা অঞ্চল সাহিত্য-সংস্কৃতিৰ কেন্দ্ৰস্বৰূপ আছিল। আৰু সেইবাবে সাধাৰণৰো শিল্পজ্ঞানৰ পৰিচয় পোৱা গৈছে। সাতবৈকুণ্ঠৰ গোলোকধাম পৰ্যন্ত বৈকুণ্ঠৰ নক্সা আঁকি শেষ কৰি শংকৰদেৱক হাতত লেখনী লৈ লিৰিকি-বিদাৰি ভাবি-গুণি থকা দেখা পাই চোতালত বাঢ়নী হাতত লৈ ধান মেলি থকা দাসী চন্দৰীয়ে কল্পতৰু বৃক্ষৰূপী শ্ৰীমন্দিৰৰ কাষতে সপ্তমদ্বাৰৰ আগকৈ বহুৱাবলৈ দেখুৱাই দিছিল।[১৩]

পূৰ্বে কোনো আৰ্হি নথকা 'চিহ্নযাত্ৰা'ৰ অভিনয়ৰ বৰ্ণনাৰ পৰা বুজা যায় কঠোৰ সাধনা, চিন্তা-চৰ্চাৰে নাট্যকলাৰ উদ্ভাৱনা কৰি শংকৰদেৱে ভাওনা প্ৰদৰ্শন কৰাইছিল। ৰভাথলীত সাত বৈকুণ্ঠৰ সাতোটা ঠাক কৰি চিহ্ন বিভাগ কৰি যাত্ৰা আৰম্ভ কৰিছিল।

পোহৰ ঃ পোহৰৰ কাৰণে ৯টা মটা (মহটা), আঁৰিয়া, অগ্নিগড়ত খণ্ডশলা, ফুলজাৰি জ্বলাই চাৰিওফাল আলোকিত কৰি তোলা হৈছিল।[১৪]

গায়ন-বায়ন ঃ অগ্নিগড়ৰ তলত ৰভাত আঁৰ-কাপোৰ টানি ভাৱৰীয়াৰ প্ৰৱেশৰ ব্যৱস্থা আৰু গায়ন-বায়নসহ শংকৰদেৱে খোল লৈ বায়ন হৈ আন কেইজনমান বায়নৰ লগত নাট ধেমালি, চোট-ধেমালি, বৰ-ধেমালি, ৰাগ-ধেমালি, ঘোষা-ধেমালি, দেৱ-ধেমালি আদিৰে ভাওনাৰ প্ৰস্তাৱনা সূচনা কৰে। দেৱ ধেমালিত শংকৰদেৱে আগে-পাছে লৈ ৯টা খোল বজাই দৰ্শকক আচৰিত কৰি তোলে।[১৫]

ভাওনা বায়ুমণ্ডলীত ৰাগ টানি প্ৰবল বায়ু প্ৰৱাহিত কৰি পুনৰ মেঘমণ্ডলী ৰাগেৰে বৰষুণ নমাই বায়ু নিবাৰণ কৰে।[১৬]

ছোঁ-ঘৰ ঃ চৰিত্ৰসমূহৰ সাজ-পাৰ, মুখা-বাহন আদি ছোঁবোৰ সভাঘৰলৈ নি

চাৰিওফালে আঁৰ-কাপোৰেৰে ঢাকি চোঁঘৰ সজালে।[১৭] এই চোঁঘৰৰ পোছাক, মুখা আদি ভাৱৰীয়াবোৰে পৰিধান কৰি ৰং-বিৰঙেৰে অলংকৃত হৈ মঞ্চত ভাও দিলে।

চিহ্নযাত্ৰাৰ সপ্ত বৈকুণ্ঠ[১৮] প্ৰদৰ্শনৰ কাৰণে সাত বৈকুণ্ঠ পাতি ছয়গৰাকী লক্ষ্মী, পাৰিষদবৰ্গ[১৯], ব্ৰহ্মা, হৰ, ইন্দ্ৰ, কুবেৰ, বৰুণ আদি চৰিত্ৰসমূহ অঙ্কন কৰা হৈছে। ৰামচৰণৰ চৰিত মতে গায়ন-বায়ন, নটুৱা আৰু বিভিন্ন চৰিত্ৰৰ ভাৱৰীয়া-সকল[২০]—

**গায়ন-বায়ন-নটুৱা ঃ** শঙ্কৰদেৱ, কেতাইখাঁ, বলোৰাম, হৰিধন, মথুৰা, বুঢ়া শ্ৰীৰাম, শূলধৰা, লক্ষ্মণ, ভোবোৰা দামোদৰ, সনাতন, যদু, হৰি আদি।

**পুৰুষ চৰিত্ৰৰ ভূমিকাত ঃ** শঙ্কৰদেৱ (সূত্ৰধাৰ), ৰামৰাম (গোঁসাই), ধ্বজা, লক্ষ্মণ, যদু, ৰামচৰণ, বলাই, মথুৰা—(ছয় লক্ষ্মীপতি), নৰহৰি, জয়া, জয়ৰাম, পূৰ্ণানন্দ, হৰি, ৰঘু আদি পাৰিষদৰ ভূমিকাত।

**স্ত্ৰী চৰিত্ৰৰ ভূমিকাত ঃ** সৰ্বজয়, বলৰাম, শ্ৰীৰাম, কমলিধৰা, ৰঘুপতি ৰজকৰ পুত্ৰ চিদা আৰু হৰিধন – এই ছয়জনক বৈকুণ্ঠৰ লক্ষ্মীৰ ভাওত অভিনয়ৰ কাৰণে ভৰিত নূপুৰ, হাতত খাৰু, গাত পাটশাৰী, মাথাত সুন্দৰ উচ্চ খোপা বান্ধি তিৰোতাৰ সাজ-পাৰ, আ-অলঙ্কাৰেৰে ভূষিত কৰিছিল। পুৰুষক স্ত্ৰী-চৰিত্ৰত অৱতীৰ্ণ কৰোৱাটো শঙ্কৰদেৱৰ এক মহান সৃষ্টিমূলক শিল্প-প্ৰতিভা। উল্লেখযোগ্য যে ভাওনা অভিনয়ৰ ক্ষেত্ৰত জাত-পাতৰ গুৰুত্বতকৈ যোগ্যতানুসৰি ভাও দিয়া হৈছিল। ৰজক (ধোবা) চিদাকো স্ত্ৰী চৰিত্ৰৰ ভাও দিছিল।

**মুখা বাহন ঃ** প্ৰথম ভাওনাতে শঙ্কৰদেৱে চৰিত্ৰৰ বাবে মুখা আৰু বাহনৰ ব্যৱহাৰ কৰিছিল। বৈকুণ্ঠৰ চৰিত্ৰসমূহে মুখা পিন্ধি মঞ্চত প্ৰৱেশ কৰিছিল। সৰ্বজয় আতৈয়ে গৰুড়-মুখা পিন্ধি প্ৰৱেশ কৰাত লক্ষ্মীপতি হৈ শঙ্কৰদেৱ লাম্ফ দি পিঠিত উঠি বহিছিল। সম্ভৱাক ব্ৰহ্মাৰ মুখা, ধ্বজাক হৰৰ মুখা আৰু আন আন চৰিত্ৰকো ভাও অনুসৰি মুখা পিন্ধি সাজন-কাচন কৰাই ভাৱৰীয়া সজালে।[২১]

**খোল-তাল ঃ** ভাওনা জন-আকৰ্ষণীয় কৰিবৰ কাৰণে নৃত্য-গীতৰ লগত বাদ্য-বাজনাৰ কথাও ভবা হ'ল। নগাঁৱৰ কপিলী পাৰৰ কুমাৰৰ হতুৱাই দাইনা সাত আঙুল, বেঞা তেৰ আঙুল জোখৰ মাটিৰ খোল তৈয়াৰ কৰাৰ ব্যৱস্থা হ'ল। শালমৰাৰ মুচিয়াৰ আনি খোল চিয়ালে যদিও মাত শ্ৰুতিমধুৰ নোহোৱাত চিয়াই ৰ'দত শুকাবলৈ দিয়াত তাতে কাউৰীয়ে কৰ্কৰা ভাত ঠোঁটেৰে ঘঁহি খুটিয়াই থকাত তাৰ শব্দ শুনি সেইমতে শঙ্কৰদেৱে কৰ্কৰা ভাত আৰু লোৰ গুৰিৰে কৰাল বা ঘুঁণ দিয়াই সুৰীয়া গুৱলা শব্দত মৃদঙ্গ সদৃশ খোল-বাদ্যৰ সৃষ্টি কৰে।[২২] খোল-বাজনাৰ লগত তাল ৰক্ষা কৰিবই লাগিব। খোলে-তালেহে বাজনা। সেয়ে জনশিল্পী শঙ্কৰদেৱে কঁহাৰৰ হতুৱাই খুটিতাল, মন্দিৰা, বৰতাল আদি বহু বিধ



তাল-বাদ্যও প্ৰস্তুত কৰালে।[২৩]

মুঠতে শঙ্কৰদেৱে বৰদোৱাত উক্ত উপাদানেৰে সৃষ্টি কৰা প্ৰথম নাট চিহ্নযাত্ৰাৰ ভাওনাৰে অসমত নাট্য-অভিনয় সূচনা কৰি এক অভিনৱ অৱদান আগবঢ়াই থৈ গ'ল।

নগাঁৱৰ বৰদোৱাত অসমীয়া সংস্কৃতিৰ নৱযুগৰ সূত্ৰপাত কৰি শঙ্কৰদেৱে উজনি-নামনিলৈ গৈ বিভিন্ন ঠাইত সত্ৰ-সভা পাতি কেইবাখনো নাট ৰচনা কৰে আৰু সেই নাটসমূহ বিভিন্ন ঠাইত অভিনীত হয়। মাধৱদেৱ, গোপাল আতা, ৰামচৰণ, ভূষণ দ্বিজ, দৈত্যাৰি ঠাকুৰ, ৰমাকান্ত, ৰামচন্দ্ৰ, শ্ৰীৰাম আতা, ৰামানন্দ, লক্ষীকান্ত প্ৰভৃতিয়েও অনেক নাট ৰচে। অসমৰ নানা থান-সত্ৰত ভাওনা এৰাব নোৱাৰা জন-সাংস্কৃতিক সম্পদ হৈ পৰিল।

## ৪.০২ ভাওনাৰ আধ্যাত্মিক তাৎপৰ্য ঃ

জনতাৰ মন ভাগৱতমুখী কৰি তুলিবলৈ একান্ত ভক্তি আৰু পৰম নিষ্ঠাৰে ভাওনা কৰা হয়। বিশেষকৈ শঙ্কৰ-মাধৱৰ নাট অভিনয়ৰ ক্ষেত্ৰত পূৰ্বে নিৰ্ধাৰণ কৰা ৰীতিৰ হেৰফেৰ নোহোৱাকৈ ভাওনা কৰা হয়। অবিভক্ত নগাঁও জিলাৰ সত্ৰসমূহে ভাওনাৰ আধ্যাত্মিক নিয়ম ৰক্ষা কৰি আহিছে। আজি পৰ্যন্ত সত্ৰত গুৰু-অঙ্কীয়া বুলিলে গায়ন-বায়নৰ পৰা কৃষ্ণ-নৃত্য, সূত্ৰ-নৃত্য, শ্লোক, বচন বা সংলাপ, সূত্ৰ, গীত আদিৰ কোনো কথা বাদ নপৰাকৈ ভাওনা কৰাৰ পৰম্পৰা আছে, যাৰ ফলত গুৰু-অঙ্কীয়া নাটৰ ভাওনা বিৰল হৈ পৰিছে।

নাটৰ ভাওনাৰ বৈশিষ্ট্যপূৰ্ণ কথা হ'ল– কোনো নাটৰ ভাওনা কৰিবলৈ মনস্থ কৰিলে প্ৰথমতে মাঙ্গলিক অনুষ্ঠান এটি কৰা হয়। এই অনুষ্ঠানে কোনো এটা শুভ-দিন নিৰ্দিষ্ট কৰি গায়ন-বায়ন, ভাৱৰীয়া তথা সমূহ গোট খাই সন্ধিয়া থাপনা পাতি শৰাই দি নাম-গুণ গাই গুৰুঘাত বজাই সুহাই আৰু সিন্ধুৰা ৰাগৰ গীত দুটি গাই নাট্যকলাৰ জনক শঙ্কৰদেৱলৈ সেৱা-ভক্তি নিবেদন কৰি ভাওনা যাতে কোনো বাধা-বিঘিনি নোহোৱাকৈ সমাপ্ত কৰিব পাৰে তাৰ বাবে প্ৰাৰ্থনা জনোৱা হয়।[২৪] সেইদিনা বচন বিলাই ভাওনাৰ নিৰ্দিষ্ট দিনৰ আগলৈ নৃত্য-বাদ্য-গীত-আখৰাৰ সূচনা হয়। ইয়াকে নাটমেলা অনুষ্ঠান বোলে।

ভাওনাৰ আগদিনাক গন্ধ-বাদন বোলে। সেইদিনা ভাওনাৰ কাৰণে মঞ্চ তৈয়াৰ কৰা হয়। ভাওনা মঞ্চস্থ কৰিবলৈ ঠিক কৰা স্থানৰ পূব পিনে থাপনাত শ্ৰীমদ্ভাগৱত প্ৰতিষ্ঠা হয়। এয়া পূৰ্ণব্ৰহ্ম বা পৰমব্ৰহ্মৰ প্ৰতীক। থাপনাৰ ওচৰত ভোটা জ্বলোৱা হয়। মূঢ়াৰে সৈতে কলগছ পুতি মাজত খোৰোং কৰি তাত আৰৈ চাউল আৰু সৰিয়হৰ তেল দি বাঁহৰ চটা এডালত জুই জ্বলোৱা ভোটা একশৰণ ধৰ্মৰ প্ৰতীক। কিছুমানে মাটিৰ টেকেলিত সৰিয়হৰ তেল ভৰাই মাজেদি বিন্ধা দি

সূতা-শলা সুমুৱাই দিও ভোটা জ্বলায়। ভাওনাৰ প্ৰৱেশ পথৰ গুৰিত অৰ্ধচন্দ্ৰাকাৰ বা ধেনুভজুৰা বাঁহ বা কাঠৰ ওপৰত সূতা মেকুৰাই নডাল খণ্ডশলা জ্বলোৱা হয়। ইয়াৰ নাম অগ্নিগড়। নডাল খণ্ডশলা শ্ৰৱণ-কীৰ্ত্তন, স্মৰণ আদি নৱবিধ ভক্তিৰ প্ৰতীক। ভাৱৰীয়াৰ প্ৰৱেশৰ মুহূৰ্ত্তত টনা আঁৰ-কাপোৰ মায়াৰ প্ৰতীক। আঁৰ-কাপোৰ অৰ্থাৎ মায়া ভেদ কৰিব পাৰিলেহে ভগৱদমুখী হ'ব পাৰি। যোৱা উঠাৰ সময়ত গায়ন-বায়নৰ সোঁৱে-বাৱে আগে আগে দুজনে হাতত আঁৰিয়া লৈ যায়। আঁৰিয়া দীঘলীয়া ফলাবাঁহ বা বাঁহৰ কাঠিত সূতা বা কাপোৰ মেৰিয়াই থোৱা তেলত জুবুৰিয়াই জ্বলোৱা হয়। আৰিয়া নৱবিধ ভক্তিৰ সবাতোকৈ শ্ৰেষ্ঠ শ্ৰৱণ আৰু কীৰ্ত্তনৰ প্ৰতীক। কোনো কোনোৱে বিদ্যা আৰু অবিদ্যাৰ প্ৰতীক বুলিও কয়।

থাপনাৰ দুয়োকাষে মূলখুটাৰ গুৰিত পাৰি দিয়া আসনত বহে অধিকাৰ আৰু সাধু-সন্তসকল। এইসকলৰ মাজৰ পৰা জ্যেষ্ঠজনে যোৱা উঠা সময়ত আঁৰ-কাপোৰৰ ওচৰলৈ গৈ গায়ন-বায়নক মটা বা মহটা জ্বলাই আদৰণি জনায়। এই মটা ভক্তক ভক্তি-প্ৰদীপ দান কৰাৰ প্ৰতীক। যোৱা উঠাৰ আৰম্ভণিতে 'হৰি নাম'ৰ ধ্বনি কৰি ভাওনা থলীৰ ভোটাৰ সন্মুখত ৪ (চাৰি)সংখ্যাৰ আকাৰত ৭ (সাত) বাৰ গায়ন-বায়ন ঘূৰে। ৪ৰ আকাৰ হৈছে ধৰ্ম-অৰ্থ-কাম-মোক্ষ চাৰি পদাৰ্থ পোৱাৰ ইঙ্গিত আৰু দাইনাত আৰম্ভ কৰি 'ওঁম তৌ তৌ তদৌ ধিনি ধেই' বুলি খোলত ৰগৰ দি ৭ (সাত) বাৰ মঞ্চত ঘূৰাটো সপ্ত-বৈকুণ্ঠ পৰিভ্ৰমণৰ ইঙ্গিত।[২৫]

এইদৰে ভাওনাৰ নাট আৰম্ভ কৰাৰ পূৰ্বৰে পৰা এক আধ্যাত্মিক পৰিবেশ সৃষ্টি কৰা হয়। তাৰ পিছতে সূত্ৰধাৰী নৃত্য, নান্দী-শ্লোক, ভটিমা, শ্ৰীকৃষ্ণ-নৃত্য আদিৰে নাটৰ বিষয়-বস্তু মতে ভাৱৰীয়াসকলক মঞ্চত প্ৰৱেশ কৰাই সূত্ৰ-শ্লোক-বচন-গীত-পদ-ভটিমা, কল্যাণ-খৰমানেৰে ভাওনা সমাপ্ত কৰে।[২৬]

## ৪.০৩ সত্ৰৰ ভাওনা ঃ

শঙ্কৰ-মাধৱৰ পৰৱৰ্তী ধৰ্মাচাৰ্যসকলে বৰপেটা, পাটবাউসী, মধুপুৰ, কালঝাৰ আদিৰ পৰা সমগ্ৰ অসমতে নানা ঠাইত সত্ৰ স্থাপন কৰি নামধৰ্মৰ লগতে ভাওনাৰ ঢল বোৱাই দিয়ে। প্ৰতিখন সত্ৰতে গুৰুসকলৰ তিথি, সত্ৰাধিকাৰৰ অভিষেক, ৰাস, জন্মাষ্টমী আদি উপলক্ষ্যে ভাওনা পতাটো এৰাব নোৱাৰা প্ৰথা হৈ পৰিল। সেইকাৰণে ভকত-বৈষ্ণৱৰ পৰা ৰজা, প্ৰজা, আমোলা, ছুৱাল, ডেকা-বুঢ়ালৈ ভাওনা অতি আদৰণীয় আৰু জনপ্ৰিয় সামাজিক অনুষ্ঠান হৈ পৰে। অবিভক্ত নগাঁও জিলাৰ কলিয়াবৰ, মৰিগাঁও, নগাঁও অঞ্চলত অনেক ধৰ্মাচাৰ্যই সত্ৰ প্ৰতিষ্ঠা কৰে। সত্ৰসমূহত প্ৰথমতে শঙ্কৰদেৱ, মাধৱদেৱ দুজনা গুৰুৰ আৰু



পিছলৈ গোপাল আতা, ৰামচৰণ, ভূষণদ্বিজ, ৰামদেৱ প্ৰভৃতি আৰু পৰৱৰ্ত্তী কালত সত্ৰৰ আন আন আচাৰ্যসকলে ৰচনা কৰা নাটৰ ভাওনা চলিল।

শঙ্কৰ, মাধৱ, গোপাল, ৰামচৰণৰ নাটসমূহৰ ভাওনা অতি ভক্তিভৰা অন্তৰেৰে সত্ৰসমূহত কৰা হয় আৰু সেইসকলৰ নাট নগাঁৱৰ কেইবাখনো সত্ৰত সিঁচৰতি হৈ আছিল। কালিৰাম মেধি সম্পাদিত 'অঙ্কাৱলী'ত উল্লেখ কৰা কেইবাখনো নাট নগাঁৱৰ কেইবাখনো সত্ৰৰ পৰা সংগৃহীত। এই প্ৰসঙ্গত নগাঁও উলুবাৰী সত্ৰৰ মহীকান্ত মহন্তৰ পৰা পোৱা শঙ্কৰদেৱৰ 'পত্নীপ্ৰসাদ', 'ৰুক্মিণী হৰণ', 'পাৰিজাত হৰণ'; মাধৱদেৱৰ 'অৰ্জুন ভঞ্জন', 'চোৰধৰা', 'ভূমি লুটিয়া', 'ভোজন বিহাৰ', 'ভূষণ হৰণ'; গোপাল আতাৰ 'উদ্ধৱ যান', ভূষণ দ্বিজৰ 'অজামিল উপাখ্যান', কাংসপাৰ সত্ৰাধিকাৰৰ পৰা পোৱা 'ৰুক্মিণী হৰণ' আৰু বটদ্ৰৱাৰ হৰেন্দ্ৰ নাৰায়ণ গোস্বামীৰ পৰা সংগৃহীত ৰামচৰণ ঠাকুৰৰ 'কংস বধ' নাট উল্লেখযোগ্য।[২৭]

নগাঁৱত এই নাটসমূহৰ ভাওনা অতি আদৰৰ আৰু জনপ্ৰিয়। গুৰু-অঙ্কীয়া (অংকীয়া নাট)ৰ ভাওনা প্ৰায় সত্ৰতে আজি কিছুবছৰ আগলৈ কৰা হৈছিল। বৰ্তমান কাচিৎ ক'ৰবাতহে গুৰু-অঙ্কীয়া ভাওনা পতা হয়। নগাঁৱত গুৰু-অঙ্কীয়া বা ভাওনা দুটা ভাগত কৰা হয় (১) দিন ভাওনা আৰু (২) নিশাৰ ভাওনা। মাধৱদেৱ বিৰচিত 'ভোজন বিহাৰ', 'চোৰধৰা', 'পিম্পৰা গুচোৱা', 'দধি-মথন বা 'অৰ্জুন ভঞ্জন', 'ভূমি লুটীয়া' নাট বা ঝুমুৰা আৰু গোপাল আতাৰ 'নন্দোৎসৱ' বা 'বোকা যাত্ৰা' আদি নাট দিনৰ ভাগত আবেলিৰ পৰা সন্ধ্যাৰ ভিতৰত অভিনয় কৰাৰ পৰম্পৰা।

দীৰ্ঘাবয়বৰ পূৰ্ণাঙ্গ কাহিনীযুক্ত শঙ্কৰদেৱৰ 'কালি-দমন', 'ৰুক্মিণী হৰণ', 'পাৰিজাত-হৰণ', 'কেলি-গোপাল', 'ৰাম-বিজয়'; গোপাল আতাৰ 'গোপী উদ্ধৱ সংবাদ', ৰামচৰণৰ 'কংসবধ', ভূষণ দ্বিজৰ 'অজামিল উপাখ্যান' আৰু ৰমাকান্ত, ৰামচন্দ্ৰ প্ৰভৃতি নাট্যকাৰৰ নাটৰ ভাওনা নিশা কৰা হয়। এই ভাওনাসমূহ গায়ন-বায়নেৰে সন্ধ্যাৰ পৰা আৰম্ভ কৰি গোটেই ৰাতি কৰা হয় আৰু ৰাতিপুৱা কল্যাণ-খৰমানেৰে সামৰা হয়।

অবিভক্ত নগাঁও জিলা এলেকাত ধৰ্মাচাৰ্যসকলে সত্ৰ-সভা প্ৰতিষ্ঠা কৰাৰে পৰা ভাওনাৰ পুনৰ প্ৰৱৰ্তন হয়। বিশেষকৈ উত্তৰ-বৈষ্ণৱ যুগৰ পৰা ভাওনাৰ সোঁত প্ৰৱাহিত হয়। থলুৱা লোক-অনুষ্ঠানৰ ছিটিকনি বা প্ৰভাৱ ভাওনাত পৰা বাবে জনসমাজৰ বিশেষ আকৰ্ষণীয় আৰু জনপ্ৰিয় হৈ পৰে। শ্ৰীকৃষ্ণ-চৰিত্ৰক কেন্দ্ৰ কৰি ভক্তিভাৱৰ গুৰুত্বৰে শঙ্কৰ-মাধৱ-গোপাল প্ৰভৃতিৰ নাটকৰ লগতে ৰোমাঞ্চকৰ কাহিনীযুক্ত ৰামায়ণ, মহাভাৰত, বিভিন্ন পুৰাণ-উপপুৰাণৰ আধাৰত পৰৱৰ্তী নাট্যকাৰসকলে অনেক নাট ৰচনা কৰি বিভিন্ন উদ্দেশ্য বা অনুষ্ঠানত অভিনয় কৰাৰ ব্যৱস্থাৰে জিলাখনৰ সকলো শ্ৰেণী বা সমাজৰ লোকৰ অন্তৰত

গভীৰ প্ৰভাৱ পেলাইছিল। জনসাধাৰণ অলৌকিক ঘটনাৰ প্ৰতি বিশেষ আকৰ্ষিত। শঙ্কৰদেৱৰ 'কালি-দমন' নাটৰ ভাওনা নগঞা শ্ৰোতা-দৰ্শকৰ অতি আকৰ্ষণীয় ভাওনা। প্ৰচণ্ড শক্তিৰ সৰ্পৰাজ কালিৰ সহস্ৰ ফণাৰ ওপৰত দেও দি দি বালক শ্ৰীকৃষ্ণই নৃত্য কৰি কালিসৰ্পক নাকে-মুখে তেজ উলিয়াই দমন কৰি অদ্ভুত মহিমা প্ৰদৰ্শন কৰোঁৱা 'কালি-দমন' নাটৰ ভাওনা অতি চাঞ্চল্যকৰ বা ৰোমাঞ্চকৰ। নাটখনৰ ভাওনাৰ অদ্ভুত অলৌকিক প্ৰভাৱ তথা কালিৰ চৈতন্য-ৰূপ প্ৰাপ্তিৰ বিষয়ে কেইবাখনো সত্ৰৰ পৰা জানিব পৰা যায়।

কলিয়াবৰৰ সতানন্দী ৰূপনাৰায়ণ খামুচীয়া সত্ৰৰ অধিকাৰৰ পৰা জনামতে বৈকুণ্ঠী সত্ৰাধিকাৰ লৱকান্তৰ দিনত খহনীয়া বিলৰ পাৰত কালি-দমন ভাওনা পাতিছিল। ভাওনা চলি থাকোঁতে সৰ্পৰাজ কালি চৈতন্য প্ৰাপ্ত হৈ ফোঁচ ফোঁচ শব্দেৰে গগণ কঁপাই তোলে আৰু ভাৱৰীয়া, গায়ন-বায়ন, ভাগৱত মূৰ্ত্তি, শৰাই, খোল-ডবা-বাদ্যসহ নিচেই কাষৰ খহনীয়া বিলৰ পানীত ডুব যায়। তাৰ পিছৰ পৰা হেনো গঞা ৰাইজে তাত মধ্য নিশাৰ পৰা খোল-তাল-ডবা নৃত্যাদিৰ শব্দ শুনি থকা হ'ল। তেতিয়াৰে পৰা খহনীয়া বিলৰ পাৰত বন্তি জ্বলাই ধূপ-ধূনা, গুৱা-দণ্ড শৰাই আগবঢ়োৱাৰ প্ৰথা প্ৰৱৰ্তন হয় আৰু ১৯৩৫ খ্ৰীঃলৈ এই প্ৰথা চলি আছিল।[২৮]

শিৱসিংহৰ ৰাজত্বকালত ঐতিহ্যপূৰ্ণ নবোৱা সত্ৰৰ পূৰ্বপুৰুষ ৰামচন্দ্ৰদেৱৰ সময়ত বাসুদেৱ থানত 'কালি-দমন' ভাওনা কৰি থাকোঁতে কৃষ্ণ আৰু কালিসৰ্প চৈতন্যপ্ৰাপ্ত হৈ আগবাঢ়ি গৈ ওচৰৰ চামপৰা নামৰ বিলত পৰিছিল।[২৯] তেতিয়াৰে পৰা এই থুলৰ সত্ৰকেইখনৰ 'কালি-দমন' ভাওনা নিষিদ্ধ হ'ল বুলি কোৱা হৈছে।[৩০]

আন এখন ঐতিহ্যমণ্ডিত চতমীয়া লতাবোৱা সত্ৰৰ শিচ-ভকত-বৈষ্ণৱে তেজপুৰ (জামুগুৰি) নাগশঙ্কৰৰ ওচৰৰ গাঁৱত কালি-দমন ভাওনা কৰোঁতে ইমান তন্ময় হৈ পৰিছিল, কালি, কৃষ্ণ আৰু নাগপত্নী আদি ভাৱৰীয়াসকলে সকলো পাহৰি ওচৰত থকা বিলৰ পানীত পৰি নৃত্য কৰিবলৈ লয় আৰু পানীত ডুবি কেইবাজনো লোক মৃত্যুমুখত পৰে। কালিৰ এনে জীৱন্ত ৰূপ আৰু তাৰ ফলত হোৱা দুৰ্ঘটনাৰ কাৰণে তেতিয়াৰ পৰা চতমী সত্ৰ কেইখনেও 'কালি-দমন' ভাওনা অনুষ্ঠিত নকৰা হ'ল।[৩১]

'কালি-দমন' নাটৰ ভাওনা সম্পৰ্কত প্ৰচলিত কাহিনীসমূহ অলৌকিক বা মুখৰোচক হ'লেও এটা কথা বুজিব পাৰি যে ভাওনাৰ উপস্থাপনা, ভাৱৰীয়াৰ সাজ-পাৰ, বচন, নৃত্য-গীত, বাজনা আদি অতি চমৎকাৰ আৰু জন-আকৰ্ষণীয় হৈছিল। বিশেষকৈ বাঁহৰ কাঠিৰে সহস্ৰ-ফণাৰ আৰু ফটা-চিটা কাপোৰ বা মৰাপাট আদি গোটকৈ দীঘলকৈ বান্ধি মাটি লেপি, ৰং সানি ভয়ঙ্কৰ আকৃতিৰ যি কালিৰাজ



সজোৱা হৈছিল; সেয়া নিখুঁত সঁচা যেন হৈ পৰিছিল আৰু ফণাৰ ওপৰত কোমল বালক শ্ৰীকৃষ্ণই দেও দি দি নৃত্য কৰাত দৰ্শক সৰ্প-ত্ৰাসত আতঙ্কিত হোৱাটো একো অস্বাভাৱিক নাছিল। ভাওনাৰ এই দৃশ্য ইমান মনঃপুত আৰু উপভোগ্য হৈছিল যাক দেখি দৰ্শকে কালিসৰ্প জীৱন্ত বা চৈতন্যপ্ৰাপ্ত হোৱা বুলি বোধ কৰিছিল। যাৰ ফলত, অলৌকিক কাহিনীক বিশ্বাস্য বুলি গ্ৰহণ কৰাত শঙ্কৰদেৱৰ বিৰচিত 'কালি-দমন' নাটৰ ভাওনা কিছুমান সত্ৰত পতাটো বন্ধ হৈ থাকিল।[৩২] নগাঁৱত শঙ্কৰদেৱৰ 'ৰুক্মিণী হৰণ', 'পাৰিজাত হৰণ', 'কেলি-গোপাল', 'ৰাম-বিজয়'; মাধৱদেৱৰ দিন-ভাওনা কেইখন, ৰামচৰণ ঠাকুৰৰ 'কংস বধ', গোপাল আতাৰ 'জন্মযাত্ৰা, 'বোকা ভাওনা' আদি কেইখনমান নাট কোনো কোনো সত্ৰত মাজে সময়ে অভিনীত হৈ আছে। বিভিন্ন উৎসৱ-পৰ্বত বিলাপযুক্ত ভাওনা কোনো কোনো ঠাইত ৰাজহুৱা ভাবে কৰা দেখা যায়। কিছুবছৰ আগলৈ সত্ৰাধিকাৰ অভিষেক আৰু চলাজনা অধিকাৰৰ তিথিত অধিকাৰসকলে ৰচনা কৰা নাটৰ ভাওনা কৰাৰ পৰম্পৰা আছিল।

ৰজাঘৰতো নগাঁৱৰ ভাওনাৰ স্থান আছিল। বালিসত্ৰৰ নাট্যকাৰ লক্ষ্মীদেৱে স্বৰ্গদেউ চন্দ্ৰকান্ত সিংহৰ অনুৰোধত 'কুমৰ হৰণ নাট' ৰচনা কৰি ভাওনাৰ দল আহোম ৰজাৰ ৰাজধানীলৈ নি উক্ত ভাওনা কৰাইছিল।[৩৩]

## ৪.০৪ সমাজত ভাওনাৰ প্ৰভাৱ ঃ

নগঞা সত্ৰ-সমাজ আৰু ৰাইজে ভাওনাক খুব গুৰুত্ব দি আহিছে। সত্ৰৰ ভাওনাৰ প্ৰভাৱত ৰাজহুৱা উৎসৱ-অনুষ্ঠানত ভাওনা পতাৰ উদ্যোগ চলিল। সেয়ে নামঘৰত ভাওনা পতাৰ উপৰিও ৰাজহুৱা ভাবেও ভাওনা অনুষ্ঠিত কৰা হয়। ১৮৮৭ খ্ৰীঃত ৰাণী ভিক্টোৰিয়াৰ ৰাজত্বৰ সোণালী জয়ন্তী উৎসৱ সমগ্ৰ ভাৰতত জাকজমককৈ পতা হৈছিল। সেই উপলক্ষ্যে নগাঁৱৰ বৰ্তমানৰ জুবিলি পথাৰত মুকলি মঞ্চ সাজি 'জৰাসন্ধ বধ' নাটৰ ভাওনা পাতিছিল। নাটখন দেৱনাথ বৰদলৈ ৰচিত (অপ্ৰকাশিত)।[৩৪]

নগঞা ৰাইজৰ ওপৰত ভাওনাৰ প্ৰভাৱ ইমান বেছি যে তেওঁলোকে অকল এখন সত্ৰত বা অনুষ্ঠানতে আৱদ্ধ নাথাকি একোটা বিৰাট অঞ্চলক লৈ নানা খেল, জাতি-উপজাতি-বৰ্ণৰ লোকে একে ৰভাৰ তলত ১০ৰ পৰা ১৮ খনলৈ সামূহিক ভাওনা একে নিশাই কৰাৰ ব্যৱস্থা কৰিছিল। এই ভাওনাক হাজাৰী, বাৰেগঞা, বাৰখেলীয়া বা কমিটি ভাওনা বোলা হয়। এনে ভাওনাসমূহ ঊনৈশ-বিশ শতিকাৰ উদ্ভাৱনা। এইবোৰৰ ভিতৰত আহোম শাসনত আৰম্ভ কৰা কলিয়াবৰৰ হাজাৰী, মৰিগাঁৱৰ চৰাইবাহীৰ কমিটি ভাওনা (১৮৫১ খ্ৰীঃৰ পৰা), কৰৈয়নী কলংপৰীয়া হেজাৰী ভাওনা (১৯৬৯ খ্ৰীঃ), দক্ষিণ-পূৰ নগাঁও পাথৰি অঞ্চলৰ

ঐতিহ্যপূৰ্ণ বাৰেগঞা ভাওনা, নগাঁও নেহেৰুবালিত চতুৰঙ্গ সাংস্কৃতিক গোষ্ঠীৰ বাৰেগঞা ভাওনা (১৯৮৯) আদি উল্লেখযোগ্য। ভাওনাত বহু হাজাৰ তথা লাখ পৰ্যন্ত মানুহৰ সমাগম হয়। ব্যয়বহুল আৰু কষ্টকৰ কাৰণে ৩ৰ পৰা ৫ বছৰৰ ভিতৰত দৌল-পূৰ্ণিমা বা ৰাস-পূৰ্ণিমাত এনে সামূহিক ভাওনা অনুষ্ঠিত হয়।[৩৫] কামপুৰত চলি অহা সামূহিক ভাওনাক বাৰখেলীয়া ভাওনা বোলা হয়।[৩৬]

১৯৬৮ চনত বৰদোৱা থান কমিটিয়ে ৪০০ বছৰীয়া গুৰু-তিথি আৰু ৫২০ তম্ গুৰু-জন্মোৎসৱ উপলক্ষ্যে আয়োজিত কাৰ্যসূচীত বিভিন্ন অঞ্চলৰ সত্ৰ আৰু ৰাইজে কেইবা নিশাও ভাওনা কৰে। বৰভেটিৰ 'কুবালশ্ব উপাখ্যান', হাবি বৰঙাবাৰীৰ 'কালি-দমন', আঞ্চলিক সত্ৰসমূহৰ মহন্তসকলৰ 'ৰাম-বিজয়', ধিং আঠগাঁৱৰ 'ভক্ত-প্ৰহ্লাদ', কামপুৰৰ 'অশ্বকৰ্ণ বধ'ৰ উপৰিও নগাঁও জিলাৰ বাহিৰৰ মাজুলীৰ চামগুৰি সত্ৰৰ 'সীতা হৰণ', 'বালিবধ' নাটৰ ভাওনা উল্লেখযোগ্য।[৩৭]

১৯৭৭ চনত কুজীডাঁহত অনুষ্ঠিত 'নগাঁও জিলা অঙ্কীয়া নাট অভিবৰ্ত্তন' নগাঁৱৰ ভাওনাৰ ইতিহাসত এক স্মৰণীয় ঘটনা। জিলাৰ বিভিন্ন অঞ্চলৰ পৰা অহা কেইবাটাও অঞ্চলে শঙ্কৰদেৱৰ বিৰচিত গুৰু-অঙ্কীয়া ভাওনা প্ৰদৰ্শন কৰি এক উদ্যম আৰু আলোড়নৰ সৃষ্টি কৰিছিল। এই প্ৰসঙ্গত নগাঁও জিলাৰ কলিয়াবৰৰ 'ৰামবিজয়', কামপুৰৰ 'ৰুক্মিণী হৰণ', বৰদোৱাৰ 'ৰুক্মিণী হৰণ', শালমৰাৰ 'কালি-দমন' আৰু কুজীডাঁহৰ 'ৰুক্মিণী হৰণ' পাঁচখন ভাওনাৰ লগতে মাজুলী বেলগুৰিৰ 'ৰাম-বিজয়' উল্লেখযোগ্য।[৩৮] ২০০২ চনতো তেলিয়াগাঁও যুৱক সঙ্ঘই কলংপাৰ খেল-পথাৰত শঙ্কৰদেৱৰ অঙ্কীয়া নাট সমাৰোহ চাৰিদিনীয়াকৈ অনুষ্ঠিত কৰিছে। এই সমাৰোহত শঙ্কৰদেৱৰ বিৰচিত 'পাৰিজাত হৰণ' (বাৰঘঞা সমাজ, কৰৈয়নী'), 'ৰাম-বিজয়' (বটদ্ৰৱা সাংস্কৃতিক গোষ্ঠী), 'ৰুক্মিণী হৰণ' (হাটবৰ কেন্দ্ৰীয় নাট্য সমাজ) আৰু 'কালি-দমন' (শালমৰা সন্মিলিত সন্থা) নাটৰ ভাওনা কৰা হয়।

প্ৰথমতে অঙ্কীয়া ভাওনা সত্ৰৰ ভিতৰতে আৱদ্ধ আছিল যদিও ইয়াৰ জনপ্ৰিয়তা ইমান বাঢ়িল যে পিছলৈ গাঁৱে গাঁৱে স্থাপিত নামঘৰ বা ৰাজহুৱা অনুষ্ঠানৰ গঞা ৰাইজে ভাওনা কৰিবলৈ ধৰিলে। অঙ্কীয়া ভাওনাৰ প্ৰসাৰতালৈ চাই কব পাৰি যে এইবোৰৰ প্ৰভাৱ অসমীয়া সমাজৰ ওপৰত বাৰুকৈয়ে পৰিছিল, যাৰ ফলত অসমীয়া জাতীয় জীৱনৰ সংহতি স্থাপনত নাট্য-কলা বৰ সহায়ক হৈছিল।[৩৯]

কিছু বছৰ পূৰ্বে গাঁও-ভূঁই ৰজনজনাই থকা সত্ৰসমূহৰ ভাওনাৰ অৱনতি ঘটা পৰিলক্ষিত হৈছে। সত্ৰত গুৰু-অঙ্কীয়া ভাওনা তিথি, উৎসৱ আদিত তেনেকৈ কৰা পৰম্পৰা নাইকিয়া হৈছে। কোনো কোনো সত্ৰত দিন-ভাওনা পতা হয়, সেয়াও যেনেতেনে সামৰে। ভাওনাৰ তথ্য সংগ্ৰহৰ বাবে নগাঁও পুৰণিগুদাম, চামগুৰিৰ কেইবাখনো সত্ৰত গুৰু-অঙ্কীয়া বা দিন-ভাওনাৰ কেমেৰা-ফটো ল'বলৈ ১৯৯৯-২০০২ চনত গুৰু-তিথিত গৈও বিফল মনোৰথ হৈ ঘূৰি অহা হৈছে। কলিয়াবৰ আৰু মৰিগাঁৱতো খবৰ কৰি তিথিত ভাওনা পতা সত্ৰৰ খবৰ পোৱা নগ'ল। সত্ৰৰ শিচ-ভকত কিছুমান ধৰ্ম সমাজ-সংস্কৃতিৰ আন অনুষ্ঠানলৈ ফালৰি কাটি যোৱা বাবে কলা-কুশলী, গায়ন-বায়ন, ভাৱৰীয়াৰ সংখ্যা টুটি যোৱাত সত্ৰত পূৰ্ণাঙ্গ ভাওনা পতাৰ শক্তি-সামৰ্থ নাইকিয়া হৈ পৰিছে। তাৰ উপৰি, সত্ৰৰ নিজা মানুহখিনিও পাশ্চাত্য শিক্ষাৰে উচ্চ শিক্ষিত হৈ দামী-নামী চাকৰি, ব্যৱসায়, ৰাজনীতিত ব্যস্ত হৈ পৰাত সত্ৰৰ ঐতিহ্য বা পৰম্পৰাৰ প্ৰতি মনোনিবেশ নকৰা হৈছে। সত্ৰৰ প্ৰতি অনাস্থাত শিচ কমি যোৱাত আৰু চৰকাৰে ভূমি অধিগ্ৰহণ কৰাৰ ফলত সত্ৰৰ অৰ্থনীতি দুৰ্বল হৈ পৰাত সত্ৰ-সংস্কৃতি সুচাৰুৰূপে ৰূপায়ণ কৰাটো অসম্ভৱ হৈ পৰিছে। আজিকালি অসম সত্ৰ মহাসভাৰ অধিবেশন পতা সত্ৰ বা স্থানত সত্ৰই ভাওনা অনুষ্ঠিত কৰা দেখা যায়। সত্ৰমহাসভাই অসমৰ বিভিন্ন জনগোষ্ঠীৰ দ্বাৰা ভাওনা অনুষ্ঠিত কৰোৱাৰ বাবে 'সেতুবন্ধ' কাৰ্যসূচী ৰূপায়ণ কৰিছে।



## ৪.০৫ সত্ৰৰ নাট্য-সম্ভাৰ ঃ

অঙ্কীয়া নাট-ভাওনাৰ জন্মদাতা শঙ্কৰদেৱ। শঙ্কৰদেৱৰ জন্মস্থান অবিভক্ত নগাঁও জিলাৰ বৰদোৱা-আলিপুখুৰী। বৰদোৱাতে শঙ্কৰদেৱে নাটৰ সূচনা কৰে। মাধৱদেৱৰ ভাগিনীয়েক ৰামচৰণ ঠাকুৰৰ চৰিত মতে শঙ্কৰদেৱে ঊনৈশ বছৰ বয়সত 'চিহ্নযাত্ৰা' অভিনয় কৰি দৰ্শকক বিমুগ্ধ কৰিছিল।[৪০] কোনো কোনো চৰিতত তীৰ্থ-ভ্ৰমণৰ পৰা ঘূৰি আহি 'চিহ্নযাত্ৰা' ৰচনা কৰা বুলি উল্লেখ আছে।[৪১] তীৰ্থ-ভ্ৰমণলৈ যোৱাৰ আগতে হওক বা ঘূৰি আহিয়েই হওক— শঙ্কৰদেৱে তেওঁৰ মহাজীৱনৰ প্ৰথম স্তৰতে বৰদোৱা-আলিপুখুৰীত যে নাটৰ শুভ-আৰম্ভ কৰিছিল এই বিষয়ে সন্দেহ নাই।

'চিহ্নযাত্ৰা'ৰ পিছত শঙ্কৰদেৱে ৰচনা কৰা উদ্ধাৰ হোৱা 'পত্নী-প্ৰসাদ', 'কালিদমন', 'কেলি-গোপাল', 'ৰুক্মিণী-হৰণ', 'পাৰিজাত হৰণ' আৰু 'ৰাম-বিজয়' এই ছখন নাটৰ 'কালি দমন' বৰদোৱাত ৰচনা কৰা বুলি কালিৰাম মেধিয়ে অনুমান কৰিছে যদিও সকলো তথ্য ফহিয়াই পণ্ডিতসকলে এই নাটখন পাটবাউসীত ৰচনা কৰা বুলি মত দাঙি ধৰিছে।[৪২]

৬৭ বছৰ বয়সত শঙ্কৰদেৱে নগাঁও-বৰদোৱা ত্যাগ কৰি যোৱাৰ পিছত বিশেষকৈ নামনি অসমৰ কামৰূপতহে নাট ৰচনা কৰিলে। কিন্তু শঙ্কৰদেৱৰ ভক্তি-আন্দোলন তথা সত্ৰ-সভা মধ্য আৰু উজনি অসমলৈ বিস্তৃত হৈ পৰাত কিছুবছৰ পিছত অৰ্থাৎ শঙ্কৰোত্তৰ যুগত অবিভক্ত নগাঁও জিলাত পুনৰ সত্ৰ-সমাজ আৰু

সংস্কৃতিৰ উদ্গতি হয়, যাৰ ফলত— পৰৱৰ্ত্তী কালত নগাঁও জিলাত সত্ৰ-সংখ্যা বৃদ্ধি পায় আৰু নাট-ভাওনা সমৃদ্ধ হৈ উঠে। অঙ্কীয়া পদ্ধতিত নাট ৰচনা কৰা সত্ৰসমূহৰ নাট্যকাৰ আৰু নাটৰ লেখ আগবঢ়োৱা হ'ল—

বৰদোৱা-বৰফাল নৰোৱা ঠালত সত্ৰসমূহে নাট কটা বা ৰচনা কৰাৰ চেষ্টা অব্যাহত ৰাখিলে। অষ্টাদশ শতাব্দীৰ পৰা কুৰি শতিকাৰ প্ৰথমাৰ্ধলৈ বিভিন্নজন নাট্যকাৰৰ ভাওনা-নাটৰ সন্ধান পোৱা গৈছে। বৰদোৱাৰ ৰমাকান্ত আতাই 'স্যমন্ত হৰণ' নাট, তেওঁৰ পুত্ৰ ৰামচন্দ্ৰ আতাই 'কংস বধ' নাট ৰচনা কৰে।[৪৩] এই দুজনাৰ পিছত কুৰি শতিকাৰ প্ৰথমাৰ্ধত বংশীধৰে 'হৰিশ্চন্দ্ৰ উপাখ্যান' আৰু 'কুলাচল বধ' নাট লিখে।[৪৪] বৰদোৱাৰ পৰা গৈ ৰামপুৰত সত্ৰ প্ৰতিষ্ঠা কৰা ভদ্ৰদেৱ বা যদুদেৱে 'সীতা-হৰণ' নাট ৰচনা কৰে।[৪৫] নৰোৱা ঠালৰ সত্ৰসমূহৰ ভিতৰত বালিসত্ৰৰ নাটৰ সংখ্যা সৰ্বাধিক।

ভদ্ৰদেৱৰ পুত্ৰ লক্ষ্মীদেৱ অষ্টাদশ শতিকাৰ শেষাৰ্ধৰ নাট্যকাৰ। তেওঁৰ ৰচিত পাঁচখন নাট 'ৱাৰণ-বধ', 'কুমৰ-হৰণ', 'নৃসিংহ যাত্ৰা', 'জন্মযাত্ৰা' আৰু 'গোবৰ্দ্ধন যাত্ৰা'।[৪৬] কেশৱানন্দদেৱ গোস্বামীয়ে উক্ত পাঁচখন নাটৰ লগতে 'হৰমোহন' নামৰ নাট এখনো লক্ষ্মীদেৱে লিখা বুলি কৈছে।[৪৭]

লক্ষ্মীদেৱৰ ছয়জন পুত্ৰৰ কনিষ্ঠ ধনেশ্বৰ ওৰফে ভৱকান্তই 'বালিবধ', 'দ্ৰৌপদী সয়ম্বৰ' আৰু 'বামন বিজয়' নাট লিখে।[৪৮]

ধনেশ্বৰ-পুত্ৰ শিৱেন্দ্ৰদেৱে 'শাল্বদৈত্য বধ', 'ত্ৰিশঙ্কুৰ স্বৰ্গলাভ' আৰু 'বিৰাট পৰ্ব' নাট ৰচনা কৰে।[৪৯] ডঃ কেশৱানন্দ দেৱগোস্বামীয়ে কুৰি শতিকাৰ নাট্যকাৰ ধনেশ্বৰৰ পুত্ৰ শিৱেন্দ্ৰদেৱৰ ছখন নাটৰ ভিতৰত উদ্ধাৰ হোৱা 'শাল্বদৈত্য বধ', 'সুভদ্ৰা হৰণ', 'কৰ্ণপৰ্ব'; মহেশ চন্দ্ৰৰ 'অভিমন্যু বধ' আৰু 'ৰাজসূয়', অসিতচন্দ্ৰৰ 'কিৰাট-পৰ্ব' আৰু কেশৱানন্দৰ 'নৰকাসুৰ', 'অমৃত-মন্থন' নাটৰ উল্লেখ কৰিছে।[৫০]

ভেটিয়নীত সত্ৰ প্ৰতিষ্ঠা কৰা হৰেন্দ্ৰ নাৰায়ণৰ 'দুৰ্বাসা ভোজন', 'বভ্ৰুবাহনৰ যুদ্ধ', 'গদা পৰ্ব', 'পুতনা বধ' আৰু তেওঁৰ পুত্ৰ যোগেন্দ্ৰদেৱৰ 'ৰাধা হৰণ'[৫১] আৰু তেওঁৰ আন দুখনি নাট 'অমৃত মন্থন', 'ধ্ৰুৱ আখ্যান' উল্লেখযোগ্য।[৫২]

লক্ষ্মীদেৱৰ ৩য় পুত্ৰ তলিবিল সত্ৰৰ প্ৰতিষ্ঠাতা নৰনাথৰ নাতি তিলকচন্দ্ৰই 'দেৱজিৎ' আৰু 'খটাসুৰ বধ' নাট[৫৩] লিখাৰ উপৰিও 'ভীষ্মপৰ্ব' নাট[৫৪] ৰচনা কৰে।

বৰদোৱাৰ শলগুৰীয়া সত্ৰসমূহেও নাট ৰচনা অব্যাহত ৰাখিলে। শলগুৰি সত্ৰৰ পূৰ্ণকান্তৰ 'লঙ্কা দহন', 'বালী বধ', 'হৰিশ্চন্দ্ৰ উপাখ্যান' (মৰিগাঁৱৰ মেদেলুৱা গাঁৱত থকা), পূৰ্ণকান্তৰ পুত্ৰ লৱকান্তৰ 'ভীষ্ম-পৰ্ব', 'অভিমন্যু-বধ', 'পাতালী কাণ্ড' আৰু 'কাল পৰ্ব'; লেতেৰী শলগুৰিৰ যদুকান্তৰ 'ৰাৱণ-বধ', আইভেটি ন-সত্ৰৰ আত্মানন্দৰ 'দণ্ডীপৰ্ব', 'অগ্নি-পুৰাণ', 'পাণ্ডৱ-স্বৰ্গাৰোহণ', 'অভিমন্যু বধ'



আৰু 'শ্ৰীবৎস চিন্তা'; আইভেটিৰ ৰমাকান্তৰ 'বিজয়াসুৰ বধ', চৰাইখোলাৰ শম্ভুদেৱৰ 'অমৃত মন্থন' আৰু 'গোৱৰ্দ্ধন যাত্ৰা'; ভোগবাৰীৰ মোহকান্তৰ 'বালী-বধ', প্ৰিয়াকান্তৰ 'দ্ৰোণপৰ্ব' প্ৰভৃতি অষ্টাদশ-ঊনবিংশ শতিকাৰ উল্লেখযোগ্য নাট।[৫৫] আইভেটি নসত্ৰৰ মহীকান্তৰ 'বলী-বাসৱৰ যুদ্ধ', ৰত্নেশ্বৰৰ 'ৰাজসূয়-যজ্ঞ', আত্মানন্দৰ 'লৱণ দৈত্য বধ', নবীন মহন্তৰ 'পাণ্ডৱ বিজয়' উল্লেখযোগ্য নাট।[৫৬]

কৰচোং সত্ৰৰ ভগবান আৰু ভগীৰথে লিখা নাট 'পুতনা বধ'[৫৭], ৰামভদ্ৰৰ 'কুমৰ হৰণ', ৰামচন্দ্ৰৰ 'সীতা হৰণ', লক্ষ্মীনাথৰ 'ৰাৱণ বধ', অনামী ৰচকৰ 'ধেনুকাসুৰ বধ' নাট বৰদোৱাৰ শঙ্কৰদেৱ গৱেষণা কেন্দ্ৰত সংৰক্ষিত।[৫৮] এই সত্ৰৰ ধৰ্মচন্দ্ৰ গোস্বামীয়ে 'অভিমন্যু বধ' আৰু চামগুৰিৰ বিশ্বম্ভৰে 'কংস বধ' আৰু 'বালী বধ', সোণাৰী গাঁৱৰ হৰিচৰণে 'বিৰাট-পৰ্ব', কুশকান্তই 'ভীষ্ম-বিহাৰ', 'শঙ্খচূড় বধ' আৰু 'কুলাচল বধ' নাট ৰচনা কৰে।[৫৯]

নগাঁৱত চুপহা বা চিপহা সত্ৰ কেইবাখনো আছে। কাব্য, গীত, নাট আদি ৰচনাত চিপহা সত্ৰৰ বৰঙণি লেখত লবলগীয়া। ননৈৰ চিপহা সত্ৰৰ পৰা অনেক সাঁচিপতীয়া পুথি সংৰক্ষণৰ বাবে বৰদোৱা গৱেষণা কেন্দ্ৰক দিছে। তাত সংৰক্ষিত নাটসমূহ শঙ্কৰদেৱৰ 'ৰুক্মিণী-হৰণ', 'পাৰিজাত-হৰণ', 'ৰাম-বিজয়'; গোপাল আতাৰ 'জন্মযাত্ৰা'ৰ উপৰিও পৰৱৰ্তী নাট্যকাৰৰ নাটসমূহ চিপহাৰ অমূল্য সম্পদ। গৱেষণা কেন্দ্ৰত থকা নাটসমূহ হ'ল— বলোচন্দ্ৰৰ 'জঙ্ঘাসুৰ বধ' আৰু 'লক্ষ্মণ বিজয়'; ভৱানন্দৰ 'মহীৰাৱণ বধ', কুশচন্দ্ৰৰ 'শঙ্খচূৰ বধ', ধৰ্মেশ্বৰৰ 'সম্বৰাসুৰ বধ', দ্বিজ দামোদৰৰ 'শতস্কন্ধ ৰাৱণ-বধ', দ্বিজ দীনৰ 'বস্ত্ৰ-হৰণ', দেৱজনৰ 'সত্য হৰণ', গোপালৰ 'সীতা-হৰণ' আৰু 'বামন বিজয়'; পূৰ্ণকান্তৰ 'হৰিশ্চন্দ্ৰ উপাখ্যান', বলোচন্দ্ৰৰ পুত্ৰ নৰোত্তমৰ 'তাৰকাসুৰ বধ' আৰু অনামী নাট্যকাৰৰ 'দণ্ডীপৰ্ব', 'কুৰুক্ষেত্ৰ' আৰু 'সীতা হৰণ'।[৬০] মাজ জাজৰিৰ থৌৰামোচৰ সত্ৰত কমলচন্দ্ৰই 'পাণ্ডৱৰ ৰাজসূয় যজ্ঞ', 'অশ্বকৰ্ণ-বধ' আৰু 'ৰামৰ অশ্বমেধ যজ্ঞ' নাট ৰচনা কৰিছিল।[৬১]

নগাঁৱৰ শেনছোৱাৰ ধৰ্মেশ্বৰ বৰকাকতিৰ ঘৰৰ পৰা পোৱা গোপাল আতাৰ পুত্ৰ কলাকটা সত্ৰৰ অধিকাৰ দৈৱকীনন্দনৰ 'অজামিল উপাখ্যান' আৰু যাদৱানন্দৰ 'অমৃত-মন্থন' নাট উল্লেখযোগ্য। চিপহা সত্ৰত হালধি আটী সত্ৰৰ লক্ষ্মীকান্তৰ 'ৰাধা-হৰণ' নাট পোৱা গৈছে।[৬২]

কাল-সংহতিৰ নাচনীপাৰ সত্ৰত মহেশ চন্দ্ৰ মহন্তৰ আৰু পূৰ্ণকান্ত মহন্তৰ 'ৰাসলীলা' আৰু 'কালিয়-দমন'[৬৩] ভোটাইগাঁও গজলা সত্ৰৰ অচিন্ত্য নাৰায়ণৰ 'বৃত্ৰাসুৰ বধ', 'শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ', 'দেৱদমন', 'বিচিত্ৰাৰ সয়ম্বৰ-শনিৰ দৰ্পচূৰ্ণ' আৰু 'শ্বেতাৰ্জুনৰ বৈকুণ্ঠ প্ৰয়াণ'[৬৪] কুৰি শতিকাত ৰচনা কৰা নাট।

নগাঁৱৰ ব্ৰহ্ম সংহতিৰ কুৰুৱাবাহী সত্ৰৰ ডিম্বচন্দ্ৰ গোস্বামীয়ে 'কুলাচল-

বধ'[৬৫] কামপুৰ টকৌবাৰী শ্ৰৱণী সত্ৰৰ দুৰ্লভ চন্দ্ৰ মহন্তই 'কুৰুক্ষেত্ৰ', 'কৃষ্ণ-জন্মলীলা', 'স্যমন্ত-হৰণ' আৰু 'ব্ৰজমোহন' এই চাৰিখন নাট[৬৬] লিখে।

পুৰণিগুদাম লাইআটী সত্ৰৰ লীলাকান্ত গোস্বামীয়ে 'কংস বধ' আৰু 'জন্মাষ্টমী' নাট কুৰি শতিকাৰ প্ৰথমাৰ্দ্ধত ৰচনা কৰে।[৬৭]

কলিয়াবৰ ছত্ৰঁৰা এখন সত্ৰৰ স্থান বুলি জনাজাত। বৰ্ত্তমান ঠাল-ঠেঙুলিৰে সত্ৰ সংখ্যা আৰু বৃদ্ধি হৈছে। ইয়াৰ কেইবাখনো সত্ৰত নাট্য-চৰ্চা কৰা হৈছিল। সকলো সত্ৰৰ ভিতৰত শ্ৰীৰাম আতাৰ নাতি ৰামগোৱিন্দই পতা কালসংহতিৰ সত্ৰৰ নাটৰ সংখ্যাধিক্য মন কৰিবলগীয়া। 'মঞ্চলেখা'[৬৮] আৰু 'ঐতিহ্যমণ্ডিত কলিয়াবৰ'[৬৯] গ্ৰন্থত উল্লেখ কৰা মতে সত্ৰৰ নাট্যকাৰ আৰু নাটৰ লেখ হ'ল— আদিজনা শ্ৰীৰাম আতাৰ 'সুভদ্ৰা-হৰণ' আৰু 'অন্নভোজন' (ঐতিহ্যমণ্ডিত কলিয়াবৰ গ্ৰন্থত নাই), ৰামানন্দৰ 'ব্ৰজমোহন' আৰু 'ৰাস', ৰামগোবিন্দৰ 'কালযৱন বধ', ৰামগোপালৰ 'পাণ্ডৱৰ ৰাজসূয়', কণ্ঠভূষণৰ 'খটাসুৰ-বধ', বাসুদেৱৰ 'ষাণ্ড মৰ্দন', জগন্নাথৰ 'বকাসুৰ বধ', কৃষ্ণনাথৰ 'দন্তাসুৰ বধ' আৰু 'বলি ছলন', নৱনাথৰ 'ভীষ্ম-নিৰ্যাণ', খৰ্গেশ্বৰৰ 'ধ্ৰুৱ চৰিত', ভীখৰ চন্দ্ৰৰ 'ৰামৰ বনবাস', 'বালী বধ' আৰু 'ৰাৱণ বধ'; মোহন চন্দ্ৰৰ 'ৰাধা-হৰণ', 'কুলাচল-বধ', 'মহীৰাৱণ-বধ' আৰু 'অজামিল উপাখ্যান'; (পিছৰ দুখন 'ঐতিহ্যমণ্ডিত কলিয়াবৰ'ত উল্লেখ আছে।); দামোদৰ চন্দ্ৰৰ 'দ্ৰোণপৰ্ব', 'কৰ্ণপৰ্ব', 'বিৰাটপৰ্ব', 'কংস বধ', 'পাণ্ডৱৰ অশ্বমেধ', 'নল-চৰিত্ৰ', 'শাল্বদৈত্য-বধ', 'হৰমোহন', 'অজামিল উপাখ্যান', 'অমৃত মন্থন', 'ৰাম-নিৰ্যাণ', 'ৰামৰ অশ্বমেধ', 'ৰামৰ স্বৰ্গাৰোহণ', 'দাতা-কৰ্ণ' আৰু 'কূৰ্মাৱলী বধ' ('ঐতিহ্যমণ্ডিত কলিয়াবৰ'ত উল্লেখ থকা পিছৰ তিনিখন নাটৰ লগত দামোদৰ চন্দ্ৰৰ নাট ১৫ খন); ঈশ্বৰচন্দ্ৰৰ 'দাতা কৰ্ণ', 'পাতালী কাণ্ড ৰামায়ণ' আৰু 'কাৰ্তবীজাৰ্জুন বধ'; জয়ানন্দদেৱৰ 'অশ্বকৰ্ণবধ', 'হৰিশ্চন্দ্ৰ উপাখ্যান', 'নৃসিংহ যাত্ৰা', 'নহুষৰ ৰাজ্যপ্ৰাপ্তি' আৰু 'হংসডিম্ব উপাখ্যান' (শেষৰখন ঐতিহ্যমণ্ডিত কলিয়াবৰত নাই); মদনচন্দ্ৰৰ 'দ্ৰৌপদীৰ সয়ম্বৰ', 'সিন্ধুৰা বধ', 'জটাসুৰ বধ', আৰু 'ভীষ্মৰ দিগ-বিজয়' (পিছৰ তিনিখন 'ঐতিহ্যমণ্ডিত কলিয়াবৰ'ত উল্লিখিত); পদ্মকান্ত দেৱৰ 'ৰাম পৰাজয়', 'সীতা-হৰণ', 'হিড়িম্বাসুৰ বধ', 'বকাসুৰ বধ' আৰু 'অভিমন্যু বধ' (শেষৰখন 'ঐতিহ্যমণ্ডিত কলিয়াবৰ'ত উল্লিখিত); কেশৱচন্দ্ৰৰ 'সিন্ধুৰা বধ' আৰু 'ঐতিহ্যমণ্ডিত কলিয়াবৰ'ত উল্লেখ থকা লক্ষ্মীনাথৰ 'কুৰুক্ষেত্ৰ' আৰু ৰত্নেশ্বৰৰ 'পাণ্ডৱৰ স্বাৰ্গাৰোহণ' প্ৰভৃতি।

কাল সংহতিৰ আন এখনি সত্ৰ কলিয়াবৰ আমগুৰি কৰতিপাৰ (পুৰণি)। জয়ধ্বজ সিংহৰ ৰাজত্বকালত শ্ৰীৰামআতাৰ পুত্ৰ পৰমানন্দই অবিভক্ত কামৰূপৰ কালঝাৰৰ পৰা আহি আমগুৰি কৰতিপাৰ সত্ৰ পাতে। এই সত্ৰয়ো নাট্য-সাহিত্যলৈ অৱদান আগবঢ়াইছে। যোগেশ্বৰ আতাৰ 'হৰিশ্চন্দ্ৰ উপাখ্যান', 'অশ্বমেধ-পৰ্ব', 'ৰাৱণ-বধ' আৰু 'অমৃত মন্থন'; অনন্তদেৱৰ 'তৰণীসেন বধ', 'পাতালী কাণ্ড ৰামায়ণ', 'শ্ৰীকৃষ্ণ-নিৰ্যাণ' আৰু 'শিৱ-শত্ৰুভঙ্গ'; ৰুদ্ৰকান্তৰ 'হৰমোহন', 'কৰ্ণপৰ্ব', 'শৈল্য-পৰ্ব', 'ভীষ্মপৰ্ব', 'ভীষণ দৈত্য বধ', 'অভিমন্যু বধ', 'জয়দ্ৰথ বধ', 'বৃহৎ দৈত্য বধ', 'শ্ৰীৰাম-অৱতাৰ', 'কুৰুক্ষেত্ৰ', 'ৰুহিতৰ সিদ্ধিলাভ', 'ক্ষেত্ৰবাহু বধ', 'কৰ্ণপাল দন্দপাল বধ', 'বৃন্দা-হৰণ', 'সীতা হৰণ-বালিবধ' আৰু 'কৰ্মফল';[৭০] বাসুদেৱ আতাই স্থাপন কৰা আমগুৰি কৰতিপাৰ ন-সত্ৰৰ জয়দেউ আতাৰ 'ৰাম-বনবাস', 'দ্ৰোণপৰ্ব', 'সাবিত্ৰী উপাখ্যান', 'কৰ্ণ-পৰ্ব' আৰু 'ভীষ্ম-পৰ্ব'; কনকচন্দ্ৰৰ 'পাশাপৰ্ব', 'অভিমন্যু বধ' আৰু 'জয়দ্ৰথ বধ'; যুক্তিদেৱৰ 'দ্ৰৌপদীৰ সয়ম্বৰ', 'যযাতিৰ উপাখ্যান', 'শঙ্খচূড় বধ', 'প্ৰহ্লাদৰ দিগ্বিজয়' আৰু যজ্ঞোৰামৰ 'ৰাম জন্ম' উল্লেখযোগ্য নাট।[৭১]

পৰমানন্দৰ পুত্ৰ মাধৱানন্দই পতা বগাজন সত্ৰ হিৰচন্দ্ৰদেৱৰ 'ভীষ্মপৰ্ব', 'দ্ৰোণপৰ্ব', 'কৰ্ণপৰ্ব', 'শৈলপৰ্ব', 'বিৰাট পৰ্ব', 'বকাসুৰ বধ', 'বিন্দ্ৰাসুৰ বধ', 'বৃত্ৰাসুৰ বধ', 'হৰিশ্চন্দ্ৰ উপাখ্যান', 'শ্ৰীবৎস চিন্তা', 'সীতা-হৰণ', 'সীতা হৰণ-বালীবধ', 'বৰদাদেৱীৰ সয়ম্বৰ', 'মদালসা উপাখ্যান', 'ৰাম বনলৈ যোৱা', 'লঙ্কা দহন', 'ৰাৱণ-বধ', 'হুন্দুদৈত্য বধ', 'বীৰেন্দ্ৰ বিজয়', 'যযাতি উপাখ্যান', 'বলিছলন' আৰু 'কংস বধ' প্ৰমুখ্যে ২২ খন নাট।[৭২]

কাল-সংহতিৰ পুৰুষোত্তমৰ বংশধৰ কলিয়াবৰ কাঠপাৰ সত্ৰৰ ধৰ্মনাথে 'বৃত্ৰাসুৰ বধ', ব্ৰজনাথে 'সিন্ধুৰা পৰ্ব', 'লক্ষ্মণ বৰ্জন' আৰু 'কিৰাট-পৰ্ব'; যোগেন্দ্ৰদেৱে 'অৰ্জুনৰ বনবাস' আৰু 'সুভদ্ৰা হৰণ' নাট আৰু আহঁতগুৰি সত্ৰৰ কোনো কোনো নাট্যকাৰে 'সুভদ্ৰা হৰণ', 'দ্ৰৌপদীৰ সয়ম্বৰ', 'কাৰ্তবীজাৰ্জুন বধ', 'ক্ষান্ত মোচন' নাট লিখি সত্ৰৰ নাট্য সম্পদ বঢ়ায়।[৭৩]

চামগুৰি সত্ৰৰ বিশ্বম্ভৰ আতাই 'কংস-বধ'[৭৪] আৰু বালীবধ,[৭৫] তেওঁৰ পুত্ৰ সম্ভুদেৱে 'অমৃত মন্থন' আৰু 'বলী চলন'; তেওঁৰ পুত্ৰ হৰিচৰণে 'দুৰ্বাসা-ভোজন যাত্ৰা', কমলাকান্তই 'কুমৰ হৰণ' আৰু 'সম্বৰাসুৰ বধ'; ৰত্নকান্তই 'সুভদ্ৰা হৰণ' আৰু 'কৰ্ণ-বধ' নাট ৰচনা কৰে।[৭৬]

শঙ্কৰদেৱৰ প্ৰথম নাট 'চিহ্নযাত্ৰা' সত্ৰত আছিল[৭৭] বুলি কোৱা কলিয়াবৰৰ জয়কৃষ্ণ ঠালৰ খুন্দামৰা সত্ৰৰ মহেশ চন্দ্ৰই 'ভীষ্ম নিৰ্যাণ', 'দ্ৰোণপৰ্ব', 'কৰ্ণপৰ্ব', 'গদাপৰ্ব', 'বিৰাট পৰ্ব', 'পাণ্ডৱৰ অশ্বমেধ' আৰু 'হৰিশ্চন্দ্ৰ উপাখ্যান' লিখি[৭৮] নাট-ভাওনাৰ উৎকৰ্ষ সাধন কৰিছিল।

কলিয়াবৰ শ্ৰৱণী সত্ৰৰ গিৰিকান্ত মহন্তই 'শ্ৰীশঙ্কৰদেৱৰ জন্মযাত্ৰা' নাট ৰচনা কৰে।

অবিভক্ত নগাঁও জিলাৰ (বৰ্ত্তমান মৰিগাঁও জিলা) কালশিলা সত্ৰৰ প্ৰতিষ্ঠাতা হৃদয়ানন্দ কায়স্থ বা অনন্ত আতাৰ 'সীতা হৰণ', 'দুৰ্বাসা ভোজন';

যোগানন্দৰ 'দক্ষযজ্ঞ', 'বঘাসুৰ বধ'; পাত্ৰবড়িত পোৱা পূৰ্ণকান্তৰ 'বালী বধ', কুশকান্ত আৰু হৰিকান্তৰ 'কৰ্ণপৰ্ব'; কালশিলাৰ পৰা বঢ়া দলৈচুৰাৰ গোপালৰ নামত 'পাতালীকাণ্ড', 'দুৰ্বাসা ভোজন', 'জৰাসন্ধ বধ', 'সীতাহৰণ' আৰু 'সীতাৰ পাতাল প্ৰবেশ'; শুকদল বৰবৰিৰ ৰবিচন্দ্ৰ 'ৰাজসূয়', তামুলীবড়িৰ তোকৃষ্ণৰ 'যদুবংশ ধ্বংস', শুকদল সৰুবৰিৰ মদনৰ নামত 'কুমৰ হৰণ'[৭২] প্ৰভৃতি অবিভক্ত নগাঁও জিলাৰ নাট্যকাৰৰ উল্লেখযোগ্য নাট।

---

তথ্যসূত্ৰ :

১. ৰামচৰণ ঠাকুৰঃ পদ-১৪৪৭।
২. কথা গুৰুচৰিত : পৃষ্ঠা-৩৬।
৩. বৰদোৱা গুৰুচৰিত : পৃ-৬২।
৪. ৰামচৰণ : পদ-১৪৫৩।
৫. মঞ্চলেখা : পৃ-৫।
৬. K.R. Medhi : *'Studies in Vaisnava Literature & Culture of Assam'*, Page-80
৭. অতুল মজুমদাৰ : চিহ্নযাত্ৰাই চলচ্চিত্ৰৰ আদি পৰ্যায়, দৈনিক অসম, ৭ ছেপ্তেম্বৰ ২০০২, পৃষ্ঠা-১।
৮. উল্লিখিত।
৯. বৰদোৱা গুৰুচৰিত : পৃ-৬৭।
১০. উল্লিখিত : ৬৫।
১১. ৰামচৰণ : পদ ১৫০৩।
১২. ৰামচৰণ : পদ ১৫৬৭।
১৩. বৰদোৱা গুৰুচৰিত : পৃ-৬৪।
১৪. ৰামচৰণ : পদ-১৪৯৩।
১৫. উল্লিখিত : পদ-১৪৮৯।
১৬. বৰদোৱা গুৰুচৰিত : পৃ-৬৫।
১৭. ৰামচৰণ : পদ-১৪৮০।
১৮. সপ্ত বৈকুণ্ঠ : শ্বেতবিলাস, চিত্ৰবিলাস, কূপিনীবিলাস, অম্বকবিলাস, পুষ্পবিলাস, কনকদন্ত বিলাস আৰু পঙ্কজবিলাস।
১৯. পাৰিষদ চৈধ্য : সুনন্দ, কুমুদ, নন্দ, পুষ্পদন্ত, প্ৰবল, বিজয়, জয়, উজ্জ্বল, জয়ন্ত, কুমুদাক্ষ, বিশ্বসেন, শ্ৰুতদেৱ, গৰুড় আৰু সাত্যকি॥
২০. ৰামচৰণ : পদ-১৪৮৬-১৫২৩।
২১. উল্লিখিত : পদ-১৪৯৬-১৪৯৯।
২২. বৰদোৱা গুৰুচৰিত : পৃ-৬৪।
২৩. উল্লিখিত : পৃ-৬৫।
২৪. মাজগাঁও খোঁৱামোচৰ সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীবদন চন্দ্ৰ গোস্বামীৰ তথ্য।
২৫. শ্ৰীপ্ৰফুল্ল হাজৰিকা : 'অঙ্কীয়া নাটৰ কলা-কৌশল আৰু অনুষ্ঠান প্ৰসঙ্গ', পৃ-১০৩-১০৪।
২৬. বৰদোৱা, পাথৰি, কবৈয়নী, হাতীচোং, বেবেজীয়া, হাটবৰ শ্ৰৱণী আদি বিভিন্ন ঠাইত দেখা অঙ্কীয়া ভাওনাৰ অভিজ্ঞতা আৰু সুধীসকলৰ পৰা পোৱা তথ্য।
২৭. অঙ্কাৱলীঃ পৃঃ- ৪৯, ১৬৯, ২২৬, ৩০৮, ৩২১, ৩৩১, ৩৫২, ৩৭৭, ৪৫৫, ৫২০, ৪৯৯।
২৮. সত্ৰাধিকাৰ শ্ৰীদেৱকান্ত মহন্তৰ লিখিত তথ্য।
২৯. মঞ্চলেখাঃ পৃ-৪৩।
৩০. সত্ৰ-সংস্কৃতি : পৃ-৫৬।
৩১. প্ৰয়াত সত্ৰাধিকাৰ চাৰুচন্দ্ৰ গোস্বামীৰ বাণীবদ্ধ তথ্য।
৩২ আমি নগাঁৱৰ বিভিন্ন ঠাইত ভাওনা চাবলৈ গৈ উদ্যোক্তা আৰু সত্ৰৰ লোকৰ পৰা 'কালি-দমন'ৰ ভাওনাত কালিসৰ্প, শ্ৰীকৃষ্ণ চৈতন্যপ্ৰাপ্ত হোৱা ঘটনাবোৰ ঘটা বুলি শুনি সেই নাটৰ ভাওনা নকৰা হোৱা কথা জানিব পাৰিলোঁ। এনে এখন চমৎকাৰপূৰ্ণ আকৰ্ষিত ভাওনা সত্ৰসমূহে বা বাইজে অলৌকিকতাৰ দোহাই দি নকৰা হোৱা বাবে নাট্যকলাৰ অগ্ৰনতিলৈ লক্ষ্য কৰি নাটখনৰ ভাওনা কৰাৰ সিদ্ধান্ত লৈ আমাৰ পৰিচালনাত 'নগাঁও সংস্কৃতি সেৱাসত্ৰ'ৰ শিল্পী ভাৰবীয়াৰে নগাঁও কলংপাৰৰ জিলা প্ৰেক্ষাগৃহত ১৯৯০ খ্ৰীঃত ভাওনা কৰা হয়। সেই একেখন ভাওনা ১৮-৬-১৯৯০ ত দূৰদৰ্শন, গুৱাহাটী কেন্দ্ৰ যোগেও সম্প্ৰচাৰিত হয়। কিছুমান ঠাইত কোনো কোনো অনুষ্ঠানে 'কালি-দমন' ভাওনা কৰা কথা শুনা যায়।



৩৩ বালিসত্ৰৰ চমু ইতিবৃত্ত : পৃ-১৩।
৩৪ সাহিত্যৰ জিলিঙনি, পৃ-১০৬।
৩৫ তিলক চন্দ্ৰ মজুমদাৰ : 'অবিভক্ত নগাঁৱৰ সামূহিক ভাওনা', বুঢ়াগোহাঁই পৃ-৬।
৩৬ শ্ৰীগোলাপ শৰ্মা : 'সম্প্ৰীতিৰ লাইখুটা নগাঞা ৰাৰখেলীয়া ভাওনা', কপিলী, পৃ-২০০।
৩৭ বৰদোৱা : স্মৃতিগ্ৰন্থ, শ্ৰীশ্ৰী বটদ্ৰৱা থান পৰিচালনা সমিতি বটদ্ৰৱা ১৯৭৬, পৃ-১৪৪।
৩৮ নগাঁও জিলা অঙ্কীয়া নাট অভিবৰ্তন : কুজীডাহ, স্মৃতিগ্ৰন্থ তথ্য।
৩৯ পৰীক্ষিত হাজৰিকা : 'অঙ্কীয়া নাট আৰু ইয়াৰ প্ৰভাৱ', স্মৃতিগ্ৰন্থ, নগাঁও, পৃ-৯।
৪০. ৰামচৰণ : পদ-১৪৪৭।
৪১. বৰদোৱা গুৰুচৰিত : পৃ-৬৫।
৪২ সত্যেন্দ্ৰ নাথ শৰ্মা : অসমীয়া নাট্য সাহিত্য, পৃ-৪৬।
৪৩ মঞ্চলেখা : পৃ-৮৩।
৪৪. P.S.V.C. : Page-236, 137
৪৫. অঙ্কমালাঃ ভূমিকা, পৃ-৩৮।
৪৬. মঞ্চলেখাঃ পৃ-৮২।
৪৭ অঙ্কমালা : ভূমিকা, পৃ-৩৯।
৪৮. মঞ্চলেখা : পৃ-৪৫।
৪৯. উল্লিখিত : পৃ-৮২।
৫০. P.S.V.C. : Page-236, 237, 238
৫১. উল্লিখিত : পৃ-২৩৬, ২৩৭, ২৩৮।
৫২. মঞ্চলেখা : পৃ-৮২।
৫৩. P.S.V.C. : Page-235-237
৫৪ মঞ্চলেখা : পৃ-৮২।
৫৫. সত্ৰ-সংস্কৃতি : পৃ-১০৫, ১০৬, ১০৭।
৫৬. শ্ৰীখুলেশ্বৰ দেৱ মহন্তৰ তথ্য ভিত্তিত।
৫৭. P.S.V.C. : Page 237.
৫৮. M.S.G.K. : Bordowa, Page 11, 20, 18.
৫৯. সত্ৰ-সংস্কৃতি : ১০৬।
৬০. M.S.G.K. : Page 3-24.
৬১. মঞ্চলেখাঃ পৃ-৮৪।
৬২. M.S.G.K. : Page 2,3, 20.
৬৩. সত্ৰাধিকাৰ শ্ৰীঘনকান্ত মহন্তৰ লিখিত তথ্য।
৬৪. গজলা সত্ৰৰ শ্ৰীদ্বিজেন্দ্ৰ নাৰায়ণ গোস্বামী আৰু শ্ৰীঅৰুন্ধতী মহন্তৰ লিখিত তথ্য।
৬৫. সত্ৰাধিকাৰ শ্ৰীশিৱপ্ৰসাদ গোস্বামীৰ লিখিত তথ্য।
৬৬. সত্ৰাধিকাৰ শ্ৰীদুৰ্লভ চন্দ্ৰ মহন্তৰ লিখিত তথ্য।
৬৭. শ্ৰীযুগল চন্দ্ৰদেৱ গোস্বামীৰ পৰা পোৱা তথ্য।
৬৮. মঞ্চলেখা : পৃ-৮৫।
৬৯. ঐতিহ্যমণ্ডিত কলিয়াবৰ : পৃ-৯৩।
৭০. ঐতিহ্যমণ্ডিত কলিয়াবৰ (প্ৰয়াত ৰুদ্ৰকান্ত গোস্বামীৰ সহায়ত যুগুতোৱা) : পৃ-১০৪।
৭১. ঐতিহ্যমণ্ডিত কলিয়াবৰ (প্ৰয়াত যুক্তিদেৱ গোস্বামী আৰু সুনন্দ শইকীয়াৰ সহায়ত যুগুতোৱা) : পৃ-১০৫।
৭২. ঐতিহ্যমণ্ডিত কলিয়াবৰ (প্ৰয়াত যোগেন্দ্ৰ মহন্তৰ সহায়ত যুগুতোৱা) : পৃ-১০৬।
৭৩. উল্লিখিত : পৃ-১৬।
৭৪. মঞ্চলেখা : পৃ-৮৪।
৭৫. P.S.V.C. : Page 235, 236
৭৬. ঐতিহ্যমণ্ডিত কলিয়াবৰঃ পৃ-১১৩, ১১৪ (প্ৰয়াত বংশীদেৱ গোস্বামীৰ তথ্যভিত্তিত যুগুতোৱা)
৭৭. উল্লিখিত : পৃ-৮৬।
৭৮. উল্লিখিত : পৃ-৮৬।
৭৯. P.S.V.C. : Page 235-238.

০০০

# পঞ্চম অধ্যায়

## সত্ৰৰ কলা-সংস্কৃতি

### ৫.০০ সত্ৰৰ সঙ্গীত কলা ঃ

মহাপুৰুষ শঙ্কৰদেৱ উদ্ভাৱিত আৰু অনুগামী বৈষ্ণৱ ধৰ্মাচাৰ্যসকলে স্থাপন কৰা সত্ৰসমূহত পঞ্চাদশ শতিকাৰ পৰা প্ৰচলিত সত্ৰীয়া কলা-সংস্কৃতিয়ে অসমৰ জনজীৱন আৰু সমাজত এক বিশেষ স্থান লাভ কৰিছে। বৈষ্ণৱ সত্ৰসমূহত প্ৰচলিত জন-আকৰ্ষণীয় আৰু চিত্তাকৰ্ষক কলা সাংস্কৃতিক অৱদানসমূহৰ ভিতৰত শঙ্কৰদেৱ-সৃষ্ট বৈষ্ণৱ বা সত্ৰীয়া সঙ্গীতৰ ধাৰাটি অতি গৌৰৱোজ্জ্বল আৰু মহিমামণ্ডিত। প্ৰাচীন অসমীয়া কাব্য বা বৈষ্ণৱ সাহিত্যৰাজি গীতমুখৰ আছিল। কাব্যসমূহ সুৰ লগাই গোৱাটো সমাজৰ নিয়ম। আনকি শঙ্কৰদেৱ, মাধৱদেৱ প্ৰভৃতিৰ ভাওনাৰ সূত্ৰ, বচন বা কথাতো সুৰৰ মূৰ্চ্ছনা ধ্বনিত হয়। গীতৰ সুৰ শ্ৰুতিমধুৰ আৰু আনন্দদায়ক কৰিবলৈ বাদ্যৰ প্ৰয়োগ কৰা হ'ল। গীত-বাদ্য-নৃত্য তিনিওটাৰ সমন্বয়ত সঙ্গীত।

**ক) গীত ঃ** অবিভক্ত নগাঁৱৰ বৰদোৱাত 'চিহ্নযাত্ৰা' ভাওনা কৰাৰ পৰা বৈষ্ণৱ-সঙ্গীতৰ সূত্ৰপাত হয়। সপ্ত-বৈকুণ্ঠৰ চিত্ৰ আঁকি প্ৰদৰ্শন কৰোঁতে গায়নে গীত, বায়নে খোল-তাল-বাদ্য আৰু নটুৱাই নাচিছিল।[১] শঙ্কৰদেৱে জনসমাজত সঙ্গীতৰ আকৰ্ষণৰ কথা ভালদৰে বুজিছিল। বৰদোৱাত সৃষ্ট সঙ্গীতেই পৰৱৰ্তী কালত সত্ৰীয়া সঙ্গীত নাম পায়। আজিকালি কিছুমানে শঙ্কৰী সঙ্গীত বুলিও কয়। আলোচকসকলে সত্ৰীয়া সঙ্গীতৰ তিনিটা ধাৰা নিৰূপণ কৰিছে— বৰপেটা, বৰদোৱা আৰু মাজুলীৰ ধাৰা[২] অৰ্থাৎ নামনি, মধ্য অসম আৰু উজনি– এই তিনি অঞ্চলৰ গায়ন-ৰীতিৰ বৈশিষ্ট্যৰে মূলবস্তু একে যদিও গায়ন-বায়নভেদে সাধাৰণ তাৰতম্য



শুনিবলৈ পোৱা যায়। উদাহৰণস্বৰূপে 'স্বৰৰেখাত বৰগীত'ত' বীৰেন্দ্ৰ নাথ ফুকন আৰু পুৰুষোত্তম দাসে স্বৰলিপিৰে তিনিওটা অঞ্চলৰ গায়ন-পদ্ধতিৰ সামঞ্জস্য আৰু তাৰতম্যৰ পৰিচয় দাঙি ধৰিছে। সাঙ্গীতিক গুণৰ বিশ্লেষণ কৰি ধনশ্ৰী ৰাগৰ 'নাৰায়ণ কাহে ভকতি কৰোঁ তেৰা'ৰ তিনি অঞ্চলৰ তিনি গৰাকী গায়ক মণিৰাম গায়ন মুক্তিয়াৰ (উজনি-কমলাবাৰী), যাদৱচন্দ্ৰ পাঠক (নামনি-বৰপেটা-সুন্দৰীদিয়া) আৰু গিৰিকান্ত মহন্ত (মধ্য অসম-বৰদোৱা-কলিয়াবৰ)ৰ দ্বাৰা গোৱাই স্বৰলিপি কৰোঁতে তিনিওগৰাকীয়ে একে 'একতালি' তালতে (বৰগীতত তালৰ নাম উল্লেখ নাথাকে) গোৱাত সুৰৰ গঠন একে পাইছে', কিন্তু ছন্দ আৰু তালৰ মাত্ৰা (যথাক্ৰমে ২৪, ২০ আৰু ১২ মাত্ৰা)'ত পাৰ্থক্য দেখিছে। আন এটা বৰগীত আশোৱাৰী ৰাগৰ "জয় জয় যাদৱ জলনিধি জাধৱধাতা—।" গাওঁতে উজনিৰ গায়ন মুক্তিয়াৰে ৰক্ততল ১৬ মাত্ৰা, নামনিৰ গায়ন পাঠকে ৰচক একতালি ৮ মাত্ৰা, মাজালি বা মধ্য অসমৰ গায়ন মহন্তই পৰিতাল ১৪ মাত্ৰা প্ৰয়োগ কৰি গোৱা পাইছে। তিনিও গৰাকীৰ গোৱাত তাল আৰু মাত্ৰাৰ তাৰতম্য ঘটিছে। কৌ-ৰাগৰ বৰগীত "উঠৰে উঠ বাপু—" গোৱাত তিনিও গৰাকীয়ে একতালি ১৪ মাত্ৰা প্ৰয়োগ কৰা দেখা গৈছে। এনেদৰে বিশ্লেষণৰ পৰা উজনি-মাজালী বা মধ্য অসম আৰু নামনিৰ গীতৰ সুৰৰ গঠনৰ সামঞ্জস্যৰ আভাস পোৱা গৈছে। গতিকে মধ্য অসম বা নগাঁঞা ধাৰাটিৰ ৰাগ, তাল, ছন্দৰ তাৰতম্য বা বৈশিষ্ট্য মন কৰিবলগীয়া। মহেশ্বৰ নেওগৰ মতে— বৰপেটা আৰু কমলাবাৰীৰ আহিঁ একে। আনফালে বৰদোৱা থানৰ আহিঁ বেলেগ। আহিঁৰ পাৰ্থক্য অনুসৰি সুৰ-সঞ্চাৰৰ কিছু লৰচৰ হ'ব পাৰে। কিন্তু মূলগত পাৰ্থক্য নাই।[৪]

নগাঁৱৰ বৰগীতত গায়ন-পদ্ধতিত ৰাগ দিয়া আৰু গা-মানক গিৰিকান্ত মহন্তই 'উগাৰ' আৰু 'সঞ্চৰ' বুলি গাইছে। 'উগাৰত' কৃষ্ণ শঙ্কৰ গুৰু হৰি ৰাম ৰাম' বুলি গাই 'সঞ্চৰ' খণ্ডত 'হৰি-ৰাম ৰাম— এ— ৰাম হৰি-ৰা-ম-ৰাম' বুলি ৰাগ টানে।[৫] এই বিশেষত্বটো নগাঁৱৰ বাহিৰে উজনি-নামনিৰ আন ঠাইত নাই।

শঙ্কৰ-মাধৱ দুজনাৰ উদ্ধাৰ হোৱা বৰগীতৰ ৰাগ ২৯ টা। শঙ্কৰদেৱে ৩৪ টা বৰগীতত ১৩টা ৰাগ ব্যৱহাৰ কৰিছে-- মাধৱদেৱৰ বৰগীতত শঙ্কৰদেৱে ব্যৱহাৰ কৰা কল্যাণ আৰু ভূপালী এই দুটা ৰাগৰ বাহিৰে আন ১১ (এঘাৰ)টা ৰাগৰ উল্লেখ আছে। ইয়াৰ উপৰি, মাধৱদেৱে শঙ্কৰদেৱৰ বৰগীতত নথকা আন ১৬টা ৰাগ বৰগীতত ব্যৱহাৰ কৰিছে। সেইমতে মাধৱদেৱে ৰচনা কৰা ১৫৭ টা বৰগীতৰ ৰাগৰ সংখ্যা ২৭ টা। এই হিচাবত শঙ্কৰদেৱৰ ৩৪ টা বৰগীতৰ লগত বৰগীতৰ মুঠ সংখ্যা ১৮১ টা।[৬]

অবিভক্ত নগাঁও জিলাৰ সকলো সত্ৰতে শঙ্কৰ-মাধৱ দুজনাৰ বৰগীত নিৰ্দিষ্ট ৰীতিমতে গাই থকা হৈছে। শঙ্কৰদেৱৰ বৰগীত চৰ্চাৰ স্থান বৰদোৱা। 'কথা-গুৰুচৰিত'ত গুৰুজনাই ৩২ বছৰ বয়সত প্ৰথম বাৰ তীৰ্থ-ভ্ৰমণলৈ যোৱাৰ পথত কামৰূপৰ বৌমাৰিত "ৰাম মেৰি হৃদয় পঙ্কজে কৈছে। ভাই চিত্তনা চিন্তস কৈছে॥" গীতটি এজন ভক্তক লেখি দি গৈছিল বুলি উল্লেখ আছে।[৭] আনহাতে 'বৰদোৱা গুৰুচৰিত'ত তীৰ্থ ভ্ৰমণৰ পৰা ঘূৰি আহোঁতে বদৰিকাশ্ৰমত স্থিত হৈ "মন মেৰি ৰাম চৰণহি লাগু। তঞি দেখনা কেন অন্তক আগু॥" গীত ৰচনা কৰে বুলি আছে।[৮] তেতিয়া হলে শঙ্কৰদেৱে এই গীতটি ৪৪ বছৰ বয়সত ৰচনা কৰে। তীৰ্থ-ভ্ৰমণলৈ যোৱাৰ পথতে হওক নাইবা ঘূৰি অহাৰ পথতে হওক শঙ্কৰদেৱে ৩২ বা ৪৪ বছৰ বয়সত প্ৰথম বৰগীতটি ৰচনা কৰাটো খাটাং। দিনটোৰ দোকমোকালিৰে পৰা নিশালৈ সত্ৰৰ চাৰি বা চৈধ্য-প্ৰসঙ্গৰ অন্তৰ্গত কৰি লৈ বৰগীত গোৱাৰ পৰম্পৰা। বৰগীতৰ নিৰ্দিষ্ট সময়ত নিৰ্দিষ্ট ৰাগ গোৱা হয়। ৰাতিপুৱা বেলা কৌ, কল্যাণ, শ্যাম, অহিৰ, ললিত, শ্যামগড়া; দুপৰীয়া- আবেলি ঃ ভাটিয়ালী, গৌৰী, বসন্ত, তুড় বসন্ত, গান্ধাৰ, শ্ৰীগান্ধাৰ, ধনশ্ৰী, বৰাৰী, কেদাৰ, মাহুৰ, শ্ৰী আৰু তুড় ভাটিয়ালী; গধূলি ঃ আশোৱাৰী, বেলোৱাৰ; নিশা ঃ সুহাই, সিন্ধুৰা, কানড়া, মল্লাৰ, নাট মল্লাৰ, ভূপালী আৰু কামোদ গোৱা হয়।[৯] নগাঁৱৰ সত্ৰসমূহত প্ৰসঙ্গত বৰগীত গোৱাত এই ক্ৰম ৰক্ষা কৰা হয় যদিও কেইবাটাও ৰাগ আজিকালি অব্যৱহৃত হৈছে আৰু কোনো কোনো সত্ৰত এই নিয়মৰ ব্যতিক্ৰম ঘটিছে।

শঙ্কৰদেৱে বৰদোৱাতে 'কীৰ্ত্তন-ঘোষা' পুথি ৰচনাৰ কাম আৰম্ভ কৰিছিল। 'কীৰ্ত্তন-ঘোষা'ৰ কেইটামান খণ্ড উৰেষা-বৰ্ণন, অজামিল-উপাখ্যান, প্ৰহ্লাদ-চৰিত, হৰমোহন, বলি-ছলন, গজেন্দ্ৰ উপাখ্যান, ধ্যান-বৰ্ণন– বৰদোৱাত ৰচনা কৰে।[১০] বৰদোৱাত স্থাপন কৰা কীৰ্ত্তন-ঘৰৰ নাম-প্ৰসঙ্গৰ প্ৰয়োজনীয়তালৈ লক্ষ্য কৰি শঙ্কৰদেৱে কীৰ্ত্তন পুথিৰ ৭টা খণ্ড প্ৰথম পৰ্যায়ত ৰচনা কৰে। তাৰ পিছৰ খণ্ড কেইটা বৰদোৱাৰ পৰা গৈ আন আন থানত ৰচনা কৰে। প্ৰসঙ্গ-সঙ্গীত হিচাবে কীৰ্ত্তন এক প্ৰকাৰ ৰাগযুক্তকৈ তালৰ সহায়ত গোৱা হয়। আজিকালি কোনো কোনো সত্ৰত ডবাও ব্যৱহাৰ কৰে। নাম-প্ৰসঙ্গতে কীৰ্ত্তন-ঘোষাৰ লগত বৰগীত ৰাগ-তালত গোৱা হয়।

গীতৰ প্ৰসঙ্গত বৰগীতৰ লগতে অঙ্ক বা নাটৰ গীতৰ কথা উল্লেখ কৰিব পাৰি। অঙ্কৰ গীত মুঠ ১৫৩ টা– শঙ্কৰদেৱৰ নাটৰ ১২৮ টা আৰু মাধৱদেৱৰ নাটৰ ২৫ টা।[১১] ইয়াৰে দুটা গীত বৰগীতত সন্নিবিষ্ট। নগাঁৱত দুজনা গুৰুৰ নাটসমূহৰ ভাওনা বিশেষ উল্লেখযোগ্য। ৰাগ-তালত বন্ধা অঙ্কৰ গীতসমূহ সত্ৰসমূহৰ



সূত্ৰধাৰ, গায়ন-বায়ন আৰু কিছু কিছু ভাৱৰীয়াৰেও গায়। বৰগীতৰ দৰে ধ্ৰুৱ (ধ্ৰুপদ) আৰু পদ আছে যদিও ভাওনা আগনিশাৰ পৰা পুৱাৰ মুহূৰ্ত্তলৈ আৰু দিনত (দিন-ভাওনা) কৰা হয় কাৰণে ৰাগ গোৱা সময়ৰ নিৰ্দিষ্টতা ৰক্ষা কৰা নহয়। শঙ্কৰ-মাধৱৰ অনুকৰণত ৰচনা কৰা পৰৱৰ্তী কালৰ নগঞা নাট্যকাৰৰ নাটৰ ভাওনাসমূহতো গীত-পদ-বিলাপ অতি সুন্দৰভাৱে গোৱা হয়।

কাল-সংহতিৰ গোপাল আতা আৰু তেওঁৰ জীয়ৰী পদ্মপ্ৰিয়াৰ গীতসমূহ– এই সংহতিৰ ভক্তসকলে বৰগীত সদৃশ জ্ঞান কৰি ৰাগ-তালত গায়। ঠিক তেনেকৈ শ্ৰীৰাম আতা আৰু ৰামানন্দদেৱৰ গীতসমূহৰ কথাও উল্লেখযোগ্য।[১২] বৰদোৱা নৰোৱা সত্ৰৰ ৰমাকান্তই 'স্যামন্ত হৰণ' নাটত চালেঙী আৰু ৰামগিৰি, লক্ষ্মীদেৱৰ 'বাৰণ বধ' নাটত ইমন-কল্যাণ ৰাগৰ প্ৰয়োগ দেখা গৈছে।[১৩] কলিয়াবৰ ভলাগুৰি সত্ৰৰ প্ৰতিষ্ঠাতা ৰামানন্দ ৰচিত ৭৮ টা গীত পোৱা যায়। তেওঁ ৰামগিৰি, চালেঙী ৰাগৰ উপৰিও জয়শ্ৰী, চুৰট, ভৈৰবী, বিহগোড়া নামৰ ৰাগ গীতত ব্যৱহাৰ কৰিছে।[১৪] এইদৰে দেখা যায় শঙ্কৰ-মাধৱৰ পৰৱৰ্ত্তী কালত নগঞা বৈষ্ণৱ নাট্যকাৰ আৰু গীতিকাৰে শঙ্কৰ-মাধৱে ব্যৱহাৰ নকৰা চালেঙী, ৰামগিৰি, ইমন-কল্যাণ, জয়শ্ৰী, চুৰট, ভৈৰৱী, বিহগোড়া এইকেইটা ৰাগ গীতত প্ৰয়োগ কৰিছে।

**খ) সত্ৰীয়া নাচ ঃ** শঙ্কৰী ভাওনাৰ প্ৰধান অঙ্গ নাচ বা নৃত্য। ভাওনাৰ নৃত্যই সত্ৰীয়া নাচ। নৃত্যতকৈ নাচ শব্দ বেছি জনপ্ৰিয়। ভাওনাত নাচৰ জৰিয়তে আধ্যাত্মিক বিকাশ সাধন কৰা হৈছে। সেইকাৰণে নাচ অকল ভাওনাতে আৱদ্ধ নাথাকি সত্ৰৰ আন অনুষ্ঠান বিশেষতো প্ৰদৰ্শন কৰা হয়। শঙ্কৰদেৱে 'চিহ্নযাত্ৰা' ভাওনাৰে আধ্যাত্মিক নৃত্য আৰম্ভ কৰে। সেইকাৰণে বায়ন আৰু পালিৰ লগতে নটুৱা (নাচোঁতা) শিকাই ভাওনাত উলিয়াইছিল।[১৫] অঙ্কীয়া নাটৰ ভাওনাত নৃত্য মূলনাট আৰম্ভৰ আগৰ পৰা অৰ্থাৎ পূৰ্বৰঙ্গ অনুষ্ঠান বা ধেমালি (গায়ন-বায়নৰ যোৱা)ৰ পৰা আৰম্ভ হৈ সূত্ৰধাৰ, শ্ৰীকৃষ্ণ, ৰাম, বিভিন্ন নাৰী চৰিত্ৰ, ৰজা-ৰাণী, ঋষি, দেৱতা, দৈত্য-অসুৰ যিকোনো চৰিত্ৰৰ ভাৱৰীয়াই মঞ্চত প্ৰবেশ কৰে নাচি নাচি। নগাঁৱত ধেমালিৰ গায়ন-বায়নৰ যোৱাক গাণিকাও বোলা হয়। গাণিকা ভাওনাৰ আদিভাগ বা পূৰ্বৰঙ্গ।[১৬] মাধৱদেৱৰ দিন-ভাওনা কেইখনতো শিশু বা বালক কৃষ্ণ, গোপবালক, যশোদা, গোপিনী সকলোৱে নৃত্য কৰিছে। পিছলৈ আন আন নাট্যকাৰসকলৰ নাটৰ ভাওনাও নৃত্য-প্ৰধান হৈ পৰে। ভাওনাৰ নৃত্যৰ পৰাই সত্ৰীয়া নাচৰ উদ্ভৱ। নগাঁৱৰ সকলো সত্ৰতে সত্ৰীয়া নাচৰ প্ৰচলন আছে। ভাওনাৰ প্ৰচলন হ্ৰাস পাই আহিছে যদিও বিভিন্ন অনুষ্ঠানত সত্ৰীয়া নাচ কম-বেছি পৰিমাণে চলি আছে।

বৰ্ত্তমান অবিভক্ত নগাঁৱত প্ৰচলিত সত্ৰীয়া নাচসমূহ হ'ল— সূত্ৰধাৰী নাচ, শ্ৰীকৃষ্ণ নাচ, ভাৱৰীয়া প্ৰবেশৰ নাচ, নাদুভঙ্গী, ৰাসনৃত্য, বান্দৰৰ নাচ, যুদ্ধৰ নাচ, চালি নাচ, ঝুমুৰা, গোপীনাচ, সত্ৰীয়া ওজাপালি আদি প্ৰধান। কলিয়াবৰৰ শ্ৰৱণী সত্ৰৰ গিৰিকান্ত মহন্তই গা-মান-ঘাত বিভিন্ন ভঙ্গীৰে সূত্ৰধাৰী, কৃষ্ণনৃত্য, ভোজন বাহাৰৰ কৃষ্ণ-নৃত্য (গা-মান-ঘাত, চোক আদিৰে সৈতে) ভঙ্গী আৰু ঘাতৰে গোপীনাচৰ আৰম্ভণি; ভঙ্গী, চোক আৰু ঘাতেৰে সখী নাচৰ আৰম্ভণি; ৰজা, বীৰ, অসুৰ, সুগ্ৰীৱ, হনুমান আদি বান্দৰৰ নাচ, ঋষি, ৰজাৰ চৰিয়া, বহুৱা, শিৱ আৰু ৰাক্ষস প্ৰবেশৰ নাচ, ঝুমুৰা নাচ, চালি নাচ আদিৰ উল্লেখ কৰিছে।[১৭] ভঙ্গী, চোক, ঘাত, বিভিন্ন বাজনাত উক্ত চৰিত্ৰবোৰে নাচে।

সত্ৰীয়া নাচৰ কাৰণে নটুৱা শিক্ষা দিয়াৰ নিয়ম। অবিভক্ত নগাঁৱৰ ঐতিহ্যপূৰ্ণ সত্ৰসমূহত বায়নে সত্ৰীয়া নাচৰ শিক্ষা দিয়ে। সত্ৰ-সভাৰ ল'ৰাবোৰক কম বয়সতে নাচ-শিক্ষা সত্ৰতে দিয়াৰ ব্যৱস্থা কৰা হয়। বায়নে প্ৰথমে শৰীৰ-চৰ্চা আৰু তাল-মানৰ শিক্ষা দিয়ে। কমলাবাৰী আদি উদাসীন সত্ৰত অভিভাৱকে চাৰি-পাঁচ বছৰতে ল'ৰাক সত্ৰত দিয়ে আৰু সেই ল'ৰাই আঠ-ন বছৰৰ পৰা নটুৱা শিক্ষা গ্ৰহণ কৰে। সত্ৰত নৃত্য-গীত-বাদ্যৰ শিক্ষা বাধ্যতামূলক।[১৮] কিন্তু অবিভক্ত নগাঁৱত তেনে উদাসীন সত্ৰ নাই। সেয়ে গৃহস্থ ঘৰৰ ল'ৰাবোৰে সত্ৰত নাচ চৰ্চা কৰে। বৰ্ত্তমান আগৰ দৰে শিক্ষা দিয়া আৰু লোৱাৰ তেনে উদ্যম হ্ৰাস পাইছে। চৰ্চা আৰু সাধনাৰ অভাৱত বৰ্ত্তমান পূৰ্বৰ সুৰ বিকৃত হৈ পৰিছে।

সত্ৰত নৃত্য শিকিবৰ কাৰণে শৰীৰ-চৰ্চা কৰাক মাটি আখৰা বোলা হয়। সত্ৰীয়া সংস্কৃতি নগৰ আৰু মঞ্চলৈ উত্তৰণ হোৱাৰ পৰা কমলাবাৰী সত্ৰৰ মাটি আখৰাৰ বিস্তৃতি ঘটে। নগাঁৱত মাটি আখৰাৰ জনপ্ৰিয় নাম "দেহসধা ভঙ্গী"।[১৯] আগেয়ে দেহসধা ভঙ্গী আৰু সত্ৰীয়া নৃত্য-শিক্ষাই সত্ৰ-সভাত উখল-মাখল লগাই আছিল। অবিভক্ত নগাঁও জিলাৰ বৰদোৱা থুলৰ সত্ৰ, মৰিগাঁৱৰ কালশিলীয়া সত্ৰ, কলিয়াবৰৰ আটাইকেইটা সংহতিৰ সত্ৰ, ব্ৰহ্মচাৰী, লতাবোৱা আদি চতমীয়াল সত্ৰ, কুৰুৱাবাহী, এলেঙী থুলৰ সত্ৰ, সত্যনন্দী সত্ৰ, বৰজহা, লাইআটী, গজলা, দহঘৰ, চৰিপোতা আদি সত্ৰত মাটি আখৰা বা দেহসধা ভঙ্গী আৰু নৃত্য-চৰ্চা শিক্ষাৰ পয়োভৰ আছিল।[২০] বৰ্তমান পাশ্চাত্য শিক্ষাৰ প্ৰভাৱ, সত্ৰৰ লোকৰ চাকৰি-ব্যৱসায় জীৱন, আৰ্থিক সংকট, সামাজিক-ৰাজনৈতিক বাতাবৰণৰ ফলত সত্ৰৰ চৰ্চা-শিক্ষাৰ পৰম্পৰা প্ৰায় লোপ পালে বুলি সত্ৰসমূহৰ পৰা জনা যায়। মাটি আখৰা বা শৰীৰ সাধনাৰ চৰ্চাত পোনতে হাতৰ চাপৰিৰ তালেৰে হাত-ভৰিৰ সঞ্চালন কৰায়। কিছুমানে মন্থৰ গতিৰ পৰা মধ্য-দ্ৰুতলৈ ১,২ আৰু ১,২,৩,৪



ওলট-পালটকৈ বহুবাৰ হাতৰ চাপৰিৰে ভৰি গতিশীল (পদ-সঞ্চালন) কৰি খোলৰ চাবিটো চাপৰ ধেই, দাও, খিত, তাক বজাই নাচ শিকাৰ পাতনি মেলে।[২১]

ভৰতৰ নাট্য শাস্ত্ৰত 'চাৰি' আৰু 'কৰণ'ৰ উল্লেখ আছে। এটা ভৰিৰে গতি কৰাক 'চাৰি' আৰু দুটা ভৰিৰে গতি কৰাক 'কৰণ' বোলা হৈছে।[২২] এইদৰে দুই ভৰিৰে গতি কৰি হাতৰ সঞ্চালনৰ সমন্বয়ত দুই বা তাতকৈ অধিক কৰণৰ সমষ্টিৰে অঙ্গহাৰ হয়।[২৩] নাচৰ কৰণ আৰু অঙ্গহাৰৰ সম্পৰ্কত ডঃ কেশৱানন্দ দেৱগোস্বামীয়ে সত্ৰত ব্যৱহাৰ কৰা পাক, খৰপাক, থিয়পাক, মান চলনা দিয়া, ঘেতা, ছটা, চালি, চিৰল, বহি চিৰল, আঠুৱা, থিয় আঠুৱা, খৰ, থিয় খৰ, খৰ-বাগৰ, ছত্ৰাৱলী আদিৰ উল্লেখ কৰিছে।[২৪]

এইদৰে পৰ্যায়ক্ৰমে আগবাঢ়ি সত্ৰীয়া নাচত পটু হৈ ভাওনা আৰু সত্ৰৰ বিভিন্ন নাচেৰে নটুৱা-ভাৱৰীয়াই সত্ৰ-সংস্কৃতিৰ পৰম্পৰা ৰক্ষা কৰি আহিছে।

শঙ্কৰদেৱৰ সত্ৰীয়া নাচ নাচোঁতাসকল অপেশ্বৰা স্বৰূপ, গায়কসকল গন্ধৰ্বস্বৰূপ আৰু বায়নসকল বিদ্যাধৰস্বৰূপ।

**গ) বাদ্য ঃ** নৃত্যৰ লগত বাদ্যৰ সম্পৰ্ক এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। বাজনা বাজিলেহে নটুৱাৰ গা-মন নাচি উঠে। শঙ্কৰদেৱে বৰদোৱাত প্ৰথম ভাওনা পাতিবলৈ নটুৱাৰ নাচৰ লগত বাজনাৰ প্ৰয়োজনীয়তা বুজি খোল-বাদ্যৰ সৃষ্টি কৰে। এই খোল যেন স্বৰ্গৰ দেৱবাদ্য মৃদঙ্গহে। কপিলীমুখৰ কুমাৰৰ হতুৱাই মাটিৰ খোল সজাই শালমৰা গাঁৱৰ মুচিয়াৰৰ দ্বাৰা চিয়াই শঙ্কৰদেৱে খোলবাদ্য তৈয়াৰ কৰে।[২৫] নৃত্যৰ লয় আৰু তাল ৰক্ষাৰ কাৰণে খোলৰ লগত তাল বাদ্যও ব্যৱহাৰ কৰা হ'ল। অবিভক্ত নগাঁও জিলাৰ সত্ৰসমূহত নৃত্য-গীতত প্ৰধানত খোল আৰু তালত বিশেষ গুৰুত্ব দিয়া হয়। কোনো কোনো সত্ৰত মৃদঙ্গও ব্যৱহাৰ কৰা হয়। পিছলৈ ডবা, নেগেৰা, ভোৰতাল, পাতিতাল, খুটিতাল, মঞ্জিৰা, খঞ্জৰী, কাঁহ, ঘন্টা আদি বিভিন্ন বাদ্যৰ প্ৰচলন হ'ল। কিছুমান সত্ৰৰ ভাওনাত কালিও বজোৱা দেখা যায়। আজিকালি গীত-বৰগীতত হাৰমনিয়াম, বাঁহী, বেহেলা বা চেতাৰ আদি স্বৰাশ্ৰয়ী বাদ্য প্ৰয়োগ কৰিবলৈ লৈছে।

সত্ৰীয়া সঙ্গীতত বিভিন্ন তালৰ প্ৰয়োগ আছে। সত্ৰৰ তালৰ তিনিটা ভাগ মন কৰিব পাৰি– ১) মূল বাজনা বা গা-মান ২) ঘাত আৰু ৩) চোক। এই তিনিটা ভাগ খোল আৰু তাল বজাই বায়ন-গায়নে চমৎকাৰ কৰি তোলে। বাৰখন তাল আৰু বাৰখন উপতালৰ কথা সত্ৰসমূহত প্ৰচলিত। মন কৰিবলগীয়া যে শঙ্কৰ-মাধৱৰ বৰগীতত তালৰ উল্লেখ তেনেকৈ কৰা হোৱা নাই। মাথোন, শঙ্কৰদেৱৰ বিৰচিত বৰগীত পুথিৰ শেষত 'ষড়ছন্দ'ৰ গীতত ছখন তালৰ উল্লেখ আছে–

ভূপালী ৰাগৰ গীতত চুটা আৰু খৰমান, ধনশ্ৰী ৰাগৰ গীতত পৰিতাল আৰু একতালি আৰু অহিৰ ৰাগৰ গীতত জতি আৰু চোকতাল। নাট বা অঙ্কৰ গীতত একতালি, পৰিতাল, জতিমান (জৌতি), দোমানী, ৰূপক, খৰমান, বিষম, চুটা তালৰ প্ৰয়োগ কৰা দেখা যায়।[২৬] কোনো কোনো গীতত দুই-তিনিখন তালো ব্যৱহাৰ কৰিছে– যেনে ৰুক্মিণী হৰণ নাটৰ "চান্দমুখী পেখিতে মধাই⋯" গীতত দোমানী-জতি (দুখন তাল), কালি-দমন নাটৰ "কালাকানু নাচে চৰণ চলাই⋯" গীতত দোমানী-পৰিতাল-জতি (তিনিখন তাল) প্ৰয়োগ কৰা হৈছে।[২৭] একাধিক তালৰ আৰু গীত আছে। ইয়াৰ উপৰিও সত্ৰত ব্যৱহৃত আন আন তালবোৰ হ'ল– ধৰণজতি বা জৌতি, মাথজৌতি, ৰূপগঞ্জল, দহবাৰি, বৰবিষম, ৰসক, উনজতি, সূতাৰগঞ্জল, আঠতলা।[২৮] মাজুলীৰ কমলাবাৰী সত্ৰত ইয়াতোকৈ আৰু দহখনমান অধিক তাল ব্যৱহাৰ কৰা হয়।[২৯] তেতিয়াহলে তাল-উপতাল ২৪তকৈ কম নহ'ব।

অবিভক্ত নগাঁও জিলাৰ সত্ৰসমূহৰ ৰাগ-নাচ-বাজনা অৰ্থাৎ গীত-নৃত্য-বাদ্য সত্ৰৰ পৰম্পৰা মতে প্ৰয়োগ কৰাৰ ওপৰত গুৰুত্ব দিয়া হয় যদিও ইয়াক যথাযথ ৰক্ষা কৰিব পৰা নাই।

## ৫.০১ সত্ৰৰ পুথি-চিত্ৰকলা ঃ

অসমৰ চিত্ৰকলাৰ ইতিহাসত শঙ্কৰদেৱ প্ৰৱৰ্তিত সত্ৰসমূহৰ পুথি-চিত্ৰকলা গৌৰৱময় স্থানত উপৱিষ্ট। নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ কাৰণে বৈষ্ণৱ শিল্পীসকলে আন আন মাধ্যমৰ লগতে চিত্ৰ-অঙ্কিত পুথিও ৰচনা কৰিছিল। পুথিসমূহত প্ৰকৃতি জগতৰ লতা-ফুল, গছ-গছনি, হাবি-বননি, নদী-জান, বিল-হ্ৰদ, পৰ্বত গুহা, চৰাই, সাপ, জীৱ-জন্তু আদিৰ উপৰিও বিভিন্ন চৰিত্ৰৰ মানুহ, দেৱ-দেৱী, অসুৰ-ৰাক্ষস, বান্দৰ আদিৰ চিত্ৰ অঙ্কন কৰিছিল। চিত্ৰসমূহত ধৰ্মীয় বিষয়-বস্তু বা কাহিনীক চিত্ৰৰূপ দি জন-আকৰ্ষণীয় কৰি তুলিছে। সত্ৰ-ধৰ্মৰ বিষয়-বস্তুৰ পৱিত্ৰতা ৰক্ষা কৰি চিত্ৰশিল্পীয়ে দৰ্শকৰ মনত সৌন্দৰ্যৰ সৃষ্টি কৰি আধ্যাত্মিক উৎকৰ্ষ সাধন কৰিব পৰা চিত্ৰসমূহক সত্ৰীয়া চিত্ৰকলা বা সত্ৰীয়া চিত্ৰশৈলী বুলি কোৱা হৈছে। উত্তৰ ভাৰতীয় ৰাজপুত চিত্ৰকলা আৰু উৰিষ্যাৰ জগন্নাথ মন্দিৰৰ পট বা চিত্ৰ সম্ভাৰৰ সংযোগ ঘটাই অসমৰ চিত্ৰশিল্পীয়ে সত্ৰীয়া চিত্ৰকলাক নতুন ৰূপ দিয়ে বুলি কলাকাৰ যুগল দাসে সম্ভাৱনা ব্যক্ত কৰিছে।[৩০] অসমৰ কিছুমান সত্ৰত বিভিন্ন সাঁচিপতীয়া পুথিৰ লগতে মাজে মাজে চিত্ৰ অকাঁ পুথিও পোৱা গৈছে।

আমাৰ অধ্যয়নৰ অবিভক্ত নগাঁও জিলাৰ কেইখনমান সত্ৰত কিছু চিত্ৰপুথি



সংৰক্ষিত হৈ আছে। ইতিমধ্যে প্ৰাকৃতিক দুৰ্যোগ আৰু মানৱ দুৱাৰ উৎপীড়নত সত্ৰগৃহ পুৰি পেলোৱা আৰু লণ্ডভণ্ড কৰাৰ ফলত আৰু অযত্ন-অৱহেলাত অনেক আপুৰুগীয়া পুথি বিনষ্ট হোৱাৰ কথা দোহৰাব সকাম নাই। তলত অবিভক্ত নগাঁও জিলাৰ সত্ৰৰ চিত্ৰশিল্পৰ আভাস দাঙি ধৰা হ'ল।

অসমৰ সত্ৰৰ প্ৰৱৰ্ত্তক শঙ্কৰদেৱক সত্ৰীয়া চিত্ৰকলাৰো উদ্ভাৱক বুলি কব লাগিব। তেওঁ প্ৰথম সত্ৰ-ক্ষেত্ৰ বৰদোৱাতে চিত্ৰ অঙ্কন কৰি ভাগৱতৰ মুখ্য চৰিত্ৰ বিষ্ণু বা শ্ৰীকৃষ্ণ আৰু বিষ্ণুক্ষেত্ৰ-বৈকুণ্ঠৰ চিত্ৰ আন আন চৰিত্ৰসহ অঙ্কন কৰিছিল। সেইসময়ত পূৰ্বে অজ্ঞাত হৈ থকা ভূঞা আৰু সাধাৰণ ৰাইজক বৈকুণ্ঠ আৰু বৈকুণ্ঠৰ বিষ্ণুৰ লীলা দৰ্শন কৰাবলৈ শঙ্কৰদেৱে সাত বৈকুণ্ঠৰ পট আঁকিলে। তাত কল্পতৰু, উপবন, সৰোবৰ, অনন্ত-শয্যা, লক্ষ্মী, সৰস্বতী, সাত বৈকুণ্ঠৰ নাথ সকলো যথাস্থানত দি চিত্ৰ অঙ্কন কৰিলে।[৩১] 'চিহ্নযাত্ৰা' পাবলৈ নাই যদিও চৰিত-পুথিৰ বিস্তৃত বিৱৰণৰ পৰা সবিশেষ বুজিব পাৰি। শঙ্কৰদেৱে সাত বৈকুণ্ঠৰ পট আঁকি ধেমালিৰ ঘোষা, শ্লোক, সূত্ৰ-ভটিমা, গীতেৰে চিহ্নসৰত ভাগ কৰি প্ৰদৰ্শন কৰাত সমজুৱা বা দৰ্শকে তন্ময় হৈ চাইছিল।[৩২] শঙ্কৰদেৱৰ বৈকুণ্ঠৰ চিত্ৰপট অঁকাৰ সময়ত বাঢ়নী হাতত লৈ ধান সাৰি-জাৰি কাম কৰি থকা সাধাৰণ মহিলা চন্দৰী বুঢ়ীয়ে আঁসোৱাহ ধৰি কল্পতৰু বৃক্ষজুপী অঙ্কন কৰা ঠাই দেখুৱাই দিয়া কথাৰ পৰা চিত্ৰকলাৰ জনপ্ৰিয়তাৰ আভাস পোৱা যায়।[৩৩]

সত্ৰীয়া চিত্ৰকলাৰ সবাতোকৈ প্ৰাচীন আৰু উৎকৃষ্ট চিত্ৰ পুথি হ'ল– নগাঁৱৰ বৰদোৱাৰ নৰোৱা বালিসত্ৰত সংৰক্ষিত শঙ্কৰদেৱ বিৰচিত ভাগৱতৰ আদ্য-দশমৰ 'চিত্ৰ-ভাগৱত'। এই চিত্ৰপুথিখন হৰিনাৰায়ণ দত্তবৰুৱাই বালিসত্ৰৰ শিৰেন্দ্ৰনাৰায়ণ দেৱাধিকাৰৰ পৰা সংগ্ৰহ কৰি ৫০১ শঙ্কৰাব্দত (১৯৫০ খ্ৰীঃত) ছপা কৰি ২৫২ পৃঃত উলিয়ায়। সাঁচিপাতৰ মূল পুথিখন ১৯" x ৭" জোখৰ ৩১২ খন চিত্ৰ সম্বলিত– নীলা, কলা, ৰঙা, হালধীয়া, সেউজীয়া, বগা ৰঙেৰে চিত্ৰসমূহ ৰঞ্জিত। চিত্ৰপুথিত ১৪৬১ শকৰ (১৫৩৯ খ্ৰীঃ) উল্লেখ থকাৰ পৰা শঙ্কৰদেৱৰ জীৱিত কালতে ৰচনা কৰা বুলি বুজা যায়। দত্তবৰুৱাই চিত্ৰবোৰ শঙ্কৰদেৱৰ অনুমোদিত চিত্ৰৰ অনুৰূপে অঙ্কন কৰা বুলি মত প্ৰকাশ কৰিছে।[৩৪] চিত্ৰকৰৰ নাম উল্লেখ থকাহেতেঁন কাল নিৰ্ধাৰণ কৰাটো সহজ হ'লহেঁতেন। বৰ্তমান মূল সাঁচিপতীয়া চিত্ৰ-পুথিখন ডঃ কেশৱানন্দ দেৱগোস্বামীৰ লগত আছে বুলি জানিব পৰা গৈছে।

গোপাল আতাই পতা আচাৰ্য সৰু যদুমণিৰ পৰা বঢ়া হাতীচোং মৌজাৰ জাজৰি আমতলা গজলা সত্ৰ কাব্য, বৰগীত, গীত, নাট-ভাওনাত সত্ৰ-সংস্কৃতিৰ

আগশাৰীৰ সত্ৰ। এই সত্ৰৰ 'সচিত্ৰ কীৰ্ত্তন' পুথি উৎকৃষ্ট সত্ৰীয়া শৈলীৰ চিত্ৰপুথি। ১০৪ পাতৰ চিত্ৰপুথিখনিত ৬২ পাতৰ তলে-ওপৰে লতা, ২৪ পাতত দেৱ-দেৱীৰ চিত্ৰ, দুই মূৰ আৰু নাভিত বিভিন্ন চিত্ৰ-সম্বলিত কীৰ্ত্তন পুথিখন অতি মনোৰম আৰু হৃদয়স্পৰ্শী।[৩৫]

আন এখন উল্লেখযোগ্য চিত্ৰপুথি হ'ল আইভেটি ন-সত্ৰৰ 'সচিত্ৰ পাৰিজাত হৰণ'। সত্ৰীয়া চিত্ৰ শিল্পীয়েনো কি অৱদান দিয়া নাই। নাটক এখন ভাওনা কৰাটোৱে যথেষ্ট। শঙ্কৰদেৱৰ 'পাৰিজাত হৰণ নাটৰ সাঁচিপতীয়া পুথি নগাঁৱৰ ঐতিহ্যমণ্ডিত প্ৰতিখন সত্ৰৰে সম্পদ আৰু এই নাটৰ ভাওনাও অতি ভক্তিভাৱেৰে পৰম্পৰাগতভাৱে কৰি আহিছে। এনে এখন জনপ্ৰিয় নাটকৰ প্ৰতিটো ঘটনাৰ চৰিত্ৰৰ সাজ-পোচাক, কাৰ্যসহ ৰং-বিৰঙেৰে অঙ্কন কৰি থৈ গৈছে ন-সত্ৰৰ প্ৰতিষ্ঠাপক সত্ৰাধিকাৰ শশধৰ আতাই। হয়তো ভাওনাৰ সাজ-পাৰ অলঙ্কৰণ আদিৰ অৱনতিলৈ লক্ষ্য কৰি মহান শিল্পী শশধৰ আতাই ১৮৩৩ খ্ৰীঃত 'পাৰিজাত হৰণ' নাট নাটকীয় কাহিনীসহ সচিত্ৰ কৰি থৈ গৈছে। সত্ৰ-ঘৰীয়াৰ পৰা জনামতে আপুৰুগীয়া সচিত্ৰ নাটখন নগাঁৱৰ এজন গৱেষক পণ্ডিতে কুৰি বছৰমান পূৰ্বে চাবলৈ নি আজি পৰ্যন্ত ঘূৰাই দিয়া নাই। আনকি পুথিখন নিয়া বুলি এখন লিখিত পত্ৰও দিয়া নাই। এনে এটা অমূল্য ৰতন থাকিও নথকাৰ দৰে হোৱাত সত্ৰপক্ষই ক্ষোভ প্ৰকাশ কৰিছে।[৩৬]

সতানন্দ বৰভকতৰ নাতি মাধৱনাৰায়ণ স্থাপিত মাধআৰি বা মাধআতা সত্ৰত থকা অতি মনোগ্ৰাহী আৰু চিত্তাকৰ্ষক চিত্ৰপুথি 'ৰাঙলী কীৰ্ত্তন'। ১৭৫৯ খ্ৰীঃত এই 'সচিত্ৰ কীৰ্ত্তন' লিখা হৈছিল– কৃষ্ণৰ শিশুলীলাৰ দুটি কাহিনীৰ ৰঙীণ চিত্ৰৰ বেটুপাতেৰে। প্ৰতি পাতৰ পৃষ্ঠাত চাৰিওকাষে আৰু নাভিত লতাফুল অঙ্কন কৰি পাতবোৰৰ সৌন্দৰ্য চৰোৱা হৈছে। চিত্ৰপুথিখনৰ আৰম্ভণিতে কেশী আৰু বকাসুৰ বধৰ চিত্ৰ খোদিত কৰা হৈছে।[৩৭]

কলিয়াবৰৰ কৰতিপাৰ ন-সত্ৰত ১৬৫৩ শক (১৭৩১ খ্ৰীঃ)ত থাপনাৰ অন্যতম গ্ৰন্থ মাধৱদেৱৰ 'ভক্তি ৰত্নাৱলী' সচিত্ৰ পুথিখন অসমীয়া বৈষ্ণৱ সাহিত্যৰ চিত্ৰকলাৰ অপূৰ্ব পুথি। ১৪৫ পৃষ্ঠাযুক্ত পুথিখনিত ১৯৪ খন চিত্ৰ সন্নিবিষ্ট কৰা আছে। ভক্তি-তত্ত্বৰ ব্যাখ্যাৰে ৰঙা, নীলা, হালধীয়া, বগা, ক'লা, গুলপীয়া, আকাশী, ঈষৎ সেউজীয়া উপবৰ্ণ ভাৱবাধক হিচাবে ব্যৱহাৰ কৰি চিত্ৰ মাধুৰিমাময় কৰি তোলা হৈছে।[৩৮] 'সচিত্ৰ ৰত্নাৱলী' পুথিখন এই সত্ৰৰ অনেক প্ৰাচীন সাঁচিপতীয়া পুথিৰ লগত অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগে নি সংৰক্ষণ কৰি ৰাখিছে।[৩৯]



সত্ৰীয়া কলা-সংস্কৃতিত নৈপুণ্যৰ পৰিচয় দিয়া কলিয়াবৰৰ চামগুৰি সত্ৰত অনেক বহুমূলীয়া সাঁচিপতীয়া পুথিৰ লগতে দুখনি সচিত্ৰিত পুথিও পোৱা গৈছে। ১) 'নিমি-নৱসিদ্ধ-সংবাদ' আৰু ২) 'ভক্তি-প্ৰদীপ'। শঙ্কৰদেৱৰ ভক্তি-তত্ত্বমূলক অমূল্য গ্ৰন্থ দুখনিৰ 'নিমি-নৱসিদ্ধ-সংবাদ'ত ৭ খন আৰু ভক্তি-প্ৰদীপত ৩ খন চিত্ৰ সন্নিবিষ্ট হৈ আছে।[৪০]

কলিয়াবৰৰ ঐতিহ্যমণ্ডিত আঁহতগুৰি সত্ৰ গীত, পদ, ঘোষা, নাট-ভাওনা, শিল্পকলাৰে মহিমামণ্ডিত সত্ৰ। অসমৰ সত্ৰৰ চিত্ৰশিল্পীয়ে কৃষ্ণ-কথাৰ লগত ৰাম-কথাকো সমানে গুৰুত্ব দি ৰামকো পৰমপুৰুষৰ স্থানত বহুৱাইছে। কলিয়াবৰৰ আঁহতগুৰি সত্ৰত ৰামায়ণৰ কাহিনীৰ সচিত্ৰ পুথি এখন উদ্ধাৰ হোৱাৰ কথা জনা যায়।[৪১]

কলিয়াবৰৰ প্ৰাচীন সত্ৰ জখলাবন্ধা কাব্য, গীত, পদ, শিক্ষা, সংস্কৃতি, স্থাপত্য, ভাস্কৰ্য-শিল্পৰে ঐতিহ্যমণ্ডিত সত্ৰ। এই সত্ৰৰ চিত্ৰকলাও উল্লেখযোগ্য। দুখন চিত্ৰপুথি আৰু কেইখনমান একক চিত্ৰ আৰু আন চিত্ৰ পোৱা গৈছে। শঙ্কৰদেৱৰ বিৰচিত 'আদ্য দশম', অনন্ত কন্দলি বিৰচিত 'শেষ দশম'ৰ চিত্ৰ-সম্বলিত পুথি দুখন, গোবৰ্দ্ধনগিৰি আৰু গোকুলৰ বৰ্ণনাৰ একক চিত্ৰ, ভাগৱতৰ প্ৰথম পাতটোত অঁকা চিত্ৰ, শঙ্কৰ-মাধৱ-চৈতন্য-ভক্ত হৰিদাস আৰু বিল্বমঙ্গলৰ ডাঠ কাগজত অঁকা চিত্ৰসমূহ সত্ৰীয়া চিত্ৰশিল্পৰ মূল্যবান সম্পদ।[৪২] চিত্ৰৰ প্ৰকৃতি, আধুনিক ৰং ব্যৱহাৰ আদিৰ প্ৰতি লক্ষ্য কৰি চিত্ৰসমূহ ঊনবিংশ শতিকাৰ শেষৰ ফালে অঙ্কন কৰা বুলি সমালোচকে মত দিছে।[৪৩] নগাঁও জখলাবন্ধা সত্ৰৰ পৰা নিয়া আন এখন সচিত্ৰ কীৰ্ত্তন পুথি বৰদোৱাৰ শ্ৰীমন্ত শঙ্কৰদেৱ গৱেষণা কেন্দ্ৰত সংৰক্ষিত হৈ আছে।[৪৪] শঙ্কৰদেৱ বিৰচিত আন এখন ভক্তি-তত্ত্বমূলক কাব্য 'অনাদি-পাতন'। বৰদোৱাৰ নৰোৱা কুঁজীসত্ৰৰ চিত্ৰাঙ্কিত 'অনাদি-পাতন'খন আন এখন ঐতিহ্যপূৰ্ণ চিত্ৰকলা সম্বলিত পুথি। পুথিখন বৰ্ত্তমান অসম ৰাজ্যিক সংগ্ৰাহলয়ত থকা বুলি জনা গৈছে।[৪৫]

মাধৱদেৱৰ আজ্ঞাপৰ খোৱাগোপালৰ পৰা বঢ়া কেইবাখনো দিচিয়াল সত্ৰৰ ভিতৰত ৰাইদঙ্গিয়াৰ দিচিয়াল সত্ৰ অন্যতম। অনন্ত কন্দলি বিৰচিত 'কুমৰ হৰণ' এখন জনপ্ৰিয় গ্ৰন্থ। এই গ্ৰন্থখনি এই সত্ৰত চিত্ৰ-সম্বলিত কৈ পোৱা গৈছে। পুথিখনৰ চিত্ৰসমূহ ৰাজেশ্বৰ সিংহৰ ৰাজত্বকালৰ বুলি অনুমান কৰা হৈছে।[৪৬]

বৰদোৱা পুনৰুদ্ধাৰত কনকলতাৰ সহযোগী ভগবান আতাৰ কৰচোং সত্ৰৰ সংস্কৃত শ্ৰীমদ্ভাগৱত গ্ৰন্থৰ ৬ষ্ঠ আৰু ৭ম স্কন্ধ আন এখন ঐতিহ্যমণ্ডিত

চিত্ৰাঙ্কিত পুথি। পুথিখন বৰ্ত্তমান বৰদোৱাৰ শ্ৰীমন্ত শঙ্কৰদেৱ গৱেষণা কেন্দ্ৰত সংৰক্ষিত। পুথিখন ১৭৮৫ খ্ৰীঃত লতা বছা হৈছিল বুলি ডঃ নবেন কলিতাই উল্লেখ কৰিছে।[৪৭] চামগুৰি ভেলেউগুৰিৰ ব্ৰহ্মচাৰী সত্ৰৰ দুচটা ব্যাকলিত পোৱা ৰাম, সীতা, লক্ষ্মণ, নীল, বিভীষণ, হনুমান আদিৰ ৰঙীণ চিত্ৰই এখন সচিত্ৰ ৰামায়ণ বিষয়ৰ পুথিৰ সন্ধান দিছে।[৪৮] মানৱ অমানবীয় অত্যাচাৰত এই সত্ৰৰ সিংহাসন, পুথি-পাঁজি, সা-সম্পদ বিনষ্ট হয় আৰু য'তে ত'তে পৰি থকা সম্পদ বহুতে বুটলি লৈ যায়।[৪৯]

সমগ্ৰ অসমৰ আঙুলিৰ মূৰত লেখিব পৰা চিত্ৰ-অঙ্কিত পুথিৰ ভিতৰত বৰ্ত্তমানলৈ জানিব পৰা মতে অবিভক্ত নগাঁও জিলাত পোৱা চিত্ৰৰ সংখ্যাই সৰহ। সত্ৰত থকা আন পুথিৰ দৰে পুথিচিত্ৰ বা চিত্ৰপুথিৰ সংখ্যা যথেষ্ট নহয়। সাঁচিপাতৰ উপৰিও, ৰং-তুলিকাৰে হুবহু ঘটনা প্ৰকাশ কৰিব পৰাকৈ অঙ্কন কৰা চিত্ৰশিল্পীৰ সংখ্যা নিশ্চয় সীমিত আছিল। তাৰ উপৰি অনাদৰ, অৱহেলা, প্ৰাকৃতিক দুৰ্যোগ, অত্যাচাৰী ৰজা আৰু মানৱ অবৰ্ণনীয় অত্যাচাৰ আৰু পোক-পৰুৱাৰ কুটন আদিৰ ফলত যি অলপ-অচৰপ পুথি আছিল সেয়াই বিলুপ্ত হয়। তথাপি এতিয়াও অনেক পুথি কিছুমান লোকৰ ঘৰত আৰু সত্ৰত আছে। আন্তৰিকতাৰে সকলোৱে সহযোগিতাৰে পুথিসমূহৰ অনুসন্ধান কৰিলে আৰু কিছু চিত্ৰপুথি আৰু আপুৰুগীয়া পুথিৰ সম্ভেদ পোৱা যাব পাৰে।

## ৫.০২ সত্ৰৰ কাৰুকলা আৰু আপুৰুগীয়া সম্পদ ঃ

ভক্তি-ধৰ্ম প্ৰবৰ্ত্তন আৰু প্ৰচাৰ কৰা সত্ৰসমূহে ধৰ্ম-কথা সাঁচিপাতৰ পুথি আৰু চিত্ৰকলাত প্ৰকাশ কৰাৰ উপৰিও বাঁহ, বেত, কাঠ, ধাতু আদিৰ চাৰু কাৰু-শিল্পকৰ্মৰ দ্বাৰা সৌন্দৰ্যবোধৰ পৰিচয় বহন কৰিছে। সত্ৰৰ সিংহাসন, দুৱাৰ, চৌ-কাঠ, তোৰণ, ভাওনাৰ ছোঁ-মুখা, অস্ত্ৰ-শস্ত্ৰ, সাজ-পাৰ; কাঠৰ আৰু ধাতুৰ মূৰ্ত্তি, স্তম্ভ, ভোগজৰা, বহা আসন, চিত্ৰ-বিচিত্ৰ বিচনী, জাপি, পাটী, সঁফুৰা, কাঠৰ ডবা, বৰপীৰা, গছা, শৰাই, দোলা-খাটোলা, ঠগা, সাঁচিপাত, কাপ-মৈলাম, পুথি ৰখা বাকচ আদি কাৰুকাৰ্য খচিত শিল্প সম্পদসমূহ সত্ৰৰ ব্যৱহাৰ্য সামগ্ৰী আৰু লগতে শিল্পীৰ অনুপম সৃষ্টিৰ চানেকি। সত্ৰৰ শিল্পসম্পদসমূহৰ কাৰণে সত্ৰক ভাস্কৰ্যৰ শিল্পালয় বুলি অভিহিত কৰিব পাৰি।

অবিভক্ত নগাঁও জিলাৰ অনেক সত্ৰত চাৰু-কাৰু-শিল্পৰ নিদৰ্শন পোৱা যায়। শ-শ বছৰ অতিক্ৰম কৰি ধৰ্ম-সংস্কৃতিৰ জ্যোতিৰে অন্তৰ আলোকিত কৰা কাৰুকাৰ্যখচিত বাঁহ-বেত-কাঠ বা ধাতুৰ সামগ্ৰীসমূহ কালৰ গৰ্ভত বিনষ্ট হৈ গৈ



আছে। বিনষ্ট হৈ গ'লেও তেনে সম্পদ সত্ৰৰ শিল্পীয়ে মেৰামতি বা পুনৰ তৈয়াৰ কৰি ঠাই পুৰাই লোৱাটো ধৰ্ম-সাংস্কৃতিক কৰ্ত্তব্য আৰু পৰম্পৰা বুলি গণ্য কৰিছিল। বৰ্ত্তমান যান্ত্ৰিক যুগত তেনে প্ৰচেষ্টা প্ৰায় নিঃশেষ হৈ গৈ আছে বুলি কব পাৰি।

অসমৰ প্ৰথম সত্ৰ নগাঁৱৰ বৰদোৱাতে সত্ৰ-শিল্পৰ সূচনা হয়। ধেনুৰ আগেদি চাপাকৃতিৰ চাপ দি বটবৃক্ষ দ্ৰবীভূত কৰি গঙ্গা আনয়ন অৰ্থাৎ পবিত্ৰ জলধাৰা বোৱাই বটদ্ৰৱা– বৰদোৱা নাম হোৱাৰ পিছতে শঙ্কৰদেৱে শাস্ত্ৰ-চৰ্চা, লিখা-পঢ়া আদি সুবিধাৰ কাৰণে ৰামৰায়ক কেইখনমান পীৰা কৰি দিবলৈ কোৱাৰ পৰা ৰামৰায়ে শিলাকুটিৰে যি চাৰিখন পীৰা তৈয়াৰ কৰি দিলে– তাতে শৈল-শিল্পৰ নিদৰ্শন প্ৰকাশ পাইছে। চাৰিখন পীৰাৰ শঙ্কৰদেৱে এখনিত বহি পুথি লিখে, এখনিত বহি স্নান কৰে, এখনিত বহি ভোজন কৰে, আনখনত শৌচৰ পিছত মাটি-পানী লয়।[৫০] তাৰ পিছতে কাঠৰ পীৰাত পুথি-পাঁজি থোৱা, লিখা-পঢ়া কৰা, স্নান-ভোজন কৰা আদি নিয়মিত ভাবে চলে। শঙ্কৰদেৱে 'চিহ্নযাত্ৰা' ভাওনা কৰোঁতে কপিলীপাৰৰ কুমাৰৰ হতুৱাই মাটিৰ খোল কৰি শালমৰাৰ মুচিৰে ছিয়াই লোৰ গুৰি আৰু কৰকৰা ভাতৰ কৰাল বা ঘৃণ দি গুৱলা শব্দৰ খোল সৃষ্টি কৰা, কঁহাৰৰ হতুৱাই মন্দিৰা, খুতিতাল, বৰতাল প্ৰস্তুত কৰোৱা কাৰ্যৰ দ্বাৰা মৃৎশিল্প, চৰ্মশিল্প, কাঁহশিল্পক সত্ৰৰ লগত জড়িত কৰা হৈছে।[৫১] তাৰ উপৰি, 'চিহ্নযাত্ৰা'ত আৰু আন আন ভাওনাত ব্যৱহাৰ কৰা বিভিন্ন চৰিত্ৰৰ মুখা, অগ্নিগড়, ভোটা, মহটা, আৰিয়া, গদা, ধেনু-কাঁড়, তৰোৱাল, সাজ-পাৰ, হেঙুল-হাইতালেৰে সজোৱা সামগ্ৰীসমূহ বাঁহ-কাঠ-বস্ত্ৰ শিল্পৰ উল্লেখযোগ্য সম্পদ।

অবিভক্ত নগাঁও জিলাৰ সত্ৰসমূহত বৰ্ত্তমানলৈ হেঙুল-হাইতাল লগোৱা চিত্ৰ-বিচিত্ৰ তিনিৰ পৰা সাতথলপীয়াকৈ সজা কাঠৰ সিংহাসন, থাপনাৰ সাঁচিপতীয়া পুথি, শৰাই, গছা, ডবা, খোল, তাল, চৰিয়া, টৌ, কাঁহ-ঘন্টা, শঙ্খ, কাঠৰ চ'তি-দুৱাৰ-চৌ-কাঠত কটা লতাফুল আৰু বিভিন্ন চৰিত্ৰৰ মূৰ্ত্তি; ভাওনাৰ ছোঁ-মুখা; সত্ৰবিশেষে ভাগৱত কেন্দ্ৰিক বিষ্ণু-শ্ৰীকৃষ্ণৰ চতুৰ্ভুজ, কলিয়া গোঁসাই, মদনমোহন, শ্যামৰায়, বংশীবাদন, বাসুদেৱ, লাৰুৱা গোপাল, বিষ্ণু, দৌলগোবিন্দ, ব্ৰজনাথ, অনন্ত, ৰাধাকৃষ্ণ আদিৰ বিগ্ৰহ দেখিবলৈ পোৱা যায়। কিছুমান সত্ৰত একেবাৰে জৰাজীৰ্ণ অৱস্থাত অনাদৰত কিছুমান সম্পদ পৰি আছে আৰু কিছুমানত নিশ্চিহ্ন হৈয়ো গৈছে।

সত্ৰৰ ধৰ্ম-সংস্কৃতিৰ গুৰুত্ব বুজি কিছুমান সত্ৰই আজিও শ্ৰদ্ধা-ভক্তিৰে সম্পদসমূহ ৰক্ষণা-বেক্ষণ দি ৰাখিছে। তেনে সত্ৰসমূহে কাৰুকাৰ্যখচিত শিল্প-কৰ্মবোৰ আপুৰুগীয়া সম্পদৰূপে গণ্য কৰি আহিছে। আমাৰ অনুসন্ধানত পোৱামতে

সত্ৰৰ কাৰুকলা আৰু আপুৰুগীয়া সম্পদৰ চমু আভাস দাঙি ধৰা হ'ল ঃ-

বৰদোৱা সত্ৰত থকা গৰুড়মূৰ্ত্তি, মহীৰাৱণৰ হাতৰ পৰা ৰাম-লক্ষ্মণক উদ্ধাৰ কৰি বীৰত্বৰে হনুমানে কান্ধত তুলি অনা মূৰ্ত্তি, আমকাঠত কটা বিষ্ণুৰ ত্ৰিবিক্ৰম মূৰ্ত্তি, বৃষভ বাহনত শিৱ, বীণাধাৰী নাৰদ, গৰুড়বাহনত বিষ্ণু, চতুৰ্মুখ ব্ৰহ্মা, হলধৰ আদিৰ স্তম্ভ-মূৰ্ত্তি বা প্ৰতিমা, চিত্ৰ-সম্বলিত কাঠৰ দুৱাৰ-চৌকাঠ আৰু পিতলৰ দুৱাৰ আদি সত্ৰৰ অধিকাৰ, খনিকৰ শিল্পীৰ মহান সৃষ্টি। বৰদোৱা নৰোৱা বালিসত্ৰৰ অপূৰ্ব সম্পদ 'আদ্য দশম'ৰ 'চিত্ৰ ভাগৱত'ৰ উপৰিও কাঁহৰ ঘন্টা, ধৰ্মাসনৰ খুটা, গুৰু-পদশিলা, সাগৰ জুলি-বস্ত্ৰ, বৈকুণ্ঠৰ মূৰ্ত্তি আদি; লেতেৰি শলগুৰি সত্ৰৰ বৰপেৰা, পিতলৰ সিংহ দুৱাৰ, আঢ়ৈ ফুট ওখ বংশীবাদন মূৰ্ত্তি; তলিবিল সত্ৰৰ সাতখলপীয়া সিংহাসন, দশমূৰীয়া বাৰণ, কুঁজী মন্থৰাৰ মুখা আদি উল্লেখযোগ্য সম্পদ। আইভেটি ন-সত্ৰই সেৱাৰ বস্তু সোণৰ চুলা দিয়া এপাত গুৰু-পাদুকা, গুৰু-পদশিলা, সাগৰ জুলি-বস্ত্ৰ আৰু তামৰ শৰাই, মাইহাং, পিতলৰ বৰশৰাই সযত্নে ভক্তিসহ সংৰক্ষণ কৰি ৰাখিছে। দীঘলী চৰাইখোলা সত্ৰৰ সিংহাসন, মুখা আদি কাঠৰ কাৰুকাৰ্যখচিত ভাস্কৰ্যৰ কাম লেখতলবলগীয়া। কৰচোং সত্ৰৰ পঞ্চমুখীয়া ঘন্টা, বৰচৰিয়া, মানকাঁহ, ওলোমা টৌ আদি; লাইআটী সত্ৰৰ পিতলৰ দুৱাৰ, গুৰু-পাদুকা; ভেলেউগুৰি ব্ৰহ্মচাৰী সত্ৰৰ অত্যাচাৰী মানে ভাঙি-চিঙি লণ্ড-ভণ্ড কৰা সংৰক্ষিত সাতখলপীয়া সিংহাসন, কমলেশ্বৰ সিংহৰ তামৰ ফলি (১৭২২ খ্ৰী-), পিতলৰ বৰ ডবা; ডিফলু সত্ৰৰ দোলা-খাটোলা, ছোঁ-মুখা; চতমিয়াল লতাবোৱা সত্ৰৰ শিলৰ ডাঙৰ খুৰলিত গোলাকৃতিত শিৰকটা আৰু ফুলৰ নক্সা অকোঁৱা সত্ৰ প্ৰতিষ্ঠা কৰা খুটা; ৰাঙ্গনি এলেঙি সত্ৰৰ ফুলকটা দুৱাৰ, ম'ৰা চৰাই, গৰুড় পখী আদি; হালোৱা গাঁও নাচনীপাৰ আৰু ভোটাইগাঁও গজলা সত্ৰৰ ফুলকটা কাঠৰ চ'তি-দুৱাৰ, থাপনাৰ সিংহাসন, বৃহৎ পিতলৰ টৌ, বৰকাঁহ, মাইহাং (সোণ-ৰূপৰ খুৰা লগোৱা পাত্ৰ); হালধিআটী সত্ৰৰ বৰজাপি, ভোগজৰা আদি; ননৈ চিপহা সত্ৰৰ সিংহাসনৰ পৌৰাণিক চিত্ৰকলা, কাঠৰ দুৱাৰৰ মেহৰাজি, কাঠিৰ মুখা, পিতলৰ দুৱাৰ; চেংলাই সত্ৰৰ লতা-ফুলে চিত্ৰকলা সম্বলিত দুশবছৰ প্ৰাচীন কাঠৰ সিংহাসন, দোলা-খাটোলা, ফুলকটা সঁফুৰা আদি; ডিমৌৰ মাহৰা সত্ৰৰ কাৰুকাৰ্যখচিত সাতখলপীয়া সিংহাসনৰ উপৰিও যদুমণিদেৱৰ গুৰু-পাদুকা, গুৰু-বস্ত্ৰৰ অংশ বিশেষ আদি অতি সমাদৰৰ শিল্পকলা আৰু আপুৰুগীয়া সম্পদ। কলিয়াবৰৰ চামগুৰি সত্ৰৰ গুৰু-পাদুকা, শিশুস্নানৰ চৰিয়া, চান্দসায়ে দিয়া চোলাৰ সঞ্চ, কাঠৰ চিত্ৰ-বিচিত্ৰ সাতখলপীয়া সিংহাসন, ১০৮ গছি বন্তি জ্বলোৱা বৰগছা, ফুল-চিত্ৰ অঙ্কিত ৰং-বিৰঙৰ দুৱাৰৰ চৌকাঠ, তোৰণ আদি; চিপহা সৰুভগীয়া



সত্ৰৰ কাঠৰ ডবা, ঘূৰণীয়া বৰপাটী, কাঠৰ গৰুড়, হনুমান, দোলা-খাটোলা আৰু কেইবাটাও মাটিৰ মূৰ্ত্তি; ৰূপনাৰায়ণ গোনামৰা সত্ৰৰ আঠফুট ব্যাসৰ সৰল কাঠৰ খুটা লগোৱা সত্ৰ-গৃহত থকা দুশবছৰীয়া পুৰণি গুৰু-আসন, গুৰু-পদশিলা, ৰূপনাৰায়ণ পোৰাভেটি সত্ৰৰ ভোগজৰা, বৰকাঁহ, ডবা আৰু ৰূপনাৰায়ণ খামুচীয়া সত্ৰৰ পোতা কলঙৰ ডুবিৰ পৰা আনি প্ৰতিষ্ঠা কৰা $৪\frac{১}{২}$ x $৩\frac{১}{২}$ ফুট দীঘ-প্ৰস্থৰ পদুম অঙ্কিত শিলাখণ্ড, চতুৰ্ভুজ বিষ্ণুমূৰ্ত্তি; বালিসত্ৰৰ চিত্ৰখচিত সিংহাসন আদি সত্ৰৰ অমূল্য সম্পদ। আমগুৰি কৰতিপাৰ পুৰণি সত্ৰৰ সাতপুৰা (প্ৰায় ৩৫ কেজি) মাহ-চাউল ধৰা পিতলৰ বৃহৎ শৰাই, বাৰকুৰি চাকি জ্বলোৱা দুটা বৰগছা; কৰতিপাৰ ন-সত্ৰৰ বৰশৰাই, বৰগছা, ছোঁ-মুখা, কাৰুকাৰ্যখচিত দুৱাৰ-চৌকাঠ-চ'তি আদি, জখলাবন্ধা সত্ৰৰ বংশীবাদন, বিষ্ণুমূৰ্ত্তি, বুদ্ধদেৱ (জগদ্ধাত্ৰী) দুৰ্গা দেৱীৰ প্ৰস্তৰ মূৰ্ত্তি; ভলাগুৰি সত্ৰৰ সিংহাসনত যশোদাই হাতত চেকনি লৈ শিশুপুত্ৰ শ্ৰীকৃষ্ণক কোবোৱা দৃশ্য, বৰশৰাই, গৰুড় মূৰ্ত্তি আদি উল্লেখযোগ্য শিল্প-সম্পদ। বৰ্ত্তমান মৰিগাঁও জিলাৰ নৰোৱা কুঁজিসত্ৰৰ বৃহৎ সাতখলপীয়া সিংহাসন, পিতলৰ বৰডবা, ২ ফুট ৩ ইঞ্চি ওখ পিতলৰ বংশীবাদন গোবিন্দ বিগ্ৰহ, শ্যাম আৰু গৌড়বৰ্ণৰ কাঠৰ দুজনা চতুৰ্ভুজ বিগ্ৰহ, ভোগজৰা, ভোৰতাল, বৰকাঁহ, পিতলৰ বৰ টৌ, বানকাঁহী-বাতি, বৰচৰিয়া, সফুঁৰা আদি আপুৰুগীয়া সম্পদ। মৰিগাঁৱৰ কালশিলীয়া সত্ৰসমূহ, শুকদল বৰবৰি, সৰুবৰি, চিপহা, দহঘৰ তেলাহি আদি সত্ৰৰ সিংহাসন, দুৱাৰৰ চৌ-কাঠ, চ'তি, ভাওনাৰ ছোঁ-মুখা, দৈপৰা সত্ৰত থকা হাতীৰ শুঁৰেৰে বেষ্টিত বিষ্ণুমূৰ্ত্তি আদি অমূল্য কলা-সম্পদে সত্ৰৰ ঐতিহ্য ৰক্ষা কৰি আছে।

অবিভক্ত নগাঁও জিলাৰ প্ৰায় সত্ৰত চিত্ৰকলা, কাৰুকলা আৰু বিভিন্ন সাঁচিপতীয়া পুথি আছিল। প্ৰাকৃতিক দুৰ্যোগৰ উপৰিও অনাদৰ-অনীহাৰ ফলত অনেক সত্ৰই বহুমূলীয়া শিল্প সম্পদ হেৰুৱাব লগা হৈছে। বেছিভাগ সত্ৰ সংৰক্ষণ সম্পৰ্কত তৎপৰ নহয়। সত্ৰৰ কলা-সংস্কৃতিৰ বহুমূলীয়া সম্পদসমূহ ভালদৰে সংৰক্ষণ কৰি ৰখাটো সত্ৰ শিচ্-ভকত, ৰাইজ আৰু চৰকাৰৰ জাতীয় কৰ্ত্তব্য।


তথ্যসূত্ৰ ঃ

১. ৰামচৰণ ঃ পদ-১৪৫৯, ১৪৬০।
২. কেশবানন্দ দেৱগোস্বামী ঃ 'সত্ৰীয়া নৃত্য আৰু ইয়াৰ পৰম্পৰা', পৃ-১৯৫।
৩. স্বৰেখাৰ বৰগীত ঃ 'প্ৰতিবেদন সঙ্গীতাংশ', সঙ্গীত নাটক একাডেমি, সম্পা- মহেশ্বৰ নেওগ, পৃ-৪১-৪৪।
৪. স্বৰেখাত ঃ প্ৰতিবেদন সাধাৰণ, পৃ-২৫।
৫. স্বৰেখাত বৰগীত ঃ পৃ-৯৪।
৬. তিলক চন্দ্ৰ মজুমদাৰঃ 'প্ৰাচীন অসমীয়া সাহিত্যৰ প্ৰাঞ্জলধাৰা', গুৱাহাটী, পৃ-১০৪।
৭. কথা গুৰু চৰিত ঃ পৃ-৫১২।

৮. বৰদোৱা গুৰুচৰিত : পৃ-৫৭।
৯. স্বৰবেখাত বৰগীত : পৃ-৩১।
১০. S.H.T. Page. 160
১১. অঙ্কাৱলী দ্ৰষ্টব্য।
১২. শ্ৰীৰাম আতা আৰু শ্ৰীৰামানন্দৰ গীত : দ্ৰষ্টব্য।
১৩. সত্ৰ-সংস্কৃতি : পৃ-৭০, ৭১।
১৪. খগেশ্বৰ গোস্বামী : 'শ্ৰীৰাম আতাৰ চৰিত্ৰ', পৃ-৪৯।
১৫. ৰামচৰণ: পদ- ১৪৬০।
১৬. গিৰিকান্ত মহন্ত : 'অসমত সত্ৰীয়া নৃত্য-গীতৰ চৰ্চা আৰু সত্ৰীয়া নৃত্য-গীতত বৰদোৱাৰ আহিঁ', 'বহাৰ বহদৈ', পৃ-২৪০।
১৭. উল্লিখিত, পৃ-২৪২।
১৮. উত্তৰ কমলাবাৰী সত্ৰৰ শ্ৰীপৰমানন্দ বৰবায়নৰ ভাষ্য।
১৯. যতীন গোস্বামী: 'শঙ্কৰী নৃত্যৰ মাটি আখৰা', পাতনি।
২০. সত্ৰসমূহৰ লিখিত টোকা আৰু ক্ষেত্ৰ অধ্যয়নৰ পৰা তথ্য যুগুতোৱা হৈছে।
২১. কলিয়াবৰ শ্ৰৱণী সত্ৰৰ প্ৰয়াত গিৰিকান্ত মহন্তৰ আলোচনাৰ তথ্য।
২২. ভৰতৰ নাট্যশাস্ত্ৰ : অসমীয়া অনুবাদ, পাতনি- মুকুন্দ মাধৱ শৰ্মা, 'অসম নাট্য সন্মিলন' প্ৰথম প্ৰকাশ ১৯৯১।
২৩. গোপাল চন্দ্ৰ বৰদলৈ : 'সত্ৰীয়া নৃত্যৰ তাত্ত্বিক জ্ঞান' পৃ-৯।
২৪. কেশৱানন্দ দেৱ গোস্বামী : সত্ৰীয়া নৃত্য-গীত আৰু ইয়াৰ পৰম্পৰা, কপিলী, পৃ-১৯৮।
২৫. বৰদোৱা গুৰুচৰিত : পৃ-৬৪।
২৬. অঙ্কাৱলী : সম্পা- কালিৰাম মেধি, পৃ-১৪৬।
২৭. উল্লিখিত : পৃ-১৫।
২৮. সত্ৰ-সংস্কৃতি : পৃ-৭০।
২৯. স্বৰবেখাৰ বৰগীত : পৃ-২৯।
৩০. যুগল দাস : 'অসমৰ চিত্ৰকলা আৰু সত্ৰীয়া পুথিচিত্ৰ', শঙ্কৰী সংস্কৃতিৰ অধ্যয়ন, পৃ-১৪২।
৩১. ৰামচৰণ : পদ- ১৪৫৭-১৪৫৯।
৩২. উল্লিখিত : পদ-১৫০২।
৩৩. বৰদোৱা গুৰুচৰিত : পৃ-৬৪।
৩৪. চিত্ৰ ভাগৱত : সংগ্ৰহ- হৰিনাৰায়ণ দত্তবৰুৱা, নলবাৰী ৫০১ শকাব্দ, মুখবন্ধ।
৩৫. পবিত্ৰ অসম: পৃ-১৫৭।
৩৬. আইভেটি ন-সত্ৰৰ ডেকা অধিকাৰ নবীন চন্দ্ৰ মহন্তৰ ভাষ্য।
৩৭. ঐতিহ্যমণ্ডিত কলিয়াবৰ : ২৮২।
৩৮. মাধৱ বৈশ্য : বৈষ্ণৱ চিত্ৰৰ ধাৰা, পৃ-৬৫।
৩৯. কৰতিপাৰ ন-সত্ৰৰ শ্ৰীলক্ষ্মীনাৰায়ণ গোস্বামীৰ পৰা পোৱা তথ্য।
৪০. ঐতিহ্যমণ্ডিত কলিয়াবৰ: পৃ-১১৪।
৪১. বৈষ্ণৱ চিত্ৰৰ ধাৰা: পৃ-৪৭।
৪২. ঐতিহ্যমণ্ডিত কলিয়াবৰ: পৃ-৭৯।
৪৩. নবেন কলিতা : 'নগাঁৱৰ পুথিচিত্ৰ', স্মৃতিগ্ৰন্থ, নগাঁও গ্ৰন্থমেলা, ১৯৯৭, পৃ-৩৯।
৪৪. নাৰায়ণ দাস : 'সত্ৰীয়া শৈলীৰ পুথিচিত্ৰ', সত্ৰসূৰ্য, পৃ-১৫৩।
৪৫. কুঁজি সত্ৰৰ শ্ৰীঅতুল চন্দ্ৰ গোস্বামীৰ বাণীবদ্ধ ভাষ্য।
৪৬. নবেন কলিতা: নগাঁৱৰ পুথিচিত্ৰ, পৃ-৩৮।
৪৭. উল্লিখিত, পৃ-৩৬।
৪৮. চিত্তৰঞ্জন বৰা : 'অহানিৰ পুবণিগুদামত চিত্ৰ চৰ্চা', স্মৃতিগ্ৰন্থ, বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয় ৰূপালী জয়ন্তী, ১৯৯২, সম্পা- কমলচন্দ্ৰ শইকীয়া, যুগলচন্দ্ৰদেৱ গোস্বামী, পৃ-৬৬।
৪৯. সত্ৰাধিকাৰ শ্ৰীধৰ্মকান্ত গোস্বামী আৰু শ্ৰীমোহন শৰ্মাৰ লগত আমি দূৰাৰকৈ ব্ৰহ্মচাৰী সত্ৰলৈ গৈ মানৱ উৎপীড়নত লণ্ডভণ্ড হোৱা সিংহাসন, পুথিপাজি, সা-সম্পদ প্ৰত্যক্ষ কৰিছোঁ।
৫০. বৰদোৱা গুৰুচৰিত : পৃ-৬০।
৫১. উল্লিখিত : পৃ-৬৪, ৬৫।

০০০

# উপ-সংহাৰ

শ্ৰীমন্ত শংকৰদেৱে প্ৰৱৰ্ত্তন কৰা ভক্তি-আন্দোলন মানৱীয় মূল্যবোধ আৰু সামাজিক চেতনা জাগৃত কৰা গণ আন্দোলনহে। পঞ্চদশ শতিকাৰ ভূঞা ৰাজ্য অৰ্থাৎ বৰ্ত্তমানৰ নগাঁও জিলাৰ বৰদোৱাত আবিৰ্ভাৱ হৈ জন্মক্ষেত্ৰৰ পৰা উজনি-নামনিৰ বিভিন্ন অঞ্চলত নানা জাতি-উপজাতি, ধৰ্ম-বৰ্ণ-সম্প্ৰদায়-ভাষাৰে বহুধা-বিভক্ত হৈ থকা সকলো লোকৰ মানৱীয় স্বত্ব সাব্যস্ত কৰি আত্মাৰ উৎকৰ্ষ সাধনেৰে সুশৃংখল আৰু ঐক্যবদ্ধ সমাজ গঢ়ি তুলিবলৈ শংকৰদেৱে গ্ৰহণ কৰা কাৰ্যসূচীৰ ফলস্বৰূপে অসমত পবিত্ৰ সত্ৰানুষ্ঠানৰ সূচনা হয়। তেওঁৰ কাৰ্য্যসূচীৰ ভক্তি-আন্দোলনে কৰ্মৰ বিভীষিকা আৰু সামাজিক শ্ৰেণীভেদৰ ব্যৱধানৰ কুঁৱলী আঁতৰাই সকলোকে ভয় নোহোৱাকৈ খোজ কাঢ়িবৰ জন্মগত অধিকাৰ দান কৰে।[১] শঙ্কৰদেৱৰ অনন্যসাধাৰণ প্ৰতিভাৰে আগবঢ়োৱা সমাজ-সাংস্কৃতিক অৱদানে অগণন লোকৰ মাজত ধৰ্ম-সংস্কৃতি প্ৰচাৰ কৰি 'দশ গুটি মনুষ্যক একমত' কৰাইছিল। সমাজৰ বঞ্চিত, অৱহেলিত, শোষিত, অস্পৃশ্য সকলো শ্ৰেণীৰ লোকক শংকৰদেৱে "নবাছে ভকতি জাতি-অজাতি"[৩], "ব্ৰাহ্মণ-চণ্ডালৰ নিবিচাৰি কুল। দাতাত চোৰত বুদ্ধি সমতুল॥"[৪] বাণীৰে আহ্বান জনাই সামূহিক ক্ষেত্ৰ সত্ৰত সমবেত কৰাইছিল। শঙ্কৰদেৱ আৰু বৈষ্ণৱাচাৰ্য মাধৱদেৱ, দামোদৰদেৱ, হৰিদেৱ, নাৰায়ণ ঠাকুৰ আৰু তেওঁলোকে পতা ধৰ্মাচাৰ্য গোপাল আতা, মথুৰা দাস বুঢ়াআতা, পদ্ম আতা, ৰামচৰণ ঠাকুৰ, বৰবিষ্ণু আতা, পুৰুষোত্তম ঠাকুৰ, বংশীগোপালদেৱ, যদুমণিদেৱ, শ্ৰীহৰি, কেশৱ চৰণ, লক্ষ্মীকান্ত আতৈ, পঢ়িয়া আতৈ, লেচাকণীয়া গোবিন্দ প্ৰভৃতি আৰু পৰৱৰ্ত্তী আন আন আচাৰ্যসকলৰ পৰা সত্ৰৰ বিস্তৃতি ঘটি অসম-কামৰূপ-বেহাৰ এই তিনিখন ক্ষমতাশালী প্ৰশাসনীয় ৰাজ্য আৰু ভিন ভিন আঞ্চলিক ৰাজ্যৰ সামাজিক আৰু সাংস্কৃতিক ঐক্য প্ৰতিষ্ঠা হয়। সত্ৰ-ধৰ্মৰ প্ৰতি সকলো শ্ৰেণীৰ লোকক আকৰ্ষণ কৰিবলৈ বিভিন্ন জাতি-উপজাতিৰ উপাদানৰ সমন্বয় ঘটাই একমন একপ্ৰাণৰ সমাজ গঢ়িবলৈ সত্ৰাচাৰ্যসকলে সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণত বিশেষ গুৰুত্ব আৰোপ কৰাটো মন কৰিবলগীয়া।

অসমৰ সমাজ-সংস্কৃতিৰ ইতিহাসত অভূতপূৰ্ব অৱদান আগবঢ়োৱা মহান সত্ৰানুষ্ঠানৰ আদৰ্শ বৰ্ত্তমান সমাজত অক্ষুণ্ণ ৰাখিব পৰা নাই। উত্তৰ-বৈষ্ণৱ যুগত নগাঁও জিলাৰ বিভিন্ন ঠাইত সম্ভৱতঃ আন জিলাৰ তুলনাত বেচি সত্ৰ স্থাপন কৰা হয়। বিশেষকৈ, মাজুলীৰ বানৰ প্ৰকোপ আৰু মানৰ আক্ৰমণত অতিষ্ঠ হৈ উজনিৰ পৰা ভটীয়াই আহি শঙ্কৰদেৱৰ ভাষাৰে– 'শস্যে, মৎস্যে অনুপম' নগাঁৱৰ বিভিন্ন ঠাইত সাধু-সন্তসকলে আজ্ঞাপৰ, বঢ়া, শলাৰন্তি, শাখা অনেক সত্ৰ প্ৰতিষ্ঠা কৰে।

আমি সত্ৰ অনুসন্ধান কৰি পোৱা তথ্যমতে বৰ্তমান নগাঁও, মৰিগাঁও দুয়োখন জিলাৰ সত্ৰ সংখ্যা প্ৰায় ১৯৭ খন। সেইসমূহৰ ভিতৰত স্বচ্ছল সত্ৰৰ সংখ্যা হ্ৰাস পাইছে। কিছুমান সত্ৰ নিশ্চিহ্ন আৰু কিছুমান নাম নাচ চলি আছে, কোনো কোনো সত্ৰত সন্ধ্যাৰ বন্তি গছিও নজ্বলা হৈছে। আজিকালি কিছুমান সত্ৰৰ লোক সত্ৰৰ ধৰ্ম, নীতি-আদৰ্শৰ প্ৰতি সম্পূৰ্ণ উদাসীন, মাথোন উপাধিটোহে তেওঁলোকৰ সৰ্বহ। আন কিছুমানে আকৌ উপাধি উন্নীত কৰাতেই ব্যস্ত।

সত্ৰৰ বিপৰ্যয় বা সংকট প্ৰসঙ্গত আৰ্থ-সামাজিক-ৰাজনৈতিক সংকট, বিজাতৰীয়া সাংস্কৃতিক প্ৰভাৱ, প্ৰব্ৰজনকাৰীৰ অবাধ বিচৰণ আৰু বেদখল, সত্ৰ-ঘৰ আৰু শিচ-ভকতৰ মিলাপ্ৰীতি-সম্ভাৱৰ অভাৱ, সত্ৰৰ ভিতৰতে সা-সম্পত্তি লৈ বিভেদ আৰু অৰিয়াঅৰি, সত্ৰ-গুৰুৰ শাস্ত্ৰজ্ঞানৰ অপৰিপক্কতা আৰু শিষ্যৰ বিদগ্ধতা, যুগৰ লগত সত্ৰীয়াৰ খোজ মিলোৱাত অনীহা, সাত্বিকতাৰ ঠাইত ৰাজসিকতাৰ প্ৰাধান্য, গুৰুগিৰীৰে ব্যৱসায়ীক মনোবৃত্তি প্ৰদৰ্শন আৰু সত্ৰ-সমাজৰ অনেকে পাশ্চাত্য প্ৰভাৱৰ বা-মৰলিত নাকনি-কাননি হোৱাৰ বাবে সত্ৰৰ অৱক্ষয় ঘটি কিছুমান সত্ৰ বিলুপ্ত আৰু মৃতপ্ৰায় হৈছে। বিশেষ উল্লেখযোগ্য, কিছুমান ঐতিহ্যপূৰ্ণ সত্ৰই যিসকলে শিক্ষা-দীক্ষা, বিষয়-বাবেৰে সমাজৰ মূধচত স্থান লয়, তেনেসকলে বিজ্ঞৰ দৰে গহন দেখুৱায় যদিও নিজ সত্ৰৰ তথ্য-পাতি দিবলৈ ইচ্ছুক নহয়। এয়া সত্ৰীয়া গোসাঁমী নে অজ্ঞতা নে অহস্মিকা তাক বুজিব পৰা নাযায়। তেনেসত্ৰৰ সমাজ-সাংস্কৃতিক অৱদান তথা ঐতিহ্য-পৰম্পৰা অধোগামী হৈ যোৱাৰ উমান পোৱা যায়।

নগাঁৱত চাৰিও সংহতিৰ সত্ৰ আছিল যদিও বৰ্তমান নিকা সংহতিৰ সত্ৰৰ পৰিচয় নাইকিয়া হৈছে। মন কৰিবলগীয়া যে বৰ্তমান সত্ৰৰ সংহতিয়ে ঐক্যৰ কথা নুবুজায়, এক সমাজ গঢ়াৰ উদ্দেশ্য আৰু আদৰ্শৰ বাবে সৃষ্টি হোৱা সত্ৰৰ মাজৰ বিভাজনকহে বুজায়। নগাঁৱৰ প্ৰতিখন সত্ৰই সংহতি সম্পৰ্কত সজাগ। আজিকালি সংহতিৰ বিভাজন কিছুমান সত্ৰত শিথিল হৈ আহিবলৈ ধৰিছে। ব্ৰহ্ম, কাল বা পুৰুষ সংহতিৰ কিছুমান সত্ৰৰ মাজত পূৰ্ব্বৰ দৰে ভেদাভেদ আঁতৰা দেখা গৈছে। অসম সত্ৰ মহাসভাৰ নগাঁৱৰ কলিয়াবৰ জিলা সত্ৰ মহাসভা বৰ সজীৱ আৰু সক্ৰিয়। কেউটা সংহতিৰ সত্ৰৰ সমন্বয় সাধন কৰাৰ কাৰণে সত্ৰ মহাসভাই আঁচনি গ্ৰহণ কৰিলে। এই আঁচনি সফল কৰি তুলিব পাৰিলে অসমৰ ধৰ্ম-সমাজ-সংস্কৃতি তথা জাতীয়ত্ব বৰ্তি থাকিব।

সত্ৰসমূহত শিচ-ভকতৰ সংখ্যা টুটিছে। কিছুমান সত্ৰৰ গোসাঁমী, সত্ৰক পৈতৃক সম্পত্তি হিচাপে গণ্য কৰি শিচ-ভকতৰ প্ৰতি গুৰুত্ব নিদিয়াত আৰু সত্ৰৰ গৰাকীপক্ষ সকলো ক্ষেত্ৰতে সৰ্বসেৰ্বা হৈ পৰাত শিচ্-ভকতৰ সত্ৰৰ লগত থকা সম্পৰ্ক ছেদ হৈ গৈছে। বিশেষকৈ, অসমত কুৰি শতিকাৰ তৃতীয় দশকতে আৰম্ভ হোৱা শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ আৰু তাৰ পিছত গঠন হোৱা নামঘৰ-কেন্দ্ৰিক ধৰ্ম-



সংস্কৃতিৰ সংগঠন সমূহলৈ শিচ্-ভকত ঢাপলি মেলিছে। সত্ৰত এইসকলৰ সংখ্যা হ্ৰাস পোৱাৰ বাবে সত্ৰই তিথি-সভাহে ভাওনা পাতিব নোৱাৰা অৱস্থা পাইছেগৈ। সেয়ে সত্ৰই এনেবোৰ কথালৈ আন্তৰিকতাৰে মন দি সত্ৰত শিচ-ভকতৰে বিষয়ববীয়া পাতি সেইসকলক কাম কৰাৰ স্বত্ব দিব লাগে।

এক সময়ত পৰ্বত-ভৈয়ামৰ বিভিন্ন গোষ্ঠী বা সম্প্ৰদায়ৰ মাজত শিক্ষা-সংস্কৃতিৰে ধৰ্মজ্ঞান দি বৰ অসমৰ ভেটি প্ৰতিষ্ঠা কৰা সত্ৰসমূহে আন ঠাইৰ আন সম্প্ৰদায়ৰ মাজত ধৰ্ম-জ্ঞান দিয়া দূৰৰ কথা, নিজৰ পূৰ্বৰ সত্ৰ-সমাজখনকে ধৰি ৰাখিব পৰা নাই। অসমৰ মাটি-পানী-বায়ুৰ লগত মিলি ভাষা-সংস্কৃতিক আঁকোৱালি লোৱা, বিশেষকৈ চাহ জনগোষ্ঠীৰ লগতে বিহাৰী, নেপালি, বঙালী, মাৰোৱাৰী, পাঞ্জাৱী প্ৰভৃতিক সত্ৰ-সংস্কৃতিৰ আওতালৈ আনি অসমৰ ভেটি সুদৃঢ় কৰাৰ বাবে সত্ৰসমূহে বাস্তৱ ব্যৱস্থা লোৱাটো প্ৰয়োজন হৈ পৰিছে।

সত্ৰৰ গীত-বৰগীত, নৃত্য-বাদ্য-নাটৰ প্ৰণালীবদ্ধ শিক্ষাৰে উঠি অহা চামৰ আধ্যাত্মিক উৎকৰ্ষ সাধন কৰি সত্ৰসমূহে সুশৃংখল সমাজ গঢ়ি তুলিব পাৰে। সত্ৰৰ সাঁচিপতীয়া পুথি, চিত্ৰকলা, ভাস্কৰ্য-স্থাপত্য, হস্তশিল্পৰ সম্পদসমূহ জাতীয় সংস্কৃতিৰ পৰিচায়ক, জাতীয় সম্পদ। অনাদৰ-অৱহেলাত যিবোৰ জহি-খহি গৈ আছে, সেই সম্পদসমূহ ৰক্ষণা-বেক্ষণৰ প্ৰয়োজন। নগাঁৱৰ সত্ৰসমূহত কিছু আপুৰুগীয়া সম্পদ আছে, কিন্তু সত্ৰ-সম্পদ সংৰক্ষণৰ ব্যৱস্থা নাই। সত্ৰসমূহে ৰাইজ আৰু চৰকাৰৰ সংশ্লিষ্ট বিভাগবোৰৰ লগত যোগাযোগ কৰি সংৰক্ষণৰ ব্যৱস্থা কৰিলে বৰ্তমান যি অৱশিষ্ট সম্পদ আছে, সেইখিনি ৰক্ষা পৰিব। ইয়াৰ উপৰি, সত্ৰসমূহত একোটা সাংস্কৃতিক চৰ্চাকেন্দ্ৰ, অধ্যয়ন কেন্দ্ৰ আৰু পুথিভঁৰাল থকাটো প্ৰয়োজন। পূৰ্বে সত্ৰত শাস্ত্ৰ পাঠ-চৰ্চা, চৰিত-পাঠ আৰু চৰ্চা কৰাৰ দৰে বৰ্তমান সত্ৰসমূহত মহাপুৰুষসকলৰ মহাজীৱনৰ কৰ্ম আৰু আদৰ্শ চৰ্চা কৰাৰ উপৰিও আধ্যাত্মিক আৰু নৈতিক শিক্ষা সম্পৰ্কীয় গল্প বা কাহিনী, নাটক, কবিতা, চিত্ৰ আৰু আন আন শিল্প-কলাৰ তথা সাংস্কৃতিক শিক্ষাৰ ব্যৱস্থা কৰিলে উত্তৰ পুৰুষ তথা সমাজৰ মঙ্গল সাধন কৰা হ'ব।

নগাঁও তথা অসমৰ আন জিলাসমূহৰ সত্ৰৰ ধৰ্ম-সাহিত্য-সমাজ-সাংস্কৃতিক অধ্যয়নৰ দ্বাৰা ঐতিহ্যমণ্ডিত সত্ৰৰ আদৰ্শ সমাজত প্ৰতিফলিত কৰিব পাৰিলে অসমৰ সমাজ আৰু জাতীয় জীৱন নিটোল, সৰ্বাঙ্গ-সুন্দৰ আৰু সুশৃংখলিত হৈ পৰিব।

---

তথ্যসূত্ৰ ঃ

১. বাণীকান্ত কাকতি ঃ পুৰণি অসমীয়া সাহিত্য, পাতনি, পৃ-৬।
২. ৰামানন্দ ঃ পদ-১৩৮।
৩. শঙ্কৰদেৱ ঃ 'কীৰ্তন', 'পাষণ্ড মৰ্দন', পৃ-৫৮।
৪. উল্লিখিত ঃ 'শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ', পদ-৩৮।

০০০

# গ্ৰন্থপঞ্জী

## চৰিত পুথি ঃ পদ-চৰিত


দৈত্যাৰি ঠাকুৰ : মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ-চৰিত, সম্পা- হৰিনাৰায়ণ দত্তবৰুৱা, নলবাৰী, ৫০৯ শঙ্কৰাব্দ।

নীলকণ্ঠ দাস : শ্ৰীশ্ৰীদামোদৰদেৱৰ চৰিত, সম্পা-শৰৎ চন্দ্ৰ গোস্বামী, ১৯২৭ চন।

ভদ্ৰচাৰু : শ্ৰীশ্ৰীঅনন্ত চৰিত, প্ৰকা- হৰিমাই দত্ত, ডিব্ৰুগড়, ১৯০৮ শক।

ভূষণ দ্বিজ : মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱ, সম্পা- দুৰ্গাধৰ বৰকটকী, যোৰহাট, ১৯২৫ চন।

ৰমানন্দ দ্বিজ : শ্ৰীশ্ৰীবংশীগোপালদেৱৰ চৰিত, সম্পা- মহেশ্বৰ নেওগ, গুৱাহাটী, ১৮৭২ চন।

ৰামানন্দ দ্বিজ, পূৰ্ণানন্দ দ্বিজ : মহাপুৰুষ শ্ৰীশ্ৰীগোপালদেৱ চৰিত, সম্পা-মোহনচন্দ্ৰ মহন্ত আৰু নবীনচন্দ্ৰ বৰদলৈ, যোৰহাট, ১৯৭৮ চন।

ৰামানন্দ দ্বিজ : শ্ৰীগুৰুচৰিত, সম্পা- মহেশ্বৰ নেওগ, দত্তবৰুৱা এণ্ড কোং, নলবাৰী, ১৯৫৭।

ৰামচৰণ ঠাকুৰ : গুৰুচৰিত, সম্পা- হৰিনাৰায়ণ দত্তবৰুৱা, নলবাৰী, ৫০৬ শঙ্কৰাব্দ।

ৰামৰায় : গুৰুলীলা, সম্পা- মহেন্দ্ৰমোহন চৌধুৰী, কলিকতা-৭, ১৮৮৬ শক।


## গদ্য-চৰিত ঃ


কথা-গুৰুচৰিত : সম্পা- উপেন্দ্ৰ চন্দ্ৰ লেখাৰু, হৰিনাৰায়ণ দত্তবৰুৱা, প্ৰকাশিত, নলবাৰী, ১৯৫২ চন।

গুৰুচৰিত-কথা : সম্পা- মহেশ্বৰ নেওগ, গুৱাহাটী, ২য় তাঙৰণ, ১৯৯৯ চন।

বৰদোৱা-গুৰুচৰিত : সম্পা- মহেশ্বৰ নেওগ, গুৱাহাটী বুক ষ্টল, ১৯৭৭।


## পুৰণি পুথি ঃ


মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱ : কীৰ্ত্তন-ঘোষা আৰু নামঘোষা, সম্পা- কৰবী ডেকা হাজৰিকা, ডিব্ৰুগড়, ১৯৯৯ চন।

মাধৱ কন্দলি : সপ্তকাণ্ড ৰামায়ণ, সম্পা- হৰিনাৰায়ণ দত্তবৰুৱা, নলবাৰী, ২য় তাঙৰণ।

শ্ৰীশ্ৰীমাধৱদেৱ : বৰগীত, সম্পা- ৰাজমোহন নাথ, যোৰহাট, ১৯৪৫ চন।

শ্ৰীশ্ৰীশঙ্কৰদেৱ বাক্যামৃত : সম্পা- হৰিনাৰায়ণ দত্তবৰুৱা, নলবাৰী, ১৯৬৪ চন।

শ্ৰীৰাম আতা আৰু শ্ৰীৰামানন্দৰ গীত : সম্পা- বিৰিঞ্চি কুমাৰ বৰুৱা, সাহিত্য প্ৰকাশ গুৱাহাটী, ১৯৫৪ চন।


## বুৰঞ্জী ঃ


অসম বুৰঞ্জী : সম্পা- সূৰ্যকুমাৰ ভূঞা, বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, অসম, ২য় তাঙৰণ, ১৯৬০ চন।

অসম বুৰঞ্জী সাৰ : সম্পা- প্ৰতাপ চন্দ্ৰ চৌধুৰী, বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, গুৱাহাটী, অসম, ৩য় তাঙৰণ, ১৯৬৪ চন।

গুণাভিৰাম বৰুৱা : অসম বুৰঞ্জী, অসম প্ৰকাশন পৰিষদ, ১ম প্ৰকাশ, গুৱাহাটী, ১৯৭২ চন।

চেনেহী বেগম : অসম বুৰঞ্জী (অনূদিত), ২য় প্ৰকাশ, গুৱাহাটী, ২০০০ চন।

ডি. ডি. কৌশাম্বী : ভাৰতৰ ইতিহাস (অনু-বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য), অসম প্ৰকাশন পৰিষদ, ১ম প্ৰকাশ ১৯৭৫ চন।

মণিৰাম দেৱান : বুৰঞ্জী বিবেক ৰত্ন, ২য় খণ্ড, বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, অসম, সংৰক্ষিত, ১৮৩৮ চন।

সূৰ্যকুমাৰ ভূঞা : স্বৰ্গদেউ ৰাজেশ্বৰ সিংহ, অসম প্ৰকাশন পৰিষদ, ১ম প্ৰকাশ, ১৯৭৫ চন।

হিতেশ্বৰ বৰবৰুৱা : আহোমৰ দিন, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ১৯৯৭ চন।


## সাহিত্য-সমাজ-সংস্কৃতি বিষয়ক গ্ৰন্থ ঃ


অতুল চন্দ্ৰ হাজৰিকা : মঞ্চলেখা, গুৱাহাটী, ১ম প্ৰকাশ ১৯৬৭ চন।

অনিল ৰায় চৌধুৰী : অসমৰ সমাজ ইতিহাসত নৱবৈষ্ণৱবাদ, গুৱাহাটী, ১৯৯৫ চন।

অৱনীন্দ্ৰ নাথ ঠাকুৰ : ভাৰতীয় শিল্পত মূৰ্তি (অনু- বীৰেন্দ্ৰ নাথ দত্ত), গুৱাহাটী, ১৯৭৫ চন।

উপেন্দ্ৰ নাথ গোস্বামী : বৈষ্ণৱ ভক্তিধাৰা আৰু সন্তকথা, গুৱাহাটী, ১৯৮৭ চন।

কেশৱানন্দ দেৱগোস্বামী : সত্ৰ-সংস্কৃতিৰ ৰূপৰেখা, গুৱাহাটী, ১৮৯৫ শক।

চি. শিৱৰাম মূৰ্ত্তি : ভাৰতীয় চিত্ৰকলা (অনু- শোভা ব্ৰহ্ম), গুৱাহাটী, ১৯৭৫ চন।

তিলকচন্দ্ৰ মজুমদাৰ : প্ৰাচীন অসমীয়া সাহিত্যৰ প্ৰাঞ্জলধাৰা, গুৱাহাটী, ১৯৮৭ চন।

তীৰ্থনাথ শৰ্মা : আউনীআটী সত্ৰৰ বুৰঞ্জী, আউনীআটী, ১ম তাঙৰণ, ১৯৭৫ চন।

ধৰণীধৰ চৌধুৰী : ভাৰতীয় ভক্তিধাৰা বিভিন্ন প্ৰান্তত, গুৱাহাটী, ১ম প্ৰকাশ, ১৯৯৮ চন।

নাৰায়ণ চন্দ্ৰ গোস্বামী : সত্ৰীয়া সংস্কৃতিৰ স্বৰ্ণৰেখা, নতুন কমলাবাৰী সত্ৰ, মাজুলী, ১ম প্ৰকাশ, ১৯৮৪ চন।

নিৰুপমা মহন্ত : সত্ৰ-সংস্কৃতিৰ ৰূপছাঁয়া, ১ম প্ৰকাশ, শিৱসাগৰ, ২০০১ চন।

পৰীক্ষিত হাজৰিকা : আলোচনা সাহিত্য, ৩য় প্ৰকাশ, গুৱাহাটী, ১৯৯২।

বাণীকান্ত কাকতি : পুৰণি অসমীয়া সাহিত্য, অসম প্ৰকাশন পৰিষদ, ২য় প্ৰকাশ, ২০০১ চন।

বিৰিঞ্চি কুমাৰ বৰুৱা : অসমীয়া ভাষা আৰু সংস্কৃতি, ২য় সংস্কৰণ, গুৱাহাটী, ১৯৬৩ চন।

বীৰেন্দ্ৰ নাথ দত্ত : অসমীয়া সঙ্গীতৰ ঐতিহ্য, অসম সাহিত্য সভা, গুৱাহাটী, ১৯৭৭ চন।

বেণুধৰ শৰ্মা : দক্ষিণপাট সত্ৰ, ১ম প্ৰকাশ, গুৱাহাটী, ১৯৬৭ চন।

মহিম বৰা : চিন্তা-বিচিত্ৰা, ১ম প্ৰকাশ, গুৱাহাটী, ১৯৭৫ চন।

মহেশ্বৰ নেওগ : পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি, গুৱাহাটী, ১৯৮৫ চন।

মহেশ্বৰ নেওগ : স্বৰৰেখাত বৰগীত (সম্পাদিত), সঙ্গীত নাটক একাডেমী, শ্বিলং, ১৯৫৮ চন।

মহেশ্বৰ নেওগ : পবিত্ৰ অসম (সম্পাদিত), ৩য় সংস্কৰণ, গুৱাহাটী, ১৯৯১ চন।

মাধৱ বৈশ্য : বৈষ্ণৱ চিত্ৰৰ ধাৰা, অসম সাহিত্য সভা, যোৰহাট, ১৯৯৯ চন।

মিনতি হাজৰিকা : অসমৰ মধ্যযুগৰ চৰিত পুথিৰ এটি অধ্যয়ন, গুৱাহাটী, ১৯৯৭ চন।

মুকুন্দ মাধৱ শৰ্মা : ভৰতৰ নাট্যশাস্ত্ৰ (অনূদিত), অসম নাট্য সন্মিলন, ১ম প্ৰকাশ, ১৯৯১ চন।

যুগল দাস : অসমৰ লোককলা, অসম প্ৰকাশন পৰিষদ, ১ম প্ৰকাশ, ১৯৬৮।

লীলাধৰ বৰা : ঐতিহ্যমণ্ডিত কলিয়াবৰ, ২য় প্ৰকাশ, গুৱাহাটী, ১৯৯৩ চন।
লীলা গগৈ : অসমৰ সংস্কৃতি, ২য় সংস্কৰণ, গুৱাহাটী, ১৯৮৪ চন।
শিৱনাথ বৰ্মন : শ্ৰীমন্ত শঙ্কৰদেৱ ঃ কৃতী আৰু কৃতিত্ব, ৩য় প্ৰকাশ, গুৱাহাটী, ১৯৯৭ চন।
সত্যেন্দ্ৰ নাথ শৰ্মা : অসমীয়া নাট্য সাহিত্য, গুৱাহাটী, ৩য় সংস্কৰণ, ১৯৭৩ চন।
সৰ্বেশ্বৰ ৰাজগুৰু : ইতিহাসৰ পাতমেলি, ২য় প্ৰকাশ, নগাঁও, ১৯৯০ চন।
সুৰেশচন্দ্ৰ গোস্বামী : শঙ্কৰী নাট্য-নৃত্যকলা, ১ম প্ৰকাশ, গুৱাহাটী, ১৯৮২ চন।
হৰিশ্চন্দ্ৰ ভট্টাচাৰ্য : অসমীয়া নাট্য সাহিত্যৰ জিলিঙনি, গুৱাহাটী, ১৯৭৬।
হৰিনাথ পাঠক চৌধুৰী : ধৰ্ম আৰু কৰ্মৰ তাৎপৰ্য, গুৱাহাটী, ১৯৭২ চন।
হৰিনাৰায়ণ দত্ত বৰুৱা : চিত্ৰ ভাগৱত (সম্পাদিত আৰু সংগৃহীত), নলবাৰী, ৫০১ শঙ্কৰাব্দ।
হৰিনাৰায়ণ দত্তবৰুৱা : কায়স্থ সমাজৰ ইতিবৃত্ত, নলবাৰী, ১৯৪২ চন।

জীৱনী গ্ৰন্থ ঃ

অৰ্জুন দাস : মহাপুৰুষীয়া ধৰ্মৰ পঞ্চৰত্ন, হাউলী, ১৯৬৬ চন।
অক্ষয় কুমাৰ মিশ্ৰ : শ্ৰীশ্ৰীমথুৰাদাস বুঢ়া আতা, বৰপেটা, ১৯৯০ চন।
কমলাকান্ত শইকীয়া : গুৰুচৰিত (আদ্য, মধ্য, শেষলীলা) নগাঁও, ১৯৬৩, ১৯৬৫ চন।
খগেশ্বৰ গোস্বামী : শ্ৰীৰাম আতাৰ চৰিত্ৰ, সম্পা- হৰেশ্বৰ গোস্বামী, নগাঁও, ১৯৯৪ চন।
নৰনাৰায়ণ দেৱগোস্বামী : দেৱদামোদৰ গুৰু (সম্পাদিত), গুৱাহাটী, ১৩৭৫ চন।
নৰেন্দ্ৰ নাথ দত্ত : কথাৰ সাগৰ শ্ৰীশ্ৰীগোপালদেৱ, যোৰহাট, ১৯৯৩ চন।
বীৰেন্দ্ৰ কুমাৰ গোহাঁই : শ্ৰীঅনিৰুদ্ধদেৱ, ১৯৯_
বাপচন্দ্ৰ মহন্ত : মহাপুৰুষ শঙ্কৰদেৱ, যোৰহাট, ১৯৬৪ চন।
মহেশ্বৰ নেওগ : শ্ৰীশ্ৰীশঙ্কৰদেৱ, গুৱাহাটী, ২য় তাঙৰণ, ১৯৫৮ চন।
লক্ষ্মীনাথ বেজবৰুৱা : মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ, ২য় সংস্কৰণ, গুৱাহাটী, ১৯৬৩ চন।
লীলা ভূঞা : দুজনা গুৰু আৰু আতাসকলৰ চমু পৰিচয়, নাৰায়ণপুৰ, ১৯৮৩ চন।
শিৱনাথ বৰ্মন : শ্ৰীমন্ত শঙ্কৰদেৱ আৰু তেওঁৰ যুগৰ বৈষ্ণৱাচাৰ্যসকল, পাহি প্ৰকাশন; গুৱাহাটী, ১৯৯৫ চন।
হৰকান্ত দাস : মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ, গুৱাহাটী, ১৯৯৭ চন।

বিবিধ গ্ৰন্থ ঃ

কমলচন্দ্ৰদেৱ গোস্বামী : উত্তৰ কমলাবাৰীৰ সত্ৰৰ ইতিবৃত্ত, কমলাবাৰী, ১৯১৯ শক।
গকুল পাঠক : বৰপেটা সত্ৰৰ ইতিহাস, ১ম প্ৰকাশ, বৰপেটা, ১৩৬৬ চন।
গজেন ৰাজখোৱা : বৰদোৱা আলিপুখুৰী, বটদ্ৰৱা, ১৯৯৮ চন।
গুণেশ্বৰ ডেকা : মন্ত্ৰ প্ৰসিদ্ধ মায়ং আৰু পবিতৰাৰ ইতিহাস, মৰিগাঁও, ১ম প্ৰকাশ, ১৯৯৪ চন।
গোপাল চন্দ্ৰ বৰদলৈ : সত্ৰীয়া নৃত্যৰ তাত্ত্বিক জ্ঞান, ১ম প্ৰকাশ, গুৱাহাটী, ১৯৯৮ চন।
জগন্নাথ পাটগিৰি : অবিভক্ত গোৱালপাৰা জিলাৰ সত্ৰ আৰু মঠ-মন্দিৰ, গুৱাহাটী, ১৯৯১ চন।
জে, চি, মহন্ত : মহাপুৰুষ অনিৰুদ্ধদেৱৰ চৰিত্ৰ আৰু শ্ৰীশ্ৰীকাংসপাৰ সত্ৰৰ ইতিবৃত্ত, ১৯৯০ চন।
তিলকচন্দ্ৰ মজুমদাৰ : সত্ৰৰ গুৰিকথা ঃ অসমৰ সত্ৰ আৰু ইয়াৰ ক্ৰমবিকাশ, নগাঁও, ৫৫১ শঙ্কৰাব্দ।





তিলক দাস : সত্ৰসমূহৰ নাম-প্ৰসঙ্গ আৰু নীতি-নিৰ্বন্ধ, বৰপেটা, ৫২৪ শঙ্কৰাব্দ।
দণ্ডীৰাম দত্ত : গুৰু গুণমালা (সম্পাদিত), গুৱাহাটী, ৫২৯ শঙ্কৰাব্দ।
দিলীপকুমাৰ মহন্ত : ৰূপনাৰায়ণ (সম্পাদিত), কলিয়াবৰ, ১৯৯৯।
দ্বিজেন্দ্ৰ নাথ ভকত : সত্ৰৰ সমীক্ষামূলক ইতিবৃত্ত, ধুবুৰী, ১৯৯৫ চন।
নগেন শইকীয়া : গৱেষণা-পদ্ধতি পৰিচয়, ডিব্ৰুগড়, ১৯৯৪ চন।
নীৰদা মহন্ত : নাম প্ৰেমৰ জৰী, নতুন শ্ৰৱণী সত্ৰ, ডিমৰুগুৰি, ২০০০ চন।
পঙ্কজ গোস্বামী : শ্ৰীশ্ৰীনেপালি সত্ৰৰ বংশাৱলী (সম্পাদিত), যোৰহাট, ১৯২১ শক।
বীৰেণ দাস : নাম-প্ৰসঙ্গ প্ৰণালী, গুৱাহাটী, ২য় প্ৰকাশ, ১৯৯২ চন।
মহীকান্ত গোস্বামী : বৈষ্ণৱ ধৰ্মকৃত্য, নগাঁও, ১৯০৭ শক।
যতীন গোস্বামী : অসমৰ সত্ৰ কথা, অসম সত্ৰ মহাসভা, গুৱাহাটী, ২০০১ চন।
যতীন গোস্বামী : শঙ্কৰী নৃত্যৰ মাটি আখৰা, শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘ, নগাঁও, ২য় প্ৰকাশ, ২০০১ চন।
যোগেন্দ্ৰ নাথ মহন্ত : কোৱামৰা সত্ৰৰ চমু ইতিবৃত্ত, ডিব্ৰুগড়, ১৯৭৮ চন।
ৰত্নেশ্বৰ গোঁসাই : শ্ৰীশ্ৰীগোপালদেৱ কথা চৰিত (সম্পাদিত), নগাঁও, ১৮৮০ শক।
ৰবীন্দ্ৰনাথ দেৱ চৌধুৰী : অসমৰ দুৰ্দশাগ্ৰস্ত সত্ৰসমূহ, সংগ্ৰহালয় সঞ্চালক, অসম, ১৯৯০ চন।
ৰমাকান্ত মুক্তিয়াৰ : বটদ্ৰৱা থানৰ চৰিত্ৰ, নগাঁও, ২য় তাঙৰণ, ৫০৩ শঙ্কৰাব্দ।
ললিত চন্দ্ৰ গোস্বামী : শ্ৰীশ্ৰীযুক্ত দামোদৰ গুৰু বংশাৱলী, সম্পা- প্ৰমোদ চন্দ্ৰ কাকতি, দিহিনা, কামৰূপ, ২০০১।
সনত মহন্ত : শ্ৰীশ্ৰীকালশিলা চৰিত, মৰিগাঁও, ১ম প্ৰকাশ, ১৯৯০ চন।
হেমচন্দ্ৰ বৰুৱা : হেমকোষ, গুৱাহাটী, ৬ষ্ঠ সংস্কৰণ, ১৯৮৫ চন।
হেমচন্দ্ৰ শইকীয়া : দ্বিতীয় বৈকুণ্ঠ বটদ্ৰৱাৰ বুৰঞ্জী, যোৰহাট, ১৯৯৮ চন।

বঙলা গ্ৰন্থ ঃ

অমূল্যচৰণ বিদ্যাভূষণ : ভারত সংস্কৃতির উৎসধারা, ভারত লাইব্রেরী, কলিকতা-১২, ১ম প্ৰকাশ-১৩৭২ চন।
ধীৰেন দাস : শ্ৰীমন্ত শঙ্কর বেহার রাজ্যে, অনু-বীণাপাল, গৌরীপুর, ৫৩৩ শঙ্কৰাব্দ।
পঞ্চানন তৰ্কৰত্ন : সম্পা- শ্ৰীমদ্ভাগৱত, কলিকতা, ১৯০৮।
ভগৱতীচৰণ বন্দ্যোপধ্যায় : কোচবিহারের ইতিহাস, কলিকতা, ১৯৮৭ চন।
লোচন শৰ্মা : রাগ-তরঙ্গিনী, অনু-রাজেশ্বর মিত্র, কলিকতা, ১৩৯১ চন।
সুকুমাৰ সেন : ভারতীয় সাহিত্যের ইতিহাস, গ্ৰন্থ প্ৰকাশ, কলিকতা-১২, ২য় প্ৰকাশ, ১৩৭৩ চন।

ইংৰাজী গ্ৰন্থ ঃ

Varman Shivram Apte : The Students' Sanskrit Dictionary : Delhi, 1982 Edition.
Birinchi Kumar Baruah : A Cultural History of Assam, Gauhati, 2nd Edition, 1969.
D.P. Baruah : Assam District Gazetters, Edited-1978, Nagaon Dist.
Kaliram Medhi : Studies in Vaisnava Literature & Culture of Assam, Asam Sahitya Sabha, 1978.
Kanak Ch. Sarma : On Satra Institution of Assam, Guwahati-2001.
Keshavananda Dev Goswami : Post Sankardeva Vaisnavite Faith and Culture of Assam, New-Delhi, 1st Edition-1988.

Maheswar Neog : Sankardeva and His Times, Lawyer's Book Stall, Guwahati, 3rd Edition-1998.

Maheswar Neog and Keshav changkakati : Satriya Dances of Assam and Their Rhythms, Publication Board, 1975.

Manuscripts Preserved at Sankdardeva Gavashana Kendra, Batadrawa, 1984.

Sarbeswar Rajguru : Medieval Assamese Society, Asami, Nagaon, 1988.

Satyendra Nath Sarma : The Neo-Vaisnavite Movement and The Institution of Assam, Guwahati, 1966.

Satyendra Nath Sarma : A Socio-Economic and Cultural History of Medieval Assam, 1st Edition, Guwahati, 1989.

Sir Edward Gait : A History of Assam, Guwahati, 7th Edition-1997.

সম্পাদিত গ্ৰন্থ ঃ

অঙ্কমালা ঃ সম্পা- কেশবানন্দ দেৱ গোস্বামী, গুৱাহাটী, ১৯৭৯ চন।

অঙ্কাৱলী ঃ সম্পা আৰু সংগ্ৰহ- কালিৰাম মেধি, গুৱাহাটী, ১৯৫০ চন।

অঙ্কীয়া নাট ঃ সম্পা- বিৰিঞ্চি কুমাৰ বৰুৱা, বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, গুৱাহাটী, ১৯৫৪ চন।

বৰদোৱা ঃ সম্পা- কমল চন্দ্ৰ বৰা, শ্ৰীশ্ৰীবটদ্ৰৱা থান পৰিচালনা সমিতি, ৫২৭ শঙ্কৰাব্দ।

ৰাসৰেখা ঃ শতবাৰ্ষিকী ৰাসোৎসৱ, ৰামদিয়া, ২০০১।

শঙ্কৰী সংস্কৃতিৰ অধ্যয়ন ঃ সম্পা- ভৱ প্ৰসাদ চলিহা, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, অসম, গুৱাহাটী, ১৯৮১ চন।

শ্ৰীমন্ত ঃ সম্পা- প্ৰফুল্ল চন্দ্ৰ বৰা, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, প্ৰথম প্ৰকাশ, ভাদ-৫১৭ শঙ্কৰাব্দ।

শ্ৰীশ্ৰীনৰোৱা বালিসত্ৰৰ চমু ইতিবৃত্ত ঃ বালিসত্ৰ, নগাঁও, ১৯৯৪ চন।

সত্ৰ সংৰক্ষণ ঃ সম্পা- ৰামচৰণ ঠাকুৰীয়া, সংগ্ৰহালয় সঞ্চালক, অসম, ১৯৯৮ চন।

সত্ৰসূৰ্য ঃ সম্পা- নৃপেন্দ্ৰ কুমাৰ মহন্ত, ফণী বৰা আৰু অন্যান্য, কলিয়াবৰ জিলা সত্ৰ মহাসভা, ১৯৯৭ চন।

স্নাতকৰ কথাবন্ধ ঃ সম্পা- মহেশ্বৰ নেওগ, গুৱাহাটী বিশ্ববিদ্যালয়, ১৯৭৫।

সাহিত্যৰ বেদীত নগঞা পূজাৰী ঃ সম্পা- ৰতিমোহন নাথ, নগাঁও সাহিত্য সভা, ১৯৮৭ চন।

স্মৃতিগ্ৰন্থ ঃ

কপিলী ঃ অসম সাহিত্য সভাৰ ৫২তম্ অধিবেশন, কামপুৰ; সম্পা- ধীৰেণ চন্দ্ৰকাকতি, ৫৩৭ শঙ্কৰাব্দ।

কল্পতৰু ঃ স্মৃতিগ্ৰন্থ, প্ৰাচীন অসমৰ কায়স্থ সমাজ, ৬৪তম্ মৰিগাঁও অধিবেশন, সম্পা- সদানন্দ মহন্ত, ১৯৯৬ চন।

কল্পতৰু ঃ স্মৃতিগ্ৰন্থ, অসম সত্ৰ মহাসভা, ৩৪তম্ অধিবেশন, সম্পা- প্ৰদীপজ্যোতি মহন্ত, জয়জ্যোতি গোস্বামী, গুৱাহাটী, ২০০১।

নগাঁও জিলাৰ অঙ্কীয়া নাট অভিবৰ্ত্তন ঃ স্মৃতিগ্ৰন্থ, হাতীচোং, নগাঁও, সম্পা- সুশীল বৰা, ৫২৮ শঙ্কৰাব্দ।





পৰিতৰা ঃ স্মৃতিগ্ৰন্থ, অসম সাহিত্য সভাৰ ৬০ তম মৰিগাঁও অধিবেশন. সম্পা- নৱকান্ত বৰদলৈ. ১৯৯৪ চন।

পালনাম আৰু ৰাবগঞা ভাওনা ঃ সম্পা- গিৰিকান্ত গোস্বামী. নেহেৰুবালি. নগাঁও. ১৯৮৯ চন।

পূৰ্ণমূৰ্ত্তি ঃ শ্ৰীশ্ৰীগোপাল আতাৰ আৱিৰ্ভাৱ আৰু তিৰোভাৱ তিথি মহোৎসৱ, নগাঁও, সম্পা- সুশীল বৰা, ২০০০ চন।

বাৰেচহৰীয়া ভাওনা মহোৎসৱ ঃ স্মৃতিগ্ৰন্থ. জামুগুৰিহাট. তেজপুৰ. সম্পা- গণেশ পাঠক. ৫৪৪ শঙ্কৰাব্দ।

বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয় ঃ স্মৃতিগ্ৰন্থ, ৰূপালী জয়ন্তী. সম্পা- কমল চন্দ্ৰ শইকীয়া, যুগলচন্দ্ৰ দেৱগোস্বামী. ১৯৯২ চন।

বুঢ়াগোঁসাই ঃ স্মৃতিগ্ৰন্থ, ডেৰশ বছৰীয়া ভাওনা মহোৎসৱ, সম্পা- অখিল চন্দ্ৰ ভাগৱতী. চৰাইবাহী, ২০০১ চন।

বৈকুণ্ঠ প্ৰকাশ ঃ স্মৃতিগ্ৰন্থ, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ৬৫ তম্ অধিবেশন, বৰপেটা, সম্পা- মাধৱদাস, ১৯৯৬ চন।

মণিকূট ঃ অসম সাহিত্য সভাৰ ৬৫ তম্ অধিবেশন, হাজো, সম্পা- ধ্ৰুৱজ্যোতি চৌধুৰী, ১৯৯৯ চন।

ৰহাৰ ৰহদৈ ঃ অসম সাহিত্য সভাৰ ৪৭তম্ অধিবেশন, ৰহা, সম্পা- নবেন কলিতা, ৫৩১ শঙ্কৰাব্দ।

শ্ৰীশ্ৰীশঙ্কৰদেৱৰ স্মৃতিগ্ৰন্থ ঃ শ্ৰীশ্ৰীশঙ্কৰদেৱৰ সঙ্ঘ, অসম, লক্ষীমপুৰ, সম্পা- বেণুধৰ দাস, গোবিন্দ মোহন ডেকা, ১৯৭০ চন।

সত্ৰ মঞ্জৰী ঃ অসম সত্ৰ মহাসভা পত্ৰিকা, যোৰহাট, সম্পা- দুলাল গোস্বামী, ২০০১ চন।

সত্ৰ-সিন্ধু ঃ অসম সত্ৰ সঙ্ঘৰ ৩৯তম্ অধিবেশন, গুৱাহাটী, সম্পা- দুলাল গোস্বামী, অমল চন্দ্ৰ মহন্ত, ১৯১২ শক।

সৌমাৰ জ্যোতি ঃ স্মৃতিগ্ৰন্থ, শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘৰ ৬২তম্ অধিবেশন, দুলীয়াজান, সম্পা- ৰীবেন চেতিয়া, ভানুপ্ৰসাদ শৰ্মা আৰু অমিয় খনিকৰ, ১৯৯৩ চন।

স্মৃতিগ্ৰন্থ ঃ সোণালী জয়ন্তী, শ্ৰীশ্ৰীশঙ্কৰদেৱৰ মন্দিৰ, জুৰীয়া, সম্পা- গুণ শইকীয়া, ৫৩৯ শঙ্কৰাব্দ।

স্মৃতিগ্ৰন্থ ঃ শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘৰ ৪২তম্ অধিবেশন, নগাঁও, সম্পা- পূৰ্ণেশ্বৰ বৰদলৈ, ১৯৭৩ চন।

আলোচনী / বাতৰি কাকত ঃ

অগ্ৰদূত ঃ সম্পা- কনকসেন ডেকা, ১২শ বছৰ, ১৮ মাৰ্চ, ১৯৮২ চন।

অসমীয়া খবৰ ঃ সম্পা- ক্ষীৰেণ ৰয়, ২১ ডিচেম্বৰ, ২০০৩।

কলংপাৰ ঃ সম্পা- বলেন বৰা, নগাঁও, ২০০২।

দৈনিক অসম ঃ সম্পা- অনিল বৰুৱা, ১ আগষ্ট

দৈনিক অসম ঃ প্ৰফুল্ল গোবিন্দ বৰুৱা, মাৰ্চ, ২০০২ চন।

প্ৰান্তিক ঃ সম্পা- ভবেন্দ্ৰ নাথ শইকীয়া, ১৬-৩০ নবেম্বৰ, ১৯৯৯ চন।

সাপ্তাহিক নীলাচল ঃ সম্পা- মুনীন্দ্ৰ নাৰায়ণ দত্তবৰুৱা, ১৭ অক্টোবৰ, ১৯৭৯ চন।


০০০

## সত্ৰপঞ্জী


| নাম | পৃষ্ঠা |
|---|---|
| **নগাঁও ঃ** | |
| বৰদোৱা | ৪৯ |
| **পুৰুষ সংহতি ঃ** | |
| আইভেটি শলগুৰি | ৬১ |
| আইভেটি শলগুৰি ন-সত্ৰ | ৬২ |
| কবচোং | ৭১ |
| কবচোং তেলিয়া পহুকটা | ৭২ |
| কুঢ়িমৰা | ৬৪ |
| কোবাইকটা | ৭৩ |
| খুন্দামৰা তুলসীমুখ | ৭৬ |
| খুন্দামৰা নৈনে | ৭৫ |
| খুন্দামৰা ভেৰভেৰী | ৭৫ |
| গোনামৰা ভেলেউগুৰি | ৭৭ |
| চামগুৰি | ৬৭ |
| চিপহা (চুপহা) নৈনে | ৬৭ |
| চেপেটিমৰা | ৬৪ |
| তামোলবাৰী | ৭১ |
| দিচিয়াল নৈনে | ৮৩ |
| দিচিয়াল ফৌজদাৰী/খুটিকটীয়া | ৮৩ |
| দিচিয়াল পকামূৰা | ৮২ |
| দিচিয়াল বিৰহ বেবেজীয়া | ৮২ |
| দিচিয়াল বেবেজীয়া | ৮২ |
| দিচিয়াল বাইদঙ্গিয়া | ৮৩ |
| দীঘলী চৰাইখোৰোং বাইদঙ্গিয়া | ৬৫ |
| দীঘলী নতুন ভোগবাৰী | ৬৬ |
| দীঘলী পুৰণা ভোগবাৰী | ৬৬ |
| দীঘলী বৰপাথৰি পানীগাঁও | ৬৫ |
| ধ্ৰুৱলী | ৭১ |
| নবোৱা তলিবিল | ৬০ |
| নবোৱা বালিসত্ৰ | ৫৮ |
| নবোৱা ভেটিয়নী | ৫৯ |
| নবোৱা ৰামপুৰ | ৫৯ |
| নাচনীপাৰ | ৭২ |
| নেপালি | ৭৩ |
| নিকামূল উৰিয়াগাঁও | ৭৮ |
| ফুলবাৰী | ৬৮ |
| বৰ এলেঙি দগাঁও | ৮০ |
| বৰ এলেঙি বৰসত্ৰ মাজপোতনি | ৮১ |
| বৰ এলেঙি বান্ধনি | ৮১ |
| বৰদোৱা নবোৱা | ৫৬ |
| বৰদোৱা শলগুৰি | ৬০ |
| বালিসত্ৰ গধবীয়া | ৭৯ |
| বালিসত্ৰ নগাঁও | ৮০ |
| বালিসত্ৰ যমুনামুখ | ৮০ |
| মঠবৰৰি | ৬৭ |
| মদাবগুৰি জাজৰি | ৭৮ |
| মদাবগুৰি নৈনে | ৭৮ |
| ৰত্নপুৰ | ৭১ |
| ৰূপনাৰায়ণ এলেঙি বেবেজীয়া | ৭৬ |
| ৰূপনাৰায়ণ জাজৰি/ভেৰভেৰী | ৭৭ |
| লতাবোৰা | ৭০ |
| লেটুগ্ৰাম পুৰণিগুদাম | ৭৯ |
| লেতেৰি শলগুৰি | ৬৩ |
| শালমৰা | ৬৮ |
| শ্যামকানু কঠিয়াতলী | ৭৭ |
| শ্যামকানু পাথৰি | ৭৭ |
| **ব্ৰহ্ম সংহতি ঃ** | |
| আউনীআটী কৃষ্ণাইঘাট | ৯২ |
| আউনীআটী চামগুৰি | ৯২ |
| আউনীআটী ধিং | ৯২ |
| আউনীআটী নগাঁও | ৯১ |
| আউনীআটী বৰবাৰী | ৯২ |
| কছাৰী সত্ৰ দক্ষিণপাট | ৯৩ |
| কাছাৰী যোৰা | ৯৪ |
| কামপুৰ | ৯৫ |
| কুকুৰাবাহী নগাঁও | ৮৫ |
| গড়মূৰ পুৰণিগুদাম | ৯৩ |
| চেংলাই শালমৰা | ৮৯ |
| জখলাবন্ধা | ৯৭ |
| জগৰাল | ৯৩ |
| ডিফলু | ৮৬ |
| ডোখৰামুখ | ৮৮ |






| নাম | পৃষ্ঠা |
|---|---|
| ন-ভাগতী | ৯৫ |
| ফৰিংমিশ্ৰ | ৯৭ |
| ফুলগুৰি গড়মূৰ | ৯৩ |
| ব্ৰহ্মচাৰী | ৯৫ |
| ব্ৰহ্মচাৰী তেলিয়া পহুকটা | ৯৬ |
| মাহৰা ডিমৌ | ৮৭ |
| মুৰাৰি নৈনে | ৯১ |
| লাংটা সত্ৰ | ৯৩ |
| শ্ৰৱণী কুঠৰী | ৯১ |
| শ্ৰৱণী টকৌবাৰী | ৯০ |
| শ্ৰৱণী দগাঁও | ৯০ |
| হৰিমিশ্ৰ নৈনে পানীগাঁও | ৯৮ |
| হৰিমিশ্ৰ ভেৰভেৰী | ৯৭ |
| **কাল সংহতি ঃ** | |
| আমতলা জাজৰি (দ-গজলা) | ১০৯ |
| আমতলা জাজৰি (বৰি গজলা) | ১১০ |
| আঁহতগুৰি জাজৰি | ১০৭ |
| আঁহতগুৰি হুজগাঁও | ১০৮ |
| কলাকটা শেনছোৱা | ৯৯ |
| খৌৱামোচৰ চকলাঘাট | ১১২ |
| খৌৱামোচৰ মাজজাজৰি | ১১২ |
| গজলা ভোটাইগাঁও | ১১০ |
| গজলা মদাবগুৰি | ১১১ |
| চৰিপোতা উলুবাৰী | ১০২ |
| চৰিপোতা এফলিয়াবৰি | ১০২ |
| চৰিপোতা কোটোহা | ১০৩ |
| চৰিপোতা জাজৰি | ১০৩ |
| চৰিপোতা বেবেজীয়া | ১০৩ |
| চেঁচা | ১১৩ |
| টুপৰ কলাকটা | ১০০ |
| ডৌকাচাপৰি পাথৰি | ১০০ |
| ডৌকাচাপৰি শেনছোৱা | ১০০ |
| ডৌকাচাপৰি হুজ কহুৱাতলী | ১০০ |
| দহঘৰ উলুবাৰী | ১০৬ |
| দহঘৰ কঠালকুছি | ১০৫ |
| দহঘৰ জাজৰি | ১০৬ |
| দহঘৰ ভালুকমাৰি | ১০৬ |
| দিহিং | ১১৪ |
| নাচনীপাৰ | ১০০ |
| ম'হখবা | ১০৮ |
| হালধিআটী এফলিয়াবৰি | ১০৪ |
| হালধিআটী চকলাঘাট | ১০৫ |
| হালধিআটী মৰিকলং | ১০৫ |
| হালধিআটী শিয়ালেখোৱা চুক | ১০৪ |
| হালধিআটী শেনছোৱা | ১০৫ |
| হেমাৰবৰি বগৰিগুৰি (জাজৰি) | ১০১ |
| হেমাৰবৰি বৰডেটি | ১০২ |
| হেমাৰবৰি ভেলেউগুৰি-হাঁহচৰা | ১০১ |
| **নিকা সংহতি ঃ** | |
| ওপৰ ডুমডুমীয়া | ১১৯ |
| নামডুমডুমীয়া | ১১৯ |
| বৰজহা | ১১৬ |
| লাইআটী বৰফাল | ১১৮ |
| লাইআটী মাজুফাল | ১১৮ |
| লাইআটী সৰুফাল | ১১৮ |
| **কলিয়াবৰ ঃ** | |
| **পুৰুষ সংহতি ঃ** | |
| খুন্দামৰা বা চেলেং | ১২৫ |
| গোনামৰা চতিয়াল | ১২৫ |
| গোবিন্দ এলেঙি | ১২৭ |
| চামগুৰি | ১৩৩ |
| চিপহা (চুপহা) হাটবৰ | ১৩০ |
| চিপহা ওপৰ বৰভগীয়া | ১৩২ |
| চিপহা সৰুভগীয়া | ১৩১ |
| তেতেলিগুৰি | ১২৩ |
| দিচিয়াল কলিয়াবৰ | ১৩৪ |
| নিকামূল কলিয়াবৰ | ১৩০ |
| পুৰণিগড় (ঘৰ) | ১২১ |
| বৰভকতি | ১২৬ |
| বৰসত্ৰ বৰএলেঙি | ১২৯ |
| বাকৰিয়াল বৰভগীয়া | ১৩২ |
| বাঘবগঞা | ১৩৪ |
| বালিভূঁই বৰ এলেঙি | ১২৮ |
| বালিসত্ৰ | ১২৮ |
| বিহিমপুৰ | ১৩৩ |
| মাধতাৰি (বৰভাগ) | ১২৬ |
| মাধতাৰি (মাধৱনাৰায়ণ) | ১২২ |

| নাম | পৃষ্ঠা |
|---|---|
| ৰূপনাৰায়ণ খামুচীয়া | ১২৩ |
| ৰূপনাৰায়ণ গোনামৰা | ১২৪ |
| ৰূপনাৰায়ণ পোৰাভেটি | ১২২ |
| লেটুগ্ৰাম | ১২৯ |
| শ্যামকানু | ১২৭ |
| **ব্ৰহ্ম সংহতি ঃ** | |
| জখলাবন্ধা কলিয়াবৰ | ১৩৫ |
| দেৱৰ সত্ৰ | ১৩৫ |
| মুবাৰি কলিয়াবৰ | ১৩৭ |
| শ্ৰৱণী হাটবৰ | ১৩৭ |
| হোৰোসা সত্ৰ | ১৩৮ |
| **কাল সংহতি ঃ** | |
| আমগুৰি কৰতিপাৰ (ন-সত্ৰ) | ১৪০ |
| আমগুৰি কৰতিপাৰ (পুৰণি সত্ৰ) | ১৩৯ |
| আঁহতগুৰি গোন্ধামৰা | ১৪১ |
| কাঠপাৰ বৰভাগ | ১৪২ |
| কাঠপাৰ সৰুভাগ | ১৪৩ |
| কৰতিপাৰ বগাজন | ১৪১ |
| দহঘৰ কলিয়াবৰ | ১৪৩ |
| ভলাগুৰি সত্ৰ | ১৩৮ |
| সৌকাজান গজলা | ১৪৩ |
| **মৰিগাঁও ঃ** | |
| আলিপুখুৰী পাটেকীবৰি | ১৪৪ |
| **পুৰুষ সংহতি ঃ** | |
| ইটাকুলি শলগুৰি | ১৫৩ |
| ঔগুৰি কৰচোং | ১৫৪ |
| কালশিলা | ১৪৬ |
| কুঁজি সত্ৰ | ১৪৯ |
| গীতা সত্ৰ | ১৫৫ |
| গোনামৰা তেলাহি | ১৫৪ |
| চিপহা বা চুপহা মৰিগাঁও | ১৫৪ |

| নাম | পৃষ্ঠা |
|---|---|
| তৰাবৰি | ১৪৮ |
| তামুলিবৰি | ১৪৮ |
| দলৈচুবা | ১৪৭ |
| দিচিয়াল চকাবহা | ১৫৫ |
| দিচিয়াল বৰঙাবাৰী | ১৫৫ |
| দিচিয়াল বাৰপূজীয়া | ১৫৫ |
| নবোৰা ইটাখুলি | ১৫১ |
| নবোৰা তেলাহি | ১৫০ |
| নবোৰা ৰামপুৰ | ১৫১ |
| নাওকটা | ১৪৭ |
| শলগুৰি জৰাবাৰী | ১৫৩ |
| শুকদল বৰবৰি | ১৫১ |
| শুকদল সৰুবৰি | ১৫২ |
| শ্যামকানু বেলগুৰি | ১৫৩ |
| হাবিবৰঙাবাৰী | ১৪৯ |
| **ব্ৰহ্ম সংহতি ঃ** | |
| ঔগুৰি ভাগৱতী | ১৫৭ |
| ডিফলু সিধাবাৰী | ১৫৬ |
| বঘৰা | ১৫৭ |
| বৰ্ণসত্ৰ | ১৫৭ |
| বৰ্হমপুৰ | ১৫৬ |
| শিলডুবি/চতাবৰি | ১৫৬ |
| **কাল সংহতি ঃ** | |
| আঁহতগুৰি কপাহেৰা | ১৫৯ |
| কাংসপাৰ | ১৫৮ |
| দহঘৰ তেলাহি | ১৫৮ |
| **চৈতনীয়া (গৌৰাঙ্গ বৈষ্ণৱ সত্ৰ) ঃ** | |
| কোমোৰাগুৰি | ১৬০ |
| খোলাগাঁও | ১৬০ |
| দৈপৰা | ১৬০ |
| মিছামাৰি | ১৫৯ |
| ৰামানন্দী সত্ৰ। | ১৬০ |





বৰদোৱা সত্ৰৰ সিংহাসন



কলিয়াবৰ বালিসত্ৰৰ সিংহাসন



মাহৰা ডিমৌ সত্ৰৰ সিংহাসন



কৰচোং সত্ৰৰ সিংহাসন



কুঁজি সত্ৰৰ গোঁসাই ধুওৱা তামৰ থাল,
কোষা-অৰ্ঘ, গৰুড় খোদিত ঘণ্টা,
শঙ্খ, ময়ুৰ ভৃঙ্গাৰ



আইভেটি ন - সত্ৰৰ শৰাই



ৰূপনাৰায়ণ পোৰাভেটি সত্ৰৰ ভোগজৰা



কৰচোং সত্ৰৰ পঞ্চঘণ্টা





বৰপাথৰি দীঘলী সত্ৰৰ কাঠত কটা মূৰ্ত্তি



কোবাইকটা সত্ৰৰ অষ্ট ধাতুৰে নিৰ্মিত বংশীবদন
(বটদ্ৰৱা সংগ্ৰহালায়ত সংৰক্ষিত)




বৰদোৱা সংগ্ৰহালয়ত সংৰক্ষিত মহাদেৱৰ
বৃষভ বাহন



আইভেটি সত্ৰৰ সাঁচিপতীয়া পুথি,
ভোৰতাল আৰু কেইটামান মূৰ্ত্তি



কুঁজি সত্ৰৰ ভোৰতাল



শালমৰা চেংলাই সত্ৰৰ দোলা-খাটোলা



কলিয়াবৰ মাধতাৰি  সত্ৰৰ সচিত্ৰ কীৰ্ত্তন



নৰোৱা বালিসত্ৰৰ চিত্ৰ- ভাগৱতৰ
এটি দৃশ্য





বৰদোৱা সত্ৰৰ প্ৰৱেশ দ্বাৰ তোৰণ



আইভেটি সত্ৰৰ ডবা, খোল,
শৰাই, চৰিয়া আদি



কলিয়াবৰ ৰূপনাৰায়ণ খামুচীয়া
সত্ৰৰ ৪.৫ X ৩.৫ ফুট ব্যাসৰ
কাৰুকাৰ্যখচিত শিলাখণ্ডৰ
ওপৰত চতুৰ্ভুজ মূৰ্তি



নিকামুল সত্ৰৰ মুখা



কলিয়াবৰ চামগুৰি সত্ৰৰ কাঠৰ শলাৰে
তৈয়াৰী হৰিণাৰ মুখা

ব্ৰহ্মচাৰী / লতাবোৰা সত্ৰৰ শিলৰ খুবলীৰ
ওপৰত গোলাকাৰ কাঠৰ বৃহৎ আকাৰৰ খুটা





কলিয়াবৰ চিপহা সৰুভগীয়া
সত্ৰৰ মাটিৰ বিভিন্ন মূৰ্ত্তি

ৰূপণাৰায়ণ এলেঙি বেবেজিয়া সত্ৰৰ
আপুৰুগীয়া বস্ত্ৰ
(অসম ৰাজ্যিক সংগ্ৰহালয়ত সংগৃহীত)







বৰদোৱা সত্ৰৰ মণিকুটৰ পিতলৰ দুৱাৰ



নৰৈ চিপহা সত্ৰৰ কাৰুকাৰ্যখচিত পিতলৰ দুৱাৰ



আলিপুখুৰী সত্ৰৰ শাস্ত্ৰ লিখা
কাঠৰ পীৰা

কলিয়াবৰ চামগুৰি সত্ৰৰ কাৰুকাৰ্যখচিত
কাঠৰ চৌকাঠ





কুঁজি সত্ৰৰ শিপাৰ ওপৰত কৰ্দৈ গছ



আকাশী গঙ্গা ঃ বৰদোৱা



বৰদোৱা সত্ৰৰ ভকতৰ বহা



চৰিপোতা এফলিয়াবৰিৰ
বাঁহৰ কাৰুকাৰ্যখচিত সত্ৰ-গৃহ





কোবাইকটাৰ সত্ৰ-গৃহ



আইভেটি ন-সত্ৰৰ সত্ৰ-গৃহ



ফাকুৱাত দৌললৈ গোঁসাই নিয়া দৃশ্য



আইভেটি ন-সত্ৰত পহিলা
বহাগত সেৱাৰ বস্তু প্ৰদৰ্শনৰ
প্ৰাক-মুহূৰ্ত্তত নাম-কীৰ্তন



নৈনে চিপহা সত্ৰত আইসকলৰ নাম


বৰদোৱা সত্ৰৰ ফাকুৱাত গোঁসাই সজোৱাৰ দৃশ্য


কুঁজীডাঁহ উলুবাৰী সত্ৰৰ ল'ৰাৰ ৰাস


ব্ৰহ্মচাৰী সত্ৰৰ ভাওনাৰ এটি দৃশ্য




বৰদোৱা সত্ৰৰ দৌল মন্দিৰ


কলিয়াবৰিয়া ভাওনাৰ জোৰাত বৰবায়নে সাতটা খোল বজোৱাৰ দৃশ্য


ব্ৰহ্মচাৰী সত্ৰৰ বোকাযাত্ৰা ভাওনাৰ এটি দৃশ্য


পাঁচতিৰ আগমুহূৰ্ত্তৰ এটি দৃশ্য




<u>অবিভক্ত নগাঁও জিলাৰ সত্ৰ থকা মৌজা ঃ</u>

১) মায়ং ২) ঘগুৱা ৩) বঘৰা ৪)মনহা ৫)গোভা ৬)তেতেলিয়া ৭) মৰিগাঁও ৮) দন্দুৱা ৯) মিকিৰভেটা ১০) শিলপুখুৰী ১১) উত্তৰখোলা ১২) বাৰপূজীয়া ১৩) ধিং ১৪) বটদ্ৰৱা ১৫) আলিটাঙনি ১৬) হাতীচোং ১৭) কাছমাৰী ১৮) টাউন মৌজা ১৯) নিজচহৰ ২০) পাখিমৰিয়া ২১) শিঙিয়া পোতনি ২২) জাগীয়াল ২৩) কঠিয়াতলী ২৪) গৰুবাট ২৫) ভেলেউগুৰি ২৬) চলচলি ২৭) খাটোৱাল ২৮) কামপুৰ ২৯) ৰহা ৩০) ৰৰভগীয়া ৩১) পূৰথৰীয়া ৩২) চতিয়াল ।।

## অভিমত

সুদূৰ পঞ্চদশ শতিকাতে একশৰণ কৃষ্ণভক্তি ধৰ্ম প্ৰচাৰ কৰিবলৈ গৈ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে নিজৰ জন্মস্থান বৰদোৱাত নামঘৰ-মণিকূট প্ৰতিষ্ঠা কৰি আৰু পৰৱৰ্তীকালত উজনিৰ ধুৱাহাট প্ৰমুখ্যে আৰু নামনিৰ পাটবাউসী, কোচবিহাৰকে ধৰি প্ৰাচীন কামৰূপৰ বিভিন্ন ঠাইত থান-সত্ৰ পাতি ধৰ্ম, সাহিত্য আৰু কলা-সংস্কৃতি চৰ্চাৰ এক সুদৃঢ় আৰু বলিষ্ঠ বুনিয়াদ গঢ় দি তোলে। শ্ৰীমন্ত শংকৰদেৱৰ পিছত মহাপুৰুষ মাধৱদেৱৰ জীৱনকালতে কৃষ্ণভক্তি ধৰ্ম প্ৰচাৰ কৰা অসমৰ নৱবৈষ্ণৱ সম্প্ৰদায়টি পুৰুষ, নিকা, ব্ৰহ্ম আৰু কাল সংহতিত বিভক্ত হ'ল। এই চাৰি সংহতিৰ আধাৰতে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ভালেমান সত্ৰ প্ৰতিষ্ঠিত হ'ল। সময়ৰ লগে লগে নানান উত্থান-পতনৰ মাজেৰে আজিও মূৰ দাঙি থকা সেইবোৰ সত্ৰই স্বকীয় মতাদৰ্শৰ লগতে শংকৰদেৱ-প্ৰবৰ্তিত ধৰ্ম, সাহিত্য আৰু সুকুমাৰ কলা-কৃষ্টিৰ চৰ্চা আজিও সজীৱ কৰি ৰাখিছে।

অসমৰ জাতীয় কৃষ্টি-সংস্কৃতিক প্ৰাণৱন্ত কৰি ৰখা এই সত্ৰসমূহৰ জিলাভিত্তিক অধ্যয়ন এতিয়াও হোৱা নাই। পুৰণি অসমীয়া সাহিত্যৰ বুৰঞ্জী-প্ৰণেতা আৰু বিভিন্ন পুৰণি সাহিত্যৰ সংগ্ৰাহক-সম্পাদক বিশিষ্ট সাহিত্যিক পণ্ডিত গৱেষক আৰু আমাৰ পৰম শ্ৰদ্ধেয় শিক্ষাগুৰু অধ্যাপক শ্ৰীযুত তিলকচন্দ্ৰ মজুমদাৰদেৱে 'অবিভক্ত নগাঁও জিলাৰ সত্ৰ-দৰ্পণ' গ্ৰন্থ ৰচনা কৰি সত্ৰৰ উদ্ভৱ-বিকাশ সম্পৰ্কে সংক্ষেপে আলোচনা কৰাৰ লগতে নগাঁও জিলাৰ প্ৰায় দুশখন সত্ৰৰ বিৱৰণ দি অসমৰ সামূহিক-সাংস্কৃতিক জীৱনত সেই সত্ৰসমূহৰ ভূমিকাৰ বিষয়ে পৰ্যাপ্ত আলোচনা আগবঢ়াই এক প্ৰশংসনীয় আৰু আদৰ্শনীয় কাম কৰিছে। অসমৰ সমূহ জিলাত সিচঁৰতি হৈ থকা সত্ৰসমূহৰ শৃঙ্খলাবদ্ধ অধ্যয়ন কৰাত এই গ্ৰন্থ যে বাটকটীয়া হৈ ৰ'ব, সি ধুৰুপ।

ডঃ লীলাৱতী শইকীয়া বৰা,
গুৱাহাটী বিশ্ববিদ্যালয়
১৮।১১।০৫



গ্ৰন্থকাৰ তিলকচন্দ্ৰ মজুমদাৰৰ কামৰূপ জিলাৰ ৰামদিয়াত ১৯৪০ চনত জন্ম। ৰামদিয়া- হাজোত স্কুলীয়া শিক্ষা সাং কৰি কটন কলেজৰ পৰা স্নাতক (অসমীয়াৰ সন্মান) আৰু অসমীয়া স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি ১৯৬৬ চনৰ পৰা নগাঁও ছোৱালী কলেজত অধ্যাপনা কৰি ২০০১ চনত অৱসৰ গ্ৰহণ কৰে। ছাত্ৰাৱস্থাৰ পৰা সমাজ-সাহিত্য-সংস্কৃতিৰ প্ৰতি থকা ধাউতিৰ কাৰণে বিভিন্ন বিষয়ক কেইবাখনো গ্ৰন্থ প্ৰণয়ন আৰু সম্পাদনা কৰিছে।

সাহিত্যৰ ইতিহাস বিষয়ক 'প্ৰাচীন অসমীয়া সাহিত্যৰ প্ৰাঞ্জলধাৰা', 'প্ৰাচীন অসমীয়া গদ্য-সাহিত্য', গাঁৱৰ বুৰঞ্জী বিষয়ক 'পুণ্যভূমি ৰামদিয়া', মহাপুৰুষৰ জীৱন বিষয়ক মঞ্চ সফল নাট 'শঙ্কৰ-জ্যোতি', শিশু চেমনীয়া সাহিত্য 'গৰখীয়া ভীম', 'আমি উভতি চাওঁ', 'অমৃতৰ সন্ধানত', আদি গ্ৰন্থৰ উপৰিও ভাষা-বিষয়ক সম্পাদিত সংকলন 'সুৰীয়া সুৰদি মাত', অঙ্কীয়া নাট- মহাপুৰুষ শঙ্কৰদেৱৰ 'ৰুক্মিণী হৰণ', 'কালি-দমন', মহাপুৰুষ মাধৱদেৱৰ 'অৰ্জুন ভঞ্জন', 'চোৰধৰা আৰু পিম্পৰা গুচোৱা ঝুমুৰা' আদি উল্লেখযোগ্য।

'অবিভক্ত নগাঁও জিলাৰ সত্ৰ-দৰ্পণ' আৰু 'সত্ৰৰ গুৰিকথা ঃ ঐতিহ্য আৰু ক্ৰমবিকাশ, দুখন তথ্যসমৃদ্ধ গৱেষণা গ্ৰন্থ।

## সাহিত্যিক, গৱেষক শ্ৰীতিলকচন্দ্ৰ মজুমদাৰদেৱৰ সম্পৰ্কত —

অসমীয়া সাহিত্য-বেদীলৈ বিভিন্ন উপচাৰেৰে ভক্তি-অৰ্ঘ নিবেদন কৰা অসমীয়া সাহিত্যকসকলৰ ভিতৰত শ্ৰীতিলক চন্দ্ৰ মজুমদাৰদেৱ অন্যতম।

সত্ৰীয়া সাহিত্য-সংস্কৃতিৰ একান্ত সাধক, বিশিষ্ট লেখক আৰু গৱেষক শ্ৰীমজুমদাৰদেৱৰ 'অবিভক্ত নগাঁও জিলাৰ সত্ৰ দৰ্পণ' এখনি অমূল্য গৱেষণা-গ্ৰন্থ। 'সত্ৰৰ গুৰিকথা ঃ ঐতিহ্য আৰু ক্ৰমবিকাশ' আন এখনি অমূল্য গৱেষণামূলক গ্ৰন্থ।

অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিলৈ আগবঢ়োৱা বহুমূলীয়া অৱদানৰ কাৰণে শ্ৰীমজুমদাৰদেৱক অভিনন্দন জনাইছোঁ আৰু তেখেতৰ সাহিত্য-কৰ্ম যাতে অব্যাহত থাকে তাকেই কামনা কৰিলোঁ।

নগাঁও ঃ ১ নৱেম্বৰ '০৫

ডঃ গিৰিকান্ত গোস্বামী
সচিব, অসমতাত্ত্বিক অনুসন্ধান সমিতি ।।